ভাৰতবৰ্ষৰ বুৰঞ্জী

ভাৰতবৰ্ষৰ বুৰঞ্জী

[*E. Marsden* ৰ *History of India* অনুবাদ]

অনুবাদক ঃ লক্ষ্মীনাথ বেজবৰুৱা

সম্পাদক ঃ ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য

নতুন অসম

ভাষা সাহিত্যৰ বিশিষ্ট প্ৰকাশক

উদ্যোগপাম ✪ বামুণীমৈদাম ✪ গুৱাহাটী

BHARATVARSHAR BURANJI, translated by Lakshminath Bezbaroa from E. Marsden's HISTORY OF INDIA, first publishied by Macmillan and Co. Limited in 1909, now edited by Dr. Satish Chandra Bhattacharyya, Head, Department of Assamese, Darrang College, Tezpur and published by Jyotipada Dev Choudhury, Natun Asam, Bamunimaidam, Guwahati - 781021,

1st Edition July 2004. *Price : Rs. 150.00 Only.*

প্ৰকাশক ঃ

শ্ৰীজ্যোতিপদ দেব চৌধুৰী

নতুন অসম

উদ্যোগপাম, বামুণীমৈদাম,

গুৱাহাটী - ৭৮১০২১

প্ৰথম সংস্কৰণ ঃ ১৯০৯ চন

সম্পাদিত সংস্কৰণ ঃ জুলাই , ২০০৪ চন

বেটুপাত ঃ ৰূপম অনুপম

মূল্য ঃ ১৫০.০০ (এশ পঞ্চাশ টকা মাথোন)

মুদ্ৰণ ঃ

কম্পটন প্ৰিন্টাৰ্ছ ইণ্ডিয়া

উদ্যোগপাম, বামুণীমৈদাম

গুৱাহাটী - ৭৮১০২১

মুখৰ কথা , কলমৰ ভাঁড়াৰে
যাঁহিৰ নিজৰা বোৱাই অহা
সৰু দাদা শ্ৰীযুত প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
আৰু
সৰু বৌ শ্ৰীযুতা ৰাণী ভট্টাচাৰ্য্যৰ হাতত

'পাতনি'ত ব্যৱহৃত সংক্ষিপ্ত ৰূপ

অসমীয়া

খৃঃ — খৃষ্টাব্দ

পৃঃ — পৃষ্ঠা

সম্পা — সম্পাদনা / সম্পাদিত

সংক সম্পা — সংকলিত সম্পাদিত

ইংৰাজী

Ed. - Editor, Edited by

Gen. Ed - General Editor

p. - page

pp. - pages

vol. - volume

কৃতজ্ঞতা জ্ঞাপন

'ভাৰতবৰ্ষৰ বুৰঞ্জী' সম্পাদনা কৰাৰ বেলিকা আমি ভালেমান ব্যক্তিৰ সহায় সহযোগ লাভ কৰিছোঁ। এইসকলৰ ভিতৰত প্ৰথমতে উল্লেখ কৰিব লাগিব তেজপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীযুতা পদুমী বৰদলৈৰ কথা। তেখেতে আমাক বুৰঞ্জীখন ধাৰলৈ নিদিয়া হ'লে সম্পাদনা কাৰ্য হৈ নুঠিলহেঁতেন। শ্ৰীযুতা বৰদলৈ আৰু লগতে বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰা হ'ল। অন্যান্যসকলৰ ভিতৰত আছে তেজপুৰ কলেজিয়েট হাইস্কুলৰ সহ-প্ৰধান শিক্ষক কৃষ্ণ মিশ্ৰ, অধ্যাপক পৰিমল ভট্টাচাৰ্য্য, কলিকতাৰ ভাৰতীয় পৰিসংখ্যা প্ৰতিষ্ঠানৰ ছাত্ৰ শ্ৰীমান প্ৰত্যয় ভট্টাচাৰ্য্য, শোণিতপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত (সীমান্ত) পূৰ্ণকান্ত দাস, কলিকতাস্থিত অসম চৰকাৰৰ বাণিজ্যিক উপদেষ্টা কৃষ্ণ দাস পাঠক, কলিকতাৰ অসম ভৱনৰ কৰ্মচাৰী প্ৰণৱ বৰুৱা, ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ কৰ্তৃপক্ষ, এচিয়াটিক চোচাইটিৰ গ্ৰন্থাগাৰ কৰ্তৃপক্ষ, কলিকতাৰে বংগীয় সাহিত্য পৰিষদৰ গ্ৰন্থাগাৰিকা ডঃ অৰুণা চট্টোপাধ্যায়, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যাপক মহেশ শৰ্মা, চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সদ্য প্ৰয়াত তীৰ্থেশ্বৰ শৰ্মা, আঃ ৰাঃ বিঃ পঃৰ গাণনিক বিষয়া মৃদুল শৰ্মা, অধ্যাপক ডঃ খগেশ্বৰ বৰকাকতী আৰু গুৱাহাটী চান্দমাৰী নিবাসী শ্ৰীযুতা লক্ষীপ্ৰিয়া বৰকটকী। সম্পাদক আটাইৰে ওচৰত ঋণী।

নকৈ গঢ় লৈ উঠা প্ৰকাশন প্ৰতিষ্ঠান 'নতুন অসম'ৰ স্বত্বাধিকাৰী জ্যোতিপদ দেব চৌধুৰী ডাঙৰীয়াই আগ্ৰহেৰে কিতাপখন প্ৰকাশ কৰিবলৈ লোৱা বাবে তেখেতৰ প্ৰতি আমাৰ ঋণ স্বীকাৰ কৰা হ'ল। পুথিখন প্ৰকাশৰ ক্ষেত্ৰত মোৰ সৰু দাদা, হাস্যব্যঙ্গ্য সাহিত্যৰ সু-পৰিচালিত লেখক শ্ৰীযুত

প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱৰ ভূমিকাও বিশেষভাৱে স্মৰণীয়। বুৰঞ্জীখনৰ সম্পাদনাৰ কামত ব্যস্ত থকা সময়ছোৱাত নানা ধৰণে আগবঢ়োৱা সহযোগিতাৰ কাৰণে পত্নী শ্ৰীমতী মিনতি ভট্টাচাৰ্য্যৰ নাম উল্লেখ নকৰিলে অন্যায় কৰা হ'ব। ইটো সিটো সহায় কৰি দিছে পুত্ৰদ্বয় ৰাজু (শ্ৰীমান যোগেশ ভট্টাচাৰ্য্য) আৰু ৰিবু (শ্ৰীমান বিপ্লৱজ্যোতি ভট্টাচাৰ্য্য) য়ে। স্নেহ আশীৰ্বাদ দুয়োৰে প্ৰাপ্য।

পুথিৰ সম্পাদনাৰ কাম কেবাবছৰ আগতে কৰি থলেও তাক সমাপ্ত কৰি প্ৰকাশৰ বাবে সাজু কৰাৰ ক্ষেত্ৰত 'আমাৰ অসম' কাকতত ২০০০ চনৰ মাজভাগত প্ৰকাশিত বাদ-বিসম্বাদে আমাক জ্ঞাত বা অজ্ঞাতভাৱে অনুপ্ৰেৰণা যোগাইছে। যথাস্থানত আটাইৰে নাম প্ৰকাশ কৰা হৈছে। ইয়াত ধন্যবাদ জ্ঞাপন কৰা হ'ল কাকতখনৰ সম্পাদক আৰু বিতৰ্কত ভাগ লোৱা সাহিত্য প্ৰেমী প্ৰতি গৰাকী ব্যক্তিলৈ। সদৌ শেষত 'কম্পটন প্ৰিন্টাৰ্ছ ইণ্ডিয়া'ৰ সমূহ কৰ্মচাৰীলৈ কৃতজ্ঞতা জনাই বক্তব্যৰ মোখনি মৰা হ'ল।

শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য্য

তেজপুৰ

১৪/১/২০০১

পাতনি

০.১ পটভূমি

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮)ৰ প্ৰতিভাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ লওঁতে বিষয়টো আধুনিক যুগৰ অসমীয়া ভাষা-সাহিত্যৰ পটভূমিত বিচাৰ কৰি চোৱা বাঞ্ছনীয়। আধুনিক যুগৰ আৰম্ভণিতে অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ জগতত যি মাৰাত্মক বিপৰ্যয় সংঘটিত হৈছিল সেই বিষয়ে নজনা মানুহ নাই বুলিলেও হয়। ১৮১৭ খৃঃৰপৰা ১৮২৫ খৃঃৰ ভিতৰত অসমত উপৰ্যুপৰি তিনিবাৰকৈ হোৱা মানৰ আক্ৰমণৰ ফলস্বৰূপে ১৮২৬ খৃঃত ৰাজ্যখনৰ শাসনভাৰ সাত সাগৰ তেৰ নদীৰ সিপাৰৰপৰা অহা ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়। অকল ৰাজ্য শাসনৰ দায়িত্ব পৰৰ হাতলৈ যোৱাটোতে অসমীয়াৰ দুৰ্যোগৰ অন্ত নপৰিল। ইয়াৰ পিছত আন এক ভয়ংকৰ বিপদ আহিল এই ভূখণ্ডৰ থলুৱা ভাষাক বিতাড়ন কৰি ১৮৩৬ খৃঃৰপৰা বিদ্যালয় আৰু আদালতৰ ভাষা ৰূপে বঙলা ভাষা প্ৰবৰ্তনৰ জৰিয়তে। তাতেই জানো বিপদৰ সমাপ্তি ঘটিল? সমগ্ৰ দেশতে ভাষা সম্পৰ্কীয় যি নীতি চলোৱা হৈছিল অসমৰ ক্ষেত্ৰত তাকো প্ৰয়োগ কৰা নহ'ল। ১৮৩৭ খৃঃৰ আইন আৰু দণ্ডবিধিৰ ৩৩৭ নং ধাৰা মতে দেৱানী আৰু ৰাজহ বিষয়ত প্ৰাদেশিক ভাষা অসমীয়া চলাব লাগিছিল যদিও কৰ্তৃপক্ষই অসমত চলালে বঙলাহে।[১] ভাষা-সাহিত্যৰ গাত ই এটা প্ৰচণ্ড আঘাত।

জাতীয় জীৱনৰ এনে হেন দুৰ্যোগৰ মাজতে অৰ্থাৎ অসমীয়া ভাষাই ন্যায্য স্থান হেৰুওৱা ১৮৩৬ খৃঃতে ধৰ্ম প্ৰচাৰৰ অৰ্থে আমেৰিকান বেপ্টিষ্ট মিছনেৰীৰ অসম আগমন ঘটিল। তেওঁলোকৰ নিজ উদ্দেশ্য সাধন, আনকথাত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ স্বাৰ্থতে মিছনেৰীসকলে ৰাজ্যৰ ভাষাটোক যোগ্য স্থানত বহুওৱাৰ প্ৰচেষ্টাত ব্ৰতী হ'ল। ৰেঃ নাথান ব্ৰাউন (১৮০৭-১৮৮৬), ৰেঃ মাইলছ ব্ৰন্সন(১৮১২-১৮৮৩) আদি মিছনেৰীৰ লগত ভাষাৰ আত্মপ্ৰতিষ্ঠাত সহযোগ কৰিলে আনন্দৰাম

---

১. ডিম্বেশ্বৰ নেওগ : *অসমীয়া সাহিত্যৰ বুৰঞ্জী* ১৯৫৭, পৃঃ ৫৫৯

ঢেকিয়াল ফুকন(১৮২৯-১৮৫৯), গুণাভিৰাম বৰুৱা (১৮৩৭-১৮৯৪) আদি স্বনামধন্য অসমীয়াসকলে। ইয়াৰ পৰিণতিত ১৮৭৩ খৃঃৰ ২৫ ৰ জুলাইৰ দিনা জাৰি কৰা নিৰ্দেশৰ যোগেদি চৰকাৰে ৰাজ্যখনৰ ভাষাটো পুনৰ সংস্থাপন কৰিলে।

অসমীয়া ভাষাৰ পুনৰ্বাসন হ'লেও শক্তিকাটোৰ শেষলৈকে এই ভাষাৰ দুৰ্যোগ আঁতৰি যোৱা নাছিল। সেই কাল পৰ্যন্ত বঙলা ভাষাৰ আছিল প্ৰবল আধিপত্য। অসমীয়া পাঠ্যপুথি আছিল অত্যন্ত সীমিত সংখ্যক। প্ৰকৃততে আমাৰ ভাষাৰ পাঠ্যপুথি মুদ্ৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে। ১৮৩৬ খৃঃত শদিয়াত উপস্থিত হোৱাৰ পিছত বেপ্টিষ্টসকলে সেই ঠাইৰ পৰ্বতীয়া জাতিবিলাকৰ উপদ্ৰৱত তিষ্ঠিব নোৱাৰি তৎকালীন লক্ষীমপুৰ জিলাৰ জয়পুৰলৈ আহি তাত কেন্দ্ৰ স্থাপন কৰি ছপাশাল বহুৱায়। ইয়াতে অলিভাৰ টি কাটাৰৰ পত্নী শ্ৰীমতী এইচ বি এল কাটাৰে এখন ইংৰাজী আৰু অসমীয়া শব্দাৱলী তথা খণ্ডবাক্যৰ পুথি ছপাই উলিয়ায়[২]। এই পুথিয়েই সূচনা কৰে অসমীয়া মুদ্ৰিত পাঠ্যপুথিৰ জয়যাত্ৰা। জয়পুৰৰ[৩] পিছত তেওঁলোক শিৱসাগৰলৈ আহি তাত ছপাশাল স্থাপন কৰি অসমীয়া ভাষাই নায্য স্থান পোৱাৰ সময়লৈ ভালেখিনি পুথিৰ মুদ্ৰিত ৰূপে দিয়ে। অৱশ্যে প্ৰয়োজনৰ তুলনাত এইখিনি পুথি আছিল তেনেই তাকৰ। ১৮৭৩ খৃঃত কৰ্তৃপক্ষৰ ফালৰপৰা দিয়া জাননীৰ ফলতহে বহুতে পাঠ্যপুথি ৰচনাত প্ৰবৃত্ত হৈছিল আৰু হেমচন্দ্ৰ বৰুৱা (১৮৩৫-১৮৯৬) ই এনে পুথি ৰচনা কৰি পুৰস্কাৰ অৰ্জন কৰিছিল। বৰুৱাদেৱে এই কামৰ বাবে চৰকাৰৰ ঘৰৰপৰা পোৱা মুঠ পুৰস্কাৰৰ পৰিমাণ আছিল ১১০০.০০ টকা।[৪]

১৮৭৩ চনৰ পিছত অসমীয়া ভাষা চৰ্চাৰ ক্ষেত্ৰত পূৰ্বতকৈ ভালেখিনি সুবিধা হ'ল সঁচা। কিন্তু ভাষাটো তেতিয়াও বিপদমুক্ত হোৱা নাই। সাহিত্যৰ বুৰঞ্জী ৰচকৰ দৃষ্টিত বিষয়টো সঠিকভাবে ধৰা পৰিছে, "বঙালী ভাষা স্কুল

---

2. H.B.L. Cutter : *Vocabulary and Phrases in English and Assamese*, 1840

৩. মিছনেৰী সাহিত্যৰ গৱেষকসকলে এই বিষয়ে বিচাৰ বিশ্লেষণ কৰিছে। সম্প্ৰতি যন্ত্ৰস্থ বৰ্তমান লেখকৰ 'অৰুণোদয় যুগৰ সাহিত্য ঃ অসমীয়া সমাজ-সংস্কৃতি'তো বিষয়টো তথ্যপাতিসহ আলোচিত হৈছে।

৪. সৰ্বেশ্বৰ কটকী ঃ *হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত* , ১৯৮২ (প্ৰথম প্ৰকাশ, ১৯২৭) , পৃঃ ৩১

আদালতৰ বহিষ্কাৰ হ'ল যদিও, বঙালীৰ প্ৰভাৱ কমা নাছিল আৰু ভাষাক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ তেতিয়াও চেষ্টাৰ বিৰাম হোৱা নাছিল।"[৫] অসমীয়া ভাষা তেতিয়াও 'দুৰ্বল, ৰুগীয়া আৰু জীৰ্ণ'। অঃ ভাঃ উঃ সাঃ সভা অৰ্থাৎ অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ তৃতীয় বছৰৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱাই অনুষ্ঠানটোৰ উদ্দেশ্য সম্পৰ্কে কৈছে ঃ

> কেচুৱা মাতৃ ভাষা কেনেকৈ ডাঙৰ-দীঘল হব; কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ- বেলিৰ পোহৰ চাৰিউফালে পেলাই দুখীয়া আৰু এন্ধাৰ আসামৰ মুখ পো হৰাব পাৰিব; কেনেকৈ সি দুৰ্বল, ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰ পৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য।[৬]

উনবিংশ শতিকাৰ শেষৰ ফালে কলিকতাৰ কলেজত পঢ়িবলৈ যোৱা অসমীয়া ডেকাসকলে ঠিক এনে প্ৰত্যাহ্বানৰ সমুখত কাম কৰিবলগীয়াত পৰিছিল। এই ডেকাদলত আছিল লক্ষ্মীনাথ বেজবৰুৱাৰ উপৰি চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮), হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮), ৰত্নেশ্বৰ মহন্ত (১৮৬৪-১৮৯৩), সত্যনাথ বৰা (১৮৬০-১৯২৫), আনন্দচন্দ্ৰ আগৰৱালা (১৮৭৮-১৯৪০), কনক লাল বৰুৱা (১৮৭২-১৯৪০) আদি। তেওঁলোকে দেখিবলৈ পাইছিল বংগদেশৰ বিশাল উন্নত সমাজ তথা বঙলা ভাষাৰ জয় জয় ময় ময় অৱস্থা আৰু তাৰ বিপৰীতে অসমীয়া ভাষাৰ "নিশকতীয়া থৰক্ বৰক্ খোজ"। মাতৃভাষা আৰু জন্মভূমিৰ এনে নিকৰুণ অৱস্থা দেখাৰ পিছত এই ডেকাসকলে নিজ কৰ্তব্য থিৰাং কৰি পেলালে। ১৮৮৮ খৃঃৰ ২৫ আগষ্ট তাৰিখে ভাষা সাহিত্যৰ সৰ্বাংগীণ উন্নতি কল্পে উপৰি উক্ত অঃ ভাঃ উঃ সাঃ সভা স্থাপন কৰি পৰৱৰ্তী জানুৱাৰী মাহৰপৰা সভাৰ মুখপত্ৰ 'জোনাকী' প্ৰকাশ কৰি এওঁলোক বাউতিযুগীয়া যশস্যাৰ অধিকাৰী হ'ল। ৰাজ্যৰ ভাষা-সাহিত্যৰ ইতিহাসত ই এক যুগান্তকাৰী ঘটনা। ওপৰত উদ্ধৃত কৰা মূল উদ্দেশ্যৰ বাহিৰেও উদ্যোক্তাসকলে আৰু যি ছয় সাতোটা লক্ষ্য লৈ অঃ ভাঃ উঃ সাঃ সভা স্থাপন কৰিছিল সেই আটাইবোৰৰে কেন্দ্ৰীয় বিষয় হ'ল ভাষা-সাহিত্যৰ উন্নতি বিধান কৰা।

---

৫. সত্যেন্দ্ৰ নাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ ইতিবৃত্ত*, ১৯৬৫ পৃঃ ২৩৮

৬. "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা"ৰ দ্বিতীয় বছৰৰ কাৰ্য বিৱৰণ, *জোনাকী*, তৃতীয় ভাগ, ১৮১২-১৩ শক, পৃঃ ২০৬।

কলিকতাৰ কলেজত পঢ়া ডেকাসকলে ঘোষিত উদ্দেশ্য পূৰণত অহোপুৰুষাৰ্থ কৰাৰ প্ৰমাণ বিচাৰি হাবাথুৰি খাব নালাগে। 'জোনাকী'ৰ যোগেদি অসমীয়া সাহিত্যলৈ নৱন্যাসৰ ঢল নামি আহে। কাকতখনৰ প্ৰধান উদ্যোক্তা লক্ষ্মীনাথ বেজবৰুৱা-হেমচন্দ্ৰ গোস্বামী-চন্দ্ৰ কুমাৰ আগৰৱালাক আখ্যা দিয়া হৈছে জোনাকী যুগৰ 'ত্ৰিমূৰ্তি' ৰূপে।

'জোনাকী' প্ৰকাশৰ আঢ়ৈ বছৰমান পিছত এই কাকতখনৰ কালৰ কাটি গৈ ১৮৯১ খৃঃত 'আচামীজ লিটাৰেৰী ক্লাব' গঠন কৰি 'বিজুলী' কাকত উলিওৱা পদ্মনাথ গোহাঞিবৰুৱা (১৮৭১-১৯৪৬), বেণুধৰ ৰাজখোৱা (১৮৭২-১৯৫৫), কৃষ্ণ প্ৰসাদ দুৱৰা আদিয়েও ভাষা জননীৰ প্ৰতি কম অবিহণা যোগোৱা নাই।

ৰাজ্যৰ ভাষাটোৰ দৈন্যৰ প্ৰতি লক্ষ্য ৰাখি এই যুগৰ কেবাজনো লেখকে সাহিত্যৰ বিভিন্ন দিশত হাত দিবলগীয়াত পৰিছিল। অহোপুৰুষাৰ্থ কৰিছিল সেই সেই দিশৰ অভাৱ পূৰণৰ অৰ্থে। এই শ্ৰেণীৰ সাহিত্য সাধক হ'ল লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা আদি। ইয়াৰ ভিতৰতে আকৌ বেজবৰুৱা আৰু গোহাঞিবৰুৱাৰ সৃষ্টিৰাজিলৈ লক্ষ্য কৰিলে তবধ মানিবলগীয়া হয়। কি এক অভূতপূৰ্ব প্ৰেৰণাৰে উদ্দীপিত হৈ তেওঁলোক দুজনাই সাহিত্যৰ প্ৰায় আটাইকেইটি দিশলৈ বৰঙণি আগবঢ়াইছিল সেয়াও এক প্ৰকাৰ বিস্ময়কৰ কাৰ্য্য। কবিতা, নাটক, উপন্যাস, ধৰ্মগ্ৰন্থ, জীৱনী, বুৰঞ্জী, পাঠ্যপুথি, আলোচনী সম্পাদনা — সকলো দিশত দুয়োজনাৰ আছিল অবাধ বিচৰণ। এইবোৰৰ উপৰি বেজবৰুৱা ডাঙৰীয়া হাস্যৰসাত্মক ৰচনা লেখক আৰু অসমীয়া চুটি গল্পৰ জন্মদাতা। কবি, সাহিত্যৰ বুৰঞ্জী ৰচনাৰ পথিকৃৎ ডিম্বেশ্বৰ নেওগদেৱে সাৰ্থকভাৱে অভিমত দিছে ঃ

> ....মুঠতে প্ৰায় আধা শতিকা (১৮৮৮-১৯৩৮) বেজবৰুৱা বৰ্তমান অসমীয়া সাহিত্যৰ মুকুট নিগিদ্ধা সম্ৰাট আছিল; আৰু এইদৰে সুদীৰ্ঘকাল মহা পয়োভৰে অসমীয়া সাহিত্যৰ অধিনায়কত্ব কৰা ব্যক্তি বৰ্তমান সাহিত্যতে কিয়, শংকৰদেৱৰ পাছত নাই বুলিলেও হয়।[৭]

অনুৰূপ স্বীকৃতি লাভ কৰিছে পদ্মনাথ গোহাঞিবৰুৱাইও ঃ

---

৭. ডিম্বেশ্বৰ নেওগ ঃ *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ৬৩৮

...............মুঠতে অসমীয়া সাহিত্যৰ সকলো বিভাগকে গোহাঞি বৰুৱাই পৰিপুষ্ট কৰি গৈছে। ঐকান্তিক সাহিত্যনিষ্ঠা আৰু ভাষা জননীৰ প্ৰতি গভীৰ প্ৰীতিয়েই গোহাঞি বৰুৱাৰ ৰচনাৱলীৰ মূল প্ৰেৰণা।[৮]

গতিকে অসমীয়া সাহিত্যৰ শূন্য দিশবোৰ পূৰাবলৈকে যে দুয়োজন সাহিত্যিকে কাপ হাতত তুলি লৈছিল এই বিষয়ে সন্দেহৰ অৱকাশ নাথাকে।

০.২ বেজবৰুৱা ৰচিত গ্ৰন্থৰাজি ঃ

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰি যোৱা গ্ৰন্থৰ সংখ্যা সম্পৰ্কত সামান্য ব্যাখ্যাৰ প্ৰয়োজন আছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই বেজবৰুৱাৰ জীৱনকালত প্ৰকাশিত ২৩ খন আৰু মৰণোত্তৰভাৱে প্ৰকাশিত ৩ খন, মুঠ ২৬ খন পুথিৰ তালিকা এখন দিছে।[৯] মহেশ্বৰ নেওগ ৰচিত সাহিত্যৰ বুৰঞ্জীখনৰ বেলেগ বেলেগ ঠাইত মুঠ ২১ খন পুথিৰ নাম পাওঁহক।[১০] সাহিত্যৰথী বেজবৰুৱা প্ৰণীত পুথিসমূহৰ সময়ানুক্ৰমিক তালিকা এখন প্ৰস্তুত কৰি অধ্যাপক যতীন্দ্ৰ নাথ গোস্বামীয়ে বিশেষ প্ৰশংসনীয় কাম কৰিছে। ইয়াত পোৱা যায় গ্ৰন্থকাৰৰ জীৱন কালত প্ৰকাশিত ২৫ খন আৰু মৰণোত্তৰভাৱে প্ৰকাশিত ৫ খন, সৰ্বমুঠ ৩০ খন পুথিৰ নাম।[১১] আকৌ বেজবৰুৱাৰ সমগ্ৰ ৰচনাৰাজি দুটা খণ্ডত ছপাই উলিওৱা 'সাহিত্য প্ৰকাশ' এ গ্ৰন্থকাৰৰ সকলো লেখাৰ প্ৰকৃতি বিচাৰৰ অন্তত এইবোৰক ক্ৰমে জীৱনী, ধৰ্ম আৰু তত্ত্বকথা; উপন্যাস, গল্প; সাধুকথা, শিশু সাহিত্য; কবিতা আৰু নাট; হাঁহি-কৌতুক, ব্যঙ্গ আৰু ভাষা, সাহিত্য, সংস্কৃতি শীৰ্ষক ৬টা শিতানত বিভাজিত কৰি সৰ্বমুঠ ৩৭ খন পুথিৰ তালিকা এখন প্ৰস্তুত কৰি উলিয়াইছে। বেজবৰুৱাদেৱৰ ৰচনাৰাজিৰ ক্ষেত্ৰত তালিকাখন বহু পৰিমাণে নিৰ্ভৰযোগ্য যদিও ইয়াতো তেখেতৰ ইংৰাজী গ্ৰন্থদ্বয় History of Vaisnavism in India and Rasa Lila of Srikrishna (বৰোদা বক্তৃতা) ১৯৩৪ আৰু The Religion of Love and Devotion তথা অনূদিত গ্ৰন্থদ্বয় 'ভাৰতবৰ্ষ বুৰঞ্জী' আৰু যোগীন্দ্ৰ সৰকাৰৰ 'হাসি খুচী'ৰ ভাঙনি

---

৮. সত্যেন্দ্ৰ নাথ শৰ্মা ঃ *প্ৰাগুক্ত গ্ৰন্থ* পৃঃ ২৫১

৯. *একে*, পৃঃ ২৪৭

১০. মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, ১৯৬২।

১১. যতীন্দ্ৰ নাথ গোস্বামী ঃ *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা*, ১৯৬২ পৃঃ ১৭৮-১৭৯।

অন্তৰ্ভুক্ত নহ'ল।[১২] অৱশ্যে তৃতীয় খণ্ডই বাকী থকা ৰচনাখিনি সামৰিব বুলি কোৱা হৈছে।[১৩] এই কাৰ্য সম্পাদিত হৈ উঠিলে অসমীয়া পঢ়ুৱৈ বাহিজে তেওঁৰ সকলো সৃষ্টিকে তিনিটা খণ্ডৰ ভৱিষ্যতে একত্ৰে পাব বুলি আশা কৰিব পাৰি।

১.১ ভাৰতবৰ্ষৰ বুৰঞ্জী ঃ

লক্ষ্মীনাথ বেজবৰুৱাৰ অনূদিত গ্ৰন্থ 'ভাৰতবৰ্ষ বুৰঞ্জী' আমাৰ পণ্ডিতসমালোচকসকলৰ দ্বাৰা উপেক্ষিত পুস্তক। ইয়াক উপেক্ষিত আখ্যা দিয়া হৈছে এই কাৰণেই যে অনূদিত সাহিত্য কৰ্ম হ'লেও ভাষা-সাহিত্যৰ বুৰঞ্জীত এটা যুগৰ সৃষ্টি কৰি যোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে এজন ব্যক্তিৰ পুথিখনৰ বিষয়ে অধিকাংশ ক্ষেত্ৰত উল্লেখ নাই। য'ত আছে সেয়া নাম মাত্ৰ কিম্বা ভ্ৰমাত্মকভাৱে।

প্ৰথমতে পৰীক্ষা কৰি চোৱা যাওক কি কি গ্ৰন্থত আলোচ্যমান বুৰঞ্জীখনৰ বিষয়ে উল্লেখ আছে। অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাৰ বাটকটীয়া দেবেন্দ্ৰ নাথ বেজবৰুৱাৰ মতে "শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভাৰত বুৰঞ্জী', শ্ৰীযুত পদ্মনাথ বৰুৱাৰ 'অসম বুৰঞ্জী, " "শ্ৰীযুত ধৰ্মেশ্বৰ গোস্বামীৰ ' ভাৰত বুৰঞ্জী', এই কেইখনি পুথি ছাত্ৰসকলৰ পক্ষে বিশেষ উপযোগী"।[১৪]

কবি- সমালোচক ডিম্বেশ্বৰ নেওগে বেজবৰুৱাৰ অনূদিত সাহিত্য কৰ্মৰ সম্পৰ্কত কৈছে, " ১৯১০ আৰু ১৯১৫ চনত সেইদৰে এওঁৰ ভাঙনি পুথি ভাৰতবৰ্ষৰ বুৰঞ্জী আৰু ভাগৱত কথা ওলায়"।[১৫]

অধ্যাপক যতীন্দ্ৰনাথ গোস্বামীয়ে বেজবৰুৱাৰ ৰচনাৱলীৰ তালিকা প্ৰস্তুত কৰোঁতে মৌলিক গ্ৰন্থ ২৩ খনৰ নাম লেখি উঠি এই গ্ৰন্থখনক ২৪ নম্বৰত স্থান দি কৈছে, "ভাৰতবৰ্ষৰ বুৰঞ্জী (ই মাৰ্চডেনৰ অনুবাদ), ১৯০৬"।[১৬]

'বেজবৰুৱা গ্ৰন্থাৱলী'ত অন্তৰ্ভুক্ত বেজবৰুৱাৰ জীৱন কালত প্ৰকাশিত

---

১২. *বেজবৰুৱা গ্ৰন্থাৱলী*, দ্বিতীয় খণ্ড , ১৯৮৮ পৃঃ (ক)-(থ)

১৩. *একে*, পৃঃ (১৭)

১৪. দেবেন্দ্ৰ নাথ বেজবৰুৱা ঃ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* , ১৮৩৩ শক, পৃঃ ২২৭

১৫. ডিম্বেশ্বৰ নেওগ ঃ *প্ৰাগুক্ত গ্ৰন্থ* , পৃঃ ৬৩৫

১৬. যতীন্দ্ৰ নাথ গোস্বামী ঃ *প্ৰাগুক্ত গ্ৰন্থ* , পৃঃ ১৭৯

গ্ৰন্থৰ তালিকাত বুৰঞ্জীখনক ঠিক গোস্বামীদেৱৰ দৰে ২৪ নম্বৰত দেখুৱাই কোৱা হৈছে, "ভাৰতবৰ্ষৰ বুৰঞ্জী (ই মাৰ্চ্ছডেনৰ অনুবাদ) ১৯০৬ চন"।[১৭] অনূদিত গ্ৰন্থ কাৰণেই যে পুথিখনে সংকলনত স্থান নাপালে সেই কথা স্পষ্টভাৱে কোৱা হৈছে, "বেজবৰুৱাৰ প্ৰকাশিত সকলো গ্ৰন্থ (দুখন স্কুলীয়া ল'ৰাৰ বাবে কৰা অনুবাদ পুথিৰ বাহিৰে) আৰু আলোচনীৰ পাতত সিঁচৰিত হৈ থকা বিভিন্ন ৰচনা দুটা খণ্ডত ভাগে ভাগে সজাই পাঠকৰ আগলৈ আগবঢ়োৱা হ'ল"।[১৮] গ্ৰন্থাৱলীৰ দ্বিতীয় খণ্ডতো প্ৰায় এই একে কথাই পঢ়িবলৈ পোৱা যায়, "দুখন অনুবাদিত শিশু পুথিৰ (মাৰ্চ্ছ দেশৰ ভাৰত বুৰঞ্জী আৰু যোগীন্দ্ৰ চৰ্কাৰৰ "হাসি খুচী") বাহিৰে বেজবৰুৱাৰ আটাইকেইখন ছপা কিতাপ আৰু বিভিন্ন স্থানত সিঁচৰিত হৈ থকা বেজবৰুৱা ৰচনাবলীৰ এটা বুজন অংশ এই গ্ৰন্থাৱলীত অন্তৰ্ভুক্ত কৰা হৈছে"।[১৯] ছপাশালৰ ভূতৰ উপদ্ৰৱত ইয়াত আকৌ মূল লেখকৰ নামটো হৈ পৰিছে "মাৰ্ছ দেশ।"

বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ সময়ত প্ৰকাশিত আন এখন লেখৰ গ্ৰন্থ হ'ল 'লক্ষ্মীনাথ বেজবৰুৱা' নামৰ প্ৰবন্ধ সংকলনখনি। পুথিৰ এঠাইত "ভাৰত বুৰঞ্জী নামেৰে উলিওৱা পঢ়াশলীয়া পুথিখন", আন এঠাইত "মাৰ্চ্ছডেন..........ৰ অনুকৰণত শিশুসকলৰ বাবে লিখা বেজবৰুৱাৰ ভাৰতবৰ্ষৰ বুৰঞ্জী" (১৯১০) আৰু শেষত সন্নিবিষ্ট "গ্ৰন্থপঞ্জী" খনত 'ভাৰতবৰ্ষৰ বুৰঞ্জী' ১৯১০ বুলি লেখা পাওঁহক।[২০] বুৰঞ্জীখন মৌলিক নে অনুবাদ তাৰ কোনো ইংগিত সূত্ৰকেইটাত নাই।

এই পাঁচটা উৎসত সামান্য পৰিচয়সহ পুথিৰ নামটো পোৱা গৈছে। ইয়াৰ বাহিৰে সবিতা সভা (গুৱাহাটী) ৰ উদ্যোগত প্ৰায় পঞ্চাশ বছৰ পূৰ্বে প্ৰকাশিত বেজবৰুৱা সম্পৰ্কীয় প্ৰবন্ধ সংকলন[২১] কিম্বা ড° সত্যেন্দ্ৰ নাথ শৰ্মা আৰু ড° মহেশ্বৰ নেওগৰ সাহিত্যৰ বুৰঞ্জী দুখনতো বিষয়টোৰ উল্লেখ অনুপস্থিত। বৰেণ্য সাহিত্যিক গৰাকী সম্পৰ্কে ৰচিত অন্যান্য পুথিপাজি অথবা প্ৰবন্ধ পাতিতো

---

১৭. *বেজবৰুৱা গ্ৰন্থাৱলী*, ১ম খণ্ড , পৃঃ (ঙ)

১৮. *একে*,

১৯. *একে*, দ্বিতীয় খণ্ড, পৃষ্ঠা (১৩)

২০. চন্দ্ৰ প্ৰসাদ শইকীয়া (সম্পা) : *লক্ষ্মীনাথ বেজবৰুৱা* ১৯৬৮ পৃঃ ২২০,২৯০ আৰু ৩১৫

২১. সবিতা সভা : *বেজবৰুৱাৰ সাহিত্য প্ৰতিভা* , ১৯৬০ (প্ৰথম প্ৰকাশ ১৯৫৩)

বুৰঞ্জীখনৰ উল্লেখ দেখা পোৱা নাযায়।

গ্ৰন্থখনৰ সম্পৰ্কত অনুবাদকে নিজে কি কয় সি এটা চিন্তনীয় বিষয়। বেজবৰুৱাৰ 'দিনলেখা'ত এই সম্পৰ্কীয় দুদিনৰ কাৰ্যাৱলী এনেদৰে লিপিবদ্ধ কৰা আছে ঃ

৫ এপ্ৰিল, ১৯০৭ শুক্ৰবাৰ

Finished copying the translation of Marsden's History to-day [২২]

৬ এপ্ৰিল, ১৯০৭ শনিবাৰ

Sent by two Book Post registered parcels 9 mss. books of my translation of Marsden's History to Mr. Majid, Rajshahi. [২২ (ক)]

এইবাৰ চোৱা যাওক অনুবাদকৰ চিঠিপত্ৰৰ মাজত বুৰঞ্জীখনৰ বিষয়ে কিবা সম্ভেদ পোৱা যায় নেকি। বেজবৰুৱাই বিভিন্ন কাৰণত বেলেগ বেলেগ ব্যক্তিলৈ আৰু বেলেগে তেওঁলৈ লেখা পত্ৰসমূহো আমাৰ ভাষা সাহিত্যৰ মূল্যবান সম্পদ। পত্ৰ গুচ্ছৰ ভিতৰত ১৭৭ খন বেজবৰুৱাই লেখা, ১২১ খন আনে তেওঁলৈ লেখা আৰু ১৭ খন আছে সানমিহলি পত্ৰ। মুঠ পত্ৰ ৩১৫ খন [২৩]। এইবোৰৰ ক'তো গ্ৰন্থকৰ্তাৰ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ নাম পোৱা নগ'ল।

এনেধৰণে সাহিত্যৰথী বেজবৰুৱা-অনূদিত গ্ৰন্থখনৰ বিষয়ে আমাৰ লেখক সমালোচক আৰু বৃহত্তৰ পাঠক সমাজ জ্ঞাত নহয় যদিও কুৰি শতিকাৰ আৰম্ভণি কালছোৱাত ই এখন জনপ্ৰিয় পাঠ্যপুথি আছিল আৰু ইয়াৰ কেবাটাও তাঙৰণে পোহৰৰ মুখ দেখিছিল। শেষৰ কথাখিনি সম্পৰ্কে এই ভূমিকাৰ পিছৰফালে তথ্যভিত্তিক আলোচনা সন্নিবিষ্ট হৈছে। পুথিখনৰ সম্পৰ্কত প্ৰকৃত তথ্য এয়ে যে

২২. মহেশ্বৰ নেওগ (সংক, সম্পা) ঃ *বেজবৰুৱাৰ দিনলেখা*, ২য় খণ্ড,১৯৭৬ পৃঃ ৪৮'। কথাখিনিৰ তাঙনি — 'মাৰ্চডেনৰ বুৰঞ্জীৰ অনুবাদ আজি নকল কৰি শেষ কৰা হ'ল।'
২২. (ক) একে, তাঙনি — 'মাৰ্চডেনৰ বুৰঞ্জীৰ অনুবাদৰ পাণ্ডুলিপিৰ ৯ খন বহী দুটা বুক পোষ্ট পঞ্জীয়নযুক্ত পাৰ্চেল যোগে ৰাজশাহীৰ মিঃ মজিদলৈ পঠালোঁ।
২৩. মহেশ্বৰ নেওগ (সম্পা) ঃ *পত্ৰলেখা*, ১৯৬৯

'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ মূল গ্ৰন্থ হ'ল HISTORY OF INDIA . গ্ৰন্থকাৰ আছিল মাদ্ৰাজ কেন্দ্ৰীয় সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক (অৱসৰপ্ৰাপ্ত) ইমাৰ্চডেন (E. MARSDEN)। অসমীয়া অনুবাদৰ প্ৰকাশ কাল ১৯০৯ খৃঃ।

আমাৰ এই সম্পাদিত পুথিখন প্ৰকাশৰ লগে লগে বুৰঞ্জীখনৰ অস্তিত্ব অথবা ইয়াৰ প্ৰকাশকাল সম্পৰ্কত তাহানিৰ পৰা চলি অহা সন্দিগ্ধতা, অনিশ্চয়তা আৰু বিতৰ্কৰ নিশ্চয় পৰিসমাপ্তি ঘটিব।

পুথিখন মেলিলেই প্ৰথম যিটো পৃষ্ঠা পোৱা যায় তাৰ সোঁমাজত আছে কেৱল এই নামটো -'ভাৰতবৰ্ষৰ বুৰঞ্জী'। তাৰ পিছতে নাম পাত (title page)। নাম পাতত আছে ঃ

ASSAMESE

HISTORY OF INDIA

BY

E. MARSDEN, B.A.

Inspector of Schools, Central Circle, Madras (Retired)

AND

L.N. BEZBOROA, B.A.

ভাৰতবৰ্ষৰ বুৰঞ্জী

ই.মাৰ্চডেন, বি.এ.

এবং

এল. এন. বেজবৰুৱা, বি.এ.

MACMILLAN & CO., LIMITED

LONDON, BOMBAY AND CALCUTTA

1909

All rights reserved

উক্ত পৰিচয় লিপিত গ্ৰন্থকাৰ হিচাপে দুয়োজনৰ নাম কিয় থাকিল? বেজবৰুৱাৰ নাম অনুবাদক হিচাপে কিয় দিয়া নহ'ল? মূল গ্ৰন্থকাৰৰ নাম দিয়াৰ পাছত অনুবাদক ৰূপেহে লক্ষ্মীনাথৰ নাম মুদ্ৰিত হ'ব লাগিছিল। অকত অৱস্থাত পোৱা পুথিখনত মূল লেখক কিম্বা অনুবাদক কাৰো একো 'পাতনি' বা 'ভূমিকা' জাতীয় বক্তব্য নথকাত তেওঁলোকৰ নিজস্ব ক'বলগীয়াখিনি জনাৰ উপায় নাই। সেয়েহে এই প্ৰসংগত মতামত দিয়া নিৰাপদ নহয়। তথাপি এটা কথা বিবেচনা কৰিব পাৰি। পুথিৰ ৩১৩ পৃষ্ঠাৰপৰা ৩৪২নং শেষ পৃষ্ঠালৈকে ' আসাম বুৰঞ্জীৰ আধ্যাচেবেক' শিতানত ডেৰ কুৰি পৃষ্ঠাত সামৰা অধ্যায় সাতোটা আছে। এইখিনি বেজবৰুৱাৰ নিজস্ব ৰচনা বুলি ধৰিলে এওঁক অনুবাদক বুলি ধৰাৰ লগতে এটা অংশৰ হ'লেও ৰচক ৰূপে জ্ঞান কৰিব পাৰি। অৱশ্যে এয়া আমাৰ ধাৰণাহে, যদিও ই যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত।

নাম পাতত থকা পৰিচয় লিপি প্ৰসংগত আৰু এবাৰ ক'বলগীয়া আছে। ইয়াত বেজবৰুৱাদেৱৰ পূৰা নামৰ সলনি 'এল এন বেজবৰুৱা' বুলিহে পোৱা যায়। এই লেখকে পোৱা তিনিটা তাঙৰণৰ এটাতো অনুবাদকৰ সম্পূৰ্ণ নাম পোৱা হোৱা নাই। অৱশ্যে মূল গ্ৰন্থকাৰৰ নামো সংক্ষিপ্ত ৰূপতেই দিয়া আছে। মূল ৰচয়িতাৰ নাম চমুকৈ দিয়া বাবে অনুবাদকৰ বেলিকাও তদ্ৰূপ হোৱা বুলি এটা যুক্তি আগবঢ়াব পাৰি। তাৰ উপৰি সেই কালত প্ৰচলিত এটা ঢঙৰ কথাও প্ৰসংগক্ৰমে বিবেচ্য। কথাষাৰ মুকলিকৈ প্ৰকাশ কৰিছে বুৰঞ্জীবিদ বেণুধৰ শৰ্মাইঃ

> অসমীয়া নাম গুচাই ইংৰাজী-দৰে উচ্চাৰণ কৰিব পৰা নাম একোটা লোৱাটো তেতিয়া ইংৰাজী-শিক্ষিতসকলৰ মাজত এটা ঢং বা ফেশ্যনেই হৈছিল।..... লগৰ কাৰো লগেৰেই উজাই গোবিন্দ চন্দ্ৰ বেজবৰুৱাইও সেইদৰে নিজৰ নামটো জি বেজবৰুৱা (G. Bezbaroa) বুলি সমসাময়িক সোঁতত বিলাতী সভ্যতাৰ নাওখনি পাৰি দিছিল আৰু সেই নামেৰেই তেওঁ সকলোৰে মাজত জনাজাত আছিল।[২৪]

গতিকে অগ্ৰজৰ আৰ্হি হে অনুজ লক্ষ্মীনাথ "এল এন বেজবৰুৱা" হোৱাত আচৰিত হ'বলগীয়া কি আছে? এই গ্ৰন্থৰ বাহিৰেও আন অনেমান পুথি-পত্ৰত লক্ষ্মীনাথ বেজবৰুৱাই একে সংক্ষিপ্ত নাম লোৱাটোৱে এনে অভিমতৰ প্ৰতি সমৰ্থন জনায়।

---

২৪. বেণুধৰ শৰ্মা : অৰ্ঘ্যাৱলী, পৃঃ ১

বৰ্তমান আলোচনাৰ পিছৰফালে পোৱা যায় — ১৯১৯ চনৰ সংস্কৰণত অনুবাদকজনাৰ সংক্ষিপ্ত নামটোও শুদ্ধ নহ'ল। সিহঁতে পৰিছে "এন.এন বৰবৰুৱা"। আৰ্হি কাকত চোওঁতে শ'কৰ্মীৰ সাৱধানতাৰ অভাৱতেই যে এনে হৈছে তাত সন্দেহ নাই।

১.২ গ্ৰন্থকাৰ ই. মাৰ্চডেন ঃ

অনূদিত গ্ৰন্থ এখন সম্পাদনা কৰাৰ বেলিকা তাৰ মূলৰ কিমান প্ৰয়োজন সেই বিষয়ে নক'লেও হ'ব। অসমৰ ভালেকেইটা চৰকাৰী গ্ৰন্থাগাৰত অনুসন্ধান কৰাৰ উপৰি কলিকতাৰো কেইটামান প্ৰসিদ্ধ পুথিভঁৰালত মাৰ্চডেন চাহাবৰ History of India পুথিখন বিচাৰি চোৱা হৈছিল। কিন্তু ক'তো সফল হ'ব পৰা নগ'ল। ১৯১৩-১৯৩৯ খৃঃৰ কালছোৱাত প্ৰকাশিত মাদ্ৰাজ মহানগৰ বা মাদ্ৰাজ প্ৰদেশ (তাহানিৰ) সম্পৰ্কীয় চাৰিখনকৈ গ্ৰন্থৰ পাত লুটিওৱাৰ পিছতো এইজন লেখক তথা চৰকাৰী বিষয়াৰ প্ৰসংগত একো তথ্য যোগাৰ কৰিব নোৱাৰাটো নিজৰ বাবে লাজৰ কথা বুলিয়েই ভাবিছোঁ। ইয়াৰ উপৰি চেন্নাইৰ এটা সূত্ৰৰ লগত চিঠিৰে, আন এটাৰ লগত চিঠি আৰু টেলিফোনেৰে যোগাযোগ কৰি ব্যৰ্থ হৈছোঁ।

মাৰ্চডেন উপাধিধাৰী লোকসকল দক্ষিণ ভাৰতীয় বুলি ধৰিব পাৰি। এই উপাধি লোৱা যি সকল লোকে ইংৰাজী ভাষাত সৰহ কিতাপ-পত্ৰ ৰচনা কৰিছে তাৰ ভিতৰত উইলিয়াম মাৰ্চডেন (১৭৫৪-১৮৩৬) এজন বহু পৰিচিত লেখক। এওঁ কেবাখনো বুৰঞ্জী ৰচনা কৰাৰ উপৰি মালায়ালম ভাষাৰ ব্যাকৰণ ৰচনা কৰাৰ বিষয়ে জানিব পৰা গৈছে।

বেজবৰুৱা-অনূদিত পুথিখনকণা মূল লেখকৰ একো পৰিচয় পোৱা নাযায় যদিও একেজন গ্ৰন্থকাৰে ওপৰ খাপৰ ছাত্ৰৰ বাবে ৰচনা কৰা বুৰঞ্জী এখন পাব পৰা হৈছে।[25] গ্ৰন্থৰ প্ৰথমাংশৰ বিষয়বস্তু হিন্দু যুগ। পুথিৰ নাম পাতত সন্নিবিষ্ট গ্ৰন্থকৰ্তাৰ শিক্ষাগত উপাধিকেইটাৰ পৰা জনা যায় যে তেওঁ আছিল F.R.G.S. অৰ্থাৎ Fellow of the Royal Geographical Society আৰু M.R.A.S. অৰ্থাৎ Member of the Royal Asiatic Society. ভাৰতীয় শিক্ষা সেৱা (Indian Educational Service)ৰ এই বিষয়াজন আছিল তৎকালীন চৰকাৰৰ পাৰ্চী আৰু হিন্দুস্তানী অনুবাদক।

---

25. E. Marsden : *History of India for Senior Classes*, 1909

এই খন পুথিৰ পাতনিয়ে দিয়া সংবাদ মতে তৎকালীন ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ পাঠ্যক্রমৰ লগত তেওঁ সুপৰিচিত আছিল। দেশত প্রকাশিত বিভিন্ন গেজেটিয়াৰৰ উপৰি Indian Antiquary ত ওলোৱা লেখা অথবা Royal Asiatic Society, Bengal Asiatic Society আদি প্রসিদ্ধ অনুষ্ঠানসমূহৰ মুখপত্রৰ লগত তেওঁৰ ঘনিষ্ঠ পৰিচয়ৰ বিষয়ে জানিব পৰা যায়। ইয়াৰ বাহিৰে দেশ-বিদেশৰ আগশাৰীৰ বুৰঞ্জীবিদ-পণ্ডিতৰ গ্রন্থৰাজিৰ লগত সম্পৰ্কৰ কথা আছেই।[২৬]

১.৩ মূল গ্রন্থৰ ৰচনাকাল ঃ

'ভাৰতবৰ্ষৰ বুৰঞ্জী'ত গ্ৰন্থকাৰ-অনুবাদকৰ পাতনি বা সেই জাতীয় কোনো বক্তব্য নথকাৰ কথা ওপৰত উল্লেখ কৰি অহা হৈছে। ইপিনে মূল পুথি History of India পাবলৈ নাই। এনে পৰিস্থিতিত গ্ৰন্থখনৰ ৰচনাকাল নিৰ্ণয় কৰাটো বাস্তৱিকতে কষ্টসাধ্য। পুথি ৰচনা সম্পৰ্কত বহিৰংগ প্ৰমাণ নাথাকিলেও অন্তৰংগ ইংগিত এটা পোৱা হৈছে। সেয়া হ'ল বৰলাট লৰ্ড কাৰ্জন (কাৰ্যকাল ১৮৯৯-১৯০৫) ৰ দিনত "গঙ্গাৰ পূবৰ ঠাইখন আসামৰ সৈতে লগ লগাই দি 'ইষ্টৰ্ণ বেঙ্গল এণ্ড আসাম' অৰ্থাৎ পূৰ্ববঙ্গ আৰু আসাম নামে এখন প্ৰদেশ" গঠন কৰা সংবাদটো (পৃঃ ৩১১)। ১৯০৫ চনৰ ২৬ অক্তোবৰ তাৰিখে এই কাৰ্য সম্পাদিত হোৱাৰ কথা অসম বুৰঞ্জীৰ খবৰ ৰখাসকলে জানে।[২৭] আকৌ ১৯০৫ চনৰে ডিচেম্বৰ মাহত দায়িত্বভাৰ গ্ৰহণ কৰা বৰলাট লৰ্ড মিন্টুৰ কথাও আছে, যদিও এই সংবাদ অতি চমু আৰু প্ৰশাসকজনে কাৰ্যভাৰ লোৱাৰ সময় দেখুওৱা হৈছে ১৯০৬ চন বুলিহে (পৃঃ একে)। গতিকে এইটো দেখ দেখকৈ ওলাই পৰে যে মাৰ্চম্যানৰ মূল পুথিখন ১৯০৫ খৃঃৰ ডিচেম্বৰৰ আগত ৰচিত হ'ব নোৱাৰে।

প্ৰসংগক্ৰমে বেজবৰুৱাৰ দিনলিপিত বুৰঞ্জীখনৰ অনুবাদ কৰ্ম সম্পৰ্কে কোৱা কথাষাৰ স্মৰণীয়। ওপৰত পাই অহা হৈছে যে বেজবৰুৱা ডাঙৰীয়াই ১৯০৭ খৃঃৰ ৫ এপ্ৰিল তাৰিখে পুথিৰ অনুবাদ শেষ কৰি ৬ এপ্ৰিলৰ দিনাখন পাণ্ডুলিপি ৰাজশাহীলৈ পঠাই দিছিল।

১৯০৫ খৃঃৰ ডিচেম্বৰ অথবা ১৯০৬ খৃঃৰ আৰম্ভণিতে লেখি শেষ কৰা

---

26. *Ibid*, see Preface

27. H.K. Barpujari (Gen. Ed.) *Political History of Assam*, Vol I, 1977, p- 182

বুৰঞ্জী আকাৰৰ গ্ৰন্থখন (অসমীয়া অনুবাদত ৩৪২ পৃষ্ঠা) ছপাশালত মুদ্ৰিত কৰি দিয়াৰ পিছত পৰৱৰ্তী বছৰৰ ৫ এপ্ৰিলৰ ভিতৰত অনুবাদ কৰি শেষ কৰা বুলি আমি ধৰি লবলৈ বাধ্য। অথবা ওপৰত কৈ অহাৰ দৰে যদি পুথিৰ অসম বুৰঞ্জী অংশটো অনুবাদকৰ নিজৰ ৰচনা হয় তেনেহ'লে বাকী অংশতো অসম সম্পৰ্কীয় দুই এটা নতুন তথ্য সুমুৱাই দিয়াটো সম্ভৱ হ'ব পাৰে। পিছে মূল গ্ৰন্থখন নেদেখা বাবে এয়া আমাৰ ধাৰণাহে।

আন এটা যুক্তিৰ বলত মাৰ্চডেনৰ আলোচ্যমান বুৰঞ্জীৰ ৰচনা ১৯০৩-১৯০৬ খৃষ্টৰ ভিতৰত সম্পাদিত হোৱা বুলি ভাবিব পাৰি। বেজবৰুৱাৰ অনূদিত গ্ৰন্থ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ একেজন মূল লেখকৰ আনখন বুৰঞ্জী History of India for Senior Classes খনৰো প্ৰকাশক আছিল মেক্‌মিলন এণ্ড কোম্পানী। গতিকে অসমীয়ালৈ অনূদিত হোৱা History of India খনো একেটা প্ৰতিষ্ঠানৰ প্ৰকাশন হোৱাটোৱে সম্ভাৱনাপূৰ্ণ। বিশেষকৈ সেই কালত থকা প্ৰকাশকৰ অত্যন্ত সীমিত সংখ্যালৈ চাই এনে ধাৰণা বিশ্বাসযোগ্য। যদি সেইটো মানিলোৱা হয় তেনেহ'লে প্ৰয়োজন হ'ব বিদেশী কোম্পানীটোৰ ভাৰতৰ বাবে ৰচিত কিতাপ পত্ৰ প্ৰকাশনৰ প্ৰস্তুতি পৰ্ব। ১৮৪৩ খৃঃ তস্কটলেণ্ডত ডেনিয়েল আৰু আলেকজেণ্ডাৰ মেকমিলন - প্ৰতিষ্ঠিত 'মেকমিলন এণ্ড কোম্পানী'য়ে ১৮৬৭ খৃঃত আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, অষ্ট্ৰেলিয়া আৰু ভাৰতত শাখা কাৰ্য্যালয় খোলে।[২৮] ইয়াৰ পিছত শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগে লগে পাঠ্যপুথি আৰু শিক্ষা সম্পৰ্কীয় সঁজুলিৰ চাহিদা বৃদ্ধি পোৱাৰ হেতু ১৯০৩ খৃঃৰ পৰা ভাৰতৰ বাবে প্ৰয়োজনীয় স্কুল আৰু কলেজ পৰ্যায়ৰ পাঠ্য পুথি প্ৰকাশনৰ পাতনি তৰাৰ বিষয়ে জানিব পৰা যায়।[২৯] এনে পটভূমিৰ পৰিপ্ৰেক্ষিতত 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ মূল পুথি History of India ১৯০৩-১৯০৬ খৃষ্টৰ ভিতৰত ৰচিত বুলি মানি লোৱাৰ যুক্তি আছে।

১.৪ অনুবাদক বেজবৰুৱা ঃ

সাহিত্যৰ প্ৰায় আটাইকেইটা দিশতে হাত দিয়া বেজবৰুৱা ডাঙৰীয়া যে এজন অনুবাদকো আছিল এই সংবাদ বহুতৰ বাবে অজ্ঞাত কিম্বা অপ্ৰকাশপূৰ্ব।

---

28. *The New Encyclopaedia Britannica*, Vol.7, 1985, p-644
29. Philip G. Altbach : *Publishing in India, An Analysis, 1975*, P .37

আনকি বেজবৰুৱা সাহিত্যৰ সমীক্ষক-গৱেষকসকলকো এই বিশেষ মনোযোগ দিয়া দেখা নাযায় [৩০]। তেওঁৰ অনুবাদ কাৰ্য মাতৃভাষা আৰু এটা ভাষাৰ মাজতে সীমিত নাছিল। তেওঁ অনুবাদ কৰিছিল সংস্কৃতৰপৰা অসমীয়ালৈ, ইংৰাজীৰপৰা অসমীয়ালৈ, অসমীয়াৰ পৰা ইংৰাজীলৈ, ইংৰাজীৰপৰা বঙলালৈ আৰু বঙলাৰ পৰা অসমীয়ালৈ।

সংস্কৃত-অসমীয়া অনুবাদৰ নিদৰ্শন পোৱা যায় 'শ্ৰীভগৱৎ কথা' (১৯১৫), 'তত্ত্ব কথা, (১৯৩৩), 'শ্ৰীকৃষ্ণ কথা' (১৯৬৮) আদি পুথিৰ মাজত।

ইংৰাজীৰপৰা অসমীয়ালৈ কৰা অনুবাদৰ উদাহৰণ দিয়াৰ ক্ষেত্ৰত অসম্পূৰ্ণভাৱে বাদ দিয়া শ্বেক্সপীয়েৰৰ Hamlet আৰু Midsummer Night's Dream ৰ আংশিক অনুবাদৰ কথা এৰি 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ প্ৰসংগ উল্লেখ কৰিলেই হ'ব। অসমীয়াৰপৰা ইংৰাজীলৈ অনুবাদৰ বেলিকা সাক্ষ্য দিব তেওঁৰ 'দিনলিপি'য়ে। বেজবৰুৱাৰ দিনলিপিৰ পৰা জনা যায় যে তেওঁ ১৯০৪ খৃষ্টৰ ১২ মে'ৰ দিনাখন পূৰ্ববৰ্তী বছৰত প্ৰকাশিত নিজৰ 'কামত কৃতিত্ব লভিবৰ সংকেত' নামধেয় পুথিৰ ইংৰাজী অনুবাদ আৰম্ভ কৰি সেই বছৰৰে ৭ জুলাইত শেষ কৰিছিল।[৩১] কিবা অজ্ঞাত কাৰণত পুথিখন প্ৰকাশ হৈ নোলালেও তেওঁ যে এই কাম সমাধা কৰিছিল সেই কথা তেওঁৰ 'দিনলিপি'য়ে সোঁৱৰাই থাকিব।

তৃতীয় পৰ্যায়ত অনা হওক সাহিত্যৰথী বেজবৰুৱাই ইংৰাজীৰপৰা বঙলা ভাষালৈ কৰা অনুবাদৰ প্ৰসংগ। এনে অনুবাদৰ দৃষ্টান্ত হ'ল তেওঁৰ কনিষ্ঠ কন্যা, সন্ন্যাসিনী হৈ যোৱা দীপিকাৰ নিমিত্তে খৃষ্টান ধৰ্মৰ প্ৰাৰ্থনা গীতি ভাঙনি কৰি পঠোৱাটো। জীয়েকলৈ পঠোৱা চিঠিৰ লগত তেওঁ ইংৰাজীৰপৰা ছয়টা প্ৰাৰ্থনা গীত বঙলালৈ ভাষান্তৰ কৰি পঠাইছিল।[৩২] এইখিনি কোৱাৰ বাহিৰে বেজবৰুৱাদেৱৰ বঙালী ভাষা চৰ্চা সম্পৰ্কে আমি মন্তব্য দিবলৈ যোৱাটো ধৃষ্টতাৰ নামান্তৰ মাত্ৰ। সেই সম্পৰ্কে ক'ব সেই ভাষাত ৰচিত কবিতাকেইটি [৩৩] আৰু

---

৩০. অনুমিত কাৰণেই *'ভাৰতবৰ্ষৰ বুৰঞ্জী'* আৰু যোগীন্দ্ৰ নাথ সৰকাৰৰ *'হাসি খুসী'* 'বেজবৰুৱা গ্ৰন্থাৱলী'ৰ পৰা বাদ পৰাৰ কথা ইতিমধ্যে আলোচনা কৰি অহা হৈছে।

৩১. মহেশ্বৰ নেওগ (সংক, সম্পা) : *বেজবৰুৱাৰ দিনলেখা*, ১৯৭৬ পৃঃ ১৫, ২৯

৩২. মহেশ্বৰ নেওগ (সংক, সম্পা) : *পত্ৰলেখা*, প্ৰাগুক্ত, পত্ৰৰ তাৰিখ : ৯/২/১৯৩৭ আৰু ২৪/৫/১৯৩৭, পৃঃ ১৪৭-১৫২

৩৩. *বেজবৰুৱা গ্ৰন্থাৱলী*, প্ৰাগুক্ত ১ম খণ্ড, পৃঃ ৫১-৫২

পত্ৰী-পুথিত্‌-আৱদ্ধ বঙলা ভাষাত লেখা পত্ৰগুচ্ছই।[৩৪] বংগদেশ আৰু বঙালী মানুহৰ প্ৰতি সাহিত্যৰথী বেজবৰুৱাৰ দৃষ্টিভংগীৰ বিষয়ে যোগ্যজনে উপযুক্ত স্থানত বিচাৰ-বিশ্লেষণ কৰিছে।[৩৫]

বঙলাৰপৰা অসমীয়ালৈ কৰা অনুবাদৰ নিদৰ্শন? লক্ষ্মীনাথ বেজবৰুৱাই বিখ্যাত বঙালী শিশু সাহিত্যিক যোগীন্দ্ৰ নাথ সৰকাৰ (১৮৬৬-১৯৩৭)ৰ 'হাসি খুচী' নামৰ পুথি এখন অসমীয়ালৈ অনুবাদ কৰাৰ বিষয়ে ইতিপূৰ্বে একাধিক স্থানত উল্লিখিত হৈছে। তথ্যপাতিৰ অভাৱত এই বিষয়ে সবিশেষ আলোচনা কৰাৰ পৰা বিৰত থকা হ'ল।

১.৫ 'ভাৰতবৰ্ষৰ বুৰঞ্জী' অনুবাদৰ সময় ঃ

বেজবৰুৱা ডাঙৰীয়াই বুৰঞ্জীখন অনুবাদ কৰি উঠি নকল কাৰ্য সমাপ্ত কৰা বুলি নিজৰ দিনলিপিত লিপিবদ্ধ কৰি গৈছে আৰু প্ৰসংগটো বৰ্তমান আলোচনাত পাই অহা হৈছে। সেই দিনটো আছিল ৫ এপ্ৰিল, ১৯০৭ খৃঃ, শুক্ৰবাৰ। অনুবাদৰ আৰম্ভণিৰ তাৰিখটো উদ্ধাৰ নোহোৱা গুণে তাক নিৰ্ণয় কৰাটো কষ্টসাধ্য। যদি গ্ৰন্থকাৰে 'কামত কৃতিত্ব লভিবৰ সংকেত' পুথিৰ ইংৰাজী অনুবাদ তথা নকলকৰণ শেষ কৰি উঠি[৩৬] এইখনৰ ভাঙনিত আত্মনিয়োগ কৰা বুলি ধৰিব পাৰি তেনেহ'লে সেই দিনটো হ'ব ৭ জুলাই, ২৩ আষাঢ়, বৃহস্পতিবাৰ, ১৯০৪ চনৰ পিছত।

১.৬ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ প্ৰকাশন ঃ

বুৰঞ্জীখনৰ প্ৰকাশন সম্পৰ্কতো কেইটামান প্ৰশ্ন জড়িত হৈ আছে। ওপৰত আলোচিত হৈছে যে বেজবৰুৱাই ১৯০৭ খৃঃৰ ৬ এপ্ৰিল শনিবাৰৰ দিনাখন পুথিখনৰ পাণ্ডুলিপিৰ ৯ খন বহী পাৰ্চেল কৰি ৰাজশাহীৰ মিঃ মজিদলৈ পঠাই দিছিল। প্ৰসংগক্ৰমে উত্থাপিত হ'বলগীয়া প্ৰশ্নকেইটা হ'ল —কোন এই মজিদ? মজিদলৈ পাণ্ডুলিপিসমূহ কিয় পঠাইছিল? তেওঁলৈ পঠাই দিয়াৰ পিছত কি হ'ল?

৩৪. মহেশ্বৰ নেওগ (সংক, সম্পা) ঃ উক্ত গ্ৰন্থ

35. "Lakshminath Bezbaroa's understanding of Bengal and Bengalis" in Maheswar Neog (ed) *Lakshminath Bezbaroa The Sahityarathi of Assam*, 1972, pp 204-207

৩৬. মহেশ্বৰ নেওগ (সংক,সম্পা) ঃ *বেজবৰুৱাৰ দিনলেখা*, প্ৰাগুক্ত পৃঃ ২১

অজস্র নিবক্ষৰ লোকৰ বাসস্থান তেতিয়াৰ ভাৰতত স্কুল কলেজ পৰ্যায়ৰ পাঠ্যপুথি প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহা আৰু পিছলৈ এনে গ্ৰন্থৰ বিখ্যাত প্ৰকাশক হৈ পৰা মেক্‌মিলন এণ্ড কোম্পানীয়েহে * দেখোন 'ভাৰতবৰ্ষৰ বুৰঞ্জী' প্ৰকাশ কৰি উলিয়ালে। তাত ৰাজশাহীৰ মিঃ মজিদৰ ভূমিকা কেনে আছিল?

মিঃ মজিদ মানে আব্দুল মজিদ (১৮৬৭-১৯২৪) ৰ কথা কোৱা হৈছে। তেওঁৰ জন্ম যোৰহাটত। বেজবৰুৱাৰ প্ৰায় সমসাময়িক আব্দুল মজিদ তেওঁৰ অন্তৰংগ বন্ধু আছিল। বন্ধুত্ব গাঢ় হৈছিল কলিকতাৰ কলেজত পঢ়া কালত। এওঁৰ বিষয়ে বিস্তৃতভাৱে জনা নাযায় যদিও দুই-চাৰিটা সূত্ৰই কিছু তথ্যৰ যোগান ধৰিছে।[৩৭] অৱশ্যে অসম চৰকাৰে তিনিটা খণ্ডত ইংৰাজীত প্ৰকাশ কৰা 'অসমৰ ৰাজনৈতিক বুৰঞ্জী'[৩৮] ৰ প্ৰথম খণ্ডত কেৱাবাৰো আৰু দ্বিতীয় খণ্ডত এবাৰ স্থান পোৱা খান বাহাদুৰ চৈয়দ আব্দুল মজিদ আমাৰ আলোচ্যমান আব্দুল মজিদৰ সতে একেজন ব্যক্তি হয় নে নহয় সেইটো নিৰ্ণয় কৰিব পৰা নহ'ল। যি নহওক, বেজবৰুৱা-উল্লিখিত আব্দুল মজিদে কলিকতাত কলেজীয়া শিক্ষা লাভ কৰি বিলাতলৈ যায়, তাতে আইন পঢ়ি সাং কৰাৰ অন্তত বেৰিষ্টাৰ হয় আৰু কলিকতা উচ্চ ন্যায়ালয়ৰ বিচাৰকৰ পদ লাভ কৰে।[৩৯] অসম ব্যৱস্থাপক সভাৰ মনোনীত সদস্য ৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি এওঁ মন্ত্ৰিত্ব লাভ কৰাৰো সংবাদ পোৱা যায়। এওঁৰ লগত বেজবৰুৱাৰ আন্তৰিকতাপূৰ্ণ সম্বন্ধৰ বিষয়ে কেৰাটাও জানিবলৈ দিয়ে। বুৰঞ্জীখন প্ৰকাশৰ পিছৰটো বছৰতে আনদাভিৰাম বৰুৱা বিলাতৰপৰা বেৰিষ্টাৰ হৈ অহাৰ অন্তত বেজবৰুৱাই 'বাহী'ত বৰুৱাদেৱৰ প্ৰতি

★ প্ৰায় কুৰি বছৰমান পূৰ্বে মেক্‌মিলন এণ্ড কোম্পানী হৈ পৰিছে মেক্‌মিলন ইণ্ডিয়া লিমিটেড।

৩৭ আব্দুছ ছাত্তাৰ : *প্ৰসংগ কোষ*, ১৯৮৪ , পৃঃ ২৪; শিৱনাথ বৰ্মন : *অসমীয়া জীৱনী অভিধান* , ১৯৯২, পৃঃ ২৬-২৭

38. H.K. Barpujari, *op. cit*, & Vol II, 1978

৩৯. আব্দুল মজিদে কলিকতা উচ্চ ন্যায়ালয়ত কাৰ্যনিৰ্বাহ-কৰা কালছোৱাৰ বিষয়ে জানিবলৈ সেই ন্যায়ালয়ৰ 'পঞ্জীয়ক প্ৰধান' (Registrar General) আৰু 'বাৰ লাইব্ৰেৰী ক্লাব'ৰ সচিব (Secretary, Bar Library Club) ৰ ওচৰলৈ মানুহ পঠোৱা হৈছিল। তেখেতসকলৰ আগ্ৰহ আৰু প্ৰচেষ্টা সত্বেও এই সম্পৰ্কত কোনো তথ্য যোগান ধৰিবলৈ সক্ষম নহ'ল।

দি ওলাণনি অনাহ্নিছিল তাত প্ৰসংগক্ৰমে আব্দুল মজিদৰ প্ৰতিও তেওঁৰ শ্ৰদ্ধাৰ ভাব ফুটি উঠিছে। ৰেখাটিত তেতিয়ালৈকে বেৰিষ্টাৰ হোৱা যি পাঁচজন অসমীয়াৰ নাম উল্লেখ কৰা হৈছে সেই সকলৰ মাজত দ্বিতীয় স্থানতে আছে "মিষ্টাৰ মজিদ"।[৪০]

এইজনা বন্ধুৰ প্ৰতি সাহিত্যৰথীৰ সহৃদয়তাৰ চূড়ান্ত প্ৰকাশ ঘটিছে ১৯১৩ খৃঃত কবিতা পুথি (একমাত্ৰ) ৰচনা কৰি "সোদৰোপম আব্দুল মজিদ চাহাবৰ কৰ কমলত 'কদম কলি ' অৰ্পণ কৰিলোঁ " বুলি কোৱাৰপৰা।[৪১]

এই "সোদৰোপম" বন্ধুজনৰ লগত জীৱনৰ পৰৱৰ্ত্তী কালতো লক্ষ্মীনাথ বেজবৰুৱাৰ বন্ধুত্ব অটুট থকাৰ প্ৰমাণ পোৱা যায়। সঁচা কথা, 'পত্ৰলেখাত' সন্নিবিষ্ট মুঠ ৩১৫ খন চিঠিৰ ভিতৰত আব্দুল মজিদলৈ অথবা মজিদে তেওঁলৈ লেখা চিঠিৰ সম্পূৰ্ণ অভাব। কিন্তু হ'লে কি হ'ব ? নিজৰ জীয়েকলৈ লেখা চিঠিত মজিদ চাহাবৰ উল্লেখ ঠিকেই আছে। ২/৬/১৯২৩ তাৰিখে জীয়েক অৰুণালৈ বঙলা ভাষাত লেখা পত্ৰখনত নিজৰ শিলং ভ্ৰমণ কালত বন্ধু মজিদৰ ল'ৰা ছোৱালীৰ লগত হোৱা সাক্ষাতৰ কথা ক'বলৈ তেওঁ পাহৰা নাই।[৪২]

মজিদ চাহাব কলিকতাৰ অঃ ভাঃ উঃ সাঃ সভা আৰু এ. এছ. এল. ক্লাবৰ লগত জড়িত থকাৰ বিষয়ে তথ্যনিৰ্ভৰ প্ৰমাণ আছে। আব্দুল মজিদে অসমীয়া সাধুকথা সংগ্ৰহৰ উদ্দেশ্যে 'জোনাকী'ত এখন বিজ্ঞাপন দিছিল।[৪৩]কৰ্ণেল গৰ্ডনৰ লগত এওঁ অসমীয়া যোজনা-পটন্তৰৰ পুথি এখনো উলিওৱাৰ বিষয়ে একেটা সূত্ৰই আমাক জনায়। একেজন মজিদে 'নিম্ন প্ৰাইমেৰী পাঠ' নামৰ দুখন পুথি অসমীয়া মজলীয়া স্কুলৰ নিমিত্তে প্ৰণয়ন কৰাৰ বিষয়ে জানিব পৰা গৈছে।

এইজনা মজিদেই চাকৰি সূত্ৰে ৰাজশাহীত আছিল নেকি ? কাৰণ তেওঁ "বিভিন্ন ঠাইত থাকি অৱশেষত কলিকতা উচ্চ ন্যায়ালয়ত ন্যায়াধীশ হোৱা"ৰ

---

৪০. চন্দ্ৰপ্ৰসাদ শইকীয়া (সম্পা) ঃ *অসমৰ বাতৰি-কাকত আলোচনীৰ তেৰশ বছৰীয়া ইতিহাস*, ১৯৯৮ , ড° নমিতা ডেকাৰ প্ৰবন্ধ " অসমীয়া ভাষা সাহিত্যলৈ বাঁহীৰ অবদান ঃ সম্পাদক বেজবৰুৱাৰ কৃতিত্ব ", পৃঃ ২১৫

৪১. লক্ষ্মীনাথ বেজবৰুৱা ঃ *কদমকলি*, ভাদ, ১৮৩৫ শক, "অৰ্পণ"

৪২. মহেশ্বৰ নেওগ ঃ *পত্ৰলেখা* , চিঠি নং - ১১২ , পৃঃ ১০১

৪৩. বেণুধৰ শৰ্মা ঃ *বেণুধৰ শৰ্মা ৰচনাৱলী*, ৪ৰ্থ খণ্ড, ১৯৮৭, " আব্দুল মজিদৰ এখন চিঠি", পৃঃ ১২৮

বিষয়ে তথ্য আছে।[৪৪] হয়তো অনুবাদকে নিজৰ অনুবাদৰ যথাৰ্থতা নিৰূপণৰ কাৰণে পাণ্ডুলিপিৰ খনিখিনি তেওঁৰ সুহৃদ তথা অসমীয়া ভাষা-সাহিত্যৰ লগত ঘনিষ্ঠভাৱে জড়িত ব্যক্তি আব্দুল মজিদলৈ পাৰ্চেল কৰি পঠাই দিছিল। পুথিৰ ছপা ৰূপত প্ৰকাশ পোৱাৰ আগতে মজিদৰ মতামত জানিবলৈ অনুবাদকে পঠাইছিল নে নাই, তাক জনাৰ উপায় নাই। পাতনি বাগে ভাঙনি কৰোঁতাৰ কিবা বক্তব্য থকা হ'লে এই বিষয়ে সন্দেহমুক্ত হ'ব পৰা গ'লহেঁতেন।

প্ৰসংগক্ৰমে আন এটা প্ৰশ্ন বিচাৰ্য। ৰাজশাহীত থকা বেজবৰুৱাৰ পৰিচিত মজিদ নামৰ কোনোবা প্ৰকাশকৰ ওচৰলৈ পাণ্ডুলিপিখিনি প্ৰথমে পঠাই দিছিল নেকি? বেজবৰুৱাৰ 'দিনলেখা' কিম্বা 'পত্ৰলেখা'ই কিন্তু এই বিষয়ে একো নকয়। নক'লেও হ'ব, কুৰি শতিকাৰ আৰম্ভণি পৰ্বত ৰাজশাহী বিদ্যা চৰ্চাৰ প্ৰখ্যাত কেন্দ্ৰ আছিল। অন্য দিশ বাদ দিলেও সেই ঠাইৰ 'বাৰেন্দ্ৰ গৱেষণা সমিতি'ৰ যোগেদি প্ৰকাশিত ভাৰততত্ত্বৰ আপুৰুগীয়া গ্ৰন্থবোৰৰ প্ৰসংগ বিশেষভাৱে উল্লেখনীয়। এনে এখন ঠাইৰ কোনোবা প্ৰকাশকলৈ পুথিৰ পাণ্ডুলিপি পঠোৱাৰ প্ৰশ্নটো বিবেচনা কৰি চাব পাৰি। কিন্তু সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা (১৯০৬-৩১/৭/১৯৯৬)ৰ দ্বিধাহীন উক্তি এযাৰে আমাক এনে চিন্তাৰপৰা বহু পৰিমাণে বেহাই দিছে, " Marseden (sic) চাহাবৰ কিতাপখন বেজবৰুৱাৰ হতুৱাই মেকমিলান কোম্পানিয়ে অসমীয়ালৈ ভাঙনি কৰাইছিল"।[৪৫] "নিজৰ চৌচল্লিশ বছৰ বয়সলৈকে বেজবৰুৱা-প্ৰতিভাৰ দীপ্তি পাই থকা শৰ্মা ডাঙৰীয়াৰ উক্তি সত্যৰ ওপৰত প্ৰতিষ্ঠিত বুলি ধৰাৰ যুক্তি আছে। সেই সূত্ৰে বিখ্যাত প্ৰকাশন প্ৰতিষ্ঠানটোৱে যে বুৰঞ্জীখন প্ৰকাশ কৰিবলৈ অনুবাদ কৰাইছিল এই বিষয়ে নিশ্চিন্ত হ'ব পাৰি।

তেনেদৰে নিশ্চিন্ত হ'বলৈ যত্ন কৰাৰ পিছতো শতিকাটোৰ আৰম্ভণি কালত ৰাজশাহীত মজিদ নামৰ কোনোবা প্ৰকাশক আছিল নেকি সেইটো নিৰ্ণয় কৰিবৰ কাৰণে সেই ঠাইৰ ঠিকনা সংগ্ৰহৰ প্ৰচেষ্টা চলাই মুঠকত বিফল হৈ ৰাজধানী চহৰ ঢাকাৰ দুটা বিখ্যাত প্ৰকাশন প্ৰতিষ্ঠানৰ লগত চিঠিৰে যোগাযোগ কৰা হৈছিল। আক্ষেপৰ কথা, কাৰো পৰা উত্তৰ পোৱা নগ'ল।

মিঃ মজিদলৈকে পাণ্ডুলিপি পাৰ্চেল কৰি পঠিওৱাৰ প্ৰসংগত বৰ্তমানলৈ

---

৪৪. শিবনাথ বৰ্মন : *প্ৰাগুক্ত গ্ৰন্থ*, পৃঃ ২৬

৪৫. যজ্ঞেশ্বৰ শৰ্মা : "মাৰ্ছডেন চাহাবৰ ভাৰত বুৰঞ্জী", *প্ৰান্তিক*, ১৪ শ বছৰ ১৭ সংখ্যা, ১-১৫ আগষ্ট, ১৯৯৫, পৃঃ ৬

প্ৰাপ্ত তথ্যৰ আধাৰত আমাৰ সিদ্ধান্ত-বেজবৰুৱাই ৰাজশাহীত চাকৰি কৰা নতুবা কিবা কাৰণত তাত অস্থায়ীভাৱে থকা তেওঁৰ "সোদৰোপম" বন্ধুজনলৈ সেইখিনি পটি চাৰলৈকে প্ৰেৰণ কৰিছিল।

১৯০৭ খ্ৰীঃ ৰ ৬ এপ্ৰিলত পাণ্ডুলিপি প্ৰেৰণ আৰু ১৯০৯ খ্ৰীঃত কিতাপ প্ৰকাশৰ মাজৰ ছোৱা সময়ৰ কোনো তথ্য সংগ্ৰহ কৰিব পৰা নগ'ল। ১৯০৯ খৃঃত 'ভাৰতবৰ্ষৰ বুৰঞ্জী' ছপাৰ সাজত ওলাই আহিল কলিকতাৰ ৪৬ নং বেচু চেটাৰ্জী ষ্ট্ৰীটত অৱস্থিত 'হৰে' প্ৰেছৰপৰা। পুথিৰ মুদ্ৰক আৰ দত্ত। বংগদেশ তথা ভাৰতৰ মুদ্ৰণ উদ্যোগ সম্পৰ্কীয় কেবাখনো গ্ৰন্থত চকু ফুৰোৱাৰ পিছতো 'হৰে' প্ৰেছ সম্বন্ধে একো সংবাদ আহৰণ কৰিব পৰা নহ'ল।

'ভাৰতবৰ্ষৰ বুৰঞ্জী' প্ৰকাশ পোৱা ১৯০৯ খৃঃটো বেজবৰুৱাৰ নিজৰ বাবে তথা অসমীয়া ভাষা-সাহিত্যৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ। এই বছৰতে গ্ৰন্থকাৰৰ 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন চৰিত', 'কৃপাবৰ বৰুৱাৰ ওভতনি' আৰু চুটি গল্পৰ প্ৰথম সংকলন 'সুৰভি'— তিনিখনকৈ পুথি প্ৰকাশ পায়। একে বছৰতে এজন লেখকৰ চাৰিখনকৈ গ্ৰন্থৰ প্ৰকাশ। ওহো, বেজবৰুৱাৰ কৃতিত্ব তাতেই শেষ নহয়। একেটা বছৰৰ আঘোণ মাহত (নবেম্বৰ -ডিচেম্বৰ, ১৯০৯) অপূৰ্ব সুৰৰ ঝংকাৰ তুলিলে তেওঁৰ 'বাঁহী'য়ে। অসমীয়া সাহিত্য জগতত 'বাঁহী'ৰ অৱদান কিমান বৰ্তমান প্ৰসংগত তাৰ ব্যাখ্যা অনাৱশ্যক।

২.১ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ পূৰ্বৰ বুৰঞ্জীৰ পাঠ্যপুথি ঃ

এইখন বুৰঞ্জী প্ৰকাশৰ পূৰ্বে ৰাজ্যৰ বিদ্যালয়সমূহত বুৰঞ্জী বিষয়ৰ কি কি কিতাপ প্ৰচলিত আছিল সেয়া এক সূক্ষ্ম গৱেষণাৰ বিষয়। আমেৰিকান বেপ্টিষ্টসকলে বিদ্যালয় স্থাপন কৰি সেই বিলাকত নিজৰ প্ৰকাশিত অসমীয়া পাঠ্যপুথি চলাইছিল। তেওঁলোকে ১৮৪৩ খৃঃত শিৱসাগৰত ছপাশাল বহুৱাই প্ৰথম প্ৰকাশ কৰা কাশীনাথ তামুলীফুকনৰ 'আসাম বুৰন্জি পুথি' (১৮৪৪) তেতিয়াৰ বিদ্যালয়সমূহত চলোৱাৰ বিষয়ে তথ্য-পাতিয়ে কয়।

অসমীয়া ভাষাৰ দ্বিতীয় তথা পূৰ্ণাংগ বুৰঞ্জী হ'ল গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জি' (১৮৭৫)। এইখন বিদ্যালয়ৰ পাঠ্য পুস্তক হিচাপে চলিছিল নে নাই সেই বিষয়ে খাটাংকৈ ক'ব পৰা নগ'ল। সেইদৰে সুধাধৰ শৰ্মাৰ 'ইতিহাসমালা' (১৮৭৪) আৰু লক্ষ্মীনাথ বৰাৰ 'অসমৰ সংক্ষেপ ইতিহাস' (১৮৭৫) নামৰ পুথি

দুখন পদ্যাশলীয়া পাঠ্যৰ তালিকাভুক্ত কৰা হৈছে [৪৬] যদিও পুস্তকদ্বয় কোন শ্ৰেণীৰ বাবে নিৰ্বাচিত আছিল তাৰ সবিশেষ জনাৰ পৰাকৈ আমাৰ হাতত সমলৰ অভাৱ।

সেই কালৰ 'অসমীয়া পাঠ্য পুথি সমিতি'ৰ দ্বাৰা উচ্চ প্ৰশংসিত এখন পাঠ্য কিতাপ আছিল দুই খণ্ডত প্ৰকাশ কৰা ধৰ্মেশ্বৰ গোস্বামীৰ 'ভাৰত বুৰঞ্জি'। ইয়াৰ প্ৰথম খণ্ডত আছে মুচলমান ৰাজত্বৰ বিবৰণ আৰু দ্বিতীয় খণ্ডত (১৮৮৬) ইংৰাজ শাসনৰ সবিশেষ বৰ্ণনা কৰা হৈছে। ৩৭৬ পৃষ্ঠাত সম্পূৰ্ণ হোৱা দ্বিতীয় খণ্ডই ১৮৮৪ খৃঃলৈকে ঘটনাৰাজি সামৰিছে।

সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ নামত তিনিখনকৈ বুৰঞ্জীৰ উল্লেখ পোৱা যায়। ইয়াৰে দুখন আছিল ক্ৰমে 'বুৰঞ্জী বোধ' (৪ৰ্থ শ্ৰেণীৰ পাঠ্য) আৰু 'অসমৰ বুৰঞ্জী' (৫ম-৬ষ্ঠ শ্ৰেণীৰ বাবে)। ইয়াৰ উপৰি 'হিন্দু বুৰঞ্জী বা ভাৰতবৰ্ষৰ বুৰঞ্জী' বুলি এখন পুথিৰ নাম কোৱা হৈছে [৪৭] যদিও ইয়াৰ সবিশেষ পৰিচয় পাবলৈ নাই। গোহাঞিবৰুৱাৰ 'অসমৰ বুৰঞ্জী'ৰ প্ৰথম প্ৰকাশ কাল ১৮৯৯ খৃঃ।

ওপৰৰ তালিকাৰ পৰা দেখা যায় যে ধৰ্মেশ্বৰ গোস্বামী ৰচিত বুৰঞ্জী প্ৰকাশৰ আগলৈকে ছাত্ৰসকলক কেৱল অসমৰ বুৰঞ্জী শিকোৱা হৈছিল। তাৰ বিপৰীতে গোস্বামী ডাঙৰীয়াৰ পুথি প্ৰকাশৰ সময়ৰপৰা ৰাজ্যৰ স্কুলীয়া পাঠ্যক্ৰমত ভাৰত বুৰঞ্জীয়ে প্ৰবেশ হ'ল। তেওঁৰ পিচত গোহাঞিবৰুৱাৰ নামত অসম বুৰঞ্জীৰ লগতে ভাৰত বুৰঞ্জীও পাইছোঁহক। অনূদিত হ'লেও লক্ষ্মীনাথ বেজবৰুৱাৰ বুৰঞ্জীৰ যোগেদি পৰম্পৰাটো অধিক শক্তিশালী হৈ পৰিল।

৩.০ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ বিশেষত্ব ঃ

মাৰ্চডেন চাহাবৰ মূল গ্ৰন্থ (History of India) নোপোৱা কাৰণে লক্ষ্মীনাথ বেজবৰুৱাৰ অনুবাদ ৰীতিৰ বিষয়ে কোৱাটো সম্ভৱপৰ নহয়। তেওঁ মূলৰপৰা আক্ষৰিক অনুবাদ কৰিছিল নে ভাবানুবাদ কৰিছিল সেই বিষয়েও মতামত দিয়াৰপৰা আমি বঞ্চিত হ'বলগীয়া হৈছোঁ।

৩.১ ভাষাতাত্ত্বিক বৈশিষ্ট্য ঃ

পুথিৰ অনুবাদ-ৰীতি সম্পৰ্কে আলোচনা কৰিব নোৱাৰিলেও কিম্বা

---

৪৬. নন্দ তালুকদাৰ ঃ *সংবাদ পত্ৰৰ ব'দ কাচিয়লিত অসমীয়া সাহিত্য*, ১৯৭৫, পৃঃ ১৬৬

৪৭. শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া (সম্পা) ঃ *পদ্মনাথ গোহাঞিবৰুৱা*, ১৯৭১, পৃঃ ৪৩৬

বিষয়বস্তুৰ প্ৰসংগত মতামত দিয়াটো অপ্ৰয়োজনীয় হ'লেও বুৰঞ্জীখনত ব্যৱহৃত ভাষাৰ বেলিকা বিচাৰ-বিশ্লেষণ কৰাৰ অৱকাশ আছে। প্ৰকৃতার্থত ক'বলৈ গ'লে এই বৃজন আকাৰৰ গ্ৰন্থৰ ভাষাত বহুখিনি বৈশিষ্ট্য ধৰা পৰে। তলত এইবোৰৰ বিষয়ে যথাসম্ভৱ সংক্ষেপে উল্লেখ কৰা হ'ল (বন্ধনীৰ ভিতৰত দিয়া সংখ্যাই কিতাপৰ পৃষ্ঠা বুজাইছে)।

৩.২ ধ্বনিতত্ত্ব ঃ

অসমীয়া ভাষাত প্ৰচলিত ৰীতিৰ বিপৰীতে দুই চাৰিটা ব্যতিক্ৰম চকুত পৰে। অন্ত্য য় ই হৈছে। যেনে ঃ সদাই (১৯), বই বস্তু (৬৭, ৮১) আদি। প্ৰথম অসমীয়া সংবাদ পত্ৰ 'অৰুনোদই'ত এনে ৰূপ বিস্তৰ। ঠায়ে ঠায়ে এটা প্ৰচলিত ধ্বনিৰ সলনি সম্পূৰ্ণ ভিন্ন ধ্বনিৰ প্ৰয়োগ চকুত পৰে। যেনে ঃ নৈবিদ্য (১১), দোৰ্ঘোৰ(২১), চাৰিউফালে (৪০ আৰু বহু ঠাইত), জ্যোতিৰ্ব্বিৎ (৬৯) আদি। পুথিৰ ক'তো উৰ্ধকমা দি প্ৰয়োগ কৰা অ' স্বৰৰ প্ৰয়োগ নাই, যেনেঃ লৰ (১), কলা কলা মেঘবোৰ (৪), হল (হোৱা অৰ্থত, ৪২ আৰু বহু ঠাইত), গল (যোৱা অৰ্থত, ৫৮), হব (৬৮)। 'বাইক (৫৬) শব্দ হ'ল অপিনিহিতিৰ উদাহৰণ (শব্দটোৰ মূল-বাক্য)।

৩.৩ ৰূপতত্ত্ব ঃ

কিছুমান ক্ৰিয়া পদৰ আচহুৱা ব্যৱহাৰ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ এটা বৈশিষ্ট্য । যেনে -বৰঘুণ বৰষায় (৪), দয়া ৰাখিছিল (৬০), মগন আছিল (৬২), খং লাগি আছিল (১০২) কাৰবাৰ কৰা (প্ৰস্তুতি চলোৱা অৰ্থত, ১২৪ আৰু অসংখ্য) বাঢ়ি পৰিল (১৩৫), যুজ কৰি পকা হোৱা (২০১), ফেঁটাই দি (২৩২) , ফিকিৰ কৰা (২৯৪, আৰবী মূলৰ শব্দ, চেষ্টা কৰা বা উদ্যোগ লোৱা অৰ্থত) আদি। ৰাজ্য ভাঙি ভাঙি টিঙি পেলালে (১৬৯), সাম্ৰাজ্য ভাগি ডোখৰ ডোখৰ হল (১৯৩) আদি প্ৰয়োগ সম্প্ৰতি প্ৰায় নাইকিয়া হৈ আহিছে। সাহিয়ালজকে সাহিয়াল (২১৭), এটা আইন (২৬১) আদি ৰূপৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য।

৩.৪ শব্দমালা ঃ

পুথিত ব্যৱহৃত তলেমান শব্দ আধুনিক অসমীয়াত ব্যৱহাৰ হোৱা দেখা নাযায়। এই জানি শব্দৰ ভিতৰত আছে ঃ কলিঙ্গীয়া (৫৪), বইচ-বাইছ (৫৬), মাল-মান, (১৬৮ টকা পইচা অৰ্থত), বন্দৰ অৰ্থাৎ জাহাজ ৰখা ঘুলি (১৭৫),

মাজুলি (২৩৪, দ্বীপ অৰ্থত, 'অৰুনোদই'ত এনে প্ৰয়োগ প্ৰচুৰ, আজিকালি এই অৰ্থত প্ৰয়োগ কম), ঘামকলীয়া (২৬৩), শহ (৩০১), আগৰকলীয়া (৩৩১), খেতৰ সাইজ (৩৩৪, ভেল্কী বাজী অৰ্থত), অগ্নিবাণ অৰ্থাৎ হাৱৈ (৩৩৫) আদি।

অনূদিত গ্ৰন্থখনত ব্যৱহৃত কিছুমান যুৰীয়া শব্দ বৰ চকুত লগা। সুৰাগী তিৰোতা (১৩), শুৱনী জীয়েক (২০), ধৰমী বিষয়া (১২৭), কঁকালী জৰী (১৯২), দোপাট কানীয়া (২৫৭), পলৰীয়া চাউল (৩৩২) আদি শব্দৰাজিয়ে সেই কথাই কয়।

খুব কম সংখ্যক হ'লেও কামৰূপী উপভাষাৰ শব্দই বেজবৰুৱাৰ লেখাত স্থান পাইছে। আউহী (৭৪), বাতি বুতি (২০১, মেৰামত কৰা অৰ্থত) আদি তাৰ নিদৰ্শন।

৩.৫ বাক্যৰীতি ঃ

আলোচ্যমান গ্ৰন্থৰ ভালেমান বাক্যৰ গঠনত অভিনৱত্ব চকুত পৰে। তাৰ নিদৰ্শন ঃ যোৱাটো যেন অনুমান হয় (৮), তেওঁ ভাৰতবৰ্ষ জয় কৰিবলৈ শকত (১২২), সিহঁতে সেই ভয়ংকৰ কাম নকৰা ডোখৰ কালত .... (২৭১) আদি।

'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ অসংখ্য বাক্যৰ গঠনত ইংৰাজী বাক্যৰীতিৰ প্ৰভাব পৰিলক্ষিত হয়। ইংৰাজীৰপৰা অনুবাদ কৰা কাৰণেই যে এনে হ'বলৈ পাইছে ই সন্দেহাতীত। এনে বাক্য ৰীতিৰ নিদৰ্শন ঃ "এইটো নিশ্চয় যে তাত অনেক ফৈদৰ মানুহ আগৰে পৰা বাস কৰি আছিল, যাৰ নাম পৰ্য্যন্ত পাহৰা গৈছিল " (৪), "কোশ বুলি এটা ফৈদে গঙ্গা আৰু গণ্ডক নৈৰ মাজত থকা ঠাইডোখৰত বসতি কৰিছিল, যি ডোখৰক আজিকালি আউদ বোলে" (৯), "এতিয়া মহাৰাষ্ট্ৰবিলাক হে বাকী ৰলগৈ যি এতিয়ালৈকে ইংৰাজৰ সৈমান হোৱা নাই, আৰু যি লৰ্ড ৱেলেচ্‌লিৰ নতুন প্ৰথামতে চলিবলৈ মান্তি হোৱা নাই " (২৫৩) আদি। পুথিত এনে উদাহৰণ বিস্তৰ।

৩.৬ আচহুৱা বানান পদ্ধতি ঃ

পুথিৰ অনেক ঠাইত পাঠকে দেখিবলৈ পাব সম্পূৰ্ণ আচহুৱা বানান কিছুমান। যেনে ঃ বহুৎ (৮ আৰু বহু ঠাইত), বন্দবস্ত (৫১ আৰু বহু ঠাইত), বেহেৰুৱা (১৭০), জিল্লা (২১০), চাকৰিয়া (২২৮), নিবুধীয়া (২৫৭), সীমনা

(২৫১), আথান্তৰ (২৮১), আস্পতাল (২৯৯), সেহত (৩১৬), বৰষণ (৩৩১ আৰু অনেক ঠাইত)। ইয়াৰে দুই এটা শব্দ বেজবৰুৱাদেৱৰ সমসাময়িক, সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ ৰচনাত পোৱা বুলি মনত পৰে। আনহাতে তাহানিৰ অবিভক্ত কামৰূপ আৰু গোৱালপাৰাৰ কথিত ভাষাত "জিন্না" শব্দ এতিয়াও ব্যৱহৃত হয়।

৩.৭ বঙলা অক্ষৰৰ প্ৰয়োগ ঃ

বুৰঞ্জীখনৰ ভালেমান ঠাইত অসমীয়া 'ৰ'ৰ সলনি বঙলা লিপিৰ 'র'ৰ প্ৰবেশ ঘটিছে। আনকি পুথিৰ পাত মেলিলেই চকুত পৰিব 'ভারতবর্ষৰ বুৰঞ্জী' শীর্ষক নামটি। তেনেদৰে আছে – রাজ্য (১১৩)। বিশেষকৈ 'ৰ'ৰ লগত হ্ৰস্ব বা দীর্ঘ 'উ'কাৰ যুক্ত হ'লে বঙলা লিপিৰ হোৱাটো নিশ্চিত আছিল যেন লাগে। উদাহৰণ - বেজবরুয়া (নাম পাত), আরু (৩৩,৩৫), সরু সরু (১২১), নিরূপিত (২০) আদি। পিছে ঊনবিংশ শতিকা অথবা কুৰি শতিকাৰো আৰম্ভণি ছোৱাত কলিকতাৰ ছপাশালত অসমীয়া আখৰৰ, বিশেষকৈ 'ৰু', 'ৰূ'ৰ এনে দুৰ্গতিৰ এয়ে প্ৰথম নিদর্শন নহয়। সেইদৰে 'ৰ' অক্ষৰৰ ক্ষেত্ৰতো একে আসোঁৱাহ চকুত পৰে। এনে মন্তব্যৰ সপক্ষে বহুতো উদাহৰণ দিব পৰা যায়। উপৰি উক্ত ধৰ্মেশ্বৰ গোস্বামীৰ 'ভাৰত বুৰঞ্জি'ত 'ৰ'ৰ ব্যৱহাৰ ঠিকেই আছে কিন্তু 'ৰু' 'ৰূ'ৰ বেলিকা একে 'রু' 'রূ'। ৩৭৬ পৃষ্ঠাৰ বৃজন আকাৰৰ গ্ৰন্থখনৰ আৰম্ভণিৰপৰা শেষলৈ একে। ঠায়ে ঠায়ে অসমীয়া 'ৰ'ৰ লগত বঙলা 'র'ৰ অনুপ্ৰবেশ নোহোৱাকৈ থকা নাই। নমুনা দিবলৈ হ'লে পুথিৰ নাম পাতৰ কথাই ক'ব পাৰি। তাত আছে "ভাৰত বুৰঞ্জি", "ইংরাজ রাজত্ব". "ধৰ্মেশ্বৰ গোস্বামীৰ দ্বাৰা প্ৰণীত", " ভিক্টোরিয়া প্ৰেসে শ্ৰীমণিমোহন রক্ষিত দ্বারা মুদ্রিত" আদি । সেইদৰে পুথিৰ প্ৰথম পৃষ্ঠাত তলত ফুট দিয়া 'র' মাত্ৰ এটা আৰু 'রু' দুটাৰ বাহিৰে সকলো অসমীয়া 'ৰ'। অৱশ্যে পাদটীকাৰ আহিবোৰতে 'র' টোহে দেখা যায়।[৪৮]

এইখন উপন্যাসৰ বাৰ্তাবাহক আলোচনী 'জোনাকী' লৈ চোৱা যাওক। 'জোনাকী'ৰ বর্তমান লেখকে দেখা পোৱা সংখ্যা কেইটাত 'ৰু' 'ৰূ'ৰ চেহেৰা 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ দৰে একেই। যেনে ঃ আরু (প্ৰতি পৃষ্ঠাত), বরুৱা (৪৭), পুরুষ (৪৬)। 'ৰ'ৰ ব্যৱহাৰ ঠিকেই আছে।[৪৯]

---

৪৮. ধৰ্মেশ্বৰ গোস্বামী ঃ *ভাৰত বুৰঞ্জি*, দ্বিতীয় ভাগ, ১৮৮৬ খৃঃ

৪৯. *জোনাকী*, দ্বিতীয় ভাগ, ১৮১১-১২ শক

তৃতীয় তথা শেষ উদাহৰণ দিব খোজা হৈছে কাশীনাথ তামুলীফুকনৰ বুৰঞ্জীৰ ২য় সংস্কৰণৰ পৰা। পুথিৰ মুদ্ৰক কলিকতাৰ ছপাশালে 'ক' 'ৰা' সঠিকভাৱে ব্যৱহাৰ কৰিছে। খেলি মেলি হৈছে ঊনবিংশ শতিকাৰ প্ৰায় মাজভাগৰপৰা গণ্ডগোলৰ সৃষ্টি কৰি অহা 'ৰ'ৰ প্ৰসংগত। ভালেমান ঠাইত অক্ষৰটো ঠিকেই বহিছে যদিও কিছু কিছু ক্ষেত্ৰত তাৰ সলনি দেখা যায় অ, ও, ব আদি অক্ষৰ।[৫০] যেনে ঃ বকআ (নাম পাত), সবগ দেও (১), খুআই, খুওআ, টোআই (২), প্ৰিথিবি, নোআবা (৩) আদি।

৪.০ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ অন্য উল্লেখনীয় দিশ ঃ

ভাষাতত্ত্বৰ ক্ষেত্ৰত থকা বৈশিষ্ট্যৰ উপৰিও আলোচ্যমান গ্ৰন্থৰ আন কেইটামান দিশে পাঠকৰ মনযোগ আকৰ্ষণ কৰে। এই কেইটাৰ বিষয়েও চমু পৰিচয় দিয়াৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। তলত তাৰ আভাস দিয়া হ'ল।

৪.১ অসম প্ৰসংগ ঃ

পুথিৰ শেষৰ ফালে থকা "আসাম বুৰঞ্জীৰ আধ্যাচেবেক " শিতানৰ অধ্যায়কেইটা অনূদিত হোৱাৰ পৰিবৰ্তে বেজবৰুৱাৰ নিজস্ব ৰচনা হ'ব পাৰে বুলি ইতিপূৰ্বে সম্ভাৱনা প্ৰকাশ কৰি অহা হৈছে। এই অ্যায়কেইটাৰ পূৰ্বৰ ছোৱাত অৰ্থাৎ ৩২১ পৃষ্ঠালৈ অসম সম্পৰ্কে উল্লেখ যৎসামান্য। আনকথাত লেখক মাৰ্চমেন অসম সম্পৰ্কে অজ্ঞ আছিল বুলি ধাৰণা কৰাৰ স্থল নোহোৱা নহয়। প্ৰথম বাৰৰ বাবে 'আসাম' আৰু 'ব্ৰহ্মপুত্ৰ নৈ 'নাম দুটা পোৱা যায় ২৪১ পৃষ্ঠাত থকা মানচিত্ৰখনত। আকৌ অসমৰ পৰিচয় দিয়া হৈছে "বঙ্গদেশৰ দাতিত থকা আসাম" বুলি (পৃঃ ২৬৭)। ইয়াৰ পিছত 'আহম', 'অসম', 'আসাম ৰজা', 'অসম ৰজা'-'আহম' আদি শব্দাৱলীৰ প্ৰয়োগ দেখা যায়। বুৰঞ্জীখনৰ ৰচনাৰ সময়লৈকে উদ্ধাৰ হোৱা সমলৰ ভেটিত ১২৩৮ খৃঃত ৰাজ্যশাসন কৰা ধৰ্মপাল কামৰূপৰ "নিৰ্দিষ্ট তাৰিখ থকা" প্ৰথম ৰজা বুলি কোৱা হৈছে (পৃঃ ৩১৫)

চীন পৰিব্ৰাজক হিউৱেন চাঙৰ ভ্ৰমণ প্ৰসংগতো পুৰণি কামৰূপ অথবা অসম সম্পৰ্কে গ্ৰন্থকাৰৰ অজ্ঞতা ধৰা পৰে। প্ৰাচীন কামৰূপৰ প্ৰাগজ্যোতিষ নৃপতি

---

৫০. কাশীনাথ তামুলী ফুকন ঃ *আসাম বুৰঞ্জি পুথি*, ১৯০৬।

ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত অৰ্থাৎ ৭ ম শতিকাত হিউৱেন চাঙৰ এই ৰাজ্য ভ্ৰমণ [51] এটা প্ৰসিদ্ধ ঘটনা। মাৰ্চডেনে দেশৰ কেৱা ঠাইলে "হাউ-এন-চাং" যোৱাৰ বিৱৰণ দিছে যদিও তেওঁ কামৰূপৰ বিষয়ে উল্লেখ কৰাৰ পৰা বিৰত আছে (পৃঃ ৬৬-৬৭)। ই যে বুৰঞ্জীখনৰ এটা চকুত লগা ক্ৰটী এই বিষয়ে নক'লেও হ'ব।

৪.২ ঠাইৰ ভিন্ন নাম ঃ

আলোচ্যমান পুথিত দুই চাৰিখন ঠাইৰ নাম বৰ্তমানতকৈ সম্পূৰ্ণ ভিন্ন ৰূপত পোৱা গৈছে। মধ্য অসমৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ 'চামধৰা' হৈছেগৈ 'চামধুৰা" (৩২৯)। গাৰো পৰ্বতৰ চিনাকি দিয়া হৈছে "নাকিৰণী অৰ্থাৎ গাৰো পৰ্বত (৩৩৩)। 'মাদ্ৰাজ' মহানগৰ (সম্প্ৰতি চেন্নাই) মাত্ৰ এটা ব্যতিক্ৰম বাদ দি সকলোতে উল্লিখিত হৈছে 'মাদ্ৰাজ' ৰূপে।

৪.৩ অনুচ্ছেদৰ নম্বৰ ঃ

পুথিৰ আৰম্ভণিৰপৰা শেষলৈ প্ৰত্যেক অনুচ্ছেদৰে ১,২,৩ ইত্যাদি ক্ৰমত নম্বৰ দি যোৱা হৈছে। অসমীয়া কিতাপৰ ক্ষেত্ৰত এনে পদ্ধতি অতি কম সংখ্যকৰ ক্ষেত্ৰতহে দেখা যায়। মূল গ্ৰন্থত এই ব্যৱস্থা আছিল নে নাই সেয়া জানিব পৰা নহ'ল।

৪.৪ ছবিৰ প্ৰাচুৰ্য ঃ

'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ এটা উল্লেখযোগ্য দিশ হ'ল ছবিৰ প্ৰাচুৰ্য। স্কুলীয়া পাঠ্য পুথি হোৱা বাবে ইয়াত বিস্তৰ চিত্ৰ সন্নিবিষ্ট হৈছে। মুঠ ছবিৰ সংখ্যা ১২২ টা। ইয়াৰে ভালেখিনি ছবিয়েই একোটা সম্পূৰ্ণ পৃষ্ঠা আগুৰি আছে। ক'ৰবাত ক'ৰবাত একেটা পৃষ্ঠাতে তিনিজনকৈ মানুহৰ ছবি দেখা যায়। কোমলমতীয়া ল'ৰা-ছোৱালীৰ মন আকৰ্ষণ কৰাৰ ক্ষেত্ৰত ছবিবোৰৰ প্ৰয়োগ যথাৰ্থ।

কোনো ঠাইৰ বিষয়ে ধাৰণা দিবলৈ মানচিত্ৰবো প্ৰয়োগ কৰা হৈছে। পুথিত থকা মানচিত্ৰৰ সংখ্যা নখন।

৪.৫ মুদ্ৰণ প্ৰমাদ ঃ

---

51. P.C. Choudhury : *The History of Civilisatio of the people of Assam*, 1966, p -164
H.K. Barpujari : (Ed.), *The Comprehensive History of Assam*, Vol I, 1990, p - 110

ছবিৰ প্ৰাচুৰ্যই বুৰঞ্জীখনৰ আকৰ্ষণ বৃদ্ধি কৰিলেও ছপাৰ ভুলে তাৰ বিপৰীত ক্ৰিয়া কৰিছে। তেতিয়াৰ কলিকতাৰ ছপাশালত অসমীয়া ভাষাৰ অভিজ্ঞ ব্যক্তিৰ অভাৱ কিম্বা যথাযোগ্য মনোযোগৰ অভাৱৰ কাৰণেই হওক, কিতাপখনত অসংখ্য মুদ্ৰণ বিভ্ৰাট দৃষ্টিগোচৰ হয়। এইবোৰ আকৌ ভিন্নধৰ্মী। দন্ত্য, মূৰ্দ্ধন্য, তালব্য; ই, ঈ, উ,ঊ প্ৰয়োগৰ ক্ষেত্ৰত যিদৰে প্ৰমাদ ঘটিছে সেইদৰে আছে আ-কাৰ , ই-কাৰ, উ-কাৰ, ৰেফ্ আদি বাদ পৰি যোৱাৰ ভুল। নমুনা হিচাপে মাত্ৰ কেইটামান উল্লেখ কৰা হ'ল। যেনে – পুণ্য (৪), মুল কাৰণ (১২), ধুকাল (১৬), শাক্ষী (৪১), শুধিলে (৪৭,,৯৭), ধ্বংশ (৬৪,৭০), কল্যান (৭৮), কোনৌ গৌছিল (১০২), সমূলী (১২০), বং মেনেৰে (১২২), এজন তিকতা (১৩৩), অশুচী(১৬৬), সেহত (৩১৬) আদি।

কিছুমান ঠাইত আকৌ ছপা অক্ষৰসমূহ অস্পষ্ট। বিশেষকৈ ৬৯ ৰ পৰা ৮৫ পৃষ্ঠালৈ থকা আখৰৰ অস্পষ্টতাই পাঠকক বাৰুকৈয়ে আমনি দিয়ে। এনে অস্পষ্টতা মাত্ৰ দুই এটা কপি নে সকলো পুথিত হৈছিল সেই কথা জনাৰ উপায় নাই।

৫.১ পাঠ্য পুস্তক ৰূপে 'ভাৰতবৰ্ষৰ বুৰঞ্জী' :

পাঠ্য পুথি হিচাবে এই বুৰঞ্জীখন কেনে আছিল ই এটা বিচাৰ্য বিষয়। আশী নবৈ বছৰ আগৰ স্কুলীয়া ছাত্ৰসকলে পুথিখন কেনে পাইছিল স্বাভাৱিকতে জানিবৰ মন যায়। লোকনায়ক অমিয় কুমাৰ দাস (১৮৯৫-১৯৭৫) এ পাঠ্যক্ৰমত বেজবৰুৱাৰ কিতাপ পঢ়াৰ কথা কৈছে [৫২] যদিও কোনো নিৰ্দিষ্ট পুথিৰ প্ৰসংগত একো মন্তব্য দি যোৱা নাই।

পুথিখনৰ প্ৰসঙ্গত সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাৰ মন্তব্য চিন্তা উদ্ৰেককাৰী। এই সম্পৰ্কে আগতে ইংগিত দি অহা হৈছে। অৱশ্যে পাঠ্য পুস্তক হিচাপে ইয়াৰ দোষ-গুণৰ বিষয়ে তেখেতৰ পৰা বিশেষ জানিব পৰা নগ'ল। শৰ্মাদেৱৰ ভাষাত :

> আমি স্কুলত পঢ়া দিনত (সপ্তম মানত) Marseden চাহাবৰ History of India –এই কিতাপৰে অসমীয়া অনুবাদ সেই সময়ত মজলীয়া ইংৰাজী আৰু অসমীয়া স্কুলত পাঠ্য আছিল। ....এই দুয়োখন কিতাপেই ১৯২২-২৩ চনৰপৰা পাঠ্যপুথিৰ তালিকাত ঠাই পোৱা নাই [৫৩]।

---

৫২. অমিয় কুমাৰ দাস : *জীৱন স্মৃতি*, ১৯৮৩ পৃঃ ৫৪

৫৩. যজ্ঞেশ্বৰ শৰ্মা : *প্ৰাগুক্ত*

সাহিত্যাচাৰ্য শৰ্মাদেৱৰ প্ৰতি যথাযোগ্য সন্মানসহ আমি ক'ব খোজোঁ — পুথিখনে ১৯২২-২৩ খৃঃৰ পিছত পাঠ্য পুথিৰ তালিকাত ঠাই নোপোৱা কথাটো সঁচা নহয়। প্ৰায় চাৰি কুৰি বছৰৰ ওচৰ চপা, একালৰ মেধাবী ছাত্ৰ, বিশ্বনাথ চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তীৰ্থেশ্বৰ শৰ্মাদেৱৰ অভিমত — তেখেতে ১৯৩৫ চনত চাৰিআলি মজলীয়া বিদ্যালয়ৰ ছাত্ৰ হৈ থাকোঁতে বুৰঞ্জীখন পাঠ্য পুস্তক হিচাবে পঢ়িছিল। তেখেতৰ মতে পুথিখন কোমল বয়সীয়া ছাত্ৰ-ছাত্ৰীৰ নিমিত্তে উপযুক্ত পাঠ্য পুথি। তেখেতে দোকানৰপৰা নতুন কিতাপ এখন কিনি নিয়াৰ স্মৃতি ৰোমন্থন কৰি জনায় যে পুথিখন ১৯৪০ খৃঃৰ পিছলৈকো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত আছিল ★।

আনকি ১৯৫১ খৃষ্টাব্দতো 'ভাৰতবৰ্ষৰ বুৰঞ্জী' পাঠ্য পুস্তক হিচাপে চলাৰ বিষয়ে জানিব পৰা গৈছে। শোণিতপুৰ জিলাৰ চতিয়াত অৱস্থিত নৰ্মাল স্কুলৰ সেই সময়ৰ শিক্ষক হৰিনাথ শৰ্মাই কিতাপখন শ্ৰেণীত পঢ়ুওৱাৰ সংবাদ পাইছোঁহক [৩৪]। নৰ্মাল স্কুলত ই পাঠ্য পুথি নে ওপৰঞ্চি পুথি হিচাপে চলিছিল সেইটোহে জানিব পৰা নগ'ল।

যজ্ঞেশ্বৰ শৰ্মাদেৱৰ লগতে বাকী কেইজনৰ মন্তব্যৰপৰা জানিব পৰা যায় যে বুৰঞ্জীখন এবা-ধৰাকৈ হ'লেও কুৰি শতিকাৰ মাজমানলৈ পাঠ্যৰূপে প্ৰচলিত আছিল।

৬.১ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ পৰবৰ্তী সংস্কৰণসমূহ :

বেজবৰুৱা-অনূদিত গ্ৰন্থখনৰ কেইটা সংস্কৰণ প্ৰকাশ হৈছিল? প্ৰশ্নটোৰ সঠিক উত্তৰ দিয়াটো কষ্টসাধ্য। মুঠতে তিনিটা সংস্কৰণ মুদ্ৰিত হৈ ওলোৱাৰ তথ্য আমাৰ হাতত আছে। ইয়াৰ ভিতৰত প্ৰথম তাঙৰণ ১৯০৯ চনত প্ৰকাশ হোৱাৰ কথা ইতিমধ্যে আলোচিত হৈছে।

পুথিৰ এটা সংশোধিত তথা পৰিবৰ্ধিত সংস্কৰণ প্ৰকাশ পায় ১৯১৯ খৃঃত। এই প্ৰকাশ সংখ্যাত দ্বিতীয় হয়নে নহয় নিশ্চিতভাৱে ক'ব পৰা নগ'ল। পুথিৰ নাম পাতত সন্নিবিষ্ট পৰিচয় লিপি এনে ধৰণৰ :

★ তীৰ্থেশ্বৰ শৰ্মাদেৱৰ যোৱা ১।১।২০০১ তাৰিখে পৰলোক প্ৰাপ্তি ঘটে।

৩৪. সংবাদৰ উৎস : শ্ৰীলম্বোদৰ দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নপাম মজলীয়া বিদ্যালয়, তেজপুৰ।

ভাৰতবৰ্ষৰ বুৰঞ্জী

এল এন বেজবৰুৱা, বি এ

সংশোধিত ও পৰিবৰ্দ্ধিত

ইউ বেজবৰুৱা, বি এচ, চি

হেড্ মাষ্টৰ, জোৰহাট বেজবৰুৱা হাইস্কুল

ম্যাকমিলন এণ্ড কোম্পানী লিমিটেড

কলিকতা, বোম্বাই, মাদ্ৰাজ, লণ্ডন

১৯১৯

কিতাপখন মুদ্ৰিত হৈছিল প্ৰথম সংস্কৰণৰ দৰে কলিকতাৰ ৪৬ বেচু চেটাৰ্জী ষ্ট্ৰীটত অৱস্থিত হৰে প্ৰেছত। মুদ্ৰক উপেন্দ্ৰ নাথ ভট্টাচাৰ্য্য। উল্লেখযোগ্য যে প্ৰথম সংস্কৰণটো ছপাশাল আছিল হৰে প্ৰেছেই।

সংশোধন আৰু পৰিবৰ্ধনৰ দায়িত্ব গ্ৰহণ কৰা ইউ এন বেজবৰুৱাই এই সংস্কৰণত ১৯১৮ খৃঃলৈকে সংঘটিত ঘটনাৰাজি সামৰিছে। লৰ্ডমণ্টেগু - ছেমচ্‌ফোৰ্ডৰ " ভাৰত আগমনৰ বতৰাৰে ভাৰত বুৰঞ্জীৰ বিষয় শেষ কৰাৰ পিছত 'আসাম বুৰঞ্জীৰ আধ্যাচেৰেক' শিৰোনামা দি অসমৰ বিষয়ে আলোচনা কৰা হৈছে। এইবাৰ পুথিৰ মুঠ পৃষ্ঠা সংখ্যা হ'লগৈ ৩৫৭। পিছে প্ৰথম সংস্কৰণৰ দৰে এইবেলিও অনুবাদক অথবা সংশোধকৰ একো বক্তব্য প্ৰকাশ কৰা নাই।

প্ৰসংগক্ৰমে দুই এটা প্ৰশ্ন উত্থাপন হোৱা স্বাভাৱিক। এই তাঙৰণটিয়ে পোহৰৰ মুখ দেখিছে বেজবৰুৱাদেৱৰ মৃত্যু (১৯৩৮) ৰ এক কম কুৰি বছৰ আগত, ১৯১৯ খৃঃত। অনুবাদক জীয়াই থকা কালতে অন্য এজনে তেওঁৰ গ্ৰন্থখনি কিয় "সংশোধন আৰু পৰিবৰ্দ্ধন" কৰিবলগীয়া হ'ল? সাহিত্যৰথীয়ে নিজে কামটো সম্পাদন নকৰিলে কিয়? পাতনি বা ভূমিকা বাপে দুইজনৰ কাৰো

---

৫৫. লৰ্ড মণ্টেগু হ'ল Rt. Hon. Edwin Samuel Montagu (1879-1924), Secretaty of State for India, Imperial Govt. (1917) আৰু ছেমচ্‌ফোৰ্ড হ'ল Lord Chelmsford, Viceroy of India . এইজনা বৰলাটৰ শাসনকাল আছিল ১৯১৬-১৯২১।

একো বক্তব্য নথকাত আজি আমি প্ৰশ্নলানিব উত্তৰ পোৱাৰপৰা দুঃখ লগাকৈ বঞ্চিত । মাত্ৰ এইখিনিয়ে অনুমান কৰিব পাৰোঁ যে কামটি নিশ্চয় অনুবাদকৰ অনুমোদন সাপেক্ষে সম্পাদিত হৈছিল।

বুৰঞ্জীখন সংশোধন আৰু পৰিবৰ্ধন কৰোঁতা ইউ এন বেজবৰুৱা হ'ল সাহিত্যৰথী বেজবৰুৱাৰ জ্যেষ্ঠ ভাতৃ, শিক্ষাবিদ গোবিন্দ বেজবৰুৱাৰ ২য় পুত্ৰ উপেন্দ্ৰ নাথ বেজবৰুৱা। গোবিন্দ বেজবৰুৱাৰ ১ম পুত্ৰ হৈছে পূৰ্বে উল্লিখিত 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী' (১৮৩৩ শক) ৰচোঁতা দেবেন্দ্ৰ নাথ বেজবৰুৱা। উপেন বেজবৰুৱা আছিল তেওঁৰ পিতৃয়ে উজনি অসমত স্থাপন কৰা ৬ খন ইংৰাজী স্কুলৰ অন্যতম 'যোৰহাট বেজবৰুৱা হাইস্কুল' (প্ৰতিষ্ঠা ১৮৯৩) ৰ প্ৰধান শিক্ষক।[৫৬] এখেতে ভাটি বয়সত বেৰিষ্টাৰ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি কৰিছিল। বিয়া-বাৰু কৰাৰপৰা বিৰত থকা উপেন্দ্ৰ নাথ বেজবৰুৱাৰ মৃত্যু হয় ১৯৬০ খৃঃত।[৫৭]

লক্ষ্মীনাথ বেজবৰুৱাৰ লেখাত মাত্ৰ এবাৰৰ কাৰণে হ'লেও " উপেন" অৰ্থাৎ তেওঁৰ ভতিজাক উপেন্দ্ৰ নাথ বেজবৰুৱাৰ নাম পাইছোঁহঁক। সেয়া ঘটিছে আগতে পাই অহা, ২/৬/১৯২৩ খৃঃত সম্বলপুৰৰপৰা জীয়েক অৰুণালৈ বঙলাত লেখা পত্ৰখনত। তাত আছে, 'উপেনেও (মোৰ ভাইৰ পুত্ৰ) মোক এক সন্ধ্যা তাৰ ঘৰলৈ নিমন্ত্ৰণ কৰি খুৱালে'।[৫৮] বেজবৰুৱাই সেইবাৰ সম্বলপুৰৰপৰা শ্বিলঙলৈ আহি গুৱাহাটী হৈ প্ৰত্যাবৰ্তন কৰাৰ পথত গুৱাহাটী নিবাসী ভতিজাক উপেন বেজবৰুৱাৰ ঘৰত আতিথ্য গ্ৰহণ কৰিছিল। ভাতসাঁজ খুওৱা সংবাদৰ লগতে বুৰঞ্জীখনৰ 'পৰিবৰ্দ্ধক-সংশোধক' জনৰ লগত পুথিখন সম্পৰ্কে হোৱা আলোচনাৰ বিষয়েও যদি পত্ৰলেখক বেজবৰুৱাই কিবা জনালেহেঁতেন!

'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ অন্য এটা তাঙৰণ প্ৰকাশ পায় ১৯৩১ খৃঃত। কথাবাৰ

---

৫৬. বেণুধৰ শৰ্মাই এই ছখন হাইস্কুলৰ নাম আৰু প্ৰতিষ্ঠাৰ তাৰিখ লিপিবদ্ধ কৰি গৈছে। দ্ৰষ্টব্য ঃ *অৰ্ঘ্যাৱলী*, প্ৰাগুক্ত, পৃঃ ১৬

৫৭. এই অনুচ্ছেদৰ তথ্যৰাজিৰ গুৰিত থাইকৈ আছে উপেন্দ্ৰ নাথ বেজবৰুৱাৰ ভাগিন বোৱাৰী, স্বৰ্গীয় সুনি কান্ত বৰকটকীৰ পত্নী, গুৱাহাটী চান্দমাৰী নিবাসী শ্ৰীযুক্তা লক্ষীপ্ৰিয়া বৰকটকী (৮২)।

৫৮. মহেশ্বৰ নেওগ (সংক, সম্পা) ঃ *পত্ৰলেখা* প্ৰাগুক্ত , পত্ৰ নং ১১২, পৃঃ ১০২।

কোৱা হৈছে তলত উধৃত কৰা কথাখিনিৰ বলত ঃ

> মোৰ হাতত বেজবৰুৱাৰ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ প্ৰথম ভাগৰ কপি এটা আছে। পিছে এই কপিটো ১৯৩১ চনত মেকমিলান এণ্ড কোঃ য়ে কলিকতাৰ ২৯৪ নং বহুবাজাৰ ষ্ট্ৰীটৰপৰা প্ৰকাশ কৰা সংশোধিত আৰু পৰিবৰ্ধিত সংস্কৰণহে; প্ৰথমটো তাঙৰণৰ নহয়। বেটুপাতত দেখুওৱা মতে প্ৰথম ভাগৰ মূল্য ৯ অনা (এতিয়া ০,৫৬ টকা) , দ্বিতীয় ভাগৰ মূল্য ৭ অনা (এতিয়া ০.৪৩ টকা)। [৫৯]

উধৃতিৰপৰা এটা কথা স্পষ্ট হৈ পৰিছে যে ১৯৩১ খৃঃৰ সংস্কৰণত বুৰঞ্জীখন প্ৰথম আৰু দ্বিতীয় দুটা ভাগত প্ৰকাশ পাইছিল। ১৯০৯ খৃঃৰ প্ৰথম সংস্কৰণ আৰু ১৯১৯ খৃঃৰ ২য় (?) সংস্কৰণৰ কোনোটোতে কিন্তু ই দুই খণ্ডত ওলোৱা নাছিল।

আমি জনাত 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ সংস্কৰণ এই তিনিটাই। কিন্তু ইয়াৰ পিছতো যে পুথিখন ছপা হৈ ওলোৱা নাছিল সেই কথা খাটাংকৈ ক'ব নোৱাৰোঁ। বিশেষকৈ ওপৰত উল্লিখিত চাৰিআলি মজলীয়া বিদ্যালয় আৰু চতিয়া নৰ্মাল স্কুলত ই পাঠ্য পুস্তক ৰূপে পৰৱৰ্তী কালতো চলা ধাৰণাই পুথিখনৰ অধিক সংস্কৰণৰ সপক্ষে কয় [৬০]।

---

৫৯. যোগেন্দ্ৰ নাৰায়ণ ভূঞা ঃ "মাৰ্ছডেন চাহাবৰ ভাৰত বুৰঞ্জী প্ৰসংগত", *প্ৰান্তিক*, ১- ১৪ চেপ্টেম্বৰ , ১৯৯৫।

৬০. শেহতীয়াভাৱে হোমেন বৰগোহাঞিৰ সম্পাদিত 'আমাৰ অসম' নামৰ দৈনিক কাকতখনত ' ভাৰতবৰ্ষৰ বুৰঞ্জী' সম্পৰ্কে এলানি চিঠি-পত্ৰ টোকা ওলাই হৈছে। ৫।৭।২০০০ তাৰিখৰ পৰা ১৭।১০।২০০০ তাৰিখলৈ চলা এই লানি আলোচনা বা বিতৰ্কত ভাগ লৈছিল ক্ৰমে (ড°) গোলোক চন্দ্ৰ গোস্বামী, ড° গোবিন্দ প্ৰসাদ শৰ্মা, ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা, ড° অনিমা দত্ত, প্ৰফুল্ল চন্দ্ৰ বেজবৰুৱা, ড° নগেন শইকীয়া, প্ৰসন্ন কুমাৰ ফুকন আৰু এই লেখকে। উক্ত কাকতত লেখি সাহিত্যৰথী বেজবৰুৱাৰ বংশধৰ, শিৱসাগৰৰ প্ৰফুল্ল চন্দ্ৰ বেজবৰুৱাই অন্যান্য কথাৰ লগতে জনাইছে, "(পুথিখনৰ) 'প্ৰথম ভাগ' প্ৰকাশ হৈছিল ১৯২২ চনত ১৯১ পৃষ্ঠাৰ পুথি আৰু '২য় ভাগ' প্ৰকাশ পাইছিল ১৯২৭ চনত ১৭৭ পৃষ্ঠাৰ পুথি " (আঃ অঃ ৯/৮/২০০০)। এতিয়া জানিব পৰা গ'ল যে বুৰঞ্জীখনৰ কম পক্ষেও চাৰিটা সংস্কৰণ ওলোৱাটো নিশ্চিত।

৭.১ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ বিজ্ঞাপন ঃ

বেজবৰুৱা-ৰচিত পুথি-পত্ৰ কিম্বা সম্পাদিত আলোচনী 'বাঁহী'ৰ পাতত বুৰঞ্জীখনৰ বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল। আমি বৰ্তমানলৈ পোৱাৰ ভিতৰত প্ৰথম বিজ্ঞাপন হ'ল 'কদমকলি'(১৯১৩) কবিতা পুথিৰ শেষত পোৱাটি। ইয়াত আছে "শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ এটাইবোৰ কিতাপ আমাৰ হাতত আছে আৰু আমি বেচোঁ। টিম্বৰ ষ্টোৰ এণ্ড এজেন্সি। প্ৰপ্ৰাইটৰ এল এন বেজবৰুৱা। ৩৩ নং কেনিং ষ্ট্ৰীট; কলিকতা"।

বেজবৰুৱাদেৱৰ তেতিয়ালৈকে ৰচিত তথা প্ৰকাশিত ১৫ খন কিতাপৰ ভিতৰত ৮ নং স্থানত আছে 'ভাৰত বুৰঞ্জী', (মূল্য) ১্ অৰ্থাৎ ১.০০ টকা। মননশীল পাঠকৰ চকুত পৰিব -- ইতিপূৰ্বে আলোচনা কৰি অহাৰ দৰে 'ৰ'ত উ-কাৰ যুক্ত হোৱাৰ কাৰণে বঙলা আৰ্হিত লেখা হৈছে 'রু' হিচাপে। পুথিৰ নামটো 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ ঠাইত 'ভাৰত বুৰঞ্জী' কৰাৰ কথা নকলোঁৱেই যেনিবা।

আলোচনা দীঘলীয়া হোৱাৰ ভয়ত অন্যত্ৰ প্ৰকাশিত বিজ্ঞাপনৰ বিষয়ে উল্লেখ কৰাৰ পৰা বিৰত থকা হ'ল।

৮.০ সামৰণি ঃ

ওপৰত যিখিনি কথা আলোচিত হ'ল সেয়া মোটা-মুটি 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ বিষয়বস্তু বহিৰ্ভূত। হয়তো লক্ষ্মীনাথ বেজবৰুৱা সম্পৰ্কীয় অথবা অনূদিত গ্ৰন্থখনৰ বিভিন্ন দিশ সম্বন্ধীয়। কেইবাটাও গুৰুত্বপূৰ্ণ দিশ থকা সত্বেও পুথিৰ বিষয় বস্তু সম্পৰ্কে আলোচনাৰপৰা বিৰত থকা হৈছে। ভাৰতীয় ঐতিহ্য-পৰম্পৰাৰ লগত গ্ৰন্থকাৰ মাৰ্চডেনৰ পৰিচয়ৰ স্বাক্ষৰ ইয়াত পোৱা যায়। ইংৰাজৰ প্ৰতি আনুগত্য কিম্বা প্ৰশংসাসূচক দৃষ্টিভংগী ঠাই বিশেষে যিদৰে চকুত পৰে সেইদৰে সম্প্ৰদায় বিশেষৰ প্ৰতি বিৰূপ মনোভাবো ক'ৰবাত ক'ৰবাত নেদেখাকৈ থকা নাই। ঐতিহাসিক তথ্যৰ প্ৰমাদৰ কথা অসম প্ৰসংগতে উনুকিয়াই অহা হৈছে। আমি ইচ্ছাকৃতভাৱে এই কেইটা ক্ষেত্ৰতে বিস্তৃত বিশ্লেষণলৈ যাব বিচৰা নাই। গ্ৰন্থপাঠৰ অন্তত পাঠকে নিজেই সেই সেই বিষয়ে উপলব্ধি কৰিব পাৰিব।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ছাত্ৰ হিচাপে বৰেণ্য সাহিত্যিকজনাৰ হেৰাই যাবলৈ উপক্ৰম হোৱা পুথিখনৰ সম্পাদনা এক জাতীয় দায়িত্ব তথা পবিত্ৰ কৰ্তব্য ৰূপে বিবেচনা কৰিছোঁ। প্ৰকৃততে ১৯৯০-১৯৯৩ খৃঃত গুৱাহাটী

বিশ্ববিদ্যালয়ৰ অধীনত পি এইচ ডি উপাধিৰ কাৰণে গৱেষণা কৰি থকা কালছোৱাত ৰাজ্যৰ উজনি নামনিত 'অৰুনোদই' কাকত আৰু সেই যুগৰ পুথি- পত্ৰৰ অনুসন্ধান কৰি ঘূৰি ফুৰাৰ সময়তে তেজপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ৰ আলমাৰিত পুৰণি ফটা-ছিটা কিতাপৰ মাজত এই পুথি আমাৰ দৃষ্টিগোচৰ হয়। কিতাপখন ধাৰলৈ আনি প্ৰায় সমসাময়িকভাৱে সম্পাদনা কৰি থৈছিলোঁ যদিও প্ৰকাশকৰ অভাৱত সি আন্ধাৰতে পৰি আছিল। এনেতে হওক 'আমাৰ অসম' কাকতত বুৰঞ্জীখনক কেন্দ্ৰ কৰি এলানি বিতৰ্ক। ইয়াৰ পিছতে 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ক বাহিজৰ আগত উলিয়াই দিবলৈ মনস্থ কৰা হ'ল।

অসমীয়া ভাষা-সাহিত্যৰ পণ্ডিত-সমালোচকৰ দৃষ্টিৰ অলক্ষিতে বেজবৰুৱাৰ অনূদিত গ্ৰন্থখন কেনেদৰে বিস্মৃতিৰ গৰ্ভত জাহ যাবলৈ ধৰিছিল সেই বিষয়ে ইংগিত দি অহা হৈছে। বিশেষকৈ " বেজবৰুৱাৰ ভাৰত বুৰঞ্জীখনৰ কথা বেজবৰুৱাৰ কোনো সমালোচকে উল্লেখ কৰা নাই" বুলি যজ্ঞেশ্বৰ শৰ্মাৰ দৰে স্বনামধন্য ব্যক্তিয়ে ক'ব লগীয়াত পৰিছিল। বৰ্তমান সম্পাদনা কাৰ্যৰ যোগেদি ইতিমধ্যে পৰলোক গমন কৰা পণ্ডিত গৰাকীৰ আক্ষেপ খণ্ডন কৰিব পৰা হ'ল বুলি ধাৰণা কৰিছোঁ।

যুগজয়ী প্ৰতিভাৰ অধিকাৰী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ লেখাত হাত দিবলৈ এই লেখক কোন কুটা! ওপৰত উল্লিখিত পবিত্ৰ জাতীয় দায়িত্বই আমাক এই কাৰ্যৰ প্ৰতি অনুপ্ৰাণিত কৰিছে। বেজবৰুৱা সম্পৰ্কে অধ্যয়ন-চিন্তা-চৰ্চাত বৰ্তমান গ্ৰন্থই নতুন পথৰ সন্ধান দিব বুলি আশা পোষণ কৰা হৈছে। বিশেষকৈ অনুবাদক বেজবৰুৱাক আমাৰ পণ্ডিত-গৱেষক-পঢ়ুৱৈ সমাজে আৱিষ্কাৰ কৰিব -- আমি এই আশাত বন্দী। মূল পুথিৰ ক'তো হাত নিদিয়াকৈ অৱিকলভাৱে ছপাই ভূমিকাতে সকলো বক্তব্য দাঙি ধৰা হৈছে। এনে গধুৰ দায়িত্ব পালনত ক'ৰবাত ভুল-ত্ৰুটী হ'ব পাৰে। সহৃদয় পঢ়ুৱৈ সমাজে দয়া কৰি আঙুলিয়াই দিলে কৃতাৰ্থ হ'ম।

শ্ৰীসতীশ চন্দ্ৰ ভট্টাচাৰ্য্য

তেজপুৰ

১৪।১।২০০৪

ভাৰতবৰ্ষৰ বুৰঞ্জী।


আৰ্য্যবিলাকৰ ঠাই সলনি
আৰ্কটিক
মহাসাগৰ
চাইবেৰিয়াৰ টুৰানিবিলাক
মেঞ্চুৰিয়াৰ টুৰানিবিলাক
টুৰানিবিলাকৰ পুৰণি বসতি
আৰল সাগৰ
চীনৰ টুৰানিবিলাক
তিব্বতৰ টুৰানিবিলাক
হিন্দু
আৰ্য্য টুৰানিবিলাকৰ
ব্ৰহ্মদেশৰ টুৰানিবিলাক
শ্যামদেশৰ টুৰানিবিলাক
দাক্ষিণাত্য
ভাৰত
মহাসাগৰ
আৰবৰ চেমিটিক
আফ্ৰিকাৰ নিগ্ৰো
ক্লাভৰ আৰ্য্য
জৰ্মাণ আৰ্য্য
গ্ৰীক আৰ্য্য
ভূমধ্যসাগৰ
পাৰস্যৰ
আৰ্য্য

ASSAMESE
HISTORY OF INDIA

BY

E. MARSDEN, B.A.

Inspector of Schools, Central Circle, Madras (Retired)

AND

L. N. BEZBOROA, B.A.

ভাৰতবৰ্ষৰ বুৰঞ্জী

ই. মাৰ্শডেন, বি.এ.

এবং

এল. এন. বেজবৰুয়া, বি.এ.

MACMILLAN & CO., LIMITED
LONDON, BOMBAY AND CALCUTTA
1909

PRINTED BY R. DUTT
HARE PRESS
46, BECHU CHATTERJEE STREET

সূচীপত্ৰ।

বিষয়		পৃষ্ঠা।
১।	আৰ্য্যবিলাক	১
২।	বৈদিক যুগ	৪
৩।	ভাৰতবৰ্ষৰ উত্তৰ ভাগত আৰ্য্যবিলাকৰ বিস্তাৰ ...	৭
৪।	পিছৰ বেদ ব্ৰাহ্মণ আৰু উপনিষদ ...	১০
৫।	ৰামৰ উপাখ্যান	১৩
৬।	কৌৰব আৰু পাণ্ডৱৰ ভিতৰত মহাযুদ্ধ ...	১৯
৭।	দ্ৰাবিড়ীবিলাক	২১
৮।	পুৰণি হিন্দু যুগ—জাতি বিভাগ ...	২৩
৯।	পুৰণি কালৰ হিন্দু ৰাজ্যবিলাক ...	২৮
১০।	পুৰণি হিন্দুযুগত বিজ্ঞান দৰ্শন আদি বিদ্যা ...	৩১
১১।	বুদ্ধ	৩৬
১২।	বৌদ্ধ ধৰ্ম	৪০
১৩।	জৈনবিলাক	৪৩
১৪।	ভাৰতত গ্ৰীক	৪৬
১৫।	চন্দ্ৰগুপ্ত	৪৮
১৬।	বৌদ্ধযুগৰ ভাৰত ৰজা আৰু ৰাজ্যবিলাক ...	৫৩
১৭।	মৌৰ্য্যবংশী অশোক	৫৫
১৮।	ভাৰতবৰ্ষত শ্বাইথিয়বিলাক	৬০
১৯।	গুপ্তবংশী ৰজাৰ ৰাজত্ব	৬২
২০।	হূনবিলাক	৬৪
২১।	বৌদ্ধ যুগত ভাৰতবৰ্ষ	৬৪
২২।	পুৰাণ	৬৯

	বিষয়	পৃষ্ঠা।
২৩।	পৌৰাণিক যুগৰ হিন্দুধৰ্ম্ম প্ৰচাৰকবিলাক ...	৭১
২৪।	ৰাজপুত ..	৭৫
২৫।	মছলমানবিলাক	৭৯
২৬।	মূৰ্ত্তিভাঙোতা গজনিৰ মামুদ ...	৮৩
২৭।	মহম্মদ ঘৰী	৮৬
২৮।	আফগান বা পাঠান ৰজাবিলাক ...	৯০
২৯।	দাস ৰজাবিলাক	৯২
৩০।	খিলজী বংশ	৯৮
৩১।	টোগলক বংশী ৰজা	১০৩
৩২।	খোৰা টাইমুৰ	১০৬
৩৩।	টাইমুৰৰ পিছৰ ভাৰতবৰ্ষ	১০৮
৩৪।	ব্ৰাহ্মণী আৰু বিজয় নগৰ ৰাজ্য ...	১১৩
৩৫।	দক্ষিণ ভাৰতৰ মছলমান ৰাজাবিলাক ...	১১৬
৩৬।	মোগল সম্ৰাট্‌বিলাক	১২০
৩৭।	বাবৰ	১২১
৩৮।	হুমায়ুন	১২৭
৩৯।	শূৰ ৰজাবিলাক	১৩৫
৪০।	আকবৰ	১৩৯
৪১।	জেহাঙ্গীৰ	১৫৪
৪২।	চাহজাহান	১৬০
৪৩।	আউৰংজেব	১৬৪

বৃটিচ যুগ।

৪৪।	আদিতে ভাৰতবৰ্ষৰ সৈতে য়ুৰোপৰ বেহা-বেপাৰ	১৭১
৪৫।	ইউনাইটেড্ ইষ্ট ইণ্ডিয়া কোম্পানী ...	১৭৪

বিষয়		পৃষ্ঠা।
৪৬।	শিৱজীৰ উদ্‌গতি—মহাৰাষ্ট্ৰাবিলাক ...	১৭৬
৪৭।	মোগল সাম্ৰাজ্যৰ ক্ষয় ...	১৮৩
৪৮।	মহাৰাষ্ট্ৰা ৰাজ্য বোৰৰ উৎপত্তি ...	১৮৫
৪৯।	নাদিৰ চা	১৯১
৫০।	ইংৰাজ আৰু ফ্ৰেন্সবিলাকৰ ভিতৰত প্ৰথম যুদ্ধ	১৯৩
৫১।	ভাৰতত ইংৰাজ সাম্ৰাজ্য স্থাপন কৰোঁতা ক্লাইৱ	১৯৫
৫২।	কলিকাতাৰ অন্ধকূপ হত্যা	২০১
৫৩।	পলাচীৰ যুদ্ধ	২০২
৫৪।	ফ্ৰেন্সবিলাকৰ শেহ হাৰ	২০৫
৫৫।	মিৰকাচীম ...	২১০
৫৬।	লৰ্ড ক্লাইৱ	২১৫
৫৭।	আহমদ চা আবদালি	২১৯
৫৮।	মোগল সাম্ৰাজ্যৰ অন্ত	২২১
৫৯।	হাইদৰ আলি—মহীশুৰৰ সৈতে প্ৰথম যুদ্ধ ...	২২৪
৬০।	ক্লাইৱৰ পিছত বঙ্গদেশৰ গৱৰ্ণৰ ৱাৰেণ হেষ্টিংচ্	২২৮
৬১।	ৱাৰেণ হেষ্টিংচ্, প্ৰথম গৱৰ্ণৰ জেনেৰল ...	২৩১
৬২।	মহাৰাষ্ট্ৰাবিলাকৰ সৈতে প্ৰথম যুদ্ধ ...	২৩৩
৬৩।	মহীশূৰৰ সৈতে দ্বিতীয় বাৰৰ ৰণ ...	২৩৫
৬৪।	বোৰ্ড অৱ্ কণ্ট্ৰল অৰ্থাৎ শাসন ৰক্ষা ...	২৩৭
৬৫।	লৰ্ড কৰ্ণৱালিচ্—দ্বিতীয় গৱৰ্ণৰ জেনেৰল ...	২৩৯
৬৬।	ছাৰ জন্ ছোৰ—তৃতীয় গৱৰ্ণৰ জেনেৰল ...	২৪৪
৬৭।	মাৰ্কুইচ্ ৱেলেচ্লি—চতুৰ্থ গৱৰ্ণৰ জেনেৰল ...	২৪৫
৬৮।	ঐ	২৫১
৬৯।	ঐ	২৫৩

বিষয়	পৃষ্ঠা।
৭০। লর্ড কর্ণৱালিচ, স্যাৰ জৰ্জ বাৰ্লো, লর্ড মিণ্টো ...	২৫৮
৭১। লর্ড হেষ্টিংচ	২৬০
৭২। লর্ড হেষ্টিংচ (ক্ৰমশঃ)	২৬৫
৭৩। লর্ড আমহাৰ্ষ্ট	২৬৭
৭৪। লর্ড উইলিয়েম বেণ্টিঙ্ক	২৬৯
৭৫। লর্ড উইলিয়েম বেণ্টিঙ্ক আৰু স্যাৰ চাৰ্লচ মেটকাফ	২৭৭
৭৬। লর্ড অকলেণ্ড	২৭৮
৭৭। লর্ড এলেনবৰো	২৮১
৭৮। লর্ড হাৰ্ডিঞ্জ	২৮৪
৭৯। লর্ড ডেলহাউচি	২৮৬
৮০। লর্ড ডেলহাউচি (ক্ৰমশঃ)	২৯০
৮১। লর্ড কেনিং	২৯৩
৮২। প্ৰথম পাঁচজন ৰাজপ্ৰতিনিধি	২৯৯
৮৩। পিছৰ সাতজন ৰাজপ্ৰতিনিধি ...	৩০৩

আসাম বুৰঞ্জীৰ আখ্যানবেক।

৮৪। আগৰ কালৰ কানজগত হিন্দু ৰজা ...	৩১৩
৮৫। কাচাৰী আধিপত্যৰ বৃদ্ধি আৰু পতন ...	৩১৬
৮৬। কাছাৰৰ কছাৰী ৰাজ্য	৩১৯
৮৭। আহোমবিলাকৰ আক্ৰমণ আৰু বসতি ...	৩২৪
৮৮। মিৰজুমলাৰ আসাম আক্ৰমণ	৩২৬
৮৯। চা কেলাসৰ হাবাই চিলচঁত মহম্মদান ধৰ্ম প্ৰচাৰ	৩৩৪
৯০। মানৰ আক্ৰমণ আৰু ইংৰাজৰ অধিকাৰ সাব্যস্ত....	৩৩৮

মোগল রাজ্য
১৫৫৬
মোগল রাজ্য
রাজপুতবিলাক
পাঠান রাজ্য
ভারত মহাসাগর

ভাৰতবৰ্ষৰ বুৰঞ্জী।

আৰ্য্যবিলাক

১। প্ৰাচীনকালত ভাৰতবৰ্ষত বাস কৰোঁতা মানুহৰ বৃত্তান্ত আদি প্ৰথমতে, অতি পুৰণি পুথি বেদত পাওঁ। তাৰপৰা জানিব পৰা যায়, যে প্ৰায় ৪০০০ বছৰৰ আগেয়ে ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম কাষৰ প্ৰদেশ পঞ্জাবত একাতি ডাঙৰ দীঘল বগা মানুহ বাস কৰিছিল। তেওঁবিলাকে নিজক আৰ্য্য অৰ্থাৎ শ্ৰেষ্ঠ বুলি চিনাকী দিছিল। আমিও এতিয়া তেওঁবিলাকক এই পুৰণি আৰ্য্য নামেৰেই উল্লেখ কৰি যাম।

২। আৰ্য্যবিলাকে আফগানিস্থান আৰু হিমালয় পৰ্ব্বতৰ মাজেদি আহি ভাৰতবৰ্ষ পোৱাৰ আগেয়ে এখন ঠাইত বাস কৰিছিল যাক আজিকালি তুৰ্কিস্থান বোলে। তেওঁবিলাক দেখিবলৈ ওখ বগা আৰু সুধৰি আছিল। তেওঁবিলাকৰ কপাল ওখ, আৰু নাক শকত, পূৰ্ব্বকালে মঙ্গোলীয়াত থকা চেপেটা-মুখীয়া পীত বৰণীয়া জাতিৰ মানুহৰ গঢ়ৰে সৈতে তাৰেমান বিস্তৰ অমিল আছিল।

৩। তেওঁলোকে গাওঁ আৰু সৰু সৰু নগৰত বাস কৰিছিল, জাকে জাকে ভেৰা-ছাগ আৰু গৰু পালিছিল, হাল বাইছিল, ঘেঁহুধান আৰু ব'ধানৰ খেতি কৰিছিল, সূতা কাটিব আৰু কাপোৰ বব জানিছিল। যদিও তেওঁলোকে লোৰ সঁজুলি সাজি লব নেজানিছিল, তথাপি টিন আৰু তাম জুইৰ ওপৰত দি তপতাই গলাব জানিছিল, আৰু দুইকো মিহলাই পিতল নামেৰে এবিধ পিঙল বৰণীয়া ধাতু প্ৰস্তুত কৰি তাৰে কটাৰী আৰু যাঠিৰ মুখ সাজিছিল।

৪। তেওঁলোকৰ কেইবাটাও পৰিয়াল ওচৰাওচৰিকৈ থাকি একোটা ফৈদ হৈছিল; আৰু প্ৰত্যেক ফৈদৰে একোজন বুধিয়াল বা প্ৰধান মানুহ আছিল, যি নায়ক হৈ সেই সেই ফৈদক বশলৈ লৈ গৈছিল। সেই ফৈদবিলাক লাহে লাহে ডাঙৰ হওঁতে [illegible] তেওঁ-বিলাকৰ পুৰণি ভেটি-মাটিত সকলোৰে থাকিবলৈ ঠাই নটা হল; আৰু আগৰ পানী থকা সাৰুৱা দেশ ক্ৰমে শুকান আৰু অসাৰুৱা হৈ আহিল। সেইদেখি তেওঁলোকৰ কিছুমান ফাটি গৈ দক্ষিণ-পশ্চিম ফালে পাৰস্যত বসতি কৰিলে। পাৰস্য দেশৰ নাম ইৰাণ আছিল। ইৰাণ আৰিয়াণ বা আৰ্য্য শব্দৰে আন এটা গঢ় মাথোন। বাকী ফৈদবিলাক ভাৰতবৰ্ষলৈ আহি অনেক কাল পঞ্জাবত বাস কৰি আছিল।

৫। যিবিলাক আৰ্য্য হিন্দুস্থানলৈ আহিছিল, সেইবিলাকক আমি হিন্দু আৰ্য্য বুলিব পাৰোঁ। সিবিলাকে যদিও লেখিব নেজানিছিল, আৰু নিজৰ বিষয়ে কোনো লিখিত বিৱৰণ থৈ যোৱা নাই, তথাপি সিবিলাকে নিজৰ দেৱতাৰ স্তোত্ৰ গান কৰিছিল, আৰু সেই স্তোত্ৰবিলাক বাপেকহঁতে পুতেকহঁতক মুখে মুখে অতি সাৱধানে গাবলৈ শিকাইছিল। কিছুমান স্তোত্ৰ কেতিয়াও নেপাহৰাকৈ পুৰুষানুক্ৰমে শ শ বছৰ চলি আহিছিল। পাছে, লেখিবৰ কৌশল জনাত সেই স্তোত্ৰবোৰ লেখি থোৱা হল, আৰু সেই অৱস্থাতে এতিয়া সেইবোৰ হিন্দুৰ হাতত আছে। সেইবোৰক বেদ অৰ্থাৎ প্ৰাচীন কালৰ জ্ঞান বোলে; আৰু সেইবোৰৰ পৰা আমি পুৰণি কলীয়া হিন্দু আৰ্য্যবিলাকৰ বিষয়ে ভালেমান কথা জানিবলৈ পাওঁ।

৬। হিন্দু আৰ্য্যবিলাকে পঞ্জাব প্ৰদেশৰ নৈবোৰৰ তীৰত অনেক কাল উজুতাৰে সুখেৰে জীৱন কটাইছিল। তেওঁলোকে হাবি কাটি হাল বাই সোণ-বৰণীয়া শস্যৰ খেতি কৰিছিল। ঘাইকৈ তেওঁলোকে ঘেঁহু আৰু ধান আজিছিল; বেদ নামৰ উজ্জ্বল আৰু মিত্ৰ দেৱতাসকলৰ

পূজা অৰ্চ্চা কৰিছিল। দেৱ শব্দৰ অৰ্থ জ্যোতিৰ্ম্ময়। ভাৰতবৰ্ষলৈ অহাৰ আগেয়ে তেওঁলোক উত্তৰ কালৰ ঠেটা দেশত আছিল, সেই নিমিত্তে তেওঁলোকৰ জাৰ গুচাবলৈ আৰু খোৱা বস্তু বাঢ়িবলৈ সূৰ্য্য আৰু তাপৰ আৱশ্যক আছিল। সেইবাবে তেওঁলোকে সূৰ্য্য-দেৱতা অগ্নিৰ স্তৱ কৰিছিল। কিন্তু যেতিয়া তেওঁলোকে পঞ্জাবলৈ আহি দেখিলে যে তেওঁলোকৰ শস্য উৎপন্নৰ নিমিত্তে বৰষুণ বৰ লাগতিয়াল, তেতিয়া

আৰ্য্যবিলাকৰ সূৰ্য্যপূজা।

তেওঁলোকে আকাশী-দেৱতা ইন্দ্ৰৰ পূজা আৰু স্তৱ কৰিবলৈ ধৰিলে। তেওঁবিলাকে ভাবিছিল, বজ্ৰ ইন্দ্ৰৰ মাত, আৰু বিজুলী তেওঁৰ যাঠি,

আৰু সেই বাটিৰেই ইন্দ্ৰই কলা কলা মেঘবোৰ খুচি সিহঁতৰ দ্বাৰাই শস্যৰ পথাৰৰ ওপৰত বৰষুণ বৰষায়।

৭। তেওঁবিলাকে ভাবিছিল যে মৃত্যুৰ পিছত তেওঁবিলাকৰ আত্মা বতাহৰ মাজেদি ওপৰলৈ উঠি গৈ আকাশৰ ওপৰত থকা সিপুৰীলৈ যায়, য'ত দুখ শোক নাই, বন্ধু-বান্ধৱেৰে সৈতে এৰাএৰি নহয়, আৰু আনন্দ আৰু পোহৰ চিৰস্থায়ী। সেই উজ্জ্বল পুৰীৰ ৰজাৰ নাম তেওঁলোকে যম ৰাখিছিল, আৰু তেওঁকেই তেওঁলোকে মৃতকসকলৰ পাপ পুণ্যৰ বিচাৰক বুলি ভাবিছিল। তেওঁলোকৰ মূৰৰ ওপৰত ৰহল হৈ জুৰি থকা এই ডাঙৰ নীলা আকাশৰ দেৱতা বৰুণক, পৃথিবীত পোহৰ দিওঁতা সবিতা বা সূৰ্য্যক, সকলো ঠাই বিয়াপি থকা বতাহ বা বায়ুক, ভীষণ বজ্ৰপাত কৰোঁতা কলা মেঘ ৰুদ্ৰক, পূবেফালে দি দিনক আগ বঢ়াই আনোঁতা ধুনীয়া ঊষাক তেওঁবিলাকে স্তুতি কৰিছিল।

৮। অতীতৰ এই হিন্দু আৰ্য্যবিলাকৰ গঢ়-গতিৰে সৈতে আজি-কালিৰ ভাৰতবৰ্ষবাসী হিন্দুবিলাকৰ গঢ়-গতিৰ অমিল নানা প্ৰকাৰৰ। তেওঁবিলাকৰ ভিতৰত জাতিভেদ, মন্দিৰ, আৰু মূৰ্ত্তি পূজা নাছিল। তেওঁলোকে মঙহ, আৰু মাদ আদি পনা খাইছিল; আৰু সোম নামেৰে এবিধ লতাৰ ৰসৰ পৰা এবিধ মদ কৰি খাইছিল।

বৈদিক যুগ।

খৃ, পূ, ২০০০—১৫০০

১। আৰ্য্যবিলাকে পঞ্জাবলৈ আহি দেখিলে যে সেই দেশখন হাবি আৰু মানুহেৰে ভৰা। সেই মানুহবোৰ তেওঁবিলাকতকৈ অনেক কালৰ আগেয়ে আহি তাত বসতি কৰি আছে। এইটো নিশ্চয় যে তাত অনেক কোলৰ মানুহ আগৰে পৰা আহি বাস কৰি আছিল, যাৰ নাম পৰ্য্যন্ত

পাহৰা গৈছিল। সিহঁতৰ বিষয়ে আমি এই কেৱা মাথোন জানিব পাৰিছোঁ যে সিহঁতক পূৰণি আৰ্য্য ঋষি-কবিসকলে বেদত দস্যু বা দাস বুলি উল্লেখ কৰি থৈ গৈছে। আদিতে দাস শব্দৰ অৰ্থ গাৱঁৰ বুঢ়া মানুহ আছিল; পিছে লাহে লাহে তাৰ মানে দাস অৰ্থাৎ বন্দী হল। আৰ্য্য-বিলাকে সেই মানুহবিলাকৰ কিছুমানক কেনেকৈ বন্দী বা দাস কৰিছিল, ইয়াৰ দ্বাৰাই সেইটো দেখিবলৈ পোৱা যায়। বেদৰ স্তোত্ৰবোৰত সিহঁতক কলা বৰণীয়া, চেপেটা নকা, নীচ পৰ্কিতীয়া, কেচা মঙহ খাওঁতা, দেৱতা নমনা, ধৰম নথকা বুলি উল্লেখ কৰি থৈছে।

২। আৰ্য্যবিলাকৰ ফৈদবিলাকে লাহে লাহে পঞ্জাবৰ পৰা দস্যু বা দাসবোৰক খেদাই, তাৰ হাবি কাটি মাটি ভাঙ্গি, তাত গোমধান আৰু ঘেঁহুধানৰ খেতি কৰি তেওঁবিলাকৰ বসতি বঢ়াবলৈ ধৰিলে। তেওঁবিলাকে যে তাৰ আদিবাসী অনাৰ্য্য মানুহবিলাকেৰে সৈতে অকল যুদ্ধ কৰিছিল এনে নহয়, আপোন ফৈদৰ মানুহৰ সৈতেও সততে তেওঁ-লোকে যুদ্ধ কৰি থাকিব লগীয়াত পৰিছিল। আচল কথা, তেওঁলোক এটাইবিলাক গোটখাই একেবেলিয়েই আহি যে পঞ্জাবত নিজ নিজ বসতি স্থাপন কৰিছিল এনে নহয়, লাহে লাহে ফৈদে ফৈদে পৰিয়ালে পৰিয়ালে আহিহে তেওঁলোকে তাত ঘৰ-বাৰী খেতি-বাটি কৰি বাস কৰিছিল; আৰু সেই বাবেহে তেওঁলোকৰ নিজৰ ভিতৰতে ঘোৰ যুদ্ধ-বাগৰ হৈছিল। আগেয়ে অহাবিলাকে পিছত অহাবিলাকক সহজে নিজৰ ভাল ভেটি-মাটি, আৰু শস্যেৰে চহকী খেতি-পথাৰবোৰ এৰি দিয়া নাছিল। এই আৰ্য্য ফৈদবিলাকৰ নিজৰ ভিতৰত হোৱা যুদ্ধবোৰৰ বৰ্ণনা বেদত পোৱা যায়।

৩। আমি বাস্তবিকতে নেজানো, ঠিক কিমান কালৰ আগেয়ে প্ৰথমতে, আৰ্য্যবিলাক পঞ্জাবলৈ আহিল, আৰু সিন্ধুনৈৰ উপত্যকা-বিলাকত বিয়াপি পৰিবলৈ তেওঁলোকৰ কত কাল লাগিছিল। কিন্তু

এই বিষয়ে আলচ কৰোঁতা পণ্ডিতসকলৰ মতে, এই ঘটনা প্ৰায় ৪০০০ মান বছৰৰ আগেয়ে হৈছিল; অৰ্থাৎ প্ৰথমতে আহোঁতা আৰ্য্যবিলাকে খৃঃ, পূঃ প্ৰায় ২০০০ বছৰৰ আগেয়ে খাইবৰ গিৰি-সঙ্কটেদি আহি ভাৰত বসতি কৰিছিল। পণ্ডিতসকলে আৰু অনুমান কৰে, যে আৰ্য্যবিলাক আহি সিন্ধুনৈৰ পূবৰ শাখা নৈ সৰস্বতী পাওঁতে প্ৰায় ৫০০ বছৰ লাগিছিল।

৪। দৃষদ্বতী আৰু সৰস্বতী নামেৰে নৈ দুখনৰ মাজত পূব কালে এডোখৰ বৰ সাৰুৱা উপত্যকা ঠাই আছিল, সি বহলে ২০ মাইল আৰু দীঘলে ৬০ মাইল। আজিকালি দৃষদ্বতীৰ নাম ঘগ্‌ৰা আৰু সৰস্বতীৰ নাম সাৰসুতী। সেই ঠাইডোখৰক আৰ্য্যবিলাকে ব্ৰহ্মাবৰ্ত্ত অৰ্থাৎ দেৱতাসকলৰ থকা ঠাই বুলিছিল; আৰু তাত প্ৰচলিত আচাৰ ব্যৱহাৰ বিলাক অতি পবিত্ৰ আৰু ভাল বুলিছিল।

৫। আৰ্য্যবিলাক পঞ্জাবত থকা এই ৫০০ বছৰক আমি বৈদিক যুগ বুলিব পাৰোঁ। বেদ চাৰিখন; তাৰ ভিতৰত ঋক্‌বেদ প্ৰধান আৰু অতি পুৰণি। বাকী তিনিখন ঋক্‌বেদৰ অনেক কাল পিছত কৰা হৈছিল; আৰু সেই কেইখনৰ কথা আমি পিছত কম। ঋক্‌বেদ মানে স্তুতি-বেদ। পৃথিবীৰ ভিতৰত ঋক্‌বেদ এখন অতি পুৰণি পুথি। তাৰ ভিতৰত ১০২৮টা স্তৱ আছে; আৰু সেই স্তৱবোৰ ইন্দ্ৰ অগ্নি প্ৰমুখ্যে দেৱতাসকলৰ স্তুতি গান। বাপেকে ঈশ্বৰৰ স্তুতি কৰোঁতে নিশ্চয় নিতৌ একে কথাকে ব্যৱহাৰ কৰে, আৰু সেই কথা কেইবাৰ তেওঁৰ সৰু লৰাবিলাকে দিনৌ শুনি শুনি শিকাটোও স্বাভাৱিক। এই গতিকেই বেদৰ স্তৱ স্তোত্ৰবোৰ পুৰুষানুক্ৰমে যুগে যুগে চলি আহিছিল।

৬। আৰ্য্য ঋষিকবিসকলে ভাৰতবৰ্ষলৈ অহাৰ আগেয়ে অতীজতে কৰা ভালেমান স্তৱ নিশ্চয় পাহৰণিত পৰি হেৰাল; আৰু নেপাহৰাকৈ থকাবোৰ ঋক্‌বেদৰ ভিতৰত আছে। পণ্ডিতসকলৰ মতে সৰ্ব্বশেষৰ

স্তুৱবোৰ খৃষ্টাব্দৰ প্ৰায় ১৫০০ বছৰৰ আগেয়ে, অৰ্থাৎ আৰ্য্যবিলাকৰ ভিতৰৰ ভালেমানে সিন্ধু নৈৰ পূবটিপত্তাকা ব্ৰহ্মাবৰ্ত্ত এৰাৰ আগেয়ে ৰচনা কৰা হৈছিল। এই স্তুৱবোৰত সিন্ধুনৈৰ নাম ঘনে ঘনে উল্লেখ কৰা পোৱা যায়, কিন্তু গঙ্গাৰ নাম মুঠেই ছুবাৰহে, আৰু সিও শেহকালৰ স্তুৱবোৰত মাথোন আছে।

৭। ভাৰতবৰ্ষৰ পুৰণি আৰ্য্যবিলাকৰ বিষয়ে আমি যিকেবা জানিবলৈ পাওঁ, সি কেৱল ঋক্‌বেদৰ পৰাহে। ঋক্‌বেদৰ ভাষাক আমি বৈদিক ভাষা বুলিব পাৰোঁ। এই ভাষা কিছুমান পণ্ডিত হিন্দুৰ বাহিৰে আনে নেজানিছিল। আৰু সেইদৰেই সি বহুকাল চলি আহিছিল। কিন্তু সম্প্ৰতি ঋক্‌বেদ ইংৰাজী আৰু আন আন ভাষালৈ ভঙ্গা হৈছে। যদিও ঋক্‌বেদৰ স্তোত্ৰবোৰ অতি পুৰণি কালতে ৰচিত হৈছিল, তথাপি সেইবোৰ আজিকালি আমি যি শৃঙ্খলাত পাইছোঁ, তালৈ ভালেমান কালৰ পিছতহে অনা হৈছিল; আৰু সেইবোৰত এক, দুই, তিনি আদি লেখ, অন্ততঃ ৫০০ মান বছৰৰ পিছতহে বহুৱা হৈছিল।

ভাৰতবৰ্ষৰ উত্তৰ ভাগত আৰ্য্যবিলাকৰ বিস্তাৰ।

খৃ, পূ, ১৫০০—১০০০

১। আৰ্য্যবিলাকৰ বসতি পঞ্জাৱ জুৰি পৰাৰ পিছত, আৰু তেওঁলোক বহুকাল সেই সুন্দৰ ঠাই ব্ৰহ্মাবৰ্ত্তত থকাৰ পিছত, তেওঁবিলাকে জানিব পাৰিলে যে আৰু পূব ফালে, যত গঙ্গা আৰু যমুনা নৈ বব লাগিছে, তাতকৈও সাৰুৱা আৰু ভগত ঠাই আছে। তেওঁবিলাকৰ মানুহ বাঢ়ি বাঢ়ি শেহত ইমান সৰহ হৈছিল যে সিন্ধুনৈৰ উপত্যকাত তেওঁলোকক আৰু ঠায়ে নটা হৈ পৰিছিল। পিছকালৰ পৰা ন-ন-কৈ

দলে দলে আৰ্য্য কৈদ আহিও তেওঁলোকক ঠেলি আনিবলৈ ধৰিলে। দক্ষিণ কালে তেওঁলোক যাব নোৱাৰাত পৰিছিল ; কিয়নো, সেই কালে ৪০০ মাইল জুৰি বহল মৰুভূমি, যাৰ বালি সততে ধুৰঁলি-কুৰঁলীকৈ উৰি ঠাই সলনাসলনি কৰি ফুৰিব লাগিছে। সেইদেখি তেওঁবিলাকৰ ভালেমানে যমুনা নৈ পাৰ হৈ লাহে লাহে হাবি বননি কাটি, সেইবোৰ ঠাইত থকা অনাৰ্য্যজাতিৰ মানুহবিলাকেৰে সৈতে যুঁজি সিহঁতক হকৱাই খেদাই, তাত নতুনকৈ গাওঁ-ভুঁই পাতি, গঙ্গাৰ কালে আগবাঢ়ি আহিবলৈ ধৰিলে। সেই গাওঁ-ভুঁইবোৰেই কালক্ৰমত একোখন ডাঙৰ নগৰ হৈ উঠিল।

২। তেওঁবিলাকৰ বহুতে গঙ্গা আৰু যমুনাৰ মাজৰ সাৰুৱা উপত্যকাডোখৰত বসতি কৰিলে। এই ঠাইডোখৰত থকা কালত তেওঁবিলাকে বহুৎ গীত ৰচনা কৰে, আৰু সেইদেখি এই ঠাইডোখৰ ব্ৰহ্মৰ্ষিদেশ অৰ্থাৎ ধৰ্ম্ম-সঙ্গীত ৰচোঁতাসকলৰ দেশ বোলে।

৩। তেওঁবিলাক পোনেই পূব কালে, গঙ্গাৰ ওপৰ ভাগ আৰু যমুনাৰ ওপৰ ভাগৰ মাজত থকা ৩০০ মাইলমান বহল ঠাইডোখৰলৈ যোৱাটো যেন অনুমান হয়। যমুনাৰ ওপৰ ভাগত তেওঁবিলাকে তেওঁবিলাকৰ ৰাই দেৱতা ইন্দ্ৰৰ নামেৰে নগৰ পাতি তাৰ নাম ইন্দ্ৰপ্ৰস্থ দিছিল। অনেক কালৰ পিছত এই নগৰখনেই উত্তৰ-ভাৰতবৰ্ষৰ প্ৰধান নগৰ হৈ দিল্লী নাম পায়। ইয়াৰ ৬০ মাইলমান দূৰৈত গঙ্গাৰ ওপৰভাগত তেওঁবিলাকে হস্তীনাপুৰ নামে আন এখন নগৰ পাতে, তাৰ পিছত তেওঁলোকৰ কিছুমানে গঙ্গা আৰু যমুনাৰ মাজেদি দক্ষিণ কাললৈ অহা যেন লাগে। ১৫০ মাইলমান দূৰৈত দক্ষিণ কালে তেওঁবিলাকে আৰু দুখন নগৰ পাতে, এখন যমুনাৰ কাষত, এখন গঙ্গাৰ কাষত। যমুনাৰ কাষত পতাখনৰ নাম আগ্ৰা, আৰু গঙ্গাৰ কাষত পতাখনৰ নাম কাম্পিল্য যাক আজিকালি কনৌজ বোলে। তেওঁ-

বিলাকে আৰু দাক্ষিণ কাললৈ আহি গঙ্গা যমুনাৰ সঙ্গমত প্ৰয়াগ নামে পঞ্চমখন ডাঙৰ নগৰ পাতে। আজিকালি প্ৰয়াগৰ নাম এলাহাবাদ।

৪। পণ্ডিতসকলে অনুমান কৰে যে আৰ্য্যবিলাকে এইডোখৰ ঠাইত গাওঁ নগৰ আদি পাতি জুৰি পৰিবলৈ প্ৰায় ৩০০ বছৰ লাগিছিল; অৰ্থাৎ খৃষ্টাব্দৰ আগৰ ১৫০০ শতিকাৰ পৰা প্ৰায় ১২০০ শতিকাব্দলৈকে। এই কালডোখৰত আৰ্য্যবিলাকৰ ভিতৰত বৈদিক দেৱতাসকলৰ পূজা উপাসনা যদিও চলি আছিল, তথাপি লাহে লাহে তেওঁবিলাকৰ আচাৰ ব্যৱহাৰৰ লৰচৰ নোহোৱাকৈ নাছিল।

৫। আৰ্য্যবিলাক গঙ্গা আৰু যমুনাৰ মাজৰ ঠাইডোখৰত কিছুকাল থকাৰ পিছত, দলে দলে খেলে খেলে তেওঁবিলাকৰ ভিতৰৰ পৰা মানুহ ওলাই নিজ নিজ বৰ-মূৰীয়াবোৰৰ তলতীয়া হৈ, গঙ্গা আৰু হিমালয় পৰ্ব্বতৰ মাজত থকা ঠাইডোখৰৰ ভিতৰেদি আৰু পূব কালে যাবলৈ ধৰিলে। এদলৰ পিছত এদলকৈ তেওঁলোকে গঙ্গাৰ শাখানৈ গোমতী, ঘগ্ৰা, গণ্ডক আৰু কুশী পাৰ হবলৈ ধৰিলে। গঙ্গাৰ দক্ষিণে চম্বল আৰু শোণনৈৰ উপত্যকাইদি আহি তেওঁবিলাক বিন্ধ্য-পৰ্ব্বত পাইছিলহি। হিমালয় আৰু বিন্ধ্যপৰ্ব্বতৰ মাজৰ বহল ঠাইডোখৰক তেওঁলোকে মধ্যদেশ বুলিছিল।

৬। উত্তৰ-ভাৰতবৰ্ষৰ এইডোখৰত বাস কৰা ভাৰত আৰু পাঞ্চাল ফৈদৰ বাহিৰেও তাত থকা আৰু কিছুমান প্ৰধান ফৈদৰ নাম আমি জানিবলৈ পাওঁ। কোশল বুলি এটা ফৈদে গঙ্গা আৰু গণ্ডক নৈৰ মাজত থকা ঠাইডোখৰত বসতি কৰিছিল, যিডোখৰক আজিকালি আউধ বোলে। তেওঁলোকৰ প্ৰধান নগৰৰ নাম অযোধ্যা আছিল।

বিদেহ নামে এটা ফৈদ গণ্ডক নৈৰ পূব কালে, আজি কালি ত্ৰিহুট বা উত্তৰ-বেহাৰ বোলা ঠাইডোখৰত আছিল। তেওঁবিলাকৰ প্ৰধান নগৰৰ নাম মিথিলা আছিল।

কাশী নামে এটা ফৈদে গঙ্গাৰ পাৰত বসতি কৰিছিল; আৰু গঙ্গাৰ সেইডোখৰ গোমতী সঙ্গমৰ পৰা বহুৎ আঁতৰত নাছিল। তেওঁবিলাকৰ প্ৰধান নগৰৰ নাম কাশী, যাক আজিকালি বেনাৰচ অৰ্থাৎ বাৰাণসী বোলে। কাশী হিন্দুবিলাকৰ অতি পবিত্ৰ তীৰ্থস্থান।

ভাৰতবৰ্ষৰ এইডোখৰ ঠাই জুৰি পৰি বসতি কৰিবলৈ আৰ্য্যবিলাকক প্ৰায় ২০০ বছৰ লাগিছিল, অৰ্থাৎ খৃ, পূ, প্ৰায় ১২০০ৰ পৰা ১০০০ লৈকে।

পিছৰ বেদ ব্ৰাহ্মণ আৰু উপনিষদ।

১। অনুমান হয় এই কালডোখৰতে ঋকবেদৰ শ্লোকবিলাক লিখিত অৱস্থালৈ, আৰু আমি সেইবিলাক আজিকালি যি শৃঙ্খলাত পাইছোঁ সেই অৱস্থালৈ অনা হৈছিল। এই কালতে আন তিনখন বেদো ৰচিত হোৱাটো অনুমান হয়। আমি গুৰিতে কৈ আহিছোঁ যে ঋকবেদ হিন্দুবিলাকৰ অতি পুৰণি পুথি। ইয়াৰ ১০২৪ শ্লোকৰ ভিতৰৰ কিছুমান শ্লোক খৃ, পূ, ১৫০০ বছৰৰো ভালেমান কালৰ আগেয়ে আৰ্য্য ঋষিসকলে ৰচনা কৰিছিল। ঋকবেদ আৰ্য্যবিলাকৰ ধৰ্ম্মশাস্ত্ৰ। সেই অতীত কালত আৰ্য্যবিলাকৰ ভিতৰত পুৰোহিত নাছিল, আৰু দেৱতাৰ আগত জীয়া জন্তু বলি দিয়া প্ৰথাও নাছিল। মাখ, ধান চাউল আদি শস্য আৰু সোমৰসেৰেই তেওঁলোকে তেওঁলোকৰ দেৱতাৰ পূজা কৰিছিল।

২। আৰ্য্যবিলাক ভাৰতবৰ্ষৰ উত্তৰ ভাগত ক্ৰমে বিয়াপি পৰি সেই ঠাইবোৰৰ আদিবাসী মানুহবিলাকৰ লগতে সংস্পৰ্শলৈ আহি, তেওঁবিলাকৰ ধৰ্ম্মৰ গঢ় লাহে লাহে সলনিবলৈ ধৰিলে। তেতিয়া তেওঁলোকৰ ভিতৰত বলি দিয়া নিয়ম চলিল, আৰু সেই বলিৰ ব্যৱস্থা আদি কৰিবলৈ

পুৰোহিত শ্ৰেণীৰ সৃষ্টি হল। যজুৰ্ব্বেদ আৰু সামবেদ নামে দুখন বেদ ৰচিত হল। যজ্ঞ শব্দৰ অৰ্থ পূজা, বলি। যজুৰ্ব্বেদত ঋকবেদৰ প্ৰাৰ্থনাৰ বা স্তুতিৰ শ্লোকবোৰ আছে; সেইবোৰ এক শ্ৰেণীৰ পুৰোহিতে দেৱতাৰ আগত বলি দি পূজা কৰোঁতে মাতে; আৰু তাৰ বাহিৰে বলি দিবৰ নিয়ম প্ৰকৰণ, যাগ-যজ্ঞবিলাকৰ বিধি-বিধান তাৰ এতাগত আছে। যজুৰ্ব্বেদক আৰ্য্যবিলাকৰ প্ৰাৰ্থনা-শাস্ত্ৰ বুলিব পাৰি। সামবেদত ঋক-বেদৰ স্তোত্ৰৰ শ্লোক কিছুমান আছে। সেই স্তোত্ৰবোৰ আন এক শ্ৰেণীৰ পুৰোহিতে, দেৱতাৰ উদ্দেশে বলি নৈবিদ্য দি কৰা পূজাৰ সময়ত গান কৰে। সামবেদক আৰ্য্যবিলাকৰ স্তৱ-শাস্ত্ৰ বা ধৰ্ম্ম-সঙ্গীত শাস্ত্ৰ বুলিব পাৰি। ইয়াৰ ভালেমান কালৰ পিছত অথৰ্ব্ববেদ নামে চতুৰ্থখন বেদ ৰচিত হল। এই বেদৰ শ্লোকবিলাক আৰ্য্যবিলাকৰ অপায়-অমঙ্গল দূৰ কৰিবলৈ ৰচনা কৰা হৈছিল।

ব্ৰাহ্মণ।—কালক্ৰমত গঙ্গা আৰু যমুনাৰ মাজৰ প্ৰদেশত আৰ্য্য-বিলাকৰ বসতি আৰু লেখ বাঢ়ি যাবলৈ ধৰিলত, তেওঁবিলাকৰ যাগ-যজ্ঞ কৰোঁতা বামুণৰ লেখো বাঢ়ি গল; আৰু সেই বামুণবিলাকে যাগ-যজ্ঞৰ বিধি বিধানবিলাক নতুন নতুনকৈ কৰি বঢ়াবলৈ ধৰিলত চাৰিখন বেদে আৰু তেওঁলোকক নোজোৰা হল। কোন পুৰোহিতে কোন হোতাই কোন আচাৰ্য্যই যজ্ঞৰ কোন কোন কাম কৰিব লাগে, সেই বিলাক বিধান তেওঁলোকে ন-ন-কৈ ৰচনাই লেখি প্ৰত্যেক বেদতে সুমাবলৈ ধৰিলে। ঋক্‌বেদৰ ব্ৰাহ্মণে, বৈদিক মন্ত্ৰ উচ্চাৰণ কৰোঁতা পুৰোহিতক, কেনেকৈ তেওঁ সেই মন্ত্ৰ মাতিব লাগে তাক কৈ দিলে; সামবেদৰ ব্ৰাহ্মণে, সামগান কৰোঁতা পুৰোহিতে কেনেকৈ সামগান কৰিব লাগে, তাৰ বিধান দিলে; যজুৰ্ব্বেদৰ ব্ৰাহ্মণে, যজ্ঞ কৰোঁতা পুৰোহিতে বলে কেনেকৈ যজ্ঞ কৰিব লাগে, তাৰ ব্যৱস্থা দিলে; অথৰ্ব্ববেদৰ ব্ৰাহ্মণে বেদৰ শ্লোকবিলাকৰ খোলোচাকৈ অৰ্থ কৰি দিলে।

আৰণ্যক।—এই ব্ৰাহ্মণবোৰৰ কিছুমানক আৰণ্যক বোলে। আৰণ্যকবিলাকত, মানুহৰ বসতিৰ পৰা আঁতৰ হৈ থকা অৰণ্যবাসী ঋষিসকলৰ নিমিত্তে বিধি বিধান লেখা আছে। আৰণ্যকবিলাক প্ৰথম আৰু দ্বিতীয়খন বেদৰ অৰ্থাৎ ঋক আৰু যজুৰ্ব্বেদৰ ভিতৰত। সাম আৰু অথৰ্ব্ববেদত আৰণ্যক নাই।

উপনিষদ।—এনে অনুমান হয়, যে কিছুকালৰ পিছত সেই পুৰণি কলীয়া হিন্দুবিলাকক ব্ৰাহ্মণবিহিত অশেষ বিধি-বিধানে আৰু পুৰোহিতবিলাকৰ যাগ-যজ্ঞৰ অসংখ্য অনুষ্ঠান পদ্ধতিবোৰে আমনি লগাই পেলাইছিল। তেওঁবিলাকৰ মাজত লাহে লাহে প্ৰশ্ন উঠিল যে, এই বিশ্ব-সংসাৰৰ মূল কাৰণ কি? আৰু তেওঁবিলাক এই সংসাৰলৈ কৰ পৰা আহিল, আৰু ইয়াৰ পিছত কলৈ যাব? ঋষিবিলাকৰ এই বিষয় চিন্তা আৰু তৰ্ক-বিতৰ্কবিলাক উপনিষদবোৰত পোৱা যায়। উপনিষদবোৰ ব্ৰাহ্মণবোৰৰ পিছত আৰু খৃষ্ট জন্মৰ আগৰ কাল ডোখৰত ৰচিত হৈছিল। তেওঁবিলাকে দেখিলে যে বেদৰ সূৰ্য্য, চন্দ্ৰ, বায়ু, আকাশ আদি দেৱতাবিলাকৰো সৃষ্টিকৰ্ত্তা এজন মহাদেৱতা বা পৰমাত্মা আছে। তেওঁবিলাকে ভাবিলে যে জগতৰ সকলো বস্তু সকলো প্ৰাণী সেই পৰমাত্মা পৰম পুৰুষজনৰ পৰা উৎপত্তি হৈছে, আৰু সকলোবিলাক শেষত তেওঁতে লয় যাব। সেই পৰমাত্মাৰ নাম তেওঁবিলাকে ব্ৰহ্ম বা ঈশ্বৰ ৰাখিলে। তেওঁবিলাকে কলে যে, যেনেকৈ মহাসমুদ্ৰৰ পৰা পানী ভাপ হৈ উৰি মেঘলৈ যায়, আৰু তাৰ পৰা বৰষুণৰ আকাৰেৰে পৃথিবীত পৰি নৈ হৈ বৈ গৈ আকৌ সেই মহাসমুদ্ৰত পৰি লয় গৈ তাৰে এক অংশ হয়, সেইদৰে সকলোবিলাক ঈশ্বৰৰ পৰা আহে, আৰু উন্নতি গৈ তেওঁতে লয়-গৈ তেওঁৰে অংশীভূত হয়।

হিন্দুবিলাকে তেওঁলোকৰ পুৰণি কালৰ শাস্ত্ৰবোৰ দুশ্ৰেণীত ভাগ কৰি অতি পুৰণিবোৰক শ্ৰুতি আৰু তাতকৈ ন-বোৰক স্মৃতি বোলে।

শ্ৰুতি মানে যাক শুনা গৈছিল, বা যি ঈশ্বৰৰ পৰা প্ৰকাশ হোৱা বাক্য। বেদ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদবিলাক শ্ৰুতিৰ ভিতৰত পৰিছে; আৰু সেইবিলাক ঈশ্বৰৰ বাক্য বুলি ধৰা হয়।' স্মৃতি মানে স্মৰণ কৰা কথা বা আগৰ কালৰ পৰা চলি অহা কথা।

ৰামৰ উপাখ্যান।

১। ৰামায়ণ ৰামৰ উপাখ্যান পুথি। অযোধ্যাৰ ৰজা দশৰথৰ তিনিজনী কুৱঁৰী আছিল। ডাঙৰজনী কুৱঁৰীৰ নাম কৌশল্যা, মাজুজনীৰ নাম সুমিত্ৰা, আৰু সৰুজনীৰ নাম কৈকেয়ী আছিল। কৌশল্যা গাভৰুৰ দেখি তেওঁৰ কোৱঁৰ ৰামে দশৰথৰ অবিহনে সিংহাসন পাব লাগে। কিন্তু বুঢ়া ৰজাৰ মুৰাই তিকতা কৈকেয়ীয়ে ৰজাক নিজৰ মুঠিত ৰাখি বিহকে মন যায় তাকে কৰিব পাৰিছিল। কৈকেয়ীৰ ইচ্ছা যে তেওঁৰ কোৱঁৰ ভৰতে ৰাজ্য পাব লাগে। মাজু জনী কুৱঁৰীৰ লক্ষ্মণ নামেৰে এটি লৰা আছিল।

২। ৰজাৰ ডাঙৰ কোৱঁৰ ৰাম বৰ বলী আৰু সাহিয়াল আছিল। তেওঁৰ অন্তঃকৰণ বৰ দয়ালু আৰু মন বৰ উদাৰ আছিল গুণে অযোধ্যাৰ প্ৰজাৰ তেওঁ নৈৰ মৰমৰ পাত্ৰ হৈছিল। তেওঁৰ বাপেকেও তেওঁক বৰ ভাল পাইছিল, আৰু তেওঁকেই ৰাজ্যভাৰ দিবলৈ মনোগত কৰিছিল।

৩। অযোধ্যাৰ পূব ফালে ভালেমান দূৰৈত গণ্ডক নৈৰ সিপাৰে মিথিলা ৰাজ্য আছিল। মিথিলাৰ ৰজা জনকৰ সীতা নামে এজনী বৰ ধুনীয়া জিল জিল জীয়েক আছিল। নানা দেশৰ ৰাজকোৱঁৰ এনেকে সীতাক বিয়া কৰিবলৈ হেঁপাহ কৰিছিল; কিন্তু সীতাই নিজৰ ইচ্ছা নিজে বাছি লব বুলি জনকে কৈ সীতাৰ স্বয়ম্বৰ পাতিলে। জনক ৰজাৰ

বাণে ধনু-শর ধরিবারে শিখিছে।

স্বুপা-কৰাৰ দিনৰ এখন প্ৰকাণ্ড ধনু আছিল। সীতাই পণ কৰিলে, যে-জনে সেই ধনুখন নোৱাই তাত গুণ লগাব পাৰিব, সেই জনকে তেওঁ স্বামী বৰিব। জাকে জাকে ৰাজকোঁৱৰ মিথিলালৈ আহি পাইপতি সেই ধনুখন নোৱাবলৈ চেষ্টা কৰিলে, কিন্তু কোনেও নোৱাৰিলে। সেই ধনুখন ইমান গধুৰ যে কিছুমানে তাক ডাঙিবই নোৱাৰিলে। কিন্তু ৰাম আহি সেই ধনুখন হেলাৰঙে হাতত তুলি লৈ নোৱালে; আৰু নোৱাওঁতে নোৱাওঁতে শেহত সি মাজতে দোডোখৰ হৈ ভাগি থাকিল। ধনু ভঙাৰ পিছত সীতাই ৰামৰ ডিঙিত ফুলৰ মলা এধাৰ দি ৰামক স্বামী বৰণ কৰিলে। তাৰ পিছত বৰ পয়োভৰেৰে ৰাম সীতাৰ বিয়া হৈ গল, আৰু দুয়ো অযোধ্যালৈ উভতি আহি মহা সুখে ৰজা-ঘৰত বাস কৰিবলৈ ধৰিলে।

৪। লাহে লাহে দশৰথ ৰজা বুঢ়া হৈ আহিল, আৰু তেওঁ যে সৰহ দিন নিজীয়ে এই কথা বুজিব পৰা গল। বুঢ়া ৰজাক ৰাজকাৰ্য্যত সহায় কৰিবলৈ, আৰু তেওঁৰ মৃত্যুৰ পিছত ৰাজপাটত উঠিবলৈ এজন যুৱৰাজ পাতিবৰ কথা হল। পাত্ৰ মন্ত্ৰী আদি মুখিয়ালসকলকে প্ৰমুখ্য কৰি গোটেই অযোধ্যাৰ প্ৰজাৰ মুখত ৰামক যুৱৰাজ পতাৰ সপক্ষে আনন্দৰ ৰোল উঠিবলৈ ধৰিলে। বুঢ়া ৰজাই ৰামক মতাই অনাই কলে যে তেওঁক কাইলৈ যুৱৰাজ পতা হব। এই বাতৰি নগৰত প্ৰচাৰ হলত প্ৰজাৰ মনত আনন্দই নধৰা হল; কাৰণ, ৰাম সকলোৰে মৰমৰ পাত্ৰ।

৫। কিন্তু সৰু কুঁৱৰী কৈকেয়ীয়ে এই বাতৰি শুনি খঙত জ্বলি উঠিল। তেওঁ ৰোহ-ঘৰত সোমাই গাৰ অলঙ্কাৰ-পাতি সোলোকাই দলিয়াই পেলাই মাটিত বাগৰ পেটি লৈ পৰিল; আৰু ৰজাই ওচৰলৈ আহি ক'পৌ কৰিও তেওঁৰ মুখৰ মাত একেবাৰে নেপালে। শেহত কৈকেয়ীয়ে ৰজাক প্ৰতিজ্ঞা কৰালে যে তেওঁ তেওঁৰ পুতেক ভৰতক যুৱৰাজ পাতি ৰামক চৌধ বছৰলৈ বনলৈ পঠিয়াব লাগিব।

ওচৰৰপৰা উভতি গুচি আহিব লগীয়াত পৰিল। কিন্তু ভৰতে অযোধ্যালৈ আহি নিজে ৰাজপাটত নুবহি, ৰামৰ খৰম একোৰ আনি থৈ, ৰামহে সঁচাসঁচিকৈ অযোধ্যাৰ ৰজা, কাৰণে ইয়াকে দেখুৱাই, ৰাম উভতি নহালৈকে তেওঁৰ সলনি ৰাজ্যশাসন কৰিবলৈ ধৰিলে।

৮। ভীষণ অৰণ্যত তেওঁলোকে ভালেমান বছৰ কটালে। ৰামে লক্ষ্মণেৰে সৈতে দিনো মৃগয়া কৰিবলৈ গৈছিল। দক্ষিণ-ভাৰতবৰ্ষৰ এডোখৰত ৰাৱণ নামেৰে ডাঙৰ ৰজা এজনে ৰাজত্ব কৰিছিল। তেওঁ সুন্দৰী সীতাৰ ৰূপ-গুণৰ কথা শুনি মোহ গৈ এদিন ৰাম লক্ষ্মণ দুয়ো মৃগয়া কৰিবলৈ যোৱা কালত, চেপ চাই, হাবিৰ ভিতৰত থকা তেওঁলোকৰ পঁজালৈ আহি সীতাক বলেৰে ধৰি চুৰ কৰি তেওঁৰ লঙ্কা দ্বীপৰ ৰাজধানীলৈ লৈ গুচি গল। লঙ্কাক আজিকালি চিলন বোলে। ৰাৱণে সীতাক বিয়া কৰাই তেওঁৰ ৰাণী কৰিবলৈ নথৈ চেষ্টা কৰিলে, কিন্তু সীতাই সেই কথাত মান্তি হোৱা দূৰৈত থাওক তেওঁৰ কাণে এবাৰ কেৰাহিকৈও নাচালে। তাৰ পিছত ৰাৱণে সীতাক গছ-লতা-পাতেৰে যোপ-মৰা এন্ধাৰ ডাঠ বনত পালী-পহৰীয়া দি থৈ দিলে।

৯। ইফালে ৰাম লক্ষ্মণে সুগ্ৰীৱ নামেৰে এজন পশ্চিম-ঘাটৰ মহা প্ৰতাপী ৰজাৰে সৈতে মিত্ৰতা কৰিলে। সুগ্ৰীৱ আৰু তেওঁৰ প্ৰজাবোৰৰ বৰণ কলা আছিল, আৰু তেওঁবিলাকে হাবিত বসতি কৰিছিল দেখি আৰ্য্যবিলাকে তেওঁবিলাকক বান্দৰ বুলিছিল। সুগ্ৰীৱেই ৰামক সহায় কৰিবলৈ বৰ ডাঙৰ ফৌজ এটাৰে সৈতে তেওঁৰ সেনাপতি হনুমন্তক পঠিয়াই দিলে। হনুমন্তৰ সহায়ত ৰাম লক্ষ্মণে লঙ্কালৈ গৈ ৰাৱণক মাৰি সীতাক উদ্ধাৰ কৰি আনিলে।

১০। চৌধ বছৰ বনবাস খাটি অঁতাই ৰাম আৰু সীতা লক্ষ্মণেৰে সৈতে অযোধ্যালৈ উভতি আহিল; আৰু তাৰ পিছত ভালেমান বছৰ ৰামে অযোধ্যাত ৰাজত্ব কৰিলে। আৰ্য্য ৰজাবোৰৰ ভিতৰত ৰাম বৰ

বিখ্যাত আছিল, আৰু তেওঁৰ মৃত্যুৰ আঁলেখান কালৰ পিছত হিন্দুবিলাকে তেওঁক ঈশ্বৰৰ অৱতাৰ বুলি পূজা কৰিবলৈ ধৰিলে। সীতাৰ গৰ্ভত লৱ আৰু কুশ নামেৰে তেওঁৰ দুটি লৰা হৈছিল। দুটা ডাঙৰ ৰাজপুত কৈলে লৱ আৰু কুশৰপৰা নিজ নিজ বংশৰ উৎপত্তি হৈছে বুলি কয়, যাৰ বিষয়ে আমি পিছত কম।

কৌৰৱ আৰু পাণ্ডৱৰ ভিতৰত মহাযুদ্ধ।

১। আগৰ কালৰ দুটা ডাঙৰ কৈলৰ নাম আমি জানিবলৈ পাওঁ; এটাৰ নাম ভাৰত বা কুৰু, আৰু আনটোৰ নাম পাঞ্চাল। ভাৰত কৈলে গঙ্গাৰ ওপৰ ফালে বাস কৰিছিল, আৰু তেওঁবিলাকৰ প্ৰধান নগৰৰ নাম হস্তীনাপুৰ আছিল। পাঞ্চালবিলাক গঙ্গাৰ নামনি ফালে আছিল, আৰু তেওঁবিলাকৰ প্ৰধান নগৰৰ নাম কাম্পিল্য বা কনৌজ আছিল।

২। ভাৰত কৈলৰ ধৃতৰাষ্ট্ৰ নামে এজন ওপজাৰে পৰা অন্ধ ৰজা আছিল; আৰু সেইদেখি তেওঁ তেওঁৰ ভায়েক পাণ্ডুক ৰাজ্যভাৰ এৰি দিছিল। ধৃতৰাষ্ট্ৰৰ এশ পুতেক আছিল; বৰজন পুতেকৰ নাম দুৰ্য্যোধন। তেওঁবিলাক কুৰু ৰজাৰ বংশৰ দেখি তেওঁবিলাকক কৌৰৱ বোলে। পাণ্ডুৰ পাঁচজন পুতেক আছিল, যাই তিনিজনৰ নাম যুধিষ্ঠিৰ, ভীম আৰু অৰ্জ্জুন।

৩। হস্তীনাপুৰত পাণ্ডৱ আৰু কৌৰৱ ৰাজকোঁৱৰবিলাক একে লগে ডাঙৰ-দীঘল হৈছিল, আৰু পাণ্ডু ৰজাৰ মৃত্যুৰ পিছত ৰাজ্য পাবলৈ দুই দলৰ ভিতৰত সদাই দন্দ-হাই যুঁজ-বাগৰ হৈ আছিল। পাণ্ডু মৰিলত, এশজন পুতেকৰ সহায়ত ধৃতৰাষ্ট্ৰ হস্তীনাপুৰত ৰজা হল। পাণ্ডৱবিলাকে ৰাজ্যৰপৰা খেদা খাই বসতি কৰিবলৈ ঠাই বিচাৰি কিছু কাল গোটেইখন দেশতে অনাই-বনাই ফুৰিছিল।

৪। সেই সময়ত পাঞ্চালবিলাকৰ দ্ৰুপদ নামে এজন ৰজা আছিল। দ্ৰুপদৰ দ্ৰৌপদী নামে এজনী গুণৱতী জীয়েক আছিল; সেই কালৰ দস্তুৰ মতে দ্ৰুপদ ৰজাই জীয়েকৰ স্বয়ম্বৰ পাতিলে। দ্ৰৌপদীৰে পণ কৰিলে যে যি ৰাজকোঁৱৰে তেওঁৰ বাপেকৰ গধুৰ ধনুখনেৰে কাঁড় এডাল মাৰি এটা নিৰূপিত লক্ষ্য ভেদিব পাৰিব, তেওঁকেই তেওঁ স্বামী বৰিব। কৌৰৱবিলাককে প্ৰমুখ্য কৰি অনেক ৰাজকোঁৱৰে সেই লক্ষ্য বিন্ধিবলৈ চেষ্টা কৰি নোৱাৰিলে। পাণ্ডৱবিলাকো দ্ৰৌপদীৰ স্বয়ম্বৰৰ কথা শুনি কাম্পিল্য নগৰলৈ আহিছিল। শেহত অৰ্জ্জুনে সেই ধনুখন ভিৰাই কাঁড় এডাল মাৰি লক্ষ্যটো বিন্ধি দ্ৰৌপদীক পালে, আৰু পাঁচোটা ভায়েক ককায়েকে দ্ৰৌপদীক বিয়া কৰালে।

৫। যেতিয়া কৌৰৱবিলাকে দেখিলে, যে পাণ্ডৱে শহুৰেক পাঞ্চালৰ ৰজাৰ নিচিনা এজন পৰাক্ৰমী ৰজা তেওঁবিলাকৰ সহায়ক পালে, তেতিয়া কৌৰৱবিলাকে হস্তীনাপুৰখন সমানে দুভাগ কৰি এভাগ পাণ্ডৱক দিলে, আৰু এভাগ নিজলৈ ৰাখিলে। হস্তীনাপুৰৰ পশ্চিম ভাগত যমুনা নৈৰ পাৰত পাণ্ডৱবিলাকে ইন্দ্ৰপ্ৰস্থ নামে সুকীয়াকৈ এখন নগৰ পাতিলে; আৰু সেইডোখৰৰ হাবি-বন কাটি, তাত থকা অনাৰ্য্য অসভ্য নাগ জাতিৰ মানুহবোৰক খেদাই দি, তাতে তেওঁবিলাকে এখন ডাঙৰ ৰাজ্য পাতিলে।

৬। কিন্তু পাণ্ডৱবিলাকৰ সুখ-সম্পদ দেখি খিয়ালত কৌৰৱবিলাকৰ চকু পুৰিবলৈ ধৰিলে। তেওঁবিলাকে বুধি সাজি পাণ্ডৱবিলাকক পাশা খেলিবলৈ মাতি আনি; অন্যায়কৈ তেওঁলোকৰ ধন-বস্তু ৰাজ্য আৰু শেহত ঘৈণীয়েক দ্ৰৌপদীকো পাশা খেলত জিকিলে। পাশা খেলত সৰ্ব্বস্ব হাৰি পাণ্ডৱবিলাকে হস্তীনাপুৰ এৰি তেৰ বছৰ বনে বনে ফুৰিব লগীয়াত পৰিছিল। তেৰ বছৰৰ পিছত উভতি আহি তেওঁ-বিলাকে নিজৰ ৰাজ্য ওভোতাই পাবলৈ যিমান পাৰে চেষ্টা কৰিবলৈ

ধৰিলে। কিন্তু কৌৰৱবিলাক একোতে তেওঁবিলাকক ৰাজ্য ভগোতাই দিবলৈ ৰাজি নহল।

৭। ইয়াৰ পিছত কৌৰৱ পাণ্ডৱবিলাকৰ ভিতৰত ঘোৰ্ঘোৰ যুদ্ধৰ জগৰি ঋলি উঠিল। দুই দলকে তেওঁলোকৰ নিজৰ নিজৰ ফলীয়া ৰজা সকলে সৈন্য-সামন্ত আদিৰে সৈতে সেই যুদ্ধত সহায় কৰিছিল। দ্বাৰকাৰ ৰজ ঘুৱাক ৰজা কৃষ্ণই (যাক পিছত ঈশ্বৰৰ অৱতাৰ বুলি হিন্দুবিলাকে পূজা কৰিবলৈ ধৰিলে) আৰু পাঞ্চালৰ ৰজাই পাণ্ডৱবিলাকক সহায় কৰিছিল। দিল্লীৰ উত্তৰ ফালে কুৰুক্ষেত্ৰ (যি ডোখৰৰ নাম পিছত পানীপত হৈছিল) মাজেৰে ঠাই এডোখৰত ওঠৰ দিনীয়াকৈ, কৌৰৱ পাণ্ডৱবিলাকৰ মাজত এখন ডাঙৰ ৰণ হৈছিল। সেই ৰণত কৌৰৱ-বিলাক হাৰি এজন এজনকৈ সকলোবিলাক মৰিল; আৰু পাণ্ডৱবিলাক হস্তীনাপুৰ ৰাজ্য অধিকাৰ কৰি তাৰ ৰজা হল।

দ্ৰাবিড়ীবিলাক।

১। আৰ্য্যবিলাক লাহে লাহে গোটেই হিন্দুস্থানত অৰ্থাৎ বিন্ধ্য-পৰ্ব্বতৰ উত্তৰ কালৰ ঠাইডোখৰত কেনেকৈ সুবি পৰিছিল, আমি সেই কথা ওপৰত কৈ আহিছোঁ। দক্ষিণ ভাৰতবৰ্ষ আন এজাতি মানুহেৰে ভৰপূৰ হৈ আছিল, যাক আমি দ্ৰাবিড়ী বুলিব পাৰোঁ। দ্ৰাবিড়ীবিলাক দক্ষিণ ভাৰতবৰ্ষলৈ কেতিয়া কেনেকৈ আহিল, আৰু আৰ্য্যবিলাক উত্তৰ ভাৰতলৈ অহাৰ কত কালৰ আগৰেপৰা সিইঁত তাত বাস কৰি আছিল, এইবোৰ কথা জানিবৰ উপায় নাই। কিছুমান পণ্ডিতে অনুমান কৰে যে আৰ্য্যবিলাক যি বাটেদি ভাৰতবৰ্ষলৈ আহিছিল, দ্ৰাবিড়ীবিলাকো অনেক কালৰ আগেয়ে সেই বাটেদিয়েই ভাৰতবৰ্ষলৈ আহি দক্ষিণত

বসতি কৰে। কোনো কোনো পণ্ডিতে ভাবে যে দ্ৰাবিড়ীবিলাক এখন বৰ ডাঙৰ দেশৰ পৰা আহিছিল; আৰু সেইখন দেশ অতি পুৰণি কালত ভাৰত-মহাসাগৰৰ এডোখৰ ঠাই জুৰি দক্ষিণ ভাৰতৰ লগতে লগা-লগি হৈ আছিল; আৰু পিছত সেই দেশখন সাগৰে বুৰাই তাৰ চিন নাইকিয়া কৰি পেলালে। আৰু কিছুমান পণ্ডিতে অনুমান কৰে যে দ্ৰাবিড়ীবিলাক ভাৰতবৰ্ষৰ আদিবাসী মানুহ; সিহঁত বাহিৰৰ কোনো দেশৰ পৰা অহা নহয়; আৰু উত্তৰ ভাৰতত থকা দ্ৰাবিড়ীবিলাকে লাহে লাহে প্ৰথমে অহা আৰ্য্যবিলাকৰ লগতে সানমিহলি হৈ গৈ নিজৰ সুকীয়া অস্তিত্ব হেৰুৱালে, কিন্তু আৰ্য্যবিলাক দক্ষিণ ভাৰত নোপোৱাহি গুণে তাত থকা দ্ৰাবিড়ীবিলাক সুকীয়া জাতি হৈয়েই ৰল।

দ্ৰাবিড়ীবিলাকৰ সাপপূজা।

২। গুৰিতে সকলোবিলাক দ্ৰাবিড়ীৰ একেটা ভাষা আছিল; কিন্তু কালক্ৰমত দক্ষিণ ভাৰতৰ বেলেগ বেলেগ ঠাইত বাস কৰা দ্ৰাবিড়ীবিলাকৰ ভাষাৰ সাজ-সলনি ঘটি বেলেগ বেলেগ হৈ গল। গুৰিতে একেটা খাই দ্ৰাবিড়ী ভাষাৰপৰা ওলাই বেলেগ বেলেগ গঢ় লোৱা ভাষা

বিলাক সিহঁতে কয়। সেইবোৰৰ ভিতৰত এই কেইটা ঘাই ;—তামিল, তেলেগু, মালয়ালম আৰু কানাড়ী।

৩। দ্ৰাবিড়ীবিলাকে সিহঁতৰ লগত জাকে জাকে গৰু মহ আনিছিল : আৰু সিহঁতে গাইৰ গাখীৰ খাইছিল। সিহঁতে আৱৰণি কাটি ঠাই মুকলি কৰি লৈ তাত ঘৰ-বাৰী সাজি গাওঁ পাতি বসতি কৰিছিল ; খেতি-বাতি কৰিছিল ; আৰু একোটা গাওঁবুঢ়া বা মুখীয়াল মানুহৰ হাক-বচন মানি চলিছিল। সিহঁতে সাপ আৰু গছ পূজা কৰিছিল ; নিজৰ দেৱতাক ভক্তিতকৈ ভয় বেছিকৈ কৰিছিল ; আৰু সিহঁতৰ অনিষ্ট নকৰিবৰলৈ সেই দেৱতাবিলাকৰ আগত প্ৰাৰ্থনা কৰিছিল। সিহঁতে ভাবিছিল যে সিহঁতৰ দেৱতাবিলাকে তেজ খাবলৈ ভাল পায় ; সেই নিমিত্তে সিহঁতে দেৱতাবিলাকৰ আগত কুকুৰা, ছাগ আৰু মহ কাটি বলি দিছিল। তপত দেশত বহুকাল বাস কৰি সিহঁতৰ গাৰ বৰণ কলা হৈ পৰিছিল ; আৰু সেই নিমিত্তে ভাৰতৰ আন আন ঠাইবিলাকত থকা মানুহতকৈ সিহঁতক এতিয়া বেছি কলা দেখি।

পুৰণি হিন্দুযুগ।—জাতি বিভাগ।

খৃঃ পূঃ ১০০০—৩০০।

১। খৃষ্টাব্দৰ ১০০০ মান বছৰৰ আগৰপৰা আৰ্য্য শব্দটোৰ চলতি উঠি গৈ তাৰ ঠাইত নকৈ ওলোৱা হিন্দু শব্দটো চলিবলৈ ধৰিলে। অনেক কালৰ আগৰেপৰা লাহে লাহে হিন্দুজাতিৰ সৃষ্টি হৈ আহিছিল। এই হিন্দুজাতিটোৰ ভিতৰত, গল হেজাৰ বছৰ ধৰি গোটেই উত্তৰ ভাৰত জুৰি পৰা ভাৰতৰ নীয়ল বগা আৰ্য্যবিলাক আছিল, আৰু আৰ্য্যবিলাকৰ অহাৰ আগেয়ে আহি অতীজৰেপৰা ভাৰতত বাস কৰোঁতা, বেলেগ

উল্লেখ কৰা দস্যু বা দাসবোৰৰ মাজা কৈৱৰ তালেমান মানুহ আছিল, যাৰ লেখ আৰ্য্যবিলাকতকৈ প্ৰায় পকাশ গুণে সৰহ। ভাৰতবৰ্ষৰ ভগত উপত্যকাবিলাকত দুগ দুগান্তৰৰপৰা সিহঁত বাস কৰি আছিল, আৰু যথা আৰ্য্যবিলাকৰ নিচিনা সিহঁত বলী আৰু সাহিয়ালো নাছিল। মহাভাৰতত উল্লেখ কৰা ভীল আৰু নাগ বুলি দুটা ভাতৰ কৈৱৰ নামৰ বাহিৰে সেই অনাৰ্য্যজাতিৰ কৈদবোৰৰ নামবিলাক পৰ্য্যন্ত লোপ পালে। আৰ্য্যবিলাকৰ হেঁচাত সিহঁতৰ তালেমান পৰ্ব্বতবিলাকলৈ পলাই গল; যেনে:—দক্ষিণ ভাৰতৰ উত্তৰ-পূৰ কালৰ সীমাত থকা এখাৰ নাথৰ ওপৰ বাঢ়হেবে পৰ্ব্বতীয়া খণ্ড আৰু চাণ্ডালবিলাক; আৰু মধ্য ভাৰতত থকা চাৰে এখাৰ নাথৰ ওপৰ বাঢ়হেবে গণ্ডবিলাক।

২। কিন্তু সিহঁতৰ সৰহভাগ পলাই গুচি নগৈ তাতে থাকি লাহে লাহে আৰ্য্যবিলাকৰ সৈতে সানমিহলি হৈ যাবলৈ ধৰিলে। প্ৰথমতে অহা পুৰণি আৰ্য্যবিলাকৰ বহুতে সেই অনাৰ্য্যবোৰৰ ভাষা শিকি সিহঁতৰ সৈতে মিতিৰ-কুটুমৰ সম্বন্ধ পাতি সিহঁতৰ ছোৱালী বিয়া কৰাত লাহে লাহে সৰ লাগি একেটা জাতি হৈ পৰিল। তেনেকৈ মিহলি হৈ হোৱা লৰা ছোৱালীবোৰক আন আৰ্য্যবিলাকে তেওঁলোকৰ সমান শানীলৈ উঠিবলৈ নিদিছিল দেখি সিহঁত এটা সুকীয়া শাৰীৰ হৈ পৰিছিল।

৩। আগৰ কালৰ আৰ্য্যবিলাকৰ দিনত কোনো এটা পৰিয়ালৰ ভিতৰত বাপেকে ইন্দ্ৰ অগ্নি আদি দেৱতাসকলক তেওঁৰ নিজৰ আৰু লৰা ছোৱালীবোৰৰ কুশলৰ অৰ্থে পূজা-পাতল দি প্ৰাৰ্থনা কৰিছিল, পুতেকহঁতে সৈতে হাল বাই খেতি-পথাৰ কৰিছিল, আৰু পিন্ধিব-উৰিবলৈ কাপোৰ-কানি বৈছিল; সৰু লৰাবিলাকে গৰু-গাই ৰখিছিল; তিৰোতাবিলাকে গাইৰ গাখীৰ দোৱাইছিল, সূতা কাটিছিল আৰু ঘৰৰ আন আন কামবিলাক কৰিছিল। যুদ্ধৰ সময়ত ডকা মানুহ-বিলাকে আপোনাৰ কৈৱৰ বলী জানী আৰু যুদ্ধোয়ান মানুহৰ জনত ৰঙ্গ-

কাঁড় তৰোৱাল লৈ যুদ্ধ কৰিছিল, আৰু যুদ্ধৰ অন্ত পৰিলে তেওঁ-বিলাকক সহায় কৰা বাবে দেৱতাসকলৰ ওচৰত কৃতজ্ঞতা জনাইছিল।

৪। কিন্তু আৰ্য্যবিলাক উত্তৰ ভাৰত জুৰি বহি পৰা কাল তোখৰত যুদ্ধ আদি কাৰ্য্যত ইমানটৈক লাগি থাকিব লগীয়াত পৰিছিল যে, পৰিয়ালবোৰৰ বাপেকহঁতে, আৰু ফৈদবিলাকৰ মাৰক-বিলাকে, বৈদিক স্তৱ স্তোত্ৰবোৰ আগৰ মিচিনাকৈ শিকি সেইবোৰ তেওঁবিলাকৰ দেৱতাসকলৰ আগত গাবলৈ সময় নোপোৱাত পৰিল। সেইদেখি খেলেপতি ফৈদেপতি কিছুমান মানুহক বাচি লৈ সেই কাম কৰিবলৈ লগোৱা হল। কালক্ৰমত এইবিলাক মানুহক ফৈদৰ বাকী মানুহবোৰে বৰ শুচি আৰু ধৰমী বুলি জ্ঞান কৰিবলৈ ধৰিলে। এই শ্ৰেণীৰ মানুহবিলাকেই এটা সুকীয়া জাতৰ হৈ ব্ৰাহ্মণ নাম পালে।

৫। লাহে লাহে এইটোও দেখা গল যে, ফৈদৰ মাৰকজনৰ আৰু তেওঁৰ তলত যুদ্ধ কৰোঁতাবিলাকৰ যুদ্ধৰ বাহিৰে, হাল বাই খেতি কৰিবলৈ বা আন কাম কৰিবলৈ আৰু আজৰি নাইকিয়া হল। সেইদেখি প্ৰত্যেক ফৈদৰপৰা বলী আৰু শকত মানুহবোৰ বাচি যুদ্ধলৈ প্ৰোৱা হল; আৰু সিহঁতৰ মাৰকজনে ৰজা নাম পালে। লাহে লাহে এই যুজাৰু শ্ৰেণীৰ মানুহবিলাক ক্ষত্ৰিয় বুলি এটা সুকীয়া জাতৰ হৈ পৰিল। মানত ক্ষত্ৰিয়বোৰ অনেক কাল ব্ৰাহ্মণৰ সমনীয়া আছিল, কিন্তু কালৰ গতিত তেওঁবিলাক দ্বিতীয় শাৰীত পৰিলহি।

৬। এই দুই শাৰীৰ মানুহৰ বাহিৰে ফৈদৰ যিবিলাক বাকী মানুহে হাল বোৱা কাপোৰ বোৱা আদি আন আন কাম কৰিছিল, সিহঁত বৈশ্য জাতৰ ভিতৰত পৰিল। আৰ্য্যবিলাকৰ জাতি-বিভাগৰ ভিতৰত বৈশ্য তৃতীয় শাৰীৰ।

৭। চতুৰ্থটো জাতৰ নাম শূদ্ৰ। এই জাতৰ মানুহৰ লেখ আন

তিনটা জাতিৰ মানুহৰ লেখতকৈ সৰহ। প্ৰথমতে যিবিলাক আৰ্য্যই ভাৰতলৈ আহি অনাৰ্য্য আদিবাসীবোৰৰ ছোৱালী বিয়া-বাৰু কৰাইছিল, সেইবিলাকৰ লগত ছোৱালী নাতি-পুতিবিলাকে, আৰু দ্ৰাবিড়ী কোল ভীল আদি কৈবৰ্ত যিবিলাক ফুটা-মেঠা অনাৰ্য্য মানুহ আৰ্য্যবিলাকেৰে সৈতে মিতিৰ পাতি লগ লাগি একেটা জাতি হৈ পৰিছিল, সেই এটাই-বিলাক লৈ এই শূদ্ৰ জাতিটোৰ সৃষ্টি হল।

৮। যিবোৰ বনৰীয়া অনাৰ্য্য কৈন আগাবিলাকৰ সৈতে নিতিবাদি সেশতি যুদ্ধ কৰি হাৰিল, সেইবোৰ তেওঁবিলাকৰ গোলামৰ শাৰীলৈ গল, আৰু সিহঁতে চণ্ডাল নাম পালে। সিহঁতে আৰ্য্যবিলাকৰ গাৱঁৰ ভিতৰত থাকিবলৈ ঠাই নেপাইছিল, গাৱঁৰ বাহিৰে দূৰৈত পঁজা সাজি আছিল।

৯। এইদৰেই ভাৰতত আৰ্য্যবসতিৰ ভালেমান কালৰ পিছত, অৰ্থাৎ অন্ততঃ তিনি হাজাৰ বছৰৰ আগেয়ে হিন্দুজাতিৰ সৃষ্টি হল। হিন্দুবিলাক নানা কৈন আৰু বংশত বিভক্ত হৈছিল; আৰু বংশইপতি মুখীয়া বৰ্ণ, ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু চণ্ডাল আছিল। তেওঁবিলাকে ডাঙৰ ডাঙৰ নগৰ দৌল দেৱালয়বোৰ সাজিছিল; আৰু নতুন নতুন অনেক দেৱ দেৱীৰ পূজা উপাসনা আদি কৰিছিল। সেই নগৰবোৰৰ ভিতৰত অতি পুৰণি আৰু থাই. নগৰৰ নাম কাশী. বা বাৰাণসী যাক আজিকালি বেনাৰচ বোলে। হিন্দুবোৰৰ ভিতৰত লাহে লাহে নানা জাতৰ প্ৰজন হবলৈ ধৰিলে। যিবোৰ মানুহে কোনো এবিধ কাম কৰিছিল, বা কোনো এটা ব্যৱসায় সদাই কৰি আহিছিল, সিহঁতক লৈ একোটা জাতৰ প্ৰজন হল। এইদৰেই একেটা কামকে কৰা বা একে ৰকমৰ ব্যৱসায়কে কৰি অহা মানুহ-বিলাকেৰে শই শই নতুন জাতৰ সৃষ্টি হবলৈ ধৰিলে; আৰু সেই দৰেই আজিলৈকে চলি আহিব লাগিছে। এটা জাতৰ মানুহে আন

জাতৰ মানুহৰ ভাত বা জলপান কৰিব নোৱাৰিছিল; আৰু ইটো জাতৰ মানুহৰ সৈতে সিটো জাতৰ মানুহৰ খোৱা-লোৱা আৰু বিয়াবাৰু কৰোৱা আদি নিয়ম চলিত নাছিল। ভাৰতবৰ্ষৰ হিন্দুবিলাকৰ ভিতৰত প্ৰকাৰ নিচিনা এনে জাতিভেদ প্ৰথা পৃথিবীৰ আন কোনো দেশত নাই।

১০। এইবোৰৰ কালত হিন্দুবিলাকৰ ধৰ্ম্মই লাহে লাহে গঢ় লবলৈ ধৰিলে। ইন্দ্ৰ অগ্নি আদি পুৰণি আৰ্য্যদেৱতাবিলাকৰ পূজা-অৰ্চ্চা কমি আহিবলৈ, আৰু অনেক স্থলত লোপ পাই আহিবলৈ ধৰিলে। আৰ্য্যবিলাকৰ ধৰ্ম্ম আৰু পূজা উপাসনাৰ প্ৰণালীবোৰ, তেওঁবিলাকেৰে সৈতে মিলি গৈ এক জাতি হোৱা অনাৰ্য্যবিলাকৰ ধৰ্ম্ম, পূজা, অৰ্চ্চা আদিৰে লাহে লাহে সানমিহলি হৈ গৈ, যাই দেৱতা ব্ৰহ্মা, বিষ্ণু, শিৱকে প্ৰমুখ্য কৰি আৰু অনেক দেৱতাৰ পূজাৰে সৈতে হিন্দুধৰ্ম্ম ওলাল। এই দৰেই পুৰণি বৈদিক ভাষা অনাৰ্য্য ভাষাবোৰেৰে সৈতে সানমিহলি হৈ সংস্কৃত ভাষাৰ সৃষ্টি হল, আৰু অনেক হিন্দু ভাষাও যাক প্ৰাকৃত বোলে, আৰু যাৰপৰা আজিকালিৰ অসমীয়া বঙ্গলা হিন্দী আদি ভাষা ওলাইছে, এইদৰে গঢ় লাগিল।

১১। জাতিভেদৰ নিয়ম প্ৰণালীবিলাকৰ গঢ়-পতি লগাই ঠিক কৰিবলৈ কিমান কাল লাগিছিল আমি কব নোৱাৰোঁ; কিন্তু আমি এইটো জানো যে খ্ৰীষ্টাব্দৰ প্ৰায় ৫০০ বছৰৰ আগেয়ে মনুৱে এখন ব্যৱস্থা শাস্ত্ৰ লেখি সেইবোৰৰ গঢ়-পতি লগাই দিলে, আৰু সেই শাস্ত্ৰ খনকে মনুৰ ব্যৱস্থা বোলে। মনুৱে কয় যে হিন্দুবিলাক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ এই চাৰিটা জাতত বিভক্ত; আৰু তেওঁলোকৰ সৰহ ভাগ অৰ্থাৎ শূদ্ৰবোৰ নানা জাতি নানা বৰ্ণৰ পৰা মিহলি হৈ হৈছে।

খ্ৰীঃ পূঃ ১০০০ শতিকাৰ পৰা ৩০০ শতিকালৈকে এই ৭০০ বছৰক আমি হিন্দুযুগ বা ব্ৰাহ্মণ্যযুগ বুলিব পাৰোঁ, কিয়নো, এইবোৰৰ কালত ব্ৰাহ্মণবিলাকৰ বৰ প্ৰাদুৰ্ভাৱ আছিল।

পূৰ্ব্বণি কালৰ হিন্দুৰাজ্যবিলাক।

খ্রীঃ পূঃ ১০০০—৩০০

১। পূৰ্ব্বণি কালৰ আৰ্য্য ৰজাবিলাক তেওঁলোকৰ সৈন্যবোৰেৰে সৈতে, উত্তৰ ভাৰতবৰ্ষৰ বাই নৈবিলাকৰ গতি অনুসৰি আওৱাই আহি আহি লাহে লাহে সেইবিলাকৰ সকলো উপত্যকাবিলাক জুৰি পৰিল। বৈদিক যুগত আৰি, তেওঁবিলাকে সিন্ধু নৈৰ উপত্যকাবোৰত বসতি কৰা পাইছিলেঁ; তাৰ পিছৰ যুগত তেওঁবিলাকে গঙ্গা আৰু যমুনাৰ পাৰত পাঁচখন ডাঙৰ নগৰ পাতি ৰাজ্য স্থাপন কৰিছিল; আৰু তাৰ-পিছত তেওঁলোকে, উত্তৰে হিমালয় আৰু দক্ষিণে বিন্ধ্য পৰ্ব্বতৰ গৰা বৈ আহি গঙ্গাত পৰা নৈবোৰৰ গতি অনুসৰি নিজ নিজ বসতি বঢ়াই আনি আনি শেহত মহানদী গোদাবৰী আদি নৈ পোৱাৰ পিছত, দক্ষিণ ভাৰতৰ নৈবিলাকৰ পাৰ পৰ্য্যন্ত বিয়পি পৰিছিল।

২। পূৰ্ব্বণি হিন্দুযুগত ডাঙৰ ডাঙৰ বহুৎ হিন্দু ৰাজ্য আছিল। দুজন এজন শূদ্ৰ ৰজাৰ বাহিৰে প্ৰায় সেই এটাইবোৰতে ক্ষত্ৰিয় ৰজাই ৰাজত্ব কৰিছিল। শ শ বছৰবো বেছি হিন্দু ৰজাৰ একোটা একোটা বংশই ছেদভেদ নোহোৱাকৈ ৰাজত্ব কৰি আছিছিল। সেই ৰজাবোৰৰ ইটো-সিটোৰ ভিতৰত যুদ্ধ হৈছিল, আৰু নিৰ্ব্বলীক বলীয়ে হকৰাই কৰতলীয়া কৰিছিল। তেওঁবিলাকৰ ৰাজসভা, সভাসদ, ডাঙৰীয়াৰ শ্ৰেণী, সৈন্য, কবি আৰু পুৰোহিত আছিল। কালক্ৰমত যদিও তেওঁ-বিলাকৰ অনেকৰ নামপৰ্য্যন্ত পাহৰণিত পৰি হেৰাল, তথাপি কিছুমানৰ নাম; আদি জানিবলৈ পাইছোঁ।

৩। সেই যুগৰ, গঙ্গাৰ দুই পাৰে থকা দুখন পৰাক্ৰমী বিখ্যাত ৰাজ্যৰ এখনৰ নাম মগধ বা দক্ষিণ বেহাৰ, আৰু আনখনৰ নাম বিদেহ বা উত্তৰ বেহাৰ। কেইবা শতিকালৈকে, এক বংশৰ পিছত এক বংশই

কেইবাটাও বংশৰ ৰজাই এই ৰাজ্য সুখমতে ৰাজত্ব কৰিছিল; আৰু মগধ ৰজাই লাহে লাহে গঙ্গাৰ উপত্যকাৰ সৰহখিনি ৰাজ্য জয় কৰি নিজৰ কৰতলীয়া কৰিছিল।

৪। আজিকালি যিখন দেশক বঙ্গদেশ বোলে, সেইখনৰ পূব-ভাগক সেই যুগত বঙ্গ আৰু পশ্চিম ভাগক অঙ্গ বুলিছিল; আৰু উৰিষ্যা কলিঙ্গ ৰাজ্যৰ ভিতৰত পৰিছিল। চম্বল নৈৰ পাৰৰ পৰ্ব্বতীয়া ধুনীয়া মালৱ দেশখনৰ নাম সেই কালত অৱন্তি আছিল; আৰু সৌৰাষ্ট্ৰ ৰাজ্য, যাক আজিকালি গুজৰাট বোলে, অৱন্তিৰ দক্ষিণফালে আছিল। দক্ষিণ ভাৰতত গোদাৱৰী নৈৰ উপত্যকাত অন্ধ্ৰ নামেৰে এখন ৰাজ্য আছিল।

৫। এই যুগত উত্তৰ ভাৰতৰ ধৰ্ম্ম আৰু ভালেমান বিধি ব্যৱস্থা আচাৰ-ব্যৱহাৰ আদি মধ্য ভাৰত আৰু দক্ষিণ ভাৰতত প্ৰচলিত হৈ পৰিছিল। এই কালত ব্ৰাহ্মণসকলে মধ্য আৰু দক্ষিণ ভাৰতৰ সকলো-বোৰ ঠাইলৈ গৈ তেওঁবিলাকৰ ব্যৱস্থা ভাষা আৰু ধৰ্ম্ম প্ৰচাৰ কৰিছিল; আৰু দক্ষিণ ভাৰতৰ দ্ৰাবিড়ী জাতিবিলাকে ব্ৰাহ্মণবিলাকৰ ভালেমান দেৱতাক নিজৰ দেৱতা কৰি লৈছিল; আৰু সিহঁতৰ ভাষাতো ব্ৰাহ্মণবিলাকৰ সংস্কৃত শব্দ দমাই সোমাইছিল। উত্তৰ ভাৰতৰ আৰ্য্যবিলাকে দক্ষিণভাৰতবাসীবিলাকক যুদ্ধত হৰুৱাই বা গাৰ বলেৰে যে সিহঁতৰ নায়ক হৈছিল এনে নহয়; তাৰ মাই কাৰণ এই হে যে, উত্তৰ ভাৰতবৰ্ষৰ আৰ্য্যবিলাক সিহঁতটকৈ বিদ্যা আৰু বুদ্ধিত শ্ৰেষ্ঠ আছিল। এই কালত দ্ৰাবিড়ীবিলাকেও ডাঙৰ ডাঙৰ নগৰ আৰু দেৱল দেৱালয় সাজিছিল। সিহঁতৰো ডাঙৰ ৰাজ্য আছিল; সিহঁতেও নিজৰ ভিতৰতে অনেক উন্নতি কৰিছিল। কিন্তু আৰ্য্যাবৰ্ত্তৰ ব্ৰাহ্মণবিলাক সিহঁতটকৈ বিদ্যা বুদ্ধিত শ্ৰেষ্ঠ হোৱা গতিকে, তেওঁলোকে নিজৰ ধৰ্ম্ম সিহঁতৰ ভিতৰত ভালকৈ সুমাব পাৰিছিল, আৰু

নিৰ্ধাৰিত ভাষাতও খুব তাঁৰ দি তাৰ ভালেমান সমৃদ্ধ কৰিব পাৰিছিল। তথাপি দ্ৰাবিড়ীবিলাকে নিজৰ পুৰণি দেৱতা আৰু পুৰণি ধৰ্ম-বিশ্বাস যে একেবেলিয়েই এৰি দিছিল এনে নহয়। যেনেকৈ উত্তৰ ভাৰতৰ হিন্দুধৰ্ম, পুৰণি আৰ্য্য, দ্ৰাবিড়ী আৰু কোলবিলাকৰ ধৰ্ম-বিশ্বাসেৰে সানমিহলি হৈ পৰিছিল, তেনেকৈ দক্ষিণ ভাৰতৰ হিন্দুধৰ্মও উত্তৰৰ আৰ্য্যবিলাকৰ আৰু দক্ষিণৰ দ্ৰাবিড়ীবিলাকৰ শিল, গছ, সাপ, আৰু ভূত প্ৰেতৰ ওপৰত বিশ্বাসেৰে সানমিহলি হৈ পৰিছিল।

৮। দক্ষিণ ভাৰতত যেনে হৈছিল মধ্য ভাৰততো তেনেকুৱাই হৈছিল। উত্তৰৰ ব্ৰাহ্মণ আৰু হিন্দু মুনি সাউদবিলাকে লাহে লাহে দক্ষিণ ভাৰতৰ সকলো ঠাইলৈকে অহা যোৱা কৰি নিজৰ ধৰ্ম, দেৱতা, ভাষা, ব্যৱস্থা, ৰীতি নীতিবোৰ তাত প্ৰচাৰ কৰিবলৈ ধৰিলে। এই দৰেই কালক্ৰমত গোটেই ভাৰতবৰ্ষ হিন্দু হৈ পৰিল। প্ৰত্যেক জাতিয়েই যদিও আপোন আপোন ভাষা ৰাখিছিল, তথাপি সেই ভাষাবোৰত ভালেমান সংস্কৃত শব্দ সোমাই তাৰ গঢ়-পিত সলাই পেলাইছিল; আৰু সেইদৰেই সেইবিলাক জাতিয়ে যদিও নিজ নিজ দেৱতাৰ পূজা সেৱাবোৰ ৰাখি আহিছিল, তথাপি তাত উত্তৰ ভাৰতৰ বিত্তৰ হিন্দু দেৱতাৰ পূজা অৰ্চ্চা নোসোমোৱাকৈ নাছিল। পণ্ডিত ব্ৰাহ্মণসকলে যদিও বিদেশতে বাস কৰিছিল, সেই দেশৰ ভাষাতে কথাবাৰ্ত্তা কৈছিল, তথাপি তেওঁবিলাকৰ ধৰ্ম্মশাস্ত্ৰবোৰ সংস্কৃত ভাষাত লেখা হৈছিল, আৰু সংস্কৃত ভাষাত তেওঁ বিলাকে পঢ়িব আৰু লিখিব পাৰিছিল।

৭। অতি পুৰণি কালৰেপৰা দক্ষিণ ভাৰতত চাৰিখন ডাঙৰ ৰাজ্য আছিল। এখনৰ নাম পোণ্ড্ৰ, এখনৰ নাম চোলা, এখনৰ নাম চেৰা আৰু এখনৰ নাম কেৰেলা। পৌণ্ড্ৰ তামিল প্ৰদেশৰ দক্ষিণ কাষৰ ঠাই, আৰু তাৰে প্ৰধান নগৰৰ নাম মাদুৰা বা মদ্ৰা। পৌণ্ড্ৰৰ উত্তৰ কাষৰডোখৰক চোলা বোলে, আৰু তাৰ প্ৰধান নগৰৰ নাম কাঞ্চি

ৰা কল্পিতৰাম। কৰ্ণাট প্ৰদেশত থকা চেৰাৰ নাম আজিকালি মহীশূৰ। পশ্চিমঘাট আৰু সমুদ্ৰৰ মাজত থকা কেৰেলাৰ নাম আজিকালি মালাবাৰ আৰু ত্ৰিবাঙ্কুৰ। এই ৰাজ্যবোৰৰ ভিতৰত প্ৰায় সদায় যুদ্ধ লাগি আছিল, বিশেষকৈ চোলা আৰু পৌণ্ড্ৰৰ মাজত। কোনো কোনো পণ্ডিতে অনুমান কৰে যে উত্তৰ ভাৰতবৰ্ষৰ ক্ষত্ৰিয় ৰাজ কোঁৱৰসকল আহি এই ৰাজ্যবিলাক পাতিছিল। কোনোৱে অনুমান কৰে যে দ্ৰাবিড়ীবিলাকেই অতি পুৰণি কালৰেপৰা এই ৰাজ্যবিলাক পাতি শাসন কৰি আহিছিল। অগস্ত্য নামেৰে এজন ডাঙৰ ঋষি উত্তৰ ভাৰতবৰ্ষৰ আহি এজন পৌণ্ড্ৰ ৰজাৰ ৰাজসভাত থাকি ব্ৰাহ্মণ্য ধৰ্ম্ম শিকাইছিল। পশ্চিমঘাট পৰ্ব্বতৰ এটা ওখ টিঙৰ নাম এই অগস্ত্য মুনিৰ নামেৰে অগস্ত্য-মালয় দিয়া হৈছিল।

পুৰণি হিন্দুযুগত বিজ্ঞান দৰ্শন আদি বিদ্যা।

খৃঃ পূঃ ১০৫০—৩০০।

১। আৰ্য্যবিলাক হিন্দুস্থানৰ সাৰুৱা উপত্যকাবিলাকত ভালকৈ খিতাপি হৈ লওঁত, তেওঁবিলাকৰ ভিতৰত ব্ৰাহ্মণবিলাকে লেখা পঢ়াত সৰহকৈ মন দিবলৈ ভালকৈ আহৰি পালে, আৰু ব্ৰাহ্মণ বুলি এটা সুকীয়া জাতৰ সৃষ্টি হল। ব্ৰাহ্মণবিলাকে যুদ্ধও নকৰিছিল, হালও বোৱাইছিল। তেওঁবিলাকৰ খোৱা পিন্ধা বস্তৰ অভাৱ আন কেইটা জাতৰ মানুহে পূৰাই দিছিল। দেৱতাৰ পূজা অৰ্চ্চা কৰা আৰু তত্ত্ব তোঁৱা আদি শোধাৰ পিছত দিনটোলৈ তেওঁলোকৰ আন কাম একো নাছিল। বেদ কেইখন তেওঁবিলাকে মুখস্থ কৰি ৰাখিছিল, আৰু তাকে কৰোঁতে অৱশ্যে তেওঁলোকৰ ভালেমান সময় খৰচ

হৈছিল। তেওঁবিলাকে কবিতা লেখিবলৈ, বিধি-বিধান আদি কৰিবলৈ আৰু শিল্প আৰু বিজ্ঞান চৰ্চ্চা কৰিবলৈ সময় পাইছিল।

২। এই কালতে হিন্দুবিলাকৰ মহাকাব্য ৰামায়ণ আৰু মহাভাৰত ৰচিত হৈছিল। প্ৰত্যেকখনকে অনেক সৰু সৰু কাব্য গোটখুৱাই কৰা হৈছিল; আৰু সেই কাব্যবোৰ বাল্মীকি আৰু ব্যাসে গোটখুৱাই একেলগ কৰাৰ আগেয়ে ৰাজসভাবিলাকত গোৱা হৈছিল। সেই-বোৰত পুৰণি কলীয়া ৰজাবিলাকৰ যুদ্ধ বিক্ৰমৰ কাহিনীবিলাক, দেৱতাসকলৰ বৃত্তান্তবোৰ সাধু-কথাবোৰেৰে সৈতে সানমিহলিকৈ বৰ্ণোৱা হৈছে।

৩। ব্ৰাহ্মণবিলাকে তেওঁবিলাকৰ পবিত্ৰ সংস্কৃত ভাষা ভালকৈ শিকিছিল, আৰু তাৰ ব্যাকৰণ পুথি কৰিছিল। পানিনিয়ে ৰচনা কৰা ব্যাকৰণখন খুব প্ৰসিদ্ধ; আৰু পৃথিবীত যতবিলাক ভাষাৰ ভাল ব্যাকৰণ আছে, তাৰ ভিতৰত পানিনিৰ ব্যাকৰণখন সকলোবিলাকতকৈ শ্ৰেষ্ঠ বুলিব নুখুজিলেও সি যে প্ৰথম শ্ৰেণীৰ তাত কোনো সন্দেহ নাই।

৪। পুৰণি হিন্দুবিলাকে ৰাতি আকাশলৈ চাই চন্দ্ৰ আৰু তৰাবোৰৰ গতি লক্ষ কৰি বুজি জ্যোতিষ শাস্ত্ৰ ৰচনা কৰিছিল. আৰু চন্দ্ৰৰ গতিৰ বাটত পৰা নক্ষত্ৰৰ ২৮ টা থুপৰ নাম দিছিল। সেই থুপবিলাকক চন্দ্ৰৰ ঘৰ বোলে। পূৰ্ণিমাত চন্দ্ৰৰ বাটত পৰা তৰাৰ ১২টা থুপৰ নামেৰে ১২টা মাহৰ নাম দিছিল।

৫। তেওঁবিলাকে অঙ্ক বিদ্যা চৰ্চ্চা কৰিছিল, আৰু দশমিক নিয়মৰ গণনা উলিয়াইছিল। তেওঁবিলাকে উলিওৱা সেই দশমিক নিয়মৰ গণনা পাশ্চাত্য আন আন জাতিবিলাকৰ ভিতৰতো প্ৰচলিত হৈছিল। দেৱতাৰ আগত থান দিবলৈ কৰা বেদীবোৰৰ গঢ়নপৰা তেওঁবোকে জ্যামিতি শাস্ত্ৰৰ অনেক তত্ব জানিব পাৰিছিল; আৰু চতুৰ্কোণ, ত্ৰিকোণ আৰু বৃত্তৰ বিষয়ে তাসকৈ জানিছিল।

৬। তেওঁবিলাকে জীৱন, এই সংসাৰ, ঈশ্বৰ, মানুহ, স্বৰ্গ, মুক্তি আৰু ভৱিষ্যতৰ বিষয়ে দঢ়কৈ চিন্তা চৰ্চা কৰিছিল। তেওঁবিলাকে এই বিষয়বিলাকৰ ওপৰত কৰা চিন্তা আৰু আলোচনাবোৰ পুথিত লেখিছিল; আৰু সেইহে তেওঁবিলাকে দেখিলে যে সেই চিন্তাবিলাক ছটা সুকীয়া বাটৰ হৈছিল। সেইবিলাকক ষড়দৰ্শন বোলে, আৰু ছজন ঋষি এই ছয় দৰ্শনৰ প্ৰবৰ্ত্তক।

৭। কপিল সাংখ্য দৰ্শনৰ প্ৰবৰ্ত্তক। তেওঁ কয় যে যিবিলাক বস্তু বা কাৰ্য্য তেওঁ বা আন কোনোৱে দেখিছে বা অনুভৱ কৰিছে, বা প্ৰমাণ কৰিছে, সেইবিলাকৰ অস্তিত্বতহে তেওঁ বিশ্বাস কৰে। বেদ বিহিত মত আৰু শিক্ষা, আৰু এক ঈশ্বৰত বিশ্বাস তেওঁ অস্বীকাৰ কৰি কয় যে, আমি দেখিবলৈ পোৱা এই গোটেই জগৎ জড় পদাৰ্থ অৰ্থাৎ প্ৰকৃতিৰপৰা আপোনাআপুনি উৎপন্ন হৈছে, আৰু সেই জড় পদাৰ্থ চিৰকাল আছে, যদিও বৰ্ত্তমান আকাৰে নহয়। তেওঁ কয় যে জড় বস্তু অৰ্থাৎ প্ৰকৃতি আৰু আত্মা এই দুই বস্তু চিৰকাল আছে আৰু চিৰকাল থাকিব। মানুহৰ আত্মাই কিছু কালৰ নিমিত্তে শৰীৰত বাস কৰে; আৰু সেই কালছোৱাকে জীৱন বোলা যায়। জীয়াই থকা কালছোৱাৰত কৰা ভাল বেয়া কামৰ ফল অনুসৰি মানুহৰ আত্মাই ওখ থাপৰ বা তল থাপৰ প্ৰাণীৰ শৰীৰত জনম পায়, আন কি গছ গছনিতো জনম পায়। আত্মাই যেতিয়া পূৰ্ণজ্ঞান লাভ কৰে, তেতিয়া আৰু সি কোনো শৰীৰত সোমোৱাই নদাই সুকীয়া ভাবে থাকে।

৮। সাংখ্যৰ পিছত যোগ শাস্ত্ৰ। খৃঃ পূঃ প্ৰায় ২০০ শতিকাত পাতঞ্জলি ঋষিয়ে এই দৰ্শনশাস্ত্ৰ কৰে। তেওঁৰ মতে এজন আদি কাৰণ বা পৰমাত্মাৰপৰা সকলো বস্তুৰ সৃজন হৈছে; আৰু আত্মাই জড় পদাৰ্থৰপৰা মুক্তি লাভ কৰি ঈশ্বৰৰ সৈতে একে হৈ যাবৰ একেটা মাথোন উপায়:—ধ্যান চিন্তা। বাহিৰৰ পদাৰ্থবিলাকৰপৰা মনক

আঁতৰাই পৰমেশ্বৰত নিযুক্ত কৰাই যে মুক্তিৰ উপায় এই কথা বহলাই এইখন দৰ্শনশাস্ত্ৰত লিখা হৈছে।

৯। গৌতম ন্যায় দৰ্শনৰ প্ৰবৰ্ত্তক। ন্যায় দৰ্শনক তৰ্কশাস্ত্ৰও বোলে। কেনেকৈ তৰ্ক আৰু যুক্তিৰে কোনো এক সিদ্ধান্ত পাবগৈ পাৰি তাক এই দৰ্শনে শিক্ষা দিয়ে। কাৰ্য্যৰপৰা কাৰণ আৰু কাৰণৰ পৰা কাৰ্য্য, এই যুক্তি ধৰি বিচাৰ কৰি নিশ্চয় কৰিবলৈ এই শাস্ত্ৰই শিকায়। গৌতমৰ মতেও সকলো বস্তু ঈশ্বৰৰপৰা ওলাইছে; কিন্তু আত্মা চিৰকালৰ পৰা আছে; আৰু যেতিয়া সি পূৰ্ণজ্ঞান লভিব, তেতিয়া আৰু তাৰ কোনো শৰীৰত সোমাবৰ আৱশ্যক নাথাকি স্বকীয়া আত্মাৰূপে চিৰকাল থাকিব।

১০। কনাদে প্ৰবৰ্ত্তোৱা দৰ্শনৰ নাম বৈশেষিক। কনাদৰ মতে এই জগৎখন পৰমাণুৰ সমষ্টিৰে হৈছে। সেই পৰমাণুবিলাক চিৰকাল আছে, আৰু তাৰ গঢ়ৰ একো লৰচৰ নহয়, যদিও তাৰ দ্বাৰাই ৰচিত এই জগৎখনৰ গঢ় সদাই লৰচৰ হব লাগিছে। আত্মাৰ সম্পৰ্কে তেওঁৰ মত কপিলৰ মতৰ দৰে একে।

১১। ইয়াৰ পিছৰ দুখন দৰ্শনক বেদান্ত বোলে। বেদান্তত বৈদিক ক্ৰিয়াকাণ্ডবিলাকৰ, আৰু ধৰ্ম্ম নীতি আৰু সামাজিক বিধি-বিধান সম্বন্ধীয়া কথাবোৰৰ আলচ কৰা হৈছে। জৈমিনি ঋষিয়ে কৰা প্ৰথম-খন বেদান্তক পূৰ্ব্ব-মীমাংসা বোলে। তেওঁ বেদৰ ব্ৰাহ্মণৰ অনুসৰণ কৰিছে। তেওঁ কয়, মানুহে বেদবিহিত কৰ্ত্তব্য কাৰ্য্যবোৰ পাহৰি গৈছে; সেইবোৰ আকৌ মানুহক শিক্ষা দিয়াই তেওঁৰ উদ্দেশ্য। বেদত লেখা প্ৰাৰ্থনা গান আৰু যজ্ঞ হোম আদি কৰ্ম্মবিলাক কৰাহি মানুহৰ কৰ্ত্তব্য। কিন্তু ঈশ্বৰৰ সম্বন্ধে তেওঁ একো কোৱা নাই।

১২। বাদৰায়ণ ব্যাসে কৰা বেদান্তক উত্তৰ-মীমাংসা বোলে। এই ব্যাস মহাভাৰতৰ কৰ্ত্তা ব্যাস নহয়। এওঁ উপনিষদৰ মত অৱলম্বন

কৰি কয় যে মানুহে ঈশ্বৰৰ উপাসনা কৰা উচিত। ঈশ্বৰৰ পৰাই সকলো বস্তু, জড় পদাৰ্থ আৰু আত্মা ওলাইছে, আৰু ঈশ্বৰতে আকৌ সকলো লয় পাব। ঈশ্বৰ সৰ্ব্বেসৰ্ব্বা। জুইৰ ফিৰিঙতি এটা যেনেকৈ জুইৰে এক অংশ, মানুহৰ আত্মাও সেইদৰেই ঈশ্বৰৰ এক অংশ বা কণিকা। আত্মাই পূৰ্ণজ্ঞান আৰু পবিত্ৰতা লাভ কৰিব নোৱাৰালৈকে এক শৰীৰৰ পৰা আন শৰীৰলৈ গৈ থাকে; আৰু যেতিয়া আত্মাই পূৰ্ণজ্ঞান আৰু পবিত্ৰতা লাভ কৰিব পাৰে, তেতিয়া সি ঈশ্বৰৰ লগতে একেটা হৈ পৰে। বেদান্তৰ এই মতক অদ্বৈতবাদ বোলে। অদ্বৈত মানে দ্বৈত অৰ্থাৎ দুই নহয়, একেটা; অৰ্থাৎ এই অদ্বৈত মতে আত্মা আৰু জড় পদাৰ্থ দুটা সুকীয়া বস্তু নহয়, একেটাৰে অৰ্থাৎ এক ঈশ্বৰৰে দুটা সুকীয়া গুণ মাথোন।

১৫। ব্ৰাহ্মণসকলে আন হিন্দুবিলাকৰ নিমিত্তে সকলো বিষয়তে বিধি-ব্যৱস্থা কৰি দিছিল। যজ্ঞ হোম আদিৰ বিধি, ভোজৰ বিধি, নিতৌ কৰিব লগীয়া ঘৰুৱা কাম আৰু সামাজিক ৰীতি নীতিৰ বিধি, কেনেৰূপে প্ৰত্যেক মানুহে দৈনিক জীৱনৰ কাৰ্য্যবোৰ আচৰণ কৰিব লাগে তাৰ বিধি আৰু অন্যায় কাম কৰা অপৰাধীৰ কি দণ্ড তাৰ বিধি-ব্যৱস্থাবিলাক তেওঁবিলাকে কৰি দিছিল। এই বিধিবিলাক শ্লোকত ৰচনা কৰা হৈছিল, আৰু সেইবোৰক সূত্ৰ বোলা হৈছিল। মানুহে সেই সূত্ৰবোৰ মুখস্থ কৰি ৰাখিছিল। মনুৰ ব্যৱস্থা শাস্ত্ৰ ৰজাবিলাকৰ নিমিত্তে কৰা হৈছিল। ৰজাই কেনেকৈ ৰাজ্যশাসন কৰিব লাগে, আৰু দোষীক কেনেকৈ দণ্ড দিব লাগে সেইবোৰ ব্যৱস্থা তাত লেখা আছে। সেই যুগত প্ৰথমতে সেইবোৰ সূত্ৰৰ আকাৰে লিখা হৈছিল, কিন্তু তাৰ পিছৰ যুগতহে সেইবোৰ পদ্য বা শ্লোকলৈ অনা হল।

বুদ্ধ।

খৃঃ পূঃ ৫৫৭—৪৭৭

১। হিন্দু বা ব্ৰাহ্মণ যুগৰ শেহকালছোৱাত, প্ৰায় ২৫০০ বছৰৰ আগেয়ে, শুদ্ধোদন নামে এজন ক্ষত্ৰিয় ৰজা; পৰাক্ৰমী কোশল ৰজাৰ অলপ পূৰ কালে, শাক্য নামৰ এটা সৰু ফৈদৰ ৰজা আছিল। বাৰাণসীৰ প্ৰায় ১০০ মাইল উত্তৰত ৰোহিণী নৈৰ পাৰত, শুদ্ধোদনৰ কপিলবাস্তু নামে এখন ৰাজধানী আছিল। শুদ্ধোদন সাহিয়াল আৰু যুদ্ধাৰু ৰজা আছিল, আৰু তেওঁৰ মনত বৰ হেঁপাহ আছিল যে তেওঁৰ একেটি কোঁৱৰ গৌতমো যেন তেওঁৰে নিচিনা সাহিয়াল আৰু যুদ্ধবিদ্যাত পাৰ্গত হয়। সেইদেখি তেওঁ বৰ যতনেৰে গৌতমক ধনু-শৰ মাৰি আৰু তৰোৱালেৰে যুঁজ কৰিবলৈ শিকাইছিল। গৌতমৰ বয়স যেতিয়া ওঠৰ বছৰ হল, বাপেকে তেওঁক যশোধৰা নামে এজনী সুন্দৰী ৰাজকন্যা বিয়া কৰাই দিলে; আৰু তাৰ দহ বছৰৰ পিছত গৌতমৰ এটি লৰা উপজিল।

বুদ্ধ।

২। গৌতম লৰা কালৰেপৰা বৰ চিন্তাশীল আছিল। তেওঁৰ কথা-বাৰ্ত্তা মৃদু, হিয়া কোমল, আৰু মন সকলোলৈকে কৰুণাৰে ভৰপূৰ

আছিল। মৃগয়া কৰোঁতে আন তেওঁ, চৰি থকা হৰিণ আদিৰ, খপত কাঁড় লগোৱা বহু আদেশনি টাঙিয়েই থকাক কৈ, "কিয় মই এই নিৰ্দ্দোষী প্ৰাণীবোৰক বধ কৰোঁ" এই বুলি কৈ, কাঁড়কাল আকৌ তূণত সুমাই থৈ মৃগয়া নকৰি ঘৰলৈ উভতি গৈছিল। ঘোৰ-দৌৰত আন কেও নিজৰ ঘোঁৰাটোৰে আগবাঢ়ি কোনোৱা দেখিলে, দৌৰৰ প্ৰান্তত খন্তেক দৈ বৰং বাজিত হাৰিছিল, তথাপি ঘোঁৰাক দুখ নিদিছিল।

৩। এদিন বসন্ত কালত তেওঁৰ বাপেকে তেওঁক লগত লৈ ঘোঁৰাত উঠি ফুৰিবলৈ গৈছিল। তেওঁ লাহে লাহে বাওঁতে বাওঁতে ফুলে ফলে জকমকীয়া গছ, কলপতীয়া বননিৰ বাহ, শস্যৰ পথাৰ, ৰং মোহা ফুলনি-বাৰী আৰু নানাবিলাক দেখি মনত বৰ ৰং পাইছিল। কিন্তু এনেতে তেওঁ দেখিলে যে এটা হালোৱাই, পিঠিত ঘা লগা বলদ গৰু এটাক এডাল মাৰিৰে ইমানকৈ মাৰিয়াই মাৰিয়াই লৈ গৈছে; যে-গৰুটো যন্ত্ৰণাত থৰ্ থৰ্ কৰে কঁপি মাটিত পৰি যাবলগীয়া হৈছে। ইয়াৰ পিছতে এটা শেনে এটা কপৌ চৰাই ধৰি খোৱা তেওঁৰ চকুত পৰিল। আৰু অলপমান গৈয়েই এটা কপৌয়ে কিছুমান পখি ধৰি খোৱা তেওঁ দেখিলে। এইবিলাক দেখি তেওঁ বৰ বেজাৰ মনেৰে ঘৰলৈ উভতি আহিল।

৪। ইয়াৰ কিছুদিনৰ পিছত গৌতমে সমাজিকত, এটা খোজ কাঢ়িবলৈ আৰু থিয় হবলৈকে শকতি নাইকিয়া অতি বুঢ়া মানুহ দেখিলে; আৰু সেই সমাজিকতে তেওঁক কোনোবাই কোৱা যেন শুনিলে, "গৌতম! তয়ো বুঢ়া হলে এনেকুৱা হবি।" তাৰ পিছতে সমাজিকতে তেওঁ এটা বৰ নৰীয়া মানুহ দেখিলে। মানুহটোৱে যন্ত্ৰণাত কেকাব লাগিছে। আকৌ যেন কোনোবাই তেওঁক সমাজিকতে কলে, "গৌতম! তয়ো এদিন এনেকুৱাকৈ নৰীয়া পৰি নথৈ দুখ পাবি।" ইয়াৰ পিছত তেওঁ এটা মৰা মানুহ ঠৰঙা দি আৰু চেঁচা হৈ মাটিত পৰি

ধৰা দেখিলে। সৰাজিকতে কাষপাৰ সেই মাত আকৌ তেওঁৰ কাণত পৰিল, “গৌতম! তয়ো নিশ্চয় মৰিব লাগিব।”

৫। এই ঘটনাৰ কিছুদিনৰ পিছত, গৌতমৰ বয়স যেতিয়া ৩০ বছৰ, এদিন তেওঁ, ৰাজ্য, বাপেক, ঘৈণীয়েক, পুতেক সকলোকে এৰি নিৰ্জ্জন বনলৈ গুচি গল। ক্ষত্ৰিয় ৰজাৰ দৰে শোভা দীঘল চুলি তেওঁ তেওঁৰ মূৰৰপৰা কাটি পেলালে; ৰাজ সাজ-পাৰ সোলোকাই দলিয়াই পেলাই ভিকহুৰ ফটাকানি পিন্ধিলে। সাত বছৰ তেওঁ হাবিত সন্যাসীৰ দৰে থাকি, কেনেকৈ এই পৃথিবীৰপৰা দুখ শোক পাপ তাপ দূৰ কৰিব পাৰিব, তাৰ এটা বাট উলিয়াবলৈ চিন্তা কৰিছিল। প্ৰথমেই তেওঁ মগধ ৰাজ্যৰ* ৰাজধানী ৰাজগৃহৰ ওচৰৰ এডোখৰ বনলৈ গৈ দুজন ব্ৰাহ্মণ সন্যাসীৰ শিষ্য হৈ বাস কৰিছিল। কিন্তু ব্ৰাহ্মণ দুজনে তেওঁক, কেনেকৈ সুখী হোৱা যায় সেই কথা শিকাব নোৱাৰিলে। তাৰ পিছত পাটনাৰ দক্ষিণে থকা গয়াৰ গহন বনলৈ তেওঁ গুচি গৈ, তাত ছ বছৰ লঘোনে ভোকে থাকি শৰীৰ ক্ষয় কৰিছিল, কিন্তু তথাপি তেওঁ কেনেকৈ নিজে সুখী হব পাৰি, আৰু লোককো সুখৰ বাট দেখুৱাই দিব পাৰি, এই সাঁথৰৰ উত্তৰ উলিয়াব নোৱাৰিলে। আজিকালি যত বুদ্ধগয়া মন্দিৰ আছে সেইডোখৰ ঠাইতে তেওঁ সেই ছ বছৰ আছিল।

৬। তেওঁ এইদৰে গভীৰ চিন্তাত নিমগ্ন হৈ থাকোঁতে এদিন হঠাৎ জ্ঞানৰ পোহৰ তেওঁৰ মনত বিজুলী চমকাদি চমকি উঠিল, আৰু তেওঁৰ মনত খেলালে যে তেওঁ শেহত সুখ শান্তি পালে। লঘোনে ভোকে থাকি, মাইবা নিজৰ শৰীৰত দুখ দি, মানুহে এই জীৱনত আৰু ভবিষ্যত জীৱনত সুখী হব নোৱাৰে। পৱিত্ৰ নিৰ্ম্মল আৰু

* আজি কালিৰ পাটনা জিলাৰ ভিতৰত এই ঠাই পৰিছে।

ধাৰ্মিক জীৱন যাপন কৰিলে, আৰু জীৱহিংসা নকৰি জীৱন থাকি



বুদ্ধগয়াৰ মন্দিৰৰ পট।

যথা প্ৰকাশ কৰিলেহে মানুহ সুখী হব পাৰে।' গৌতমৰ মতত এইটো প্ৰধান সত্য যেন লাগিল, আৰু ইয়াৰ নাম তেওঁ "মধ্য পথ" দিলে।

৭। ইয়াৰ পিছত তেওঁ যনৰ পৰা উৎপত্তি আছিল, আৰু বুদ্ধ অৰ্থাৎ জ্ঞানী নাম ললে। পোন প্ৰথমতে তেওঁ কাশী বা বাৰাণসীলৈ গৈ মুনিহ তিৰুতা সকলোকে ধৰ্ম্মোপদেশ দিবলৈ ধৰিলে। তিনি মাহৰ ভিতৰতে তেওঁৰ তিনি কুৰিজন শিষ্য হল, আৰু তেওঁবিলাকক বুদ্ধই তেওঁৰ ধৰ্ম্মমত প্ৰচাৰ কৰিবলৈ চাৰিও ফালে পঠি দিলে। তাৰ পিছত তেওঁ কাশীৰপৰা ৰাজগৃহলৈ আহি তাত ধৰ্ম্মপ্ৰচাৰ কৰে, আৰু তাৰ ৰজা আৰু প্ৰজাবিলাকে তেওঁৰ এই নতুন ধৰ্ম্মমত গ্ৰহণ কৰে। তাৰ পিছত তেওঁ কপিলবাস্তুলৈ উলটি গল। কপিলবাস্তুৰ ঘৰৰপৰা এদিন তেওঁ ৰাজকোঁৱৰ অৱস্থাত ওলাই আহিছিল, এতিয়া তেওঁ সেই ঘৰলৈ, এটা মূৰ খুৰুৱা, হালধীয়া হলো-কাপোৰ পিন্ধা, হাতত মগনিয়াৰৰ কোৰোকা লোৱা ভিকহুৰ নিচিনাকৈ উলটিল। তেওঁৰ বুঢ়া বাপেক, বৈমীয়েক, পুতেক আৰু গোটেই শাক্য বংশে তেওঁ প্ৰচাৰ কৰা ধৰ্ম্ম গ্ৰহণ কৰি তেওঁৰ শিষ্য হল। ইয়াৰ পিছত ৪৫ বছৰ অৰ্থাৎ তেওঁৰ ৮০ বছৰ বয়সলৈকে তেওঁ তেওঁৰ নতুন বৌদ্ধ ধৰ্ম্ম দেশে বিদেশে প্ৰচাৰ কৰি ফুৰিছিল। তেওঁ মগধ আৰু কোশল ৰাজ্যৰ (যাৰ বৰ্ত্তমান নাম বিহাৰ, অযোধ্যা আৰু আগ্ৰা) গোটেইখনলৈকে গৈছিল।

বৌদ্ধ ধৰ্ম্ম।

১। বুদ্ধৰ ধৰ্ম্মোপদেশবিলাক এনে জ্ঞান আৰু তেওঁৰ জীৱন এনে নিৰ্ম্মল যে জাকেজাকে মানুহে তেওঁৰ ধৰ্ম্ম গ্ৰহণ কৰিলে। ধনী, দুখীয়া, ডাঙৰ, সৰু আৰু সকলো জাতৰ সকলো ধৰ্ম্মৰ ৰজা আৰু মাইকী মানুহে বুদ্ধত বিশ্বাস স্থাপন কৰি বৌদ্ধ ধৰ্ম্ম ললে। সাধাৰণ মানুহে ৰং মনেৰে তেওঁৰ

উপদেশ ভনিছিল, কাৰণ তেওঁ কৈছিল যে তেওঁ প্ৰচাৰ কৰা ধৰ্মত জাতৰ সৰু সকলো মানুহৰ সমান অধিকাৰ আৰু সমান স্বাধীনতা, এটা মানুহৰ সৈতে আন এটা সমানে ভাল, যদি তাৰ জীৱন পবিত্ৰ আৰু নিৰ্মল হয়, সি সচা কথা কয় আৰু পাপ কাৰ্য্য নকৰে।

২। বুদ্ধৰ মতে, মানুহৰ এই জীৱনৰ আৰু ভৱিষ্যত জীৱনৰ অৱস্থা নিজে কৰা কৰ্ম্মফলৰ ওপৰত নিৰ্ভৰ কৰে। মানুহে পাপ কৰিলে দুখ পায়, আৰু পুণ্য কৰিলে সুখ শান্তি পায়। দেৱতাৰ আগত দিয়া বলিয়ে মানুহৰ পাপ বিনাশ কৰিব নোৱাৰে; আৰু দেৱতাৰ স্তৱত কৰা পুৰোহিতৰ প্ৰাৰ্থনাইও কাকো ভাল কৰিব নোৱাৰে। মানুহে আৰ্জনৰ ফল ভুগে। মানুহ মৰিলে তাৰ আত্মাই মানুহ পশু পক্ষী আদিৰ শৰীৰত সোমাই আকৌ জনম লয়; আৰু এইদৰে তাৰ অনেক বাৰ জন্ম পুনৰ্জন্ম হৈ থাকে। সেইহে যেতিয়া মানুহে সৎ কাম কৰি কৰি পাপ ক্ষয় কৰে গৈ, আৰু তাৰ পুণ্যৰ ভাগ সৰহ হয় গৈ, জীৱনৰ দুখ সুখ পাপ তাপে তাক নধৰে, তেতিয়া তাৰ আত্মাই নিৰ্ব্বাণ লাভ কৰি চিৰকাললৈ পূৰ্ণ শান্তি পায়।

৩। বুদ্ধৰ যিবিলাক শিষ্যই সংসাৰৰপৰা আঁতৰি থাকি পবিত্ৰ আৰু শান্তিৰ জীৱন কটাব খোজে, তেওঁবিলাকৰ নিমিত্তে বুদ্ধই এটা উদাসীন সম্প্ৰদায় গঠন কৰি দিলে; তাৰ পুৰুষবিলাকক ভিক্ষু আৰু তিৰোতাবিলাকক ভিক্ষুণী বোলে। তেওঁবিলাকে মূৰ খুৰায়, হালধীয়া দীঘল চোলা পিন্ধে, ভিক্ষা কৰি খায়, বিহাৰত থাকি স্থিৰ ভাৱে চিন্তা আৰু পঢ়া-শুনা কৰি কাল কটায়। এই ভিক্ষুবিলাক বাস কৰা ঘৰ বা পৰ্ব্বতৰ খোৰোংবোৰক বিহাৰ বোলে। মগধ প্ৰদেশত ইমানবিলাক বৌদ্ধবিহাৰ আছিল যে, মগধৰ নামেই বিহাৰ হৈ পৰিছিল; আৰু আজিকালিও তাৰ বেহাৰ নামেই তাৰ সাক্ষী দিয়ে।

৪। বুদ্ধই তেওঁৰ শিষ্যবিলাকক কৈছিল যে তেওঁবিলাক সকল

নিজে সত্য পথত থাকিলেই যে তেওঁবিলাকৰ কৰ্তব্য কৰা হল এনে নহয়, তেওঁলোকে আনকো চেষ্টা কৰি সেই সত্যপথলৈ আনিব লাগে। শিষ্যবিলাকে বুদ্ধৰ আদেশ পালন কৰিছিল, আৰু তেওঁ জীয়াই থকা কালতে তেওঁলোকে হাজাৰ হাজাৰ হিন্দুক বৌদ্ধ কৰিছিল। মগধৰ ৰজা বিম্বসাৰে বৌদ্ধ ধৰ্ম লৈ বুদ্ধৰ শিষ্য হৈছিল। কালক্ৰমত কোটি কোটি মানুহে বৌদ্ধধৰ্ম গ্ৰহণ কৰিলে, আৰু প্ৰায় এহেজাৰ বছৰ জুৰি বৌদ্ধধৰ্ম ভাৰতবৰ্ষৰ ঘাই ধৰ্ম হৈ পৰিছিল।

বৌদ্ধ ভিক্ষুবোৰৰ অজন্তাৰ গুহা।

৫। খৃঃ পূঃ ৪৭৭ বছৰত বুদ্ধৰ মৃত্যু হয়। বুদ্ধৰ মৃত্যুৰ পিছত তেওঁৰ বাক্য আৰু উপদেশবিলাক সংগ্ৰহ কৰিবৰ নিমিত্তে তেওঁৰ ৫০০ শিষ্য পাটনাৰ এটা ডাঙৰ গুহাত গোটখাইছিল। তেওঁবিলাকে তেওঁলোকৰ গুৰুৰ বাক্যবিলাক ভালকৈ মনত ৰাখিবৰ নিমিত্তে তাত সেইবিলাক একেলগে গাইছিল। সেই বাক্যবোৰ তিনি ভাগ কৰি একো ভাগৰ

নাম তেওঁলোকে পিটক অৰ্থাৎ পাচি দিছিল। বুদ্ধই শিষ্যবিলাকক কোৱা বাক্যবোৰ প্ৰথম পিটকত দিয়া হল। দ্বিতীয় পিটকত শিষ্য-বিলাকে নিজৰ জীৱনত আচৰণ কৰি চলিবৰ নিমিত্তে বুদ্ধই দিয়া নিয়ম-বিলাক পৰিল। আৰু তৃতীয় পিটকত বুদ্ধৰ মত আৰু ধৰ্ম্মোপদেশবোৰ দিয়া হল। এইখনেই প্ৰথম বৌদ্ধ মহামেল। ইয়াৰ এশ বছৰৰ পিছত ৭০০ বৌদ্ধ ভিক্ষু বা সন্ন্যাসী গোটখাই, তেওঁবিলাকৰ ভিতৰত হোৱা মতৰ অনৈক্যবোৰৰ মীমাংসা কৰিবলৈ দ্বিতীয়খন মহামেল কৰে। খৃঃ পূঃ ৩৭৭ বছৰত এইখন ভাতৰ মেল হৈছিল। খৃঃ পূঃ ২৪২ বছৰত, অৰ্থাৎ দ্বিতীয়খন মহামেলৰপৰা ১৩৫ বছৰৰ পিছত মগধৰ মহাৰাজা অশোকে তৃতীয়খন বৌদ্ধ মহামেল কৰে। ইয়াৰ ৩০০ বছৰৰ পিছত, ভাৰতৰ উত্তৰ পশ্চিম প্ৰদেশৰ কণিষ্ক নামে এজন শাইথিয় বংশৰ ৰজাই চতুৰ্থখন মহামেল কৰে। এইখনেই শেষ মহামেল।

৬। খৃঃ পূঃ ৪০০ বছৰৰ পৰা ৭০০ খৃষ্টাব্দলৈকে এই এহেজাৰ বছৰকে আমি বৌদ্ধযুগ বুলিব পাৰোঁ; কাৰণ এইছোৱাৰ কালত বৌদ্ধ ধৰ্ম্ম ভাৰতবৰ্ষৰ ভিতৰত প্ৰধান ধৰ্ম্ম হৈ উঠিছিল।

৭। এই যুগৰ আগছোৱাৰত গ্ৰীক আৰু শাইথিয়বিলাক ভাৰতলৈ আহিছিল। সেই যুগৰ হিন্দু ৰজা, হিন্দুৰাজ্য আৰু পণ্ডিতবিলাকৰ আৰু তেওঁবিলাকৰ দিয়া গ্ৰন্থ আদিৰ বিষয়ে আমাক কোৱাৰ আগেয়ে, গ্ৰীক আৰু শাইথিয়বিলাক আহি কি কৰিলে, এই কথাৰ আমি আলচ কৰিম।

জৈনবিলাক।

১। বুদ্ধ জীয়াই থাকোঁতেই, আৰু তেওঁ বৌদ্ধধৰ্ম্ম প্ৰচাৰ কৰা কালতেই বৰ্দ্ধমান নামে আৰু এজন ক্ষত্ৰিয় ৰজাই মহাবীৰ নাম লৈ

আৰু এটা নতুন ধৰ্ম প্ৰচাৰ কৰিছিল। এই ধৰ্ম অনেক বিষয়ত বৌদ্ধ ধৰ্মৰ নিচিনা। এই ধৰ্ম স্থাপন কৰোঁতাজনক জিন অৰ্থাৎ পবিত্ৰ মানুহ বুলিছিল, আৰু তেওঁৰ ধৰ্মক জৈন ধৰ্ম আৰু শিষ্যবিলাকক জৈন বুলিছিল। তেওঁ উত্তৰ ভাৰতত ধৰ্ম প্ৰচাৰ কৰিছিল। জৈনবিলাকে কিন্তু কয় যে জৈন ধৰ্ম বৌদ্ধ ধৰ্মতকৈও পুৰণি; আৰু কোনো কোনো

কাৰ্কলৰ জৈন মূৰ্ত্তি।

পণ্ডিতেও এই মত সমৰ্থন কৰে। গুজৰাটৰ পালিটানা নামে ঠাইত ইমানবিলাক জৈন মন্দিৰ আছে যে, মানুহে তাক মন্দিৰৰ নগৰ বোলে।

তাৰ কোনো কোনো মন্দিৰ ১০০০ বছৰৰ আগেয়ে সজা হৈছিল। আবু পৰ্ব্বতৰ ওপৰত বগা শিলেৰে সজা দুটা বৰ ধুনীয়া জৈন মন্দিৰ আছে। সেই শিলবোৰ ৩০০ মাইল দূৰৰ এডোখৰ ঠাইৰ পৰা নিশ্চয় অনা হৈছিল। জিনৰ মৃত্যুৰ ২০০ বছৰৰ পিছত, বিখ্যাত চন্দ্ৰগুপ্ত ৰজাৰ ৰাজত্ব কালত মগধ ৰাজ্যত এটা বৰ আকাল হৈছিল।

সেই সময়ত ভালেমান জৈনই হিন্দুস্থান এৰি দক্ষিণ ভাৰতৰ কৰ্ণাট প্ৰদেশলৈ (যাক আজি কালি মহীশূৰ আৰু কানাড়া বোলে) গুচি গল। এতিয়া সেই জৈনবিলাকৰ নাতি-পুতি তাতে আছে। এই কালত জৈনবিলাক দুভাগ হয়; এভাগক শ্বেতাম্বৰ অৰ্থাৎ বগা কাপোৰ পিন্ধা, আন ভাগক দিগম্বৰ অৰ্থাৎ কোনো কাপোৰকে নিপিন্ধা বোলে। ভাৰতবৰ্ষৰ নানা ঠাইত এতিয়াও ১৫ লাখ জৈন আছে। বৌদ্ধবিলাকৰ নিচিনাকৈ জৈনবিলাকৰ ভিতৰতো উদাসীন সন্ন্যাসী সম্প্ৰদায় আছে; ইহঁতেও জীৱহত্যা নকৰে, আন কি সৰু পোক পৰুৱা এটাও নেমাৰে। ইহঁতেও কৰ্ম্মফল আৰু নিৰ্ব্বাণ মানে; আৰু ভাবে, মৰাৰ পিছত মানুহৰ আত্মা আন জীৱ হৈ জন্ম লয়, আৰু এইদৰে তাৰ অনেকবাৰ পুনৰ্জন্ম হৈ থাকে। জৈনবিলাকে সিহঁতৰ মন্দিৰবোৰ, নগৰৰ পৰা আৰু মানুহৰ বসতিৰ পৰা আঁতৰত ডাঠ হাবিৰ ভিতৰত আৰু গছ গছনিৰে ভৰা পৰ্ব্বতৰ ওপৰত সাজে। মন্দিৰবোৰৰ ওচৰত সিহঁতে ডাঙৰ সাধু মহাত্মা জৈনবিলাকৰ শিলৰ ওখ মূৰ্ত্তিবিলাক থয়। দক্ষিণ ভাৰতৰ কানাড়াৰ কাৰ্কলত এটা এনেকুৱা মূৰ্ত্তি আছে, তাৰ নাম গুমত অৰ্থাৎ গৌতম বুদ্ধ। এই মূৰ্ত্তিটো ৪২ ফিট ওখ আৰু একেটা শিলৰ পৰা কাটি উলিওৱা।

ভাৰতত গ্ৰীক।

১। যিবিলাক আৰ্য্য পাৰস্যলৈ গৈছিল, তেওঁবিলাকে তাত এখন ডাঙৰ ৰাজ্য স্থাপন কৰিছিল। খৃষ্টাব্দৰ পাঁচ শ বছৰৰ আগেয়ে, প্ৰায় বুদ্ধৰ সময়তে ডেৰায়চ নামে এজন পাৰস্যৰ ৰজাই, সিন্ধু নৈৰপৰা ভূমধ্যসাগৰলৈকে পশ্চিম এচিয়াৰ গোটেইডোখৰৰ ওপৰত ৰাজত্ব কৰিছিল। আজিকালিৰ এচিয়া মাইনৰ, পাৰস্য, আফগানিস্থান, তুৰ্কিস্থান বোলা দেশবিলাক, আৰু সিন্ধু নৈৰ পশ্চিমফালৰ পঞ্জাবৰ সেই ডোখৰ তেওঁৰ ৰাজ্যৰ ভিতৰত পৰিছিল।

২। সেই কালত য়ুৰোপৰ ভিতৰত গ্ৰীকবিলাক সকলোতকৈ বিদ্যাৱন্ত, সাহিয়াল, আৰু সকলোপিনে শ্ৰেষ্ঠ আছিল। আলেক্‌জেণ্ডাৰ নামে এজন গ্ৰীক ৰজাই পাৰস্য আক্ৰমণ কৰিবৰ মনেৰে প্ৰায় ৩৫০০০ সাহিয়াল গ্ৰীক সৈন্য লৈ পাৰস্য ৰাজ্যৰ কালে আহিল।

৩। আলেক্‌জেণ্ডাৰ কুৰি বছৰ বয়সতে ৰজা হয়। তেওঁ পাৰস্য আক্ৰমণ কৰিবলৈ অহা সময়ত তেওঁৰ বয়স ৩০ বছৰ। তেওঁ বৰ সাহিয়াল আৰু ওপৰ থাপৰ ৰণুৱা আছিল। য়ুৰপত তেওঁক "আলেক্‌জেণ্ডাৰ দি গ্ৰেট্" অৰ্থাৎ "ডাঙৰ আলেক্‌জেণ্ডাৰ" বুলি উল্লেখ কৰিছে। পাৰস্যৰ ৰজা ডেৰায়চক প্ৰত্যেক যুদ্ধতে তেওঁ হৰুৱাই, এচিয়ামাইনৰ আৰু পাৰস্য দেশ গোটেইখন জয় কৰিছিল। তেওঁ তুৰ্কিস্থান আৰু আফগানিস্থান জয় কৰি অঁতাই, পুৰণি আৰ্য্যবিলাক ভাৰতলৈ অহা বাট খাইবৰ গিৰিসঙ্কটেদি আহি ভাৰতবৰ্ষ পালেহি।

৪। পুৰু নামে পঞ্জাবৰ এজন ক্ষত্ৰিয় ৰজাই আলেক্‌জেণ্ডাৰক ভাৰতৰপৰা খেদাই দিবলৈ বৰ পুৰুষাৰ্থ কৰিছিল। ঝীলম নৈৰ পাৰত, আলেক্‌জেণ্ডাৰৰ সৈতে পুৰুৰ এখন তুমুল ৰণ হয়। সেই ৰণত পুৰু ৰজা তেওঁৰ ক্ষত্ৰিয় সৈন্য-সামন্তৰে সৈতে হাৰে। ৰণৰ অন্তত পুৰুক

বন্দী কৰি আলেক্জেণ্ডাৰৰ আগলৈ অনা হলত, গ্ৰীক ৰজা আলেক্-জেণ্ডাৰে পুৰুক সুধিলে, ''আপোনাক কেনেকুৱাকৈ ব্যৱহাৰ কৰিলে আপুনি ভাল পাব?' পুৰুৱে উত্তৰ দিলে "ৰজাৰ দৰে।" উত্তৰ

আলেক্জেণ্ডাৰক পুৰুৱে তেওঁৰ তৰোৱালখন দিছে।

শুনি আলেক্জেণ্ডাৰে সন্তোষ পাই, তেওঁক আগৰ নিচিনাকৈয়ে ৰজা হৈ থাকি আপোনা ৰাজ্য শাসন কৰিবলৈ দিলে।

৫। ইয়াৰ পিছত আলেক্জেণ্ডাৰে গঙ্গাৰ উপত্যকা প্ৰদেশবোৰলৈ গৈ গোটেইখন হিন্দুস্থান জয় কৰিবৰ মন কৰিছিল; কিন্তু তেওঁৰ সৈন্যবিলাক অনেক কাল যুদ্ধ কৰি কৰি ভাগৰি পৰিছিল, গতিকে সিহঁত আৰু তেওঁৰ লগত যাবলৈ অমান্তি হল। সিহঁত নিজৰ দেশ ঘৰ-বাৰী এৰি আহিবৰ কেইবাবছৰো হৈছিল দেখি, ঘৰলৈ উভতি

যাবলৈ ব্যগ্ৰ হৈ পৰিছিল। সেইবাবে আলেক্‌জেণ্ডাৰ উভতি যাবলৈ বাধ্য হল। তেওঁ উভতি যাওঁতে এচিয়া-মাইনৰৰ বেবিলনত তেওঁৰ জ্বৰ হৈ মৃত্যু হল।

চন্দ্ৰগুপ্ত।

খৃঃ পূঃ ৩২১—২৯৭

১। চন্দ্ৰগুপ্ত মগধ ৰজাৰ পুতেক। কিন্তু তেওঁৰ মাক মুৰা নীহকুলীয়া তিৰুতা আছিল দেখি তেওঁ জাতত শূদ্ৰ হৈছিল। সেই সময়ৰ মগধৰ ৰজা মহাপদ্ম নন্দও শূদ্ৰ কুলীয়া আছিল। নন্দই মগধ সিংহাসন বলেৰে অধিকাৰ কৰি ৰাজকোঁৱৰ চন্দ্ৰগুপ্তক বধ কৰিবলৈ চেষ্টা কৰাত চন্দ্ৰগুপ্ত পলাই পঞ্জাবলৈ গুচি গৈছিল।

২। আলেক্‌জেণ্ডাৰৰ মৃত্যুৰ পিছত চন্দ্ৰগুপ্তই দাঁতি-কাষৰীয়া প্ৰদেশৰ কিছুমান যুজাৰু কৈদৰ নায়ক হৈ সিহঁতৰ সহায়ত তাৰ দুৰ্গ ধৰীয়া গ্ৰীক কোঁৱৰবোৰক হকৰাই লাহে লাহে গোটেই পঞ্জাব অধিকাৰ কৰি পেলালে।

লাহে লাহে তেওঁৰ বল বাঢ়ি আহিলত তেওঁ সৈন্য লৈ পূবৰ ফালে যাত্ৰা কৰি আহি মগধ ৰাজ্য আক্ৰমণ কৰিলে, আৰু নন্দৰজাক সপৰিবাৰে বিনাশ কৰি মগধ ৰাজ্যৰ ৰজা হল। তেওঁৰ বংশৰ ৰজাবিলাকে মগধৰাজ্যত ১৩৭ বছৰ ৰাজত্ব কৰে। চন্দ্ৰগুপ্তৰ মাকৰ নাম মুৰা দেখি তেওঁৰ বংশক মৌৰ্য্যবংশ বোলে। ভাৰতবৰ্ষৰ দুজন বৰ প্ৰতাপী ৰজা এই বংশত উদ্ভৱ হৈছিল।

৩। ইয়াৰ পিছত চন্দ্ৰগুপ্তই তেওঁৰ সৈন্যবল বঢ়াই, ৬০০০০০ পদাতিক, ৩০০০০ অশ্বাৰোহী, আৰু ৯০০০ হাতী কৰে। এই প্ৰকাণ্ড সৈন্যৰে লাহে লাহে তেওঁ উত্তৰ-ভাৰতৰ এটাইবোৰ ৰাজ্য অধিকাৰ

কৰিছিল। ইকালে বঙ্গোপসাগৰৰপৰা আৰম্ভ কৰি সিকালে আৰব্য উপসাগৰলৈকে, নৰ্ম্মদা নৈৰ উত্তৰৰ যতবিলাক ৰাজ্য আছিল, এটাই-বিলাক তেওঁৰ সাম্ৰাজ্যৰ ভিতৰুৱা হৈছিল।

৪। চেলুকচ নামেৰে আলেক্‌জেণ্ডাৰৰ সেনাপতি এজন, আলেক্‌জেণ্ডাৰ মৰাৰ পিছত, চিৰিয়া দেশৰ ৰজা হৈছিল। চেলুকচে খৃঃ পূঃ ৩০৫ বছৰত আলেক্‌জেণ্ডাৰৰ নিচিনাকৈ পঞ্জাব অধিকাৰ কৰিবলৈ চেষ্টা কৰিছিল। চন্দ্ৰগুপ্তই নিজৰ পৰাক্ৰমী ফৌজ লৈ আগবাঢ়ি গৈ চেলুকচক ৰণত ঘটুৱাই খেদাই দিলে। তাৰ পিছত চেলুকচ আৰু চন্দ্ৰগুপ্তৰ মাজত সন্ধি স্থাপিত হল। সন্ধিৰ নিয়মবিলাক চন্দ্ৰগুপ্তৰ পক্ষে বৰ সুবিধাৰ হৈছিল। সেই সন্ধিমতে চন্দ্ৰগুপ্তই ৫০০ হাতী চেলুকচক এৰি দি, হিন্দুকুশ পৰ্ব্বতলৈকে জোৰাকৈ গোটেই দেশখন পালে, যাক আজিকালি আফগানিস্থান বোলে। চেলুকচে নিজৰ জীয়েকক চন্দ্ৰগুপ্তৰ লগতে বিয়া দিলে, আৰু গ্ৰীক কটকি মেগেস্থেনিচ চেলুকচৰ প্ৰতিনিধি স্বৰূপে মগধৰাজধানী পালিবোথৰাত অনেক বছৰ বাস কৰে। মেগেস্থেনিচে উত্তৰ ভাৰতবৰ্ষৰ ভূগোল, উৎপন্ন হোৱা বস্তু, মানুহৰ আচাৰ ব্যৱহাৰ, ধৰ্ম্ম, ৰাজ্যৰ নিয়ম প্ৰণালী আদিৰ বহল বিৱৰণ লেখি থৈ গৈছে। চেলুকচৰ লগতে হোৱা সন্ধিৰ ৪ বছৰৰ পিছত, খৃঃ পূঃ ২৯৭ বছৰত চন্দ্ৰগুপ্তৰ মৃত্যু হয়; আৰু তেওঁৰ পুতেক বিন্দুসাৰ ৰজা হয়।

৫। আজিকালি যত পাটনা চহৰ, সেইতোখৰ ঠাইতে, গঙ্গাৰ পাৰত মগধ ৰাজ্যৰ ৰাজধানী পাটলিপুত্ৰ নগৰ আছিল। পাটলিপুত্ৰ দীঘলে ৯ মাইল পুতলে দেৰ মাইল আছিল। কাঠৰ গড় এটাই চাৰিওফালে নগৰখন বেৰি আছিল, আৰু তাৰ চৌষষ্ঠিখন দুৱাৰ আছিল। গড়ৰ কাষে কাষে ৰ গড়খাৱৈ আছিল। ৰজাৰ ঘৰটো দেখিবলৈ বৰ সুন্দৰ আছিল, আৰু এখন ডাঙৰ উপবনৰ মাজত থাক সদা

হৈছিল। বৰ জাকজমকেৰে ৰজাই ৰথ-চৰাত বহিছিল। মুকুতাৰ ঝালৰ লগোৱা সোণৰ দোলাত উঠি ৰজা অঁলৈতলৈ গৈছিল। তেওঁ হাতী, গঁড়, ষাঁড় আৰু মেৰছাগৰ যুজ চাই ৰং পাইছিল। মৃগয়া কৰি-বলৈ চুকীয়াকৈ ৰাখি থোৱা হাবিত ৰজাই মৃগয়া কৰিছিল, আৰু খেদি আনি তেওঁৰ আগত উলিয়াই দিয়া বনৰীয়া বাঘ পহু আদি তেওঁ চিকাৰ কৰিছিল। সদাই অস্ত্ৰ শস্ত্ৰৰে সজ্জিত তিৰুতা পালী প্ৰহৰীয়াই ৰজাৰ ঘৰ ৰখিছিল। মুদ্ৰাৰাক্ষস নামে নাটকত, চন্দ্ৰগুপ্তৰ ৰাজসভাৰ বৰ্ণনাত লেখা আছে যে চন্দ্ৰগুপ্তক বধ কৰিবলৈ সদাই ষড়যন্ত্ৰ হৈ আছিল, আৰু সেইদেখি তেওঁ একেটা খোটালিত কেতিয়াও দুবাৰ নুশুইছিল। তেওঁ সদাই এটা ডাঙৰ ফৌজ ৰাখি থৈছিল, আৰু সেনাবিলাকক উচিত বেতন, খোৱা, কাপোৰ-কানি, থাবলৈ পিধা-পাতি দি সুখে সন্তোষে ৰাখিছিল।

৬। সৈন্য বিভাগৰ কাৰ্য্যবোৰ নিৰ্ব্বাহ কৰিবৰ নিমিত্তে তেওঁৰ যুদ্ধ কাৰ্য্যালয় আছিল। সেই কাৰ্য্যালয়ৰ ছটা বিভাগ আছিল, আৰু তাক পঞ্চায়ৎ বুলিছিল। পাঁচজন সভ্যৰে একোটা পঞ্চায়ৎ গঠিত হৈছিল। প্ৰত্যেক পঞ্চায়তৰ হাতত একোটাকৈ যুদ্ধবিভাগৰ কাৰ্য্য বাটি দিয়া হৈছিল। এটা পঞ্চায়তৰ হাতত পদাতিক, এটাৰ হাতত অশ্বাৰোহী, তৃতীয়টোৰ হাতত যুদ্ধৰ ৰথবিলাক, চতুৰ্থটোৰ হাতত হাতীবিলাক, পঞ্চমটোৰ হাতত সৈন্যবোৰৰ খোৰাক আৰু পিন্ধা কাপোৰ-কানি আদি যোগোৱা আৰু যুদ্ধৰ সময়ত সেইবোৰ যুজৰ ঠাইলৈ পঠিওৱা কামবিলাক, আৰু ষষ্ঠটোৰ হাতত যুদ্ধৰ নাও, আৰু সৈন্য চলা সৰু সৰু জাহাজবিলাক আছিল।

৭। চন্দ্ৰগুপ্তই গ্ৰীকবিলাকক ৰণত হৰুৱাই ‘ভাৰতবৰ্ষৰপৰা যে খেদাই দিছিল, আৰু গোটেই উত্তৰ ভাৰতবৰ্ষ তেওঁ যে জয় কৰি’ নিজৰ তলতীয়া কৰিছিল, এই কথা, যুদ্ধবিভাগৰ এনে’ সুন্দৰ বন্দবস্ত’ কথা পঢ়িলে, আমাৰ মনত আৰু আচৰিত বোধ নেলাগে। ৫০ বছৰ ‘[illegible]

চন্দ্ৰগুপ্তৰ মৃত্যু হয়। কিন্তু এই কালৰ ভিতৰতে তেওঁ এনে কটকটীয়া ধাৰেৰে ৰাজ্যশাসন আৰু ৰাজকাৰ্য্যৰ বন্দোবস্তবিলাক কৰিছিল যে, তেওঁৰ পিছত তেওঁৰ পুতেক আৰু নাতিয়েকে সুকলমে সেই ৰাজপাটত বহিবলৈ পাইছিল।

৮। যুদ্ধবিভাগৰ নিচিনাকৈ নগৰ শাসন বিভাগতো তেওঁ যতন কৰি ভাল বন্দোবস্ত কৰিছিল। প্ৰধান নগৰ পাটলিপুত্ৰখন ৩০ জন সভ্যৰে গঠিত নগৰশাসক সভা এখনৰ তলতীয়া কৰি দিয়া হৈছিল। আকৌ সেই সভাখন পাঁচ পাঁচজন সভ্যৰে ছটা উপশাখাত বিভক্ত কৰি প্ৰত্যেক-টোৰ নাম পঞ্চায়ৎ দিয়া হৈছিল। এই পঞ্চায়ৎবিলাকে নগৰৰ সকলো কাৰ্য্য আৰু আলি-পদূলি আদি সজা বতা চৰ্কাৰী কামবিলাক নিৰ্ব্বাহ কৰিছিল। প্ৰথমখন পঞ্চায়তে কৃষি আৰু শিল্প বিষয়ে তদাৰক কৰিছিল; দ্বিতীয়খনে, বিদেশৰপৰা ফুৰিব-চাকিবলৈ অহা আলহীৰ থোৱা থকা-মেলাৰ দিহাপোহা কৰি দিছিল। আলহীক থাকিবলৈ ঘৰ আৰু খাবলৈ সিধা দিয়া হৈছিল; আৰু তেওঁ ফুৰিবলৈ গলে লগত ৰখীয়া দিয়া হৈছিল; নৰীয়া পৰিলে দৰৱ-জাতি খুৱাই পতি কৰোৱা হৈছিল; আৰু মৰিলে মৃতকৰ সংস্কাৰ আৰু ত্যক্ত সম্পত্তিৰ সুব্যৱস্থা আৰু উপ-যুক্ত পাত্ৰত সমৰ্পণ আদি কাৰ্য্য কৰা হৈছিল। তৃতীয়খনে, নগৰত দিনৌ মানুহ ওপজা আৰু মৰাৰ লেখ ৰাখিছিল, আৰু মানুহৰ ওপৰত কৰ লগাইছিল। চতুৰ্থখনে বেহা-বেপাৰৰ বিষয়ে আৰু বেচা কিনা কৰোঁতে বয় জুখি দিয়া পালাপাল্কা তুলাচনিৰ দগাৰ জোখ আদিৰ তদাৰক কৰিছিল; আৰু মুৰৈ সাউদক বেপাৰ কৰিবলৈ অনুমতি দি সিঁহঁতৰ ওপৰত কৰ লগাইছিল। পঞ্চমখনে, হাতেৰে বা যন্ত্ৰে সজা বস্তুবিলাকৰ ওপৰত কৰকটল লগোৱা আদি কাৰ্য্য কৰিছিল, আৰু আৰোৱাৰী পোহালীয়ে যাতে কিনোতাক ন বস্তু বুলি পুৰণি বস্তু বেচিব নোৱাৰে তাৰ ওপৰত চকু ৰাখিছিল। ষষ্ঠখনে, বস্তু কিনা বেচাৰ নিয়ম

শিপালীবিলাক কৰি দিছিল, আৰু বিক্ৰী হৈ যোৱা বস্তুৰ ওপৰত তাৰ মেৰৰ দহ ভাগৰ এভাগ ৰাজহ বহুৱাইছিল।

৯। মেগেস্থেনিচে লেখি থৈ গৈছে যে সেই কালৰ হিন্দু মানুহবিলাক সত্যবাদী আৰু সাহিয়াল আছিল, আৰু তিৰোতাবিলাক ভাল আৰু নির্মল চৰিত্ৰৰ আছিল। বন্দী-বেটীৰ প্ৰথা নাছিল। ইটোৱে সিটোক বিশ্বাস কৰিছিল। মানুহে দুৱাৰত বাহলি-সঁচাৰ নেমাৰিছিল, কাৰণ চোৰ নাছিল বুলিলেই হয়। মানুহে কাচিৎহে ৰাজদুৱাৰলৈ গোচৰ তুলিবলৈ গৈছিল। মেগেস্থেনিচে কয় যে ভাৰতবৰ্ষত সেই কালত ১১৮ খন সুকীয়া হিন্দুৰাজ্য আছিল। তেওঁ ভাৰতৰ মানুহক বগা আৰু কলা এই দুভাগত ভগাইছিল। নিশ্চয়, বামুণ আৰু ক্ষত্ৰিয়বিলাক বগা ভাগত, আৰু শূদ্ৰ আৰু নীহ জাতৰ মানুহবিলাক কলা ভাগত পৰিছিল। প্ৰত্যেকখন গাওঁ সকলো বিষয়তে আপুনি শকত আৰু সম্পূৰ্ণ আছিল। সকলো জাতৰ সকলো কামৰ মানুহকে গাওঁখনত পোৱা গৈছিল। প্ৰজাবিলাক নিজৰ ৰজাৰ ৰাজ্যত সুখ-শান্তিত বাস কৰিছিল।

১০। ওপৰত কৈ অহা কথাবিলাকৰপৰা স্পষ্টকৈ বুজিব পাৰি যে ২০০ বছৰমান আগেয়ে চন্দ্ৰগুপ্ত ৰজাৰ দিনত উত্তৰ ভাৰতবৰ্ষ কেনে সভ্য আৰু উন্নত আছিল। সেই কালৰ যুদ্ধৰ নিয়মবিলাক আজিকালিৰ সুসভ্য জাতিৰ যুদ্ধৰ নিয়মতকৈ কোনো গুণে সৰু নাছিল, আৰু পিছৰ কালৰ অসভ্য আৰু নিষ্ঠুৰ আচৰণবিলাকৰ লগত তাৰ অনেক প্ৰভেদ। মেগেস্থেনিচে কয় যে, ভাৰতবৰ্ষত খেতিয়কবিলাকক পবিত্ৰ শ্ৰেণীৰ বুলি জ্ঞান কৰা হয়। খেতিয়কক কোনেও উপদ্ৰৱ নকৰে। হালোৱাই হাল বাব লাগিছে, ইকাষে ওচৰতে তুমুল যুদ্ধ চলিছে, যুদ্ধাৰুৱে ইটোৱে সিটোক মাৰিছে, কিন্তু সেই হালোৱাৰ কোনো বিপদ নাই; তাৰ গাত কোনেও হাত নিদিয়ে। সিহঁতে শত্ৰুৰ শস্য-বাৰী খেতিবাৰীও জুই লগাই দি নোপোৰে, আৰু শত্ৰুৰ মাটি-বাৰীৰ গছ-গছনি নেকাটে।

বৌদ্ধযুগৰ ডাঙৰ ৰজা আৰু ৰাজ্যবিলাক।

খৃ, পূ, ৩০০ৰ পৰা ৭০০ খৃষ্টাব্দলৈকে ১০০০ বছৰ।

১। আমি এতিয়া দেখিলোঁ যে পুৰণি হিন্দুযুগত উত্তৰ ভাৰতত মগধেই সকলোতকৈ নাম-জ্বলা ৰাজ্য আছিল। অতি পুৰণি কালত মগধৰ নাম বিদেহ আছিল, আৰু আজিকালি তাক বেহাৰ বোলে। বৌদ্ধ যুগত মগধৰ খ্যাতি আগতকৈও চৰে; আৰু বিম্বসাৰ নামে মগধৰ ৰজাই বৌদ্ধ ধৰ্ম্ম লয়। এই কালত ৰাজগৃহ মগধৰ ৰাজধানী আছিল। ইয়াৰ পিছত শূদ্ৰবংশী ৰজাৰ ফৈদে মগধত ৰাজত্ব কৰে; আৰু সেই ফৈদৰ গুৰি নন্দ ৰজা। গঙ্গা আৰু শোণ নৈ যত লগ লাগিছে, সেই থিনিতে তেওঁবিলাকৰ ৰাজধানী পাটলিপুত্ৰ নগৰ আছিল। আমি ওপৰত দেখুৱাই আহিছোঁ, যে আলেক্‌জেণ্ডাৰে ভাৰতবৰ্ষ আক্ৰমণ কৰা কালত, চন্দ্ৰগুপ্ত নামে এই বংশৰ ৰাজকোঁৱৰ এজনে আলেক্‌জেণ্ডাৰৰ ওচৰলৈ গৈ, আলেক্‌জেণ্ডাৰে মগধ ৰাজ্যলৈ আহি তাৰ ৰজাক খেদি দি সেই ৰাজ্য লবলৈ খাটিছিল। কিন্তু আলেক্‌জেণ্ডাৰৰ সৈন্যবিলাক আৰু আগবাঢ়ি আহিবলৈ অমান্তি হোৱাত সেই কাম হৈ নুঠিল। আলেক্‌জেণ্ডাৰে ভাৰত এৰি গলত চন্দ্ৰগুপ্তই দাতি-কাষৰীয়া কিছুমান যুজাৰু ফৈদৰ মানুহ গোটাই এটা ডাঙৰ ফৌজ কৰি লৈ আহি নন্দৰজাক মাৰি মগধৰ ৰাজপাটত উঠিল।

মৌৰ্য্যবংশী অশোক।

খৃ, পূ, ২৭২—২৩২।

১। পৃথিবীৰ বুৰঞ্জীত যিবিলাক ৰজাই “ডাঙৰ” নাম পাইছে, অশোক সেইবিলাকৰ ভিতৰৰে এজন। চল্লিশ বছৰ কাল তেওঁ এখন

যব তাঙৰ সাম্ৰাজ্য এনেদৰে সুশাসন কৰিছিল যে, তেওঁৰ নাৰত "ডাঙৰ" বিশেষণৰ লগতে "ধৰ্ম্মিষ্ঠ আৰু ন্যায়বন্ত" বিশেষণ দুটাও লগাই দিয়া উচিত। তেওঁ ৰাজ-পাটত উঠি যি সাম্ৰাজ্যৰ অধিকাৰী হৈছিল, তাৰ ভিতৰত, কলিঙ্গদেশৰ বাহিৰে, গোটেই উত্তৰ আৰু মধ্য ভাৰত পৰিছিল। কলিঙ্গদেশ পিছত তেওঁ নিজে জয় কৰিছিল। এই ডাঙৰ সাম্ৰাজ্যখন তেওঁৰ বাপেক আৰু ককাকৰ ৫০ বছৰীয়া সুস্থিৰ শাসনত দৃঢ়ৰূপে স্থাপিত হৈছিল।

২। অশোকৰ প্ৰথম এঘাৰ বছৰ ৰাজ্য শাসনৰ কথা আমি ভালকৈ জানিব নোৱাৰোঁ। কিন্তু তেওঁৰ ৰাজত্ব কালৰ দ্বাদশ বছৰত তেওঁ এখন যুদ্ধত লিপ্ত হয়, আৰু সেইখনেই তেওঁ জীয়াই থকা কালৰ তেওঁৰ প্ৰথম আৰু শেষ যুদ্ধ। তেওঁ কলিঙ্গ দেশ অক্ৰমণ কৰি জয় কৰে। মহানদীৰপৰা গোদাবৰী নৈলৈকে বঙ্গোপসাগৰৰ পাৰত থকা ঠাইডোখৰকে কলিঙ্গ দেশ বুলিছিল; আৰু তাকে আজিকালি উড়িষ্যা বোলে। কলিঙ্গ দেশৰ মানুহে নিজৰ দেশ ৰক্ষা কৰিবলৈ বৰ সাহেৰে তিনি বছৰ যুদ্ধ কৰি শেহত খাটে। সেই যুদ্ধত ১৫০০০০ কলিঙ্গীয়া বন্দী হয়, ১০০০০০ মৰে, আৰু ইয়াতকৈও সৰহ মানুহ আকাল আৰু মাৰী মৰকত মৰে। মানুহৰ দুখ-যন্ত্ৰণা আৰু বিনাশ দেখি অশোকৰ মন শোক আৰু বেজাৰেৰে উপচি গৈছিল; আৰু তেওঁ শপত খাইছিল যে তেওঁ আৰু কেতিয়াও যুদ্ধত লিপ্ত নহয়। সেই প্ৰতিজ্ঞা তেওঁ ঠিক ৰাখিছিলও।

৩। এই সময়তে তেওঁ বৌদ্ধ ধৰ্ম্ম লয়; আৰু "প্ৰিয়-দাস" অৰ্থাৎ দেৱতাৰ প্ৰিয় সেৱক এই উপাধি গ্ৰহণ কৰে। ভাৰতবৰ্ষৰ গোটেইখনতে ধৰ্ম্ম প্ৰচাৰ কৰা কাৰ্য্যত তেওঁৰ ৰাজত্বৰ আৰু জীৱনৰ বাকী-ডোখৰ কাল তেওঁ খাইকৈ লগাইছিল। তেওঁ বৌদ্ধ ধৰ্ম্মক ৰজা-ঘৰৰ ধৰ্ম্ম কৰে; আৰু বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰিবৰ নিমিত্তে আন আন দেশলৈ বৌদ্ধ প্ৰচাৰকবিলাক পঠিয়াইছিল।

তেওঁৰ ৰাজত্বৰ যোড়শ আৰু সপ্তদশ বছৰত ১৪টা বাজ আজ্ঞা শিলৰ ওপৰত লেখাই তেওঁ প্ৰজাবিলাকৰ ভিতৰত প্ৰচাৰ কৰে। সেই-বিলাকত, তেওঁৰ ৰাজ্য শাসনৰ নিয়ম প্ৰণালী, আৰু প্ৰজাবোৰ কেনেকৈ ধৰ্ম্মিষ্ঠ আৰু ন্যায়বন্ত হৈ চলিব লাগে, এইবোৰ কথা লেখা আছে। শিলত কাটি থোৱা সেই ৰাজ আজ্ঞাবিলাক আজিও পঢ়িব পাৰি।

৪। ৩০ বছৰ ৰাজত্ব কৰাৰ পিছত, খৃ, পূ, ২৪২ বছৰত, অশোকে আকৌ নকৈ সাতোটা ৰাজাজ্ঞা শিলৰ খুটাৰ ওপৰত আখৰ কাটি দি প্ৰচাৰ কৰিছিল। সেই ৰাজাজ্ঞা কেইটাত, জন্তু বধ কৰা সম্পৰ্কে নিয়মবিলাক লেখা হৈছিল। জন্তু বধ কৰা দস্তুৰটো তেওঁ বহুতৈক থিনাইছিল। ইয়াৰ দুবছৰৰ পিছতে তেওঁ হালধীয়া বৰণৰ দীঘল চোলা পিন্ধি বৌদ্ধ সন্ন্যাসী হৈছিল; আৰু যদিও তেওঁ ৰাজ্যভাৰ এৰি দিয়া নাছিল, তথাপি ৰাজ্য শাসন সম্পৰ্কে যাই কামবিলাক তেওঁৰ পুতেক আৰু মন্ত্ৰীবিলাকৰ হাতত যে দিছিল এনে মনে ধৰে।

৫। ভাৰতবৰ্ষত যত ৰজাই ৰাজত্ব কৰিছিল, এটাইবিলাকতকৈ অশোকৰ ৰাজ্য সম্ভৱতঃ ডাঙৰ আছিল; আন কি, পিছৰ কালৰ ডাঙৰ সম্ৰাট আকবৰ বাদসাহৰ সম্ৰাজ্যৰ আহল-বহলো তেওঁৰ ৰাজ্যতকৈ ডাঙৰ নাছিল। উত্তৰ-পশ্চিম ফালে তেওঁৰ ৰাজ্যৰ সীমা হিন্দুকুশ পৰ্ব্বত পাইছিলগৈ, আৰু আজিকালি যিবিলাক দেশক আফগানিস্থান, বেলুচি-স্থান, আৰু সিন্ধু বোলে, সেইবিলাক তাৰ ভিতৰত পৰিছিল। উত্তৰে কাশ্মীৰ আৰু নেপালও তাত সোমাইছিল। কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰ অশোকে স্থাপন কৰে। পূবকালে বঙ্গদেশ তেওঁৰ ৰাজ্যৰ ভিতৰত পৰিছিল। গোদাবৰী আৰু কৃষ্ণা নৈৰ মাজৰ ত্ৰৈলঙ্গদেশৰ অন্ধ্ৰ ৰাজ্য তেওঁৰ কৰতলীয়া আছিল; আৰু তাৰ ৰজাবিলাকে ৰাজাধিৰাজ অশোকৰ আদেশ আৰু আশ্ৰয়ৰ তলত থাকি আপোন ৰাজ্য শাসন কৰিছিল। তেওঁৰ ৰাজ্যৰ দক্ষিণ কালৰ সীমা পালাৰ নৈ আছিল।

শিলত লেখা আৰু আজ্ঞাবিলাকত পোৱা যায় যে সেই কালত দক্ষিণ-ভাৰতত চাৰিওৰ স্বাধীন ৰাজ্য আছিল :—পশ্চিমঘাট পৰ্ব্বতৰ পূব কালে চোল, আৰু কেৰলা ; আৰু পশ্চিম পাৰৰ কেৰালপুত্ৰ বা মালাবাৰ ; আৰু কৰ্ণাটকৰ সত্যপুত্ৰ বা তুলুদেশ।

৬। অশোকে সযোগ্য ভাওৰ ভাওৰ পকি মৰবিলাকৰ প্ৰায় এটাই-বিলাক বহু কালৰ আগেয়ে ভাগি-ছিগি নাইকিয়া হল। কিন্তু বিবোৰ খুটাৰ ওপৰত তেওঁৰ আদেশবিলাক কাটি লেখি দিয়া হৈছিল, সেই বোৰ আজিলৈকে আছে। কিছুমান খুটা ৫০ ফিট ওখ আৰু ৫০ টনৰ ওপৰে গধুৰ। অশোকৰ ৰাজ্যৰ প্ৰায় সকলো ঠাইতে সেইবোৰ দেখিবলৈ পোৱা যায়। পৰ্ব্বতৰ ডাঙৰ শিলত, গহ্বৰত আৰু শিলৰ খুটাত লেখি থোৱা বিৱৰণবোৰৰ পৰাহে আমি অশোকৰ ৰাজত্ব কালৰ বুৰঞ্জী জানিব পাৰোঁ। প্ৰাকৃত ভাষাৰ নানা গঢ়ত, অৰ্থাৎ যি যি দেশত সেইবিলাক আদেশ প্ৰচাৰ কৰা হৈছিল, সেই সেই দেশৰ ভাষাত সেই-বিলাক লেখা হৈছিল, কাৰণ সকলো প্ৰজাই সেইবিলাক পঢ়িব পৰাকৈ দিয়া হৈছিল।

৭ ধৰ্ম্ম বিষয়ে অশোকে যিবিলাক আদেশ ওপৰত কোৱাদৰে শিলত লেখি দি প্ৰচাৰ কৰিছিল, সেইবিলাক সংক্ষেপকৈ কলে এনে-কুৱা হয় :—

(১) কোনো জীৱ হত্যা নকৰিবা।

(২) তোমাৰ আই. বোপাই, শিক্ষক বা গুৰুক আৰু বয়সীয়াল মানুহক মানি চলিবা।

(৩) সঁচা কথা কবা।

(৪) লোকক নিন্দা নকৰিবা ; আৰু পৰৰ মত বা বিশ্বাসৰ ওপৰত খইচ খাইচ নকৰিবা। বেয়া বাইক মুখত গুনিয়াবা।

(৫) কায়-বাক্য-মনে শুধ আৰু ধৰ্ম্মিষ্ঠ হবা।

(৩) বন্দী বেটী আৰু লগুৱাৰ প্ৰতি দয়ালু আৰু মৰমিয়াল হবা।

৮। এই এটাইবিলাকৰ ভিতৰত ঘাই আদেশ হৈছে জীৱহত্যা বা জীৱক দুখ দিয়াটো পাপ কাম; আন কি ক্ষুদ্ৰ পোক এটাকো দুখ দিব বা বধ কৰিব নেপায়। অশোকে যেনেকৈ এই উপদেশবিলাক দিছিল, তেনেকৈ নিজে সেইবিলাক পালনও কৰিছিল। তেওঁৰ ৰাজত্বৰ প্ৰথম ভাগত ৰন্ধাঘৰৰ ভোজনৰ হাজাৰ হাজাৰ জন্তু মৰা হৈছিল। এই জন্তু বধটো লাহে লাহে তেওঁ কমাই আনি শেষত তিনটাত, অৰ্থাৎ দুটা মৰা চৰাই আৰু এটা হৰিণাপহু গৰাত পেলাইছিল। শেহত এইটোও তেওঁ বন্ধ কৰি দি মঙহ খোৱাটোকে তুলি দিলে। বুঢ়া-ককাৰ দিনৰেপৰা চলি অহা যাই বং মৃগয়ালৈ যোৱাটো তেওঁ এৰি দিছিল। তেওঁ প্ৰচাৰ কৰা নিয়মত, কোনো কোনো জন্তুক সমূলী মাৰিবলৈকে মানা কৰি দিছিল। যিবোৰ জাতৰ মানুহে মঙহ নেখালে থাকিব নোৱাৰে সিহঁতক কিছুমান জন্তুহে মাৰিবলৈ তেওঁ আজ্ঞা দিছিল; আৰু সেইবোৰ জন্তুকো, বছৰৰ ভিতৰত ৫৬ দিন মাৰিবলৈ মানা।

৯। প্ৰজাই ন্যায় ব্যৱহাৰ কৰিবলৈ, আৰু ইটোৰ প্ৰতি সিটোৰ কৰ্ত্তব্য পালন কৰিবলৈ শিকনি দিবলৈ, ৰজাৰবীয়া বিষয়াবোৰৰ গাত ভাৰ আছিল।* বিষয়াবিলাকে এই কামৰ নিমিত্তে মফস্বললৈ ফুৰিবলৈ যাব লগীয়াত পৰিছিল; আৰু তাৰ নিমিত্তে দিন ঠিক কৰি থোৱা আছিল।

১০। দেশ ফুৰোঁতা মানুহৰ নিমিত্তে বিশেষ যতন কৰি ৰখা হৈছিল। শিলৰ ওপৰত লেখি থোৱা আজ্ঞাবিলাকত আছে, "বাটকৰা মানুহ আৰু জন্তুবোৰক ছাঁ দিবলৈ আৰু সিহঁতে ফল খাবলৈ মই বাটৰ দাঁতিত বৰ গছবিলাক ৰোৱাই দিছোঁ; আধা ক্ৰোশ দূৰে দূৰে আম গছ-জোপ ৰোৱাই দি তাৰ বাগিচা কৰি দিছোঁ; পানী খাবলৈ পাত-নাদ

খনাই দিছোঁ; বাটকৰা আলহী থাকিবলৈ বাটৰ ঠায়ে ঠায়ে ঘৰ সজাই দিছোঁ; আৰু মানুহ আৰু জন্তুৱে পানী খাবলৈ ঠাই খুণ্ড কৰি দিছোঁ।” মানুহৰ আৰু গৰু মহ আদিৰ ৰোগৰ চিকিৎসা কৰিবলৈ চিকিৎসালয়-বিলাক, অকল নিজৰ ৰাজ্যৰ ভিতৰতে যে তেওঁ পাতি দিছিল এনে নহয়, আন আন স্বাধীন ৰজাৰ ৰাজ্যতো পাতি দিছিল।

১১। নিজৰ ধৰম সঁচা বুলি তেওঁৰ ডাঠ বিশ্বাস থকা গতিকে, তাৰ সুফলৰ ভাগ আনকো দিয়া উচিত, এই ভাবি অশোকে বিদেশৰ নানা ঠাইলৈ বৌদ্ধধৰ্ম্ম প্ৰচাৰকবোৰক ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পঠিয়াই দিছিল। দক্ষিণ ভাৰতৰ স্বাধীন ৰাজ্যবিলাকলৈ, লঙ্কালৈ, চিৰিয়া, ইজিপ্ট, আৰু তুৰস্কলৈ, খট্ আৰু আফগানিস্থানৰ কৈদবিলাকলৈ, আৰু তেওঁৰ আশ্ৰিত ৰাজ্যবোৰলৈকো বৌদ্ধধৰ্ম্ম প্ৰচাৰ কৰিবলৈ প্ৰচাৰকবিলাক তেওঁ পঠিয়াই দিছিল। মহেন্দ্ৰ নামে তেওঁৰ আপোন ভায়েক বৌদ্ধ সন্ন্যাসী হৈছিল, আৰু তেওঁকো অশোকে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ লঙ্কালৈ পঠিয়াইছিল। লঙ্কাৰ ৰজা তিষ্যই মহেন্দ্ৰক বৰ সমাদৰ কৰি বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰিছিল; আৰু বৌদ্ধধৰ্ম্ম তেতিয়াৰেপৰা আজিলৈকে লঙ্কাত থাই ধৰ্ম্ম হৈ চলি আহিব লাগিছে। মহেন্দ্ৰই তেওঁৰ জীৱনৰ বাকীডোখৰ কাল লঙ্কাতে কটাইছিল, আৰু লঙ্কাৰ মানুহে তেওঁক এজন সাধু পুৰুষ বুলি আজিলৈকে মানে।

১২। অশোক বৰ পৰিশ্ৰমী পুৰুষ আছিল। তেওঁ কৈছিল “মই কেতিয়াও মনত ভাবিব নোৱাৰোঁ যে মই যথেষ্ট কৰিছোঁ।” শিলত লেখা তেওঁৰ আজ্ঞাবিলাক তেওঁ নিজে লেখিছিল যেন মনে ধৰে, কিয়নো, তেওঁৰ কোনোৱা বিষয়াই সেইবোৰ লেখাহেঁতেন তেওঁৰ বিষয়ে এনেকৈ খোলাখুলিকৈ কেতিয়াও সেইজনে লেখিবলৈ সাহ নকৰিলেহেঁতেন। ভগৱত কৈ অহা এটাইবিলাক কথা থাম্‌-পিটিকি চালে, এইটো নিশ্চয় মনত খেলায় যে, ভাৰতত যতবিলাক ৰজাই ৰাজত্ব কৰি গল, সেইবোৰৰ

ভিতৰত অশোক সকলোকে ভাল বুলিব খুজিছিলেও, তেওঁ যে এজন বৰ ভাল ৰজা আছিল এই কথা মানিব লগীয়া।



এলাহাবাদত অশোকৰ শিলৰ খুটা।

২৩। খৃ, পূ, ২৩২ বছৰত অশোকৰ মৃত্যু হয়, আৰু তাৰ ৫০ বছৰৰ পিছত মৌৰ্য্য বংশৰ অন্ত পৰে। মৌৰ্য্য বংশৰ পিছত দুটা বৈদৰ ৰজাই মগধক শাসন কৰিছিল; কিন্তু মাথোন নামৰ বাহিৰে তেওঁলোকৰ বিষয়ে একো জানিব নোৱাৰি। অশোকৰ ২০০ বছৰৰ পিছত অন্ধ্ৰবংশী ৰজাই মগধ ৰাজ্য অধিকাৰ কৰে।

১৪। অন্ধ্ৰবিলাক আৰ্য্যবিলাকৰে এটা ফৈদ। তেওঁবিলাকে অতি আগৰ কালতে গঙ্গাৰ উপত্যকাৰপৰা গৈ মহানদীৰ আৰু গোদা-বৰীৰ উপত্যকাত বসতি কৰিছিল। তেওঁবিলাকে এখন ৰাজ্য স্থাপন কৰি, দক্ষিণ ভাৰতৰ গোটেই পূব কাষ, আৰু তৈলঙ্গ দেশ, কেইবা শ বছৰলৈকে শাসন কৰিছিল। আজিলৈকে তেলেগু ভাষাৰ আন এটা নাম অন্ধ্ৰ ভাষা। খৃষ্টাব্দৰ প্ৰায় ২৬ বছৰৰ আগেয়ে মগধ ৰাজ্য নিশ-কতীয়া হৈ অহা দেখি সেই সময়ৰ অন্ধ্ৰ ৰজাই মগধ আক্ৰমণ কৰি জয় কৰে। ৩০০ বছৰ জুৰি অন্ধ্ৰ ৰজাৰ ডাল এটাই মগধ আৰু পূব-ভাৰতত ৰাজত্ব কৰিছিল; আৰু আন এটা ডালে দক্ষিণত ৰাজত্ব কৰিছিল। এই গোটেই ডোখৰ কালত, অৰ্থাৎ খৃষ্টাব্দৰ প্ৰথম ৩০০ বছৰত, প্ৰথমতে বক্ট্ৰিয়াৰ গ্ৰীকবিলাকে, তাৰ পিছত স্কাইথিয়বিলাকে, পঞ্জাব আৰু উত্তৰ-পশ্চিম ভাৰত জয় কৰি তাৰ ৰজা হৈ ৰাজ্য শাসন কৰে। অন্ধ্ৰ ৰজা ২৪ জনেই বৌদ্ধ আছিল। তেওঁবিলাকে স্কাইথিয়বিলাকক মধ্য আৰু পূব ভাৰতলৈ আহিবলৈ নিদিয়াকৈ ৰাখিছিল।

ভাৰতবৰ্ষত স্কাইথিয়বিলাক।

১। গ্ৰীকবিলাকে মধ্য-এচিয়াবাসী ফৈদবোৰক স্কাইথিয় আৰু সিহঁতৰ দেশখনক স্কাইথিয়া বুলিছিল। স্কাইথিয়বিলাকৰ ভালেমান ফৈদ আছিল; আৰু খৃষ্টাব্দৰ প্ৰায় ১৫০ বছৰৰ আগৰপৰা ৪০০ বছৰ পিছলৈকে, ৮০০ বছৰৰ ওপৰ কাল সেই স্কাইথিয় ফৈদবিলাক, আগৰ পুৰণি কালত আৰ্য্য ফৈদবিলাকৰ নিচিনাকৈ, এটাৰ পিছত এটাকৈ আহি ভাৰতবৰ্ষত সোমাইছিল। সিহঁতে কাবুল, আফগানিস্থান, পঞ্জাব, সিন্ধু, গুজৰাট আৰু মধ্য-ভাৰতৰ পশ্চিম ডোখৰত বসতি কৰিছিল। পঞ্জাবত প্ৰথমতে সিহঁতে ভাৰতীয় গ্ৰীক ৰজাবিলাকৰ ৰাজ্য-

যোৱৰ কাৰে কাৰে সৰু সৰু ৰাজ্য পাতি শেহত গোটেইখন পঞ্জাবকে লৈ পেলাইছিল।

২। যাইথিয়বিলাকৰ এটা ফৈদৰ নাম শক আছিল। এই শক ফৈদটো, প্ৰথমতে ভাৰতলৈ অহা ফৈদবোৰৰ ভিতৰৰ এটা। শকবিলাকে সিন্ধু, মালৱ, আৰু পশ্চিম-ভাৰতত ৰাজ্য স্থাপন কৰিছিল। প্ৰায় ৪০০ খৃষ্টাব্দলৈকে শক ৰজাবিলাকে সেই ৰাজ্যবোৰ শাসন কৰি শেহত প্ৰতাপী হিন্দু ৰজা বিক্ৰমাদিত্যৰ হাতত হাৰে, আৰু শক বংশী ৰজাৰ সেইখিনিতে অন্ত পৰে। মালৱ দেশৰ উজ্জয়িনী নগৰ শক ৰজাবিলাকৰ ৰাজধানী আছিল।

৩। ভাৰতীয় যাইথিয়বিলাকৰ, কুশন নামে আৰু এটা ফৈদৰ এজন নাম-জ্বলা ডাঙৰ ৰজাৰ নাম কনিষ্ক আছিল। ৪৫ খৃষ্টাব্দৰ পৰা ২২৫ খৃষ্টাব্দলৈকে প্ৰায় ১৮০ বছৰ এই ফৈদৰ ৰজাই উত্তৰ-ভাৰতত ৰাজত্ব কৰে। কনিষ্কৰ ৰাজধানীৰ নাম পুৰুষপুৰ আছিল যাক আজি কালি পেচোৱাৰ বোলে; আৰু তেওঁ পঞ্জাব, কাশ্মীৰ আৰু সিন্ধু দেশৰ ওপৰত ৰজা আছিল। তুৰ্কিস্থান আৰু আফগানিস্থানো কনিষ্কৰ শাসনৰ তলতীয়া আছিল।' কনিষ্কৰ নাম থকা তামেমান মোহৰ পোৱা গৈছে। তেওঁৰ নিষ্ঠাৱন্ত বৌদ্ধ আছিল; আৰু ১৪০ খ্ৰীষ্টাব্দত কাশ্মীৰত এখন ডাঙৰ বৌদ্ধ ধৰ্ম্ম-সভা পাতিছিল। এই সভা ভাগি যোৱাৰ পিছত তেওঁ মধ্য-ভাৰত আৰু চীন দেশত বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ অনেক বৌদ্ধ সন্ন্যাসী পঠিয়াইছিল; আৰু তেওঁৰ যত্নৰ-ফল স্বৰূপে সেইবিলাক দেশ বৌদ্ধ ধৰ্ম্মাবলম্বী হৈছিল।

গুপ্ত বংশী ৰজাৰ ৰাজত্ব।

১। বৌদ্ধ যুগৰ শেহ ভাগত গুপ্ত বংশী ৰজাই মগধত ৰাজত্ব কৰে। সেই বংশৰ ৰজাই ৩০০ খৃষ্টাব্দৰপৰা ৬০০ খৃষ্টাব্দলৈকে প্ৰায় ৩০০ বছৰ ৰাজত্ব কৰিছিল। গুপ্ত বংশৰ দুজন ৰজা বৰ বিখ্যাত আছিল। এজনৰ নাম সমুদ্ৰগুপ্ত, আন জনৰ নাম চন্দ্ৰগুপ্ত বিক্ৰমাদিত্য। ইয়াৰ ৫০০ বছৰৰ আগেয়ে মগধত ৰাজত্ব কৰা মৌৰ্য্য বংশী চন্দ্ৰগুপ্তৰ সৈতে দুইজন ৰজাৰ একেটা নাম হোৱা গতিকে এওঁৰ নামত বিক্ৰমাদিত্য উপাধি লগাই তেওঁৰে সৈতে ভিন কৰা হৈছিল।

২। সমুদ্ৰগুপ্ত (খৃষ্টাব্দ ৩২৬—৩৭৫) বৰ প্ৰতাপী ৰজা আছিল। তেওঁ ডাঙৰ ফৌজ এটা লৈ মধ্য-ভাৰতেদি গৈ দক্ষিণ ভাৰত পাইছিল; আৰু যিবোৰ ৰাজ্যৰ ভিতৰেদি গৈছিল, সেইবোৰ জয় কৰি গৈছিল। সেই জয় কৰি যোৱা ৰাজ্যবোৰ তেওঁ অধিকাৰ নকৰি, মাথোন তাৰপৰা বহুৎ ধন-বস্তু লৈ গৈছিল। গঙ্গাৰ উপত্যকাত যিবিলাক ৰাজ্য আছিল, সেইবিলাকৰ ওপৰত তেওঁ চক্ৰবৰ্ত্তী ৰজা আছিল। তেওঁ যে অকল এজন প্ৰবল প্ৰতাপী ৰজা আছিল এনে নহয়, কবিও আছিল, আৰু ভালকৈ বীণ বজাবও জানিছিল।

৩। চন্দ্ৰগুপ্ত দ্বিতীয় (৩৭৫—৪১৩ খৃষ্টাব্দ) আৰু ডাঙৰ ৰজা আছিল। তেওঁ বিক্ৰমাদিত্য উপাধি লৈছিল, আৰু এই নামেৰেই তেওঁ হিন্দু লেখকসকলৰ ভিতৰত অতি প্ৰখ্যাত আছিল। তেওঁ এটা ডাঙৰ ফৌজ লৈ উত্তৰ-পশ্চিম, সিন্ধু নৈৰ উপত্যকা, পঞ্জাৱ, সিন্ধু, গুজৰাট, আৰু মালৱ দেশ জয় কৰিবলৈ গৈছিল। এই দেশবোৰত শকবিলাকে কেইবা শতিকা ধৰি ৰাজত্ব কৰি আছিল। বিক্ৰমাদিত্যই শকবিলাকক ৰণত সমূলী বটুৱাই সিহঁতৰ ৰাজ্যবোৰ অধিকাৰ কৰিছিল;

আৰু তেওঁক সেইবাবে শকাৰি অৰ্থাৎ শক বা স্কাইথিয়ানবিলাকৰ অৰি অৰ্থাৎ শত্ৰু নাম দিয়া হৈছিল।

সেই কালৰ আনবোৰ হিন্দু ৰজাতকৈ বিক্ৰমাদিত্যৰ নাম বেছি জনাজাত। তেওঁ যেনে সাহিয়াল তেনে বিদ্যাৱন্ত আছিল। তেওঁৰ ৰাজ-সভাত নৱৰত্ন নামেৰে ৯ জন প্ৰসিদ্ধ ৰত্ন অৰ্থাৎ পণ্ডিত আছিল। সেই ৯ জনৰ ভিতৰত মহাকবি কালিদাস এটাই কেইজনতকৈ বিখ্যাত। তেওঁৰ ৰচিত শকুন্তলা, ৰঘুবংশ, মেঘদূত, কুমাৰসম্ভৱ, জগদ্বিখ্যাত। এজন ৰত্নৰ নাম অমৰসিংহ আছিল; আৰু তেওঁৱেই গোটেই ভাৰতৰ পঢ়াশালিত প্ৰচলিত অমৰকোষ অভিধান ৰচোঁতা। চতুৰ্থজন ৰত্নৰ নাম বিখ্যাত বেজ ধন্বন্তৰী। পঞ্চমজনৰ নাম বৰৰুচি। এওঁ সেই সময়ত মানুহে কথা কোৱা ভাষা প্ৰাকৃত বা সংস্কৃত ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল। সেই সংস্কৃত ভাষা পুৰণি কলীয়া শাস্ত্ৰত লেখা সংস্কৃতৰ সৈতে অনেক বেলেগ। ষষ্ঠজন ৰত্নৰ নাম বৰাহ-মিহিৰ আছিল। তেওঁ বৰ ডাঙৰ জ্যোতিষীয়া আছিল। বিক্ৰমাদিত্যৰ দিনতে পঞ্চতন্ত্ৰ পুথি কৰা হয়। তাৰ পিছত পঞ্চতন্ত্ৰৰ সাধুবোৰ পাৰস্য আৰু আৰবী ভাষালৈ ভঙ্গা হল; আৰু লাহে লাহে য়ুৰোপৰ ভালেমান ভাষাত সেইবোৰৰ ভাঙনি ওলাল। বিক্ৰমাদিত্য ৰজাৰ আৰু ৰাজত্ব কালৰ প্ৰচলিত উপাখ্যানবিলাক আজিও ভাৰতবৰ্ষৰ গাৱেঁ গাৱেঁ মানুহে কয়।

৪। বিক্ৰমাদিত্যৰ সময়ত বৌদ্ধধৰ্মৰ তেজ ভাৰতত লাহে লাহে কমি আহিছিল। কালিদাসে কৰা পুথিবিলাকৰপৰা ভালকৈ দেখিবলৈ পোৱা যায়, যে সেই কালত হিন্দু দেৱদেৱীৰ মূৰ্ত্তি আৰু মন্দিৰবিলাক মানুহে মানি চলিছিল, আৰু হিন্দু দেৱতাবিলাকৰ পূজা-অৰ্চ্চা অনেক মানুহৰ ভিতৰত চলিছিল। বিক্ৰমাদিত্য নিজে শৈৱ আছিল, আৰু তেওঁ বৌদ্ধবিলাকৰ ওপৰত দয়া ৰাখিছিল। তেওঁৰ নৱৰত্নৰ এজন ৰত্ন বৌদ্ধ আছিল। বিক্ৰমাদিত্যই বৌদ্ধ যুগৰ শেষৰ ডাঙৰ

ৰজা; আৰু তেওঁকেই পৌৰাণিক যুগৰ প্ৰথম ডাঙৰ ৰজা বুলিব পাৰি। তেওঁ পূৰ্ব্বৰ হিন্দুধৰ্ম্ম উদ্ধাৰ কৰি ভাৰতত আকৌ স্থাপন কৰা বিষয়ত, সেই কালৰ আন আন ৰজাবিলাকৰ ভিতৰত প্ৰধান আছিল।

হুনবিলাক।

৪৫০ খৃষ্টাব্দত হুন নামেৰে, মঙ্গল জাতিৰ দুৰন্ত কৈদ কিছুমান জাকে জাকে পঞ্জাবলৈ আহি তাত বসতি কৰি গুপ্তৰাজ্য ধ্বংস কৰিলে। সিহঁতে যমুনাৰ উপত্যকালৈ আহি সেই সময়ৰ গুপ্তবংশী ৰজাক পৰাজয় কৰি তেওঁৰ ৰাজ্য কাঢ়ি ললে। সিহঁতৰ খাইদ্ৰনৰ নাম তুৰামণ। ৫০০ খৃষ্টাব্দত তুৰামণে মালৱৰ ৰাজপাটত উঠি মহাৰাজা উপাধি লৈছিল। তুৰামণৰ পিছত তেওঁৰ পুতেক মহিৰগুল ৰজা হয়। মহিৰগুল ইমান নিষ্ঠুৰ আছিল আৰু তেওঁ ইমান মানুহ বধ কৰিছিল যে শেহত ৫২৮ খৃষ্টাব্দত বালাদিত্য নামে মগধৰ ৰজাই যশোধৰ্ম্মণ নামে মধ্য-ভাৰতৰ ৰজা এজনৰ সহায়ত এটা ডাঙৰ ফৌজ গোটাই লৈ তেওঁক মুলতানৰ ওচৰত কাহাৰৰ নামেৰে এডোখৰ ঠাইত ৰণত হৰুৱাই ভাৰতবৰ্ষৰপৰা সসৈন্যে খেদাই উলিয়াই দিলে। হুনবিলাক ভাৰতবৰ্ষত প্ৰায় এশ বছৰ আছিল, আৰু সিহঁতৰ ভালেমানে ভাৰতত বসতি কৰি বৈ গল। গুপ্তবংশী ৰজাসকলে থানেশ্বৰত আৰু প্ৰায় দুশ বছৰ ৰাজত্ব কৰিছিল।

বৌদ্ধ যুগত ভাৰতবৰ্ষ।

খৃ, পূ, ৩০০ ৰ পৰা ৭০০ খৃষ্টাব্দলৈকে।

১। আমি ওপৰত কৈ আহিছোঁ যে বৌদ্ধধৰ্ম্ম স্থাপন কৰোঁতা-

জনম মাৰ বুদ্ধ; আৰু তেওঁ মগধত আছিল, আৰু তাতেই তেওঁৰ মৃত্যু হয়। সেইকাৰণে বৌদ্ধধৰ্মৰ জন্মস্থান মগধ সকলো বৌদ্ধবিলাকৰ মানত তীৰ্থস্থান। আৰু কপিলৰ স্তু বুদ্ধৰ তপস্যা ঠাই দেখি, বুদ্ধ-গয়া বুদ্ধই জ্ঞানৰ পোহৰ পোৱা ঠাই দেখি, বোধি-দ্ৰুম বুদ্ধই তাৰ তলত বহি ধৰ্মৰ উপদেশ দিছিল দেখি, বৌদ্ধবিলাকৰ মানত অতি পবিত্ৰ ঠাই। বৌদ্ধধৰ্ম অনেক দেশৰ প্ৰধান ধৰ্ম হৈ পৰিছিল; আৰু সেইবোৰদেশৰ পৰা ধাৰ্মিক বৌদ্ধসকল কেইবা শতিকালৈকে এই তীৰ্থস্থানবোৰ দৰ্শন কৰিবলৈ আহি আছিল। তেওঁবিলাকৰ ভিতৰত চীন দেশৰ পৰা অহা তীৰ্থযাত্ৰীৰ লেখেই সৰহ। দুজন চীনা তীৰ্থযাত্ৰীয়ে তেওঁবিলাকে ভাৰতলৈ আহি কি দেখিলে কি শুনিলে তাৰ বিৱৰণ লেখি থৈ গৈছে। প্ৰথমজনৰ নাম ফাহিয়ান। ফাহিয়ান প্ৰায় ৪০০ খৃষ্টাব্দত আৰু হাউ-এন্-চাং নামে দ্বিতীয়জন ৬৩০ খৃষ্টাব্দত ভাৰতলৈ আহিছিল। এওঁলোকে লেখি থৈ যোৱা বিৱৰণবোৰ বহুমূলীয়া বস্তু; কাৰণ হিন্দুবিলাকে নিজৰ দেশৰ কোনো বিৱৰণ বা বুৰঞ্জী লেখা নাছিল।

২। গুপ্তৰজাসকলৰ ৰাজত্বৰ সময়ত, অৰ্থাৎ ঠিক সমুদ্ৰগুপ্তৰ ৰাজত্বৰ অন্তত, ফাহিয়ান ভাৰতবৰ্ষলৈ আহে। তেওঁ কাবুলেদি ভাৰতলৈ আহে আৰু হিন্দুস্থানৰ মাজেদি পূবমুৱা হৈ গৈ গঙ্গাৰ মুখ পাই তাৰ পৰা জাহাজত উঠি লঙ্কালৈ যায়। যাওঁতে তেওঁ পঞ্জাবৰ আৰু হিন্দুস্থানৰ এটাইবোৰ ঠাই চকুৰে চাই গৈছিল। তেওঁ তেওঁৰ বিৱৰণত লেখি থৈ গৈছে:—উত্তৰ ভাৰত গোটেইখনত কোনো মানুহে জীৱ বধ নকৰে, আৰু মদিৰা নাখায়; আৰু নীহ চণ্ডালৰ বাহিৰে কোনেও নহৰু পিয়াজ নাখায়। চণ্ডালেহে মাথোন পশু মাৰিবলৈ যায়, আৰু পহুৰ মঙহ খায় আৰু বেচে। ৰজাৰ শাসনপ্ৰণালী আৰু তাৰ নিয়ম ব্যৱস্থাবোৰ বৰ কোমল। প্ৰজাই এখন ঠাইৰ পৰা আন এখন ঠাইলৈ আপোন ইচ্ছামতে অহা-যোৱা কৰিব পাৰে। যি ৰাজবিধি উলঙ্ঘা কৰে তাৰ অৰ্থদণ্ড

মাৰধোৰ হয়। বিদ্ৰোহীকো বধ কৰা নহয়; মাত্ৰ তাৰ সোঁ হাতখন কাটি পেলোৱাটোৱেই তাৰ শাস্তি। সাধাৰণ মানুহে বেচা কিনা কৰোঁতে কড়ি ব্যৱহাৰ কৰে। প্ৰত্যেক ঠাইতে ফাহিয়ানে বৌদ্ধবিহাৰবিলাক পাইছিল, যত হাজাৰ হাজাৰ বৌদ্ধ সন্ন্যাসীক শুবলৈ পাটী, বহিবলৈ কাঠ, খাবলৈ আহাৰ পানী আৰু পিন্ধিবলৈ কাপোৰ দি ৰখাই হৈছিল। মানুহ আৰু জন্তুৰ চিকিৎসাৰ নিমিত্তে পতা অনেক চিকিৎসালয় তেওঁ দেখিবলৈ পাইছিল। সেই চিকিৎসালয়বোৰত ভাল বেজ ৰখা হৈছিল, আৰু বেচ নোলোৱাকৈ এনেই দৰব আৰু পথ্য দিয়া হৈছিল। এইটো ক কটা-মাক সে খবৰ পোৱা যায়, যে ফাহিয়ান ভাৰতলৈ অহা কালত অৰ্থাৎ ৪০০ খৃষ্টাব্দত বৌদ্ধধৰ্ম্ম উত্তৰ-ভাৰতত ৰাজ ধৰ্ম্ম আছিল।

৩। ফাহিয়ান অহাৰ ২৩০ বছৰৰ পিছত হিউ-এন-চাং ভাৰতলৈ আহে। তেওঁ ফাহিয়ানতকৈ সৰহ দিন ভাৰতত আছিল আৰু দেখা শুনাৰ বিবৰণবিলাকো বহলাকৈ লেখিছিল। বিক্ৰমাদিত্যৰ ৰাজত্বৰ অন্তত তেওঁ ভাৰতলৈ আহিছিল। তেওঁ কাবুলেদি আহিছিল, আৰু পঞ্জাব আৰু কাশ্মীৰ চাবলৈ গৈছিল, আৰু হিন্দুস্থানৰ এঠাইবিলাক বাৰু চহৰ চাই ফুৰিছিল। তাৰ পিছত তেওঁ উড়িষ্যা, কালঙ্গ আৰু দক্ষিণ ভাৰত ঘূৰি-পকি চাইছিল; আৰু তাৰ পিছত ভাৰতৰ পশ্চিম কূল, মহাৰাষ্ট্ৰ দেশ, গুজৰাত, ৰাজপুতনা আৰু সিন্ধুলৈ গৈছিল। মুঠতে, তেওঁ গোটেই ভাৰতবৰ্ষ ঘূৰি-পকি চাই ১৫ বছৰ কটাইছিল।

৪। হিউ-এন-চাং যতেকে গৈছিল, তাতে দেখিবলৈ পাইছিল, যে বৌদ্ধধৰ্ম্মৰ কাষে কাষে পুৰণি হিন্দুধৰ্ম্মও চলি আছে। উড়িষ্যা, কাশ্মীৰ আৰু দক্ষিণ-ভাৰত আদি কিছুমান ঠাইত বৌদ্ধধৰ্ম্মৰ প্ৰতাপ বেছি আছিল; আৰু আন কিছুমান দেশত হিন্দুধৰ্ম্মৰ প্ৰতাপ সৰহ আছিল। তেওঁ কয় যে তেওঁ দেখা অনেক দেশ সুশাসিত আৰু তাৰ প্ৰজাবোৰ সুখী আৰু সন্তুষ্ট। বৌদ্ধই হওক বা ব্ৰাহ্মণেই হওক; সকলোৱে গুণৰ

স্বাধীনতা আছিল, আৰু সকলোৱে নিজ ইচ্ছামতে পূজা-সেৱা ধৰ্ম-কৰ্ম কৰি চলিব পাৰিছিল। পণ্ডিতৰ সন্মান সকলো দেশতে আছিল।

৫। হাউ-এন চাং যেতিয়া কনৌজলৈ গৈছিল, তেতিয়া তাৰ ৰজা শিলাদিত্য আছিল। শিলাদিত্যৰ আন এটা নাম হৰ্ষ আছিল। তেওঁৰ ধৰ্ম যদিও বৌদ্ধ আছিল তথাপি তেওঁ হিন্দুধৰ্ম আৰু ব্ৰাহ্মণবিলাকক বৌদ্ধধৰ্ম আৰু বৌদ্ধভিক্ষুবিলাকৰ সৈতে সমানে আদৰ সন্মান কৰিছিল। কনৌজত ১০০ বৌদ্ধ বিহাৰ আৰু ২০০ হিন্দু মন্দিৰ আছিল। ৬৩৪ খৃষ্টাব্দত শিলাদিত্যই এখন ডাঙৰ সভা কৰে। ২১ জন ৰজা সেই সভালৈ আহিছিল, আৰু তেওঁবিলাকে শিলাদিত্যক ৰাজাধিৰাজ বুলি স্বীকাৰ কৰিছিল। সেই সভাত ব্ৰাহ্মণ পণ্ডিত আৰু বৌদ্ধ সন্ন্যাসীয়ে আপোন আপোন ধৰ্ম্মৰ হকে বাদ কৰিছিল। প্ৰথম দিনা সেই মহা-সভাত বুদ্ধৰ মূৰ্ত্তি এটা ৰখা হৈছিল, দ্বিতীয় দিনা সূৰ্য্যৰ, আৰু তৃতীয় দিনা শিৱৰ মূৰ্ত্তি ৰখা হৈছিল। ৭৫ দিনীয়াকৈ হোৱা এটা ডাঙৰ ভোজৰ অন্তত শিলাদিত্যই ৰাজ ভঁৰালৰ দুৱাৰ মেলি দি তাৰ ধন সোণ মণি মৰকত বহু-বস্তু এটাইবোৰ ব্ৰাহ্মণ আৰু বৌদ্ধৰ মাজত সমানে বিলাই দিছিল। তাৰ পিছত তেওঁ গাৰপৰা ৰাজসাজ আৰু আভৰণ সোলোকাই পেলাই বুদ্ধৰ নিচিনাকৈ কৌপিন পিন্ধি ভিক্ষু সন্ন্যাসীৰ বেশ লৈছিল। শিলাদিত্যই প্ৰতি পাঁচ বছৰে এনেকুৱা কৰিছিল। গয়াৰ ওচৰত নলন্দাত এটা বৰ বিহাৰ আছিল; তাত ১০০০০ বৌদ্ধ সন্ন্যাসীয়ে বৌদ্ধশাস্ত্ৰ বৌদ্ধ বিধি ব্যৱস্থা আৰু চিকিৎসাশাস্ত্ৰ পঢ়ি কাল কটাইছিল।

৬। বৌদ্ধযুগত ভাৰ আগৰ অথবা পিছৰ যুগৰ নিচিনা কৰি তপস্যা নাছিল। কিন্তু বিজ্ঞান আৰু শিল্পৰ চৰ্চ্চা হ'লে ভালকৈ হৈছিল, আৰু হিন্দুবিলাকে সেই কালত অনেক তত্ত্ব আবিষ্কাৰ কৰি ছিল। গ্ৰীক বিলাকে ভাৰতলৈ আহোঁতে হিন্দুস্থানৰ বিদ্বান পণ্ডিতসকলৰপৰা

অনেক কথা শিকিলে, আৰু হিন্দুবিলাকেও সেইদৰে গ্ৰীকবিলাকৰপৰা আগেয়ে নজনা কথা অনেক শিকিলে।

৭। বৌদ্ধবিলাক জন্তুৰ প্ৰতি ইমান দয়ালু আছিল, আৰু জীৱৰ দুখ গুচাবলৈ ইমান যত্নশীল আছিল যে, তেওঁবিলাকে সকলো ঠাইতে মানুহ আৰু জন্তুৰ নিমিত্তে চিকিৎসালয় বনাব পাতিছিল; আৰু সেই নিমিত্তে তেওঁলোকে আয়ুৰ্ব্বেদশাস্ত্ৰ চৰ্চ্চা কৰিছিল। আই চিকিৎসাশাস্ত্ৰ লেখোঁতাজনৰ নাম চৰক। বনৌষধি, ধাতু আৰু খনিজবোৰ ঔষধত ব্যৱহাৰ কেনেকৈ কৰিব লাগে, তেওঁ ৰচনা কৰা বৈদ্যক-পুথিত সেইবোৰ আছে। গ্ৰীক আৰু আৰবীবিলাকে চৰকৰপৰা বৈদ্যবিদ্যা অনেক শিকিলে। অস্ত্ৰচিকিৎসাত ভালকৈ পাকৈত বেজও আছিল। অস্ত্ৰচিকিৎসাৰ পুথি লেখোঁতাৰ ভিতৰত সুশ্ৰুত সকলোতকৈ নাম-জ্বলা। চিকিৎসা কৰোঁতে ব্যৱহাৰ কৰিবলৈ ১০০ বিধ অস্ত্ৰৰ নাম আৰু বিৱৰণ তেওঁ লেখি থৈ গৈছে। তেওঁ কয় যে চিকিৎসকৰ অস্ত্ৰ ইমান চোকা হ'ব লাগে যে তাৰে যেন চুলি এডাল দুফালকৈ কাটিব পাৰি।

৮। সেই যুগৰ হিন্দুবিলাকে পাটীগণিত আৰু বীজগণিত বিদ্যাও গ্ৰীকবিলাকতকৈ বেছি জানিছিল। জ্যোতির্ব্বিদ্যা সম্বন্ধেও আমি হিন্দুবিলাকৰপৰা কিবোৰ অতি পুৰণি পুথি পাইছোঁ, সেইবোৰও বৌদ্ধযুগত ৰচনা কৰা হৈছিল। সেই পুথিবোৰৰ নাম সিদ্ধান্ত। সিদ্ধান্ত ১৮ খন। তাৰ ভিতৰত কিবোৰ অতি পুৰণি সেইখনো আলেক্‌জেণ্ডাৰ ভাৰতলৈ অহাৰ পিছতে লেখা, আৰু তাত গ্ৰীকবিলাকৰ নাম উল্লেখ কৰা আছে। গ্ৰীকবিলাকে সেই কালত জ্যোতির্ব্বিদ্যাৰ বিষয়ে যি জানিছিল, তাৰ অলপ-অচৰপ জ্ঞান তেওঁবিলাকৰপৰা ও সম্ভৱতঃ সেই পুথি লেখোঁতাজনে পাইছিল। আন এখন সিদ্ধান্তত [illegible] গ্ৰীক আৰু [illegible]বিলাকৰ উল্লেখ আছে। বাৰ্ত্তিকবিলাক বিহাৰত বৌদ্ধ যুগৰ অন্তকাল ভাগত লেখা হৈছিল। সেই যুগৰ যাই জ্যোতিষাৰা

পণ্ডিতজনৰ নাম আৰ্য্যভট্ট; তেওঁ প্ৰায় ৫০০ খৃষ্টাব্দত পাটলিপুত্ৰত আছিল। কেনেকৈ পৃথিবীখন নাটুৰ ঘূৰাদি ঘূৰে, সেই কথা তেওঁ তেওঁৰ পুথিত লেখি থৈ গৈছে। চন্দ্ৰগ্ৰহণ আৰু সূৰ্য্যগ্ৰহণ কেনেকৈ আৰু কিয়-হয় তাৰ সঁচা কাৰণ তেওঁ জানিছিল। বিক্ৰমাদিত্যৰ সভাৰ নৱৰত্নৰ ভিতৰৰ এজন ৰত্নৰ নাম বৰাহ-মিহিৰ। আৰ্য্যভট্টৰ পিছত বৰাহ-মিহিৰ এজন ডাঙৰ জ্যোতিষিক পণ্ডিত আছিল। বৰাহ-মিহিৰে বৃহৎসংহিতা নামেৰে এখন ডাঙৰ জ্যোতিষৰ পুথি ৰচনা কৰিছিল।

৯। ব্যাকৰণৰো ভালকৈ চৰ্চ্চা আছিল, আৰু দৰ্শন আৰু ব্যাকৰণৰ বিষয়ে অনেক পুথি লেখা হৈছিল। মনুসংহিতা নামেৰে যিখন মনুৰ ৰচা শাস্ত্ৰ আমি পাইছো, সেইখন খৃষ্ট জন্মৰ পিছত তেনে গঢ়েৰে লেখা হৈছিল।

পুৰাণ।

১। পুৰাণ শব্দৰ মানে পুৰণি, সেইদেখি পুৰণি পুথিবোৰক পুৰাণ বোলে। হিন্দুবিলাকৰ পুৰাণ নামেৰে অনেক পুথি আছে। যদিও কিছুমান পুৰাণ প্ৰায় ১২০০ বছৰৰ আগেয়ে ৰচিত কিন্তু এনে অনেক পুৰাণ আছে যিবোৰ, বেদ, ৰামায়ণ আৰু মহাভাৰতৰ বহুত দিন পিছত ৰচনা হৈছে। বৌদ্ধধৰ্ম্ম লোপ পোৱাৰ পিছৰ হিন্দুধৰ্ম্মৰ বিষয়ে অৰ্থাৎ যাক আজিকালি নতুন হিন্দুধৰ্ম্ম বোলে, সেই পুৰাণবোৰত লেখা আছে। সেই কালত বৈদিক দেৱতাবিলাকৰ পূজা আৰু যজ্ঞ হোমবিলাক নাইকিয়া হৈছিল। মনুৰ সময়ত কিছুমান হিন্দুৱে প্ৰতিমা পূজা কৰিবলৈ, আৰু মন্দিৰ সাজি মূৰ্ত্তি স্থাপন কৰিবলৈ আৰম্ভ কৰিছিল। মনুৱে সেই হিন্দুবিলাকৰ তেনে কাৰ্য্যত দায় ধৰি, তেওঁবিলাকক আকৌ পুৰণি

বৈদিক কালৰ দেৱতাবিলাকৰ পূজা মৰ্চাইল নিবলৈ চেষ্টা কৰিছিল। কিন্তু তথাপি পূৰ্বৰ বৈদিক ধৰ্ম লাহে লাহে লোপ পোৱাই দেখাইছিল। বেদত সূৰ্য্যৰ এটা নাম আছিল বিষ্ণু, যি সকলো বস্তুক তাপ দি জীয়াই ৰাখে। বজ্ৰপাত কৰোঁতা বতাহ-মেঘৰ নাম আছিল ৰুদ্ৰ, যি বিজুলী মাৰি বিহুৱে ছোৱে সিহঁত ধ্বংস হয়। কিন্তু পিছত পৌৰাণিক যুগত বিষ্ণু হিন্দুবিলাকৰ এজন ডাঙৰ দেৱতা হল, আৰু ৰুদ্ৰই নতুন নাম শিৱ পাই দ্বিতীয়জন ডাঙৰ দেৱতা হল। তৃতীয়জন দেৱতাৰ নাম ব্ৰহ্মা, যি বেদত স্বৰ্গৰ দেৱতা আছিল। ব্ৰহ্মা সকলো বস্তুৰ সৃজন কৰোঁতা বুলি হিন্দু দৈৱত ত্ৰিমূৰ্ত্তিৰ (অৰ্থাৎ "একেই তিনি, তিনিয়েই এক") তৃতীয়জন দেৱতা হল। পুৰাণত বিষ্ণু আৰু শিৱ বাই দেৱতা বুলি গণ্য হল। খৃষ্ট জন্মৰ প্ৰায় ৮০০ বছৰৰ পিছত কালিদাসৰ সময়ত এই পৌৰাণিক ধৰ্ম ভাৰতৰ গোটেইখনতে প্ৰচলিত হৈছিল।

২। পুৰাণ বিষয়। বাস্তৱিকপক্ষত ভাৰতৰ প্ৰায় প্ৰত্যেক বিখ্যাত ঠাইৰে, প্ৰত্যেক ডাঙৰ পৰ্ব্বত আৰু নৈৰে, একোজন দেৱতা আৰু একোখন পুৰাণ, অৰ্থাৎ পুৰণি বিৱৰণ, আছে। কিন্তু সেইবোৰৰ ভিতৰত ১৮ খন প্ৰধান, আৰু তাক মহাপুৰাণ বোলে। এই মহাপুৰাণৰ সৰহ ভাগ বিক্ৰমাদিত্যৰ সময়ত আৰু তাৰ পিছৰ ২০০ বছৰৰ ভিতৰত লেখা হৈছিল। এই ১৮ খন পুৰাণৰ ৬ খনত বিষ্ণুৰ কথা, ৬ খনত শিৱৰ কথা, আৰু বাকী ৬ খনত ব্ৰহ্মাৰ কথা বৰ্ণোৱা হৈছে; আৰু প্ৰত্যেকখনৰ নাম কোনো এজন দেৱতাৰ নামেৰে দিয়া হৈছে।

৩। পুৰাণবিলাকত যেনেকৈ দেৱতাসকলৰ কথা লেখা হৈছে, সেই যুগৰ আন পুথিবিলাকত তেনেকৈ, মানুহে আচৰণ আৰু পালন কৰিব লগীয়া নীতি নিয়মবিলাক লেখা হৈছে। সেইবিলাকৰ নাম ধৰ্মশাস্ত্ৰ।

৪। বৌদ্ধযুগৰ পাছৰ এই যুগটোক পৌৰাণিক যুগ বুলিব পাৰি;

কাৰণ এই যুগতে পুৰাণবিলাক লিখা হৈছিল। পৌৰাণিকযুগৰ অন্ত এতিয়াও পৰা নাই; কিয়নো, এতিয়াও আমি পুৰাণে চলোৱা হিন্দু ধৰ্ম্মৰ যুগতে আছোঁ।

পৌৰাণিকযুগৰ হিন্দুধৰ্ম্ম প্ৰচাৰকবিলাক।

১। এই যুগত বিষ্ণু আৰু শিৱৰ পূজা-অৰ্চ্চনাৰে সৈতে তাহাঁৰ ভক্তৰ বামুণ ধৰ্ম্মোপদেশকবিলাকে চাৰিওফালে খুব প্ৰচাৰ কৰিছিল। যাইহৈক তেওঁবিলাকৰ ধৰ্ম্মোপদেশ আৰু ধৰ্ম্ম প্ৰচাৰৰ গুণতহে বৌদ্ধধৰ্ম্ম ভাৰতৰ ধৰ্ম্মৰ আগ শাৰীৰ পৰা খহিল।

২। বামুণ ধৰ্ম্মোপদেশকবিলাকৰ ভিতৰত যাইজনৰ নাম শঙ্কৰাচাৰ্য্য আছিল। তেওঁৰ জন্ম-ঠাই, দক্ষিণ-ভাৰতৰ পশ্চিম পাৰে মালাবাৰত। কুমাৰিলা ভট্টা তেওঁৰ গুৰু আছিল, যি বিহাৰৰপৰা দক্ষিণ-ভাৰতলৈ আহি বৌদ্ধধৰ্ম্মৰ বিপক্ষে মানুহক উদগাইছিল। কুমাৰিলা ভট্টই গোটেই ভাৰতত হিন্দুধৰ্ম্মৰ উপদেশ দি ফুৰিছিল। তেওঁৰ ৩২ বছৰ বয়সত, হিমালয় পৰ্ব্বতৰ কেদাৰ নাথ নামে ঠাইত তেওঁৰ মৃত্যু হয়। তেওঁ শৈব আছিল, আৰু শিৱ অৰ্থাৎ মহাদেৱৰ আৰু শিৱৰ ঘৈণীয়েক দেৱীৰ পূজা প্ৰচাৰ কৰিছিল। দেৱীক কিছুমান হিন্দুৱে দুৰ্গা আৰু কিছুমানে, যাইহৈক অনাৰ্য্য অথবা তুৰাণী বংশৰপৰা উৎপত্তি হোৱা

[বৰ্ত্তমান কালৰ শৃঙ্গেৰিৰ গুৰু]

ত্ৰিশূলে কাশী অৰ্থাৎ মৃত্যুৰ শেষ বোলে। শঙ্কৰাচাৰ্য্যই প্ৰচাৰ কৰা ধৰ্ম্মমতে চলোতা সকলক দক্ষিণ-ভাৰতত স্মাৰ্ত্ত বোলে। তুঙ্গ নৈৰ মুখত, মহীশূৰৰ পশ্চিমঘাটৰ শৃঙ্গেরি নামেৰে এটা হাবি-বননিৰে ভৰা পৰ্ব্বতৰ ওপৰত, শঙ্কৰাচাৰ্য্যই সন্ন্যাসী সকলক থাকিবলৈ এটা মঠ স্থাপন কৰি দিছিল। তাত শঙ্কৰাচাৰ্য্যৰ মহান্তসকল সম্প্ৰদায়ৰ গুৰু বা অধিকাৰক এতিয়াও থাকে, আৰু লক্ষ লক্ষ হিন্দুৰ ওপৰত প্ৰভুত্ব কৰে। শঙ্কৰাচাৰ্য্যই আৰু এটা মঠ উত্তৰে হিমালয়ৰ বদৰীনাথত, আৰু এটা পশ্চিমে কাথিয়াৱাৰৰ দ্বাৰকাত, আৰু তৃতীয়টো পূবে উৰিষ্যাৰ জগন্নাথ বা পুৰীত স্থাপন কৰিছিল।

৩। আজিকালি যত মাদ্ৰাজ চহৰ আছে, তাৰে ওচৰৰ গাওঁ এখনত প্ৰায় ১১৫০ খৃষ্টাব্দত ৰামানুজৰ জন্ম হয়। ৰামানুজৰ বাপেকে তেওঁক সৰুতে চোলা ৰজাৰ প্ৰধান নগৰ কাঞ্চী বা কঞ্জিভৰমলৈ পঠিয়াইছিল। আৰু তেওঁ তাৰ মাই মন্দিৰৰ পাণ্ডাৰ ওচৰত লেখা-পঢ়া শিকে। তাৰপৰা তেওঁ ত্ৰিচিনপলীৰ ওচৰৰ শ্ৰীৰঙ্গপত্তনলৈ গৈ

ৰামানুজ।

বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰে; আৰু সংস্কৃত ভাষাত বৈষ্ণৱধৰ্ম্মৰ অনেক পুথি ৰচনা কৰে।

৪। ইয়াৰ কিছুকালৰ পিছত তেওঁ আপোনাৰ জন্মভূমি এৰি, আৰু চোলা ঠাই ঘূৰি, মানুহক শিৱ পূজা এৰি বিষ্ণু পূজা কৰিবলৈ উপদেশ দি ফুৰিছিল। শেষে চোলা ৰজাই তেওঁক বধ কৰিব খোজাত তেওঁ পলাই গৈ মহীশূৰ পালেগৈ; আৰু তাত বিষ্ণুপূজা প্ৰচাৰ কৰি তাৰ জৈন-

ধৰ্মী মতাক খণ্ডন কৰিলে। দাক্ষিণাত্যত থাকি, বৈষ্ণৱ মতাক তত্ৰ জাতৰ মানুহৰ মাজত ধৰ্ম প্ৰচাৰ কৰিছিল। ৰামানুজ পন্থী মানুহক শ্ৰীবৈষ্ণৱ বোলে; আৰু তেওঁবিলাকৰ এক ফোঁট কপালত থাকে।

ৰামানন্দ ৰামানুজৰ শিষ্য আছিল, আৰু ৰামানুজৰ প্ৰায় ১৫০ বছৰ পিছত তেওঁ উত্তৰ-ভাৰতত এক অদ্বিতীয় ঈশ্বৰ বিষ্ণুৰ পূজা প্ৰচাৰ কৰে। তেওঁ যদিও ইকালে-সিকালে অনেক দেশত ফুৰিছিল, তথাপি প্ৰায়ৈকৈ কাশীত বাস কৰিছিল, আৰু সকলো জাতৰ মানুহৰ মাজতো ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁ হিন্দীভাষাত ধৰ্ম-পুথি ৰচনা কৰিছিল; আৰু নীহ জাতৰ ১০ জন তেওঁৰ শিষ্য আছিল।

কবিৰ (১৩৮০—১৫২০ খৃষ্টাব্দ) ৰামানন্দৰ ১২ জন শিষ্যৰ ভিতৰৰ এজন। তেওঁ গোটেই বঙ্গদেশত, একমাত্ৰ ঈশ্বৰ বিষ্ণুৰ পূজা প্ৰচাৰ কৰিছিল। তেওঁৰ সময়ত উত্তৰ-ভাৰতত মহম্মদানৰ আধিপত্য বিস্তাৰ হৈ পৰিছিল। কবিৰে হিন্দু আৰু মুছলমানক ধৰ্মৰ একেডাল ডোলেৰে বান্ধি ঐক্য কৰিবলৈ চেষ্টা কৰিছিল।

কবিৰ।

৫। কবিৰে জাতিভেদ আৰু মূৰ্ত্তি পূজাৰ বিৰুদ্ধে উপদেশ দিছিল আৰু মূৰ্ত্তি পূজা পাপ কাম বুলি কৈছিল। তেওঁ কৈছিল, ঈশ্বৰ কেৱল এজন; আৰু সেই এক ঈশ্বৰক হিন্দু আৰু মহম্মদীয় দুয়ো সমানে পূজা কৰিব লাগে। ঈশ্বৰ মানুহৰ হৃদয়ত থাকে, হাতেসজা মন্দিৰত নহয়। জীৱনটো এটা মায়া, আৰু যাৰাই একমাত্ৰ সত্য ঈশ্বৰক দেখিলে, জানিলে, আৰু প্ৰেম কৰিলেহে

শান্তি লভিব পাৰে। এনে প্ৰবাদ আছে যে, কবিৰ মৰিলত তেওঁৰ শৱটো হিন্দুৱে হিন্দুৰ দৰে পুৰিব খুজিছিল, আৰু মুছলমানে মুছলমানৰ দৰে কবৰ দিব খুজিছিল। কিন্তু যেতিয়া শৱটো ঢকা কাপোৰখন দাঙি চোৱা গল, তেতিয়া তেওঁলোকে দেখিলে যে শৱটো তাত নাই, কাপোৰ মোটাচেৰেক ফুলৰ দলহে তাত পৰি আছে। সেই ফুলৰ আধাখিনি হিন্দুৱে পৱিত্ৰ ঠাই বাৰাণসীত পুৰিলে আৰু বাকী আধা মুছলমানবিলাকে ধুমধাম কৰি কবৰ দিলে।

৬। চৈতন্য (১৪৮৬—১৫২৭ খৃষ্টাব্দ) আন এজন বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰক। তেওঁ বিষ্ণুৰ উপাসনাৰ লগতে পুৰীৰ জগন্নাথ দেৱৰ উপাসনা লগ লগাই বঙ্গদেশ আৰু উড়িষ্যাত ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তেওঁ এজন বঙ্গালী ব্ৰাহ্মণ আছিল কিন্তু তেওঁ মৰাৰ পিছত তেওঁৰ শিষ্যবিলাকে তেওঁক বিষ্ণুৰ অৱতাৰ বুলিছিল। বুদ্ধৰ নিচিনাকৈ তেওঁ কৈছিল যে ঈশ্বৰত বিশ্বাস কৰি সকলো জাতৰ মানুহ সমানে শুদ্ধ হয়। তেওঁ আৰু কৈছিল যে জীৱৰ শৰীৰৰপৰা এটোপা ৰক্তপাত কৰিলেও ঈশ্বৰৰ ওচৰত অপৰাধী হ'ব লাগে।

বল্লভাচাৰী।

চৈতন্যৰ পিছত বল্লভাচাৰীয়ে প্ৰায় ১৫০০ খৃষ্টাব্দত উত্তৰ-ভাৰতত বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰিছিল। বিষ্ণুৰ অৱতাৰ কৃষ্ণৰ পূজা-অৰ্চ্চা তেওঁ চলাইছিল। তেওঁ কৈছিল যে মানুহে আউসী একাদশী আদি কৰিলে, লঘোনে থাকিলে, অথবা কেৱল পূজা-সেৱাকে কৰি থাকিলে, নাইবা বনত বা নিৰ্জ্জনত থাকিলেই একমাত্ৰ ঈশ্বৰ বিষ্ণুক নাপায়; বিষ্ণুক সকলো আনন্দ আৰু

সুখ ভোগ কৰি থাকিলেহে হিন্দু সন্তুষ্ট হয়। ভাৰতবাসীৰ শিল্পবিলাক, বাইবে, ধনী মহাজন মুখে সদাগৰ, যাৰ জীৱনত সুখভোগৰ লালসা প্ৰবল, আৰু সুখ ভোগ কৰিবৰ সমৰ্থও আছে।

ৰাজপুত।

৬০০—১২০০ খৃষ্টাব্দ।

১। পুৰণি আৰ্য্যযুগৰ আৰু পুৰণি হিন্দুযুগৰ ৰজাবিলাক আৰু সৈন্যবিলাক ক্ষত্ৰিয় আছিল, বৌদ্ধযুগৰ সৰহ ভাগ ৰজা পূৰ্ব্বৰ নিচিনাকৈ ক্ষত্ৰিয় বংশৰ আছিল; যদিও চন্দ্ৰগুপ্ত আৰু অশোকৰ নিচিনা শূদ্ৰবংশী ৰজাও যে তাৰ ভিতৰত কিছুমান নাছিল এনে নহয়। বৌদ্ধযুগৰ মাজভাগৰত, খৃষ্টৰ পিছৰ প্ৰায় ৫০০ বছৰলৈকে স্কাইথিয় বা শক ৰজাবিলাকে উত্তৰ-পশ্চিম ভাৰতৰ অনেক প্ৰদেশত ৰাজত্ব কৰিছিল।

২। বিক্ৰমাদিত্যৰ সময়ৰ পৰা আমি স্কাইথিয় অথবা ক্ষত্ৰিয় ৰজাৰ বা ৰাজ্যৰ কথা আৰু শুনিবলৈ নেপাওঁ। কিন্তু খৃষ্টৰ প্ৰায় ৬০০ শতিকাৰ পৰা ১২০০ শতিকালৈকে ৰাজপুত ৰজাই ভাৰতৰ প্ৰায় গোটেইখনতে ৰাজত্ব কৰা আমি দেখিবলৈ পাওঁ। সেই ৰাজপুতবোৰ কোন?

৩। ৰাজপুতবিলাকে নিজে কয় যে তেওঁবিলাক ক্ষত্ৰিয়, আৰু ৰাম কৃষ্ণকে আদি কৰি পুৰণি কালৰ ক্ষত্ৰিয় ৰজাসকলৰ সন্তান-সন্ততি। তেওঁবিলাকৰ এই কথাত অনেকমান পণ্ডিতে হয় দিয়ে। ৰাজপুত শব্দৰ মানে ৰজাৰ পুত্ৰ; আৰু পুৰণি কালৰ ক্ষত্ৰিয়বোৰও সেয়ে আছিল। এইটো কিন্তু সম্ভৱ নহয় যে পুৰণি কালৰ ক্ষত্ৰিয় বংশটো একেবাৰে নিৰ্ব্বংশিক লোপ পালে। আন আন পণ্ডিতসকলৰ মতে, যি যি শক বা স্কাইথিয় জাতিয়ে খৃষ্টাব্দৰ প্ৰথম ৫০০ বছৰত ভাৰতৰ উত্তৰ-পশ্চিম প্ৰদেশত বসতি কৰিছিল, আৰু তেওঁবিলাকৰ আগেয়ে অন্য বিদেশৰ

গ্ৰীক ভাত থিতাপি হৈ থৈছিল, ৰাজপুতবিলাক সেইবোৰৰ নাতি-পুতি। কিন্তু আচল কথা এনেকৈ যেন লাগে :— যিবিলাক ৰাজপুত হৈছে মধ্য-ভাৰতত, মিশ্ৰত, আৰু কনৌজত আছিল, সেইবিলাক ঠিক কলিয়া হুণৰ পৰা উদ্ভৱ হোৱা ; আৰু বাকীবোৰ অৰ্থাৎ শকবিলাকৰ অধিকাৰৰ তলৰ অহা ৰাজপুতনা মাৰৱ, আৰু গুজৰাটৰ ৰাজপুতবোৰ হাইথিয় বংশৰ। ৰাজপুতবিলাক সাহিয়াল হুয়াক আৰু ওখ মনৰ মানুহ বুলি বিখ্যাত। তেওঁবিলাকৰ মনত, বুদ্ধৰ প্ৰাণীবধ আৰু জীৱহিংসা কৰিবলৈ হাক দিয়া শুনি আৰু শান্ত উপদেশবোৰ ভাল নেলাগিছিল। সেইদেখি তেওঁবিলাকে বৌদ্ধধৰ্মৰ লোপ আৰু পুনৰ হিন্দুধৰ্মৰ আকৌ স্থাপন বিষয়ত ব্ৰাহ্মণবিলাকক খুব সহায় কৰিছিল। খৃষ্টাব্দৰ ৬০০ ৰ পৰা ১২০০ লৈকে ৰাজপুত ৰাজত্বৰ যুগ বুলিব পাৰি। সেই ভাগৰ কালত ভালেমান ডাঙৰ ৰাজপুত ৰজাৰ আবিৰ্ভাৱ হৈছিল।

৪। আগৰ যুগত গুজৰাটৰ নাম লাৰকা আছিল আৰু সি কৃষ্ণৰ ৰাজ্য বুলি প্ৰখ্যাত আছিল। লাৰকাৰ নাম পিছত সৌৰাষ্ট্ৰ হল ; আৰু বল্লভী বংশৰ ৰজাসকলে ৪৮০ খৃষ্টাব্দৰপৰা ৩০০ বছৰ তাত ৰাজত্ব কৰে। হাউ-এন-চাং যেতিয়া সৌৰাষ্ট্ৰলৈ যায়, তেতিয়া তেওঁ তাত এজাতি ধনী আৰু ক্ষমতাশালী মানুহ দেখিছিল, যি দূৰ দেশেৰে সৈতে বেহা-বেপাৰ কৰিছিল। খৃষ্টীয় প্ৰায় ৭৪৭ শতিকাৰপৰা মহম্মদানবিলাকৰ সময়লৈকে সৌৰাষ্ট্ৰত ৰাজপুতবিলাকে ৰাজত্ব কৰিছিল। তেওঁবিলাকৰ ৰজাবিলাক চালুক্য বংশৰ আছিল, আৰু আনহিলবাৰা বা আনহিলপাটন, যাক আজি কালি পাটন বোলে, তেওঁবিলাকৰ ৰাজধানী আছিল।

৫। বিক্ৰমাদিত্যৰ ৰজা মালৱত তেওঁৰ উত্তৰাধিকাৰীসকলে ৭৩০ খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল। বিক্ৰমাদিত্যৰ পিছত সেই বংশৰ ৰজাৰ ভিতৰত শিলাদিত্য [তেওঁৱেই সকলোতকৈ ডাঙৰ। শিলাদিত্যৰ বিষয়ে হাউ-এন-চাঙৰ বিৱৰণত আমি পঢ়িবলৈ পাওঁ। তাৰ পিছত

ৰাজপুতবিলাকে মালৱত ৰাজত্ব কৰে, আৰু পিছৰ কান্যকুব্জত আনৰ ৰাজপুতবিলাকৰ এখন প্ৰধান ঠাই হৈ পৰিছিল।

৮। খৃষ্টাব্দৰ ৪৭৩ ৰ পৰা ৯৫০ লৈকে উৰিষ্যাত কেশৰী অৰ্থাৎ সিংহ বংশৰ ৰাজপুত ৰজাবিলাকে ৰাজত্ব কৰে। পুৰণি কালত উড়িষ্যা অঙ্গৰাজ্যৰ অধীন প্ৰদেশত আছিল। কেশৰী ৰজাসকলৰ ৰাজধানী ভুৱনেশ্বৰত আছিল, আৰু তাত তেওঁবিলাকে গোটেই ভাৰতৰ ভিতৰত



ভুৱনেশ্বৰৰ মন্দিৰ।

বিখ্যাত কিছুমান সুন্দৰ মন্দিৰ সজাইছিল। প্ৰথম ৰজাজনৰ নাম যযাতি কেশৰী আছিল; আৰু তেওঁ তেওঁৰ ৰাজধানীৰ কি নাম দিছিল ভাবিলেই বুজিব পাৰি যে উড়িষ্যা একালত বৌদ্ধধৰ্ম্মৰ ঠাই হৈ আছিল, তেনে ঠাইত হিন্দু দেৱতা শিৱৰ পূজাৰ মন্দিৰ স্থাপিত হৈছিল; আৰু তেতিয়া হিন্দুধৰ্ম্মৰ আকৌ প্ৰচাৰ হৈ পৰিছিল।

কেশৰী বংশৰ পিছত গঙ্গা নামেৰে আন এটা ৰাজপুত বংশৰ ৰজাই ১১৩২ খৃষ্টাব্দৰপৰা ১৫৩৪ খৃষ্টাব্দলৈকে উড়িষ্যাত ৰাজত্ব কৰে। এই বংশৰ এজন ৰজাই পুৰীৰ জগন্নাথৰ ডাঙৰ মন্দিৰটো সজায়। গঙ্গাবংশী ৰজাবিলাক বিষ্ণুপূজক আছিল। ১৫৬০ খৃষ্টাব্দত মছলমানবিলাকে উড়িষ্যা অধিকাৰ কৰে।

৭। ৫০০ খৃষ্টাব্দৰপৰা ১২০০ খৃষ্টাব্দলৈকে ৭০০ বছৰ চালুক্যবংশী ৰাজপুত ৰজাই নৰ্ম্মদা আৰু কৃষ্ণা নৈৰ মাজৰ গোটেই দক্ষিণ-প্ৰদেশ জোৰৰত ৰাজত্ব কৰে। সেই চালুক্য ৰাজপুতবিলাকৰ দুটা ভাগ আছিল। এটা ভাগৰ অৰ্থাৎ পূৰ্ব্বদেশী চালুক্যবোৰৰ ৰাজধানী গোদাবৰী নৈৰ পাৰৰ ৰাজনগ্ৰী আছিল, আৰু আনটো ভাগৰ অৰ্থাৎ পশ্চিম দেশী চালুক্যবোৰৰ ৰাজধানী মহাৰাষ্ট্ৰ দেশত থকা কল্যাণ নামে নগৰ আছিল। এই ৰাজপুত ৰজাবিলাকৰ নামহে মাথোন আমি জানিবলৈ পাওঁ।

৮। মহীশূৰত বেল্লাল বংশী ৰাজপুত ৰজাবিলাকে খৃষ্টৰ প্ৰায় ৯০০ শতিকাৰপৰা ১৩১০ খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল। এওঁবিলাকৰ ৰাজধানীৰ নাম দ্বাৰসমুদ্ৰ আছিল, আৰু তাত এওঁবিলাকে বেলোৰ নামেৰে এটা ডাঙৰ মন্দিৰ সজাইছিল। মছলমানবিলাকে এওঁলোকৰ ৰাজপাট কাঢ়ি লয়।

৯। কাকতি নামে ৰাজপুত বংশৰ ৰজাই খৃষ্টাব্দৰ প্ৰায় ১১০০ৰ পৰা ১৩২৩ লৈকে তৈলঙ্গত ৰাজত্ব কৰিছিল। ৱাৰেঙ্গলত এওঁলোকৰ ৰাজধানী আছিল। মছলমানবিলাকে তেওঁবিলাকৰ হাতৰপৰা ৰাজ্য কাঢ়ি লৈ, ৱাৰেঙ্গল ৰাজধানীৰে সৈতে গোলকুণ্ডা নামেৰে মছলমান-ৰাজ্য স্থাপন কৰে।

১০। পাল আৰু সেন বংশী ৰজাই প্ৰায় ৫০০ বছৰ কাল বঙ্গদেশত ৰাজত্ব কৰে। পাল বংশী ৰজাৰ ৰাজত্বৰ কাল ৮৫০ খৃষ্টাব্দৰপৰা ১০৫০ খৃষ্টাব্দলৈকে; আৰু সেন বংশী ৰজাৰ ৰাজত্বৰ কাল ১০৫০ খৃষ্টাব্দৰপৰা

প্ৰায় ১৩০০ খৃষ্টাব্দলৈকে তাৰ পিছত মুছলমানবিলাকে বঙ্গদেশ অধিকাৰ কৰে।

১১। যদু ৰাজপুত্ৰবিলাকে মহাৰাষ্ট্ৰৰ উত্তৰে থকা দেৱগিৰিত প্ৰায় ১১০০ খৃষ্টাব্দৰ পৰা ১৩০০ খৃষ্টাব্দলৈকে ৰাজত্ব কৰে। তেওঁবিলাকে যদুবংশী কৃষ্ণৰ লগতে একে বংশৰ ক্ষত্ৰিয় বুলি চিনাকী দিছিল। ইয়াৰ পিছত মুছলমানবিলাকে দেৱগিৰি অধিকাৰ কৰি তাৰ নাম দৌলতাবাদ দিলে।

১২। প্ৰায় ১১৯০ খৃষ্টাব্দত যেতিয়া ঘোৰী বংশৰ মুছলমানবিলাক ভাৰতলৈ আহে, তেতিয়া ৰাঠোৰ, চৌহান, আৰু তোমাৰা নামে বংশৰ তিনটা কৈদৰ ৰাজপুত ৰজাবিলাকে কনৌজ, আজমীৰ আৰু দিল্লীত ৰাজত্ব কৰি আছিল।

মুছলমানবিলাক।

১। কাবুল দেশৰ সৰহ ভাগ, নৈ আৰু জুৰ নথকা শুকান আৰু কটুৰ মাটি। তাত একো একো ডোখৰ বৰ আহল-বহল গছি জঁইয়া মাটি আছে, য'ত মাজে মাজে সেউজীয়া বননিৰ একো চমকা ঠাই দেখিবলৈ পোৱা যায়, যত ঘাঁহ গজে আৰু ভুমুক বা নাদপৰা ওলোতা পানী পোৱা যায়। পূৰণি কালত আৰবত বনৰীয়া আৰু অসভ্য জাতিৰ মানুহৰ ঠৈনবিলাকে সিহঁতৰ গৰু ছাগলি আদি চৰাবলৈ, ঠায়ে ঠায়ে সেইফালে লৈ, ঘাঁহ বিচাৰি গোটেইখন দেশতে ফুৰিছিল। সেই মানুহবোৰ বৰ ভয়ঙ্কৰ আৰু দুৰ্দান্ত স্বভাৱৰ আছিল। সিহঁতৰ ইটোৱে-সিটোৱে সদায়ে মাৰা-মাৰি কটা-কটি কৰিছিল, আৰু সিহঁতৰ ভিতৰত বৰ ক্ৰুৰ আৰু অসভ্য ব্যৱহাৰবিলাক প্ৰচলিত আছিল।

২। খৃষ্টৰ ৬০০ বছৰৰ পিছত আৰবত মহম্মদ নামেৰে এজন ধৰ্ম্মোপদেশক ওলায়। আৰবৰ মানুহবিলাকৰ বেয়া ব্যৱহাৰ আৰু আচাৰবিলাক দেখি তেওঁৰ মনত বৰ দুখ লাগিল। তেওঁ শিক্ষা দি কলে যে ইটোৱে-সিটোৱে দেৱা-দেৱি কৰি কাট-কাট যুদ্ধ বাগৰ কৰা আৰু মূৰ্ত্তি পূজা কৰা বৰ অন্যায় কাম। আৰু তেওঁ কলে যে ঈশ্বৰ মাথোঁ এজন। প্ৰথমতে আৰবীবিলাকে তেওঁৰ কথা শুনি দলিয়াই পেলাইছিল, আৰু তেওঁক মাৰি পেলাবলৈ কাৰবাৰ কৰিছিল। কিন্তু দিন পুৰণি হৈ অহিবলৈ ধৰিলত লাহে লাহে সিহঁতৰ কিছুমানে নিজৰ ঘৰৰ পূজাৰ মূৰ্ত্তি-বোৰ ভাঙি মহম্মদৰ লগ লাগিল।

৩। যিবিলাক আৰবী মানুহে নিজৰ পুৰণি ধৰম-কৰম আচাৰ-ব্যৱহাৰবোৰ এৰিব খুজিছিল, সিহঁতে মহম্মদৰ লগতে লগ লগা সেই মানুহবিলাকক আক্ৰমণ কৰি সিহঁতৰ ওপৰত উপদ্ৰৱ কৰিবলৈ ধৰিলে। কিন্তু আক্ৰমণ কৰোঁতাবিলাক শেহত পৰাস্ত হৈ পৰিল, আৰু ৬৩২ খৃষ্টাব্দত মহম্মদৰ মৃত্যু হোৱাৰ আগতে প্ৰায় গোটেই আৰবৰ মানুহে তেওঁ প্ৰচাৰ কৰা ধৰ্ম্ম ললে। কোৰাণ নামেৰে এখন পুথি মহম্মদৰ শিষ্যবিলাকৰ মাজত পবিত্ৰ ধৰ্ম্মশাস্ত্ৰ হল; আৰু মহম্মদে প্ৰচাৰ কৰা ধৰ্ম্ম মহম্মদীয় বা ইচলাম ধৰ্ম্ম হল। ইচলাম-ধৰ্ম্মত চলোঁতা বাবে মহম্মদীয়বিলাকক মুছলমানও বোলে। মুছলমান-বিলাকে কয় যে, ৬২২ খৃষ্টাব্দত মহম্মদে আৰবৰ প্ৰধান নগৰ মক্কাৰপৰা মদিনালৈ পলাই যোৱাৰ দিনৰপৰা ইচলাম ধৰ্ম্মৰ আৰম্ভ। মহম্মদৰ এই পলোৱাটোক হিজৰা বোলে। মুছলমানবিলাকে এক ঈশ্বৰত বিশ্বাস কৰে আৰু মহম্মদক ঈশ্বৰে পঠোৱা ধৰ্ম্মোপদেশক বুলি মানে। তেওঁবিলাকৰ মতে এইবিলাক মুছলমানৰ ভিতৰত ভাই ভাই বন্ধু, আৰু তেওঁবিলাক ঈশ্বৰৰ চকুত সমান। ইচলাম ধৰ্ম্ম [illegible]

জ তেওঁ নাই [illegible]

৪। আৰবীবিলাক এতিয়া এক ধৰ্ম আৰু এক নায়কৰ তলতীয়া হৈ এটা জাতি হল। সিহঁতৰ প্ৰকৃতি এতিয়াও আগতকৈ উগ্ৰ আৰু যুদ্ধপ্ৰিয়; কিন্তু আগৰ দৰে সিহঁতে আৰু পৰস্পৰ মৰা-মৰি কটা-কটি কৰিব নোৱৰা হল। সিহঁতৰ মন নতুন উৎসাহেৰে ভৰপূৰ হৈ উঠিল, আৰু



কাবা আৰু মক্কাৰ পট।

সিহঁতে ভাবিলে যে আন আন দেশতো সিহঁতৰ এই নতুন ধৰ্ম প্ৰচাৰ হব লাগে; আৰু যি এই ধৰ্ম নলয়, তাৰ ঘৰ বাৰী ভেটি-মাটি কাঢ়ি লৈ তাক মাৰি পেলোৱাটো সিহঁতৰ কৰ্তব্য। সিহঁতে ভাবিলে যে অবিশ্বাসীৰ অৰ্থাৎ ইচলাম ধৰ্মত বিশ্বাস নকৰা মানুহৰ বিপক্ষে যুদ্ধ কৰাটো ধৰ্ম-যুদ্ধ, আৰু সেই কাৰ্য্যত ঈশ্বৰ সন্তুষ্ট হয়; আৰু সেই যুদ্ধত যি মুছলমানৰ প্ৰাণ যায়

সি গোনে-গোনেই ধৰ্মলৈ যায়। যিবিলাক খ্ৰিষ্টীয়ে সিহঁতৰ অধীনতা স্বীকাৰ কৰিছিল, অথচ নিজৰ ধৰ্ম্ম এৰি ইচলাম ধৰ্ম্ম ন'লৈছিল সেই বিলাকৰ ওপৰত সিহঁতে জাজিয়া বুলি এটা ডাঙৰ কৰ লগাইছিল।

৫। আৰবৰ উত্তৰ ফালে থকা দেশবোৰ সিহঁতে আক্ৰমণ কৰি সহজে জয় কৰিলে, আৰু সেইবোৰ দেশৰ পৰা লুটি বহুমূলীয়া ধন-বস্তুবিলাক পাই সিহঁতৰ মনে আৰু আন আন দেশ জয় কৰিবলৈ লকলকাবলৈ ধৰিলে। সেইদেখি সিহঁতে এখন এখনকৈ দেশ জয় কৰি যাবলৈ ধৰিলে। এশ বছৰৰ ভিতৰতে সিহঁতে পাৰস্য, তুৰ্কিস্থান, আফগানিস্থান, অৰ্থাৎ পূৰ্ব্বৰ পাৰস্য সাম্ৰাজ্য গোটেইখন অধিকাৰ কৰিলে, আৰু সেই দেশবিলাক মহলমান হল।

৬। পাৰস্যৰ কিছুমান মানুহ আৰবীবিলাকৰ ওচৰত সৈমান নহল, আৰু তেওঁলোকে মহলমান ধৰ্ম্মও নললে। সেই মানুহবিলাকে নিজৰ দেশ এৰি পলাই আহি ভাৰতবৰ্ষত বসতি কৰিলে। আজি প্ৰায় ১২০০ বছৰৰ ওপৰ হল, সেই মানুহবিলাক ভাৰতত বাস কৰি আছে; আৰু তেওঁবিলাকক পাৰ্চী বোলে। পূৰ্ব্বৰ কালৰ আৰ্য্যবিলাকৰ দৰে পাৰ্চীবিলাকে ঈশ্বৰৰ নিদৰ্শন স্বৰূপে অগ্নি পূজা কৰে। আজিকালি তেওঁবিলাকৰ থাই থকা ঠাই বোম্বাই। তেওঁবিলাক শান্ত আৰু সুৰ মনৰ মানুহ আৰু বেহা বেপাৰত বৰ চোকা। তেওঁবিলাকৰ ভিতৰত অনেক মানুহ বৰ ধনী; আৰু পৰৰ উপকাৰৰ অৰ্থে তেওঁবিলাকে খুব ধন-বিত্ত খৰচ কৰে।

৭। ভাৰতবৰ্ষৰ উত্তৰ ফালে থকা দেশবিলাকত আৰবীবিলাক বিয়পি পৰাৰ নিমিত্তে, সেইবিলাক দেশৰ পৰা, আগৰ দৰে হূণ জাতিৰ কৈয়বোৰ কেইবা শতিকালৈকে, হো-হো-কৰে ভাৰতলৈ আহিব পৰা নাছিল; কাৰণ, সিহঁত আৰবীবিলাকৰে সৈতে ইমান যুদ্ধত ব্যস্ত আছিল যে ভাৰতৰ ফালে চকু দিবলৈ সিহঁতে সমূলি আহৰি নাপাইছিল।

মূৰ্ত্তি ভাঙোতা

গজ্‌নিৰ মামুদ।

৯৯৭-১০৩০।

১। পূৰণি কালত আৰ্য্য, গ্ৰীক আৰু স্কাইথিয়বিলাকৰ দৰে, প্ৰায় ৯০০ বছৰৰ আগেয়ে আফগান আৰু তুৰ্কি কৈদ কিছুমান আহি হো-হো-কৰে ভাৰতবৰ্ষত সোমাইছিল। আৰবীবিলাকে আৰবৰ উত্তৰ, আৰু উত্তৰ পূব ফালৰ দেশবিলাক জয় কৰিবৰ মনেৰে আপোনাৰ দেশ এৰি আহিবৰ প্ৰায় ৩০০ বছৰ হৈছিল; আৰু এই কালৰ ভিতৰত তুৰ্কিস্থান, পাৰস্য আৰু আফগানিস্থানৰ এটাইবিলাক মানুহ মছলমান হৈ পৰিছিল। তালেমান আৰবী পৰিয়ালে সেইবোৰ দেশত নিগাজীকৈ বসতি কৰিছিল, আৰু সিইঁতৰ মন আৰবৰ আৰবীবোৰৰ সিঁচনাকৈ নতুন ধৰ্ম্মৰ নতুন উৎসাহত ভৰ-পূৰ হৈ উঠিছিল।

২। সেই কালত গজনি আফগানিস্থানৰ ৰাই নগৰ আছিল। তাৰ ৰজাজন তুৰ্কিদেশৰ মানুহ আৰু তেওঁৰ নাম মামুদ আছিল। মামুদৰ বাপেকে জয়পাল নামে পঞ্জাবৰ ৰাজপুত ৰজাৰ সৈতে অনেক বাৰ যুদ্ধ কৰি শেহত তেওঁক পৰাস্ত কৰি সিন্ধুনৈৰ সীমালৈকে দেশখন কাঢ়ি লৈছিল। সেই কালত ভাৰতবৰ্ষ পৃথিবীৰ ভিতৰত সকলো দেশতকৈ ধনী দেশ আছিল। উত্তৰ পশ্চিম ফালে থকা দেশবোৰে সৈতে, আৰু য়ুৰোপৰ সৈতে সেই কালত ভাৰতবৰ্ষৰ খুব বেহা-বেপাৰ চলিছিল। উটৰ পিঠিত বোজা দি বহুমূলীয়া বস্তবোৰ আফগানিস্থানৰ পৰ্ব্বতৰ মাজেৰে দুৰ্গম বাটবোৰেদি সেই দেশবিলাকলৈ বেপাৰৰ নিমিত্তে নিয়া হৈছিল। মামুদ যেতিয়া লৰা আছিল, তেতিয়া তেওঁৰ বাপেকৰ ৰাজ্যৰ মাজেদি, পিঠিত বহুমূলীয়া বস্তুৰ বোজা লৈ দীঘলীয়াকৈ লানি লাগি যোৱা উটবোৰ তেওঁ দেখিবলৈ পাইছিল। তেওঁ তেতিয়া বেপাৰীবোৰৰ সৈতে

কথা-বাৰ্ত্তা পাতিছিল আৰু সিহঁতৰ মুখে ভাৰতবৰ্ষৰ ডাঙৰ ডাঙৰ নগৰ-বোৰৰ আৰু ধন-সোণেৰে ভৰা মন্দিৰবোৰৰ কথা শুনিছিল। তেওঁ সেই সৰু বয়সতে কৈছিল, যে তেওঁ যেতিয়া ডাঙৰ হৈ ৰজা হব, তেতিয়া তেওঁ হিন্দুস্থানৰ ৰজাবিলাকৰ সৈতে যুদ্ধ কৰিব, আৰবাবিলাকে আৰম্ভ কৰাৰ নিচিনাকৈ তেওঁবিলাকৰ দেৱতাৰ মূৰ্ত্তিবোৰ ভাঙি ডোখৰ ডোখৰ কৰিব, মন্দিৰবোৰ ভাঙি মাটিৰে সৈতে সমান কৰিব আৰু তাৰপৰা সোণ-ৰূপ আৰু বহুমূল্যীয়া বস্তুবোৰ গজনিলৈ লৈ যাব।

৩। ৩০ বছৰ বয়সত মামুদ ৰজা হল, আৰু তেওঁ যেনে কৈছিল তেনে কৰিলে। বাৰিষাৰ ওৰ পৰিলে আৰু পৰ্ব্বতৰ মাজৰ ঘাটবোৰৰ বৰফ পমি যাবলৈ মাথোন তেওঁ বাটচাই আছিল। সেইবোৰ হৈ গলাত তেওঁ তেওঁৰ ফৌজ লৈ ভাৰতবৰ্ষত সোমালহি। লুট-পুট কৰা ধনৰ বোজা নি লৈ যাবলৈ তেওঁ লগত বহুত উট আৰু ঘোঁৰা আনিছিল। তেওঁৰ বাপেকে সৈতে যুদ্ধ কৰোঁতা জয়পাল ৰজা তেওঁৰ সৈতেও যুদ্ধ কৰিবলৈ সাজু হল। কিন্তু যুদ্ধত জয়পাল হাৰি পলাল, আৰু মামুদে তেওঁৰ ধন-বস্তু লুটি লৈ গজনিলৈ উভতি গল। সেই অপমানত মৰ্ম্মান্তিক বেজাৰ পাই জয়পালে তেওঁৰ পুতেক আনন্দপালক ৰাজ্য ভাৰ দি জুইত জাপ দি পুৰি প্ৰাণত্যাগ কৰিলে।

৪। আনন্দপালে দেখিলে যে হিন্দুস্থানৰ মহা বিপদ উপস্থিত। তেওঁ উজ্জয়িনী, গোৱালিয়ৰ, কনৌজ, দিল্লী আৰু আজমিৰৰ ডাঙৰ ৰাজপুত ৰজা সকললৈ কৈ পঠিয়ালে যে তেওঁবিলাক সকলোৱে তেওঁৰে সৈতে যোট-খাই, আফগানবিলাকৰ পৰা হিন্দুস্থান ৰক্ষা কৰিবলৈ কাৰবাৰ কৰা উচিত; কাৰণ তেওঁ ভালকৈ জানিছে, যে আফগানবিলাক আৰু আগত বহুতলৈ ভাৰতলৈ আহিব। আনন্দপালৰ কথাত, ৰজাবিলাক সৈন্য-সামন্ত লৈ পঞ্জাবলৈ আহিল। কিন্তু উত্তৰৰ ঠাণ্ডা ঠাইৰ মানুহ আফগানবিলাক হিন্দুস্থানৰ গৰম ঠাইৰ ৰজা ৰাজপুতবিলাকতকৈ

শকত হ'লে ৰাজপুতবিলাক লগত লাগি চকি পলাই গৈ ৰণীৰাস্ত পৰিল। বুজ ভিজি মাহে, নগৰকোটৰ মন্দিৰবোৰত ৰত্ন ৰত্নাভৰণবোৰ গোটথাই থকা, সেইভাৰ সোণৰূপ মুকুতা পোৱাল আদি ধন ৰত্নবিলাক লুটি লৈ গজনীলৈ উভতি গল।

৫। এইদৰে মামুদে সোতৰবাৰ ভাৰতবৰ্ষলৈ আহি ধন-বস্ত্ৰ গজনীলৈ লুটি-পুটি লৈ গৈছিল। প্ৰতিবাৰে সাত বাটি গৈ গৈ আগবাঢ়ি আহি আছিল। তেওঁ যিখন নগৰকে বা যিটো মন্দিৰকে ধন-বস্তুৰে সমৃদ্ধ চহকী দেখিছিল সেইখন নগৰলৈকে আৰু সেইটো মন্দিৰলৈকে আহি লুটপাট কৰিছিল। সেই দেৱালয়বোৰ তেওঁ ভাঙি পেলাইছিল, প্ৰতিমাবোৰ ভাঙি ডোখৰ ডোখৰ কৰিছিল, আৰু যুগ-যুগান্তৰৰ পৰা তাত গোটথাই থকা ধন-সম্পত্তিবোৰ লুটি লৈ গুচি গৈছিল।

৬। ১০২৪ খৃষ্টাব্দত মামুদ আকৌ ভাৰতলৈ আহে, আৰু এইবাৰেই শেষ বাৰ। এইবাৰ তেওঁ দক্ষিণমুৱা হৈ, ৩৫০ মাইল সিন্ধু দেশৰ মৰুভূমিৰ ওপৰেদি গৈ গুজৰাট পাই তাৰ বিখ্যাত সোমনাথৰ মন্দিৰ আক্ৰমণ কৰে। মন্দিৰ ৰক্ষা কৰিবলৈ গোটখোৱা হিন্দু সৈন্যবোৰক মামুদে যুদ্ধত হৰুৱাই মন্দিৰৰ ভিতৰত সোমালত তাৰ পাণ্ডাবিলাকে ভয়ত কঁপি কঁপি মামুদক কলে যে যদি তেওঁ তেওঁবিলাকৰ প্ৰতিমাত হাত নলগায় তেন্তে তেওঁবিলাকে তেওঁক বিস্তৰ ধন-বিত দিব। কিন্তু মামুদে উত্তৰ দিলে, "মই মূৰ্ত্তি বেচোঁতা নহওঁ, মূৰ্ত্তি ভাঙোঁতাহে।" এই বুলিয়েই তেওঁৰ হাতত থকা লোৰ ডাঙৰ গদাৰে প্ৰতিমাখনৰ ওপৰত তেওঁ পুনঃ পুনঃ টাঙোন এটা মাৰি প্ৰতিমাখন ভাঙি ডোখৰ ডোখৰ কৰিলে।

৭। ইয়াৰ পিছত মামুদ আফগানিস্থানলৈ উভতি আহি অলপ দিনৰ ভিতৰতে মৰে। তেওঁ যদিও ভাৰতত নিজে ৰাজ্য কৰা নাছিল, তথাপি পঞ্জাবৰ প্ৰধান নগৰ লাহোৰত এজন শাসনকৰ্ত্তা থৈ গৈছিল। ১৫০ বছৰ হিন্দুবিলাকে অহোপুৰুষাৰ্থ কৰিও আফগানবিলাকক ভাৰতৰ পৰা

উলিয়াই দিব নোৱাৰিছিল। মামুদৰ পিছৰ আফগান ৰজাবিলাকে লাহোৰৰ কটকটীয়াকৈ নিজৰ হাতৰ মুঠিত ৰাখিছিল; আৰু কোৰ চৈ পঞ্জাবৰপৰা ওলাই আহি গঙ্গাৰ উপত্যকাত থকা ভাৰতৰ আনৰ হিন্দু চহৰবোৰ ঘনে ঘনে লুট-পাট কৰি আছিল। এই আফগান ৰজাবিলাকৰ দুখন ৰাজধানী আছিল এখন গজনি আনখন লাহোৰ।

মহম্মদ ঘৰী।

১১৮৬-১২০৬।

১। তুৰ্কী বংশৰ ৰজাবিলাকে ১৫০ বছৰ গজনিত ৰাজত্ব কৰাৰ পিছত, আফগানিস্থানৰ উত্তৰ-পশ্চিম কালে ঘৰ নামে ঠাইত থকা এটা আফগান ফৈদে তেওঁবিলাকক বশত হৰুৱায়; আৰু মহম্মদ চাহাবউদ্দিন নামে ৰজা এজন, যাক বুৰঞ্জীত মহম্মদ ঘৰী বোলে, তেওঁলোকৰ ওপৰত ৰজা হয়। মামুদ-গজনিৰদৰে মহম্মদ ঘৰীও সাহিয়াল আৰু দুৰ্জাক ৰজা আছিল; আৰু তেওঁৰ দৰেই মহম্মদ ঘৰীয়েও উত্তৰ-ভাৰত আক্ৰমণ কৰি কৰি নিজৰ মানুহটো কটাইছিল। কিন্তু মামুদৰ সৈতে মহম্মদ ঘৰীৰ এইখিনি মাথোন প্ৰভেদ যে,

মহম্মদ ঘৰী।

মামুদৰদৰে ভাৰতৰ চহকী চহৰ আৰু দেৱালয়বোৰ অকল লুটি-পুটি লৈ যোৱাই তেওঁৰ অভিপ্ৰায় নাছিল ভাৰত জয় কৰি তাৰ ৰজা হৈ ৰাজ্য শাসন কৰিবৰ তেওঁৰ ইচ্ছা আছিল।

২। এই সময়ত উত্তৰ-ভাৰতত চাৰিখন ডাঙৰ ৰাজ্যত ৰজা

আছিল। দিল্লী তোমাৰ কৈদৰ আজমীৰ চোহান কৈদৰ, কনৌজ ৰাঠোৰ কৈদৰ, আৰু গুজৰাট বাঘিলা কৈদৰ ৰাজধানী আছিল। দিল্লীৰ তোমাৰা কৈদৰ ৰজা অপুত্ৰক আছিল দেখি, তেওঁ তেওঁৰ জীয়েকৰ পুতেকক তোলনীয়া-পো কৰি লৈছিল। তেওঁৰ জীয়েক চোহান ৰাজপুত ৰজাৰ ঘৰলৈ পৰিছিল। চোহান ৰাজপুতবিলাকৰ ৰজা পৃথ্বিৰাজ তেওঁৰ নাতিয়েক আছিল; আৰু নাতিয়েকক তেওঁ তোলনীয়া-পো কৰি লৈছিল। পৃথ্বীৰাজ বৰ সাহিয়াল আৰু দেখনিয়াৰ আছিল। ককাক মৰিলত আজমিৰৰ ৰজা পৃথ্বিৰাজ দিল্লীৰো ৰজা হল। কিন্তু ৰাঠোৰ ৰাজপুতবিলাকৰ ৰজা জয়চান্দও তোমাৰা ৰজাৰ এজন নাতিয়েক আছিল। জয়চান্দে ভায়েক পৃথ্বিৰাজক বৰ খিয়াল কৰিছিল, আৰু ককাকে তেওঁক উত্তৰাধিকাৰী নকৰি পৃথ্বিৰাজক কৰা বাবে তেওঁৰ খং উঠিছিল।

৩। প্ৰথম বাৰতে চাহাব-উদ্দিনে ভাৰত আক্ৰমণ কৰিবলৈ আহি দিল্লীৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে। ১১৯১ খ্ৰীষ্টাব্দত, দিল্লীৰপৰা ৮০ মাইল দূৰত থকা থানেশ্বৰ নামে এখন ঠাইত, দিল্লী আৰু আজমীৰৰ ৰজা পৃথ্বিৰাজ আৰু আন আন ৰাজপুত ৰজাবিলাকৰ প্ৰবল সৈন্যৰ লগত চাহাব-উদ্দিনৰ এখন ডাঙৰ যুদ্ধ হয়। সেই যুদ্ধত আফগানবিলাক সম্পূৰ্ণৰূপে হাৰে, আৰু চাহাব-উদ্দিন কোনো-কোনোমতেহে মৰিব সাৰিযায়। চাহাব-উদ্দিনৰ সৈন্যবোৰক ৰাজপুতবিলাকে ৪০ মাইল খেদি নিছিল; আৰু

পৃথ্বিৰাজ।

সিহঁতৰ বিৰোধ প্ৰায় নৈ শাবিল, সিহঁত পলাই সিন্ধুনৈৰ সিপাৰ পাৰ হ'লগৈ।

৪। ১১৯৩ খ্ৰীষ্টাব্দত চাহাব-উদ্দিনে ১২০,০০০ অশ্বাৰোহী সৈন্য লৈ আকৌ ভাৰত আক্ৰমণ কৰিলে। এইবাৰ পৃথ্বিৰাজক সহায় কৰিবলৈ ৰাঠোৰ ৰজা অথবা তেওঁৰ আন-বন্ধু ৰাজপুত ৰজাবিলাক না হল। তেওঁ আৰু তেওঁৰ চোহান বংশী ৰজাবিলাকে আকৌ থানেশ্বৰৰ যুদ্ধক্ষেত্ৰত মহম্মদ ঘোৰীক যুদ্ধ দিলে। ৰাজপুতবোৰে বৰ বিক্ৰমেৰে ময়ো-আও-সোঁ-আদিকৈ যুদ্ধ কৰিও শেষত হাৰিল আৰু সেই যুদ্ধতে পৃথ্বিৰাজৰ প্ৰাণ গল। পৃথ্বিৰাজৰ মূৰটো জয়চান্দৰ আগেয়ে থাম.ৰ চতাত উঠি গতি গল। মহম্মদ ঘোৰীয়ে দিল্লী অধিকাৰ কৰাৰ পিছত আজমীৰ জয় কৰি তাৰ ধন-সম্পত্তি লুটি লৈ ঘৰলৈ উভতি গল। তেওঁ অধিকাৰ কৰা দেশবোৰ শাসন কৰিবলৈ তেওঁৰ সেনাপতি কুতুব-উদ্দিনক থৈ গৈছিল।

৫। ইয়াৰ পিছৰ বছৰত ১১৯৪ খ্ৰীষ্টাব্দত চাহাব-উদ্দিন ঘোৰী আকৌ ভাৰতলৈ আহি কনৌজৰ ৰজা জয়চান্দৰ সৈতে ৰণ কৰিলে। জয়চান্দে চোহান ৰাজপুতবিলাকৰ সহায়তাপৰা বঞ্চিত হৈ অকলে মহাবিক্ৰমেৰে যুদ্ধ কৰি পৰাস্ত হৈ ৰণত ভঙ্গ দি শেষত প্ৰাণ হেৰুৱালে। পিছত মহম্মদ ঘোৰীয়ে কনৌজ আৰু বাৰাণসী অধিকাৰ কৰে। অকল বাৰাণসীতে মহম্মদ ঘোৰীয়ে এহেজাৰৰ ওপৰে মন্দিৰ ভাঙ্গি ধ্বংস কৰিছিল; আৰু তাৰ পিছত লুটি লোৱা ধন-ৰত্নবোৰ ৪০০ উটৰ পিঠিত বোজা দি ঘৰলৈ উভতি গৈছিল।

৬। ইয়াৰ পিছত ৰাঠোৰ ৰাজপুতবিলাকে উত্তৰ-ভাৰতৰ আৰু আন কিছুমান ৰাজপুত বৈৰ লগত লৈ, তেওঁলোকৰ বুঢ়া-ককাৰ ভিটাৰ হাজাৰ হাজাৰ বছৰৰ মাটি-ভেটি এৰি, জলা জঙ্গল আৰু পৰ্ব্বতময় ঠাইলৈ গৰু মহ আদি লৈ উঠি গৈ, দক্ষিণ কাচ-আৰাৱলী পৰ্ব্বতৰ দুই

আৰু পশ্চিমে থকা অযোধ্যাৰ নামে ঠাইত বসতি কৰিলে। তেতিয়াৰে পৰা সেই ঠাইডোখৰৰ নাম ৰাজপুতনা হল।

৭। মহম্মদ ঘৰী আৰু তেওঁৰ সেনাপতিবিলাকে ইয়াৰ পিছত প্ৰায় গোটেই উত্তৰ-ভাৰতবৰ্ষ জয় কৰিলে। তেওঁবিলাকৰ ভিতৰৰ বক্তিয়াৰ খিলজি নামেৰে এজনে ১১৯৯ খৃষ্টাব্দত অযোধ্যা আৰু বিহাৰ, আৰু ১২০৩ খৃষ্টাব্দত বঙ্গদেশ জয় কৰে। তেতিয়া লক্ষ্মণাৱতী নামে এখন নগৰ বঙ্গদেশৰ ৰাজধানী আছিল। আফগানবিলাকে তেওঁবিলাকৰ নিজ দেশৰ নামৰ আৰ্হিৰে লক্ষ্মণাৱতীৰ নাম গৌৰ ৰাখিলে। বঙ্গদেশৰ বুঢ়া ৰজা লক্ষ্মণসেনক তেওঁবিলাকে বন্দী কৰাৰ নিচিনা কৰিছিল। যেতিয়া আফগানবিলাকে লক্ষ্মণসেনক ধৰিবলৈ হো-হো-কৈ ৰজাৰ কাষেদি সোমাল তেতিয়া ৰজাই ভাত খাই আছিল। তৎক্ষণাত তেওঁ ভাত-পানী এৰি, গুদা ভৰিৰেই পিছ দুৱাৰেদি পলাই উড়িষ্যা পালেগৈ। উড়িষ্যাৰ জগন্নাথৰ মন্দিৰত তেওঁৰ জীৱনৰ বাকীডোখৰ কাল তেওঁ কটাইছিল। ইয়াৰ পিছত আফগানবিলাকে বাকিলা কৈয়ৰ ৰাজপুতবিলাকক পৰাস্ত কৰি কনৌজ আৰু তাৰ পিছত গোৱালিয়ৰ অধিকাৰ কৰে। কিন্তু মালৱদেশ তেওঁবিলাকে জয় কৰা নাছিল।

৮। মহম্মদ ঘৰীয়ে শেহৰ বাৰ ভাৰতবৰ্ষলৈ আহোঁতে, পঞ্জাব এচোৱৰ বাটত, গাক্কাৰ নামেৰে এজাতি পৰ্বতীয়া মানুহৰ হাতত প্ৰাণ হেৰুৱালে। এদিন তেওঁ ৰাতি তেওঁৰ তম্বুৰ ভিতৰত শুই থাকোঁতে, গাক্কাৰবিলাকে তেওঁক হত্যা কৰিলে। মৃত্যুৰ পিছত তেওঁৰ মৰাটো গজনিলৈ লৈ গৈ কবৰ দিয়া হয়। মহম্মদ ঘৰীৰ পিছত কুতুবউদ্দিন নামে তেওঁৰ সেনাপতি এজনে, মহম্মদে জয় কৰা ভাৰতবৰ্ষৰ দেশ-বোৰ অধিকাৰ কৰি দিল্লীৰ ৰজা বা চুলতান হল। মহম্মদ ঘৰীকেই প্ৰথম ভাৰত জয় কৰোঁতা বুলিব লাগে, কিয়নো, তেওঁ তেওঁৰ সৈন্য-সামন্ত লৈ [illegible] জয় কৰি আফগানে ৰজা হৈ থাকিবলৈ আহিছিল; গজনিৰ মামুদৰ

হবে ভাৰতৰ ধন-ৰত্ন লুটি-পুটি লৈ ভাৰত এৰি নিজৰ দেশলৈ গুচি যোৱাটো তেওঁৰ অভিপ্ৰায় নাছিল।

আফগান বা পাঠান ৰজাবিলাক

খৃষ্টাব্দ, ১২০৬–১৫২৬।

১। ১২০৬ খৃষ্টাব্দৰপৰা ১৫২৬ খৃষ্টাব্দলৈকে ৩২০ বছৰ আফগান ৰজাবিলাকে দিল্লীত শাসন কৰে। তেওঁবিলাকৰ ভিতৰৰ কিছুমান ৰজা পাখ্‌টান বা পাঠান কৈদৰ আছিল দেখি হিন্দুবিলাকে তেওঁবিলাকক পাঠান বুলিছিল। বাস্তবিকপক্ষত, তেওঁবিলাক প্ৰায় এটাইবোৰ আফগান জাতিৰ মানুহ যদিও, কিন্তু একে বংশৰ নহয়। এই ৰজাবিলাক পাঁচটা বেলেগ বংশৰ আছিল;—দাস বংশৰ, খিলজী বংশৰ, টোগলক বংশৰ, সৈয়দ বংশৰ, আৰু লোদি বংশৰ।

২। আফগানবিলাকে এখন এখনকৈ পূৰণি হিন্দু ৰজাবোৰ যুদ্ধত পৰাস্ত কৰিছিল। হিন্দুবিলাকৰ পক্ষে এই কালছোৱাৰ ভয়ানক দুৰ্গতিৰ কাল। এই কালত গোটেই ভাৰতৰ এঠাইত নহয় এঠাইত যুদ্ধ লাগিয়েই আছিল। সোৰৌৰ সংগ্ৰাম নকৰাকৈ হিন্দু ৰজাবিলাক আফগানৰ ওচৰত সহজে সেমান হোৱা নাছিল। তেওঁলোকৰ ভিতৰৰ অনেক পৰাজিত হোৱাও নাছিল। মাজে মাজে তুৰ্কী, তাতাৰ, আফগান, আৰু মোগল কেপবোৰ হো-হো-কৰে ল-লকৈ আহি ভাৰতত বিপ্লৱ দি পৰিছিল, আৰু আগৰ আফগান, তুৰ্কী আৰু পূৰণি হিন্দুবিলাকে সৈতে নষ্ট বশ কৰিছিল।

৩। দেশত এনে হুলস্থুল দেখি, মানুহবোৰে খাঁহি-খুঁহি কাটি-কুটি নিজৰপৰা খাধিৰ মতেনে সকলো এঠাই নিজৰ ধন-বিষয়বোৰ মাটিত পুতি থৈছিল। আৰি আৰিকালি, শান্তি আৰু সুশাসনৰ কালত থাকি ভাৰতে

মনত ধাৰণা কৰিব লোৱাবো যে সেই কালৰ পাঠান ৰজাসকলৰ তলত হিন্দুস্থানৰ অৱস্থা কি ভয়ানক হৈছিল। পূৰ্বে হিন্দু মন্দিৰবোৰৰ সৰহখিনি তেওঁবিলাকে ভাঙি ধ্বংস কৰিছিল; কাৰণ, তেওঁবিলাকৰ ভিতৰত, আন কি বাৰ ধৰ্ম্মৰ বুলি অলপ খাতিৰ না ছিল তেওঁবো মনৰ ভাব এনেকুৱা আছিল, যে যি মুছলমান নহয়, তাৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰ কৰাটো উচিত, আৰু সকলো হিন্দুকে ধৰি মুছলমান কৰাটো তেওঁৰ কৰ্ত্তব্য কাম, আৰু মুছলমান ধৰ্ম্ম লবলৈ অমান্তি হোৱাবিলাকক মাৰি পেলোৱা যুগুত। পথাৰৰ খেতি-বাতি হাল-কোৰ পথাৰতে এৰি অনেক হিন্দু খেতিয়ক প্ৰাণ লৈ পলাই হাবিত সোমাইছিল গৈ; অনেক হিন্দু মানুহে তত নেপাই নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ মুছলমান ধৰ্ম্ম লৈছিল; আৰু অনেকে ৰজাঘৰীয়া বিষয় পাবলৈ বা বঢ়াৰ খাতিৰ পোৱাবলৈকো মুছলমান হৈছিল। পাঠান ৰজাবিলাকৰ কিছুমান বৰ বিখ্যাত সেনাপতি, মুছলমান হোৱা হিন্দু আছিল।

৪। পূৰ্বে কালত যেনেকৈ আৰ্য্যবিলাক লাহে লাহে পূব কাললৈ বিয়পি আহিছিল, অৰ্থাৎ পঞ্জাবৰপৰা যমুনালৈকে আৰু যমুনাৰপৰা গঙ্গাৰ উত্তৰ পৰীয়া ঠাইবোৰ পাইছিলহি, সেইদৰে আফগান, তুৰ্কী আৰু পাৰস্যীয়বিলাক পূবকাললৈ বিয়পি আহি সিন্ধুৰপৰা দিল্লী, অযোধ্যা, বেহাৰ আৰু বঙ্গদেশ পাইছিলহি। পাৰস্য আৰু তুৰ্কিস্থানৰ অনেক সাহিয়াল আৰু দুৰ্বাক মানুহে বেজিয়া ও সৰহৈ পালে, যে কেনেকৈ তেওঁলোকৰ দেশী বন্ধু বান্ধৱবোৰ হিন্দুস্থানলৈ আহি অনায়াসে ধনী হৈ উঠিছে, তেতিয়া তেওঁলোকৰ অনেকমানে আপোন দেশ এৰি ভাৰতলৈ আহিবলৈ ধৰিলে। ভাৰতৰ মুছলমান ৰজাবিলাকে সেইবিলাকক মাটি-বাৰী দি ভাৰতত বিয়পি পৰাই দিছিল। আজিকালিৰ উত্তৰ-ভাৰতৰ অনেক ডাঙৰ মুছলমান পৰিয়ালৰ আদিপুৰুষবোৰ এইদৰেই আহি হিন্দুস্থানত নিগাজি হোৱা। হিন্দুস্থানৰ লোকসংখ্যাত, জানগায় মুখ্য . মানুহে,

ধৰিতে একে দেশৰপৰাই আহা একোজন সাহিয়াল তুৰ্কক মানুহ গোটাই লৈ সিহঁতৰ সহায়ত একোখন নব নব ৰাজ্য পাতি ৰজা হৈ পৰিছিল। দ্বিতীয় ৰজা পৰাক্ৰমী আৰু প্ৰতাপী হলে সেই সৰু ৰজা-বোৰে তেওঁক কৰ-কাটল দি তেওঁৰ অধীনতা স্বীকাৰ কৰিছিল, আৰু নিৰ্বলতীয়া আৰু কোমল হলে, সিবিলাকে তেওঁক নমনা হৈ স্বাধীন ৰজা হোৱাই মূৰজোকাৰি উঠিছিল।

দাস ৰজাবিলাক।

১২০৬—১২৯০

১। মুঠতে দাস বংশৰ ৯ জন ৰজা আৰু এজনা ৰাণীয়ে ৮৪ বছৰ ৰাজত্ব কৰে। তেওঁবিলাকৰ কোনো কোনোজনৰ ৰাজত্বৰ কাল নিচেই অলপ। এই বংশৰ ৰজাবিলাকৰ ভিতৰত ৫ জনৰ বিষয়ে ভালকৈ জানিব পাৰি।

২। কুতুবউদ্দিন দাস বংশৰ প্ৰথম ৰজা। তেওঁ তুৰ্কী জাতিৰ মানুহ, আৰু ৰজা কালত দাস আছিল। সেই কালৰ মহম্মদানবিলাকৰ ভিতৰত এনে নিয়ম চলিত আছিল যে যুদ্ধত তেওঁবিলাকে যাক বন্দী কৰে, সি তেওঁলোকৰ দাস বা গোলাম হয়। সেই গোলামক তেওঁলোকে খুব যেনত ৰেটিছিল। বন্দীবোৰক তেওঁলোকে বলেৰে মহম্মদান কৰিছিল; আৰু সিহঁত নিজৰ দেশ এৰি ইটো সুবিধাৰ প্ৰকাৰ শিকিছিল, গৰাকীৰ ঘৰ আৰু পৰিয়ালৰ মানুহকে সিহঁতে লাহে লাহে আপোন বুলি ভাবি বিশ্বাসী হৈ চলিছিল। কেতিয়াবা অপুত্ৰক গৰাকীয়ে জন্ম বন্দীক তেওঁলোকৰ পো কৰি লৈছিল। এইদৰেই বন্দী দাস প্ৰভুৰ গৰাকীৰ নিজৰ পৰিয়ালৰ ভিতৰ হৈ আছিল; আৰু লাহে লাহে কুতুব এজন ডাঙৰ সেনাপতি, আৰু অৱ শিলতে

ধৰা হৈছিলহঁত। এইদৰে কুতুবক দাস বা গোলাম বংশৰ প্ৰথম ৰজা বোলে। সেই বংশী ৰজাৰ সবহ ভাগ লৰা কালতে তেওঁৰে নিচিনা গোলাম আছিল।

৩। কুতুব এজন সাহিয়াল যুজাৰু আৰু নিপুণ নায়ক আছিল। নিজৰ বিষয়াবোৰৰ ভিতৰত তেওঁ উদাৰ, ধৰ্মিয়াল আৰু দাতা বুলি তেওঁৰ বৰ নাম আছিল; কাৰণ তেওঁ সিহঁতক ধন বৰ মাটি-বাৰী মুকলি মনেৰে দান কৰিছিল। কিন্তু হিন্দু-বিলাকৰ প্ৰতি তেওঁ নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল। ২৫ টা হিন্দু মন্দিৰৰ পৰা ভাঙি নিয়া শিলেৰে তেওঁ দিল্লীৰ ওচৰত কুতুব-মিনাৰ নামেৰে এটা ওখ স্তম্ভ সজাবলৈ আৰম্ভ কৰিছিল। সেই স্তম্ভটো ওখই ২৫০ ফুট; আৰু পৃথিৱীৰ ভিতৰত থকা আন এটাইবোৰ স্তম্ভতকৈ ওখ। আজিও সেই স্তম্ভটো ঠিয় হৈ আছে।

কুতুব উদ্দিন।

৪। কুতুবৰ দাস ৰজাৰ নাম আল্তামাচ আছিল; আৰু দাস ৰজাবিলাকৰ ভিতৰত তেৱেঁই সকলোতকৈ ডাঙৰ আছিল। তেওঁ ২৫ বছৰ ৰাজত্ব কৰে। কুতুবৰ নিচিনাকৈ তেওঁও লৰা কালত কুতুবৰ গোলাম আছিল। তেওঁ কুতুবৰ জীয়েকক বিয়া কৰাইছিল। কুতুব মৰাৰ পিছত আল্তামাচে কুতুবৰ পুতেক আৰামক বধ কৰি ৰাজ-পাট অধিকাৰ কৰিলে। কুতুবৰ সেনাপতি বখ্তিয়াৰ খিলজীয়ে বঙ্গ আৰু বিহাৰ অধিকাৰ কৰি সেই ৰাজ্য দুখন কুতুবৰ প্ৰতিনিধি স্বৰূপে শাসন কৰিছিল। কিন্তু কুতুব মৰাৰ পিছত তেওঁ স্বাধীন হৈ বঙ্গদেশৰ ৰজা হবলৈ চেষ্টা



কুতুব-মিনার।

কবিতেন বলিলেন। বখতিয়ার খিলজীকে কুতুবের দরবারে একবার হাতীর সঙ্গে লড়াইছিল; আর কেউ ভাবিয়াছিল, তেওবা কিন্তু আশ্চর্য্যের অন্যথা হয়। কিন্তু আল্তামাসকে কুতুব বখতিয়ার-খিলজীর হস্তেই সমর্পণ করিয়া নিজে কুতুবের একবার বঙ্গদেশের শাসন কর্ত্তা করিয়াছিলেন।

৫। আল্তামাসের দ্বিতীয় সন্তান কন্যা, নাম রেজিয়া খাঁ বেগম

এজন বিখ্যাত তাতাৰ বা মোগল ৰজাই মধ্যএচিয়া দেশবোৰ, এটা ডাঙৰ ফৌজ গোটাই লৈ এচিয়াৰ অনেক মহম্মদান ৰাজ্য জয় কৰে। চেংগিজ খাঁ বৌদ্ধ আছিল; আৰু তেওঁ ভাৰত আক্ৰমণ কৰিবৰ মনেৰে আহি সিন্ধু নৈৰ ওচৰ পাইছিল। কিন্তু আল্টামাচে বখ্যাকৈ জানিছিল যে, তেওঁ এনে এজন পৰাক্ৰমী শত্ৰুৰ লগত যুদ্ধ কৰি কেতিয়াও জিকিব নোৱাৰে। সেইদেখি, তুৰ্কিস্থানৰপৰা পলাই আহি তেওঁৰ সহায় বিচৰা মহম্মদান ৰজা একনক তেওঁ সহায় কৰিবলৈ মান্তি নহৈ মোগল-বোৰৰ প্ৰতি বন্ধুভাৱ দেখুৱালে, আৰু সেই নিমিত্তে তেওঁৰ ৰাজত্ব কালত মোগলবোৰে ভাৰত আক্ৰমণ নকৰিলে।

৬। আল্টামাচৰ পিছত তেওঁৰ জীয়েক চুলতানা ৰেজিয়াক দিল্লীৰ সিংহাসনত বহুৱা হল, কাৰণ, ৰজিয়াৰ ককায়েক ৰুকন-উদ্দিনক ৭ মাহ ৰাজসিংহাসনত বহুৱাই দেখা গল যে ৰুকন-উদ্দিন ৰাজ্য শাসনৰ নিমিত্তে একেবাৰেই অযোগ্য। দিল্লীত ৰাজৰ কৰ্মচাৰীসকলৰ ভিতৰত অকল ৰেজিয়াই জ্ঞানী আছিল। আল্টামাচে দিল্লী এৰি দূৰ দেশত যুদ্ধ কৰিবলৈ যাওঁতে সদায় জীয়েক ৰেজিয়াৰ হাতত দিল্লীৰ ভাৰ দি গৈছিল। তেওঁ সদায় কৈছিল, যে তেওঁৰ ৰেজিয়াৰ বুদ্ধি আৰু অন্তঃকৰণ মতা মানুহৰ নিচিনা আৰু কুৰিটা পুতেকতকৈও ভাল। ৰেজিয়াই ৰাজ-পাটত উঠি তিনি বছৰ ৬ মাহ দক্ষতাৰে ৰাজ্য শাসন কৰিছিল। তেওঁ আন বিলাক ডাঙৰ মহম্মদান তিৰুতাৰ দৰে মুখত ওৰণি নলৈছিল; আৰু তিৰুতাৰ সাজ নিপিন্ধি মতা মানুহৰ দৰে কাপোৰ-কানি পিন্ধিছিল। তেওঁ

চুলতানা-ৰেজিয়া।

দিল্লী নগৰীৰ সিংহাসনত বহি ৰাজকাৰ্য কৰিছিল, আৰু ৰাজদৰবাৰলৈ অহা লোকসকলৰ লগতে সকলোৱে আপোনত কথা-বাৰ্ত্তা কৈছিল।

৭। কিন্তু সেইবিলাকৰ তেওঁৰ ৰাজ-সভাৰ এজন হাবচীৰ প্ৰতি বিশেষ অনুগ্ৰহ দেখুৱা যাবে, আৰু সেইজনক প্ৰধান সেনাপতি পতা যাবে, আৰু আন তাতৰ বিষয়াসকলে খং কৰি বাবৰ বিপক্ষে ঠিক হল। বাবৰ প্ৰিয় পাত্ৰ সেই হাবচীজন এবিধ চিনিয়া যেনেৰ মানুহ আছিল। বিপক্ষী এজনে এবেলে বিক্ৰাপ কৰিবলৈ লোৱা মাথি ৰাজসভাৰ আফগান তাতৰীয়াসকল বৰকৈ অলি-পলি উঠিল। সেইবিলাকৰ গতি বিষম দেখি আত্মৰক্ষাৰ উপায় কৰিবলৈ ৰজাজনীয়ে এজন তুৰ্কী ৰজাক বিয়া কৰালে। তুৰ্কী ৰজাজনে সৈন্যবিলাকৰ হতে বৰ সাহেৰে বিমান পাবে যুঁজিছিল; কিন্তু শত্ৰুৰ হাতত পৰি গিৰিয়েকৰ বৈ সৈতে দুয়ো প্ৰাণ হেৰুৱালে।

৮। আল্‌তামচৰ নুমলীয়া পুত্ৰকৰ নাম নাছিৰ-উদ্দিন আছিল।

নাছিৰ-উদ্দিন।

ৰেজিয়াক ৰজাৰ পিছত আল্‌তামচৰ আৰু এজন পুত্ৰক ৰজা পতা হৈছিল, কিন্তু তেওঁ ৭ বছৰ ৰাজত্ব কৰাৰ পিছত, আফগান আৰু তাতৰীয়াবিলাকে তেওঁক বন্দী কৰি বন্দীশালত সুমাই থৈ আল্‌তামচৰ নাতি এজনক ৰজা পাতিলে। সেই নাতি সজাই ৪ বছৰ ৰাজত্ব কৰাৰ পিছত, তাতৰীয়াবিলাকে তেওঁকো ধৰি বন্দীশালত সুমাই থৈ নাছিৰ-উদ্দিনক ৰজা পাতিলে।

৯। নাছিৰ-উদ্দিনে বৰ নিৰ্ভাবে আৰু দুখীয়া মানুহৰ দৰে জীৱন কটাইছিল। তেওঁৰ মুঠেই এজনী তিৰোতাহে আছিল। তিৰোতাজনীয়ে

তেওঁক ভাত-পানী বন্ধ কৰি দিছিল, আৰু আন মণ্ডৱা-বিলাকো তেওঁৰ একো নাছিল। তেওঁ চৰীয়া তাৰে খাই-ছিল, আৰু পুথি নকল কৰি জীবিকা আৰ্জ্জি প্ৰবৰ্ত্তিছিল। এদিন তেওঁ পুথি এখন লেখি থাকোতে এজন ডাঙৰীয়াই তেওঁৰে সৈতে দেখা কৰিবলৈ আহি, তেওঁ লেখি থকা পুথিত দুটা এটা অশুদ্ধ ধৰি তেওঁক দেখুৱাই দিছিল। নাছিৰ-উদ্দিনে তেতিয়াই ডাঙৰীয়াজনৰ আগত, তেওঁ ধৰি দিয়া অশুদ্ধ

বালবন।

কেইটা কাটি শুধৰালে। কিন্তু ডাঙৰীয়াজন উঠি গলতে, আকৌ তেওঁ সেই শুধৰণি কেইটা মচি আগেয়ে যেনে আছিল তেনে কৰিলে। এনে কথা দেখি এজন মানুহে তেওঁক কাৰণ সুধিলত তেওঁ কলে যে সঁচ সঁচিকৈ সেই পুথিত অশুদ্ধ নাছিল, কিন্তু সেই ডাঙৰীয়াজনে তেওঁৰ ভাল ভাবিহে অশুদ্ধ ধৰি দিছিল; সেইদেখি ডাঙৰীয়াজনৰ মন ৰাখিবলৈ তেওঁ তেনে কৰিছিল, নতুবা ডাঙৰীয়াজনে মনত বেয়া পালেহেঁতেন।

১০। নাছিৰ-উদ্দিন নবাব পিছত ঘিয়াচ-উদ্দিন নামে, আগৰ ৰজাৰ উজিৰ এজনে বালবন নাম লৈ সিংহাসনত উঠিল। বালবন যদিও ভাল বংশৰ সন্তান, কিন্তু লৰা কালত এজন বন্দী লৰা বা দাস আছিল। আল্টামাছে তেওঁক কিনি লৈছিল, আৰু আল্টামাছৰ দিনতে তেওঁ লাহে লাহে খোপে খোপে বাঢ়ি গৈ শেহত এখন দেশৰ শাসন কৰ্ত্তাৰ পদ পাইছিল। তেওঁ আল্টামাচৰ জীয়েক এজনী বিয়া কৰাইছিল।

১১। বালবনৰ ৰাজত্ব কালত, এচিয়াৰ নানা ঠাইৰপৰা অনেক মহম্মদান ডাঙৰ মানুহ, মোগলবিলাকৰ খেদা খাই আহি হিন্দুস্থানৰ নানা

ঠাইত বসতি কৰিছিল। এসময়ত, বালবনৰ ৰাজ সভাত, এই দলে খেদা খাই অহা ১৫ জন ৰাজকোঁৱৰ আছিল। বালবনে তেওঁবিলাকৰ নামেৰে, দিল্লীৰ অনেক বাটআলিৰ নাম দিছিল। এটা আলিৰ নাম দিছিল খৰ আলি, এটাৰ নাম বোগদাদ আলি, আৰু এটাৰ নাম খিব আলি ইত্যাদি। দলে দলে মোগলবিলাক আহি ঘনে ঘনে পঞ্জাব আক্ৰমণ কৰিছিল; কিন্তু প্ৰত্যেক বাৰতে বালবন আৰু তেওঁৰ পুতেকইতে সিহঁতক পৰাস্ত কৰি খেদাই দিছিল। শেহত তেওঁৰ বৰটো পুতেক মহম্মদ, এজন যুদ্ধত মোগলবিলাকৰ হাতত মৰা পৰাত, ৮০ বছৰীয়া বুঢ়া ৰজা বালবনে পুতেকৰ শোকত প্ৰাণত্যাগ কৰিলে।

খিলজী বংশ।

১। খিলজী বংশৰ চাৰিজন ৰজাই ৩০ বছৰ ৰাজত্ব কৰিছিল। তেওঁলোক যদিও আফগান আছিল, তথাপি তেওঁলোকে তুৰ্কী ভাষাত কথাবাৰ্ত্তা কৈছিল, কাৰণ তেওঁলোক গুৰিতে তুৰ্কীস্থানৰ পৰা অহা মানুহ। তেওঁলোকৰ ৰাজত্ব কালত মুছলমানবিলাকে দক্ষিণ-ভাৰত আক্ৰমণ কৰিছিল।

২। জেলাল-উদ্দিন খিলজী বংশৰ প্ৰথম ৰজা। তেওঁ ৰাজপাটত উঠা সময়ত তেওঁৰ বয়স ৭০ বছৰ। তেওঁ শত্ৰু মিত্ৰ সকলোৰে প্ৰতি কোমল আৰু ভাল ব্যৱহাৰ কৰিছিল। তেওঁৰ ভতিজাক আলা-উদ্দিনক তেওঁ নিজৰ পুত্ৰৰ দৰে বিশ্বাস আৰু মৰম কৰিছিল। আলা-উদ্দিনে কিছুমান সৈন্য লৈ দক্ষিণ-ভাৰত আক্ৰমণ কৰিবলৈ গৈছিল। তেতিয়ালৈকে আফগানবোৰ দক্ষিণ-ভাৰতত সোমোৱা নাছিল। আলা-উদ্দিনে ৮০০০ ঘোঁৰাৰে এটা ফৌজ লৈ, বিন্ধ্য পৰ্ব্বতৰ মাজেদি ৭০০ মাইল বাট গৈ, মহাৰাষ্ট্ৰ দেশৰ ৰজা ৰামদেৱৰ প্ৰধান নগৰ দেৱগিৰি ওলাইছিলগৈ।

দেৱগিৰিক আজিকালি দৌলতাবাদ বোলে। আলা-উদ্দিনে বিহাটক ৰাজপুত ৰজাবিলাকক কৈছিল, যে তেওঁক তেওঁৰ দদায়েকে বধ কৰিবলৈ ষড়যন্ত্ৰ কৰাত তেওঁ অসত প্ৰাণ লৈ পলাই আহিছে। পিছে হঠাৎ এদিন তেওঁ দেৱগিৰি আক্ৰমণ কৰি দখল কৰিলে, আৰু তাৰ ৰজাক নিজৰ ৰাজ্যখনৰ তেওঁক এডোখৰ ৰাজ্য এৰি দিবলৈ আৰু বিস্তৰ ধন-বস্তু দিবলৈ বাধ্য কৰি দিল্লীলৈ উভতি আহিল। আলা-উদ্দিনে যুদ্ধজিকি উভতি আহিছে বুলি তেওঁৰ দদায়েক বুঢ়া ৰজাই শুনি বৰ ৰং পাই, নিজৰ শৰীৰ ৰক্ষক সেনা বা আন কাকো সঙ্গত নোলোৱাকৈ অকলৈ, তেওঁক আদৰি আনিবলৈ আগ বাঢ়ি আহিছিল। তেওঁ চেনেহৰ আলা-উদ্দিনক লগ পাই সাবট মাৰি ধৰিব খোজোঁতেই আলা-উদ্দিনে তেওঁক তৰোৱালেৰে খুচি বধ কৰিলে। তাৰ পিছত আলা-উদ্দিনে মৰা ৰজাৰ মূৰটো কাটি যাঠি এডালৰ আগত খোচ মাৰি লৈ, ৰজা মৰিল বুলি সকলোকে দেখুৱাবৰ মনেৰে, যাওঁতে সঙ্গত লৈ গৈছিল। তাৰ পিছত তেওঁ দিল্লী পায়েই দদায়েকৰ লৰা দুটাক বধ কৰি নিজে সিংহাসনত উঠিল। জেলাল-উদ্দিনৰ ৰাজত্ব কাল ৭ বছৰ মাথোন।

আলা-উদ্দিন।

৩। আলা-উদ্দিন (১২৯৫-১৩০৫) এজন বৰ নিষ্ঠুৰ ৰজা আছিল। তেওঁ যেনে সাহসত তেনে কঠুৱা হৃদয়ৰ মানুহ আছিল। চাৰিজন খিলজী ৰজাৰ ভিতৰত তেৱেঁই সকলোতকৈ পৰাক্ৰমী আছিল। তেওঁ কুৰি বছৰ ৰাজত্ব কৰিছিল। তেওঁ দক্ষিণ-ভাৰতবৰ্ষৰ লুটি অনা ধন-বস্তুৰে প্ৰজাক কিমান দি, সিঁহতৰ মনবোৰ, দদায়েকক তেওঁ নিষ্ঠুৰ ভাবে বিধান

ধাৰকতা কৰি মৰা কথাটো পাহৰাবলৈ চেষ্টা কৰিছিল; আৰু লগে লগে তেওঁৰ ক্ষমতা আৰু শাসনৰ বলও বঢ়াইছিল।

৪। ইয়াৰ পিছত আলা-উদ্দিনে উত্তৰ-ভাৰতৰ ৰাজপুত ৰজাবোৰক দমিবলৈ মন মেলিলে। তেওঁ সেই ৰজাবিলাকৰ অনেক দুৰ্গ অধিকাৰ কৰিলে। সেই সময়ত, ভীম সিংহ নামে চিতোৰৰ ৰজাৰ পদ্মিনী নামে এজনী বৰ শুৱনী ৰাণী আছিল। আলা-উদ্দিনে পদ্মিনীৰ ৰূপৰ কথা শুনি তেওঁক আপোনাৰ নিজৰ বেগমক কৰিবৰ মনেৰে এটা ডাঙৰ ফৌজ লৈ চিতোৰ আক্ৰমণ কৰিলে। কেইবা মাহো যুজি আলা-উদ্দিনে চিতোৰ লব নোৱাৰি, শেহত ভীম সিংহলৈ কৈ পঠিয়ালে যে যদি ভীম সিংহই এবাৰ মাথোন তেওঁক পদ্মিনীৰ মুখখন চাবলৈ দিয়ে, তেনে হলে, তেওঁ চিতোৰ এৰি গুচি যাব। ভীম সিংহই এই প্ৰস্তাৱত সন্মত হৈ কলে যে, পদ্মিনীয়ে আৰ-কাপোৰৰ ভিতৰত থাকি দাপোণতহে নিজৰ মুখখন তেওঁক দেখুৱাব। আলা-উদ্দিন এই কথামতে চিতোৰলৈ গলত ভীম-সিংহই সেইদৰে তেওঁক পদ্মিনীক দেখুৱালে। কিন্তু তাৰ পিছত যেতিয়া ভীম সিংহই আলা-উদ্দিনক তেওঁৰ বাহৰত আগ বঢ়াই থবলৈ আছিল, আলা-উদ্দিনে নীচ ভাৱে বিশ্বাস ঘাতকতা কৰি ভীমসিংহক বন্দী কৰি থৈ কলে, যে ভীমসিংহই পদ্মিনীক তেওঁক বিয়া কৰাবলৈ নিদিলে, তেওঁ ভীমসিংহক এৰি নিদিয়ে। সুন্দৰী পদ্মিনীয়ে দেখিলে যে তেওঁ আলা-উদ্দিনক বিয়া কৰাব বুলি মিছাকৈ মান্তি নহলে, আৰু স্বামীৰ উদ্ধাৰৰ উপায় নাই। গতিকে, তেওঁ কাপোৰেৰে ঢকা দোলা এখনত উঠি, লগত সেইদৰে ৭০০ খন ঢকা দোলা লৈ আলা-উদ্দিনৰ বাহৰলৈ গল। সেই ৭০০ দোলাত মনে মনে ৭০০ ৰাজপুত যমুৱা হাতত অস্ত্ৰ শস্ত্ৰ লৈ সোমাই গৈছিল; আৰু পদ্মিনীয়ে সেইবোৰ তেওঁৰ লগত লিগিৰী আহিছে বুলি আলা-উদ্দিনলৈ কোৱাই পঠিয়াইছিল। হজুৱাৰ বেশ ধৰি দোলাভাৰী হৈ যোৱা মানুহবোৰো আচলতে ৰাজপুত সেনা

পাইছিল। বিশ্বাসঘাতক আলা-উদ্দিনে পদ্মিনীক হাতত পাই, শিবিৰৰ ভীমসিংহক চিৰকাল বন্দী কৰি ৰাখি থব খুজিছিল; কিন্তু ততালিকে দোলাক-ধৰা ৰাজপুতবিলাক জপিয়াই পৰিল, আৰু দোলাভাৰী সেনাবোৰে লুকাই লগত লৈ যোৱা তৰোৱাল খুলি ললে। সেই সুযোগতে ভীমসিংহ আৰু পদ্মিনী দুয়ো ঘোৰাত উঠি চিতোৰলৈ পলাই গুচি আহিল। যদিও তেতিয়া আলা-উদ্দিনে বৰ চেষ্টা কৰিও চিতোৰ দুৰ্গ অধিকাৰ কৰিব নোৱাৰিছিল, কিন্তু এবছৰ কি দুবছৰৰ পিছত তেওঁ বহুতো সৈন্য লগত লৈ আকৌ চিতোৰ আক্ৰমণ কৰিলে। এইবাৰ ৰাজপুতবিলাক আলা-উদ্দিনৰ সৈন্যৰ আগত টিকিব নোৱাৰি পৰাস্ত হল। যেতিয়া ভালেমান ৰাজপুতে যুদ্ধত প্ৰাণত্যাগ কৰিলে, আৰু পদ্মিনীয়ে দেখিলে চিতোৰ দুৰ্গ নিশ্চয় মছলমানৰ হাতত পৰিব, তেওঁ ১৩০০০ ৰাজপুত তিৰুতাৰে সৈতে চিতাত উঠি পুৰি প্ৰাণত্যাগ কৰিলে। বাকী ৰাজপুতবোৰে তৰোৱাল হাতত লৈ মছলমানৰ সমুখ হৈ বৰ সাহেৰে যুদ্ধ কৰি প্ৰাণ এৰিলে। ১৩০৩ খৃষ্টাব্দত এই ঘটনা হয়। ইয়াৰ পিছত আলা-উদ্দিনে ৮ মাহ ৰণথম্বৰ দুৰ্গ বেৰি থাকি তাক দখল কৰিলে। ইয়াতো ৪০০০ ৰাজপুত তিৰুতাই অলঙ্কাৰ-পাতি পিন্ধি চিতাত উঠি ধমধমীয়া জুইত পুৰি প্ৰাণত্যাগ কৰিলে; আৰু পুৰুষবোৰে বৰ সাহেৰে শত্ৰুৰে সৈতে যুদ্ধ কৰি প্ৰাণ এৰিলে। ৰাজপুতবিলাকৰ এইদৰে মৰাৰ প্ৰথাটোক জহৰ বোলে। আলা-উদ্দিনে ৰাজপুতবিলাকক পৰাস্ত কৰি, গুজৰাট আৰু ৰাজপুতনাৰ, মন-মোহা সুন্দৰ নগৰবোৰ অধিকাৰ কৰি দক্ষিণ-ভাৰত জয় কৰিবলৈ গল।

৫। আলা-উদ্দিনৰ প্ৰধান সেনাপতিজনৰ নাম কাফুৰ আছিল। কাফুৰ হিন্দু দাস আছিল, কিন্তু পিছত মছলমান হল। আলা-উদ্দিনৰ সদায় ভয় আছিল যে কিজানি তেওঁ উত্তৰ-ভাৰত এৰি আন ঠাইলৈ গলে মোগলবিলাকে তেওঁৰ ৰাজ্য আক্ৰমণ কৰে, নাইবা, তেওঁৰ

কোনো তলতীয়া ৰজা বা তাওৰ বিষয়া বিদ্ৰোহী হৈ ৰজা হয়। সেই দেখি তেওঁ নিজে নগৈ তাওৰ ফৌজেৰে সৈতে কাফুৰক বাৰে বাৰে দক্ষিণ-ভাৰত আক্ৰমণ কৰিবলৈ পঠিয়াই দিছিল। কাফুৰে প্ৰতিবাৰে নতুন নতুন দেশ জয় কৰি সেইবোৰৰ পৰা দিল্লীলৈ ধন-বস্তু লুটি আনিছিল।

৬। কাফুৰে দেৱগিৰিৰ ৰজা ৰামদেৱক যুদ্ধত হৰুৱাই ধৰি বন্দী কৰি দিল্লীলৈ আনিছিল; আৰু আলা-উদ্দিনে ৰামদেৱৰ প্ৰতি ভাল ব্যৱহাৰ কৰি মিত্ৰ ভাৱ দেখুৱাইছিল। ৰামদেৱ জীয়াই থকা কালছোৱৰত আলা-উদ্দিনৰ মিত্ৰ ৰজা হৈ আছিল। কিন্তু তেওঁ মৰাৰ পিছত তেওঁৰ পুতেক শঙ্কৰদেৱ বিদ্ৰোহী হৈ উঠিল; কাৰণ, তেওঁ বিয়া কৰাব খোজা ৰাজ কন্যা দেৱল দেৱীক আলা-উদ্দিনে বলেৰে ধৰাই নিয়াই নিজৰ পুতেকৰ সৈতে বিয়া দিয়া বাবে সদাই তেওঁৰ মনত খং লাগি আছিল। শঙ্কৰদেৱক শাস্তি দিবৰ নিমিত্ত আলা-উদ্দিনে আকৌ কাফুৰক সসৈন্যে পঠিয়াই দিলে। কাফুৰৰ সৈতে যুদ্ধত শঙ্কৰ দেৱ হাৰি মৰা পৰিল; আৰু কাফুৰে গোটেইখন মহাৰাষ্ট্ৰ দেশ উজাৰ কৰিলে। ১৩১০ খৃষ্টাব্দত কাফুৰ, কানাড়ী দেশ মহীশূৰলৈ গৈ বেল্লাল বংশী ৰজাবিলাকৰ ৰাজধানী দ্বাৰ-সমুদ্ৰ পাই তাক অধিকাৰ কৰি, কুমাৰিকা অন্তৰীপলৈ গৈছিল; আৰু সেইবিলাক দেশৰ পৰা বিস্তৰ ধন-বস্তু লুটি লৈ দিল্লীলৈ উভতি আহিছিল। কাফুৰ দিল্লীত নথকা কালত, আলা-উদ্দিনৰ তলত চাকৰি কৰা কিছুমান মোগলে বিদ্ৰোহিতা-চৰণ কৰিছিল। সেই নগৰত ১৫০০০ মোগলক মাৰি পেলোৱা হৈছিল; আৰু সিহঁতৰ তিৰুতা আৰু সৰু ছোৱালীবোৰক গোলাম কৰি বেচি দিয়া হৈছিল।

৭। আলা-উদ্দিনৰ ৰাজত্ব কালত আফগান ডাঙৰীয়াবোৰে বিহুৰে মন যায় তাকে কৰিব নোৱাৰিছিল। ৰজাৰ হুকুম নোলোৱাকৈ কোনো

মাহুদে আপোন ইচ্ছাতে কোন বন্ধুক ভোজনলৈ মাতিব নোৱাৰিছিল; আৰু বিয়া-সবাহ কৰাব নোৱাৰিছিল। আলা-উদ্দিনে তেওঁৰ ৰাজত্বৰ শেহ ছোৱাত বৰ বেয়াকৈ ৰাজ্যশাসন কৰিছিল। সেই ডোখৰত তেওঁ বৰকৈ মদ খাবলৈ ধৰিছিল, আৰু ৰাজকাৰ্য্য সোপাকে কাফুৰৰ হাতত এৰি দিছিল।

৮। কাফুৰে নিজে ৰাজ-পাটত উঠি ৰজা হবলৈ মন কৰি দিল্লী লোৱা হল। আলা-উদ্দিন বুঢ়া হৈ লাহে লাহে মূৰ্খ আৰু অকামিলা হৈ আছি-লত, কাফুৰে তেওঁৰ হুকুমাই তেওঁৰ কোঁৱৰ দুজনক বন্দীশালত বন্দী কৰি থোৱালে। যেতিয়া চিতোৰ আৰু গোৱালিয়ৰৰ ৰাজপুত ৰজা সকলে, আৰু দক্ষিণৰ মহাৰাষ্ট্ৰা ৰজা সকলে দেখিলে যে, আলা-উদ্দিন অকৰ্ম্মণ্য হৈ কাফুৰৰ হাতত পুতলা যেন হৈছে, আৰু তেওঁৰ সেই আগৰ কটকটীয়া শাসনৰ বান্ধ ঢিলা-সোলোকা হৈ পৰিছে, তেওঁলোক বিদ্ৰোহী হৈ উঠি, গাৰপৰা আফগানৰ অধীনতা জোকাৰি পেলাই দিলে। ইয়াৰ পিছত কাফুৰে বুঢ়া ৰজাক বিহ খুৱাই মাৰি, বন্দীশালত থকা বৰটো আৰু মাজুটো পুত্ৰেকৰ চকু কঢ়াই, দিল্লীৰ সিংহাসনলৈ হেপা মেলা দেখি, ৰজাৰ আফগান শৰীৰ-ৰক্ষকে কাফুৰক বধ কৰি, মোবাৰিক নামে তৃতীয়জন ৰাজ কোঁৱৰক ৰজা পাতিলে।

টোগলক বংশী ৰজা।

১৩২০—১৪১৪।

১। এই বংশী আঠজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁলোকৰ ভিতৰৰ দুজন মাথোন বিখ্যাত আছিল; এজন পাপ আৰু অত্যাচাৰৰ নিমিত্তে, আনজন সুশাসন কৰিবলৈ চেষ্টা কৰাৰ নিমিত্তে। এই দুজনৰ এজনৰ নাম মহম্মদ টোগলক, যি টোগলক বংশৰ দ্বিতীয় ৰজা; আৰু সিজনৰ নাম ফিৰোজ টোগলক, যি সেই বংশৰ তৃতীয়জন ৰজা।

২। এই বংশৰ প্ৰথমজন ৰজা গিয়াচ-উদ্দিনৰ বাপেক, বালবন ৰজাৰ এটা তুৰ্কী গোলামৰ লৰা, আৰু মাক হিন্দু ডাঙৰ মানুহৰ জীয়ৰী আছিল। গিয়াচ-উদ্দিনে পাঁচ বছৰ ৰাজত্ব কৰাৰ পিছত তেওঁৰ পুতেক জুনাখাঁই মহম্মদ টোগলক নাম লৈ সিংহাসনত উঠে। মহম্মদ টোগলকৰ ২৭ বছৰ ৰাজত্বৰ কাল-জোখৰ, ভাৰতৰ ওপৰত ঈশ্বৰৰ শাওপাত বুলিলেই হয়। মানুহে তেওঁৰ নাম খুনী চুলতান অৰ্থাৎ মানুহ-বধী ৰজা থৈছিল। তেওঁ এনেবোৰ নিষ্ঠুৰ আৰু অদ্ভুত কাম কৰিছিল যে অনেক হিন্দু প্ৰজাই তেওঁক সচাকৈয়ে বলিয়া বুলি ভাবিছিল। মোগলবিলাকে যেতিয়া ডাঙৰ ফৌজ এটা লৈ তেওঁৰ ৰাজ্য আক্ৰমণ কৰিবলৈ আহিল, তেওঁ যুদ্ধ কৰি সিহঁতক খেদাবলৈ চেষ্টা নকৰি ৰাজ ভঁৰালত যি ধন আছিল সোপাকে সিহঁতক উলিয়াই দি ৰাজ্য এৰি যাবলৈ খাটিছিল।

৩। ইয়াৰ পিছত তেওঁ যেতিয়া দেখিলে যে ৰাজ-ভঁৰালত ৰূপ নাই, তেওঁ তামৰ টকা সজাই মানুহৰ মাজত চলাবলৈ চেষ্টা কৰিলে। কিন্তু যেতিয়া তেওঁ দেখিলে যে প্ৰজাই তামক ৰূপৰ টকা বুলি নিনিলে, তেতিয়া তেওঁ ৰাজকৰ দহ গুণ বঢ়াই দিলে। কৰ-ভাৰত প্ৰজা অস্থিৰ হৈ কৰ দিবলৈ অসমৰ্থ হৈ পৰাত, আৰু খেতিয়কে পথাৰত হালবাই খেতি কৰিবলৈ এৰি দিলত, তেওঁ সিহঁতক গুলিয়াই মাৰিবলৈ তেওঁৰ সৈন্যবোৰক হুকুম দিলে। অত্যাচাৰ সহিব নোৱাৰি পলাই হাবিত থকা দুখীয়া প্ৰজাবোৰক তেওঁৰ সৈন্যবোৰে বেৰি ধৰি বনৰীয়া পহু মৰাদি মাৰিছিল।

৪। তেওঁ দুবাৰ দিল্লীৰ প্ৰজাবোৰক, ৮০০ মাইল দূৰত থকা দক্ষিণৰ দেৱগিৰি নগৰলৈ গৈ তাত বসতি কৰিবলৈ হুকুম দিছিল। দেৱগিৰিৰ নাম তেওঁ দৌলতাবাদ দিছিল; যেন, যেনে নাম দিয়েই তেওঁ নগৰখন ধনী কৰিব পাৰে। কিন্তু দেৱগিৰিলৈ যাবলৈ আলি নাছিল; বিন্ধ্য-পৰ্ব্বতৰ ওপৰে ডাঠ হাবিৰ মাজৰ পটিয়েদি যাব লাগিছিল। পানী আৰু খোৱা বস্তু তাত নাছিল বুলিলেই হয়। তালৈ যাওঁতে বাটতে সুৰহভাগ

মানুহ মৰি-হাজি ধুকাইছিল; আৰু বাকী বি অলপ ভাগ মানুহ দৌলতাবাদ পালেগৈ, সিইঁত থাকিবলৈ ঘৰ নাছিল। সেইদেখি ৰজাই আকৌ সিহঁতক দিল্লীলৈ উভতি আহিবলৈ হুকুম দিছিল।

৫। মহম্মদ টোগলকে হিন্দুবিলাকক ঘৃণা কৰিছিল, আৰু সমূলি দেখিব নোৱাৰিছিল। তেওঁ বৰ বৰ ঘৰীয়া এটাইবিলাক বিষয় আফগানবিলাকক দিছিল। আফগানবিলাকে হিন্দুৰ ভাষা নেজানিছিল, আৰু সিমান পাৰে সিইঁতে হিন্দুৰ ওপৰত অত্যাচাৰ কৰিছিল। মহম্মদ টোগলকে নিজৰ দেশতে তাওঁৰ বিষয়া আৰু তাওঁৰ মানুহবিলাকক দমাই ৰাখিব নোৱাৰিছিল, অথচ চীন দেশ জয় কৰিবলৈ ১০০০০০ সৈন্যৰ এটা তাওঁৰ ফৌজ পঠিয়াই দিছিল। সেই ফৌজৰ প্ৰায় গোটেইবোৰ হিমালয় পৰ্ব্বততে মৰি শেষ হৈছিল, আৰু বাকী যিবোৰ উভতি আহিল, সিহঁতক নিষ্ঠুৰ ৰজাই প্ৰাণদণ্ড দিছিল।

৬। মহম্মদ টোগলক এনেকুৱা অত্যাচাৰী আৰু বেয়া ৰজা আছিল দেখি, তেওঁৰ প্ৰতিনিধি শাসনকৰ্ত্তাবোৰৰ ভিতৰৰ অনেকে বিদ্ৰোহী হৈ নক নক স্বাধীন ৰাজ্য পাতি ৰজা হৈ উঠিছিল। গুজৰাট আৰু বঙ্গদেশত তুখন পাঠান ৰাজ্য স্থাপিত হৈছিল। আলা-উদ্দিনে জয় কৰা ত্ৰৈলঙ্গ আৰু কৰ্ণাটৰ হিন্দু ৰজাবিলাক আকৌ স্বাধীন হৈ পৰিছিল। ১৩৩৮ খৃষ্টাব্দত হৰিহৰ নামেৰে ৰজা এজনে তুঙ্গভদ্ৰ নৈৰ পাৰৰ বিজয় নগৰত এখন তাওঁৰ হিন্দু ৰাজ্য স্থাপন কৰিছিল। প্ৰায় ১৩৪৭ খ্ৰীষ্টাব্দত হাচান নামে আফগান এজনে দক্ষিণত ব্ৰাহ্মণী নামেৰে ৰাজ্য এখন স্থাপন কৰিছিল।

৭। মহম্মদ টোগলক মৰাৰ পিছত তেওঁৰ ভতিজাক ফিৰোজ টোগলক ৰজা হল। এটাইবোৰ পাঠান ৰজাৰ ভিতৰত তেৱেঁই ভাল আছিল। তেওঁ ৪০ বছৰ ৰাজত্ব কৰে, আৰু সেই কাল ডোখৰত ৰাজ্যৰ উন্নতি কৰিবলৈ যতন কৰিছিল। তেওঁ আলিবাট কৰাইছিল,

খাৰে খনাইছিল, বাটকৰা মানুহৰ আলহী-থকা ঘৰ সজাইছিল, আৰবী আৰু ফাৰ্চী ভাষা পঢ়াবলৈ পঢ়াশালি পাতি দিছিল। প্ৰজাবোৰক, তেওঁ তেওঁৰ বংশৰ আগৰ ৰজাবিলাকতকৈ অনেক গুণে ভালকৈ শাসন পালন কৰিছিল। কিন্তু তেওঁ হিন্দু মন্দিৰ ভাঙি তাৰ শিল ইটা আনিবে মহম্মদানৰ মজ্জিদ সজাটো, নিজৰ কৰ্ত্তব্য কাম বুলি ভাবিছিল; আৰু মহম্মদান ধৰ্ম লবলৈ মান্তি নোহোৱা হিন্দুৰ ওপৰত তেওঁ অনেক সময়ত নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল। এনেবোৰ কথা তেওঁ নিজেই তেওঁ আত্মজীৱন চৰিত্ৰত লেখি থৈ গৈছে।

৮। ফিৰোজৰ পিছত সেই বংশৰ চাৰিজন ৰজাই ৰাজত্ব কৰে; কিন্তু তেওঁলোকৰ ৰাজত্বৰ কাল বৰ চুটি। সেই ডোখৰ কালত, ৰাজপুত ৰজা আৰু পাঠান বঙাৰ ডলতীয়া কেইবাখনো দেশে দিল্লীৰ অধীনতা দলিয়াই পেলাই স্বাধীন হৈছিল। টোগলক বংশৰ শেহৰ জন ৰজাৰ নাম মামুদ। তেওঁ দিল্লীত আৰু তাৰ ওচৰৰ চাৰিউফালে থকা দেশখনৰ ওপৰতহে মাথোন ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজত্বৰ কালত, তাতাৰ বা মোগলবোৰ, টাইমুৰ নামে তেওঁলোকৰ ডাঙৰ ৰজা এজনৰ অধীনত, আকৌ ভাৰতত সোমাইছিলহি।

খোৰা টাইমুৰ।

১। শেহৰজন টোগলক ৰজাৰ সময়ত গোটেই তুৰ্কিস্থান টাইমুৰ নামে এজন পৰাক্ৰমী বেগ বা ৰজাৰ অধীনত আছিল। তেওঁ ওখ আৰু বগা আছিল। তেওঁৰ মুখ মুকলি, চকুৰ দৃষ্টি তীক্ষ্ণ, মাত চেঁচেঁৰা, আঙুলি ভোটোকাভোটোক, আৰু ভৰি দীঘল আছিল। তেওঁ খোৰা আছিল দেখি লোকে তেওঁক টাইমুৰ-লেন অৰ্থাৎ খোৰা টাইমুৰও বুলিছিল। তেওঁ যদিও জাতত তুৰ্কী আৰু

নগৰীয়া মানুহ, তথাপি তেওঁৰ সৈন্য প্ৰায় এটাইবোৰেই তাৰ্তাৰ দেশৰ আছিল দেখি, কেওঁকো লোকে তাৰ্তাৰ-টাইমুৰ বুলিছিল। তেওঁ স্বভাৱতে বৰ নিৰ্ছুৰ আৰু কঠুৱা মনৰ মানুহ আছিল; আৰু যিমান মানুহৰ মৰণ ঘটাইছিল, এই পৃথিৱীত আন কোনো লোকৰ দ্বাৰাই সিমান হোৱা নাছিল।

টাইমুৰ।

২। ১৩৯৮ খৃষ্টাব্দত টাইমুৰে তাৰ্তাৰ তুৰ্কী আৰু পাৰস্য জাতৰ সৈন্য গোটাই ভাওৰ ফৌজ এটা কৰি লৈ, ধুমুহা-বতাহ অহাদি. ভাৰতৰ উত্তৰ-পশ্চিমৰ পৰ্ব্বতীয়া বাটে দি আহি হিন্দুস্থান সোমাল। সেই ভয়ানক কালৰপৰা আজিলৈকে ৫০০ বছৰ হৈ গৈছে, কিন্তু তেনে ভয়ঙ্কৰ নৰহত্যা তাৰ আগেয়েও হোৱা নাছিল, আৰু পিছতো হোৱা নাই। হিন্দুস্থানৰ পাঠান ৰজা তো মছলমান আছিল; সেই নিমিত্তে টাইমুৰে এনে কথা কব নোৱাৰিছিল যে তেওঁ মছলমান ধৰ্ম্ম ভাৰতত চলাবলৈহে ভাৰত আক্ৰমণ কৰিছিল। তেওঁৰ আচল মতলব আছিল, ভাৰত লুটি-পুটি লৈ তাৰ মানুহ মাৰি খাতাং কৰি যোৱাটোহে; আৰু তাকে তেওঁ কৰিলেও।

৩। তেওঁ তেওঁৰ তাৰ্তাৰ ফৌজ লৈ আফগানিস্থানেদি পঞ্জাবলৈ আহি, তাৰপৰা নাহে নাহে দিল্লীৰ কালে আগ বাঢ়ি আহি আছিল, আৰু পিছ কালে মৰা-শ, পোৰা নগৰ আৰু গাৱঁৰ ধম্‌ধমীয়া ছুই মাথোন এৰি আহিছিল। তেওঁ যেতিয়া দিল্লীৰ ওচৰ পাই দেখিলে যে তেওঁৰ

বন্দীৰ লেখ এক লাখ হল, আৰু ইমানবোৰ বন্দীক পহৰা দি ৰাখিবলৈ টান পৰিল, তেতিয়া তেওঁ পোন্ধৰ বছৰ বয়সৰ ওপৰৰ বন্দীবোৰক সবাই পেলালে।

৪। এই ভয়ঙ্কৰ বাতৰি দিল্লী ওলালত, প্ৰত্যেক মানুহৰ মুখত পানী লোহোৱা হল। প্ৰথমতে দিল্লীৰ পাঠান ৰজাই নগৰৰ দুৱাৰ মাৰি ভিতৰতে সোমাই আছিল। কিন্তু দিনচেৰেকৰ পিছতে তেওঁ মূৰ্খামি কৰি সৈন্য লৈ টাইমুৰে সৈতে যুদ্ধ কৰিবলৈ ওলাই আহিল।

৫। টাইমুৰে তেতিয়া তেওঁক বাহিৰত পাই জুমুৰি দি ধৰি ওপৰত পৰি সম্পূৰ্ণ পৰাস্ত কৰিলে। পাঁচ দিন দুৰ্দান্ত নিষ্ঠুৰ তাৰ্তাৰবোৰে নগৰৰ ভিতৰত সদৰপাই ঘূৰি ফুৰি মানুহ মাৰি ঘৰ লুটি জুই লগাই পুৰি থাস্তাং কৰিলে। তাৰ পিছত সিহঁতে হাজাৰ হাজাৰ বন্দী, আৰু লুটি-পুটি লোৱা ধন-বস্তু লগত লৈ, হিমালয়ৰ কাষেদি পঞ্জাবলৈ আহি, কাবুলৰ বাটেদি তুৰ্কিস্থানলৈ উভতি গুচি গল।

৬। টাইমুৰে দিল্লী উজাৰ কৰি গল। তেওঁ মুঠতে পাঁচ মাহ ভাৰতবৰ্ষত আছিল; আৰু সেই ডোখৰ কাল, এটা ভয়ঙ্কৰ বেয়া সপোন যেন মানুহে দেখিলে, আৰু গল। কিন্তু সেই নিষ্ঠুৰ, চেপেটা-নকা, গোকাট তাৰ্তাৰবোৰ, সিহঁতৰ দীঘল-ঠেঙীয়া, ভয়-লগা মুখীয়া, চেঁচেঁৰা মাতৰ ঘোৰা বজাৰে সৈতে, হিন্দুস্থানৰ মানুহৰ মনৰপৰা তালেমান কাললৈকে নুগুচিছিল।

টাইমুৰৰ পিছৰ ভাৰতবৰ্ষ।

১৪০০—১৫০০

১। চৈয়দ বংশী ৰজাবিলাক (১৪১২—১৪৫০)। টাইমুৰে ভাৰতবৰ্ষ এৰি যোৱাৰ পৰা ৩৬ বছৰলৈকে দিল্লীৰ ৰাজ্য নামতহে মাথোন

আছিল। পঞ্জাবৰ শাসনকৰ্ত্তা চৈয়দ খিজিৰ খাঁই দিল্লীৰ ৰাজপাট অধিকাৰ কৰি ৰজা হল। কিন্তু তেওঁৰ প্ৰভু, দিল্লী চুবৰ্থন আৰু তাৰপৰা মাইলচেৰেক ইফাল-সিফালে মাথোন আছিল। তেওঁ ৭ বছৰ ৰাজত্ব কৰাৰ পিছত তেওঁৰ পুতেক চৈয়দ মোবাৰক ৰজা হল। তেওঁ ১২ বছৰ ৰাজত্ব কৰাৰ পিছত তেওঁক বধ কৰি তেওঁৰ ভতিজাক মহম্মদক ১৪৩৩ খৃষ্টাব্দত ৰজা পতা হল। মহম্মদৰ ৰাজত্ব কালত মালৱৰ চুলতানে দিল্লী আক্ৰমণ কৰে। সেই যুদ্ধত পঞ্জাবৰ শাসনকৰ্ত্তা বেহলুল খাঁ লোডিয়ে মহম্মদক সহায় কৰিছিল। ১৪৪৩ খৃষ্টাব্দত মহম্মদৰ মৃত্যুৰ পিছত তেওঁৰ পুতেক আলা-উদ্দিন দিল্লীৰ সিংহাসনত উঠিল। কিন্তু তেওঁ ৰাজ্য শাসন কৰিব নোৱাৰি, পঞ্জাবৰ শাসনকৰ্ত্তা লোডিক সিংহাসন এৰি দি, তেওঁৰ নিজা সম্পত্তি বাৰী এডোখৰত ২৮ বছৰ নিবলে, মৰিবৰ দিনলৈকে থাকি কাল কটাইছিল।

২। লোডি বংশী ৰজাবিলাক ১৪৫০—১৫২৬)। বেহলুল খাঁ লোডি দিল্লীৰ ৰজা হৈ তেওঁ শাসনকৰ্ত্তা হৈ থকা পঞ্জাবখন দিল্লীৰ লগত লগাই দিলে। লোডি, চৈয়দ ৰজাবিলাকতকৈ অনেকগুণে পৰাক্ৰমী ৰজা আছিল; আৰু তেওঁ ক্ৰমাৎয়ে ২৬ বছৰ যুদ্ধ কৰি শেহত, পূবফালে অযোধ্যা আৰু এলাহাবাদৰ চাৰিওফালে থকা জোনপুৰ ৰাজ্য অধিকাৰ কৰি ললে। পঞ্জাবৰপৰা বেহাৰলৈকে গোটেইখন প্ৰদেশৰ ওপৰত তেওঁ ৰাজত্ব কৰিছিল। তেওঁ এজন ভাল শাসনকৰ্ত্তা আছিল বুলি মছলমান বুৰঞ্জী লেখোঁতাসকলে যুৰঞ্জীত লেখি থৈ গৈছে। তেওঁ বাহিৰা ধুমধাম বা ৰজাৰ চিনা জাকজমক কৰাটো ভাল নেপাইছিল; আৰু তেনে কৰাটো অনাহক বুলি কৈছিল। তেওঁ কৈছিল যে সেইবোৰ কৰাতকৈ, ৰাজ্য ভালকৈ শাসন কৰি প্ৰজাৰ মাজত ভাল ৰজা বুলি খিতাপী হোৱাটোহে ৰজাৰ যাই কাৰ্য্য। ১৪৫০ খৃষ্টাব্দৰপৰা ১৪৮৮ খৃষ্টাব্দলৈকে ৩৮ বছৰ তেওঁ ৰাজত্ব কৰিছিল। তেওঁৰ পিছত পুতেক চেকেণ্ডৰ লোডি ৰজা হল।



টাইমুৰৰ পিছৰ ভাৰতবৰ্ষৰ মানচিত্ৰ।

৩। চেকেন্দৰ লোডি ৰজা হৈ, বেহাৰ ৰাজ্য অধিকাৰ কৰি, তেওঁৰ বাপেকৰ পৰা পোৱা ৰাজ্য তেওঁ আৰু বঢ়াই ডাঙৰ কৰিলে। তেওঁ হিন্দুবিলাকৰ ওপৰত বৰ নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল; অনেমান হিন্দু মন্দিৰ ভাঙি পেলাইছিল, আৰু হিন্দুবোৰক তীৰ্থলৈ যাবলৈ আৰু পবিত্ৰ নৈবোৰত স্নান কৰিবলৈ মানা কৰিছিল। কিন্তু তেওঁৰ মছলমান প্ৰজাৰ প্ৰতি হলে তেওঁ ভাল ব্যৱহাৰ কৰিছিল। তেওঁ দিল্লীৰপৰা ৰাজধানী তুলি আনি আগ্ৰাত পাতিছিল। তেওঁৰ ৰাজত্ব কাল ১৪৮৮ খৃষ্টাব্দৰ পৰা ১৫১৭ খৃষ্টাব্দলৈকে ২৯ বছৰ।

বেহলুল খাঁ লোডি।

৪। লোডি বংশৰ তৃতীয় অৰ্থাৎ শেহজন ৰজাৰ নাম ইব্ৰাহিম লোডি। তেওঁৰ ৰাজত্ব কাল মুঠেই ৯ বছৰ। তেওঁ বৰ নিষ্ঠুৰ, অহঙ্কাৰী, আৰু বেয়া ৰজা আছিল। তেওঁৰ নিজৰ এজন ভায়েক জোনপুৰৰ শাসনকৰ্ত্তা হৈ আছিল, যাক তেওঁ বধ কৰিছিল; আৰু আন এজন ভায়েকক বন্দী কৰি বন্দীশালত থৈ দিছিল। প্ৰথম দুজন লোডি ৰজাই জয় কৰা দেশবোৰ তেওঁ হেৰুৱাইছিল। আফগান ডাঙৰীয়াবিলাকে, দিল্লীৰ চুলতানক তেওঁলোকৰ গৰাকী ৰজা বুলি নেমানি, তেওঁলোকৰ ওপৰৰ এজন ঘাই ডাঙৰীয়া বুলি মাথোন বিবেচনা কৰিবলৈ ধৰিলে। সেই আফগান ডাঙৰীয়াবোৰ, তেওঁৰ তলতীয়া আমিৰ ওমৰাও আদি বিষয়া আৰু সৰু সৰু ঠাইবোৰৰ শাসনকৰ্ত্তা আছিল। তেওঁলোকক চুলতানে সদাই সমান লেখুৱাই চলিব লগীয়াত পৰিছিল; আৰু তেওঁলোকৰ সাহায্য নহলে তেওঁ সুকলমে ৰাজ্য শাসন কৰিবও নোৱাৰিছিল। কিন্তু সেই মহামানী আফগান ডাঙৰীয়াসকলে ইব্ৰাহিম লোডিৰে সৈতে সাক্ষাৎ

কৰিবলৈ আছিলে, তেওঁলোকক তেওঁ বধিবলৈ আৰম্ভ নিছিল, আৰু লগুৱাৰ দৰে কৰ্ম্মবোৰ কৰাই ঠিকৈক ৰাখিছিল। তেওঁ প্ৰথমতে সিবিলাকক কথা নকলে সিবিলাকে কথা কবৰ হুকুম নাছিল। সুলতানৰ এনেকুৱা ব্যৱহাৰত সেই অহঙ্কাৰী আফগান ডাঙৰীয়াবিলাকৰ খং উঠিছিল। তেওঁলোকৰ বিবিলাকে, ওপৰত কোৱাৰ দৰে হুকুম নেমানিছিল, সেইবোৰক তেওঁ মৰোৱাই পেলাইছিল। অনেক ডাঙৰীয়া আৰু স্বজাতীয়া ৰজা এই নিমিত্তে বিদ্ৰোহী হৈ উঠিছিল। সেই বিদ্ৰোহীবিলাকৰ ভিতৰত চিতোৰৰ ৰাজপুত ৰজা সংগ্ৰাম, আৰু পঞ্জাবৰ শাসনকৰ্ত্তা দৌলত খাঁ লোডি খাই আছিল। তেওঁলোকে কাবুলৰ ৰজা বাবৰলৈ কৈ পঠিয়ালে যে তেওঁ আহি ইব্ৰাহিম লোডিক আক্ৰমণ কৰিলে, তেওঁলোকে তেওঁক সাহায্য কৰিব। বাবৰে বং মনেৰে তেওঁলোকৰ কথাত মান্তি হৈ আহি ইব্ৰাহিম লোডিক যুদ্ধত হৰুৱাই বধ কৰিলে, আৰু হিন্দুস্থান মোগল ৰজাৰ হাতলৈ গল।

৫। এই সময়ত উত্তৰ আৰু মধ্য ভাৰতত আফগান মছলমান ৰজাবোৰৰ অনেক সৰু সৰু ৰাজ্য আছিল। সেই ৰজাবোৰ আগেয়ে দিল্লীৰ অধীনত সেই সেই দেশবোৰৰ শাসনকৰ্ত্তা আছিল; পিছত তেওঁলোকে দিল্লীৰ অধীনতা জোকাৰি পেলাই যি একোজন স্বাধীন ৰজা হৈ পৰিছিল। পঞ্জাব, বঙ্গ, জোনপুৰ, গুজৰাট, মালৱ, আৰু মুলতান বা সিন্ধুদেশ পাঠান ৰজাবোৰৰ আছিল। আৰাবল্লী পৰ্ব্বতৰ পশ্চিম আৰু দক্ষিণে থকা ৰাজপুতনাখন ৰাজপুত ৰজাবোৰৰ সৰু সৰু ৰাজ্যত বিভক্ত আছিল; তাৰ ভিতৰত ধাইখনৰ নাম উদয়পুৰ বা চিতোৰ।

৬। দক্ষিণ দুখন ডাঙৰ ৰাজ্যত বিভক্ত আছিল; আৰু তাৰ মাজতে ব্ৰাহ্মণী ৰাজ্য নামেৰে পাঠান ৰাজ্য এখন আছিল। দক্ষিণ কালে বিজয়নগৰ নামেৰে ডাঙৰ হিন্দু ৰাজ্য গোটেই দক্ষিণ-ভাৰত জুৰি আছিল। পিছৰ অধ্যায়ত আমি দেখিবলৈ পাম, কেতিয়া আৰু কেনেকৈ

আফগানবোৰ দক্ষিণলৈ আহিল; আৰু কেনেকৈ ব্ৰাহ্মণী আৰু বিজয় নগৰ ৰাজ্য স্থাপিত হল; আৰু কেনেকৈ দক্ষিণখন পিছত সৰু সৰু মহুলমান ৰাজ্যত বিভক্ত হল।

ব্ৰাহ্মণী আৰু বিজয়নগৰ ৰাজ্য।

১। মহম্মদ টোগলকে এনে বেয়াকৈ ৰাজ্য শাসন কৰিছিল যে, তেওঁৰ ৰাজত্বৰ কালত দক্ষিণৰ এটাইবোৰ মহুলমান শাসনকৰ্ত্তা বিদ্ৰোহী হৈ স্বাধীন হৈ উঠিছিল। সেইবিলাকৰ ভিতৰত হাচান-গঙ্গাই প্ৰধান। তেওঁ ১৩৪৭ খৃষ্টাব্দত কুলবৰ্গত ৰাজধানী প্ৰতিষ্ঠা কৰা হৈছিল। হাচান-গঙ্গাৰ ৰাজ্যৰ নাম ব্ৰাহ্মণী ৰাজ্য, আৰু ১৫২৬ খৃষ্টাব্দলৈকে ১৮০ বছৰ সেই ৰাজ্য আছিল। আজি কালি হায়দৰাবাদ বোলা দেশখন সেই ৰাজ্যৰ ভিতৰত পৰিছিল। টোগলক, চৈয়দ, আৰু লোডিবংশৰ ৰজাই ৰাজত্ব কৰা কাল ডোখৰতো ব্ৰাহ্মণী ৰজাবিলাকে ৰাজত্ব কৰিছিল।

২। হাচান এটা দুখীয়া আফগান মহুলমান আছিল। সি তাৰ জীৱনৰ প্ৰথম ৩০ বছৰ গঙ্গা নামেৰে এজন দিল্লীৰ বামুণৰ লগুৱা হৈ খেতি-পথাৰত কাম কৰিছিল। এদিন হাচানে হল কৰি থাকোঁতে, মাটিত পুতি থোৱা কিছুমান ধন পালে। সি সেই ধনবোৰ নিজলৈ নাৰাখি তাৰ গৰাকী বামুণক দিলে। গঙ্গা বামুণে হাচানৰ বিশ্বাসী আৰু সাধুতাৰ দেখি বৰ সন্তোষ পাই, দিল্লীৰ চুলতানক খাটি, তাক এশটা অশ্বাৰোহী সেনাৰ ওপৰত নায়ক পাতি দিয়ালে। যেতিয়া মহম্মদ টোগলকে দেৱগিৰিৰ নাম দৌলতাবাদ দি তাক তেওঁৰ ৰাজধানী কৰিব খুজিছিল, সেই সময়ত হাচানে নিজৰ তলতীয়া সৈন্যবে লৈতে দক্ষিণলৈ গৈ, আৰু আন আফগান বিষয়াৰ দৰে তাত সৰু দেশ এখনৰ

শাসনকৰ্ত্তা হৈ বসতি কৰিলে। তেওঁ ৰজা হৈ তেওঁৰ পুৰণি গৰাকী গঙ্গা বামুণক মহামন্ত্ৰী পাতিলে, আৰু নিজে চুলতান হাচান-গঙ্গা ব্ৰাহ্মণী উপাধি ললে। বাহ্মণ ব্ৰাহ্মণ শব্দৰ অপভ্ৰংশ মাথোন। তেওঁৰ পিছত সেই বংশৰ ৰজাবিলাকেও বামুণক ৰাজমন্ত্ৰী পাতিছিল, আৰু হিন্দু প্ৰজাৰ প্ৰতি ভাল ব্যৱহাৰ কৰিছিল।



বিজয় নগৰৰ ৰাজ-ঘৰ।

৩। ব্ৰাহ্মণী ৰাজ্য স্থাপিত হোৱা সময়তে বুকৰায় আৰু হৰিহৰ নামেৰে দুজন ভায়েক ককায়েকে দক্ষিণৰ তুঙ্গভদ্ৰা নৈৰ পাৰত বিজয় নগৰ নামে আৰু এখন ডাঙৰ হিন্দুৰাজ্য স্থাপন কৰে। কাফুৰে ওৱাৰেঙ্গল জয় কৰি লোৱাৰ পিছত সেই দুই ভায়েক ভাগৰা পলাই গৈ এই ৰাজ্য পাতে। বিজয় নগৰ সেই কালত আনবোৰ হিন্দুৰাজ্যতকৈ ডাঙৰ আছিল। ১৩৩৬ খৃষ্টাব্দত ই স্থাপিত হৈ ১৫৬৫ খৃষ্টাব্দলৈকে

অৰ্থাৎ ২৩০ বছৰ আছিল। তাৰ ৰজাবিলাকে কৃষ্ণা নৈৰপৰা কুমাৰীকা অন্তৰীপলৈকে প্ৰায় গোটেইখন দক্ষিণ ভাৰতৰ ওপৰত ৰাজত্ব কৰিছিল। তাৰ ৰজাৰ তলত অনেক কৰতলীয়া ৰজা আৰু শাসনকৰ্ত্তা আছিল; সেইবোৰৰ ভিতৰত মহীশুৰৰ ৰজাই খাই। পুৰণি মন্দিৰ আৰু অট্টালিকাবোৰৰ ভগ্নাৱশেষ দেখিলেই বুজিব পাৰি যে বিজয়নগৰ এসময়ত কেনে ভাওৰ ৰাজ্য আছিল। পুৰণি হিন্দুৰ বিদ্যা আৰু গৌৰৱৰ পি শেহ ঠাই আছিল। তাৰ ৰজাবিলাক বৈষ্ণৱ আছিল, আৰু তেওঁ লোকৰ প্ৰভাৱত বৌদ্ধধৰ্ম আৰু জৈনধৰ্মই পুৰণি হিন্দুধৰ্মক গোটেই দক্ষিণ ভাৰতত আসন এৰি দিব লগীয়াত পৰিছিল। প্ৰথম ছুজন ৰজাৰ প্ৰধান মন্ত্ৰীৰ নাম মাধৱাচাৰ্য্য আছিল আৰু যাইকৈ তেওঁৰ চেষ্টাতে বিষ্ণু আৰু আনবোৰ হিন্দু দেৱতাৰ পূজা দক্ষিণ ভাৰতত আকৌ প্ৰবৰ্ত্তিত হৈছিল।

বিজয় নগৰৰ ৰজাৰ হাতীশাল।

৬। প্ৰথমতে বিজয় নগৰৰ আৰু ব্ৰাহ্মণী ৰজাৰ মাজত মিলা-প্ৰীতি আছিল; আৰু দিল্লীৰ মছলমান ৰজাৰ বিৰুদ্ধে ইজনে সিজনক সহায় কৰিছিল। ব্ৰাহ্মণী ৰজাৰ ফৌজত বাইটৈক অনেক মহাৰাষ্ট্ৰী হিন্দু সৈন্য আৰু বিজয় নগৰৰ ৰজাৰ ফৌজত অনেক মছলমান সৈন্য থাকি যুদ্ধ কৰিছিল। কিন্তু যেতিয়া দুইখন ৰাজ্য শকত হৈ উঠিল, আৰু দিল্লীৰ ফালৰপৰা ভয় নাইকিয়া হল, তেতিয়া দুই ৰজাৰ ভিতৰত তুমুল সংগ্ৰাম লাগিবলৈ ধৰিলে।

৭। ১৫০০ খৃষ্টাব্দত ব্ৰাহ্মণী ৰাজ্য ভাগিল। ব্ৰাহ্মণী ৰজাৰ চাৰিখন বেলেগ বিভাগৰ শাসনকৰ্ত্তা চাৰিজন ডাঙৰ আফগান বিষয়াই, এজনৰ পিছত এজনে, চুলতানৰ অধানতা দলিয়াই পেলাই স্বাধীন ৰজা হৈ উঠিল। শেহত বিদাৰৰ চাৰিউফালৰ দেশ ডোখৰ মাথোন চুলতানলৈ থাকিলহি; আৰু তাকো, পিছত ব্ৰাহ্মণী ৰজাৰ প্ৰধান মন্ত্ৰীয়ে নিজৰ হাতলৈ নি তাৰ চুলতান হৈ পৰিল।

দক্ষিণ ভাৰতত মছলমান ৰাজ্যবিলাক।

১৫০০—১৬৮৭

১। ব্ৰাহ্মণী ৰাজ্য ভা'গ গৈ তাৰ ঠাইত পাঁচখন পাঠান ৰাজ্য হৈছিল। সেই পাঁচখন ৰাজ্যৰ নাম ;—বিদাৰ, বিৰাৰ, আহমদ নগৰ, বিজাপুৰ, গোলকুণ্ডা। বিদাৰ দক্ষিণ ভাৰতৰ মাজ ঠাইত, বিৰাৰ আৰু আহমদনগৰ উত্তৰত, বিজাপুৰ আৰু গোলকুণ্ডা দক্ষিণত স্থাপিত হৈছিল। পুৰণি দেৱগিৰি বা মহাৰাষ্ট্ৰ দেশখনেই বিজাপুৰ, আহমদ নগৰ, আৰু বিৰাৰ হৈছিল।

২। ১৪৮৯ খৃষ্টাব্দত যুচিফ আদিল চাই দক্ষিণ ভাৰতত পশ্চিম প্ৰান্তে মহাৰাষ্ট্ৰ দেশত বিজাপুৰ ৰাজ্য স্থাপন কৰে। যুচিফ তুৰস্কৰ চুলতান মুৰাদৰ পুতেক আছিল। তেওঁৰ বাপেক মৰাৰ পিছত ভায়েকে তেওঁক

মাৰিবলৈ চেষ্টা কৰাত, যাকে তেওঁক পাৰতলৈ পলুৱাই পঠিয়াই দিছিল। তাত তেওঁ দাসৰূপে বিক্ৰি হৈ ব্ৰাহ্মণী ৰজাৰ ঘৰ পায়হি। ৰজা-ৰাণীয়া দিহঁত তেওঁ লাহে লাহে খোপে খোপে উঠি গৈ শেহত বিজাপুৰৰ শাসন-কৰ্ত্তাৰ পদ পালে। সেই কালৰ ব্ৰাহ্মণী ৰজা দুৰ্ব্বল দেখি তেওঁ ঠাইতে বিজাপুৰৰ ৰজা হৈ বহিল। আদিল আদিল নামেৰে তেওঁৰ বংশৰ ৰজা এজনে আহমদ নগৰৰ ৰজা নিজাম চাৰ জীয়েক চান্দবীবীক বিয়া কৰাইছিল। চান্দবিবী বৰ বিখ্যাত ৰাণী আছিল। তেওঁ আপোনাৰ বুদ্ধি আৰু কৌশলেৰে স্বামীক ৰাজ্য শাসন কাৰ্য্যত সহায় কৰিছিল। ৰজাৰ লগত তেওঁ শাৰী পাতি যুদ্ধলৈ গৈছিল; যুকুতি ৰাজ সভাত বহি ৰাজ কাৰ্য্যবোৰ কৰিছিল। সকলোৱে তেওঁক অন্তৰেৰে সৈতে বৰ সম্মান আৰু ভক্তি কৰিছিল। আউৰংজেবৰ ৰাজত্বৰ সময়ত শিৱজীয়ে মহাৰাষ্ট্ৰ দেশৰ ৰজা হৈ বিজাপুৰৰ অনেক ঠাই কাঢ়ি লৈছিল। ১৬৮৬ খৃষ্টাব্দত আউৰংজেবে বিজাপুৰ আক্ৰমণ কৰি অধিকাৰ কৰিলে, আৰু আদিল চাৰ বংশৰ সেই খিনিতে অন্ত পৰিল।

৩। ১৪৮৯ খৃষ্টাব্দত বিজাপুৰৰ সৈতে একে বছৰতে নিজামচাই আহমদনগৰ ৰাজ্য স্থাপন কৰে। নিজাম চাৰ বাপেক বামুণ আছিল, যাক সৰু কালতে দাসৰূপে বিক্ৰি কৰি মছলমান কৰা হৈছিল। আহমদ নগৰ চহৰখন নিজামচাই সজায়; আৰু সাত বছৰ নেবানেপেৰাকৈ আক্ৰমণ কৰি তেওঁ দৌলতাবাদ অধিকাৰ কৰে। ১৫৯৫ খৃষ্টাব্দত মোগল বাদস্যাহ আকবৰৰ পুতেক মুৰাদে আহমদনগৰ আক্ৰমণ কৰে। সেই সময়ত আহমদনগৰৰ ৰাজপাট খালি আছিল, আৰু তাৰ প্ৰজাবোৰে চান্দবিবীক ৰাজ্যভাৰ লবলৈ মাতি পঠিয়াইছিল। তেতিয়া চান্দবিবীৰ বয়স ৫০ বছৰ। নিমন্ত্ৰণ পাই তেওঁ আহমদনগৰলৈ আহি মোগলবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সহায় খুজি বিজাপুৰৰ ৰজালৈ লেখি পঠিয়ালে; আৰু নগৰৰ গড়বোৰ বান্ধি-বুজি, সৈন্য লৈ মোগলৰ সৈতে

যুঁজিবলৈ ধৰে। মোগলবিলাকে গড়ৰ তলেদি গাঁত খান্দি বৰুদেৰে গড়ৰ এফালৰ উৰাই দি হো-হো-কৰে আহি নগৰত সোমাবলৈ ধৰিলে। অস্ত্ৰ-শস্ত্ৰ আৰু কৱচেৰে সুসজ্জিত চাদবিবীয়ে হাতত তৰোৱাল লৈ অভাগিকে শত্ৰুৰ সন্মুখ হল; আৰু এখন্তেকো শত্ৰু তেওঁৰ আগত টিকিব নোৱাৰি হুহকি পৰিল। যেতিয়া আহমদনগৰৰ সৈন্যবোৰে দেখিলে যে এজনী তিৰুতামানুহে তেনে সাহেৰে যুঁজি শত্ৰুক পৰাঙ্মুখ কৰিছে, সিহঁতে বৰ লাজ পাই সাহ গোটাই লৈ এনে ভয়ানকৰূপে শত্ৰুৰ ওপৰত পৰিল যে, শত্ৰু তিষ্ঠিব নোৱাৰি ৰণত ভঙ্গ দিলে। পিছত ৰাতিৰ ভিতৰতে ভঙা গড়ভোখৰ চাদবিবীয়ে বন্ধাই পেলালে, আৰু পিছদিনা খবৰ পালে যে বিজাপুৰৰ ৰজা সৈন্যৰে সৈতে চাদবিবীক সহায় কৰিবলৈ আহিছে। এই বাতৰি শুনা মাত্ৰকে মোগল সেনাপতি মুৰাদে গতি বিষম দেখি, চাদবিবীৰ সৈতে সন্ধি কৰিলে। সেই সন্ধিমতে মোগল সম্ৰাট আকবৰে, আহমদনগৰ ৰাজ্যৰ ভিতৰৰ বিৰাৰখন পালে, আৰু মুৰাদ আহমদনগৰ এৰি গুচি গল। কিন্তু বৰ দুখৰ কথা যে এনে বলী সাহিয়াল আৰু বুজাক নাৰীক ইয়াৰ পিছত বিদ্ৰোহী এটাই হত্যা কৰিলে। ইয়াৰ পিছত আকবৰে নিজে দক্ষিণলৈ গৈ আহমদনগৰৰ দুৰ্গ অধিকাৰ কৰিলে। কিন্তু তেওঁ উভতি দিল্লীলৈ গলত মালিক অম্বৰ নামে সেনাপতি এজনে সেকেইখন দেশ আকৌ ললে। চাজাহান বাদশাহৰ দিনত মালিক অম্বৰৰ পুতেকহঁতে আহমদ-নগৰ মোগল সম্ৰাটক দি দিলে।

৪। ১৫১০ খৃষ্টাব্দত কুতুব চা নামে পাৰস্যদেশৰ মানুহ এজনে গোলকুণ্ডা ৰাজ্য স্থাপন কৰে। তেওঁৰ উত্তৰাধিকাৰী মহম্মদ নামে ৰজাই হাইদৰাবাদ নগৰ পাতে। ১৬৮৭ খৃষ্টাব্দত মোগল সম্ৰাট আউৰঙ্গজেবে গোলকুণ্ডা আক্ৰমণ কৰি অতি কষ্টেৰে অধিকাৰ কৰে, আৰু তেতিয়াৰপৰা ই মোগল সাম্ৰাজ্যৰ ভিতৰুৱা হল।

৫। কাচিম বাৰিদ নামেৰে দাস এজনে বিদাৰ ৰাজ্য স্থাপন কৰে। তেওঁ শেহৰ জন ব্ৰাহ্মণী ৰজা মামুদৰ মন্ত্ৰী আছিল, যাক তেওঁ বন্দী কৰি বন্দীশালত সুমাই থৈছিল। এই বংশৰ সপ্তমজন ৰজাৰ দিনত বিদাৰ ৰাজ্য বিজাপুৰৰ চুলতানে অধিকাৰ কৰি লয়। ১৬৫৭ খৃষ্টাব্দত আউৰংজেবে বিদাৰৰ দুৰ্গ দখল কৰে।

৬। বিৰাৰ। পাঁচখন ৰাজ্যৰ ভিতৰত এটাইতকৈ সৰু এই ৰাজ্যখন ১৪৮৪ খৃষ্টাব্দত ইমাদ-উল-মুল্ক নামে কানাড়ী ব্ৰাহ্মণ এজনে স্থাপন কৰে। তেওঁ বিজয়নগৰৰ সৈতে ব্ৰাহ্মণী ৰজাৰ যুদ্ধ এখনত বন্দী হৈ মছলমান ধৰ্ম্ম আৰু নাম লৈ ৰাজ দৰবাৰত ডাঙৰ বিষয় পাই লাহে লাহে বিৰাৰৰ শাসনকৰ্ত্তা হৈ শেহত ৰজা হৈছিল। তেওঁৰ ৰাজধানীৰ নাম ইলিচপুৰ আছিল। ১৫৭২ খৃষ্টাব্দত আহমদনগৰৰ ৰজাই বিৰাৰ জয় কৰে; আৰু তাৰ পিছত মোগল সম্ৰাট আকবৰৰ ৰাজত্বৰ শেহ হোৱাত তাক আকবৰে অধিকাৰ কৰি লয়।

৭। ১৫৬৫ খৃষ্টাব্দত দাক্ষিণৰ চাৰি জন মছলমান ৰজাই গোটখাই হিন্দুৰাজ্য বিজয় নগৰ আক্ৰমণ কৰে। সেই সময়ত বিজয় নগৰৰ ৰাজ-পাটত ৰাম ৰজা নামেৰে এজন বৰ অহঙ্কাৰী আৰু নিষ্ঠুৰ ৰজা আছিল। কৃষ্ণা নৈৰ পাৰত তেলিকট নামে ঠাই এখনত, ৰাম ৰজাৰ সৈতে মছলমান ৰজাবিলাকৰ এখন ডাঙৰ যুদ্ধ হয়। সেই যুদ্ধত মছলমানবোৰে হিন্দুবোৰক হৰুৱায়, হাজাৰ হাজাৰ মানুহ মৰে, আৰু বিজয়নগৰ উজাৰ হয়। কৃষ্ণা নৈৰ দক্ষিণ কালে, বিজয়নগৰ ৰজাৰ তলতীয়া যিবোৰ হিন্দু নায়ক বা পলিগৰ আছিল, বিজয়নগৰ ধ্বংস হোৱাৰ পিছত, সেই এটাইবোৰ একো একো জন স্বাধীন ৰজা হৈ উঠিল।

মোগল সম্ৰাটবিলাক।

১। মোগল শব্দ মঙ্গল শব্দৰে একে; আৰু মোগলবোৰৰ থকা ঠাই মঙ্গলীয়া। তুৰ্কিস্থান আৰু চীনদেশৰ মাজত থকা মধ্য-এচিয়াৰ এডোখৰ ঠাইকে মঙ্গলীয়া বোলে।

২। তুৰ্কিস্থান আৰ্য্যবিলাকৰ প্ৰথম আদি বাসস্থান আছিল। কাল-ক্ৰমত কিছুমান মোগলে সিহঁতৰ দেশ আৰু তুৰ্কিস্থানৰ মাজৰ সীমাত থকা পৰ্ব্বতবোৰ পাৰ হৈ তুৰ্কিস্থানৰ বাকী আৰ্য্যবিলাকৰ মাজত বসতি কৰি, তেওঁলোকৰ সৈতে বিয়া-বাক আদি সম্পৰ্ক কৰি মিলি-জুলি আৰু তেওঁলোকৰ মাত শিকি একে জাতৰ মানুহ হৈ পৰিল। এই দৰে মিহলি হোৱা নতুন জাতিটোৱে তুৰ্ক নাম পালে। মৰুভূমিত থকা বনৰীয়া স্বভাৱৰ তাতাৰ জাতিৰ মানুহৰ সৈতে এই তুৰ্ক বিলাকৰ অনেক প্ৰভেদ; আৰু সিহঁতক এওঁলোকে বৰং বৰ ঘিণ কৰিছিল। এই তুৰ্কবোৰো মুছলমান আছিল। কিন্তু ভাৰতৰ মানুহে এই দুই জাতিৰ ভিতৰত প্ৰভেদ নাজানি, উত্তৰ ফালৰ পৰা অহা মানুহ মাত্ৰকে মোগল বুলিছিল। এই দৰেই দিল্লীৰ সম্ৰাটবোৰে মোগল নাম পাইছিল। কিন্তু বাস্তবিকপক্ষত তেওঁলোক তুৰ্কিস্থানৰ তুৰ্কহে মঙ্গলীয়াৰ মোগল সমূলা নাছিল; আৰু তেওঁলোকক তুৰ্ক সম্ৰাট বোলাহে যুগুত।

৩। ভাৰতবৰ্ষৰ যতবোৰ মুছলমান ৰজা আছিল, সকলোতকৈ এই মোগল ৰজাবিলাক পৰাক্ৰমী আৰু ডাঙৰ আছিল। মুঠতে ১৫ জন মোগল সম্ৰাট আছিল, তাৰ ভিতৰত প্ৰথম ৬ জন বৰ বিখ্যাত। সেই ছজনৰ নাম—বাবৰ, হুমায়ুন, আকবৰ, জেহাঙ্গীৰ, চাজাহান, আৰু আউৰংজেৱ।

বাবৰ।

১৫২৬—১৫৩০

১। টাইমুৰৰ মৃত্যুৰ পিছত তেওঁৰ ৰাজ্য ভাগি কেইবাখনো সৰু সুৰু ৰাজ্য হল। তাৰে এখনৰ নাম কোকণ্ড। কোকণ্ড তুৰ্কিস্থানৰ ভিতৰত থকা এখন সৰু ৰাজ্য। অনেক কালৰ পিছত, টাইমুৰৰ নাতিয়েকেৰ পুতেক, বাবৰৰ বাপেকে সেই ৰাজ্য পায়। তেওঁৰ মৃত্যুৰ পিছত পুতেক বাবৰ তাৰ ৰজা হল।

২। বাবৰ সিংহাসনত উঠিয়েই, নিজৰ প্ৰাণ ৰক্ষা কৰিবৰ নিমিত্তে, তেওঁৰ দদায়েকৰ সৈতে যুজিব লগীয়াত পৰে। যুদ্ধত হাৰি বাবৰে ৰাজ্য হেৰুৱাই ২০ বছৰ নানা ঠাইত ঘূৰি ফুৰিছিল। তুৰ্কিস্থানৰ কিছুমান থাই মানুহে, তেওঁক আপোনাৰ প্ৰকৃত ৰজা বুলি জ্ঞান কৰি, সেই কাল ডোখৰত তেওঁৰ লগে লগে থাকি শত্ৰুৰে সৈতে যুজি ফুৰিছিল। ২০ বছৰ কাল বাবৰে প্ৰায় দিনৌ যুদ্ধতে কটাইছিল। কেতিয়াবা তেওঁ যুদ্ধত জিকিছিল, কেতিয়াবা হাৰি প্ৰাণ লৈ পলাইছিল। প্ৰায় সততে তেওঁ তেওঁৰ লগৰীয়া তুৰ্ক অশ্বচৰোবৰ সৈতে মুকলি ঠাইত শুদা মাটিৰ ওপৰতে গুই ৰাতি কটাব লগীয়াত পৰিছিল; আৰু প্ৰায় গোটেই দিন ঘোঁৰাৰ পিঠিতে তেওঁলোকৰ কাল গৈছিল।

৩। শেহত বাবৰে দক্ষিণফালে যাবলৈ মনত সাব্যস্ত কৰিলে। তুৰ্কিস্থানত তেওঁৰে নিচিনা সাহিয়াল অনেক ৰজা আছিল; সেইদেখি তাত তেওঁৰ হেৰোৱাৰ জোখাৰে এখন ডাঙৰ ৰাজ্য পাতিবলৈ চেষ্টা কৰাটো বিফল যেন তেওঁৰ মনত খেলালে। কত বছৰৰ পৰা তেওঁ যৰ পৰিশ্ৰমেৰে যুদ্ধ কৰি এখন এখনকৈ কত নগৰ লৈছিল, সেই এটাইবোৰ আকৌ তেওঁৰ হাতৰ পৰা গল। তেওঁ কটকটীয়াকৈ দেখিলে যে তেওঁৰ

ইমানবোৰ দুখৰ আদিতে তেওঁ ৰেলে আছিল, এতিয়াও তেনে অৱস্থাতেই; সেই কাৰণে তেওঁ দাক্ষিণলৈ গৈ নতুনকৈ ৰাজ্য স্থাপন কৰাটোকে থিৰ কৰি তেওঁৰ লগৰীয়াবিলাকৰ আগত সেই কথা কলে। তেওঁবিলাকও বাবৰৰ নিচিনা থিতাপি লাগি থাকিবলৈ দেশ-ভুঁই ঘৰ-বাৰী নথকা মানুহ আছিল দেখি সেই প্ৰস্তাৱত বং মেলেৰে মান্তি হল। তাৰ পিছত তেওঁলোক হিন্দুকুশ পৰ্ব্বতৰ মাজৰ ঠেক বাটবোৰেদি আহি আফগানিস্থান পালেহি।

৪। আফগানবিলাক যদিও সাহিয়াল আৰু যুজাৰু মানুহ আছিল তথাপি আৰু উত্তৰৰপৰা অহা, মহাবলী তুৰ্ক যুজাৰুবোৰৰ আগত সিহঁত টিকিব নোৱাৰিলে। বাবৰে সোনকালে কাবুল আৰু গজনি অধিকাৰ কৰি পেলালে। তাত তেওঁ কেইবাবছৰো ৰাজত্ব কৰিছিল। পাঠানবোৰে সৈতে যুজি চাবলৈ তেওঁ তাৰপৰা চাৰিবাৰ পঞ্জাবলৈ আহিছিল, আৰু প্ৰতিবাৰে তেওঁ পঞ্জাবৰ একো ডোখৰ ঠাই অধিকাৰ কৰি তাত তেওঁৰ খাই বিষয়া একোজনক শাসনকৰ্ত্তা পাতি থৈ উভতি গৈছিল। এইদৰে বাবৰে চাৰিবাৰ হিন্দুস্থানৰ বলৰ পৰীক্ষা কৰি

বাবৰ।

ভাবিলে যে, তেওঁ ভাৰতবৰ্ষ জয় কৰিবলৈ শকত। তেওঁৰ মনৰ ভাব বিশ্বাসী মুখ্য বিষয়াসকলৰ আগত তেওঁ প্ৰকাশ কৰিলত তেওঁলোকে একবাক্যে তেওঁক সেই কাম কৰিবলৈ উদগালে।

৫। বাবৰৰ বয়স তেতিয়া ৪০ বছৰ। তেওঁৰ সৈন্য মুঠেই ১২০০০ আছিল। কিন্তু প্ৰত্যেকটো সেনাই শক্ত যুদৰ যুজাৰু, আৰু নিজৰ

গৰাকীৰ সৈতে মৃত্যুৰ মুখলৈ যাবলৈ লাগে। বৰ শাহেৰে বাবৰ সহঁতক আহি পঞ্জাবৰ সমান ঠাই পাই, পোনে-পোনেই দিল্লীৰ ফাললৈ আহি-বলৈ ধৰিলে।

৬। পাঠান ৰজা ইব্ৰাহিম লোডিয়ে এক লক্ষ সৈন্য লৈ বাবৰে সৈতে যুজিবলৈ আগবাঢ়ি গল। কিন্তু তেওঁলোকে, ভাৰতৰ ভগত আৰু সমান ঠাইত অনেক কাল থাকি ৰূপা-কণাৰ বলবীৰ্য্য আৰু সাহ অনেক পৰিমাণে হেৰুৱাইছিল। অতি পূৰণি কালৰ আৰ্য্যবিলাকে উত্তৰৰ ঠেচা আৰু পৰ্ব্বতীয়া ঠাই এৰি দক্ষিণৰ ভগত ভাৰতলৈ আহি, আদিবাসী মানুহ-বোৰক বগত খেদুৱাই সাৰি লৈ বোৱা কালৰেপৰা, এইটো কটুফটীয়াকৈ দেখিবলৈ পোৱা গৈছে যে, উত্তৰৰপৰা নতুনকৈ অহা মানুহেৰে সৈতে দক্ষিণত থকা পুৰণি মানুহৰ যিখন যুদ্ধই হৈছে, সেইখনতে দক্ষিণৰ মানুহ বাটি উত্তৰৰ মানুহৰ তলতীয়া হব লগীয়াত পৰিছে। সেইদেখি পাঠান ফৌজ, মাহিৰাল, উগ্ৰ, তুৰ্ক ফৌজৰ সৈতে যুদ্ধত টিকাটো অসম্ভৱ। বাবৰে মহাবিক্ৰম লেখুৱাই সেই যুদ্ধ জিকিলে, আৰু ২০০০০ অশ্বাৰোহী সৈন্যৰে সৈতে ইব্ৰাহিম লোডি হাৰি মৰা পৰিল। ১৫২৬ খৃষ্টাব্দত দিল্লীৰ উত্তৰ পানীপত যুদ্ধক্ষেত্ৰত সেই মহাযুদ্ধ হৈছিল।

ইব্ৰাহিম লোডি।

৭। এই যুদ্ধ জিকি, বাবৰে দিল্লীৰ সিংহাসন মাথোন পালে। সেই সময়ত ৰাজপুতনাৰ ৰাজপুত ৰজাবোৰৰ বাহিৰেও পাঁচখন ডাঙৰ মুছলমান ৰাজ্য হিন্দুস্থানত আছিল। বাবৰে প্ৰথমতে, চৈয়দ আৰু লোডি ৰজাবিলাকে হেৰুৱা ৰাজ্যবোৰ আকৌ তেওঁৰ হাতলৈ আনিবলৈ চেষ্টা

কৰিবলৈ ধৰিলে। তেওঁ, নিজে দিল্লীতে থাকি, তেওঁৰ পুতেক হুমায়ূনক তাওৰ ফৌজ এটাৰে সৈতে পূব ফালে পঠিয়ালে, আৰু আন বিখ্যাত সেনাপতি কিছুমানক সৰু ফৌজ একোটা লগত দি আন আন ফালে পঠিয়াই দিলে। হুমায়ূনে অলপ কালৰ ভিতৰতে জৌনপুৰ জয় কৰিলে, আৰু হুমায়ূনৰ ভিতৰত লোডি ৰজাবিলাকৰ হাতৰপৰা যোৱা এটাইবোৰ ৰাজ্য পুনৰুদ্ধাৰ কৰি দিল্লীৰ সিংহাসনৰ তলতীয়া কৰি পেলালে। লোডি ৰজাবিলাকে গোটাই থৈ যোৱা অশেষ ধন-সোণ তেওঁ দিল্লী আৰু আগ্ৰাত পাইছিল। সেইবোৰৰ অলপমান মাথোন তেওঁ নিজলৈ ৰাখি, বাকীবোৰ তেওঁৰ সৈন্যৰ মাজত বিলাই দিলে। তেওঁৰ সৈন্যবোৰক তেওঁ বহুমূলীয়া বটা দিছিল; আৰু আফগানিস্থানৰ প্ৰত্যেক মতা, তিৰুতা, আৰু লৰা ছোৱালীলৈ তেওঁ বটা পঠিয়াইছিল; আন কি, তেওঁ তুৰ্কিস্থান আৰু পাৰস্যৰ তেওঁৰ পুৰণি কলীয়া বন্ধু সকলৈকো পাহৰা নাছিল।

৮। ইয়াৰ পিছত বাবৰ, ৰাজপুতবিলাকৰে সৈতে যুদ্ধ কৰিবলৈ সাজু হল। সেই কালত চিতোৰ বা উদয়পুৰৰ ৰজা সঙ্গ বা সংগ্ৰামেই আন সকলোবোৰ ৰাজপুত ৰজাতকৈ পৰাক্ৰমী আছিল। সংগ্ৰাম ৰজাই মালৱৰ পাঠান ৰজাক যুদ্ধত পৰাস্ত কৰিছিল; আৰু এটাইবোৰ ৰাজপুত ৰজাই তেওঁক তেওঁলোকৰ নায়ক বুলি মানিছিল।

৯। ইব্ৰাহিম লোডিৰ ভায়েক মহম্মদ লোডিয়ে সংগ্ৰাম ৰজাৰে সৈতে লগ লাগি বাবৰে সৈতে যুঁজিবলৈ কাৰবাৰ কৰিলে। মহম্মদ লোডিয়ে ৰজা নাম ললে, আৰু আফগান তাওঁৰীয়াবিলাকৰ মুখ্য হাচান খাঁই, আনবোৰ আফগান শাসনকৰ্ত্তাৰে সৈতে লগ লাগি মহম্মদ লোডিক ৰজা বুলি স্বীকাৰ কৰি তাত যোগ দিলে। আগ্ৰাৰ পৰা ২০ মাইল দূৰত থকা চিক্ৰি নামৰে এডোখৰ ঠাইত বাবৰে সৈতে এওঁলোকৰ প্ৰথম তাওৰ যুদ্ধ হল। সেই যুদ্ধত হাচান খাঁ মৰে, আৰু সঙ্গ ৰজা হাৰি পলাই

লৈ ৰণপ সিংহতে মৃত্যুৰ মুখত পৰে। বাবৰে যুদ্ধ জিকি দিল্লীলৈ উভতি আহিল; আৰু চিক্ৰিৰ নাম তেওঁ ফতেপুৰ দিলে। ৰাজপুতবিলাকে দিল্লী জয় কৰি হিন্দুস্থানৰ গৰাকী হবলৈ কৰা চেষ্টাৰ এনে শেষ। ইয়াৰ পিছত তেওঁলোকে ৰাজপুতনাৰ ভিতৰতে থাকি নিজ নিজ ৰাজ্য ৰক্ষাৰ চেষ্টা কৰিছিল মাথোন।

১০। ইয়াৰ পিছ বছৰত, বাবৰে, মালৱৰ সীমাত থকা চান্দেৰী নামে ৰাজপুত দুৰ্গ আক্ৰমণ কৰিবলৈ যাত্ৰা কৰিলে। ৰাজপুতবিলাকে দুৰ্গ ৰক্ষা কৰিবলৈ খুব পুৰুষাৰ্থ কৰিও শেহত নোৱাৰি, অথচ লৈমান নহৈ আৰু দয়া ভিক্ষাও নকৰি, নিজৰ লৰা-তিৰুতাবোৰক শত্ৰুৰ হাতত পৰিবলৈ নিদিয়াকৈ বধ কৰি, হাতত তৰোৱাল লৈ দুৰ্গৰ ভিতৰৰপৰা ওলাই আহি মহা বিক্ৰমেৰে যুদ্ধ কৰি প্ৰাণ ত্যাগ কৰিলে।

১১। বাবৰৰ প্ৰথম নাম জহিৰ-উদ্দিন আছিল; কিন্তু তুৰ্কিস্থানৰ তাৰ্তাৰবিলাকে তেওঁৰ নাম বাবৰ দিলে। বাবৰ মানে সিংহ। তেওঁ সিংহৰ নিচিনা সাহিয়াল আৰু বলী আছিল। তেওঁ দুই হাতেৰে দুটা ওখ মানুহ সাৱটি ধৰি লৈ এটা ওখ ইটাৰ গড়ৰ ওপৰেদি দৌৰি যাব পাৰিছিল। তেওঁৰ বাটত পৰা প্ৰত্যেক নৈ তেওঁ সাঁতুৰি পাৰ হৈছিল, আৰু প্ৰায় দিনো এশ মাইলকৈ বাট ঘোঁৰাত উঠি গৈছিল।

১২। তেওঁ যদিও যুদ্ধ ভাল পাইছিল, তথাপি নিষ্ঠুৰ নাছিল; আৰু যুদ্ধৰ লেখৰীয়া বা নোযোজা মানুহক কেতিয়াও বধ কৰা নাছিল। তেওঁ হিন্দুক বধ কৰিবলৈ, লুটিবলৈ বা হিন্দুৰ দেৱতাৰ মন্দিৰ আৰু মূৰ্ত্তি ভাঙিবলৈ ভাৰতলৈ আহিছিল এনে নহয়, ৰাজ্য আৰু ভাল ৰজাৰ দৰে শাসন কৰিবলৈহে আহিছিল। তেওঁৰ কথা কেতিয়াও লৰচৰ নহৈছিল, আৰু কোনো নীচ কাম তেওঁ নকৰিছিল। তেওঁ সদায় সাহিয়াল আৰু মুকলি মনৰ মানুহ আছিল। তেওঁৰ আত্মজীৱন-চৰিত্ৰৰ এঠাইত লেখা আছে, "মই পৰাস্ত হলে, কেতিয়াও বেজাৰ মনেৰে আশা-ভৰসা এৰি

ৰহি কাল নকটাওঁ।” সেই জীৱনসংকটৰ মাজ এঠাইত তেওঁ লেখিছে,

হুমায়ুনৰ মসিধা।

"মানুহ মৰি যোৱাৰ পিছত, যি কামে তেওঁৰ যশক্ষাৰ ওপৰত কলঙ্ক সানে, তেনে কাম তেওঁকেনেকৈ কৰিবলৈ সক্ষম হব মই কব নোৱাৰো।"

১৩। বাবৰ ভাৰতত বহুদিন জীয়াই নাছিল। চাৰি বছৰ তেওঁ দিল্লীত ৰাজত্ব কৰাৰ পিছতে তেওঁ নিশকতীয়া হৈ নৰিয়া পৰি আছিল। তেওঁৰ মৰমৰ পুতেক হুমায়ুনও সেই সময়তে টান নৰিয়া পৰি শোৱা-পাটীৰপৰা উঠিব নোৱৰা আৰু যায় যায় হৈছিল। এনেতে তেওঁৰ এজন ধৰমা বিষয়াই তেওঁক কলে, যে "আপুনি আপোনাৰ এটা অতি বহুমূলীয়া বস্তু ঈশ্বৰলৈ ত্যাগ কৰি তেওঁৰ ওচৰত প্ৰাৰ্থনা কৰিলে কিজানি তেওঁ আপোনাৰ পুতেকৰ জীৱন ৰক্ষা কৰিব। আপুনি আগ্ৰাৰ পৰা অনা সেই বহুমূলীয়া ডাঙৰ হীৰাখনকে ত্যাগ কৰক।" বাবৰে সেই কথা শুনি উত্তৰ দিলে, "নহয়; মোৰ জীৱনটো মোৰ পক্ষে মোৰ হীৰাখনতকৈও বহুমূলীয়া; মই তাকে ত্যাগ কৰিম।" এই বুলি তেওঁ হুমায়ুনৰ শোৱা-পাটীৰ চাৰিওফালে তিনিবাৰ ঘূৰি খোজ কাঢ়ি, ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিলে, যেন ঈশ্বৰে তেওঁৰ পুতেকৰ জীৱনটো ৰক্ষা কৰি তাৰ সলনি তেওঁৰ জীৱনটোকে নিয়ে। প্ৰাৰ্থনাৰ অন্তত তেওঁ কলে "ঈশ্বৰে মোৰ প্ৰাৰ্থনা শুনিলে।" কিন্তু আচৰিত কথা এইটো হে যে, সেই সময়ৰপৰা হুমায়ুনৰ নৰিয়া লাহে লাহে ভাল হৈ আহিবলৈ ধৰিলে, আৰু বাবৰৰ গা বেয়া হৈ দুৰ্ব্বল হৈ আহি, শেহত তেওঁৰ মৃত্যু হল।

হুমায়ুন।

১৫৩০—১৫৫৬।

১। বাবৰে মৰিবৰ অলপ সময়ৰ আগতে হুমায়ুনক তেওঁৰ ওচৰলৈ মতাই আনি কলে, "বোপা, যদি ঈশ্বৰে তোমাক মোৰ সিংহাসন দিয়ে,

তেন্তে এটা কথা মই তোমাক কৈ যাওঁ যে তুমি তোমাৰ ভায়া কেইটাক মৰম কৰিবা।" হুমায়ুনে বাপেকৰ সেই কথা ভালকৈ পালন কৰিছিল। বাস্তৱিক পক্ষত, বাপেকৰ সেই আদেশ মতে কাম কৰাটো তেওঁৰ পক্ষে টানও নাছিল; কাৰণ, তেওঁ স্বভাৱতে ভায়েকহঁতক মৰম কৰিছিল, আৰু সিহঁতৰ অনিষ্ট কৰিবলৈ মন নকৰিছিল। তেওঁৰ বাপেকেও তেওঁক বৰ বিশ্বাস আৰু মৰম কৰিছিল। বাবৰে কৈছিল, "হুমায়ুনৰ নিচিনা মোৰ বন্ধু, গোটেই পৃথিৱীত কোনো নাই।"

২। হুমায়ুন ২৩ বছৰ বয়সত ৰজা হয়। তেওঁৰ তিনিজন ভায়েক আছিল; কামৰাণ, হিন্দল, আৰু আচকাৰি। তেওঁ ৰাজকাৰ্য্য হাতত লৈয়েই প্ৰত্যেকজন ভায়েকক তেওঁৰ ৰাজ্যৰ একোডোখৰ দেশ এৰি দিছিল। কামৰাণক আফগানিস্থান আৰু পঞ্জাব দিছিল।

৩। বাবৰে তেওঁৰ ক্ষমতা আৰু শাসনৰ থাক কটকটীয়া কৰিবলৈ সময় কাল নেপাইছিল; সেইদেখি তেওঁৰ মৃত্যুৰ বাতৰি ওলালতে ৰাজ্যৰ প্ৰধান আফগান ডাঙৰীয়া আৰু সৰু সৰু ৰজাবিলাকে হুমায়ুনৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হল। হুমায়ুনে প্ৰথমতে গুজৰাটৰ পাঠান চুলতান বাহাদুৰ চাহ সৈতে যুদ্ধ কৰিব লগীয়াত পৰিছিল। যুদ্ধত বাহাদুৰ চাক হুমায়ুনে খেদি নি সমুদ্ৰৰ পাৰ পোৱালত, বাহাদুৰে কাম্বে ওচৰত এখন নাৱত উঠি, পাল তৰি দি, দক্ষিণৰ দিউ বন্দৰ পাই, তাত পৰ্টুগিজবোৰৰ আশ্ৰয় ললেগৈ। তেতিয়া সেই ডোখৰ ঠাইত পৰ্টুগীজবোৰ আছিল; সিহঁতে বাহাদুৰক অলপ পিছতে বধ কৰিলে।

৪। ইয়াৰ পিছত, হুমায়ুনে, গুজৰাটত থকা চাম্পানিৰ নামে পৰ্ব্বতীয়া দুৰ্গ আক্ৰমণ কৰিলে। চাৰি মাহ তেওঁৰ সৈন্যই সেই দুৰ্গ ঘেৰি থাকি, শেহত এদিন ৰাতি দুৰ্গৰ ওখ পৰ্ব্বতৰ গড়ৰ গাত লোৰ গজাল মাৰি সেই গজালত ধৰি ধৰি উঠি তাক অধিকাৰ কৰিলে। ঈশ্বৰ

পিছত, তেওঁৰ বিপক্ষে উঠা আনবোৰ আফগান চৰ্দাৰে সৈতে হুমায়ুনে যুদ্ধ নকৰি ইয়াতে অবিবেচকৰ দৰে অনেক দিন মদ ভোজ খাই ৰং ধেমালি কৰি, সেই দুৰ্গৰ ভিতৰত পোৱা ৰূপবানবোৰ উৰাই কটাইছিল।

হুমায়ুন।

৫। হুমায়ুনে তেওঁৰ ভায়েক আচকৰিৰ হাতত গুজৰাট এৰি থৈ মালৱৰ ফাললৈ যাত্ৰা কৰিলে। হুমায়ুন অহা দেখি মালৱৰ আফগান ৰজা পলাই গল। হুমায়ুনে তাতে কিছুমান দিন আমোদ-প্ৰমোদ কৰি কাল কটাই আছিল; এনেতে দিল্লীৰপৰা বাতৰি আহিল যে, পূব ফালৰ দেশবোৰ বিদ্ৰোহী হৈ উঠিছে; আৰু জোনপুৰ, বিহাৰ, আৰু বঙ্গদেশৰ আফগান শাসন কৰ্ত্তাবোৰ একো একোজন স্বাধীন ৰজা হৈ উঠিছে; আন কি, আগ্ৰাৰ ওচৰতে সৰু সৰু পাঠান চৰ্দ্দাৰবোৰ তেওঁৰে সৈতে যুজিবলৈ সাজু হৈছে।

৬। প্ৰধানে বিদ্ৰোহীজনৰ নাম চেৰ খাঁ। তেওঁ এজন পৰাক্ৰমী আফগান ডাঙৰীয়া আছিল। বাবৰৰ মৰিবৰবেলা, হুমায়ুন দক্ষিণ ফালে গুজৰাট আৰু মালৱৰ যুদ্ধত লাগি থাকোঁতেই, চেৰ খাঁই সৈন্য গোটাই লৈ হিন্দুস্থানৰ পূব ভোগৰত শকত হৈ উঠিছিল। এটা এটাকৈ তেওঁ বেহাৰৰ ডাঙৰ দুৰ্গবোৰ দখল কৰিছিল; আৰু পাঁচ বছৰ উকলি যোৱাৰ পিছত, বঙ্গ আৰু বেহাৰৰ ৰজা হৈ উঠিল।

৭। এই সময়লৈকে হুমায়ুনে চেৰখাঁৰ ফালে চকু দিয়া নাছিল।

তেওঁ গুজৰাটৰপৰা উত্তৰি আগ্ৰাতে আছি, এবছৰ কাল মূৰৰকালে মন দিদি আমোদ-প্ৰমোদ কৰি সময় কটাইছিল। ইকালে তেওঁ গুজৰাট এৰি আহিলতে, তাৰ আফগানবিলাক আকৌ বিদ্ৰোহী হৈ উঠিল, আৰু তেওঁৰ দুৰ্ব্বল ভায়েক আচকৰিক তেওঁলোকে তাৰপৰা খেদাই দিলে। গুজৰাট আৰু মালৱ যেনেকৈ সোনকালে লোৱা হৈছিল তেনেকৈ আকৌ সোনকালে হুমায়ুনৰ হাতৰ পৰা গল। হুমায়ুনে এতিয়া দেখিলে, যে হাতৰপৰা যোৱা দেশবোৰ আকৌ তেওঁৰ হাতলৈ আনিবলৈ হলে, সোপা-চিলাকৈ কাম কৰিলে মহুৰ। লাহে লাহে বাৰবৰ দিনৰ পূৰ্বণি যুদ্ধত পকা সৈন্য-বোৰৰ সৰহভাগ মৰি-হাজি যুকাইছিল। সেইদেখি হুমায়ুনে তেওঁৰ ভায়েক আফগানিস্থান আৰু পঞ্জাবৰ ৰজা কামৰাণলৈ ভাল চাই কিছুমান সৈন্য খুজি পঠিয়ালে। কিন্তু কামৰাণে ককায়েকৰ কথা নেৰাখিলে। সেই নিমিত্তে হুমায়ুনৰ কৌজত ভাৱকৈ শিক্ষা নোপোৱা আপইতা জেকা বণুৱাৰ লেখ বাঢ়ি পৰিল।

৮। ইয়াৰ পিছত হুমায়ুনে ভায়েক হিন্দল আৰু আচকৰিক সগত লৈ পূৱকালে যাত্ৰা কৰিলে। প্ৰথমতে হুমায়ুনে বাৰাণসীৰ ওচৰত থকা চুণাৰ দুৰ্গ আক্ৰমণ কৰে। ছ মাহ নেধানেপেৰাকৈ লাগিহে তেওঁ চুণাৰ লব পাৰিছিল। ইতিমধ্যতে সেৰ খাঁই সময় পাই মাজ ভঁৰালৰ পৰা ধন-বস্তুবোৰ লৈ বঙ্গদেশৰ ভিতৰত থকা পৰ্ব্বতীয়া দুৰ্গ ৰোহিতাসলৈ পলাই গুচি গল। সেৰ খাঁই চৈওবাণি কৰি, বঙ্গদেশলৈ অহা বাটবোৰ হুমায়ুনলৈ মুকলি কৰি এৰি থৈছিল; কাৰণ তেওঁ ভালকৈ জানিছিল, যে হুমায়ুন দিল্লীৰপৰা যিমান আহি আতৰত পৰিব, সিমান তেওঁৰ বল কমি আহিব, আৰু তেওঁ বঙ্গদেশত সোমালেই, পিছফালৰপৰা তেওঁক সেৰখাঁই আক্ৰমণ কৰিব পাৰিব। হুমায়ুনে বাটত কোনো প্ৰতিবন্ধক নেপাই আহি বঙ্গদেশ সোমাল, আৰু তাৰ ৰাজধানী গৌৰ পালেগৈ।

তাৰপৰা তেওঁ তেওঁৰ ভায়েক হিন্দালক, নতুনকৈ কিছুমান সৈন্য লৈ আহিবলৈ. আগ্ৰালৈ 'ওভোতাই পঠিয়াই দিলে।

তিমোৰ বাদশাহ।

৯। গৌৰত হুমায়ুনে মূৰ্খামি কৰি আমোদ-প্ৰমোদত এবছৰ কটালে। তেওঁৰ বিষয়াবিলাকেও বঙ্গৰ আহি লৈ ৰং-ধেমালি কৰি থাকি, পিছফালে থকা শ্বেৰখাঁলৈ পাহৰিছিল। শ্বেৰখাই যেতিয়া দেখিলে যে তেওঁ পতা ফান্দত হুমায়ুন পৰিল, তেওঁ পিছফালৰ পৰা ফৌজ লৈ আহি বঙ্গ আৰু বেহাৰৰ মাজৰ বাটবোৰ মাৰি পেলাই হুমায়ুনক দিল্লীৰপৰা অকলসৰীয়া কৰি পেলালে। সিফালে হিন্দালে ককায়েকলৈ সৈন্য নপঠিয়াই বিশ্বাসঘাতকতা কৰি দিল্লীৰ ৰাজ-পাটত উঠি বহা হল।

১০। শেহত হুমায়ুনে, যি সৈন্য তেওঁৰ লগত আছিল, তাকে লৈয়েই বঙ্গদেশৰপৰা যাত্ৰা কৰিলে। কিন্তু মাজ বাৰিষা; পানীৰে গোটেইখন দেশ ভৰা; বাটবোৰত আঠুৱনীয়া বোকা; গতিকে তেওঁ বৰ মস্কিলত পৰিল। তেওঁৰ অনেক সৈন্য জ্বৰত পৰিল, ভালেমান ঘোৰা মৰিল, আৰু দুৰ্গম বাটত যাওঁতে অনেক খোৱাবস্তু লোকচান হল। আত কষ্টেৰে লাহে লাহে তেওঁ গৈ, বঙ্গ আৰু বেহাৰৰ মাজত থকা ৰাজমহল পৰ্ব্বত আৰু গঙ্গাৰ মাজৰ ঠেক বাটডোখৰ পালেগৈ। সেইখিনিতে শ্বেৰখাই বাটৰ মাজত দ খাৱৈ খানি আৰু গড় মাৰি, বিস্তৰ আফগান সৈন্য লৈ বাট আগুৰি ধৰি আছিল।

১১। হুমায়ুনে দেখিলে যে তেওঁ আৰু আগুৱাই যাব নোৱাৰা হল; আৰু তাতে থাকিলে লাহে লাহে তেওঁৰ সেনাবোৰ মৰি-হাজি ঢুকাই তেওঁ অকলসৰীয়া হৈ শত্ৰুৰ হাতত পৰিব। সেইদেখি তেওঁ সন্ধিৰ প্ৰস্তাৱ কৰি শ্বেৰখাঁলৈ কৈ পঠিয়ালে। শ্বেৰখাই উত্তৰ দিলে, যে যদি হুমায়ুনে তেওঁক বঙ্গ আৰু বিহাৰ এৰি দি তাৰ ৰজা হবলৈ দিয়ে, তেন্তে তেওঁ সন্ধি কৰিব, আৰু হুমায়ুনৰ কৰতলীয়া ৰজা হৈ থাকিব। এই কথাত হুমায়ুন মান্তি হৈ সন্ধি কৰিলে। ইয়াৰ পিছত হুমায়ুনৰ সেনা

বোৰে অস্ত্ৰশস্ত্ৰ এৰি বই-বস্ত্ৰ টোপোলা বান্ধি লৈ, পিছুৱাই যবলৈ উভতি যাবলৈ গঙ্গাৰ ওপৰত সাঁকো বান্ধিবলৈ ধৰিলে।

১২। ৰাতি হুমায়ুন আৰু তেওঁৰ সৈন্যবোৰ শুই আছে, এনেতে বিশ্বাসঘাতক শ্বেৰ খাঁই দুইমান বজাত হঠাৎ তেওঁলোকৰ ওপৰত পৰি, যাকে যতে পালে তাকে মাৰিলে। হুমায়ুনে লৰালৰিকৈ ঘোৰাত উঠি যুঁজি গৈ গৈ নৈৰ দাঁতি পাই কোনোমতে জনচাৰেক বিশ্বাসী অনুচৰেৰে সৈতে প্ৰাণ লৈ পলাই আগ্ৰা পালেগৈ। তাৰ পিছত শ্বেৰ খাঁই বঙ্গ আৰু বিহাৰ অধিকাৰ কৰি, হুমায়ুনৰ বাকী মোগল সৈন্য যাকে পালে তাকে মাৰি নিৰাপদ হৈ, আগ্ৰা আক্ৰমণ কৰিবলৈ যাত্ৰা কৰিলে।

১৩। শ্বেৰ খাঁ সসৈন্যে আগ্ৰা ওলালহি। আগ্ৰাতে এখন ডাঙৰ যুদ্ধ হয়, আৰু সেই যুদ্ধত হুমায়ুন হাৰি লাহোৰলৈ পলাই যায়। হুমায়ুনে আশা কৰিছিল যে তেওঁৰ ভায়েক কামৰাণে তেওঁক সহায় কৰিব। কিন্তু কামৰাণে সহায় কৰক ছাৰি, শ্বেৰ খাঁক পঞ্জাব এৰি দি, কাবুলত ৰজা হৈ থাকিবলৈ গুচি গল। ইয়াৰ পিছত দুবছৰ হুমায়ুনে সিন্ধুদেশৰ মৰুভূমিত ঘোৰ বিপদৰ মাজত ঘূৰি ঘূৰি পাৰস্যলৈ গলগৈ।

১৪। সিন্ধুদেশত ঘূৰি ফুৰোঁতে হুমায়ুনে হামিদা বেগম নামে এজন সম্ভ্ৰান্ত পাৰস্যীয় তিৰুতা বিয়া কৰায়। সেই বেগমৰ গৰ্ভত ১৫৪২ খৃষ্টাব্দত সিন্ধুদেশৰ অমৰকোট দুৰ্গৰ ভিতৰত আকবৰ নামে তেওঁৰ এটি লৰা ওপজে। তুৰ্ক ৰজাসকলৰ যেতিয়া কোনো কোঁৱৰ ওপজে, তেতিয়া তেওঁলোকে ৰাজদৰবাৰৰ ডাঙৰ বিষয়াবিলাকক সোণ, ধন, মণি, মুকুতা আদি বহুমূলীয়া বস্তু বঁটা দিয়া দস্তুৰ আছিল। কিন্তু দুখীয়া হুমায়ুনৰ ধন, সোণ থকা দূৰৈত যাওক, খাবলৈকে একো নাছিল বুলিব লাগে। তেওঁৰ চোলাৰ মোনাত এডোখৰ বহুমূলীয়া গান্ধকলাই আছিল; তাকে অলপ তেওঁৰ লগৰীয়া বিশ্বাসী মানুহ কেইজনক তেওঁ বঁটাস্বৰূপে বিলাই দিছিল। গান্ধকলাইৰ সুগন্ধত যেতিয়া

গোটেই ডোখৰ ঠাই মলমলাই গল, তেতিয়া হুমায়ুনে কলে, "মই আশা

হামিদা বেগম।

কৰোঁ, মোৰ লৰা যেতিয়া ৰজা হব, তাৰ যশস্যাৰ সৌৰভে গোটেইখন পৃথিৱী এইদৰে মলমলাই যাব। মই মোৰ পোৰ নাম আকবৰ দিলোঁ। আকবৰ মানে 'বৰ ডাঙৰ'; আৰু মই আশা কৰোঁ ইও বৰ ডাঙৰ ৰজা হব।"

১৫। হুমায়ুন গৈ পাৰস্য পালত, তাৰ ৰজা চা টমাস্পে তেওঁক বৰ আদৰ কৰি ৰাখিলে। কিন্তু চাই তেওঁক চুন্নি ছোৱাই নিজৰ দৰে চিয়া মহলমান কৰিলে। কিছুকাল তেওঁ হুমায়ুনক নিজৰ ৰাজদৰবাৰত ৰাখি, তাৰ পিছত ১২০০০ পাৰস্যীয় সৈন্য লগত দি পঠিয়াই দিলে। সেই সৈন্য লৈ হুমায়ুনে আফগানিস্থানলৈ আহি, পুতেক আকবৰক দদায়েকৰ হাতৰপৰা উদ্ধাৰ কৰিলে। আকবৰক কামৰাণে তাত বন্দী কৰি ৰাখিছিল। ইয়াৰ দহ বছৰ কাল তেওঁ ভায়েকহঁতে সৈতে যুদ্ধ কৰি থাকোঁতেই গৈছিল। বাৰে বাৰে ভায়েকহঁত তেওঁৰ হাতত পৰিছিল, আৰু তেওঁৰ মন্ত্ৰীবিলাকে সিহঁতক মাৰি পেলাবলৈ পৰামৰ্শ দিছিল; কিন্তু হুমায়ুনে বাপেকৰ কথা সুঁৱৰি সিহঁতক মৰম কৰি ক্ষমা কৰিছিল।

১৬। ইয়াৰ ভিতৰতে স্বেৰ খাঁৰ মৃত্যু হল। তেওঁৰ পিছত তিনি জন ৰজাই ৰাজত্ব কৰে। কিন্তু শেহৰজন ৰাজ্য-শাসন কৰিব নোৱৰা অকামিলা ৰজা আছিল। এইবাৰ হুমায়ুনে সাহিয়াল আৰু দুখ সহিব পৰা পৈন্নত সৈন্য লৈ দিল্লীলৈ আহি আকৌ তেওঁৰ পূৰণি ৰাজ-পাট অধিকাৰ কৰিলে। কিন্তু তেওঁ সৰহদিন ৰাজত্ব কৰিবলৈ নেপালে। এদিন আবেলি তেওঁ নিজৰ কাবেংঘৰৰ খট্‌খটিত উঠি আহোঁতে, ভৰৰ

মজিদ এটাৰ পৰা নামাজ পঢ়িবলৈ মানুহক চিঞৰি মতা শুনিবলৈ পাই, তেৱোঁ নামাজ পঢ়িবলৈ খৰখিৰ হৈছিল; এনেতে তেওঁ ভৰিৰ খৰা হাতৰ লাখুটিডাল মিহি মাৰ্বোল শিলত পিছলি গৈ তেওঁ বাগৰি খটখটিৰ তলত পৰিল। তেওঁ পৰি ইমানকৈ টান পাইছিল যে, সেই কষ্টতে তেওঁৰ মৃত্যু হল। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৫০ বছৰ হৈছিল।

২০। হুমায়ুন বৰ সাহিয়াল পুৰুষ আছিল। কিন্তু তেওঁ বাপেক বাবৰৰ নিচিনা কাজুৱা আৰু দৃঢ় মনৰ নাছিল। ডেকা কাল ডোখৰত তেওঁ ৰং-ধেমালি আৰু সুখপ্ৰিয় আছিল; আৰু তেওঁৰ বয়স বাঢ়ি আহিলত তেওঁ কানি খাবলৈ ধৰিছিল। কানীয়া মানুহ যেনেকৈ স্বভাৱতে এলেহুৱা আৰু দুৰ্ব্বল মনৰ হয়, তেৱোঁ তেনে হৈ পৰিছিল। ভায়েকহঁতক তেওঁ বৰ দয়া চেনেহ কৰিছিল; আৰু বাস্তবিক পক্ষত তেওঁ যদি সিহঁতৰ প্ৰতি তেনে দয়ালু নহলহেঁতেন, কেতিয়াও তেওঁ দিল্লীৰ সিংহাসন নেহেৰুৱালেহেঁতেন। জহৰ নামে তেওঁৰ এজন লগুৱাই তেওঁৰ জীৱন-চৰিত্ৰ পুথি এখন লেখি থৈ গৈছে; এতিয়াও সেইখন পঢ়িবলৈ পোৱা যায়।

শূৰ ৰজাবিলাক।

১৫৪০—১৫৫৫।

১। শ্বেৰ খাঁ শূৰ কৈদৰ আফগান, আৰু পেচোৱাৰৰ মানুহ আছিল। তেওঁ আৰু তেওঁৰ পিছৰ চাৰিজন ৰজাক শূৰ বংশী আফগান ৰজা বোলে। তেওঁৰ আগৰ নাম ফৰিদ খাঁ আছিল। বেহলল লোডিৰ দিনত তেওঁৰ ককাক, দিল্লীৰ সম্ৰাটৰ সৈনিক বিভাগত কাম বিচাৰি ভাৰতলৈ আহে। তেওঁৰ বাপেকে জোনপুৰৰ চুলতানৰ এদল অশ্বাৰোহী সৈন্যৰ নায়ক হৈ বিহাৰত এডোখৰ সৰু জমিদাৰী পায়। তেওঁ

এদিন চুলতানে লৈতে চিকাৰ কৰিবলৈ গৈ তৰোৱালেৰে একে কোবেই এটা বাঘ মাৰিছিল দেখি চুলতানে তেতিয়াই তেওঁৰ নাম শ্বেৰ খাঁ অৰ্থাৎ "বাঘৰ ৰজা" দিলে।

২। তেওঁ দিল্লীৰ সিংহাসনত উঠিয়েই শ্বেৰ চা নাম ললে। তেওঁ বাবৰ নিচিনা যদিও বৰ বলী আৰু কাজুৱা আছিল; কিন্তু লগে লগে টেঙৰ আৰু নিঠুৰও আছিল। শত্ৰুৰ প্ৰতি দয়া তেওঁৰ মুঠেই নাছিল; আৰু যুদ্ধত স্বাৰ্থসিদ্ধি কৰিবৰ নিমিত্তে নিজৰ কথা সমূলী নেৰাখিছিল।

৩। শ্বেৰ চা ৰজা হৈ ভালকৈ ৰাজ্য শাসন কৰিবলৈ ধৰিলে। তেওঁ দেখিছিল যে তেওঁৰ আগৰ মহম্মদান ৰজাবোৰে ৰাজ্যশাসনৰ সৰু-সুৰা কামবিলাকত চকু নিদিছিল; আৰু প্ৰায় সৰহখিনি কাম তেওঁলোকৰ কাৰ্য্য-কাৰক বিষয়াবিলাকৰ হাতত চকু মুদি এৰি দি নিশ্চিন্ত হৈছিল। সেই বিষয়াবিলাক ওবিতে সাহিয়াল আৰু কামিলা থাকিলেও লাহে লাহে আমোদ আৰু সুখ বিচৰা হৈ এলেহুৱা হৈ পৰিছিল। তেওঁলোকে বৰ ভোজ খাইছিল, আৰু সৰহখিনি সময় নীৰলে দি শুই কটাইছিল। নিজৰ কৰ্ত্তব্য কাম তেওঁলোকে নকৰি, তেওঁলোকৰ চাকৰৰ হাতত সেইবোৰ এৰি দিছিল।

শ্বেৰ চা।

৪। শ্বেৰ চাই কিন্তু এনে গতিৰে ৰাজকাৰ্য্য নকৰিছিল। প্ৰত্যেক কামকে তেওঁ নিজে দেখিছিল শুনিছিল। তেওঁ ইমান ডাঙৰ ৰজা হৈও আপোন হাতে কাম কৰি জীৱিকা অৰ্জা দুখীয়া মানুহৰ দৰে খাটিছিল। তেওঁৰ তলতীয়া বিষয়াবিলাককো তেওঁ নিজে খটা দি খটুৱাইছিল। আনবিলাক আফগান ৰজাতকৈ তেওঁ অনেকগুণে ভালকৈ ৰাজ্যশাসন

কৰিছিল; কাৰণ, তেওঁ এইটো ভালকৈ জানিছিল যে প্ৰজাৰ কৰ্ত্তব্য হৈছে সুশাসন কৰা। হিন্দুবিলাকক তেওঁ অত্যাচাৰ নকৰিছিল, বৰং তাৰ কাৰ্য্যত সহায় কৰিবলৈ অনেক হিন্দুক তেওঁ বজাবৰীয়া ভাৰ দিয়া দিছিল। টোডৰমল নামে এজন হিন্দুক তেওঁ ৰাজহ বিভাগৰ সৰাকী দিয়া থাকিছিল।

৫। পাছে কেনেবাকৈ সৈন্যবোৰক দৰমহা দিওঁতে কাৰ্য্যকাৰকবোৰে ফাঁকি দিয়ে, এই ভাবি তেওঁ প্ৰায়েই নিজে আগত থাকি সিহঁতক দৰমহা দিয়াইছিল। বঙ্গদেশৰপৰা পঞ্জাবলৈকে আৰু আগ্ৰাৰপৰা মালৱলৈকে, বাটিকৰা মানুহৰ সুবিধাৰ নিমিত্তে, বাটৰ কাষে কাষে, আলহী থকা ঘৰ সজাই দিছিল। সেইবোৰত থাকলৈ আহাৰ পানীৰ বেচ নোলোৱাকৈ আলহীক দিয়া হৈছিল। সেইবোৰ বাটেদি এখন দেশৰপৰা আন এখন দেশলৈ চিঠি অনা নিয়া কৰিবলৈ তেওঁ ঘোঁৰাৰ ডাক বহুৱাইছিল; বাটৰ দুয়োকাষে ফলৰ গছবোৰ রোৱাইছিল; আৰু বাটকৰাই পানী খাবলৈ অলপ দূৰে দূৰে নাদ খনাই দিছিল।

৬। মালৱ আৰু মাৰৱাৰ দেশ তেওঁ জয় কৰিছিল। মালৱৰ ৰাইচিন দুৰ্গৰ ৰাজপুতবোৰৰ প্ৰতি তেওঁ বৰ নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল। সেই দুৰ্গৰ ৰাজপুত ৰজা পুৰাণমলক তেওঁ অঙ্গীকাৰ কৰি কৈছিল, যে যদি পুৰাণমল দুৰ্গৰপৰা ওলাই আহে, তেন্তে তেওঁক তেওঁৰ লৰা, তিৰুতা, সৈন্য মানুহ-দুনুহ আৰু ধন-বস্তুৰে সৈতে নিৰ্ব্বিঘ্নিয়ে তেওঁ যাবলৈ দিব, কাৰো অনিষ্ট নকৰে। কিন্তু তেওঁৰ অঙ্গীকাৰত বিশ্বাস কৰি যেতিয়া পুৰাণমল ৰজা ৰাজপুতবোৰে সৈতে দুৰ্গৰপৰা ওলাই আহিল, সেৰ চাই বিশ্বাসঘাতকতা কৰি হঠাৎ তেওঁবিলাকৰ ওপৰত পৰি সবাই তিৰুতাই সৈতে তেওঁবিলাকক হত্যা কৰিলে। সেৰ চাই কৈছিল,—শত্ৰুক আগত কৰা অঙ্গীকাৰ ৰখা উচিত নহয়। ইয়াৰ পিছ বছৰত তেওঁ বুন্দেল খণ্ডৰ কলিঞ্জৰ দুৰ্গ আক্ৰমণ কৰোঁতে মৰা পৰে।

৭। চুলতান ইচলাম খাঁ বা চালিম চা। শ্বেৰ চা মৰিলত তেওঁৰ মাজুটো পুতেকে বলেৰে সিংহাসন অধিকাৰ কৰিলে। সেই সময়ত তেওঁৰ ককায়েক অনেক দূৰৈত আছিল দেখি চালিমে সুবিধা পাই সেই কাৰ্য্য কৰিলে। প্ৰথমতে চালিমে কৈছিল যে তেওঁৰ ককায়েক নহালৈকে হে তেওঁ ৰজা হৈ থাকিব, আৰু ককায়েক পালেহিয়েই তেওঁক তেওঁ সিংহাসন এৰি দিব। কিন্তু ককায়েকে ভায়েকলৈ ভয় কৰি ৰাজ্যৰ স্বত্ব এৰি দি, এখন সৰু জমিদাৰী লৈয়েই সন্তুষ্ট হৈ থাকিল। চালিমে ইয়াৰ অলপ পিছতে মনে মনে ককায়েকক বধ কৰিবলৈ কাৰবাৰ কৰাত, ককায়েক বিহাৰৰ ফালে পলাই গুচি গল; আৰু তাৰ পিছত তেওঁৰ কি হল, খবৰ পোৱা নগল। কেইবাজনো আফগান ডাঙৰীয়া চালিমৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল, কিন্তু তেওঁ তেওঁলোকৰ দমন কৰি নিশ্চিন্ত হল।

শ্বেৰৰ নিচিনাকৈ তেওঁ ভালকৈ ৰাজ্যশাসন কাৰ্য্য কৰিছিল। চালিম বলী, চতুৰ, আৰু দেখনিয়াৰ আছিল, আৰু লেখা-পঢ়া জনা পণ্ডিত মানুহ তেওঁ ওচৰত ৰাখিবলৈ ভাল পাইছিল। তেওঁৰ ৰাজত্ব কাল ৯ বছৰ।

চালিম চা।

৮। চালিম মৰিলত তেওঁৰ সৰু পুতেক ফিৰোজক তাৰ খুৰাক মুবাৰিজ খাঁই বধ কৰে। ফিৰোজে তিনি দিন মাথোন ৰজা হবলৈ পাইছিল। মুবাৰিজ খাঁই আদিল চা নাম লৈ ৰাজপাটত উঠিল। কিন্তু অলপ পিছতে দেখা গল, যে তেওঁ ৰজা হবৰ অনুপযুক্ত মানুহ। ৰাজ-ভঁৰালৰ ধনবোৰ তেওঁ আমোদ-প্ৰমোদত খৰচ কৰি উৰাই দিলে, আৰু হিমু নামেৰে এটা নীহ জাতৰ

হিন্দু তেওঁৰ হাত থাকিবলৈ আৰু বুলি দিওঁতা হল। চাৰিওফালৰ আফগান ভাওৰিয়াবিলাক বাজ্যৰ এনে গতি দেখি বিদ্ৰোহী হৈ উঠিল। তেতিয়া হুমায়ুনে, তেওঁৰ হাতৰপৰা যোৱা বাজ্য আকৌ পাবৰ ঠিক সময় আহিছে দেখি, কাবুলৰপৰা সসৈন্যে যাত্ৰা কৰি আহি আকৌ দিল্লী আৰু আগ্ৰা অধিকাৰ কৰিলে। তাৰ অলপৰ পিছতে হুমায়ুনৰ কেনেকৈ মৃত্যু ঘটিল, আমি আগৰ অধ্যায়ত সেই কথা কৈ আহিছোঁ।

আকবৰ।

১৫৫৬—১৬০৫।

১। ভাৰতবৰ্ষত যতবিলাক মহম্মদান বজাই বাজত্ব কৰিছিল, এটাইবোৰৰ ভিতৰত আকবৰ সকলোতকৈ শ্ৰেষ্ঠ। তেওঁৰ পূৰা নাম জেলাল-উদ্দিন মহম্মদ। তেওঁ ওপজা কালত, বাপেক হুমায়ুনে তেওঁক আকবৰ উপাধি দিয়ে। আকবৰ মানে “বৰ ডাঙৰ”; আৰু বাস্তবিক পক্ষত তেওঁ বৰ ডাঙৰ বজাই আছিল। তেওঁ ৫০ বছৰ বাজত্ব কৰিছিল; আৰু প্ৰায় ঠিক সেই ডোখৰ কালতে বিখ্যাত ইংৰাজ-ৰাণী এলিজাবেথে ইংলণ্ডত বাজত্ব কৰিছিল। প্ৰায় ৩০০ বছৰৰ আগেয়ে দুইৰো মৃত্যু হয়।

আকবৰ।

২। বাপেক মৰাৰ সময়ত আকবৰৰ বয়স ১৩ বছৰ আছিল। সেই কালত অনেক শত্ৰুৱে তেওঁক বেৰি আছিল; কিন্তু বেইৰাম নামেৰে এজন বৰ সাহিয়াল আৰু বিশ্বাসী তুৰ্ক সেনাপতিয়ে তেওঁক ৰাখি ৰাখিছিল দেখি তেওঁৰ জীৱন ৰক্ষা পৰিছিল। বেইৰাম সময়ত তেওঁৰ

বাপেকৰ উজিৰাৰেক হয়; আৰু যোল বছৰ বয়সৰপৰা বৈৰামে হুমা-যুনৰ তলত চাকৰি কৰিছিল। বৈৰামৰ প্ৰথম কাম হৈছিল হিমুৰে সৈতে যুদ্ধ কৰাটো। হিমুৱে মহাৰাজা বিক্ৰমাদিত্য উপাধি লৈ; বালক আকবৰৰ সৈতে বৈৰাম লাহোৰত থকা শুনি, এটা ফৌজ লগত লৈ, মেহাৰপৰা দিল্লী আক্ৰমণ কৰিবলৈ আহিল। আগ্ৰা আৰু দিল্লী অধিকাৰ কৰি হিমু লাহোৰৰ ফালে আহিলত, বৈৰাম তেওঁৰে সৈতে যুদ্ধ কৰিবলৈ আগবাঢ়ি গল। পানীপতত এখন ডাঙৰ যুদ্ধ হয়। সেই যুদ্ধত হিমুৱে বৰ বীৰত্ব দেখুৱাই যুজি ঘাইল হল, আৰু তেওঁৰ ফৌজ হাৰি ছেৰেলি-ভেৰেলি হৈ পলাল। বৈৰামে হিমুক বন্দী কৰি আনি আকবৰৰ আগত পেলাই দি, তেওঁক বধ কৰিবলৈ কলত, বীৰ ল'ৰা আকবৰে নিৰস্ত্ৰ আৰু ঘাইল হোৱা শত্ৰুৰ গাত অস্ত্ৰাঘাত কৰিবলৈ অমান্তি হল। পিছত, বৈৰামে নিজ হাতেৰে হিমুক বধ কৰিলে। বৈৰামে পাঁচ বছৰ কাল কট্‌কটীয়াকৈ ৰাজ্যশাসন কৰিছিল।

৩। সেই কালৰ অন্তত, দিল্লী আৰু পঞ্জাবেই মাথোন মোগল ৰাজ্য আছিল। বঙ্গ, বিহাৰ, যোনপুৰ, সিন্ধু, গুজৰাট, মালৱ, আৰু খাণ্ডেশত পৰাক্ৰমী পাঠান ৰজাবিলাকে ৰাজত্ব কৰিছিল, আৰু ৰাজপুত ৰজাবোৰে ৰাজপুতনাত ৰাজত্ব কৰি আছিল।

বৈৰাম।

৪। আকবৰৰ বয়স এতিয়া ১৮ বছৰ। কঠোৰ ৰাজপ্ৰতিনিধি বৈৰামৰ হুকুম শুনি শুনি, ৰাজমাতৃ, আৰু আন আন ডেকা ডাঙৰীয়া সকলৰ, আৰু আকবৰৰ নিজৰো আমনি লাগিবলৈ ধৰিলত, তেওঁলোক সকলোৱে আকবৰক নিজৰ হাতত ৰাজ্যশাসনৰ

তাক আনিবলৈ ধৰবলৈ ধৰিলে। বেইৰামে তাতে বৰক আপত্তি কৰিবলৈ ধৰিলে. যদিও অনিচ্ছা প্ৰকাশ কৰিলে, তথাপি ডেকা বাদচাহ আকবৰৰ মন অটল হৈ থকাত ; আৰু শেহত বেইৰাম তেওঁৰ আজ্ঞা মানি-বলৈ বাধ্য হল। তাৰ পিছত বেইৰামক আকবৰে সুধিলে, ৰজাঘৰত এটা ডাঙৰ বিষয়া হৈ তেওঁৰ থাকিবৰ মন নে, নাইবা কোনো এক প্ৰদেশৰ প্ৰতিনিধি শাসনকৰ্ত্তা হৈ থাকিবৰ মন, নাইবা নিৰ্দ্ধাৰিত ডাঙৰ বৃত্তি এটা আৰু লগুৱা-লিকচৌ লগত লৈ মক্কালৈ যাবৰ মন? বেইৰামে মক্কালৈ যাবলৈ ইচ্ছা দেখুৱালত, তেওঁক আকবৰে সেইদৰে দিহা-পোহা কৰি দি মক্কালৈ পঠিয়াই দিলে। কিন্তু মক্কালৈ যাওঁতে বাটত, এটা আফগানৰ হাতত, যাৰ বাপেকক কিছুমান বছৰৰ আগেয়ে বেইৰামে বধ কৰিছিল, তেওঁৰ মৃত্যু ঘটিল।

৫। আকবৰে এতিয়া নিজৰ ইচ্ছামতে ৰাজকাৰ্য্য কৰিব পৰা হল। সৰু কালত কাবুলৰ ওখ পৰ্ব্বতীয়া ঠাইত থাকি তেওঁ টান আৰু দুখ সহিব পৰা হৈছিল। তেওঁৰ বুধি চোকা আৰু মন চিন্তাশীল আছিল। তেওঁ কট্ কটীয়াকৈ দেখিবলৈ পাইছিল, যে তেওঁৰ ৰাজ্য সুখদীয়া কৰি-বলৈ হলে, হিন্দুবিলাকক মোহাই লৈ তেওঁৰ বিশ্বাসী বন্ধু আৰু অনুগামী কৰি লব লাগিব। হিন্দুস্থানৰ সকলো জাতৰ আৰু সকলো ধৰ্ম্মৰ মানুহৰ তেওঁ ৰজা হৈ সকলোবোৰকে গোটাই, ভাৰতত এটা ডাঙৰ জাতি কৰিবলৈ মনত সঙ্কল্প কৰিছিল। তেওঁৰ প্ৰথম কাম হৈছিল, তেওঁৰ তলতীয়া ডাঙৰীয়াবোৰক আৰু সৰু সৰু ৰজা আৰু শাসনকৰ্ত্তাবোৰক, তেওঁৰ হাতৰ মুঠিলৈ অনা ; আৰু নিজৰ ৰাজ্যৰ সুশৃঙ্খলা লগোৱা।

৬। বেইৰাম ৰাজপ্ৰতিনিধি গুচিলতে, আকবৰৰ তলতীয়া তিনিজন শাসনকৰ্ত্তাই মনে মনে ভাবিলে, যে ১৮ বছৰীয়া লৰা আকবৰক তেওঁ-লোকে অনায়াসে দমি, নিজ নিজ শাসনৰ তলতীয়া দেশবোৰৰ ৰজা হব পাৰিব। তেওঁলোকৰ এজন জোনপুৰৰ শাসনকৰ্ত্তা খান-জামান,

দ্বিতীয়জন, মালৱৰ শাসনকৰ্ত্তা এডেম খাঁ; আৰু তৃতীয়জন, উৰিষ্যা আৰু বুণ্ডেলখণ্ডৰ মাজত থকা গৰৰা দেশৰ শাসনকৰ্ত্তা আচফ-জান। কিন্তু আকবৰে সোনকালে সেই বিদ্ৰোহী শাসনকৰ্ত্তা কেইজনক দেখুৱাই দিলে, তেওঁ কি পদাৰ্থেৰে গঢ়া লৰা। তেওঁ দেখিলে যে তেওঁ বিদ্ৰোহী খানজামানৰ পৰা বহুৎ দূৰত নাই। তেতিয়াই তেওঁ নিজৰ খাই ফৌজটো এৰি, লগত মুঠেই ১০০০ সেনা লৈ, ৰাতিয়েই গঙ্গা পাৰ হৈ ৩০ মাইল বাট ঘোঁৰাত উঠি গৈ, ৰাতিপুৱা হঠাৎ বিদ্ৰোহীবোৰৰ ওপৰত পৰি সিহঁতক পৰাস্ত কৰিলে। দুবছৰৰ ভিতৰতে তেওঁ, ওপৰত কোৱা তিনিজন বিদ্ৰোহীক সমূলী দমন কৰি, তেওঁৰ ২১ বছৰ বয়সত দিল্লীৰ সিংহাসনত একছত্ৰ ৰজা হল।

৭। ইয়াৰ পিছত তেওঁ ৰাজপুতবিলাকৰ লগত যুজিবলৈ সাজু হল। সেই কালত হিন্দুস্থানত কম পক্ষেও এশজন ৰাজপুত ৰজা আছিল। আকবৰে তেওঁলোকক নিজৰ বশীয়া বন্ধু আৰু মিত্ৰ ৰজা কৰি, তেওঁলোকৰ সহায়ত, উত্তৰ-ভাৰতৰ পাঠান ৰাজ্যবোৰ দমি নিজৰ তলতীয়া কৰিবলৈ সঙ্কল্প কৰিলে। তেওঁ এটা ডাঙৰ ফৌজ লৈ ৰাজপুতনাৰ ফালে যাত্ৰা কৰি প্ৰথমতে, সকলোতকৈ পৰাক্ৰমী ৰাজপুত ৰজাজনৰ লগত যুদ্ধ কৰি তেওঁক পৰাস্ত কৰিলে। যেতিয়া ৰাজপুতবিলাকে দেখিলে তেওঁ কেনে সাহিয়াল আৰু বলী ৰজা; আকবৰলৈ তেওঁলোকৰ মনত ভয় আৰু ভক্তি দুইটা উপজিল; কাৰণ, ৰাজপুতবোৰ নিজে যেনে সাহিয়াল বীৰ পুৰুষ, শত্ৰুৰ গাতো তেনে গুণ দেখিলে তেওঁলোকৰ সেই শত্ৰুটলৈ শ্ৰদ্ধা আৰু ভক্তি ওপজে। আকবৰে ৰাজপুত ৰজাবিলাকক যুদ্ধত পৰাস্ত কৰিও, তেওঁলোকৰ প্ৰতি বৰ দয়া আৰু শ্ৰদ্ধা দেখুৱাই তেওঁলোকক নিজ নিজ ৰাজ্যত ৰজা হৈ থাকিবলৈ দিলে; মাত্ৰ তেওঁক সম্ৰাট বুলি স্বীকাৰ কৰিবলৈ তেওঁলোকক কৈছিল।

৮। কিন্তু সঙ্গ ৰজাৰ পুতেক মেৱাৰৰ ৰজা উদয়সিংহ অটল হৈ ৰল।

তেওঁ আকবৰে সৈতে সন্ধি নকৰিবলৈ, আৰু নিজৰ পৰিয়ালবৰ্গৰ কোনো জীয়ৰী আকবৰক দিয়া নিদিবলৈ প্ৰতিজ্ঞা কৰিলে। আকবৰে উদয়সিংহৰ ৰাজধানী চিতোৰৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰি গল। উদয়সিংহই চিতোৰ ৰক্ষা কৰিবৰ ভাৰ, জয়মল নামে এজন সাহিয়াল ডেকা সেনাপতিৰ হাতত দি, আৰাৱলী পৰ্ব্বতলৈ পলাই গল। চিতোৰ ৰাজপুতনাৰ ভিতৰত এখন সকলোতকৈ ধাই নগৰ, আৰু চিতোৰৰ দুৰ্গ দুৰ্ভেদ্য আছিল। দুৰ্গৰ ওপৰলৈ যাবলৈ, শিল কাটি কাটি উলিয়া মাত্ৰ এটা বাট আছিল; আৰু এখনৰ ওপৰত এখনকৈ চাৰিখন দুৱাৰে তাক ৰক্ষা কৰি আছিল। আকবৰে কেইবা মাহলৈকে চিতোৰ আক্ৰমণ কৰি বেৰি ধৰি থাকিও একো কৰিব নোৱাৰিছিল। শেহত এদিন ৰাতি দুৰ্গৰক্ষক জয়মল দুৰ্গৰ বেৰ এখনৰ ওপৰত উঠি তাৰ ভগা এডোখৰ বাতিবলৈ তেওঁৰ মানুহবোৰ লগাইছিল; এনেতে আকবৰে জয়মলক দেখিবলৈ পাই নকালৰিকৈ তেওঁৰ হিলৈটো আনি ঠিক পোনকৈ গুলি এটা মাৰি তেওঁক মাৰিলে। জয়মল মৰিলত, ৰাজপুতবোৰে হতাশ হৈ পুৰণি প্ৰথামতে নিজৰ লৰা তিৰুতাবোৰক শত্ৰুৰ হাতত পৰিব নিদিয়াকৈ বধ কৰি, শোকৰ চিন স্বৰূপে হালধীয়া কাপোৰ পিন্ধি তৰোৱাল হাতত লৈ দুৰ্গৰপৰা ওলাই আহি যুদ্ধ কৰি প্ৰাণত্যাগ কৰিলে। প্ৰায় ৮০০০ ৰাজপুত এইদৰে মৰিল।

উদয়সিংহ।

৯। কিন্তু উদয়সিংহ আৰু তেওঁৰ পুতেক প্ৰতাপসিংহ, আকবৰৰ ওচৰত সেমান নহবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিল। উদয়সিংহই মৰিবৰ দিনলৈকে আকবৰৰ বিৰুদ্ধে যুঁজিছিল। প্ৰতাপসিংহই প্ৰতিজ্ঞা কৰিছিল, যে

তেওঁৰ চিতোৰ নগৰ মছলমানৰ হাতৰপৰা পুনৰ উদ্ধাৰ কৰিব নোৱাৰালৈকে তেওঁ কেতিয়াও সোণ বা ৰূপৰ থালত আহাৰ নকৰে, খেৰৰ বাহিৰে আন শোৱা-পাটীত নোশোৱে, আৰু তেওঁৰ দাড়ি মোচৰা-পাক নিদিয়ে। কিন্তু তেওঁ চিতোৰ উদ্ধাৰ কৰিব নোৱাৰি সেইহে তেওঁৰ বাপেকৰ নামেৰে উদয় পুৰ নাম দি নতুনকৈ এখন নগৰ পাতিলে। আজিলৈকে উদয়পুৰৰ ৰাণাসকলে তেওঁলোকৰ দাড়ি মোচৰা-পাক নিদিয়ে, আৰু সোণৰ বা ৰূপৰ থালৰ ওপৰত এজোখৰ পাত নপতাকৈ তাৰপৰা আহাৰ নেখায়, আৰু শোৱা-পাটীৰ তলত খেৰ নপৰাকৈ নোশোৱে। তেওঁ-

ৰাণা প্ৰতাপসিংহ।

লোকৰ বংশৰ, পবিত্ৰ ৰাজপুত বংশ বুলি সুখ্যাতি আছে; আৰু তেওঁলোক মছলমানৰ ওচৰত নৈলান নহল, আৰু নিজৰ ঘৰৰ কোনো জীয়াৰী মোগল সম্ৰাটলৈ নিদিলে, এই বুলি তেওঁলোকে অহঙ্কাৰ কৰে।

১০। আকবৰে ৰাজপুত ৰজাৰ জীয়াৰী বিয়া কৰাইছিল, আৰু তেওঁলোকৰ বাপেক আৰু ভায়েকবোৰক সৈন্যিক বিভাগত ডাঙৰ ডাঙৰ বিষয় দি ৰাখিছিল। এইদৰে আকবৰে তেওঁলোকক নিজৰ বন্ধু আৰু মিত্ৰ-কুটুম কৰিছিল। আকবৰে বিয়া কৰোৱা এজনী কুঁৱৰী, জয়পুৰৰ ৰজা বেহাৰীমলৰ জীয়েক আছিল। বেহাৰীমলৰ পুতেক ভগবানদাসক আকবৰে তেওঁৰ এজন প্ৰধান সেনাপতি পাতিছিল। ভগবান্‌দাসৰ ভতিজাক আৰু তোলনীয়া পুতেক মানসিংহও তেওঁৰ এজন প্ৰধান সেনাপতি আছিল। আকবৰৰ এইজনা ৰাজপুত কুঁৱৰীয়ে পৰ্ব্বত

ছেলিমৰ জন্ম হয়। ছেলিম ডাঙৰ হলত, আকবৰে তেওঁকো যোধপুৰৰ ৰজাৰ ঘৰৰ জীয়াৰী যোধবাইৰ সৈতে বিয়া দিলে। আকবৰ ৰাজ-পাটত উঠাৰ সাত বছৰৰ পিছত, উদয়পুৰৰ ৰাণাৰ বাহিৰে গোটেই ৰাজপুতনাৰ ৰজাবোৰৰ ওপৰত চক্ৰবৰ্ত্তী ৰজা হল।

যোধ বাই।

১১। ৰাজপুত ৰজাবোৰৰ সহায়ত আৰু হিন্দুবোৰৰ বন্ধুতাৰ বলত আকবৰে এখন এখনকৈ হিন্দুস্থানৰ এটাইবিলাক পাঠান ৰাজ্য জয় কৰিলে। বঙ্গ, বিহাৰ, উড়িষ্যা, কাশ্মীৰ, সিন্ধু, মালৱ, গুজৰাট, খাণ্ডেশ, কাবুল আৰু কান্দাহাৰ তেওঁৰ তলতীয়া হল। তেওঁৰ দীঘলীয়া ৰাজত্বৰ শেহভাগৰত তেওঁ বিন্ধ্য পৰ্ব্বত আৰু খাণ্ডেশৰ উত্তৰ ফালৰ গোটেই হিন্দুস্থানৰ, আৰু দক্ষিণৰ বিৰাৰ আৰু আহমদনগৰৰ ওপৰত ৰাজত্ব কৰিছিল। এসময়ত আকবৰে দক্ষিণ জয় কৰিবলৈ যত্ন কৰিছিল। আহমদনগৰৰ নাজিম চাহী ৰজা এজনৰ মৃত্যুৰ পিছত, চাৰিজন ককাই সেই ৰাজ্যৰ ওপৰত দাবি কৰে। তেওঁলোকৰ ভিতৰৰ এজনে আকবৰলৈ সহায় খুজি পঠিয়াইছিল। আকবৰে সেই ৰজা জনৰ সহায়ৰ নিমিত্তে, পুতেক মুৰাদক পঠিয়াই দিলে। আমি আগেয়ে আহমদনগৰৰ বিষয়ে দিওঁতে কৈ আহিছোঁ, কেনেকৈ চান্দবিবীয়ে [illegible] সাহেবে আহমদনগৰ ৰক্ষা কৰিছিল। শেহত বিৰাৰ ৰাজ্য আকবৰৰ আয়ত্তভুক্ত কৰি দিয়া হল। ১৫৯৯ খৃষ্টাব্দত আকবৰে নিজে দক্ষিণলৈ গৈ আহমদনগৰ আৰু আশীৰগড়ৰ দুৰ্গ দুটা অধিকাৰ কৰিছিল

আৰু বাঙেশ তেওঁৰ ৰাজ্যভুক্ত কৰিছিল। বিজাপুৰ আৰু গোলকুণ্ডাৰ ৰজাসকলে তেওঁৰ ওচৰলৈ কটকী আৰু নানা ভেটি-ভাৰ পঠিয়াই দিছিল, আৰু তেওঁৰ চতুৰ্থ পুতেক দানিয়েলে বিজাপুৰৰ ৰজাৰ জীয়েকক বিয়া কৰাইছিল।

১২। ১৬০০ খৃষ্টাব্দৰ শেহ হোৱাত, বাপেকৰ জীৱনীয়া কালত [illegible], চেলিমে বাপেকৰপৰা সিংহাসন কাঢ়ি লৈ নিজে ৰজা হুবলৈ চেষ্টা কৰিবলৈ ধৰিলে। চেলিমৰ বয়স তেতিয়া ৩০ বছৰ; আৰু তেওঁ আজমিৰৰ শাসনকৰ্ত্তা হৈ আছিল। তেওঁৰ শাসনকাৰ্য্যত মানসিংহই সহায় কৰিছিল। কিন্তু বঙ্গদেশত এজন আফগান ডাঙৰীয়া বিদ্ৰোহী হৈ যুদ্ধ কৰিবলৈ উঠা বাবে কিছুকালৰ পিছত মানসিংহক বঙ্গদেশৰ শাসনকৰ্ত্তা পাতি পঠিওৱা হল।

মানসিংহই আজমিৰৰ কামে-পিঠি দিয়া মাত্ৰকে, আৰু যেতিয়া চেলিমে দেখিলে যে তেওঁৰ বাপেক দক্ষিণত আৰু মোগল সেনাপতি-বোৰ দূৰ দেশত আছে, তেওঁ তৎক্ষণাত এলাহাবাদলৈ যাত্ৰা কৰি আহিল, আৰু অযোধ্যা আৰু বিহাৰ অধিকাৰ কৰি নিজক সম্রাট বুলি প্ৰচাৰ কৰিলে। চেলিমে কলে যে, তেওঁৰ বাপেক, মহম্মদৰ প্ৰচাৰিত সত্য ধৰ্ম্মৰ শত্ৰু; আৰু আবুল ফজলে সৈতে গোটখাই তেওঁ মছলমানক কোৰাণৰ শিক্ষাৰ আৰু মতৰপৰা আঁতৰাবলৈ চেষ্টা কৰিছে; সেই দেখি তেওঁক আৰু সম্রাটৰ সিংহাসনত বহিবলৈ দিয়া উচিত নহয়; আৰু সকলো মছলমানে চেলিমক বাপেকৰ বিৰুদ্ধে সহায় কৰা উচিত। আকবৰে যেতিয়া শুনিলে যে চেলিমে এনেকুৱা কৰিছে, তেতিয়াই তেওঁ চেলিমলৈ এখন পুতৌ কৰি চিঠি লেখি পঠিয়ালে। সেই চিঠিত তেওঁ লেখিছিল যে, চেলিমে ভয়ানক মূৰ্খামি কৰিব লাগিছে; আৰু তৎক্ষণাত যদি চেলিম নিজৰ কামলৈ উভতি যায়, তেন্তে তেওঁ চেলিমক ক্ষমা কৰিব। এই চিঠি লেখিয়েই তেওঁ নিজৰ সৈন্য লৈ দিল্লীলৈ



আকবৰৰ তলতীয়া মোগল সাম্ৰাজ্য।

যাত্ৰা কৰি আছিল। আকবৰৰ বিপক্ষে চেলিমৰ সৈতে কোনো ফল নোপালত, চেলিমে বুজিব পাৰিলে যে তেওঁৰ ৰাজত্বৰ সময় এতিয়াও অহা নাই। তাৰ পিছত চেলিমে নিজৰ দোষৰ বাবে অনুতাপ কৰি বাপেকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলত, বাপেকে ক্ষমা কৰি তেওঁক বঙ্গলা আৰু উড়িষ্যাৰ শাসনকৰ্ত্তা পাতিলে।

১৩। কিন্তু বাস্তবিক পক্ষত, চেলিমে, ওপৰত কোৱা গৰ্হিত কাৰ্য্যৰ বাবে মনত অনুতাপ কৰা বা বেজাৰ পোৱা নাছিল; আৰু যি কাম কৰিলে তেওঁৰ বুঢ়া বাপেকে মনত বেছিকৈ শোক পায় তাকে কৰিছিল। এদিন আবুল ফজল আকবৰৰ কোনো ৰাজকাৰ্য্যৰ নিমিত্তে গোৱালিয়ৰলৈ যাওঁতে বাটতে তেওঁক, নৰসিংহ ৰাও নামে বুন্দেলখণ্ডৰ এক ৰজা এজনৰ হতুৱাই চেলিমে হত্যা কৰালে। এইদৰেই পুণ্যাত্মা পণ্ডিত আৰু আকবৰৰ এজন বৰ বিশ্বাসী কাৰ্য্যকাৰক আবুল ফজলৰ প্ৰাণ গল। আকবৰে আবুল ফজলক নিজৰ ভায়েকৰ নিচিনাকৈ চেনেহ কৰিছিল। আকবৰে আবুলফজল মৰা বাতৰি শুনি শোকত অস্থিৰ হৈ দুদিনলৈ আহাৰ নিদ্ৰা পৰিত্যাগ কৰিছিল। তেতিয়া অৱশ্যে আকবৰে নেজানিছিল, যে কোনে এনেকৈ তেওঁৰ আবুলফজলক হত্যা কৰিলে। কিন্তু যেতিয়া তেওঁ পিছত শুনিলে, যে চেলিমৰে এই কাম, তেতিয়া তেওঁ বৰ শোকেৰে এই কথা কৈছিল—"যদি চেলিমৰ ৰজা হবৰ মন গৈছিল, তেন্তে সি মোক মাৰি আবুল ফজলক কিয় এৰি নিদিলে!" চেলিমে নিজে লিখা আত্মজীৱন-চৰিত্ৰত, আবুল ফজলক হত্যা কৰাত তেওঁৰ কিমান দূৰ হাত আছিল সেই কথা স্পষ্টকৈ কৈছে; আৰু যেন তেওঁ সেইটো খুব ভাল কাম কৰিছিল এনে ভাবে অহঙ্কাৰ কৰি লেখিছে।

১৪। আকবৰৰ বয়স যিমান বাঢ়ি আছিল সিমান তেওঁৰ স্নায়ু আৰু কোমল অন্তঃকৰণৰ দুৰ্বলৈ ধৰিলে। তেওঁ বাধ্য হৈ অনেক মুহূৰ্ত্ত নিদ্ৰ

হব লগীয়াত পৰিছিল, কিন্তু কেতিয়াও তেওঁ শত্ৰুৰ দেশ উজাৰ কৰা নাছিল, আৰু বই-বস্ত লুট-পাট কৰা নাছিল। তেওঁ এদিন শুনিলে যে চেলিম লৰা কালত বৰ নিঠুৰ আছিল, আৰু এটা মানুহক সি জীয়াই থকা অৱস্থাতে তাৰ গাৰ ছাল বখলিয়াই চেলিমে হত্যা কৰিছিল। কথাটো শুনিয়েই তেওঁ শিয়ঁৰি উঠি কৈছিল, যে তেওঁ এটা মৰা মেৰ-ছাগৰ ছাল বখলিবা, মনত দুখ নলগাকৈ চাই থাকিব নোৱাৰে, অথচ তেওঁৰ নিচিনা মানুহৰ লৰা হৈ চেলিমে কেনেকৈ তেনেটো কাম কৰিলে তেওঁ কব নোৱাৰে!

১৫। আকবৰ মছলমান হৈও হিন্দুৰ প্ৰতি কোমল আৰু নম্ৰ স্বভাৱৰ আছিল। তেওঁ কৈছিল, যে প্ৰত্যেক ধৰ্মতে ঈশ্বৰ আছে; আৰু যি বাস্তৱতে ঈশ্বৰক ভজনা কৰে সি ঈশ্বৰক হিন্দুৰ মন্দিৰতো পাব, মছলমানৰ মজিদতো পাব, আৰু খৃষ্টানৰ গিৰ্জাতো পাব। আকবৰৰ দিনত সকলো মানুহ নিশ্চিন্ত হৈ নিজ নিজ ধৰ্মমতে চলিব পাৰিছিল। তেওঁৰ এবিধ মোহৰত এই দুফাকি কথা লেখা আছিল :— "ন্যায় কাম কৰাটোৱেই ঈশ্বৰক সন্তুষ্ট কৰিবৰ বাট। ন্যায় পথত চলাজনক মই কেতিয়াও বিনাশ হোৱা দেখা নাই।" আকবৰ সকলো ধৰ্মাৱলম্বী মানুহৰ প্ৰতি ইমান মৰমিয়াল হোৱাৰ এটা বাই কাৰণ, যে তেওঁৰ কুঁৱৰী-বিলাকৰ ভিতৰত অনেক মছলমান নাছিল। তেওঁৰ প্ৰত্যেকজনা হিন্দু কুঁৱৰীৰ নিজৰ পুৰোহিত, পূজাৰি আৰু দেৱতাৰ মন্দিৰ আছিল; আৰু তেওঁ-লোকে নিজৰ ইচ্ছামতে পূজা সেৱা কৰিব পাৰিছিল। তেওঁ

আকবৰে হিন্দুৰদৰে সাজিছে।

কেতিয়াবা কেতিয়াবা হিন্দুৰদৰে মূৰত ফোট লৈছিল আৰু গাত লগুণ পিন্ধিছিল।

১৬। আকবৰ শিক্ষিত বিদ্বান মানুহ নাছিল; আনকি, ভালেমান বছৰলৈকে তেওঁ লেখিব পঢ়িব নেজানিছিল তাৰ কাৰণ, তেওঁক সৰু কালত তেওঁৰ নিষ্ঠুৰ দদায়েকে বন্দী কৰি ৰাখি লেখা-পঢ়া একো নিশিকাইছিল। কিন্তু লোকে তেওঁক কিতাপ পঢ়ি শুনোৱা তেওঁ বৰ ভাল পাইছিল। তেওঁৰ এটা ডাঙৰ পুথিৰ ভঁৰাল আছিল, তাত পাঁচ হাজাৰৰো সৰহ পুথি আছিল। তেওঁ পট আঁকিবলৈ ভাল পাইছিল, আৰু তেওঁৰ নিজৰ অনেক চিত্ৰ আছিল। তেওঁ গান আৰু কবিতা শুনিবলৈ ভাল পাইছিল।

১৭। আকবৰৰ ৰাজসভাত অনেক বিখ্যাত পণ্ডিত মানুহ আছিল, যি সকলে তেওঁক হিন্দু আৰু মছলমানৰ ভিতৰত ভেদ ভাব নেদেখুৱাই ৰাজ্যশাসন কৰা কাৰ্য্যত সহায় কৰিছিল। আমি আগেয়ে কৈ আহিছোঁ যে আকবৰে জয়পুৰৰ ৰাজপুত ৰজা ভগৱানদাস আৰু মানসিংহক তেওঁৰ সেনাপতি আৰু প্ৰতিনিধি শাসনকৰ্ত্তাৰ পদ দিছিল। তেওঁলোক দুয়ো হিন্দু আছিল। মানসিংহ প্ৰথমতে বঙ্গদেশৰ, তাৰ পিছত বিহাৰৰ, তাৰ পিছত দক্ষিণ প্ৰদেশৰ আৰু তাৰ পিছত কাবুলৰ শাসনকৰ্ত্তা হৈছিল। তেওঁ আকবৰক উড়িষ্যা জয় কৰি দিছিল। আকবৰৰ এটাইবোৰ সেনাপতিৰ ভিতৰত তেওঁ অতি বিশ্বাসৰ পাত্ৰ আছিল। মানসিংহৰ প্ৰধান মছলমান বিষয়াৰ ভিতৰত আবুল ফৈজি আৰু আবুল ফজল নামে দুই ভায়েক

ভগৱান দাস।

আছিল। আকবৰৰ ৰাজত্বৰ শেষ বছৰত চৈলিমে তেওঁৰ তলত বিষয় এখন লয়, আৰু তাৰ দু বছৰৰ পিছত চৈলিমৰ ১৮ বছৰীয়া ভায়েক আবুল ফজলক আনি মৰা-ধৰত কাম এটা দিয়ায়। এই দুই ভায়েক আকবৰৰ বৰ বিশ্বাসী আৰু মৰমৰ হৈ উঠিছিল। তেওঁলোক দুয়ো আকবৰক বৰ শ্ৰদ্ধা আৰু ভক্তি কৰিছিল, আৰু আকবৰেও তেওঁলোকক অতি চেনেহৰ বন্ধু বুলি বিবেচনা কৰি-ছিল। সম্ৰাটৰ এনে মৰমৰ পাত্ৰ হোৱা বাবে আবুল ফজলে নিজৰ প্ৰাণ হেৰুৱাটো আৰি ওপৰত কৈ

মানসিংহ।

আহিছোঁ; কাৰণ, চেলিমৰ এইটো অসহনীয় হৈ উঠিছিল যে তেওঁ থাকোঁতে বাহিৰা মানুহ এজন আহি এনেকৈ সম্ৰাটৰ বিশ্বাসৰ আৰু মৰমৰ পাত্ৰ হব। লাহে লাহে আবুল ফজলৈ চেলিমৰ বিৰাগ আৰু খং বাঢ়ি আহি আহি শেহত চেলিমে তেওঁক বধ কৰালে।

আবুলফজল।

১৮। আবুলফজল গোটেইটো জীৱনত আকবৰৰ বন্ধু আছিল। তেওঁ বৰ বিদ্বান মানুহ আছিল, আৰু তাৰ উপৰি তেওঁ সাহিত্যত সুনিপুণ

সেনাপতি আছিল। তেওঁ "আকবৰ নামা" অৰ্থাৎ আকবৰৰ বুৰঞ্জী লেখিছিল। এই পুথিৰ এছোৱাক "আইনী আকবৰী" অৰ্থাৎ আকবৰৰ আইন বোলে; আৰু তাত আকবৰৰ ঘৰ-চৰা, শাসন, আৰু সাম্ৰাজ্যৰ সম্পূৰ্ণ বিৱৰণ আছে। বাস্তৱিক পক্ষে, এই পুথিত সেই কালৰ বিৱৰণ যেনে ভালকৈ পোৱা যায়, আন কোনো পুথিত তেনেকৈ পোৱা নেযায়। তেওঁ তেওঁৰ বন্ধুৰ গাত কোনো দোষ দেখিবলৈ নেপাইছিল, আৰু তেওঁৰ পুথিখনৰ আগৰপৰা গুৰিলৈকে বাদশাহৰ প্ৰশংসাৰে ভৰা।

১৯। ৰজা টোডৰমল এজন পঞ্জাবী হিন্দু আছিল, আৰু তেওঁ অনেক কালৰ আগেয়ে শ্বেৰচাৰ তলত কাম কৰিছিল। তেওঁ বৰ ভালকৈ হিচাপ জনা মানুহ আছিল, আৰু মাটি পিয়ল কৰা হিচাপ, আৰু কৰ কেনেকৈ বহুৱাব আৰু আদায় কৰিব লাগে তাৰ নিয়মবিলাক ভালকৈ জানিছিল। তেওঁ আকবৰৰ এজন ডাঙৰ সেনাপতি আছিল, আৰু তেওঁকো বাদশাহে লগত ফৌজ দি বাৰে বাৰে যুদ্ধ কৰিবলৈ, নাইবা কোনো দেশৰ শাসনকৰ্ত্তা পাতি পঠিয়াইছিল। তেওঁৰ বুধি পৰামৰ্শ মতেই আকবৰে মাটিৰ খাজনাৰ সম্পৰ্কে নতুন নিয়মবিলাক কৰিছিল।

টোডৰমল।

ৰাজ্যৰ গোটেইবিলাক মাটি জুখি, তাত উৎপন্ন হোৱা শস্যৰ পৰিমাণ চাই, সেই মাটিবোৰ আঠ শ্ৰেণীত কৰি ভগোৱা হৈছিল। আগৰ কালত মাটিৰ খাজনা আৰু কৰ-কাটলবোৰ ধন-বিত্তেৰে নিদি শস্যেৰে দিয়া হৈছিল। টোডৰমলে সেই নিয়ম গুচাই ধনেৰে দিয়াটো কৰিলে; আৰু খাজনা তোলা মানুহবোৰক নিৰ্দ্ধাৰিত বেতন দিয়া নিয়ম কৰিলে। প্ৰজাই খাজনা যাচোৰ দিছিল: আৰ

উপৰি সেই খাজনা তোলোঁতাক আৰু একো দিব লগা নাছিল। প্ৰতি দহ বছৰলৈকে খাজনাৰ নিৰিখ ধাৰ্য্য কৰা হৈছিল। আগৰ আন আন বিবোৰ কৰ-কাটলে প্ৰজাৰ মনত বেজাৰ লগাইছিল, সেইবোৰ গুচাই দিয়া হৈছিল।

২০। গোটেইখন সাম্ৰাজ্য পোন্ধৰটা চুবা অৰ্থাৎ প্ৰদেশত ভাগ কৰা হৈছিল; তাৰ খাৰটা হিন্দুস্থানত আৰু তিনটা দক্ষিণত। সেইবোৰৰ নাম, কাবুল, লাহোৰ, মুলতান, এলাহাবাদ, আগ্ৰা, অযোধ্যা, বেহাৰ, বঙ্গলা, আজমিৰ, গুজৰাট, বেৰাৰ, খাণ্ডেশ, আৰু আহমদনগৰ। কিন্তু শেহৰখন প্ৰদেশ, অৰ্থাৎ আহমদনগৰ, চাজেহানৰ দিনলৈকে সম্পূৰ্ণৰূপে জয় কৰা হোৱা নাছিল। প্ৰত্যেক প্ৰদেশতে একোজন ৰাজপ্ৰতিনিধি বা চিপা-চালাৰ আছিল, যাক পিছত চুবাদাৰ বোলা হৈছিল। চুবাদাৰবিলাকৰ তলত একোজনকৈ দেৱান অৰ্থাৎ ৰাজহৰ ভাৰ পোৱা বিষয়া, ফৌজদাৰ অৰ্থাৎ সেনাপতি, কোটোৱাল অৰ্থাৎ "পুলিচৰ" খবাকী, মীৰ-আদিল অৰ্থাৎ বিচাৰক, আৰু কাজী অৰ্থাৎ আইন জনা বিষয়া আছিল।

২১। আকবৰৰ দিনত সকলো মানুহৰ অৱস্থা ভাল আছিল, আৰু সিহঁত আগতকৈ বৰ সুখ-শান্তিত বাস কৰিছিল। পাঠান ৰজাবোৰৰ দিনতকৈ, সিহঁতে দিব লগীয়া কৰ-কাটল অনেক গুণে কম আছিল; আৰু কি হিন্দু কি মহলমান সকলোৱে সমানে কৰ-কাটল দিছিল। আগৰ মহলমান ৰজাবিলাকে হিন্দুৰ ওপৰত জাজিয়া নামেৰে এটা কৰ বহুৱাইছিল; আৰু যি মহলমান নহয় সিহঁতেই সেই কৰ দিব লগীয়াত পৰিছিল। আকবৰে সেই জাজিয়া কৰ তুলি দিছিল। তীৰ্থযাত্ৰীৰ ওপৰত লগোৱা কৰও তেওঁ গুচাই দিছিল।

২২। সকলো মানুহে আকবৰৰ ৰাজ্যত নিজ নিজ ধৰ্ম্ম আৰু আচাৰ-ব্যৱহাৰ মতে চলিব পাৰিছিল। কিছুমান হিন্দুৰ ভিতৰত প্ৰচলিত এটা

বৰ নিষ্ঠুৰ প্ৰথা আকবৰে বন্ধ কৰিবৰ নিমিত্তে যথাসাধ্য চেষ্টা কৰিছিল। সেইটো, গিৰিয়েকৰ মৰিলে গিৰিয়েকৰ শৰটোৰ লগত তৈণীয়েকে চিতাত উঠি পুৰি মৰি সতী যোৱা নিয়ম। আকবৰে বৰ টান আজ্ঞা প্ৰচাৰ কৰি দিছিল যাতে এই নিষ্ঠুৰ প্ৰথাটো উঠি যায়।

২৩। আকবৰ আৰু আনবিলাক মোগল-ৰজাৰ দিনত, দেশৰ অৱস্থা আৰু ৰাজ্যশাসন প্ৰণালী, ৰজাৰ স্বভাৱৰ ওপৰত নিৰ্ভৰ কৰিছিল। ৰজাৰ ইচ্ছাই আইন আছিল। ৰজাই যিহকে মন যায় তাকে কৰিছিল, ৰজাৰ ওপৰত আৰু কোনো নাছিল। ৰজা, আকবৰৰ নিচিনা ভাল হলে, দেশৰ অৱস্থা আৰু শাসন ভাল হৈছিল; আৰু এলেহুৱা, নিষ্ঠুৰ বা দুৰ্ব্বল হলে বেয়া হৈছিল। কিন্তু ইংৰাজ গৱৰ্ণমেণ্টৰ তলত, কি ইংলণ্ড কি ভাৰতবৰ্ষ, দুয়ো ঠাইতে প্ৰজা, আইনৰ তলতীয়া। সেই আইন সকলোৱে জানে আৰু সকলোৱে মানে। ইংৰাজ ৰাজ্যত এটা ভিকহুৱে যেনেকৈ আইন উলঙ্ঘা কৰিব নোৱাৰে, তেনেকৈ ইংলণ্ডৰ ৰজাইও আইন উলঙ্ঘা কৰিব নোৱাৰে। আজি ৬০০ বছৰৰ আগেয়ে ইংলণ্ডৰ ইংৰাজ প্ৰজাই তেওঁলোকৰ ৰজাক এই আইন উলঙ্ঘা কৰি চলিব নোৱাৰিবলৈ সন্মত কৰালে।

২৪। ৬৩ বছৰ বৎসত আকবৰৰ মৃত্যু হয়। তেওঁ ৫১ বছৰ ৰাজত্ব কৰিছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ বৰ পুত্ৰেক চেলিম ৰাজপাটত উঠি ৰজা হল।

জেহাঙ্গীৰ।

১৬০৫—১৬২৭।

চেলিমে জেহাঙ্গীৰ উপধি লৈ দিল্লীৰ সিংহাসনত উঠিল। জেহাঙ্গীৰ শব্দৰ মানে "বিশ্ব বিজয় কৰোঁতা।" তেওঁৰ মাক ৰাজপুত কুঁৱৰী আছিল; সেইবাবে তেওঁক আধা-আধি ৰাজপুতও বুলিব পাৰি। মোগ-

ৰাইৰ গৰ্ভত ওপজা, তেওঁৰ নিজৰ পুতেক খস্ৰুহে, খুৰাক ৰজা মান-সিংহক আৰু আকবৰৰ ধাই সেনাপতি শহুৰেক খান-ই-আজিমক ৰৰকৈ ধৰিছিল যাতে খস্ৰু ৰজা হব পাৰে। কিন্তু মৃত্যুৰ সময়ত আকবৰে তেওঁৰ ডাঙৰ বিষয়াসকলক মতাই অনাই, তেওঁৰ পিছত চেলিম হে ৰজা হব, এই কথা কৈ গৈছিল।

২। খস্ৰুক বাপেকে সমূলী ভাল নেপাইছিল ; আৰু সেই নিমিত্তে তেওঁৰে সৈতে বাপেকে ভাল ব্যৱহাৰ নকৰিছিল। জেহাঙ্গীৰ ৰজা হোৱাৰ চাৰি মাহৰ পিছত, এদিন তেওঁ ৰাতি দুপৰত শুনিবলৈ পালে যে খস্ৰু দিল্লীলৈ পলাই গল। খস্ৰুৱে কিছুমান সেনা গোটাই লৈ লাহোৰলৈ গৈছিল। বাপেকে খস্ৰুৰ পিছে পিছে খেদা দি গৈ দেখিলে যে খস্ৰুৱে তাৰ দুৰ্গ আক্ৰমণ কৰিছে। জেহাঙ্গীৰৰ সৈন্যৰ আগত খস্ৰুৰ সেই তাকৰ সেনা তিষ্ঠিব নোৱাৰি পলাই ছেদেলি-ভেদেলি হৈ গল ; আৰু খস্ৰুও পলাই গৈ সিন্ধু নৈ পাৰ হবলৈ ধৰোঁতেই ধৰা পৰিল। খস্ৰুক লোৰ শিকলিৰে বান্ধি আনি

জেহাঙ্গীৰ।

জেহাঙ্গীৰৰ আগত হাজিৰ কৰিলত, জেহাঙ্গীৰে তেওঁক বন্দীশালত বন্দী কৰি ৰখলৈ হুকুম দিলে ; আৰু তেওঁৰ লগৰীয়া ৭০০ সেনাক বৰ নিষ্ঠুৰ ভাৱে বধ কৰালে। ষোল বছৰ জেহাঙ্গীৰে খস্ৰুক বন্দী কৰি ৰাখি, তাৰ পিছত খস্ৰুৰ ভায়েক খৰমৰ অৰ্থাৎ চাজেহানৰ হাতত তেওঁক দি দিলে। চাজেহানে খস্ৰুক মৰাই পেলালে।

৩। আকবৰৰ নিজিনাটৈক জেহাংগীৰেও কেইবাজনীও ৰাজপুত কুঁৱৰী বিয়া কৰাইছিল। যুৱৰাজ খচৰৰ (যি পিছত সম্ৰাট হৈছিল) মাকও ৰাজপুত কুঁৱৰী আছিল। কিন্তু জেহাংগীৰে, তেওঁৰ ৰাজত্বৰ ষষ্ঠ বছৰত, নুৰজাহান নামে এজনী পাৰ্চ্চীয় ছোৱালী বিয়া কৰাইছিল, যি, ভাৰতত বৰবোৰ ৰাণী হৈ গৈছে, সকলোবোৰতকৈ নাম-জ্বলা।

৪। নুৰজাহানৰ বাপেক তুৰ্কিস্থানৰ মানুহ আছিল। তেওঁ বৰ দুখীয়া আছিল। সেইদেখি তেওঁ তুৰ্কিস্থানৰ পৰা ভাৰতবৰ্ষলৈ জীৱিকা উপাৰ্জ্জনৰ বাট বিচাৰি আহিছিল। লাহোৰত তেওঁৰ এজন পুৰণি বন্ধু মানুহ তেওঁ লগ পাই, সেই বন্ধুজনৰ সহায়ত আকবৰ বাদশাহৰ ৰাজদৰবাৰত এটা কাম পালে। তেওঁ বৰ চোকা-বুধীয়া আছিল গুণে সোনকালে তেওঁৰ উন্নতি হল, আৰু শেহত

নুৰজাহান।

ৰজাৰ ধন ভঁৰালৰ গৰাকীৰ বিষয় পালে। তেওঁৰ এজেজনী বৰ ৰূপহী জীয়েকৰ নাম মিহিৰ-উন-নিচা আছিল। মিহিৰ-উন-নিচা মানে তিকতাৰ তিতৰত সূৰ্য্য। সেই ছোৱালীজনী ৰূপত যেনে ভৱনী, বুদ্ধিতো তেনে চোকা আছিল। মিহিৰ-উন-নিচাৰ বাপেকে তেওঁক, সেৰ আফগান নামে, বঙ্গদেশৰ এজন পাৰস্যীয় জাতৰ ডেকা লোকৰ জমিদাৰে সৈতে বিয়া দিলে। চেলিম ৰাজপাটত উঠিয়েই নিজৰ মনৰ মতে কাম কৰিব পৰা হলতে, তেওঁ সেৰ আফগানক হত্যা কৰাই মিহিৰ-উন-নিচাক আনি তেওঁৰ নাম নুৰমহল দি, ৰাজ অন্তঃপুৰত সুমালে। কিন্তু সেই তেজী তিকতাই ৬ বছৰলৈকে, খঙত আৰু শোকত, স্বামীবধী সম্ৰাটক পতি বৰণ কৰা দূৰৈত থাওক, তেওঁৰ কালে মুৰ ডাঙিয়েই নেচাইছিল। ৬ বছৰৰ মূৰতহে তেওঁ স্বামীৰ শোক পাহৰি সম্ৰাটক বিয়া কৰাবলৈ মান্তি হৈছিল।

৫। মিৰাৰ পিছত সম্ৰাটে তেওঁৰ নাম আকৌ থলে নূৰজাহান অৰ্থাৎ "পৃথিবীৰ পোহৰ" দিলে। তেতিয়াৰেপৰা জাহাঙ্গীৰে নূৰজাহানৰ হাতত সকলোবোৰ ৰাজক্ষমতা আৰু ৰাজকাৰ্য্যৰ ভাৰ দিলে; আৰু নূৰজাহানেও সেই ক্ষমতা পাই, মোগল সাম্ৰাজ্য শাসন কৰিবলৈ ধৰিলে। ৰাজ আজ্ঞাপত্ৰবোৰ তেওঁ চহি কৰিছিল; বাপেকক প্ৰধান মন্ত্ৰী আৰু ভায়েকক ৰাজ দৰবাৰৰ মাই ভাওনীয়া পাতিছিল। ইয়াৰ পিছৰ কুৰি বছৰ মৰণপৰ্য্যন্ত, জাহাঙ্গীৰৰ ৰাজত্ব নুবুলি নূৰজাহানৰ ৰাজত্ব বোলাহে উচিত। জাহাঙ্গীৰে কৈছিল যে, তেওঁ মাথোন ভাল খোৱা বস্তু আৰু ভাল বটিকা খাবলৈ পালেই হল; ৰাজ্য শাসনকাৰ্য্যত তেওঁৰ হেতা-ওপৰা কৰিবৰ একো সকাম নাই; কাৰণ, তেওঁ জানে যে ৰাণীয়ে তেওঁতকৈ ভালকৈ ৰাজ্যশাসন কৰিব। এনে প্ৰবাদ আছে, যে বিখ্যাত সুগন্ধীযুক্ত আতৰ, নূৰজাহানে প্ৰথমতে উলিয়ায়। তেওঁ গা ধোৱা পানী সুগন্ধী কৰিবৰ নিমিত্তে কেতিয়াবা কেতিয়াবা তাত গোলাপ ফুল ওপঙাই দিয়া হৈছিল। এদিন তেওঁ দেখিলে যে সেই পানীত গোলাপ ফুলবোৰৰ তেলৰ নিচিনা কিবা ওলাই ওপঙি আছে। সেয়েই মন-মোহা গোলাপ আতৰ।

৬। জাহাঙ্গীৰ আৰু হিন্দুস্থান দুইৰো সৌভাগ্যৰ বিষয় বুলিব লাগে যে ৰাণীয়ে সুশাসন কৰিছিল; কাৰণ জাহাঙ্গীৰ আকবৰৰ নিচিনা বুদ্ধিমান, জ্ঞানী আৰু ভাল মন্ত্ৰী নাছিল। আমোদ-প্ৰমোদ আৰু সুখ ভোগৰ বাহিৰে আন কোনো চিন্তাই জাহাঙ্গীৰৰ মনত নেখেলাইছিল। যি কেইজন মোগল সম্ৰাট আছিল, এটাই কেইজনৰ ভিতৰত জাহাঙ্গীৰ বৰ মদপী, আৰু আমোদ-প্ৰমোদ আৰু সুখ ভাল পোৱা আছিল।

৭। ১৬১৫ খৃষ্টাব্দত ইংলণ্ডৰ ৰজা প্ৰথম জেমছে ছাৰ টমাচ ৰো নামে এজন কটকী জাহাঙ্গীৰৰ ওচৰলৈ পঠিয়াইছিল। সেই কালত ইউৰোপত, জাহাঙ্গীৰৰ নাম "ডাঙৰ মোগল" বুলি প্ৰখ্যাত আছিল। ইংৰাজ দূতে মহাৰাজক ভাৰতবৰ্ষত বেহা-বেপাৰ কৰিবলৈ দিবলৈ অনুমতি লবৰ নিমিত্তে

ছাৰ টমাচ ৰোক পঠিয়া হৈছিল। সেই কালত ভাৰতৰ পশ্চিম উপকূলৰ সুৰাটত ইংৰাজ বেপাৰীৰ এটা বেপাৰৰ কুঠী আছিল। ছাৰ টমাচ ৰো জাহাঙ্গীৰৰ ৰাজ সভাত তিনি বছৰ আছিল; আৰু সেই সময়ৰ ভাৰতৰ কথা তেওঁ যি দেখিছিল যি শুনিছিল, তাৰ এটা বিৱৰণ লেখিছিল। তেওঁ লেখিছিল যে আকবৰৰ দিনত যেনে ভালৰূপে ৰাজ্য শাসনকাৰ্য্য হৈছিল, জাহাঙ্গীৰৰ দিনত তেনে নহৈছিল; আৰু অনেক ঠাইত শাসনকৰ্ত্তাবিলাকে প্ৰজাৰ ওপৰত অত্যাচাৰ কৰিছিল। দেশ ডকাইতেৰে ভৰা আছিল, আৰু লগত ভালকৈ গা-ৰখীয়া লৈ নুকুৰিলে এঠাইৰ পৰা আন এঠাইলৈ নিৰাপদে ফুৰা টান হৈছিল। ছাৰ টমাচ ৰো সম্ৰাটৰ সৈতে প্ৰায় দেখা-শুনা কৰিবলৈ গৈছিল। তেওঁ ৰজাৰ বৰ চৰাত এখন চাপৰ আসনত ৰহিছিল, আৰু সেই আসনখন হীৰা আৰু

ছাৰ টমাচ ৰো।

ৰাখৰ পতোৱা আছিল। ৰজাই মাজে সময়ে তেওঁক খাবলৈ মাতিছিল। ছাৰ টমাচ ৰোৱে ৰজাক, হিন্দুস্থানত বেহা-বেপাৰ কৰিবলৈ অনুমতি খুজিলত, ৰজাই কলে, যে তেওঁ ৰাণীৰ অনুমতি লওক, কাৰণ, ৰাণীহে ৰাজ্য শাসনৰ গৰাকী। সেই অনুমতি পাবলৈ তেওঁ ৰাণীৰ ভায়েক আচফখাঁক এটা বহুমূলীয়া বস্তু ভেটি দিব লগীয়াত পৰিছিল।

৮। জাহাঙ্গীৰৰ ৰাজত্বৰ কালত গোটেই দেশতে নানা বিদ্ৰোহ নানা ৰণ হৈছিল; আৰু ঘাইকৈ দক্ষিণত। জাহাঙ্গীৰে তেওঁৰ আত্ম জীৱন চৰিত্ৰ পুথিত লেখি থৈ গৈছে যে, এবাৰ কনৌজত ৩০,০০০ বিদ্ৰোহীক বধ কৰা হৈছিল, ১০,০০০ বিদ্ৰোহীৰ মূৰ দিল্লীলৈ পঠিয়া হৈছিল, আৰু

১০,৬০০ মানুহক গহন্ত তলীন বুৰকৈ এলোমাই আৰি থৈ মৰা হৈছিল। তেওঁৰ ৰাজ্যৰ ভিতৰত এনে এখনো দেশ নাছিল, যত ৫০০,০০০ বিদ্ৰোহীক বধ কৰা নহৈছিল।

৯। জাহাঙ্গীৰৰ ৰাজত্বৰ শেহ ভোগৰত তেওঁৰ পুতেক খৰমে তেওঁক বৰ আমনি কৰিছিল। ৰজা হবলৈ বাটচাই থাকি খৰমৰ আমনি লাগি, তেওঁ চাজাহান উপাধি লৈ ৰাজ ক্ষমতা কাঢ়ি লবলৈ চেষ্টা কৰিছিল। খৰমৰ এনে ব্যৱহাৰ দেখি, নুৰজাহানে মহাবত খাঁ নামে এজন সাহিয়াল আৰু পৰাক্ৰমী চৰ্দাৰক, ৰজাক ৰক্ষা কৰিবলৈ কৈছিল। মহাবত খাঁই চাজাহানক খেদি নি দক্ষিণ পোৱাইছিল গৈ। কিন্তু তাৰ পিছত নুৰজাহানৰ মনত ভয় হল, কি জানি মহাবত খাঁই নিজেই ৰাজ-পাট কাঢ়ি লৈ ৰজা হয়। এই ভাবি তেওঁ মহাবতক বধ কৰিবৰ মনেৰে ৰজা ঘৰলৈ মাতি পাঠিয়ালে। মহাবত খাঁই ৰাণীৰ মতলব বুজিব পাৰি, লগত বলৱন্ত ৰাজপুত সৈন্য কিছুমান লৈ আহি, জাহাঙ্গীৰক অকলৈ এটা বাহৰত পাই, বৰ বিক্ৰমেৰে ধৰি বন্দী কৰিলে। তেওঁ ৰজাৰ প্ৰাণ লবৰ নিমিত্তে যে তেনে কৰিছিল এনে নহয়, মাথোন নিজৰ গা সকবাবৰ নিমিত্তেহে তেনে কৰিব লগীয়াত পৰিছিল। সেই দেখি, মহাবতে যদিও ৰজাক বন্দী কৰি থৈছিল, তথাপি তেওঁৰ প্ৰতি খুব সন্মান দেখুৱাত ক্ৰটী নকৰিছিল।

১০। কিন্তু কিছুদিনৰ পিছত জাহাঙ্গীৰ তাৰপৰা কোনোমতে ওলাই পলাই গৈ নুৰজাহানৰ লগ লাগিল। তেতিয়া মহাবতে দেখিলে যে তেওঁৰ আৰু ৰক্ষা নাই, গতিকে, তেওঁ চাজাহানৰ সৈতে লগ লাগিবলৈ দক্ষিণলৈ পলাই গল; আৰু চাজাহানে বৰ বংমনেৰে তেওঁক সাদৰি ললে।

১১। ইয়াৰ অলপ পিছতে জাহাঙ্গীৰ ধুকাল। বাপেক মৰিলত, চাজাহানে সিংহাসনত উঠি নুৰজাহানক সবহকৈ এটা বৃত্তি নিৰ্দ্ধাৰিত

কৰি দিলে। ইয়াৰ পিছত প্ৰায় ৬০ বছৰ নুৰজাহান জীয়াই আছিল, কিন্তু সেই কাল ভোগৰত তেওঁ ৰাজকাৰ্য্যত একো হস্তক্ষেপ কৰিব নোৱাৰিছিল।

চাজাহান।

১৬২৭—১৬৫৮।

১। বাস্তৱতে কবলৈ গলে, চাজাহানৰ গাত তুৰ্কী তেজতকৈ ৰাজপুত তেজহে সৰহ ভাগ আছিল। তেওঁৰ মাক ৰাজপুত, আৰু বাপেক জাহাঙ্গীৰ আদধিনি ৰাজপুত। এটাই কেইজন মোগল সম্ৰাটৰ ভিতৰত চাজাহানেই বেঁছ নাম-জগা আছিল। তেওঁ তেওঁৰ ৩০ বছৰ ৰাজত্ব কালৰ ভিতৰত অনেক সুন্দৰ নগৰ পাতিছিল, অনেক ৰূপহ কাৰেংঘৰ, মৈদাম, মজিদ, সাজিছিল, যাৰ তুলনা ভাৰতত নাই।

২। তেওঁ ৰজা হৈয়েই নিষ্ঠুৰ ভাৱে তেওঁৰ এটাইবোৰ ভায়েক আৰু সৰু সৰু ভতিজা লৰাবোৰক বধ কৰিছিল, যেন, পিছত কোনেও সিংহাসনলৈ লোভ কৰি তেওঁৰে সৈতে যুঁজিব নোৱাৰে।

৩। যদিও চাজাহানৰ ৰাজত্বৰ আৰম্ভণ এইদৰে নিষ্ঠুৰ ভাৱে হৈছিল,

চাজাহান।

তথাপি তেওঁ পিছলৈ ৰাজ্য সুশাসন কৰিছিল, আৰু বাপেক জাহাঙ্গীৰতকৈ অনেক গুণে ভাল ৰজা আছিল। তেওঁ বাপেকৰ নিচিনা এলেহুৱা আৰু মদপী নাছিল। আকবৰৰ নিচিনাকৈ তেওঁ হিন্দু আৰু মছলমানৰ প্ৰতি সমান ব্যৱহাৰ কৰিছিল। তেওঁৰ প্ৰজাই তেওঁক ভাল পাইছিল, আৰু ৰাজপুতবিলাকে তেওঁক প্ৰায় এজন

নিজৰ বংশৰে মানুহ যেন ভাবি, তেওঁৰ সৈন্যদলত সোমাই, তেওঁৰ হকে অতি আনন্দেৰে যুজি যুঁজিছিল।

৪। মমতাজমহল নামে এজনী বৰ ৰূপহী পাৰস্যীৰ তিৰুতা চাজাহানৰ কুঁৱৰী আছিল। মমতাজমহল সম্বন্ধত, বিখ্যাত নুৰজাহানৰ ভতিজাজীয়েক। তেওঁ গিৰিয়েকক নথৈ ভাল পাইছিল; আৰু ১৪ বছৰ বিবাহিত জীৱন কটোৱাৰ পিছত যেতিয়া তেওঁৰ মৰিবৰ কাল আহিল, তেওঁ গিৰিয়েকক এই দুটা কথা খাটিলে;—যেন তেওঁ মৰাৰ পিছত গিৰিয়েকে আন কাকো বিয়া নকৰায়; আৰু তেওঁৰ নাম যুগমীয়া কৰিবৰ নিমিত্তে যেন তেওঁৰ মৌদামৰ ওপৰত এটা বৰ ধুনীয়া ঘৰ তেওঁ সজায়। গিৰিয়েকে চকু-লো টুকি ঘৈণীয়েকৰ কথা ৰাখিবলৈ অঙ্গীকাৰ কৰিলে; আৰু সেই অঙ্গীকাৰ চাজাহানে বৰ্ত্তিয়াকৈ ৰাখিছিলও। তেওঁ মমতাজমহল ঢুকুৱাৰ পিছত কাকো বিয়া কৰোৱা-নাছিল, আৰু ঘৈণীয়েকৰ মৈদামৰ ওপৰত জগদ্বিখ্যাত তাজমহল সজালে। আগ্ৰাত যমুনাৰ পাৰত এই তাজমহল সজা হল; আৰু আজিও সি এনে ৰমক-জমক হৈ আছে, দেখিলে মনে ধৰে যেন তাক কালিহে সজা হৈছে।

মমতাজমহল।

৫। ইয়াৰ বাহিৰে চাজাহানে দিল্লীত জুমামজিদ অৰ্থাৎ ডাঙৰ মজিদ, আৰু আগ্ৰাত মতিমজিদ অৰ্থাৎ মুকুতাৰ মজিদ সজাইছিল। এই মতিমজিদটো পৃথিৱীৰ ভিতৰত যতবোৰ নাম-ঘৰ অৰ্থাৎ ঈশ্বৰৰ

সাৰ পৰম বৰ আছে, এটাইবোৰতকৈ ধুনীয়া। চাজাহানৰ সিংহাসনখনৰ নিচিনা ধৰক-জমক আৰু বহুমূলীয়া সিংহাসন সম্ভৱতঃ পৃথিৱীৰ



তাজমহল।

ভিতৰত কোনো ৰজাৰ নাছিল। ছালি পৰা ম’ৰা এটাৰ আৰ্হিৰে সেই সিংহাসনখন সজা হৈছিল, আৰু গোটেই এচিয়াত সি ম’ৰা-সিংহাসন বুলি বিখ্যাত আছিল। তাৰ ম’ৰা-পাখিবোৰৰ ৰতন, হীৰা, মৰকত, পান্না, বাখৰ আদি পতাই কৰা হৈছিল; আৰু সেইখন সজোৱাৰ খৰচ ১০,০০০,০০০ টকা পৰিছিল।

৬। চাজাহানৰ ৰাজত্বৰ সময়ত, ইষ্ট ইণ্ডিয়া কোম্পানী নামে কিছুমান ইংৰাজ সদাগৰ তেওঁলোকৰ বেহা-বেপাৰৰ নিমিত্তে, ভাৰত-বৰ্ষৰ পশ্চিম উপকূলত মাদ্ৰাজ নামে গাওঁ এখন পাইছিল; আৰু তাত তেওঁলোকে চেণ্টজৰ্জ নামেৰে এটা দুৰ্গ সাজিছিল। তেওঁলোকে বঙ্গদেশত, গঙ্গাৰ মুখৰ ওচৰত, হুগলী নামে ঠাই এখনত, কলিকতাৰ পৰা প্ৰায় ২৫ মাইল উত্তৰত, বেপাৰৰ এটা সৰু কুঠীও সাজিছিল।

৭। চাজাহানৰ চাৰিজন কোঁৱৰ আছিল। বৰজন কোঁৱৰৰ নাম দাৰা। দাৰা যদিও দানী, সাহিয়াল, মুকলি মনৰ, আৰু দেখিবলৈ গঢ়িত কোঁৱৰ আছিল, তথাপি এইবোৰৰ লগে লগে তেওঁ বৰ অহঙ্কাৰী আৰু উতনুৱাও আছিল। হিন্দুবিলাকৰ প্ৰতি তেওঁ দয়ালু আছিল; কিন্তু মছলমান ডাঙৰীয়াবিলাকে তেওঁক ভাল নেপাইছিল। মাজুজন কোঁৱৰ চুজাও সাহিয়াল আৰু চতুৰ আছিল; কিন্তু দোষৰ ভিতৰত তেওঁৰ ককাক জাঁহাঙ্গীৰৰদৰে তেওঁ মদপী আৰু আমোদ-প্ৰমোদত নিমগণ হৈ থকা স্বভাৱৰ আছিল। তৃতীয়জন কোঁৱৰৰ নাম আউৰংজেৱ। তেওঁ নিষ্ঠুৰ, টেঙৰ আৰু ক্ষমতা-প্ৰিয় আছিল। হিন্দুধৰ্ম্মক তেওঁ বৰ ঘিণাইছিল, আৰু মছলমান ধৰ্ম্মৰ ওপৰত বৰ নিষ্ঠাৱন্ত আছিল। তেওঁ তেওঁৰ সৰুটো ভায়েক মুৰাদক কৈছিল যে তেওঁ ৰজা হৈ ৰাজ্য কৰিবলৈ সমূলী ভাল নেপায়; ধৰ্ম্মিষ্ঠ সন্ত-সাধুৰ দৰে থাকি ধৰ্ম্ম-কৰ্ম্ম কৰাটো আৰু ঈশ্বৰৰ সেৱা-অৰ্চ্চা কৰি জীৱন কটোৱাটোহে তেওঁৰ ঘাই ইচ্ছা। আৰু তেওঁ মুৰাদক কৈছিল যে যাতে মুৰাদ ৰজা হয় তেওঁ তাৰ চেষ্টা কৰিব। চাজাহানৰ জুমলীয়া পুতেক মুৰাদে মদ আৰু চিকাৰ ভাল পাইছিল; আৰু আউৰংজেৱৰ সেই ছলনা কথা চকু মুদি পতিয়াইছিল। প্ৰত্যেকজন কোঁৱৰৰ তলত একোটাকৈ ডাঙৰ ফৌজ আছিল, আৰু তেওঁলোক গাইপতি একোখন দেশৰ শাসনকৰ্ত্তা আছিল। দাৰা দিল্লীত, আউৰংজেৱ দক্ষিণত, চুজা বঙ্গদেশত, আৰু মুৰাদ গুজৰাটত আছিল।

৮। ৩০ বছৰ ৰাজত্ব কৰাৰ পিছত, ১৬৫৮ খৃষ্টাব্দত ৭০ বছৰ বয়সীয়া চাজাহান নৰিয়া পৰিল, আৰু সেই নৰিয়াৰ পৰা তেওঁ যে ভাল হৈ উঠিব এনে আশা নাছিল। বাপেকৰ এনেকুৱা অৱস্থাত চাৰিওজন পুতেকে সিংহাসন লবৰ নিমিত্তে পৰস্পৰ যুঁজ কৰিবলৈ ধৰিলে। তেওঁলোকৰ ভিতৰত সেই যুঁজ পাঁচ বছৰ চলিছিল। শেহত আউৰংজেৱে আন কেইজনক হৰুৱাই ৰাজপাট কাঢ়ি লৈ ৰজা হল। দাৰা আৰু মুৰাদক

আউৰংজেবে বধ কৰিলে, আৰু চুজা আপোন লৰা তিকতাবে সৈতে আসামলৈ পলাই গল। আসামৰ ৰজাই তেওঁক আসামতে সপৰিবাৰে বধ কৰালে। আউৰংজেবে বাপেক চাজাহানক সাত বছৰ বৰ সাবধানে বন্দী কৰি ৰাখিছিল; আৰু সেই অৱস্থাতে চাজাহান মৰে। চাজাহানে আৰ্জনৰ ফল ভুগিছিল। তেওঁ সক কালত বাপেক জাহাঙ্গীৰৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছিল, আপোনাৰ ককায়েক ভায়েকহঁতক তেওঁলোকৰ সন্তান-সন্ততিবে সৈতে হত্যা কৰিছিল। প্ৰথম দুজন মোগল সম্রাট আৰু শেহৰ দুজন মোগল সম্রাটৰ মাজত কি ভয়ানক প্ৰভেদ! বাবৰে পুতেক হুমায়ুনৰ নিমিত্তে নিজৰ প্ৰাণ দিলে, আৰু হুমায়ুনে, তেওঁৰ প্ৰাণ লবলৈ যত্ন কৰা ভায়েকহঁতক বাৰে বাৰে ক্ষমা কৰিছিল। কিন্তু চাজাহান আৰু আউৰংজেবে নিজ নিজ বাপেকৰ বিপক্ষে বিদ্ৰোহী হৈ উঠিছিল, আৰু নিজ নিজ ভায়েক ভতিজাকহঁতক নিষ্ঠুৰ ভাবে হত্যা কৰিছিল!

আউৰংজেব।

১৬৫৮—১৭০৭।

১। আকবৰৰ নিচিনাকৈ আউৰংজেবেও ৫০ বছৰ ৰাজত্ব কৰিছিল। কিন্তু আউৰংজেব সমূলি আকবৰৰ নিচিনা নাছিল। আউৰংজেবৰ ৰাজত্বৰ প্ৰথম দহ বছৰত, তেওঁৰ সেনাপতি ৰাজপুত ৰজাবোৰৰ মনত বেজাৰ দি খং তুলিবলৈ তেওঁ ভয় কৰি মনে মনে আছিল। ভায়েক আৰু ভতিজাবোৰক পৰাস্ত আৰু বধ কৰিবলৈ তেওঁৰ তিনি বছৰ লাগিছিল; আৰু তাকে নকৰালৈকে তেওঁ নিৰাপদ হলোঁ বুলি নেভাবিছিল। তেওঁৰ বাপেক বন্দী অৱস্থাত জীয়াই থকা কালত তেওঁৰ সদাই ভয় আছিল, পাছে, ৰাজপুতবিলাকে আকৌ বাপেকৰ কণীয়া হৈ তেওঁক ৰজা ভাঙ্গি বাপেকক ৰজা পাতিবলৈ চেষ্টা কৰে। সেই নিমিত্তে তেওঁ বাপেকক আগ্ৰাৰ দুৰ্গত ভালকৈ বন্দী কৰি থৈছিল; আৰু ১৬৬৬ খৃষ্টাব্দত ৭৪ বছৰ বয়সত চাজাহান সেই অৱস্থাতে মুকায়।

২। আউৰংজেবে যেতিয়া দেখিলে যে তেওঁৰ ৰাজপাট নিৰাপদ হল, তেতিয়া তেওঁ ভাবিলে, তেওঁৰ ৰাজ্যত যত হিন্দু মানুহ আছে এটাইবোৰকে তেওঁ বলেৰে ধৰি মুছলমান কৰিব; আৰু চিয়া সম্প্ৰদায়ৰ মুছলমানবোৰক চুন্নী সম্প্ৰদায়ত সোমাবলৈ বাধ্য কৰিব। তেওঁ সিংহাসনত উঠাৰ প্ৰায় বহু বছৰৰ পিছত, আগৰ সম্ৰাটসকলে নিযুক্ত কৰা প্ৰায় এটাইবোৰ হিন্দু-বিষয়াক তেওঁ ৰজাঘৰীয়া কামৰপৰা গুচাই তেওঁলোকৰ ঠাইত মুছল-মান বিষয়া নিযুক্ত কৰিলে। আকবৰে

ংজেৰ ।

অনেক হিন্দুক ৰজাঘৰীয়া ডাঙৰ ডাঙৰ বিষয় দি বৰ মৰম কৰি ৰাখি আপোনাৰ কৰিছিল। ৰাজপুতবিলাকে আকবৰক বৰ ভাল পাইছিল, ডাঙৰ মোগল সাম্ৰাজ্যখন পতাত তেওঁক মৰিমুৰি সহায় কৰিছিল। কিন্তু ৰাজপুতবিলাকে আউৰংজেবক দুচকুৰে দেখিব নোৱাৰিছিল; আৰু তেওঁলোকে আনবিলাক হিন্দুৰে সৈতে গোটখাই আউৰংজেবৰ বিপক্ষে যুদ্ধ কৰি, আকবৰে ইমান পুৰুষাৰ্থ কৰি গঢ়া সাম্ৰাজ্যখন ভাঙি-ছেদেলি-ভেদেলি কৰি পেলালে। আউৰংজেবে চিয়াবিলাকৰ ওপৰত অত্যাচাৰ কৰি, আকবৰে তেওঁলোকক দিয়া মাটিবোৰ তেওঁলোকৰপৰা কাঢ়ি লৈছিল।

৩। আউৰংজেবে হিন্দুধৰ্ম্ম বৰকৈ ঘিণাইছিল। তেওঁ বাৰাণসীৰ হিন্দু মন্দিৰবোৰ ভাঙি, পূজাৰী পাণ্ডাবিলাকক বধ কৰি, তাৰপৰা হিন্দু দেৱতাৰ মূৰ্ত্তিবোৰ লৈ আহি তেওঁৰ কাষে ঘৰৰ চম্বাৰ মুখত পুতি থৈছিল,

যাতে তেওঁৰে সৈতে দেখা কৰিবলৈ অহা মানুহে সেইবোৰৰ ওপৰেদি গচকি নাহি নোযাবে। অনেক বাৰ তেওঁ হিন্দুৰ ঘৰত জুই লগাই দি পুৰি, সিহঁতৰ আম-কঠাল আদি ফলৰ গছবোৰ কাটি থাপ্পাং কৰি, গোসাঁইৰৰ আৰু মন্দিৰবোৰৰ ভিতৰত গৰু মাৰি সেইবোৰ অশুচী কৰিছিল। তেওঁ হুকুম শুনাই দিছিল যে, কোনো হিন্দুৱে ঘোৰা, হাতী, আৰু পাল্কীত উঠিব নোৱাৰে। হিন্দুৱে তেওঁৰ ৰাজ্যত খোজকাঢ়ি ফুৰাৰ বাহিৰে কোনো যানত উঠি ফুৰিব নোৱাৰিছিল।

৪। আকবৰে তুলি দিয়া জাজিয়া কৰ আকৌ তেওঁ বহুৱাইছিল। দিল্লীৰ প্ৰজাবোৰ গোটখাই ৰজা-ঘৰলৈ গৈ, সেই কৰ তুলি দিবলৈ কাকুতি মিনতি কৰিছিল। প্ৰজাৰ কান্দোনত গগণ ফাটিছিল! কিন্তু খঙাল নিষ্ঠুৰ ৰজা আউৰংজেবে তাৰ উত্তৰ স্বৰূপে সিহঁতৰ মাজলৈ হাতী পঠিয়াই দিবলৈ হুকুম দি, হাতীৰে গচকাই অনেকক মৰালে, আৰু অনেকক হাত ভৰি ভাঙ্গাই ঘুণীয়া কৰিলে। প্ৰজাৰ এনে দুৰ্গতি কৰি আউৰংজেবে মজিদত নামাজ পঢ়িবলৈ গুচি গৈছিল।

৫। যোধপুৰৰ. ৰাজপুত ৰজাই এবাৰ এইদৰে আউৰংজেবলৈ চিঠি লেখিছিল ;—"যদি স্বৰ্গদেৱে সকলো ধৰ্ম্মৰ মানুহৰ ধৰ্ম্ম শাস্ত্ৰবিলাক পঢ়ে, তেন্তে দেখিবলৈ পাব, যে, ঈশ্বৰ সকলো মানুহৰে; তেওঁ অকল মুছলমানৰে অকলসৰীয়া বস্তু নহয়। আপুনি আপোনাৰ মজিদত ঈশ্বৰক ভজনা কৰে, হিন্দুৱেও সিহঁতৰ মন্দিৰত যত ঘণ্টাধ্বনি হয়, তেওঁকে ভজনা কৰে। আপোনাৰ উপৰিপুৰুষ মহামতি আকবৰ বাদস্বাহে হিন্দু, মুছলমান, খৃষ্টান, ইহুদী সকলোৰে প্ৰতি সমানে দয়া প্ৰকাশ কৰিছিল। তেওঁৰ পিছৰ দুজন বাদস্বাহেও অৰ্থাৎ আপোনাৰ ককাক আৰু পিতাদেৱেকেও সেইদৰে তেওঁৰ বাটে বাটবুলি চলিছিল। কিন্তু কি বেজাৰৰ কথা, যে আপুনি তেওঁলোকৰ সন্তান হৈ আপোনাৰ হিন্দু প্ৰজাবোৰক তৰিৰে গচকিব লাগিছে!"

৬। আউৰংজেব ভাল ৰজা হব পাৰিলেহেঁতেন যদি তেওঁৰ এটাই



আউৰংজেবৰ তলতীয়া মোগল সাম্ৰাজ্য।

ঘোৰ প্ৰজা চুন্নী সম্প্ৰদায়ৰ মছলমান হলহেঁতেন; আৰু যদি তেওঁ পোন বাটে চলিব পাৰিলেহেঁতেন। তেওঁ মদপী নাছিল আৰু আমোদ-প্ৰমোদ ভালপোৱা লোকও নাছিল। তেওঁ নিজৰ সুখৰ নিমিত্তে কোনো কপবান খৰচ নকৰিছিল; আৰু বাস্তৱিক পক্ষে, তেওঁৰ আহাৰৰ খৰচ টুপি সি তাৰ উৎপন্নৰপৰা উলিয়াইছিল। তেওঁৰ গাত পিন্ধা সাজ নিচেই উকা আছিল, আৰু সিংহাসনত বহা সময়ৰ বাহিৰে তেওঁ সোণ-ৰূপৰ কোনো অলঙ্কাৰ নিপিন্ধিছিল। আকবৰৰ নিচিনা তেওঁ সাহিয়াল, আৰু যুদ্ধত একোলৈকে ভয় নকৰা নায়ক আছিল।

৭। দক্ষিণ জয় কৰাটো, আউৰংজেবৰ গোটেইটো জীৱনত এটা ডাঙৰ লক্ষ্য আছিল। ব্ৰাহ্মণী ৰাজ্য ভাগি হোৱা পাঁচখন সৰু ৰাজ্যৰ ভিতৰৰ বিদাৰ, বিৰাৰ, আৰু আহমদনগৰ তেওঁৰ বাপেকৰ দিনতে লোৱা হৈছিল। বাকী দুখন ৰাজ্য গোলকুণ্ডা আৰু বিজাপুৰ লবলৈ তেওঁ চেষ্টা কৰিবলৈ ধৰিলে। ২৫ বছৰ কাল তেওঁৰ সেনাপতিবিলাকে যুঁজি সেই ৰাজ্য দুখন লবলৈ চেষ্টা কৰিও নোৱাৰিলে। ইয়াৰ পিছত আউৰংজেবে ভাবিলে যে, যদি সেই কাৰ্য্যত সফল হব লাগে, তেন্তে তেওঁ নিজে গৈ তাক নকৰিলে নহয়। এই ভাবি ৬৫ বছৰ বয়সীয়া আউৰংজেব দিল্লীৰপৰা ওলাল, আৰু দিল্লীলৈ তেওঁৰ উভতি অহা নহল। তেওঁৰ ৰাজত্বৰ শেহৰ ২৫ বছৰ তেওঁ দক্ষিণৰ যুদ্ধক্ষেত্ৰৰ মাজতেই কটাইছিল। অনেক বছৰ যুঁজৰ পিছত গোলকুণ্ডা আৰু বিজাপুৰ পৰাস্ত হৈ মোগল সাম্ৰাজ্যৰ ভিতৰুৱা হল, আৰু তেতিয়া মোগল সাম্ৰাজ্য আগতকৈও ডাঙৰ হৈ পৰিল।

সেই দুখন ৰাজ্যক তেতিয়া একেখন কৰি মোগল সাম্ৰাজ্যৰ ভিতৰুৱা কৰা হল। ওৰিতে তাৰ প্ৰতিনিধি শাসনকৰ্ত্তাবোৰক নবাব বা চুবাদাৰ বোলা হৈছিল; কিন্তু পিছত তেওঁলোকৰ নাম নিজাম হল, আৰু তেওঁলোকৰ ৰাজধানী হাইদৰাবাদত হল।

৮। কিন্তু ইয়াৰ ভিতৰতে পশ্চিমঘাট পৰ্ব্বতশ্ৰেণীত মহাৰাষ্ট্ৰ বৈৰ-বিলাকৰপৰা এটা নতুন যুদ্ধাৰু জাতি প্ৰবল হৈ উঠিছিল। বিজাপুৰৰ ৰজাবিলাকে মহাৰাষ্ট্ৰবোৰক দমাই ৰাখি আছিল; কিন্তু যেতিয়া আউৰং-জেবে বিজাপুৰ ৰাজ্য ভাঙি-ছিঙি তাক মোগল সাম্ৰাজ্যৰ ভিতৰলৈ আনিলে, তেতিয়া তেওঁ দেখিলে যে বিজাপুৰৰ ৰজাবোৰতকৈও তেওঁৰ এজন ডাঙৰ শত্ৰু মহাৰাষ্ট্ৰবোৰৰ ৰজা শিৱজীৰ তেওঁ সন্মুখ হব লগীয়াত পৰিল। শিৱজীৰ কথা আমি পিছৰ এক অধ্যায়ত কম। সম্প্ৰতি ইয়াকে কোৱা যাওক যে আউৰংজেবে শিৱজীক পৰাস্ত কৰিব নোৱাৰিলে।

৯। ইকালে পঞ্জাবত শিখ নামে আৰু এটা জাতি প্ৰবল হল। বাবৰৰ ৰাজত্বৰ কালত নানক নামে এজন সাধুলোক আছিল। তেওঁ ভাবিলে যে বৰ বেজাৰৰ কথা, যে হিন্দু আৰু মুছল-মানৰ ভিতৰত সততে মাৰ-ধৰ কটাকটি হৈ থাকে। সেইদেখি তেওঁ হিন্দুধৰ্ম্মৰপৰা কিছুমান ধৰ্ম্ম-মত আৰু মুছলমান ধৰ্ম্মৰপৰা কিছুমান ধৰ্ম্মমত লৈ এটা নতুন ধৰ্ম্ম স্থাপন কৰিলে, যত হিন্দু আৰু মুছলমান দুয়ো লগ লাগিব পাৰে। ভালেমান মানুহে সেই নতুন ধৰম ললে; আৰু সেই নতুন ধৰম লোৱাসকলক নানকে তেওঁৰ শিখ অৰ্থাৎ শিষ্য বুলিছিল। বাবৰ আৰু তেওঁৰ পিছৰ মোগল সম্ৰাটসকলে শিখবিলাকৰ কালে কাণসাৰ নকৰিছিল; কাৰণ সিহঁত বৰ নিহুঁ মানুহ আছিল, কাৰো অনিষ্ট

নানক।

নকৰিছিল, আৰু বজাৰবীয়া কৰ-কাটল দি আছিল। কিন্তু আওৰংজেবে সিহঁতৰ ওপৰত বৰ অত্যাচাৰ কৰিছিল। গোবিন্দ নামে সিহঁতৰ গুৰু এজনক তেওঁ বৰ উপদ্ৰৱ কৰিছিল; আৰু সিহঁতৰ ভিতৰৰ অনেকক মৰাইছিল। আওৰংজেবৰ উপদ্ৰৱ অত্যাচাৰ সহিব নোৱাৰি শিখবিলাক আত্মৰক্ষাৰ নিমিত্তে অস্ত্ৰ ধৰিবলৈ বাধ্য হয়; আৰু তেতিয়াৰপৰা সিহঁত এটা যুঁজাৰু জাতি হৈ উঠিল। আওৰংজেবৰ হাতত সিহঁত পৰাস্ত হৈ হিমালয় পৰ্ব্বতৰ কাষলৈ পলাই গুচি গৈছিল; তেওঁ ঢুকুৱাৰ পিছত হে সিহঁত আকৌ তাৰপৰা উন্নতি আহে। কালক্ৰমত শিখবিলাক উত্তৰ ভাৰতৰ এটা ধাই যুঁজাৰু জাতি হৈ উঠিল।

১০। মহাৰাষ্ট্ৰাবোৰৰ লগত অনেক বছৰ যুঁজি যুঁজি শেষত আওৰংজেবৰ সেনাবোৰ ভাগৰি পৰিলহি। তাতে সিহঁতৰ নিমিত্তে কোনো খাবৰ বস্তু নাইকিয়া হল; মহাৰাষ্ট্ৰাবোৰে নাদবোৰত বিহ দি সিহঁতৰ পানীখোৱাৰ ভিকাচন ভাঙিলে। আওৰংজেব ৯০ বছৰীয়া বুঢ়া; সহায় বিচাৰি কাৰো মুখলৈ তেওঁৰ চাবলৈ নাছিল। তেওঁৰ জীয়লীয়া বাজৰত তেওঁৰ পুতেকহঁতৰ আপনি নাশি, এজনে বাপেকৰ বিপক্ষে মহাৰাষ্ট্ৰাবোৰৰ লগ লাগিছিল, আনজন পলাই পাৰস্যলৈ গুচি গৈছিল। তেওঁৰ ধাই বিষয়া আৰু ভাণ্ডাৰীয়াসকলে তেওঁলৈ ভয় কৰিছিল, আৰু সৰহভাগ প্ৰজাই তেওঁক অন্তৰেৰে সৈতে ঘিণ কৰিছিল। শেষত বুঢ়া বাদশাহে এই সংসাৰ এৰি যাবৰ কাল আহিল। ১৭০৭ খৃষ্টাব্দত, ভাৰতৰ কঙ্কাল পৰি আলৰ বুঢ়া হৈ আওৰংজেব মৰিল। তেওঁৰ পিছত মোগল সাম্ৰাজ্য ভাগি-ছিগি টোকৰ-টোকৰ হল।

ভাৰতবৰ্ষৰ বুৰঞ্জী।

আদিতে ভাৰতবৰ্ষৰ সৈতে য়ুৰোপৰ বেহা-বেপাৰ।

১। ভাৰতবৰ্ষ এতিয়া বৃটিচ সাম্ৰাজ্যৰ এক অংশ, আৰু ইংলণ্ডৰ ৰজাই ভাৰতৰ সম্ৰাট। কেতিয়া ইংৰাজ ভাৰতলৈ আহিল, কিয় আহিল, ভাৰত ইংলণ্ডৰ ৰজাৰ শাসনৰ তলতীয়া কেনেকৈ হল? এই বিলাক প্ৰশ্নৰ উত্তৰ এই কিতাপৰ বাকীডোখৰত পোৱা যাব।

২। প্ৰায় ৩০০ বছৰৰ আগেয়ে প্ৰথম ইংৰাজে বেহা-বেপাৰ কৰিবলৈ ভাৰতলৈ আহে। যিবোৰ বেহানি য়ুৰোপত পোৱা নেযায় সেইবোৰ তেওঁলোকে ভাৰতবৰ্ষৰ পৰা কিনি নিবলৈ আহিছিল। আলুক, চাউল, তুলা, নীল, আদা, যাবিকল, আফু-গুটি, ফুলিয়াৰ, ইংলণ্ডৰ নিচিনা চেচা দেশত নহয়; আৰু সেই কালত ভাল মচলিন, তুলা আৰু পাটৰ কাপোৰ, ইংলণ্ডতকৈ ভাৰতত ভালকৈ প্ৰস্তুত হৈছিল। ইংৰাজ বেহেৰুৱাবিলাকে, ভাৰতত নোহোৱা লোমৰ কাপোৰ, তাম, পাৰা, সোণ, আৰু তীখাৰ অস্ত্ৰবোৰ ভাৰতলৈ আনিছিল।

৩। আগৰ পুৰণি কালত ভাৰতৰ বস্তুবোৰ উট বা ঘোঁৰাৰ উপৰত বোজাই দি বাটে য়ুৰোপলৈ নিয়া হৈছিল। সেই বেহানিবোৰ নিয়া বাটৰ এডোখৰ আফগানিস্থান, পাৰস্য, আৰু এচিয়া-মাইনৰৰ মাজেদি আছিল। কিন্তু যেতিয়া আৰবীবিলাকে সেই দেশ কেইখন জয় কৰিলে, সেই বাট মৰিল; আৰু সেইবাবে সৰহভাগ বেহা-বেপাৰ বন্ধ হৈছিল। তুৰ্কীৰ আৰু আৰবীবোৰৰ ভিতৰত শ শ বছৰ ধৰি যুঁজ হৈ থকাৰ নিমিত্তে

য়ুৰোপৰ খৃষ্টান সাউদবোৰে আৰু সেই বাটেদি ভাৰতলৈ বস্তু পঠিয়াব নোৱাৰা হৈছিল।

৪। য়ুৰোপীয় বেহেৰুৱাবিলাকে বাটেদি বেহানি নিব নোৱাৰা হলত সাগৰেদি নিবলৈ চেষ্টা কৰিবলৈ ধৰিলে।

৫। সেই কালত সাগৰেদি অহা-যোৱা কৰিবলৈ ভাল বাট আছিল আফ্ৰিকাৰ দক্ষিণে। পৰ্টুগীজবিলাকে প্ৰথমতে এই বাটটো উলিয়ায়। পৰ্টুগীজবিলাকে তেওঁলোকৰ জাহাজবোৰত পাল তৰি দি আফ্ৰিকাৰ পাৰৰ কাষে কাষে আগবাঢ়ি আহি শেহত দেখিলে যে তেওঁলোকে গোটেইখন আফ্ৰিকাৰ কেউকালে ঘূৰি ভাৰত-মহাসাগৰ পালেহি। শেহত

ভাচ্ক-দা-গামা আৰু জামৰিণ।

ভাচ্ক-দা-গামা নামে পৰ্টুগীজ কাপ্তান এখন তেওঁৰ জাহাজেৰে আহি ১৪৯৮ খৃষ্টাব্দত ভাৰতবৰ্ষ পালেহি। তেওঁ ভাৰতৰ পশ্চিম পাৰৰ কালিকট নামেৰে ঠাইলৈ আহি তাৰ ৰজা জামৰিণে সৈতে দেখা কৰিছিল।

জামৰিণে পৰ্টুগালৰ ৰজালৈ ভাচ্কো-দা-গামাৰ হাতত এই বুলি চিঠি দিছিল ;—"মোৰ ৰাজ্যত বিস্তৰ দালচিনি, লং, জালুক, আৰু আদা আছে। আপোনাৰ ৰাজ্যৰপৰা মই সোণ, ৰূপ, পোৱাল, আৰু ৰঙা কাপোৰ পাবলৈ বিচাৰোঁ।"

৭। প্ৰায় ১৫০০ খৃষ্টাব্দৰপৰা ১৬০০ খৃষ্টাব্দলৈকে এশ বছৰ ভাৰতৰ সৈতে সাগৰেদি বেচা-বেপাৰ পৰ্টুগীজবিলাকৰ হাতত আছিল। গোৱাত তেওঁবিলাকৰ এটা ডাঙৰ দুৰ্গ আছিল ; আৰু গোৱা চহৰখন আজিলৈকে পৰ্টুগীজবিলাকৰ হাততে আছে।

৮। য়ুৰোপৰ আন আন দেশৰ মুঠৈ সদাগৰবিলাকে যেতিয়া দেখিলে যে পৰ্টুগীজবোৰে ভাৰতৰ সৈতে এহতীয়াকৈ বেহা-বেপাৰ কৰি কিমান সৰহকৈ লাভ কৰিব লাগিছে, তেতিয়া তেওঁলোকে ভাবিলে, "আমিও ভাৰতৰ বাণিজ্যত ভাগ বহুৱাবলৈ চেষ্টা নকৰোঁ কিয় ?" এই ভাবি, হলণ্ড, ইংলণ্ড, ফ্ৰান্স, ডেনমাৰ্ক, জৰ্ম্মানী আৰু চুইডেনৰ সদাগৰবোৰে ভাৰতলৈ বেপাৰৰ জাহাজ পঠিয়াবলৈ ধৰিলে। কিন্তু তেওঁলোকৰ ভিতৰত প্ৰথম তিনি জাতি মাথোন কৃতকাৰ্য্য হল। ডেন, জৰ্ম্মাণ, আৰু চুইডিচইতে বেপাৰত একো লাভ কৰিব নোৱাৰি, কিছুকালৰ পিছত ভাৰতৰ সৈতে বেপাৰ বন্ধ কৰি দিলে।

৯। পৰ্টুগীজৰ পিচত ডচ্বিলাক ভাৰতলৈ আহিছিল। সিইঁত য়ুৰোপৰ ভিতৰৰ হলণ্ড নামে এখন সৰু দেশৰ মানুহ। আজি কালি ডচ্বিলাকৰ ক্ষমতা নিচেই কম ; কিন্তু ৩০০ বছৰৰ আগেয়ে য়ুৰোপৰ ভিতৰত সিইঁতৰ এটাইতকৈ ভাল জাহাজ আৰু নাৱৰীয়া আছিল। পৰ্টুগীজবিলাকতকৈ সিইঁত পৰাক্ৰমী আছিল গুণে, সোনকালে সিইঁতে পৰ্টুগীজবিলাকক, গোৱাৰ বাহিৰে, আন আন ঠাইবিলাকৰপৰা খেদালে ; আৰু ১৬০০ খৃষ্টাব্দৰপৰা ১৭০০ খৃষ্টাব্দলৈকে প্ৰায় এশ বছৰ ভাৰতৰ লং, দালচিনি আদি মচলাৰ বেপাৰ সিইঁতৰ হাতত আছিল।

কোচিন্, চিলঙ, সুমাত্ৰা, আৰু জাবাদ্বীপবিলাকত সিহঁতৰ বেপাৰৰ ঠাই আছিল।

ইউনাইটেড্ ইষ্ট ইণ্ডিয়া কোম্পানী।

১। ১৬০০ খৃষ্টাব্দত লণ্ডন নগৰৰ প্ৰায় এশজন ইংৰাজ সদাগৰে ভাৰতবৰ্ষৰ লগত বেহা-বেপাৰ কৰিবৰ মনেৰে "ইংলিচ্ ইষ্ট ইণ্ডিয়া কোম্পানী" নামেৰে এটা কোম্পানী খুলি, ভাৰতলৈ বেপাৰৰ জাহাজ পঠিয়াবলৈ, সেই সময়ৰ ইংলণ্ডৰ ৰাণী এলিজাবেথৰ অনুমতি ললে। আকবৰ তেতিয়া মোগল সম্ৰাট আছিল। ১৬১২ খৃষ্টাব্দত সেই কোম্পানীয়ে ভাৰতৰ পশ্চিম পাৰত চুৰাটত, তেওঁলোকৰ বেপাৰৰ বেহানি থবৰ নিমিত্তে এটা গুদাম-ঘৰ সাজিলে; কাৰণ চুৰাট তেতিয়া মোগল ৰাজ্যৰ বেহা-বেপাৰৰ ঘাই বন্দৰ আছিল। সেই গুদাম-ঘৰত তেওঁলোকে ভাৰতবৰ্ষৰ বেপাৰীবপৰা কিনি লোৱা বস্তবোৰ, বিলাতৰ পৰা জাহাজ আহি সেইবোৰ তুলি নিনিয়াকৈকে সুমাই থৈ দিছিল; আৰু বিলাতৰপৰা অহা তেওঁলোকৰ জাহাজবোৰে অনা বস্তবোৰো তাতে থৈ লাহে লাহে তেওঁলোকে বেচিছিল। তেওঁলোকৰ বস্তবোৰ নিৰাপদে ৰাখিবৰ নিমিত্তে তেওঁলোকে সেই গুদাম-ঘৰৰ চাৰিওকালে ইটাৰ পকি বেৰৰ গড় বান্ধি, গড়ৰ ওপৰত হিলৈ পাতি থৈছিল।

২। "ইংলিচ্ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে" বেপাৰ কৰি সহজতে লাভ কৰা দেখি, সেই আৰ্হিৰে বিলাতৰ আন আন দুটা সদাগৰেও একোটা কোম্পানী কৰি ভাৰতবৰ্ষৰ লগত বেপাৰ কৰিবলৈ ধৰিছিল। এইদৰে এশ বছৰ উকলি গলত সেই এটাইবোৰ কোম্পানী লগ লাগি "ইউনাইটেড্ ইষ্ট ইণ্ডিয়া কোম্পানী" নাম দি এটা ডাঙৰ কোম্পানী কৰি, ভাৰতৰ লগত একতীয়াকৈ বেপাৰ কৰিবৰ মনেৰে, বিলাতৰ ৰজাৰ পৰা অনুমতি ললে।

৩। ১৬৩৯ খৃষ্টাব্দত “ইষ্ট ইণ্ডিয়া কোম্পানীয়ে” কৰ্ণাটৰ এটা পৰ্ব্বতীয়া দুৰ্গৰ ৰজা চন্দ্ৰগিৰিৰপৰা মান্দ্ৰাজখন কিনি লয়। মান্দ্ৰাজ সেই কালত মাছ ধৰা মানুহৰ এখন সৰু গাওঁ আছিল। ইংৰাজ বেহেকৰাবিলাকে মান্দ্ৰাজত “চেণ্ট জৰ্জ্জ” নামে এটা দুৰ্গ সাজিলে। বহুত হিন্দু মানুহ আহি ইংৰাজৰ সৈতে বেপাৰ কৰিবৰ মনেৰে আৰু নিৰাপদে থাকিবৰ মনেৰে তাত বসতি কৰিলে। সেই মানুহবোৰ যত আছিল, সেই ঠাই ডোখৰক “ব্লেক টাউন” অৰ্থাৎ কলা মানুহৰ চহৰ বুলিছিল।

৪। বোম্বাই প্ৰথমতে পৰ্টুগীজবিলাকৰ আছিল। ১৬৬২ খৃষ্টাব্দত বিলাতৰ ৰজা দ্বিতীয় চাৰ্ল্‌চে পৰ্টুগালৰ ৰজাৰ জীয়েকক বিয়া কৰাই বোম্বাইখন যৌতুক স্বৰূপে পায়। ছ বছৰৰ পিছত দ্বিতীয় চাৰ্ল্‌চে বোম্বাইখন ইষ্ট ইণ্ডিয়া কোম্পানীক বছৰি ১০ পাউণ্ড অৰ্থাৎ আজিকালিৰ ১৫০ টকাৰূপত ভেৰোণীয়াকৈ দিয়ে। বোম্বাইত এটা ভাল বন্দৰ অৰ্থাৎ জাহাজ ৰখা ঘূলি আছে। বোম্বাই সোনকালে এখন ডাঙৰ চহৰ হৈ পৰিল; আৰু অনেক হিন্দু বেহেকৰা আহি তাত বসতি কৰিলে। কিছুকালৰ পিছত ইংৰাজবিলাকে তেওঁলোকৰ বেহা-বেপাৰ চুৰাটৰপৰা বোম্বাইলৈ তুলি আনিলে। চাজাহানৰ ৰাজত্বৰ কালত ইংৰাজবিলাকে ১৬৪০ খৃষ্টাব্দত গঙ্গাৰ মুখৰ ওচৰত হুগলীত এটা বেপাৰৰ কুঠী পাতে। আউৰংজেবৰ ৰাজত্বকালত হুগলীৰ নামনিত গঙ্গাৰ মুখত তেওঁলোকে তিনিখন গাওঁ কিনি লয়; তাৰে এখনৰ নাম কালিঘাট, যাৰ নাম পিছত কলিকতা বুলি প্ৰখ্যাত হল। ১৬৯০ খৃষ্টাব্দত ইংৰাজে কলিকতাত “ফোৰ্ট উইলিয়েম” নামে দুৰ্গ সাজিলে।

৫। ইংৰাজৰ এই কেইটাই যে বেপাৰৰ কুঠী আছিল, এনে নহয়। ভাৰতৰ পূব পাৰত মান্দ্ৰাজৰ দক্ষিণে, তেওঁলোকৰ এটা কুঠী আৰু দুৰ্গ আছিল তাৰ নাম “চেণ্ট ডেভিড্‌”; আৰু এটা মছলিপটমত আছিল।

বঙ্গদেশৰ ভিতৰত পাটনাত, ঢাকাত, বাঙ্গলাৰ নবাবৰ ৰাজধানী মুৰ্চিদাবাদৰ ওচৰত কাচিমবজাৰতো তেওঁলোকৰ কুঠী আছিল।

৬। ফ্ৰেঞ্চবিলাকো প্ৰায় ইংৰাজ অহাৰ সময়তে ভাৰতবৰ্ষলৈ আহে, আৰু তেওঁলোকৰও ভাৰতত বেহা-বেপাৰৰ ঠাই আছিল। তেওঁলোকৰ বেপাৰৰ যাই ঠাই কেইখনৰ নাম, ভাৰতৰ পশ্চিম পাৰত থকা মাহি; পূব পাৰে মাদ্ৰাজৰ দক্ষিণে পণ্ডিচেৰি; আৰু বঙ্গদেশত কলিকতাৰ পৰা প্ৰায় ২০ মাইল দূৰৈত থকা চন্দননগৰ।

৭। ডচ্‌বিলাকৰো সেইদৰেই বেপাৰৰ ঠাই আছিল। যাইখনৰ নাম, পশ্চিম পাৰত থকা কচিন। বঙ্গদেশত চন্দননগৰৰ ওচৰত এখন আছিল তাৰ নাম চুঁচুৰা।

শিবজীৰ উদ্গতি। মহাৰাষ্ট্ৰবিলাক।

১৬২৭—১৬৮০।

১। মহাৰাষ্ট্ৰবিলাকে ভাৰতৰ পশ্চিম কালৰ পৰ্ব্বতীয়া দেশত বাস কৰিছিল। সেই দেশক আজিকালি বোম্বাই প্ৰেসিডেন্সি বোলে। সিহঁত চুটি-চাপৰ, টান, সাহিয়াল, কাজুৱা আৰু চলা-ফুৰা খোৱা-লোৱাত উজু স্বভাৱৰ মানুহ আছিল। সিহঁতৰ দেশখন পৰ্ব্বতেৰে ভৰা। সেই কালত তাত বাট-পথ নাছিল; আৰু পৰ্ব্বতবোৰ দুৰ্গম হাবিৰে ঢাক খোৱা আছিল। প্ৰত্যেকটো পৰ্ব্বতৰ টিঙতে একোটা দুৰ্গ আছিল, আৰু দুৰ্গৰ গৰাকী সৰু সৰু ৰজাবিলাকে ভৈয়ামৰ গাওঁবিলাকৰ ওপৰত ৰাজত্ব কৰিছিল। সেই সৰু ৰজাবিলাক অনেক কাল দক্ষিণৰ মছলমান ৰজাবিলাকৰ কৰতলীয়া হৈ আছিল, আৰু মোগল সম্ৰাটবিলাকৰ বিপক্ষে সেই মছলমান ৰজাবোৰৰ সৈন্যৰ লগত থাকি যুদ্ধ কৰিছিল। শিবজী নামে এজন মহাৰাষ্ট্ৰা মানুহে সেই মহাৰাষ্ট্ৰ ফৈদবিলাক গোটাই এটা জাতি গঠন কৰিছিল।

২। ১৬২৭ খৃষ্টাব্দত, অর্থাৎ যি বছৰত চাজাহান দিল্লীৰ ৰাজপাটত উঠে, সেই বছৰতে শিবজীৰ জন্ম হয়। তেওঁৰ বাপেকে বিজাপুৰৰ নবাব 'তলত চাকৰি কৰিছিল। বাপেকে শিবজীক পুনাত থৈ শিক্ষা দিছিল। কিন্তু শিবজীক লেখা-পঢ়া শিকাবলৈ তাত থোৱা হৈছিল, এনে নহয়; মাথোন ঘোঁৰাত উঠা, হিটৈল মৰা, মালশ্ৰম কৰা, তৰোৱাল আৰু দা ব্যৱহাৰ কৰা, যাঠি আৰু কাঁড় মাৰিবলৈ তেওঁক শিকনি দিয়া হৈছিল; কাৰণ সেই কালত লেখা-পঢ়া শিকাটো বামুণবহে

শিবজীৰ পুৰন্দৰৰ কিল্লা।

কাম বুলি মানুহে ভাবিছিল। পুৰণি কালৰ হিন্দু বীৰবিলাকৰ বীৰত্ব কথানি কথা আৰু যোৱা গীতবোৰ শিবজীয়ে শিকিছিল; আৰু তেওঁ-লোকৰ নিচিনাকৈ জীৱনৰ কাম কৰি যশ আৰু খ্যাতি উপাৰ্জ্জন কৰিবলৈ মাথোন তেওঁৰ খাউতি হৈছিল।

৩। মহাৰাষ্ট্ৰা ৰজাবিলাকৰ সমহুভাগে যেতিয়াই সুবিধা পাইছিল, তেতিয়াই মোগলৰ প্ৰজাৰপৰা লুট-পুট ডাকি-চুৰি নিছিল। শিবজীয়ে প্ৰায়েই তেওঁবিলাকৰ লগত তেনে কামবিলাকতে গৈছিল; আৰু তেওঁৰ বয়স কুৰি বছৰ হওঁতে নহওঁতেই তেওঁ এদল ডেকা মহাৰাষ্ট্ৰা যুৱাকৰ নায়ক হৈ পৰিছিল। তেওঁ পুৰন্দৰৰ ডাঙৰ পৰ্ব্বতীয়া দুৰ্গটো অধিকাৰ কৰি, তাৰ পিছত এটা এটাকৈ অনেক দুৰ্গ জয় কৰিছিল। তাৰ পিছত লাহে লাহে তেওঁ অনেক সেনা আৰু ধন গোটালে; আৰু তেওঁৰ নাম চাৰিওফালে জনাজাত হৈ পৰিল।

৪। বিজাপুৰৰ ৰজাই শিবজীৰ প্ৰতাপ বাঢ়ি অহা দেখি ভয় পাই, আফজুল খাঁ নামে তেওঁৰ এজন সেনাপতিক শিবজীৰ বিৰুদ্ধে পঠিয়াই দিলে। শিবজীয়ে আফজুল খাঁ অহা দেখি ভয় পোৱা যেন দেখুৱাই, আফজুল খাঁলৈ কৈ পঠিয়ালে, যে যদি তেওঁ লগত সেনা বা অস্ত্ৰ শস্ত্ৰ নোলোৱাকৈ অকলৈ শিবজীৰ সৈতে দেখা কৰে, তেনেহলে শিবজী তেওঁৰ বশ হব। আফজুলে শিবজীৰ কথা পতিয়াই, পাতল মছলিন কাপোৰৰ চোলা এটা পিন্ধি, দূৰৈতে তেওঁৰ পা-ৰখীয়া সেনাবোৰ থৈ, লগত মাথোন এটা মানুহ লৈ শিবজীৰ সৈতে দেখা কৰিবলৈ গল। টেটোন শিবজীয়ে তেওঁৰ চোলাৰ তলত লোৰ কৱচ পিন্ধি, বাওঁ মুঠিৰ ভিতৰত বাঘ-নখ নামেৰে সৰু চোকা অস্ত্ৰ এখন আৰু চোলাৰ হাতৰ ভিতৰত ছুৰী-কটাৰী এখন লুকাই থৈছিল। আফজুল আহি তেওঁৰ ওচৰ পাওঁতে, শিবজীয়ে তেওঁক সম্ভাষণ কৰিবৰ ছলেৰে উঠি যাবৰ দৰে তেওঁৰ ওপৰত জঁপিয়াই পৰি তেওঁৰ বুকুত সেই বাঘ-নখ অস্ত্ৰ বহুৱাই দি, চোলাৰ হাতৰ ভিতৰত লুকুৱাই থোৱা ছুৰী কটাৰীৰে তেওঁক বধ কৰিলে। তাৰ পিছত, গছৰ মাজত লুকাই থকা শিবজীৰ অস্ত্ৰধাৰী সেনাবিলাক তভালিকে ওলাই আহি, যুঁজলৈ প্ৰস্তুত হৈ নথকা মহম্মদীয় সৈন্যবোৰৰ ওপৰত পৰাত, সিহঁত ছেদেলি-ভেদেলি হৈ পলাল।

৫। ইয়াৰ পিছত শিৱজীয়ে গোটেইখন দেশ আক্ৰমণ কৰি তল-ওপৰ লগাই দিলে; আৰু আন আন মহাৰাষ্ট্ৰ ৰজাবোৰেও শিৱজীক দক্ষিণৰ বৰ ডাঙৰ পৰাক্ৰমী ৰজা বুলি মানি আহি তেওঁৰ লগ লাগিল। শিৱজীয়ে মহলমানবোৰক খিলাইছিল; আৰু দেশত প্ৰচাৰ কৰি দিছিল, যে তেওঁ গো-ব্ৰাহ্মণৰ ৰক্ষাৰ নিমিত্তে যুদ্ধ কৰিবলৈ আহিছে। সেই সময়ত দক্ষিণৰ মহলমান ৰজাবিলাক আওৰংজেবৰ সৈন্যৰ সৈতে যুদ্ধত লাগি থাকিব লগীয়া হোৱাবাবে, শিৱজীক দমিবলৈ তেওঁবিলাক গোটখাৰ নোৱাৰিছিল। সেই সুবিধাতে শিৱজীৰ বল বাঢ়ি বাঢ়ি ডাঙৰ হৈ উঠিল। শেহত বিজাপুৰৰ ৰজাই শিৱজীক ভাৰতৰ পশ্চিম পাৰৰ কঙ্কন প্ৰদেশৰ ৰজা বুলি স্বীকাৰ কৰি তেওঁৰে সৈতে সন্ধি কৰিবলৈ বাধ্য হল।

৬। এই সময়তে আওৰংজেব দিল্লীৰ সিংহাসনত উঠিছিল। তেওঁ শিৱজীৰ পৰাক্ৰম দেখি, তৎক্ষণাৎ দক্ষিণৰ সুবাদাৰ তেওঁৰ খুৰাক চায়েস্তা খাঁক সৈন্যে সৈতে শিৱজীৰ বিৰুদ্ধে পঠিয়াই দিলে। চায়েস্তা খাঁ ফৌজে সৈতে পুনাতে আছিল। শিৱজীয়ে ভালকৈ জানিছিল যে তাওৰ মোগল ফৌজৰে সৈতে যুদ্ধ কৰাটো মিছা। সেইদেখি তেওঁ মগনিয়াৰৰ নিচিনাকৈ কাপোৰ পিন্ধি বেশ-ছল কৰি, তেওঁৰ কুৰিটা বন্ধুকো তেওঁৰ দৰেই কাপোৰ পিন্ধাই লৈ এদিন ৰাতি বৰেৰে পুনা চহৰ সোমাই লাহে লাহে আহি চায়েস্তা খাঁ থকা ঘৰৰ ওচৰ পাই, বলেৰে তাৰ ভিতৰলৈ সোমাল। চায়েস্তা খাঁ সৰাসৰিকৈ খিৰিকি-দুৱাৰেদি জঁপিয়াই পৰি কাৰে-কালমাৰিৰে হে সৰবাকৈ ৰাখিল; তথাপি তেওঁৰ এহাতৰ আঙুলি কেইটা শিৱজীৰ তৰোৱালৰ কোবত কটা পৰিছিল। তাৰ পিছত শিৱজী সঙ্গীয়াবোৰেৰে সৈতে নিৰাপদে তাৰপৰা ওলাই পলাই দৌৰ মাৰিলে। কিন্তু সেই ঘটনাৰ পিছত চায়েস্তা খাঁৰ বুকুত ইমান ভয় সোমাইছিল, যে তেওঁ সৰাসৰিকৈ পুনা এৰি উভতি গুচি আহিল;

আৰু শিৱজীয়ে আকৌ নিজৰ ইচ্ছামতে দেশত চৰি ফুৰিবলৈ ধৰিলে, আৰু নতুন নতুন ঠাই জয় কৰিবলৈ ধৰিলে।

৭। ইয়াৰ পিছত শিৱজীয়ে কিছুমান সেনা লৈ চুৰাট আক্রমণ কৰি শালিকৈ ছদিন সেই চহৰখন লুট-পাট কৰে। তাত ইংৰাজবোৰৰ এটা বেপাৰৰ কুঠী আছিল; কিন্তু শিৱজী সেই কুঠী আক্রমণ কৰিবলৈ গৈ হাৰি উলটি আহিব লগীয়াত পৰিছিল।

৮। আউৰংজেবে শিৱজীৰ বিৰুদ্ধে আকৌ এটা ডাঙৰ ফৌজ পঠিয়ালে। এইবাৰ শিৱজীয়ে আউৰংজেবলৈ কৈ পঠিয়ালে যে, যদি বাদশ্বাহে তেওঁক তেওঁৰ ৰাজ্যৰ এডোখৰ ৰাখিবলৈ দিয়ে, আৰু বাদশ্বাহৰ সৈন্যবিভাগত তেওঁক সেনাপতিৰ পদ দিয়ে, তেন্তে তেওঁ বাদশ্বাহৰ বশ হব। শিৱজীৰ প্রস্তাৱত আউৰংজেব সন্মত হল। কিন্তু সেই সন্মতিৰ মানে আচলতে এইটোহে আছিল যে, আউৰংজেবে ভাবিছিল, যদি শিৱজীক এবাৰ তেওঁৰ হাতৰ মুঠিত তেও পায়, তেন্তে শিৱজীক তত্তালিকে বধ কৰি কাৰ্য্য সিদ্ধি কৰিব। আউৰংজেবৰ কথা শুনি শিৱজী দিল্লীলৈ আহি ৰাজদৰবাৰত উপস্থিত হওঁতে, আউৰংজেবে তেওঁৰে সৈতে এনে বেয়া ব্যৱহাৰ কৰিলে, যে তেওঁ তেতিয়াই বুজিব পাৰিলে আউৰংজেবৰ আচল মতলব কি। তেওঁ তেতিয়াই, তেওঁক থাকিবলৈ দিয়া ঘৰৰ ভিতৰতে নৰীয়া হৈছে বুলি ছুতাৰ মাৰি সোমাই থাকিল। ঘৰৰ চাৰিওফালে মোগল সৈন্যই পহৰা দি আছিল, যাতে শিৱজী তাৰ পৰা ওলাই পলাই সাৰি যাব নোৱাৰে। তেওঁৰ শিৱজী কিন্তু এটা মিঠৈৰ পাচাৰ ভিতৰত সোমাল, আৰু তেওঁৰ লগুৱাই সেইটো মূৰত লৈ পাকী-পহৰাদাৰৰ মাজতে বাহিৰলৈ উলিয়াই লৈ গল। পহৰাদাৰহঁতে ভাবিছিল, যে সঁচাকৈয়ে সেই পাচী মিঠৈ শিৱজীয়ে ফকিৰহঁতলৈ বঁটা পঠিয়াইছে। এই বুধি কৰি শিৱজীয়ে নগৰৰ বাহিৰলৈ ওলাই দাড়ি মূৰ খুৰাই গাত ছাই সানি ফকিৰৰ বেশ ধৰি পলাই নিজৰ দেশ পালেগৈ।

৯। ইয়াৰ পিছত আউৰংজেবে কত মিঠা কথা কৈ কত চলাহ দি

শিবজী ঘোৰাৰ ওপৰত।

শিৱজীক আকৌ তেওঁৰ ওচৰলৈ মাতি পঠিয়াইছিল, কিন্তু শিৱজীয়ে আৰু আউৰংজেবক একোতে বিশ্বাস নকৰিছিল।

১০। ইয়াৰ পিছত শিৱজীয়ে ৰাজমুকুট পিন্ধি মহাৰাষ্ট্ৰবিলাকৰ ৰজা হল, আৰু তাওৰ ফৌজ এটা লৈ দক্ষিণ কাললৈ যাত্ৰা কৰি গল। শিৱজীয়ে মান্দ্ৰাজৰ ওচৰ পাইও কিবানি কিয় মান্দ্ৰাজ আক্ৰমণ নকৰিলে। তেওঁ মহীশুৰৰ আৰু কৰ্ণাটৰ,—জিঞ্জী, ভেলোৰ, আৰ্ণি, বাঙ্গালোৰ আৰু বেলেৰি—এই এটাইবোৰ দুৰ্গ দখল কৰি ১৮ মাহৰ পিছত পুনালৈ উভতি আহিল।

তেওঁ যিবোৰ দেশ জয় কৰিছিল, সেইবোৰৰ ৰজাবিলাকে তেওঁক চৌথ অৰ্থাৎ নিজ নিজ ৰাজহৰ চাৰি ভাগৰ এভাগ কৰ স্বৰূপে দিবলৈ মান্তি হৈছিল।

ইয়াৰ অলপ পিছতে, ১৬৮০ খৃষ্টাব্দত বাবন্ন বছৰ বয়সত শিৱজীৰ মৃত্যু হয়। কোনো মহাৰাষ্ট্ৰ ৰজা তেওঁৰ নিচিনা কাবুৱা, চতুৰ, আৰু উৎসাহী নাছিল। মহাৰাষ্ট্ৰ খনিকৰে তেওঁৰ মূৰ্ত্তিৰ প্ৰায় এটাইবিলাক পটতে, তেওঁ যোৰাৰ পিঠিত উঠি চেকুৰি দৌৰোতে এমুঠি এমুঠিকৈ চাউল মুখলৈ পেলিয়াই ঘোৰাই খাই যোৱা দেখুৱাই আঁকিছে; কাৰণ এঠাইত ৰহি ধীৰে-সুস্থিৰে এমুঠি ভাত খাবলৈকো তেওঁৰ সময় নাছিল।

১২। শিৱজীৰ পিছত তেওঁৰ পুত্ৰেক শম্ভুজী ৰজা হৈছিল। কিন্তু শম্ভুজী বাপেকৰ ওলোটা আছিল। তেওঁ নিষ্ঠুৰ আৰু এলেহুৱা আছিল; আৰু আউৰংজেবে কিছু দিনৰ মূৰতে তেওঁক বন্দী কৰি বধ কৰিলে।

মোগল সাম্ৰাজ্যৰ ক্ষয়।

১। মুঠতে ১৫ জন মোগল সম্ৰাট আছিল। প্ৰথম ছজন মহা-প্ৰতাপী আৰু পৰাক্ৰমী আছিল, আৰু সঁচাসঁচিকৈ তেওঁলোকে সাম্ৰাজ্য শাসন কৰিছিল। সেই ছজনৰ শেহৰ জনৰ নাম আওৰংজেব; আৰু তেওঁৰ দিনত মোগল সাম্ৰাজ্য আগতকৈও ডাঙৰ যেন দেখিবলৈ হৈছিল। কিন্তু আওৰংজেবৰ কুশাসনৰ কাৰণে গোটেইখন সাম্ৰাজ্যতে বলৱন্ত শত্ৰু-বিলাকৰ প্ৰজন্ম হৈছিল। শিখ, ৰাজপুত, আৰু মহাৰাষ্ট্ৰাবিলাক বিদ্ৰোহী হৈ উঠিছিল; আৰু ৰাজত্বতে আওৰংজেবৰ শেহৰ ২০ বছৰ, মহাৰাষ্ট্ৰা-বিলাকক দমন কৰিবলৈ যুদ্ধক্ষেত্ৰত বৃথা চেষ্টা কৰোঁতেই গৈছিল।

২। আওৰংজেবৰ পিছত তেওঁৰ বৰ কোঁৱৰে বাহাদুৰ চা উপাধি লৈ ৰাজপাটত উঠিল। কিন্তু তেওঁৰ ৰাজত্বৰ কাল মুঠেই পাঁচ বছৰহে। তাৰ পিছৰ সাত বছৰত, বাৰহাবৰ প্ৰতাপী ডাঙৰীয়া সকলে এজনৰ পিছত এজনকৈ চাৰি জনক ৰজা পাতিছিল, ভাঙিছিল আৰু হত্যা কৰিছিল। আওৰংজেবৰ মৰিবৰ বাৰ বছৰৰ পিছত ১৭১৯ খৃষ্টাব্দত মহম্মদ চা নামে তেওঁৰ বংশৰ এজনক দিল্লীৰ ৰাজপাটত বহুৱাই ৰজা পতা হল। তেওঁ ১৭৪৮ খৃষ্টাব্দলৈকে নামত মাথোন ৰজা হৈ আছিল।

বাহাদুৰ চা।

আউৰংজেৱৰ মৰণৰ পিছত প্ৰত্যেক ডাঙৰ প্ৰদেশৰ চুবাদাৰে দিল্লীৰ প্ৰকৃত অধীনতা জোকাৰি পেলাই স্বাধীন শাসনকৰ্ত্তা হৈ উঠিল। অৱশ্যে সেই চুবাদাৰ-বিলাকে যদিও দিল্লীৰ সম্ৰাটলৈ কৰ স্বৰূপে ধন পঠিয়াই আছিল, কিন্তু তাৰ কোনো নিৰিখ নেথাকি যি মন যায় তাকে তেওঁলোকে পঠিয়াই-ছিল। প্ৰত্যেকজন চুবাদাৰে বাহিৰে যদিও দিল্লীৰ সম্ৰাটৰ অধীনতা স্বীকাৰ কৰিছিল, কিন্তু ভিতৰি সকলো কথাতে

মহম্মদ চা।

নিজাম-উল-মুলক।

তেওঁ স্বাধীন হৈ পৰিছিল, আৰু সম্ৰাট্ প্ৰকৃতপক্ষে মাথোন দিল্লী চহৰ খনৰহে ৰজা হৈ পৰিছিলগৈ।

৪। সেইমতেই, সৰহখিনি নবাবও চুবাদাৰবিলাকৰ তলতীয়া গুচি প্ৰকৃতপক্ষে স্বাধীন হৈ পৰিছিল, যদিও নামত মাথোন তেওঁলোক চুবাদাৰৰ অধীন আছিল।

৫। ৰজাঘৰীয়া সেই বিষয়া-বিলাকৰ ভিতৰত এই কেইজন খাই আছিল;—উত্তৰ-ভাৰতত অযোধ্যাৰ চুবাদাৰ, আৰু "বঙ্গ

আৰু বেহাৰৰ নবাব। দক্ষিণত হাইদৰাবাদৰ চুবাদাৰ যি নিজাম-উল-মুলক উপাধি লৈছিল; আৰু কৰ্ণাট প্ৰদেশৰ নবাব।

মহাৰাট্টা ৰাজ্যবোৰৰ উৎপত্তি।

১৭০৮—১৭৪৮।

১। আমি ওপৰত কৈ আহিছোঁ, শিৱজীয়ে কেনেকৈ মহাৰাট্টা-বিলাকক গোটেইখন দক্ষিণত চলাই লৈ ফুৰিছিল, আৰু কেনেকৈ সিহঁতক দেশ লুট-পাট কৰিবলৈ শিকাইছিল। সিহঁতে যেতিয়া দেখিলে যে ধনবস্ত ঘটিবৰ সেইটো কেনে উজু বাট, বছৰে বছৰে সিহঁতে খেতি-পথাৰ চপাই ওঁতাই বাৰিষাৰ অন্তত ডাঙৰ ডাঙৰ দল বান্ধি অস্ত্ৰ-শস্ত্ৰ লৈ মধ্য-ভাৰতৰ গাওঁ-ভুঁইবিলাক উৎখাত কৰি ফুৰিছিল।

২। লাহে লাহে সিহঁতৰ সাহ বাঢ়ি আহিলত সিহঁতে বিন্ধ্য পৰ্ব্বতৰ উত্তৰ কালে দিল্লীলৈকে গোটেইখন দেশ লুট-পাট কৰিবলৈ ধৰিলে। সিহঁতে যতেকে গৈছিল, সেই দেশৰে ৰজা বা শাসনকৰ্ত্তাৰ পৰা চৌথ কৰ অৰ্থাৎ ৰাজহৰ চতুৰ্থ ভাগ আদায় কৰিবলৈ বিচাৰিছিল; আৰু তাকে নিদিলে, প্ৰজাবোৰক মাৰি-কাটি সিহঁতৰপৰা যি পায় তাকে লুটি-পুটি লৈ গুচি গৈছিল।

৩। আওৰংজেবৰ মৃত্যুৰ পিছত শম্ভুজীৰ পুতেক চাহু মহাৰাট্টা-বোৰৰ ৰজা হৈছিল। তেওঁক আওৰংজেবে ৰাজদৰবাৰত ৰাখি শিকাই-বুজাই চাহ নাম দিছিল। চাহ মানে সজ। আওৰংজেবে তেওঁক চাহ অৰ্থাৎ সজলোক, আৰু শিৱজীক চোৰ বুলিছিল। আওৰংজেৱৰ মৰাৰ পিছত, চাহক মোগল সম্ৰাটৰ হুকুমীয়া কৰি মহাৰাট্টাবিলাকৰ ৰজা পাতি নিজৰ দেশলৈ ওভোতাই পঠিওৱা হল। চেতাৰা চাহৰ ৰাজধানী আছিল।



মহাৰাষ্ট্ৰ ৰাজ্যবিলাক।

৪। কিন্তু চাহু দুৰ্ব্বল আৰু অকামিলা ৰজা আছিল। তেওঁ আমোদ-প্ৰমোদ প্ৰিয় আছিল, আৰু টান কাম কৰিবৰৈ সমূলী ভাল নেপাইছিল। এটাইবোৰ ৰাজকাৰ্য্য তেওঁৰ ৰামুণ মন্ত্ৰী পেচোৱাৰ হাতত তেওঁ এৰি দি আমোদ-প্ৰমোদত কাল কটাইছিল। পেচোৱাৰ বিষয়খন লাহে লাহে বাপেকৰপৰা পুতেকলৈ আহি পুৰুষানুক্ৰমিক হৈ পৰিল। পেচোৱাবিলাকে যদিও নামত ৰজাৰ হৈ ৰাজ্যশাসন কৰিছোঁ বুলি মুখেৰে কৈছিল, কিন্তু কামত লাহে লাহে তেওঁলোকেই মহাৰাষ্ট্ৰ-বিলাকৰ আচল শাসনকৰ্ত্তা হৈ উঠিছিল। মহাৰাষ্ট্ৰবিলাকে পেচোৱাকে তেওঁলোকৰ আচল গৰাকী বুলি ভাবিছিল। পেচোৱাই আচলতে যুদ্ধ কৰা আৰু যুদ্ধৰ অন্তত সন্ধি কৰি শান্তি স্থাপন কৰা আদি কাৰ্য্য কৰি মহাৰাষ্ট্ৰ ৰাজ্য চলাইছিল।

৫। প্ৰথমজন পেচোৱাৰ নাম বালাজী ৰাও। আড্ৰিবংজেৰ মৃত্যুৰ পিছত ১৭১৪ খৃষ্টাব্দত চাহুৱে তেওঁক প্ৰথম পেচোৱা অৰ্থাৎ প্ৰধানমন্ত্ৰী পাতিলে, আৰু ১৭২০ খৃষ্টাব্দলৈকে তেওঁ সেই পদত আছিল। তেওঁ গোটেই দক্ষিণৰপৰা চৌথ আদায় কৰিবৰ ক্ষমতা পাবলৈ, দিল্লীৰ সম্ৰাট মহম্মদ চাৰপৰা বলেৰে অনুমতি আনিছিল।

৬। বাজীৰাও দ্বিতীয় পেচোৱা আছিল। ১৭২০ খৃষ্টাব্দৰপৰা ১৭৪০ খৃষ্টাব্দলৈকে তেওঁ ৰাজ্যশাসন কৰে। প্ৰত্যেক মহাৰাষ্ট্ৰ ৰজাক যেনেগে তেনেগে ঠাইত চৌথ আদায় কৰিবলৈ তেওঁ হুকুম দিছিল। দিল্লীৰপৰা মহাৰাষ্ট্ৰবিলাকক আঁতৰত ৰাখিবৰ মনেৰে মহম্মদ চাই তেওঁলোকক দিল্লীৰ বাহিৰে যতে ততে চৌথ আদায় কৰিবলৈ অনুমতি দিছিল, আৰু মহাৰাষ্ট্ৰবিলাকে সেই অনুমতিৰ মানে এনেটো কৰি লৈছিল, যেন ভাৰতৰ যেই সেই দেশৰপৰা তেওঁলোকে চৌথ আদায় কৰিবৰ ক্ষমতা পালে।

৭। এইজন পেচোৱাৰ দিনত পাঁচখন ডাঙৰ মহাৰাষ্ট্ৰ ৰাজ্য স্থাপিত

হৈছিল। যদিও মহাৰাষ্ট্ৰ নায়কবিলাকে যত্নে যত্নে দুৰ্ব্বল চুবাদাৰ আৰু নবাব পাইছিল, ততে ততে তেওঁবিলাকৰপৰা অকল চৌথ আদায় কৰিয়েই যে এৰিছিল এনে নহয়, তেওঁলোকৰ ৰাজপাটৰপৰা খেদাই নিজে তাৰ ৰজা হৈ পৰিছিল।

৮। আজিকালিৰ বোম্বাই প্ৰেচিডেন্সিয়েই আগৰ মহাৰাষ্ট্ৰ ৰাজ্য আছিল। মহাৰাষ্ট্ৰ ৰজাজন নামত মাথোন ৰজা হৈ চেতাৰাত আছিল; কিন্তু আচল ৰজা পেচোৱাই, বোম্বাইৰপৰা ৭০ মাইল পূবত তেওঁৰ ৰাজধানী পুনাত থাকি ৰাজত্ব কৰিছিল। গুজৰাট, গুইকুমাৰ নামে এজন মহাৰাষ্ট্ৰ ৰজাৰ তলত আছিল। মালৱত দুজন ডাঙৰ মহাৰাষ্ট্ৰ ৰজা আছিল, একনক চিন্ধিয়া আৰু আনজনক হুলকাৰ বুলিছিল। চিন্ধিয়াৰ ৰাজধানী গোৱালিয়ৰত আৰু হুলকাৰৰ ৰাজধানী ইন্দোৰত আছিল। বিৰাৰ, আৰু পূৰণি মোগল প্ৰদেশ গণ্ডোৱানাত (যাক আজিকালি "চেণ্ট্ৰেল প্ৰভিন্স" অৰ্থাৎ মধ্যভাৰত বোলে) ভোঁচলা নামে এজন মহাৰাষ্ট্ৰ ৰজাই ৰাজত্ব কৰিছিল, যাৰ ৰাজধানী নাগপুৰত আছিল। এই চাৰিখন ৰাজ্যৰ প্ৰত্যেকজন ৰজাৰ পুতেক বাপেকৰ সিংহাসনৰ উত্তৰাধিকাৰী হৈছিল; সেই নিমিত্তে আচল মহাৰাষ্ট্ৰ ৰাজ্যৰ বাহিৰেও এই চাৰিখন ডাঙৰ মহাৰাষ্ট্ৰ ৰাজ্য হৈ উঠিছিল। আগতোধৰত, এই মহাৰাষ্ট্ৰ ৰজা কেইজনে, তেওঁলোকে গোটেই চৌথ কৰ পেচোৱালৈ পঠিয়াই আছিল। কিন্তু কিছু কালৰ পিছত তেওঁলোকে আৰু সেই কৰ নপঠিয়া হল। সেই চাৰিখন মহাৰাষ্ট্ৰ ৰাজ্যৰ ভিতৰত এই তিনিখন আজিলৈকে আছে; —গুজৰাট অ ।ৎ বৰদা, গোৱালিয়ৰ, আৰু ইন্দোৰ।

১০। মহাৰাষ্ট্ৰবিলাকে হাইদ্ৰাবাদখন অধিকাৰ কৰিবলৈ বহুত কাৰবাৰ কৰিছিল, কিন্তু নোৱাৰিলে। নিজামে সৈতে তেওঁলোকৰ সততে যুদ্ধ হৈয়েই আছিল; আৰু নিজামৰপৰা তেওঁবিলাকে চৌথ আদায় কৰিবও নোৱাৰিছিল।

১১। তৃতীয়জন পেচোৱাৰ নাম বালাজী বাজীৰাও আছিল। তেওঁৰ শাসনৰ কাল ১৭৪০ খৃষ্টাব্দৰপৰা ১৭৬১ খৃষ্টাব্দলৈকে।

১২। আউৰংজেবৰ মৃত্যুৰ পিছৰ ৫০ বছৰলৈকে ভাৰতবৰ্ষৰ অৱস্থা, আগৰ পাঠান ৰজাবিলাকৰ দিনৰ নিচিনা আছিল। যাতে চোৰ ডকাইতৰ দমন হয় আৰু প্ৰজা নিৰাপদে থাকিব পাৰে, তাৰ নিমিত্তে চক্ৰবৰ্ত্তী ৰজাৰ শাসনৰ বান্ধ কটকটীয়া নাছিল। দলে দলে মহাৰাষ্ট্ৰ ডকাইত ঘোঁৰাত উঠি আহি, প্ৰজাৰ ধান-চাউল ধন-বস্তু লুটি লৈ সিহঁতক মাৰি কাটি উপদ্ৰৱ কৰি গুচি গৈছিল। সেই কালত ডকাইত আহিব নোৱাৰা কৰিবলৈ, প্ৰত্যেকখন গাঁৱৰ চাৰিওকালে গড় দিয়া হৈছিল, আৰু কাঁইটৰ জেওৰা দিয়া হৈছিল। খেতিয়কে হাল বাবলৈ যাওঁতেও লগত এখন তৰোৱাল লৈ গৈছিল, আৰু অনেক ঠাইত ওখ টঙি সাজি থৈছিল, যাৰ ওপৰত উঠি, ঘোঁৰাৰ চাৰেৰে ধূলি উৰাই অহা ডকাইতক আলেমান দূৰৈৰপৰা সিহঁতে দেখিবলৈ পাইছিল। গাঁৱেঁপতি এমাইলৰ দূৰৈৰপৰা মাত শুনিবলৈ পোৱা একোটা ডাঙৰ ঢোল আছিল। ডকাইত অহা দেখিলেই সেই ঢোল বজাই দিয়া হৈছিল, আৰু তাৰ মাত শুনি, ডকাইত আহিব লাগিছে বুজি, পথাৰত কাম কৰি থকা খেতিয়কে লৰালৰিকৈ গড়ৰ ভিতৰত সোমাইছিলগৈ।

১৩। লগত ভালকৈ গা-বলীয়া মানুহ লৈ নগলে কোনেও অ'লৈ ত'লৈ যাব নোৱাৰিছিল; কাৰণ প্ৰত্যেক বাটতে ডকাইতৰ ভয় আছিল। ভৰাভৰে বোপাই মাটিৰে একোখন ডাঙৰ পথাৰ, ডকাইতৰ ভয়ত হাল-কোৰ নোহোৱাকৈ ৰায়তে পেলাই থৈছিল। আগৰ দিনৰ যি দুটা চাইটা আলিবাট আছিল, ভগা-বটাৰ অভাৱত সেইবোৰ ভাগি-ছিগি গৈ তাৰ ওপৰেদি মানুহ চলাচল কৰিব নোৱাৰা হৈছিল। বাটত গাড়ী চলাব নোৱাৰা হৈছিল; আৰু মানুহ ইফালে সিফালে যাব লাগিলে, ঘোঁৰাৰ বা গৰুৰ পিঠিত উঠি যাব লগীয়াত পৰিছিল। গোটেইখন

দেশতে লক-হুৱা ৰজা স্থা নামক বিলাক আছিল, যাৰ দেশৰ মাজেদি যাবলৈ অনুমতি পাবলৈ বাটকৰাই কৰ দিব লগীয়াত পৰিছিল। অনেক

পাৰ্বৰ টঙি।

সময়ত কুৰি,খাইন বাট বাওঁতেই যাৰ ঠাই মানত বাটকৰাই ভেলেকুৱা কৰ দিব লগীয়া হৈছিল।

নাদিৰ চা।

১। আউৰংজেবৰ মৃত্যুৰ প্ৰায় ৩০ বছৰৰ পিছত, নাদিৰ চা নামে এজনে পাৰস্যৰ সিংহাসন অধিকাৰ কৰি ৰজা হৈ, আফগানিস্থান জয় কৰে। তেওঁ ৰজাবিলাকৰ মাজত চলিত দস্তুৰ মতে, দিল্লীৰ সম্ৰাট মহম্মদ চাৰ ওচৰলৈ কটকী এজন পঠিয়াইছিল। দম্ভী মোগল সম্ৰাট মহম্মদ চাই, নাদিৰ চা গাৰ বলেৰে হোৱা মিছা ৰজা বুলি কৈ, কটকী জনক তালৈকে লোথ-পোছ নকৰি তুচ্ছ তাচ্ছিল্য কৰিলে।

২। খঙাল নাদিৰ চাই সেই ব্যৱহাৰত অপমান পাই মহম্মদ চালৈ কৈ পঠিয়ালে যে মহম্মদ চাই প্ৰকৃত মুছলমানৰ নিচিনা ব্যৱহাৰ নকৰিলে; আৰু তেওঁ হিন্দুৰপৰা জাজিয়া কৰ আদায় নকৰি ৰবং নীচভাৱে মূৰ্ত্তিপূজক মহাৰাষ্ট্ৰা-বোৰক চৌথ কৰ দিছে। সেইবাবে তেওঁ মহম্মদ চাক তালৈকে শিকনি দিব। ৩৪০ বছৰৰ আগতে যেনেকৈ খাইবৰ গিৰিসঙ্কটেদি টাইমুৰ ভাৰতলৈ আহিছিল, নাদিৰ চাইও সেইদৰে পাৰস্যীয় আৰু আফগান সেনাৰ এটা ডাঙৰ ফৌজ লৈ পঞ্জাবৰ মাজেদি আহি দিল্লী পালেহি।

নাদিৰ চা।

৩। নাদিৰ চা এজন প্ৰকাণ্ড মানুহ আছিল। তেওঁৰ ৬ ফুট দীঘল দেহ, কপালৰ গাঁঠি খোপা কলামুখ, ডাঠ চেলাউৰি, বজ্ৰৰ নিচিনা মাত, বিজুলীৰ নিচিনা চকু দেখিলেই মানুহৰ মনত আতঙ্ক উপস্থিত হৈছিল। তেওঁ মেৰ-ছাগৰ ছালৰ কলা

দীঘল চোলা এটা পিন্ধিছিল। ভাৰতবৰ্ষত থকা কাল তোৰৰত তেওঁ মূৰত বগা ডাঙৰ পাগুৰি পিন্ধিছিল ; কিন্তু পাৰস্যত দীঘল পাৰস্যীয় টুপি পিন্ধিছিল। তেওঁৰ-কঁকালী জৰীত এখন চোকা ডাঙৰ কটাৰী ওলমিছিল, আৰু হাতত তীখাৰ যুদ্ধ-কুঠাৰ আছিল। হিন্দুবিলাকৰ মনত, তেওঁ, অতীতৰ আৰ্য্যবিলাকেৰে সৈতে যুদ্ধ কৰা এটা দৈত্য যেন লাগিছিল।৮

৪। প্ৰথমতে নাদিৰ চাই কৈছিল যে যদি তেওঁক সৰহকৈ কিছুমান ধন দিয়া হয়, তেন্তে তেওঁ দিল্লীৰ ওপৰত উপদ্ৰৱ নকৰে। কিন্তু ৰাতি দিল্লীৰ মানুহে, তেওঁৰ ভইথকা সেনা কিছুমানক বধ কৰিলত, তেওঁ ৰাতিপুৱা সিহঁতৰ মৰা-শবোৰ দেখি খঙত জ্বলি উঠি দিল্লীৰ মানুহ-দুনুহ মাৰি ঘৰত জুই লগাই দি লুট কৰি থাতাং কৰিবলৈ তেওঁৰ সৈন্যবোৰক হুকুম দিলে। সেইদিনা পুৱাৰপৰা গধূলিলৈকে, আগৰকালৰ টাইমুৰৰ তাতাৰ সৈন্যবিলাকৰ দৰে, নাদিৰৰ আফগান আৰু পাৰস্যীয় সেনাবোৰে দিল্লী লুটি-পুটি মানুহ কাটি মাৰি উজাৰ কৰিলে। গধূলিবেলিকা সম্ৰাট মহম্মদ চা আহি নাদিৰৰ ভৰিত পৰি ক্ষমা মাগি সেই হত্যাকাণ্ড বন্ধ কৰিবলৈ কাকো-কোকালি কৰি কৰাতহে নাদিৰে তাক বন্ধ কৰিবলৈ হুকুম দিছিল।

৫। তাৰ পিছদিনা নাদিৰ চাই, দিল্লীৰ ৰাজভঁৰালৰ এককালীন মোগল সম্ৰাটৰ দিনৰেপৰা যিবোৰ ধন-বস্ত্ৰ গোটখাই আছিল, সেই এটাইবোৰ লুটি নলে। চাজাহানৰ মৰা-ঙণীয়া সিংহাসন, সোণৰ কিৰিটী, মণি মুকুতা, ভাল অল হাতী ঘোৰাবোৰ, ৰাজভঁৰালৰ এটাই-বোৰ ধন, আৰু দিল্লী আৰু অযোধ্যাৰ ডাঙৰ মানুহবিলাকৰ ঘৰত তেওঁলোকৰ সাতাম পুৰুষৰপৰা সাঁচতীয়া যি ধন-বিত্ত আছিল, সেই বোৰও লুটি-পুটি লৈ পাৰস্যলৈ গুচি গল। নাদিৰ চাৰ হাতত লুটি লোৱা ধন ইমান সৰহ হৈছিল যে তেওঁ সেইবোৰ কি কৰিব ভাবি

লেপাইছিল। সৈন্যবিলাকক তেওঁ তিনি মাহৰ দৰমহা বটা দিছিল, আৰু পাৰস্যৰ প্ৰজাই দিবলগীয়া এবছৰৰ খাজনা নোতোলাকৈ এৰি দিছিল।

৬। নাদিৰ চাৰ আক্ৰমণত দিল্লীৰ সাম্ৰাজ্য ভাগি তোৰৰ তোৰৰ হল। চুবাদাৰ আৰু নবাববিলাকে দিল্লীলৈ আৰু কৰ-কাটল বা ভেটী নপঠিওৱা হল। মহাৰাষ্ট্ৰবোৰৰ সাহ আগতকৈ দুগুণ বাঢ়ি বঙ্গদেশ আৰু দক্ষিণ ভাৰতত সিহঁতে উপদ্ৰৱ কৰি ঘূৰি ফুৰিবলৈ ধৰিলে, আৰু সকলো ঠাইতে চৌথৰ দাবি কৰিবলৈ ধৰিলে। কলিকতাৰ ইংৰাজ সদাগৰবিলাকে মহাৰাষ্ট্ৰবপৰা কলিকতা ৰক্ষা কৰিবলৈ "মহাৰাষ্ট্ৰা ডিচ্" নামেৰে এটা ডাঙৰ খাল কটালে।

ইংৰাজ আৰু ফ্ৰেঞ্চবিলাকৰ ভিতৰত প্ৰথম যুদ্ধ।

১৭৪৪—১৭৪৮।

১। ১৭৪৪ খৃষ্টাব্দত য়ুৰোপত ইংৰাজ আৰু ফ্ৰেঞ্চবিলাকৰ ভিতৰত যুদ্ধ লাগে; সেইদেখি পৃথিৱীত যতে ইংৰাজ আৰু ফ্ৰেঞ্চ আছিল, তাতে তেওঁলোকৰ ভিতৰত ৰণ লাগিবলৈ ধৰিলে।

২। ভাৰতবাসী ইংৰাজবোৰ শান্তিপ্ৰিয় বেপাৰী মানুহ আছিল, আৰু তেওঁলোকৰ যুদ্ধ কৰিবৰ সপুনো মন নাছিল। মাদ্ৰাজত তেওঁলোক কেৱল বেপাৰত লাগি আছিল; আৰু চেণ্টজৰ্জ দুৰ্গ ৰক্ষা কৰিবৰ নিমিত্তে তাত অলপ মানুহ মাথোন আছিল, সৈন্য নাছিল। তেওঁলোকৰ মাই সদাগৰজনক গৱৰ্ণৰ বোলা হৈছিল।

৩। ডুপ্লে নামে বৰ চতুৰ মানুহ এজন পণ্ডিচেৰিত ফ্ৰেঞ্চ গৱৰ্ণৰ

হৈ আছিল। তেওঁ ভাৰতত অনেক দিন থকাৰ নিমিত্তে ভাৰতৰ মানুহৰ আওভাও ভালকৈ বুজিছিল। তেওঁ ইংৰাজ আৰু আন য়ুৰোপীয় বেপাৰীবোৰক ভাৰতৰপৰা খেদি দি, অকল ফ্ৰেঞ্চ মানুহে যাতে এহতীয়াকৈ ভাৰতত বেপাৰ কৰিব পাৰে তাৰ চেষ্টা কৰিছিল। কিন্তু তেওঁ যে অকল বেপাৰ কৰিয়েই সন্তুষ্ট থাকিবৰ ইচ্ছা কৰিছিল এনে নহয়, তাৰ লগে লগে তেওঁ দক্ষিণ-ভাৰত দখল কৰি তাৰ শাসনকৰ্ত্তা হবলৈকো হেপাহ কৰিছিল।

ডুপ্লে।

৪। ডুপ্লেৰ ৪০০০ ভাৰতবৰ্ষীয় চিপাহী আছিল, সিহঁতক তেওঁ ফ্ৰেঞ্চ বমুৱা কৰ্ম্মচাৰীৰ দ্বাৰাই য়ুৰোপীয় প্ৰণালীত যুদ্ধবিদ্যা শিক্ষা দিছিল। তেওঁ ফ্ৰান্সৰপৰা নকৈ আৰু সৈন্য আহিবলৈ লেখি পঠিয়াইছিল, আৰু সেই সেনা আহি পাওঁতে, ১৭৪৬ খৃষ্টাব্দত তেওঁ যুদ্ধযাত্ৰা কৰি আহি ইংৰাজৰ হাতৰপৰা মাদ্ৰাজ কাঢ়ি ললে।

৫। তাৰ পিছত ফ্ৰেঞ্চবিলাকে "চেণ্ট ডেভিদ্" দুৰ্গ লবলৈ চেষ্টা কৰিবলৈ ধৰিলে। ইয়াৰ ভিতৰতে ইংৰাজসকলেও কিছুমান ইংৰাজ সৈন্য আহি পালেহি; আৰু সেই সৈন্যই ফ্ৰেঞ্চবিলাকক জিনিবাৰ যুদ্ধত হৰুৱাই হোঁহোঁকাই পঠিয়াইছিল। সেইবৰ বস্কাৱেন নামে এজন সাহিয়াল ইংৰাজ সেনাপতি ইংৰাজ জাহাজৰ সৈতে, ইংলণ্ডৰপৰা আহিছিল। ইংৰাজবোৰে পণ্ডিচেৰি লবলৈ চেষ্টা কৰি নোৱাৰিলে।

৬। ১৭৪৮ খৃষ্টাব্দত য়ুৰোপত ফ্ৰেঞ্চ আৰু ইংৰাজৰ ভিতৰত সন্ধি

হোৱাৰ নিমিত্তে ভাৰতত তেওঁলোকৰ ভিতৰত বৰ যুদ্ধ কৰিব লগা হৈছিল। ফ্ৰেঞ্চবিলাকে ইংৰাজক মাদ্ৰাজ ওলোটাই দিলে। কিন্তু ইংৰাজ আৰু ফ্ৰেঞ্চৰ সেই সন্ধি ১৭৫৬ খৃষ্টাব্দলৈকে আঠ বছৰ নামত মাথোন আছিল।

ভাৰতত ইংৰাজ সাম্ৰাজ্য স্থাপন কৰোঁতা ক্লাইভ।

আৰ্কট অবৰোধ।

১। যি বছৰত ইংৰাজ আৰু ফ্ৰেঞ্চৰ ভিতৰত প্ৰথমেই যুদ্ধ লাগে, সেই বছৰত ইষ্ট ইণ্ডিয়া কোম্পানীৰ তলত কেৰাণীৰ কাম লৈ এটা ১৯ বছৰীয়া দুখীয়া লৰা মাদ্ৰাজলৈ আহে। সেই লৰাটোৰ কোনো বন্ধু বা চিনাকি মানুহ মাদ্ৰাজত নাছিল, আৰু হাতত ধন-বিত্ত একো নাছিল। কিন্তু অলপ কালৰ ভিতৰতে সেই নগণ্য লৰাটো এজন ডাঙৰ সেনাপতি হ'লগৈ, আৰু শেষৰ যি কেইজন বৰ বিখ্যাত ইংৰাজ ইংলণ্ডত উপজিছে, তেওঁলোকৰ শাৰীৰ এজন হৈ উঠিল। সেই লৰাটোৰ নাম ৰবৰ্ট ক্লাইভ।

ৰবৰ্ট ক্লাইভ।

২। ফ্ৰেঞ্চবিলাকে মাদ্ৰাজ লওঁতে, ক্লাইভে মাদ্ৰাজী মানুহবিলাকৰ সাজ পিন্ধি বেশছন কৰি চেণ্টডেভিড্ দুৰ্গলৈ পলাই গৈছিল। তিনি-

যাৰ ফ্ৰেঞ্চবিলাকে চেণ্টডেভিড্‌ দুৰ্গ লবলৈ চেষ্টা কৰি নোৱাৰিলে। তাতে সোমনতে ক্লাইভে যুদ্ধ বিদ্যাৰ প্ৰথম কলি হাতত লয়। তাত তেওঁ এনে ভালকৈ যুদ্ধ কৰিছিল যে গৱৰ্ণৰে তেওঁক কেৰাণীৰ কামৰ পৰা একেবাৰে সৈন্য-বিভাগৰ এজন তলতীয়া বিষয়া কৰি দিলে। ক্লাইভৰ তলতীয়া দেশী সেনাবিলাক, ক্লাইভে যিহকে কয়, যলৈকে যাবলৈ কয়, ৰংমনেৰে তাকে কৰিবলৈ আৰু তালৈকে যাবলৈ সদাই সাজু আছিল। সিহঁতে ক্লাইভৰ নাম "চবিৎজং" (অৰ্থাৎ যুদ্ধত থিৰ) দিছিল; আৰু পিছত গোটেই ভাৰতত সেই নাম প্ৰচাৰ হৈছিল। সেই নামটো তেওঁৰ গাত ঠিক খাটিছিল; কাৰণ তেওঁ অকল যে সাহিয়াল আছিল এনে নহয়, তুমুল যুদ্ধৰ মাজতো তেওঁৰ মগজু থিৰ ৰাখি তেওঁ কাম কৰিব পাৰিছিল।

৪। ১৭৪৮ খৃষ্টাব্দত বুঢ়া নিজাম-উল-মুলকৰ মৃত্যু হলত, তেওঁৰ বৰ পুতেক দক্ষিণৰ চুবাদাৰ হল। কিন্তু তেওঁৰ ভাগিনাক মজফৰ জঙ্গে তেওঁৰ হাতৰপৰা সিংহাসন কাঢ়ি লৈ ৰজা হবৰ মনেৰে পণ্ডিচেৰিলৈ গৈ ফ্ৰেঞ্চবিলাকক সহায় খুজিলে। সেই সময়তে চান্দচাহাব নামে ৰজা এজনেও আনাৰ-উদ্দিনক খেদাই কৰ্ণাটৰ নবাব হবৰ মনেৰে ডুপ্লেৰ সাহায্য বিচাৰি পণ্ডিচেৰিলৈ গৈছিল।

৫। ডুপ্লেয়ে ৰংমনেৰে তেওঁলোক দুইকো সহায় কৰিবলৈ গাত ললে; কাৰণ তেওঁ এনে সুযোগকেই বিচাৰিছিল। তেওঁ বুচি নামে এজন সাহিয়াল ফ্ৰেঞ্চ সেনাপতিৰে সৈতে এটা বলৱন্ত ফৌজ তেওঁলোকক দিলে; আৰু সেই ফ্ৰেঞ্চ ফৌজ তেওঁলোকৰ ফৌজ দুটাৰে সৈতে গোটখাই আৰ্কটলৈ যুদ্ধযাত্ৰা কৰি গল। সিহঁতে আৰ্কটৰ নবাব আনাৰ-উদ্দিনক যুদ্ধত হৰুৱাই বধ কৰি আৰ্কট অধিকাৰ কৰিলে। আনাৰ-উদ্দিনৰ পুতেক ত্ৰিচিনপলীলৈ পলাই গৈ তাত আত্মৰক্ষাৰ চেষ্টা কৰিবলৈ ধৰিলে। তাৰ পিছত বুচিয়ে সেই যুদ্ধিয়া ফৌজ লৈ

ৰক্ষিণলৈ গৈ নাজিৰ জঙক মাৰি, জয়ঢোল বজাই হাইদৰাবাদত সোমালগৈ।

৬। এইদৰে ডুপ্লেৰ মনোবাঞ্ছা সম্পূৰ্ণৰূপে সফল হল। নতুন নিজামে ফ্ৰেঞ্চবিলাকক ভাৰতৰ পূব উপকূলৰ গোটেইখন উত্তৰ-চৰ্কাৰ দান কৰিলে, ডুপ্লেক "কৰ্ণাটৰ গৱৰ্ণৰ" উপাধি দিলে, আৰু চান্দচাহাব তেওঁৰ তলতীয়া কৰ্ণাটৰ নবাব হল। চান্দচাহাবে ফ্ৰেঞ্চবিলাকক কৰ্ণাটৰ এজোপৰ ভাগৰ ঠাই আৰু বিস্তৰ ধন দিলে।

৭। মহম্মদ আলিক চান্দচাহাব আৰু ফ্ৰেঞ্চবিলাকে ত্ৰিচিনপলিত সেনাৰে বেৰি ধৰি আছিল দেখি, মহম্মদ আলিয়ে ইংৰাজলৈ সাহায্য প্ৰাৰ্থনা কৰি পঠিয়াইছিল।

৮। মাদ্ৰাজৰ ইংৰাজ গৱৰ্ণৰৰ তেতিয়া ইমান সৈন্যবল নাছিল যে ফ্ৰেঞ্চবিলাকক ত্ৰিচিনপলিৰপৰা খেদাই দিবলৈ সমৰ্থ হয়, আৰু লগে লগে নিজৰ দুৰ্গ দুটাও ৰক্ষা কৰিব পাৰে। সেই দেখি তেওঁ মহম্মদ আলিৰ নিমিত্তে খোৰা বস্তু, কলাইখাৰ, আৰু ছিলৈ লগত দি, এটা সৰু ফৌজেৰে সৈতে ক্লাইৱক পঠিয়াই দি মহম্মদ আলিলৈ চিঠি লেখি দিলে, যেন মহম্মদে শেহলৈকে সহি থাকে; কাৰণ তেওঁ নিশ্চয় অলপতে তেওঁৰ উদ্ধাৰৰ নিমিত্তে সহায় পঠিয়াব। ক্লাইৱে সেই অলপ সেনা লগত লৈ বৰ সাহেৰে যুজি গৈ ত্ৰিচিনপলিত সোমাল, আৰু সেইদৰেই আকৌ তাৰপৰা ওলাই উভতি আহিল। তেওঁৰ সেই সাহৰ কাৰ্য্য দেখি গৱৰ্ণৰে তেওঁক কাপ্তান পদ দিলে।

৯। ক্লাইৱ মাদ্ৰাজলৈ উভতি আহি গৱৰ্ণৰক কলে যে মহম্মদ আলি ইমান দুৰ্ব্বল যে তেওঁ আৰু সৰহদিন ত্ৰিচিনপলি ৰক্ষা কৰি থাকিব নোৱাৰে। ক্লাইৱে আৰু কলে যে ফ্ৰেঞ্চ সৈন্যৰ এভাগ ত্ৰিচিনপলিত, এভাগ পণ্ডিচেৰিত, আৰু এভাগ বুচ্ছিৰ হাইদৰাবাদত বুচিৰে সৈতে আছে। কৰ্ণাটৰ প্ৰধান নগৰ আৰ্কট ৰক্ষাৰ নিমিত্তে .জিচেই

অলপমান সৈন্যহে তাত আছে। সেইদেখি তেওঁ সৈন্য লৈ গৈ আৰ্কট আক্ৰমণ কৰি অধিকাৰ কৰিব খুজিছে। তেনেহলে চান্দচাহাবে ত্ৰিচিনপলি এৰি আহি আৰ্কট লবলৈ চেষ্টা কৰিব, আৰু মহম্মদ আলিৰ এনেই উদ্ধাৰ হব।

কৰ্ণাট প্ৰদেশ।

১০। কাপ্তান ক্লাইবৰ এই পৰামৰ্শ এনে ভাল আছিল যে গৱৰ্ণৰ সেই মতেই চলিল। মোটে ২০০ ইংৰাজ সৈন্য আৰু ৩০০ চিপাহী মাথোন ক্লাইবৰ লগত দিব পৰা গৈছিল; আৰু সেইবোৰৰ সৰহ

ভাগেই অশিক্ষিত মানুহ, আগেয়ে কোনো যুদ্ধলৈ সিহঁত যোৱা নাছিল। কিন্তু ক্লাইবৰ পক্ষে সেয়েই যথেষ্ট। মাদ্ৰাজৰপৰা আৰ্কটলৈ ৭০ মাইল বাট। এই বাট ভোখৰত যাওঁতে দিনৌ ক্লাইবে সেই চিপাহীবোৰক কাবাজ কৰাই যুদ্ধ কৰিবলৈ শিকাইছিল। সেই বাট ভোখৰ যাওঁতে তেওঁৰ ছদিন লাগিছিল। যেতিয়া তেওঁ আৰ্কট নগৰৰ এদুৱাৰে সসৈন্যে সোমাল গৈ, চান্দচাহাবৰ সেনাবিলাক আন দুৱাৰেদি ওলাই পলাই গুচি গল।

১১। চান্দচাহাবে যেতিয়া শুনিলে যে তেওঁৰ প্ৰধান নগৰ আৰ্কট ইংৰাজৰ হাতত পৰিল, তেওঁ তেওঁৰ পুতেক ৰাজাচাহাবক ১০,০০০ সৈন্য আৰু কিছুমান ফ্ৰেঞ্চ সেনাৰে সৈতে, ঠিক ক্লাইবে আগেয়ে অনুমান কৰাৰ দৰেই, আৰ্কট উদ্ধাৰ কৰিবলৈ পঠিয়াই দিলে। ৫০ দিনলৈকে সেই ডাঙৰ ফৌজে, ক্লাইবক সসৈন্যে নগৰ বেৰা দি থাকি অহোপুৰুষাৰ্থ কৰিও একো কৰিব নোৱাৰিলে।

১২। এইদৰে প্ৰায় দুমাহ গলত, মাদ্ৰাজৰ গবৰ্ণৰে ক্লাইবৰ সাহায্যৰ নিমিত্তে আৰু কিছুমান সৈন্য পঠিয়ালে। ৰাজাচাহাবে যেতিয়া শুনিলে, যে মাদ্ৰাজৰপৰা নতুনকৈ আৰু সেনা আহিব লাগিছে, তেওঁ দুৰ্গটো জয় কৰিবলৈ আকৌ এবাৰ শেষ চেষ্টা কৰিলে। কিন্তু এইবাৰো তেওঁ কৃতকাৰ্য্য নহল; লাভৰ ভিতৰত এইবাৰ তেওঁৰ ৪০০ চিপাহী মৰিল। সমুখৰ ফালৰপৰা ক্লাইবৰ সেনা, আৰু পিছফালৰপৰা সেই ন-কৈ মাদ্ৰাজৰপৰা অহা সেনাৰ মাজত পৰি ধৰা পৰিব বুলি ভাবি, তেওঁ হতাশ হৈ তেওঁৰ বাকী চিপাহীবোৰ লৈ তাৰপৰা গুচি গল।

১৩। ১৭৫২ খৃষ্টাব্দত আৰ্কটৰ এই বিখ্যাত অৱৰোধ হৈছিল। দক্ষিণ ভাৰতত ইংৰাজৰ বুৰঞ্জীৰ এই ঘটনাটো এটা ডাঙৰ পাক, যি তাৰ বাটকে আন মুৱা কৰি দিলে। সেই বছৰৰপৰা ভাৰতত ইংৰাজ শকত আৰু ফ্ৰেঞ্চ নিশকতীয়া হৈ আহিবলৈ ধৰিলে।

১৪। ইয়াৰ পিচুত মেজৰ লৰেন্স আৰু ক্লাইৱ ত্ৰিচিনপলিলৈ গৈ ফ্ৰেন্সবিলাকেৰে সৈতে তুমুল যুদ্ধ কৰি সিহঁতক তেওঁলোকে হৰুৱাই বন্দী কৰিলে। তেওঁলোকে ত্ৰিচিনপলি অধিকাৰ কৰি ইংৰাজৰ মিত্ৰ মহম্মদ আলিক কৰ্ণাটৰ নবাব পাতিলে। চান্দচাহাব পলাই তাঞ্জৌৰলৈ গল, আৰু তাৰ মহাৰাট্টা ৰজাই তাতে তেওঁক বধ কৰালে।

মেজৰ লৰেন্স আৰু মহম্মদ আলি।

১৫। ইয়াৰ পিচুত কাপ্তান ক্লাইৱ জলবায়ু পৰিবৰ্ত্তন কৰিবলৈ বিলাতলৈ গল; কাৰণ সৰহকৈ পৰিশ্ৰম কৰি তেওঁৰ গা বেয়া হৈ পৰিছিল। ইংলণ্ডৰ ৰজাই ক্লাইৱক কৰ্ণেলৰ পদ দিলে, আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে, নালত হীৰা-পতোৱা, ৭৫০০ টকা মেচৰ এখন তৰোৱাল তেওঁক বটা দিলে। ক্লাইৱ ধনী আৰু বিখ্যাত হৈ উঠিল, আৰু বিলাতৰ মানুহে তেওঁক "আৰ্কটৰ বীৰ" নাম দিলে।

১৬। ইংৰাজ আৰু ফ্ৰেন্স কোম্পানীৰ গৰাকীসকলে, ইংলণ্ড আৰু ফ্ৰান্সৰপৰা, তেওঁলোকৰ কাৰ্য্যকাৰকবিলাকলৈ টানকৈ হুকুম দি পঠিয়ালে, যেন তেওঁলোকে আৰু যুদ্ধ-বাগৰ নকৰে। ডুপ্লেক ফ্ৰান্সলৈ মাতি পঠিয়ালে; আৰু ইংলণ্ড আৰু ফ্ৰান্সৰ-মাজত শান্তি স্থাপিত হল।

কলিকতাৰ অন্ধকূপ হত্যা।

১৭৫৬।

১। ১৭৫৬ খৃষ্টাব্দত বঙ্গলা দেশৰ নবাবৰ মৃত্যু হলত, তেওঁৰ নাতিয়েক চিৰাজ-উদ্দৌলা ককাকৰ ৰাজপাটত উঠে। চিৰাজৰ বয়স তেতিয়া ২০ বছৰ। বস্তাবৰীয়া সুখৰ কোলাত আলসুৱা হৈ উঠি চিৰাজ ডাঙৰ-দীঘল হৈছিল; আৰু তেওঁ যি খুজিছিল তাকে পাইছিল, যি মন গৈছিল তাকে কৰিব পাৰিছিল। বাহিৰত সংসাৰত কি ঘটিছিল, কি হৈছিল, তাৰ তেওঁ একো বুজ নেপাইছিল। চিৰাজ মূৰ্খ, নিষ্ঠুৰ, মইমত্ত আৰু দুৰ্ব্বল-মনৰ আছিল। ইংৰাজবিলাকক তেওঁ বৰ ঘিণাইছিল, আৰু কলিকতাখন বৰ ধনী চহৰ বুলি তেওঁ শুনি, তাক লুটিপুটি চহকী হব খুজিছিল।

২। চিৰাজে সিংহাসনত উঠিয়েই ইংৰাজৰ সৈতে দন্দ কৰিবলৈ চেলু বিচাৰিবলৈ ধৰিলে। অলপতে আকৌ ফ্ৰেঞ্চবিলাকৰ সৈতে তেওঁলোকৰ যুদ্ধ লাগিবৰ সম্ভৱ বুলি শুনি, আৰু চন্দননগৰৰ ফ্ৰেঞ্চবিলাকে কিজানি কলিকতা আক্ৰমণ কৰিব বুলি ভয় কৰি, ইংৰাজ গৱৰ্ণৰে ফোৰ্ট উইলিয়েম দুৰ্গৰ গড়টো বাস্তি-বুতি ঠিক কৰিছিল। চিৰাজে সেই বাতৰি শুনি গড়ৰ নকৈ যতা বেৰবোৰ ভাঙি পেলাবলৈ ইংৰাজ গৱৰ্ণৰলৈ হুকুম দিলে। গৱৰ্ণৰে উত্তৰ দিলে যে তেওঁ তেনে কৰিব নোৱাৰে, কাৰণ তেনে কৰিলে ফ্ৰেঞ্চবিলাকে কলিকতাখন যি মন যায় তাকে কৰিব পাৰিব।

৩। চিৰাজ-উদ্দৌলাই গৱৰ্ণৰৰ সেই উত্তৰ পায়েই খঙত জ্বলি উঠি ৫০,০০০ সৈন্য লৈ কলিকতা আক্ৰমণ কৰিলে। ফোৰ্ট উইলিয়েমত তেতিয়া মোটে ১৭০ টা ইংৰাজ সৈন্য আছিল, আৰু তাৰ সৰহভাগ, আগেয়ে কোনো যুজলৈ গৈ যুজ কৰি পকা হোৱা মানুহ নাছিল। তাৰ

উপৰিও সিইঁতক চলাই বুকত লগাই দিবলৈকো ক্লাইবৰ নিচিনা সাহিয়াল নায়ক নাছিল। চাৰি দিন সিইঁতে যৰি-যুঁজি দুৰ্গ ৰক্ষা কৰি থাকি শেহত নোৱাৰা যেন দেখি, সৰহভাগ চিভিলিয়ান বিষয়াক লৰা-তিৰোতাৰে সৈতে জাহাজত তুলি পলাইছি পঠিয়াই দি, সিইঁতৰ যেন প্ৰাণবধ কৰা নহয় এই অঙ্গীকাৰ নবাবক কৰাই, হাৰ মানি, দুৰ্গ এৰি দিলে।

৪। তাৰ পিছত নবাব ভৱলৈ গলত, তেওঁৰ বন্দী-ৰখীয়াইঁতে ১৪৬ জন ইংৰাজ বন্দীক লৈ এটা খোটালিৰ ভিতৰত সুমাই থৈ দুৱাৰ মাৰি দিলে। সেইটো আগেয়ে মাথোন এটা বন্দী ৰখা খোটালি আছিল। তাত এনে খোপ-ৰখা এন্ধাৰ, এনেকুৱা বতাহ নবলা যান, যে তাৰ নাম অন্ধকূপ বুলি জনাজাত আছিল। সিমানবিলাক মানুহ তেনেকুৱা এটা খোটালিত সুমাই দিয়া মানে, গেলেপা লাগি সিইঁতক মৰিবলৈ দিয়া। সেই দুৰ্ভগীয়া ইংৰাজ বন্দীবিলাক, তাত বেছিয়া উশাহ-নিশাহ লব নোৱাৰি উকমুকনি লাগি এটা এটাকৈ মৰিবলৈ ধৰিলে, নবাবৰ বন্দী-ৰখীয়া নিষ্ঠুৰ সেনাবিলাকে সেই দৃশ্য দেখি ৰং পাই হাঁহিছিল।

৫। পিছদিনা ৰাতিপুৱা বেছিয়া সেই বন্দীশালৰ খোটালিৰ দুৱাৰ মেলা হল তেতিয়া দেখিবলৈ পোৱা গল, যে ১৪৬ জন মানুহৰ ভিতৰত মাথোন ২২ জন মতা আৰু এজনী তিৰুতা মানুহ জীয়াই আছে। সেই ভয়ানক ৰাতি সেইদৰে ভয়ানক দুখ পাই মৰা মানুহৰ ১২৩ টা শৱ এটা খাবৈত পেলাই দিয়া হৈছিল।

পলাচীৰ যুদ্ধ।

১৭৫৭।

১। ১৭৫৬ খৃষ্টাব্দত য়ুৰোপত ফ্ৰেঞ্চ আৰু ইংৰাজৰ ভিতৰত আকৌ

যুদ্ধ আৰম্ভ হল। সেই যুদ্ধৰ আৰম্ভনৰ অলপ আগেয়ে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কর্ণেল ক্লাইবক, যেওঁৰ গৃ ত্তান হলত, আকৌ ভাৰতত তেওঁলোকৰ সৈন্যৰ নায়ক পাতি পঠিয়াই দিলে। কলিকতা ইংৰাজৰ হাতৰপৰা যোৱা বাতৰি পোৱাৰ অলপ আগেয়েই তেওঁ মাদ্ৰাজ পাইছিলহি।

২। মাদ্ৰাজৰ ইংৰাজবিলাকে এই দুৰ্ঘটনাৰ বাতৰি শুনি বৰ শোক পাই, আকৌ কলিকাতা লবৰ নিমিত্তে, আৰু অন্ধকূপত মৃত্যু হোৱা ইংৰাজ কেইজনৰ প্ৰতিশোধ লবৰ নিমিত্তে নিশ্চয়কৈ প্ৰতিজ্ঞা কৰিলে। কর্ণেল ক্লাইব বামৰ সৈন্যবিলাকৰ সেনাপতি আছিল, আৰু এড্‌মিৰেল ওৱাটচন জাহাজী সৈন্যৰ সেনাপতি আছিল। ইংৰাজ সৈন্য জাহাজেৰে কলিকতালৈ আহোঁতে তিনি মাহ লাগিছিল; আৰু তেওঁলোকে জাহাজৰপৰা নামিয়েই অনায়াসে, এটা সেনাও হানি নোহোৱাকৈ "ফোর্ট উইলিয়েম" দখল কৰিলে। তাৰ পিছত তেওঁলোক হুগলীলৈ গৈ সেই নগৰখনো অধিকাৰ কৰি পেলালে।

৩। এইবিলাক দেখি শুনি চিৰাজ-উদ্দৌলাৰ ভয় হল। তেওঁ ইংৰাজ বন্দীবোৰ এৰি দি ইংৰাজৰ সৈতে সন্ধি কৰিবলৈ বিচাৰিলে, আৰু ইংৰাজৰ যি লোকচান হৈছিল তাৰ ক্ষতিপূৰণ কৰিবলৈ স্বীকাৰ কৰিলে। কিন্তু সিফালে তলে তলে চিৰাজউ-দ্দৌলাই চন্দননগৰৰ ফ্ৰেঞ্চবিলাকলৈ ইংৰাজৰ বিৰুদ্ধে সহায় খুজি চিঠি লেখিছিল। কর্ণেল ক্লাইবে নবাবৰ টেঙৰালি বুজিব পাৰি, নবাবলৈকৈ চন্দননগৰ আক্ৰমণ কৰি দখল কৰি পেলালে।

৪। চিৰাজ-উদ্দৌলাই মাথোন এবছৰ ৰাজত্ব কৰিছিল। কিন্তু সেই অলপকালৰ ভিতৰতে তেওঁ এনে বেয়াকৈ আৰু নিষ্ঠুৰ ভাৱে ৰাজ্য শাসন কৰিছিল যে, তেওঁৰ প্ৰজাবোৰে তেওঁৰ অত্যাচাৰত অৎযৎ সেপাই যাতে তেওঁৰ হাতৰপৰা ৰক্ষা পায়, তাৰে কাৰবাৰ কৰিছিল।

তেওঁৰ কিছুমান মাই বিষয়া গোটখাই এটা ষড়যন্ত্ৰ কৰি তেওঁক ৰজা ভাজি তেওঁৰ সেনাপতি মিৰ্জাফৰক ৰজা পাতিবলৈ চেষ্টা কৰিছিল। মিৰ্জাফৰে কৰ্ণেল ক্লাইবলৈ চিঠি লেখি সেই কাৰ্য্যত ক্লাইবৰ সহায় খুজি পঠিয়াইছিল; আৰু ক্লাইবে যদি নবাবক আক্ৰমণ কৰে, তেন্তে তেওঁ তেওঁৰ তলতীয়া সৈন্য লৈ ইংৰাজৰ ফলীয়া হৈ নবাবৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অঙ্গীকাৰ কৰিছিল।

৫। কৰ্ণেল ক্লাইব সসৈন্যে উত্তৰ ফালে গল, আৰু চিৰাজ-উদ্দৌলা মুৰ্চিদাবাদ আৰু কলিকতাৰ মাজত থকা পলাচী নামে গাওঁ এখনত শিবিৰ স্থাপন কৰি বল। চিৰাজ-উদ্দৌলাৰ লগত ৫০,০০০ পদাতী, ১৮,০০০ অশ্বাৰোহী, ৫০টা বৰতোপ আৰু অলপ-মান ফ্ৰেন্স সেনা আছিল। ক্লাইবৰ লগত ১১০০ ইংৰাজ সেনা, ২০০০ চিপাহী, আৰু দহোটা বৰতোপ আছিল। ১৭৫৭ খৃষ্টাব্দৰ ২৩ জুনত সেই যুদ্ধ হৈছিল। মিৰ্জাফৰে নিজৰ প্ৰতিজ্ঞামতে কাম নকৰি ইংৰাজৰ সৈতে লগ নেলাগিল; মাথোন ওচৰতে ঠিয় হৈ থাকি কোন পক্ষ জিকে চাই আছিল।

চিৰাজ-উদ্দৌলা।

গোটে-ইটো দিন ইংৰাজে শত্ৰুৰ ওপৰত বৰতোপৰ গুলি বৰষি, যেতিয়া দেখিলে যে শত্ৰুৰ অনেক সেনা ৰণত পৰিল, তেতিয়া আবেলি তিনি বজাৰ সময়ত ক্লাইবে তেওঁৰ সৈন্যবিলাকক, নবাবৰ সৈন্যৰ ওপৰত জুমুৰি দি পৰি আক্ৰমণ কৰিবলৈ হুকুম দিলে। নবাব ফৌজে সৈতে হাৰি হুহকি পলাই গল, আৰু ইংৰাজে পলাচীৰ যুদ্ধ জিকিলে।

৬। চিৰাজ-উদ্দৌলা পলাই যাওঁতে বাটতে এটা মানুহৰ হাতত

ধৰা পৰি বন্দী হল। সেই মানুহটোক আগেয়ে এবাৰ তেওঁ তাৰ নাকটো কাটি দণ্ড কৰিছিল। সি চিৰাজক ধৰি আনি মিৰ্জাফৰৰ পুত্ৰেক মিৰাণৰ হাতত দিলত, মিৰাণে চিৰাজক মৰাই পেলালে। নতুন নবাব মিৰ্জাফৰে ইংৰাজক সেই যুদ্ধৰ বাবে হোৱা ক্ষতিপূৰণ দিলে, আৰু তেওঁক নবাব পতা বাবে, ইষ্ট ইণ্ডিয়া কোম্পানীক কলিকতাৰ চাৰিউফালে থকা ২৪ পৰগণা নামে এডোখৰ ঠাই দিলে। ইয়াৰ দুবছৰৰ পিছত, ২৪ পৰগণাৰপৰা যি খাজনা ইষ্ট ইণ্ডিয়া কোম্পানীৰপৰা মিৰ্জাফৰৰ পাওনা হৈছিল, সেই খাজনাৰ টকাটো তেওঁ চিৰকাললৈ ক্লাইৱক দান কৰিলে। সেই টকা পাই ক্লাইৱ চহকী হৈ পৰিল। তাৰ নাম ক্লাইৱৰ জায়গীৰ আছিল। ক্লাইৱে জীয়াই থকা কাল ডোখৰত কোম্পানীৰপৰা সেই খাজনাৰ টকাটো পাই আছিল। ভাৰতত ইংৰাজ মাটিৰ গৰাকী হোৱা সেয়েই প্ৰথম, আৰু সেয়েই "বেঙ্গল প্ৰেচিডেন্সি"ৰ আৰম্ভন।

মিৰ্জাফৰ।

ফ্ৰেঞ্চবিলাকৰ শেহ হাৰ।

১৭৫৬—১৭৬০।

১। য়ুৰোপত কেইবাখনো ৰাজ্যৰ ভিতৰত এটা বৰ ডাঙৰ ৰণ লাগিছিল, যাক "সাত বছৰীয়া ৰণ" বুলিছিল। ১৭৫৬ খৃষ্টাব্দৰপৰা

১৭৬৩ খৃষ্টাব্দলৈকে সেই ৰণ চলে। সেই ৰণত ইংৰাজে ফ্ৰেঞ্চৰ সৈতে যুদ্ধ কৰিছিল।

২। এই ৰণৰ আৰম্ভনতে কৰ্ণেল ক্লাইৱ, ভাৰতত থকা প্ৰায় গোটেইবিলাক ইংৰাজ সৈন্যৰ সৈতে বঙ্গদেশত আছিল। ক্লাইৱে নবাবৰিকৈ ফ্ৰেঞ্চবিলাকৰ চন্দননগৰ দখল কৰিছিল। চন্দননগৰ ইংৰাজৰ হাতত পৰিলত, উত্তৰ-ভাৰতত ফ্ৰেঞ্চবিলাকৰ এখনো ঠাই নাইকিয়া হল। দক্ষিণ-ভাৰতত ইংৰাজৰ এনে বল নাছিল যে ফ্ৰেঞ্চৰ হাতৰপৰা পণ্ডিচেৰি কাঢ়ি লয়, আৰু ফ্ৰেঞ্চবিলাকৰো এনে শকতি নাছিল যে ইংৰাজৰ মাদ্ৰাজ অধিকাৰ কৰে; সেইদেখি সেইকালে কোনেও কাকো হুমহুৰলৈকে জোকোৱা নাছিল।

৩। কিন্তু ১৭৫৮ খৃষ্টাব্দত কাউণ্ট লালিৰ তলত ভালেমান ফ্ৰেঞ্চ সৈন্য ভাৰত পালেহি। লালিয়ে ইংৰাজবিলাকক ভাৰতৰপৰা খেদাই উলিয়াই দিবলৈ ফ্ৰান্সৰপৰা হুকুম লৈ আহিছিল। তেওঁ যি ৰাতিয়েই জাহাজৰপৰা নামি ভাৰতত ভৰি দিছিল, সেই ৰাতিয়েই সৈন্য লৈ চেণ্টডেভিড্ দুৰ্গৰফালে যাত্ৰা কৰিলে, আৰু সেই দুৰ্গ সহজে তেওঁৰ হাতলৈ আহিল। লালিয়ে চেণ্টডেভিড্ দুৰ্গ ভাঙি পেলাইছিল, আৰু তেতিয়াৰপৰা আৰু তাক নকৈ সজা নহল।

৪। তাৰ পিছত লালিয়ে, দক্ষিণত থকা বুচিলৈ হুকুম দি পঠিয়ালে, তাৰপৰা বুচি সসৈন্যে আহি তেওঁৰে সৈতে লগ লাগিবলৈ। বুচি আহি পালত, তেওঁলোক দুয়ো গোটখাই মাদ্ৰাজ আক্ৰমণ কৰিলে। কিন্তু মেজৰ লৰেন্চে হুমাহ্ যৰ সাহেবে এনেকৈ মাদ্ৰাজ ৰক্ষা কৰিছিল যে তেওঁলোকে একো কৰিব নোৱাৰিলে। তাৰ পিছত ইংলণ্ডৰপৰা সৈন্য লৈ ইংৰাজৰ জাহাজ আহি পোৱাত, ইংৰাজ সেনাপতি কৰ্ণেল কুটে লালি আৰু বুচিক খেদি আনি, ৱাণ্ডিৱাচ নামে, মাদ্ৰাজ আৰু পণ্ডিচেৰিৰ মাজৰ ঠাই এখনত ডাঙৰ যুদ্ধ কৰি সমূলি হটুৱালে।

ভাৰতত ইংৰাজ আৰু ফ্ৰেঞ্চৰ মাজত যতবিলাক যুদ্ধ হৈছিল, এই বাণ্ডাৱাচৰ যুদ্ধই সকলো বিলাকতকৈ ডাঙৰ। তাৰ পিছত কৰ্ণেল কুটে ফ্ৰেঞ্চবিলাকৰ হাতৰপৰা ১৭৬১ খৃষ্টাব্দত পণ্ডিচেৰি কাঢ়ি ললে।

৫। কৰ্ণাটত এইবিলাক ঘটনা হৈ থাকোঁতেই, ক্লাইবে, যিমান পৰা যায়, কলিকতাৰপৰা সিমান সেনা লগত দি কৰ্ণেল ফোৰ্ডক উত্তৰ-চৰকাৰলৈ পঠিয়াই দিছিল। তাত ইংৰাজৰ সেনাতকৈ ফ্ৰান্স সেনা সৰহ আছিল, আৰু তাৰ উপৰিও হাইদৰাবাদৰ নিজাম ফ্ৰেঞ্চৰ ফলীয়া আছিল। কিন্তু কৰ্ণেল ফোৰ্ড বৰ সাহিয়াল আৰু চতুৰ মানুহ আছিল; আৰু তাৰ উপৰি তেও ক্লাইবৰ তলত থাকি যুদ্ধবিদ্যাত ভালকৈ পৈনত হৈ উঠিছিল। তেওঁ যতে ফ্ৰেঞ্চবিলাকৰ সমুখ হৈছিল, ততে সিবিলাকক ৰণত ঘটুৱাইছিল; আৰু সিবিলাকৰ প্ৰধান নগৰ মছুলিপট্টম আক্ৰমণ কৰি অধিকাৰ কৰিছিল। সেই যুদ্ধত তেওঁ ইমানবিলাক ফ্ৰেঞ্চ সেনা বন্দী কৰিছিল, যে তেওঁৰ নিজৰ সেনাৰ লেখতকৈ ফ্ৰেঞ্চ বন্দীৰ লেখ বাঢ়ি উঠিছিল। এইদৰে ১৭৫৯ খৃষ্টাব্দত উত্তৰ-চৰকাৰ ইংৰাজৰ হাতলৈ আহিল, আৰু সি তেতিয়াৰেপৰা ইংৰাজৰ হাতত আছে। মাদ্ৰাজ প্ৰেচিডেন্সিৰ এযেই আৰম্ভন।

৬। ১৭৬৩ খৃষ্টাব্দত য়ুৰোপৰ "সাত বছৰীয়া ৰণ"ৰ অন্ত পৰিল, আৰু ইংৰাজ আৰু ফ্ৰেঞ্চৰ ভিতৰত সন্ধি হৈ শান্তি স্থাপিত হলত পণ্ডিচেৰি আৰু চন্দননগৰ ফ্ৰেঞ্চবিলাকক তেওঁলোকৰ বেহা-বেপাৰৰ ঠাই বুলি ওলোটাই দিয়া হল। ১৭৪৪ খৃষ্টাব্দত আৰম্ভ হোৱা সেই কুৰি বছৰ ধৰি চলা ৰণৰ এইদৰে ওৰ পৰিল। ফ্ৰেঞ্চবিলাকে মাদ্ৰাজৰ ইংৰাজ বেহেৰুৱাবিলাকক আক্ৰমণ কৰি সেই ৰণৰ আৰম্ভন কৰে, আৰু ইংৰাজে এখন ডাঙৰ ৰাজ্যৰ শাসনকৰ্ত্তা আৰু দক্ষিণ-ভাৰতত সকলোতকৈ এটা প্ৰধান আৰু প্ৰবল শক্তিত পৰিণত হৈ তাৰ ওৰ পেলায়।

মিৰ্জাফৰৰ ৰাজত্ব।

৮। ক্লাইৱে দিল্লীৰ বাদচাহৰ সম্মতি নোলোৱাকৈ মিৰ্জাফৰক বঙ্গলা দেশৰ ৰাজসিংহাসনত বহুৱাইছিল। দিল্লীৰ সম্রাটে তেতিয়াও উত্তৰ-ভাৰতৰ এটাইবিলাক প্ৰদেশৰ ওপৰত চক্ৰবৰ্ত্তী ৰজা বুলি নিজৰ দাবি এৰা নাছিল; আৰু মিৰ্জাফৰেও নবাব হৈ আগৰ নবাববিলাকৰ দৰে সম্রাটলৈ ভেঁটী পঠিওৱা নাছিল। গতিকে, সম্রাটৰ পুতেকে, যাক চাজাদা অৰ্থাৎ যুবৰাজ বোলা হৈছিল, এটা ফৌজ লৈ বঙ্গদেশ আক্ৰমণ কৰিলে। অযোধ্যাৰ নবাব চুজা-উদ্দৌলাও তেওঁৰ লগত আহিছিল।

২। এই ঘটনা ঘটি উঠা দেখি মিৰ্জাফৰে ভয়ত কোঁচ খাই ধন-বস্তু ভেঁটী দি তেওঁলোকক সন্তুষ্ট কৰিব খুজিছিল; কিন্তু ক্লাইৱে তেওঁক সাহ দি ভয় নকৰিবলৈ কৈ নিজে তেওঁৰ সাহায্য কৰিবলৈ আহিব বুলি স্বীকাৰ কৰিলে। অযোধ্যাৰ নবাব চুজা-উদ্দৌলাই যেতিয়া শুনিলে যে, সেই ভয়ানক ইংৰাজ কৰ্ণেল "চবিৎজং" মিৰ্জাফৰৰ হকে তেওঁৰে সৈতে যুদ্ধ কৰিবলৈ আহিছে, তেওঁ নিজৰ মানুহ-দুনুহ আৰু সৈন্য-বিলাক লৈ ভয়ত ভৰা-নৰা-চিঙি উভতি অযোধ্যালৈ পলাই গুচি গল, আৰু দিল্লীৰ ৰাজকোঁৱৰ চাজাদা, অকলসৰীয়া আৰু নিঠৰুৱা হৈ পৰিল। শেহত চাজাদাই উপায় নেপাই ক্লাইৱৰ শৰণাগত হৈ পৰিলত ক্লাইৱে যতন কৰি তেওঁক ৫০০ সোণৰ মোহৰ "নজৰ" দি নিজৰ দেশলৈ উভতি যাবলৈ পৰামৰ্শ দিলত তেওঁ গুচি গল।

৩। মিৰ্জাফৰ যদি জ্ঞানী আৰু ভাল ৰজা হলহেঁতেন, তেওঁ নিৰাপদে সুখ-শান্তিত ৰাজত্ব কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁ সোনকালে অকামিলা আৰু ৰাজ্যশাসনৰ সমূলী অযোগ্য বুলি চিনাকি দিলে। তেওঁ দোপাট কামীয়া আছিল, আৰু অনেক ধন-বিত্ত আমোদ প্ৰমোদত ভাঙি এলেহুৱা হৈ কাল কটাইছিল।

৪। ফু কামত থন ভাঙি তেওঁৰ হাত শুদা হলত, তেওঁ সেনা-বিলাকক ধৰমহা দিব নোৱাৰি বঙ্গলা দেশৰ ধনী বণিয়াবিলাকৰপৰা দাঁড়ি-চুঁহি ধণ লবতৈ চেষ্টা কৰাত ক্লাইবে বাধা দিয়া বাবে, তেওঁৰ খং উঠি চুঁচুৰাৰ ডচ্‌বিলাকলৈ চিঠি লেখিলে যে, তেওঁলোকে যেন তেওঁক সহায় কৰি ইংৰাজবিলাকক বঙ্গলা দেশৰপৰা উলিয়াই দিয়ে। য়ুৰোপত ডচ্‌ আৰু ইংৰাজৰ ভিতৰত শান্তি স্থাপিত হৈ থকাৰ নিমিত্তে ইংৰাজে সৈতে ডচ্‌বিলাকৰ যুদ্ধ কৰিবৰ কোনো ক্ষমতা নাছিল। কিন্তু চুঁচুৰাৰ ডচ্‌বোৰৰ, ইংৰাজ আৰু ইংৰাজৰ বেহা-বেপাৰৰ ওপৰত বৰ খিয়াল আছিল। সেইদেখি, তেওঁলোকে মূৰ্খামি কৰি ইংৰাজক আক্ৰমণ কৰিবলৈ মান্তি হল। ডচ্‌বিলাকে তেওঁলোকৰ উপনিবেশ যাবালৈ সৈন্য খুজি পঠিয়ালে; আৰু অলপকালৰ ভিতৰতে সাতখন ডাঙৰ জাহাজ সৈন্যৰে খুন্দখাই আহি হুগলী নৈৰ মুখ পাই পাল তৰি চুঁচুৰালৈ আহিবলৈ আয়োজন কৰিবলৈ ধৰিলে। হুগলীৰ পাৰত তেওঁলোকে ইংৰাজৰ খনচেৰেক নাও ধৰি বন্দী কৰিলে আৰু নৈৰ পাৰত থকা গোটাচেৰেক ইংৰাজৰ বেপাৰৰ কুঠী পুৰিলে।

৫। কৰ্ণেল ফোৰ্ড সেই সময়ত উত্তৰ-চৰকাৰৰ পৰা উভতি আহি কলিকতাত আছিল। কৰ্ণেল ক্লাইবে তেওঁক চুঁচুৰা আক্ৰমণ কৰিবলৈ, আৰু আন এজনক ডচ্‌বিলাকৰ জাহাজবোৰ আক্ৰমণ কৰিবলৈ পঠিয়ালে। চুঁচুৰাৰ ডচ্‌বিলাক ইংৰাজৰ হাতত হাৰি ছিন-ভিন হৈ গল; আৰু তেওঁলোকৰ জাহাজবোৰ ইংৰাজৰ হাতলৈ আহিল। তেতিয়া তেওঁলোকে বিসঙ্গতি দেখি ইংৰাজৰ সৈতে মিত্ৰ-যাত কৰিবলৈ প্ৰাৰ্থনা কৰি পঠিয়ালে। ইংৰাজে তেওঁলোকৰ প্ৰাৰ্থনা ৰাখি তেওঁলোকক চুঁচুৰা থন বেহা-বেপাৰ কৰি থাকিবৰ নিমিত্তে এৰি দিলে; আৰু তাত তেওঁলোকে কোনো সৈন্য নেৰাখিবলৈ তেওঁলোকক

অঙ্গীকাৰ কৰালে। মিৰ্জাফৰক ক্ষমা কৰা হল; আৰু ১৭৬০ খৃষ্টাব্দত ক্লাইৰ জাহাজত উঠি বিলাতলৈ উভতি গুচি গল।

মিৰ কাচীম।

১৭৬১—১৭৬৫।

১। ক্লাইৰে ভাৰতবৰ্ষ এৰি যোৱাৰ পিছতে মিৰ্জাফৰ বিপদত পৰিল। চাজাদাই দিল্লীৰ সিংহাসনত উঠি দ্বিতীয় চা আলম উপাধি লৈ সম্ৰাট হৈয়েই অযোধ্যাৰ নবাবে সৈতে গোটখাই আকৌ বঙ্গ-দেশ আক্ৰমণ কৰিলে।

২। তেওঁবিলাকক হকৰাই খেদি দিবলৈ ইংৰাজগবৰ্ণৰে সৰু ফৌজ এটা লগত দি কাপ্তান নক্স্ক পঠিয়াই দিলে। নক্সে তেওঁলোকক পাটনাত পাই যুদ্ধ কৰি ঘটুৱাই অযোধ্যালৈ খেদি পঠিয়ালে।

৩। কলিকতাৰ গৱৰ্ণৰে যেতিয়া দেখিলে যে মিৰ্জাফৰ বঙ্গলা দেশ শাসন কৰিবলৈ গোটেই অনুপযুক্ত, তেওঁ মিৰ্জাফৰক নবাব ভাজি মিৰ্জাফৰৰ জোৱাঁয়েক মিৰ কাচীমক নবাব পাতিলে। গবৰ্ণৰে ভাবিছিল যে মিৰ কাচীম এজন ভাল শাসনকৰ্ত্তা হব, আৰু তেওঁ নিজৰ দেশ ৰক্ষা কৰিব পাৰিব। মিৰ কাচীমে, তেওঁক নবাব পতা বাবে ইংৰাজক বটা স্বৰূপে, বৰ্দ্ধমান, ছিটাগাঁও আৰু মেদিনীপুৰ এই তিন খন জিল্লা দিলে; অৰ্থাৎ বঙ্গলা মলুকৰ প্ৰায় তিন ভাগৰ এভাগ দান কৰিলে।

৪। মিৰ কাচীমে ৰাজ্যৰ আৰম্ভনটো ভালকৈয়েই কৰিছিল। তেওঁ মিৰ্জাফৰে লগোৱা এটাইবোৰ ধাৰ শুজিছিল, আৰু ৰাজ্যশাসন প্ৰণালীৰ গঢ়-গতি লগাই সুৰলা কৰিছিল। মিৰৰ্জাফৰৰ নিচিনাকৈ তেওঁ অকল নামত নহৈ কামত নবাব হবলৈ যতন কৰিছিল, আৰু

আগৰ নবাববিলাকৰ দৰে আপোন ইচ্ছামতে কাম কৰিব খুজিছিল। দুই তিনি বছৰ তেওঁ কিছুমান ফ্ৰেঞ্চ বণুৱা বিষয়া দৰমহা দি ৰাখি নিজৰ সৈন্যবোৰক "কাৱাজ" কৰাই বৰ যতন কৰি য়ুৰোপীয় প্ৰণালীত যুদ্ধবিদ্যা শিকোৱাই-ছিল। তাৰ পিছত তেওঁ ভাবিলে যে তেওঁ ইংৰাজ বিলাকৰ তলতীয়া হৈ নেথাকি চেষ্টা কৰি স্বাধীন হব, আৰু ইংৰাজক একেবাৰেই বঙ্গ-দেশৰপৰা উলিয়াই দিব। তেওঁ

মিৰ কাচীম।

ইংৰাজৰ ওচৰৰপৰা আঁতৰি থাকিবৰ মনেৰে মুৰ্চিদাবাদৰপৰা ৰাজধানী তুলি আনি মুঙ্গেৰত পাতিলে। মুৰ্চিদাবাদ কলিকতাৰ পৰা ১০০ মাইল, আৰু মুঙ্গেৰ ৩০০ মাইল দূৰ। তেওঁ যেতিয়া দেখিলে যে ইংৰাজবিলাকক বলে পাৰিব, তেতিয়াৰেপৰা তেওঁ ইংৰাজক আক্ৰমণ কৰিবলৈ চেলু বিচাৰিবলৈ ধৰিলে।

৫। ইংৰাজৰ সৈতে তেওঁৰ দ্বন্দ্বৰ এটা কাৰণ সোনকালে ওলাল। পলাচীৰ যুদ্ধৰ পিছত মিৰ্জাফৰে কোম্পানীৰ চাকৰীয়া-বোৰক মাচুল নোলোৱাকৈ গোটেইখন দেশতে তেওঁলোকৰ বেপাৰৰ সিজাবস্তবোৰ অনা-নিয়া কৰিবলৈ দিছিল। কিন্তু তাৰ কিছু দিনৰ পিছত লাহে লাহে কোম্পানীৰ সেই চাকৰীয়াবিলাকে দেশী বেহেৰু-ৱাবোৰৰপৰা ধন খাই, তেওঁলোকৰ নিজৰ নামত অৰ্থাৎ "বেনামী কৰি" সিহঁতক মাল অনা-নিয়া কৰিবলৈ দিবলৈ ধৰিলে। মিৰ কাচীমে অনেক পুৰুষাৰ্থ কৰিও সেই অন্যায় কাম বন্ধ কৰিব নোৱাৰি, শেহত কি ইংৰাজ, কি দেশী বেহেৰুৱা, সকলোৱে ওপৰৰ

পৰা এই মাচুল গুচাই দিলে। কিন্তু কোম্পানীৰ চাকৰীয়াবোৰৰ মনত এই কাম ভাল নেলাগিল; কাৰণ, সিবিলাকৰ ইচ্ছা এনেটো যে লোকৰ ওপৰত সেই মাচুল চলি থাকক, কিন্তু তেওঁলোকক সি পৰশিব নেলাগে।

৬। তেতিয়া মিৰ কাচীম ৰণলৈ সাজু হল। তেওঁ চা আলম আৰু চুজা-উদ্দৌলালৈ সহায় খুজি কৈ পাঠিয়ালে যে তিনিও লগ লাগি যুজি ইংৰাজক ভাৰতৰপৰা উলিয়াই খেদাই দিব লাগে। তেওঁ পাটনাৰ ইংৰাজ বেপাৰীবিলাকক আক্ৰমণ কৰি বন্দী কৰিলে, আৰু নিজৰ বিষয়াবিলাকৰ ভিতৰত হুকুম শুনাই দিলে যে তেওঁলোকে ইংৰাজক যতে পাব ততে যেন মাৰি পেলায়।

চুজা-উদ্দৌলা।

৭। কলিকতাৰ ইংৰাজৰ শাসনকাৰ্য্য নিৰ্ব্বাহক সভাই মিৰ্জাফৰক আকৌ নবাব পাতিলে। মেজৰ এডেমচে ৬০০ ইংৰাজ সৈন্য আৰু ১০০০ চিপাহী লগত লৈ কলিকতাৰপৰা যাত্ৰা কৰি গৈ মিৰকাচীমৰ শিক্ষিত সৈন্যবে সৈতে তিনিখন ডাঙৰ যুদ্ধ কৰি প্ৰত্যেক যুদ্ধতে সিহঁতক হৰুৱাই তেওঁৰ ৰাজধানী মুঙ্গেৰ আক্ৰমণ কৰিবলৈ আগবাঢ়ি গল।

৮। মেজৰ এডেমচ অহা শুনি মিৰকাচীম পলাই পাটনা পালেগৈ। পাটনাৰপৰা মিৰকাচীমে ইংৰাজ সেনাপতিলৈ কৈ পঠিয়ালে যে, তেওঁ যদি আৰু আগবাঢ়ি আহে, তেন্তে মিৰকাচীমে এটাইবিলাক ইংৰাজ বন্দীক বধ কৰিব। ইংৰাজ বন্দীবিলাকৰ মুখিয়াল



বঙ্গ, বিহাৰ আৰু অযোধ্যা

মানুহজনৰ নাম মিষ্টৰ ইলিচ আছিল। তেওঁ বৰ সাহিয়াল আৰু মৰিবলৈ ভয় নকৰা মানুহ আছিল। তেওঁ মেজৰ এডেমচলৈ চিঠি লেখি কাকুতি কৰি মাতি পঠিয়ালে যে, যি হয় হব, তাৰ নিমিত্তে চিন্তা নকৰি তেওঁ যেন আগবাঢ়ি আহে।

৯। মেজৰ এডেমচে কেতিয়াও নেভাবিছিল যে, মিৰকাচীম এনে নিষ্ঠুৰ হব যে নিৰস্ত্ৰ বন্দীবিলাকক তেওঁ বধ কৰিব। সেইদেখি তেওঁ গৈ মুঙ্গেৰ দখল কৰিলে। মিৰকাচীমে সেই বাতৰি শুনা মাত্ৰকে খঙত অলি-পকি উঠি ইংৰাজ বন্দীবিলাকক বধ কৰিবলৈ হুকুম দিলে; আৰু তেওঁৰ তলত চাকৰি কৰা চমৃৰু নামে এটা নীচ কৰ্ম্মাণ এটাই-বিলাক বন্দীক হত্যা কৰিলে। অন্ধকূপ হত্যাতকৈয়ো নিৰ্দ্দয়া এই ভয়ানক কাম পাটনাৰ হত্যাকাণ্ড বুলি প্ৰখ্যাত।

১০। ইয়াৰ পিছত পাটনা ইংৰাজৰ হাতত পৰে; আৰু মিৰ-কাচীম পলাই অযোধ্যালৈ গৈ চা আলম আৰু চুজা-উদ্দৌলাকে সৈতে লগ লাগে। তাৰ পিছত মেজৰ মনৰোৱে ইংৰাজ সৈন্য লৈ তিনি চাৰি মাহ ঘুৰি-পকি তিনিওজন বজাক ১৭৬৪ খৃষ্টাব্দত বক্সাৰৰ যুদ্ধত সমূলী পৰাস্ত কৰে। উত্তৰ-ভাৰতত, আগৰ ইংৰাজবিলাকৰ বুৰঞ্জীত, পলাচীৰ যুদ্ধৰ পিছতে বক্সাৰৰ যুদ্ধ বিখ্যাত। ইংৰাজ দিল্লীৰ সম্ৰাটৰ সমুখ হোৱা এই যুদ্ধতে প্ৰথম, আৰু এয়েই শেহও। এই যুদ্ধৰ ফলেই ইংৰাজক উত্তৰ-ভাৰতত সকলোতকৈ ডাঙৰ কৰে। চা আলমে ক্লাইবৰ আগৰ দয়া পাহৰা নাছিল; সেই দেখি তেওঁ আকৌ ইংৰাজৰ শৰণাগত হল। সুজা-উদ্দৌলা পলাই গৈ ন-কৈ সৈন্য লৈ আহি কোৰা নামেৰে ঠাইত আকৌ ইংৰাজে সৈতে ৰণ কৰি হাৰি ইংৰাজৰ শৰণাগন্ন হল। মিৰকাচীমে ইংৰাজৰ প্ৰতিহিংসা প্ৰবৃত্তিলৈ ভয় কৰি পলাই কৰবালৈ গুচি গল; আৰ তাৰ পিছৰপৰা তেওঁৰ কোনো বাতৰি পোৱা নগল।

লৰ্ড ক্লাইব।

১৭৬৫—১৭৬৭।

১। মিৰকাচীমে সৈতে লগা যুদ্ধ, আৰু পাটনাৰ হত্যাকাণ্ডৰ বাতৰি ইংলণ্ড পালহঁতে, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ক্লাইবক আকৌ এবাৰ ভাৰতবৰ্ষলৈ যাবলৈ কলে। ইংলণ্ডৰ ৰজাই ক্লাইবক লৰ্ড উপাধি দিলে, আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তেওঁক বঙ্গদেশৰ গৱৰ্ণৰ আৰু [illegible]-ইন-চিফ অৰ্থাৎ শাসনকৰ্ত্তা আৰু প্ৰধান সেনাপতি পাতি, যি ইচ্ছা তাকে কৰিব পাৰিবলৈ সম্পূৰ্ণ ক্ষমতা দি পঠিয়াই দিলে। সেই কালত বিলাতৰপৰা আহি ভাৰত পাবলৈ এবছৰৰ ওচৰা-ওচৰি সময় লাগিছিল; সেহে নিমিত্তে ক্লাইব যেতিয়া ভাৰতবৰ্ষ পালেহি তেতিয়া যুদ্ধ-বিগ্ৰহৰ অন্ত পৰিছিল।

২। ক্লাইব আহিয়েই এলাহাবাদলৈ গল। [illegible] আলম আৰু ছুজা-উদ্দৌলা ইংৰাজৰ আশ্ৰয়ত ইংৰাজৰ [illegible] আছিল, আৰু ইংৰাজে যিহকে কয় তাকে কৰিবলৈ মান্তি আছিল। তাত এখন সন্ধিপত্ৰ চহী কৰা হৈছিল, যাক এলাহাবাদৰ সন্ধিপত্ৰ বোলে। সেই সন্ধিপত্ৰ মতে ক্লাইবে ছুজা-উদ্দৌলাক তেওঁৰ দেশ অযোধ্যা ওলোটাই দিলে, আৰু এই যোৱা যুদ্ধৰ সকলো খৰচ-পাতি ছুজা-উদ্দৌলাই ইংৰাজক দিবলৈ সমত হল। চা আলমক ক্লাইবে গঙ্গা আৰু যমুনাৰ মাজত থকা দোৱাব নামে মাকৰা প্ৰদেশখন দিলে। বঙ্গদেশ আৰু বেহাৰ মিৰকাচীমৰ আছিল, সেইদেখি ক্লাইবে সেই দুখন দেশ কোম্পানীৰ ভাগত ৰাখিলে; কিন্তু চা আলমক মোগল সম্ৰাট বুলি তাৰ বাবে বছৰি ২৬ লাখ টকা দিবলৈ তেওঁ মান্তি হল। চা আলমে কোম্পানীক বঙ্গ, বিহাৰ, আৰু উড়িষ্যাৰ দেৱানী অৰ্থাৎ ৰাজহ তুলি লবৰ ক্ষমতা দিলে। উড়িষ্যা তেতিয়াও মহাৰাষ্ট্ৰবিলাকৰ হাতত আছিল, আৰু অনেক কালৰ পিছতহে সি ইংৰাজৰ হাতলৈ আহে।

৩। লৰ্ড ক্লাইৱে নজম-উদ্দৌলা নামে মিৰ্জাফৰৰ পুতেক এজনক কোম্পানীৰ ফালৰপৰা বঙ্গলা আৰু বেহাৰৰ নবাব পাতিলে। ইয়াৰ



চা আলমে ক্লাইৱক দেৱানী দিছে।

আগতে মিৰ্জাফৰৰ মৃত্যু হৈছিল। নজম-উদ্দৌলাৰ হাতত বঙ্গ আৰু বেহাৰ শাসন কৰিবৰ ভাৰ, আৰু তাৰ এটাইবোৰ ৰাজহ তুলি ইংৰাজক দিবৰ ভাৰ দিয়া হল। তেওঁৰ তলত দেশী কাৰ্য্যকাৰক ৰাখি সেই কাৰ্য্যত সহায়তা কৰিবলৈ হুকুম কৰি দিয়া হল।

৪। ইয়াৰ পিছত লৰ্ড ক্লাইৱে, ৰাজ্যশাসন, বিচাৰ বিভাগ, আৰু সৈন্যিক বিভাগৰ সংশোধনত হাত দিলে কোম্পানীৰ কাৰ্য্যকাৰকবোৰে মুকীয়াকৈ বেহা-বেপাৰ কৰাটো বন্ধ কৰি দিলে, আৰু দেশী মানুহবপৰা তেওঁলোকে কোনো বটা নলবলৈ আদেশ প্ৰচাৰ কৰি দিলে; অথচ যাতে সেই কাৰ্য্যকাৰকবোৰে মুকীয়াকৈ বেপাৰ নকৰাকৈও সুখেৰে থাকিব পাৰে, তাৰ নিমিত্তে তেওঁ তেওঁলোকৰ

দৰমহা বঢ়াই দিলে। অনেক কাণবুধৰ সেনাবিলাকে "ডবল বাট্টা" মানে দুগুণ দৰমহা পাই আছিল, তেওঁ সেইটো তুলি দি সৈনিক বিভাগৰ খৰচ কমাই পেলালে।

৫। যি কেইটা কাম কৰিবলৈ লৰ্ড ক্লাইৱ ভাৰতবৰ্ষলৈ আহিছিল, সেই কেইটা কাম কৰি তেওঁ বিলাতলৈ উভতি গুচি গল। ১৭৪৪ খৃষ্টাব্দত ক্লাইৱ এটা দুখীয়া নগণ্য কেৰাণী হৈ ভাৰতলৈ আহিছিল, ফ্ৰেঞ্চবিলাকৰ ক্ষমতা খৰ্ব্ব কৰি কাপ্তান ক্লাইৱ হৈ বিলাতলৈ উভতি গল। দ্বিতীয়বাৰ তেওঁ কৰ্ণেল ক্লাইৱ হৈ ১৭৫৬ খৃষ্টাব্দত ভাৰতলৈ আহিল, পলাচীৰ যুদ্ধ জিকি, মাদ্ৰাজ আৰু বেঙ্গল প্ৰেচিডেন্সি স্থাপন কৰি বিলাতলৈ উভতি গল। ১৭৬০ চনত তৃতীয় বাৰ তেওঁ লৰ্ড ক্লাইৱ হৈ আকৌ ভাৰতলৈ আহিল, টান হাত আৰু অটল মনেৰে সৈনিক বিভাগ আৰু ৰাজ্যশাসনবিভাগৰ সংস্কাৰ কৰি বিলাতলৈ উভতি গুচি গল। ক্লাইৱৰ বাহিৰে আন কোনোৱে এই কাম কৰিব নোৱাৰিলেহেঁতেন; কাৰণ, কোম্পানীৰ চাকৰীয়াবিলাকে আন কাকো নেমানিলেহেঁতেন।

চুৰাজ-উদ্দৌলা।

৬। ক্লাইৱ যদিও এজন সাহিয়ালতকৈও সাহিয়াল মানুহ আছিল, তথাপি তেওঁৰ গাত বৰ শকতি নাছিল। তেওঁ নিশকতীয়া আৰু ৰুগীয়া আছিল, আৰু ভাৰতবৰ্ষৰ তপত জল-বায়ু আৰু সৰহ পৰিশ্ৰমে তেওঁৰ স্বাস্থ্যৰ বৰ হানি কৰিছিল। তেওঁ ৫০ বছৰ বয়স নৌ পাওঁতেই বিলাতত আত্মহত্যা কৰিলে।



ক্লাইৱ যোৱাৰ পিছত বৃটিচ ভাৰত।

আহমদ চা আবদালি।

১৭৬১।

১। নাদিৰ চা মৰাৰ পিছত আফগানবিলাকে পাৰস্যৰ অধীনতা টোকাৰি দলিয়াই পেলাই স্বাধীন হল; আৰু আহমদ চা আবদালি নামে এজন প্ৰধান আফগানক তেওঁলোকে আফগানিস্থানৰ ৰজা পাতিলে। আহমদ চাই মোগল সাম্ৰাজ্য দুৰ্ব্বল হৈ পৰা দেখি, হিন্দুস্থান অধিকাৰ কৰি, আগৰ দিনৰ পাঠান ৰজাবিলাকৰ দৰে দিল্লীৰ সিংহাসনত উঠি ৰাজত্ব কৰিবলৈ মনে মনে ভাবিছিল।

২। ১৭৫২ খৃষ্টাব্দত আহমদ চাই পঞ্জাব অধিকাৰ কৰিলে। সেই বছৰতে কাপ্তান ক্লাইবে আৰ্কট অধিকাৰ কৰি ৰক্ষা কৰিছিল। আগৰ কালৰ গজনিৰ মহমুদ আৰু মহম্মদ ঘোৰীৰ দৰে আহমদ চাই হিন্দুস্থানৰ প্ৰজালোকক মাৰি-ধৰি লুটি-পুটি অত্যাচাৰ কৰিবলৈ ধৰিলে। ছ বাৰ আহমদ চাই আফগান সৈন্যৰে সৈতে ঘোঁৰাত উঠি খাইবৰ গিৰিপথেদি হো-হো-কৰে আহি উত্তৰ-ভাৰতৰ মানুহ মাৰি-কাটি লুটি-পুটি সিহঁতৰ ঘৰ-বাৰী পুৰি ছাৰখাৰ কৰিছিল। তেওঁ মথুৰাকে আক্ৰমিছিল, তাতে হিন্দুৰ দেৱালয়বোৰ ধ্বংস কৰিছিল, সেইবোৰৰ ভিতৰত গৰু কাটি ঠাইবোৰ অশুচী কৰিছিল, আৰু মুনিহ তিৰোতা লৰা ছোৱালীবোৰ বন্দী কৰি ধৰি লৈ গুচি গৈছিল।

৩। মহাৰাষ্ট্ৰবিলাকৰ ৰজা বালাজী বাজীৰাও নামে তৃতীয় পেচোৱাই যেতিয়া দেখিলে যে তেওঁ আফগানবিলাকক বাদে উত্তৰ-ভাৰতখনপৰা খোজ তুলিব নোৱাৰা হল, আৰু আহমদ চাই প্ৰায় গোটেইখন উত্তৰ-ভাৰত বশ কৰিবলৈ ধৰিলে, তেওঁ সিহঁতক ভাৰতৰ পৰা খেদাই দিবলৈ দৃঢ়প্ৰতিজ্ঞ হল। ইয়াৰ ভিতৰতে আহমদ চা কিছু দিনৰ নিমিত্তে কাবুললৈ উভতি যোৱা দেখি, পেচোৱাই তেওঁৰ

তাৰেক ৰঘুনাথ ৰাও বা ৰাঘবক এটা ডাঙৰ মহাৰাষ্ট্ৰ ফৌজেৰে সৈতে দিল্লীলৈ পঠিয়াই দিলে। যাৰৰে পশ্চিম মুৰা হৈ গৈ পঞ্জাব পাই লাহোৰ অধিকাৰ কৰিলে।

৪। আহমদ চাহ সেই বাতৰি শুনি তেতিয়াই তেওঁৰ আফগান সেনা লৈ কাবুলৰপৰা আহি বাবৰক খেদা দি দিল্লী পালেগৈ। হুলকাৰ আৰু চিন্ধিয়াই তেওঁক আগচি ধৰিবলৈ আহি তেওঁৰ আগত টিকিব নোৱাৰি পলাই যমুনা পালেগৈ। পেচোৱাই তেতিয়া চাৰিওফালৰ পৰা তেওঁৰ অধীন ৰজাবিলাকক সৈন্যেৰে আহি একে ঠাইতে গোটখাবলৈ মাতি পঠিয়ালে। ৰাজপুত ৰজা সকলকো, তেওঁৰে সৈতে লগ লাগি আফগানবিলাকক ভাৰতবৰ্ষৰপৰা উলিয়াই দিবলৈ মাতিছিল, আৰু অনেক ৰাজপুত ৰজা আহিছিলও। এইদৰে হিন্দু, মহাৰাষ্ট্ৰ আৰু ৰাজপুত সৈন্য গোটখাই এটা প্ৰকাণ্ড ফৌজ হৈ, ভাৰতবৰ্ষ ৰক্ষা কৰিবৰ নিমিত্তে আফগানবিলাকৰ সৈতে যুদ্ধ কৰিবলৈ যাত্ৰা কৰিলে।

৫। ১৭৬১ খৃষ্টাব্দত বিখ্যাত পানীপত যুদ্ধক্ষেত্ৰত দুই পক্ষৰ সৈন্য যুদ্ধলৈ সন্মুখা-সন্মুখি হল। ১৫২৬ খৃষ্টাব্দত সেই পানীপত ক্ষেত্ৰতে, বাবৰে তুৰ্কী আৰু আফগান সৈন্য লৈ ইব্ৰাহিম লোদিৰ সৈন্যক পৰাস্ত কৰিছিল। মুকলি সমান ঠাইত মহাৰাষ্ট্ৰৰ লঘু অশ্বাৰোহী বৰুৱাবোৰ গধুৰ আফগান অশ্বাৰোহী বৰুৱাৰ সৈতে সমানে যুদ্ধত টিকাটো অসম্ভৱ। দক্ষিণৰ মানুহ-আকৌ আগৰ দৰে উত্তৰৰ মানুহৰ ভয়ংকৰ আক্ৰমণৰ প্ৰতাপত উৰণি গল। মহাৰাষ্ট্ৰবোৰ সেই ৰণত সম্পূৰ্ণ পৰাস্ত হল, আৰু তেওঁলোকৰ দুলাখ মান সেনা মৰিল।

৬। পেচোৱাই এই ভয়ানক বাতৰি শুনি শোকত প্ৰাণত্যাগ কৰিলে। আহমদ চাহ এতিয়া ইচ্ছা কৰিলেই দিল্লীৰ সিংহাসনত উঠিব পাৰিলেহেঁতেন; কিন্তু তেওঁ ভাবিলে, এখনে দিল্লী চোৱাৰ নিমিত্তে নিজৰ দেশলৈ এবাৰ তেওঁৰ যোৱাটো ভাল।

৭। ১৭৫৮ খৃষ্টাব্দৰ পৰা ১৭৬১ খৃষ্টাব্দলৈ ভাৰতৰ বুৰঞ্জীত বৰ মনত ৰাখিব লগীয়া বছৰ। সেই বছৰতে দক্ষিণ-ভাৰতত পণ্ডিচেৰিৰ পতনৰ লগতে ফ্ৰেন্সবিলাকৰ ক্ষমতাৰ ওৰ পৰে। দক্ষিণত নিজাম আলি নামে এজন নতুন নিজামে বলেৰে সিংহাসন অধিকাৰ কৰি ফ্ৰেন্স সেনাপতি বুচিয়ে ঠাই কৰি দিয়া চালাবৎজঙ্গ বিনাশ কৰে। আহমদ চা আবদালিৰ আফগানবিলাকে মহাৰাষ্ট্ৰীয়বোৰক পাণীপথত পিহি পেলায়। তাতৰ তৃতীয় পেচোৱা মৰে, আৰু তেওঁৰ পিছৰ পেচোৱাৰ ক্ষমতা অৱসান হয়। সেই বছৰতে হাইদৰ আলি মহীশূৰৰ চুলতান হয়; সেই বছৰতে উত্তৰ-ভাৰতত মিৰ্জাফৰক নবাবী আতি মিৰকাচীমক নবাব পতা হয়; আৰু মিৰকাচীমে ইংৰাজক, বৰ্দ্ধমান, চট্টগ্ৰাম, আৰু মেদিনীপুৰ বিভাগ, অৰ্থাৎ বঙ্গদেশৰ [illegible] দান কৰে।

মোগল সাম্ৰাজ্যৰ অন্ত।

১। ১৭৫৮ খৃষ্টাব্দত মহম্মদ চাৰ মৃত্যু হয়। তেওঁৱেই শেষ মোগল সম্ৰাট যেন হাতত [illegible] কৰিছিল আছিল; আৰু সেই [illegible] ১৭০৭ খৃষ্টাব্দত [illegible] কৰি ৫০ বছৰ [illegible] ৮ জনৰ পিছত দুজন [illegible] সিংহাসনত উঠিছিল; কিন্তু [illegible] আছিল। সেই দুজনৰ প্ৰথম জনৰ [illegible], আৰু দ্বিতীয়জনক হত্যা কৰা হৈছিল। আফগান আৰু মহাৰাষ্ট্ৰ-বিলাকে গোটেই উত্তৰ-ভাৰতৰ ওপৰত পাল পালকৈ ৰাজত্ব কৰিছিল। হত্যা কৰা জন সম্ৰাটৰ পুতেক চাজাদা পলাই গৈ অযোধ্যাৰ নবাব চুজা-উদ্দৌলাৰ লগত আছিল, আৰু চুজা-উদ্দৌলাৰে সৈতে তেওঁ

মেৰেথাই বঙ্গদেশ আক্ৰমণ কৰি, ক্লাইভৰ হাতত যেনেকৈ উভতি যাব লগীয়াত পৰিছিল।

২। পানীপতৰ সাংঘাতিক যুদ্ধৰ পিছত, চা জাদাই চা আলমৰ উপাধি লৈ মোগল সিংহাসনত উঠিল। চুজা-উদ্দৌলাৰে সৈতে লগ লাগি তেওঁ আকৌ বঙ্গদেশ আক্ৰমণ কৰি সেইবাৰ আকৌ মেজৰ কাৰ্ণেকৰ হাতত হাৰে। তেওঁ ভয়ত দিল্লীলৈ উভতি নগৈ অযোধ্যাতে বাস কৰিছিল।

৩। চা আলমে চুজাউদ্দৌলা আৰু মিৰকাচীমে সৈতে লগ লাগি তৃতীয়বাৰ বঙ্গদেশৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰি আহে। এইবাৰো তেওঁ-

চা আলমে কোম্পানীৰ সৈন্য পৰ্য্যবেক্ষণ কৰিছে।

লোক ১৭৬৪ খৃষ্টাব্দত] বক্সাৰৰ যুদ্ধত সমূলী হাৰিল, আৰু তাৰ পিছত চা আলমে লৰ্ড ক্লাইভৰ সৈতে "এলাহাবাদৰ সন্ধি" নামে সন্ধিপত্ৰ কৰিলে। সেই সন্ধিপত্ৰ মতে ইংৰাজে চা আলমক বছৰি ২৫ লাখ

কৈ ধণ দিবলৈ মান্তি হল, আক চা আলম ইংৰাজৰ আশ্ৰয়তে এলাহা-বাদত থাকিবলৈ সন্মত হল। তেওঁ বাজ্য নথকা বজা আছিল। দিল্লীব বিখ্যাত ডাঙৰ মোগল সম্ৰাটবিলাকব বাজ্যব সেই খিনিতে অন্ত পৰিছিল।

৪। পানীপতব যুদ্ধব দহ বছৰৰ পিছত মহাবাষ্ট্ৰাবিলাক আকৌ আগৰ দৰে পৰাক্ৰমী হৈ উঠিল। অৱশ্যে তেতিয়া পেচোৱা আক তেওঁলোকৰ থাই নায়ক নাছিল। মহাবাষ্ট্ৰাবিলাকব ভিতৰত মাধজী চিন্ধিয়া তেতিয়া সকলোতকৈ প্ৰবল হৈ উঠিছিল। তেওঁ মহাবাজা উপাধি লৈছিল, আক বাজপুতনাব এটাইবিলাক বাজপুত বজাকে তেওঁক চৌথ দিবলৈ বাধ্য কবিছিল। তাব পিছত তেওঁ দিল্লীব ফাললৈ গৈ চা আলমক আলাহাবাদ এবি আহিবলৈ কৈ নিজে দিল্লীব মোগল সিংহাসনত বহিল। ইংৰাজ গৱৰ্ণৰক নোসোধাকৈ আক গৱৰ্ণৰৰ ইচ্ছাৰ বিৰুদ্ধে চা আলমে তেনে কৰা বাবে এলাহাবাদৰ সন্ধিপত্ৰ অনুসাৰে তেওঁ পাই থকা ২৫ লাখ ধণ হেকবালে।

৫। কেইবাবছৰলৈকে চিন্ধিয়াই চা আলমক দিল্লীব কাৰেঙতে বন্দী কৰি ৰাখি, চা আলমৰ নামে দিল্লী আক আগ্ৰাব চাৰিউফালৰ ঠাই, অৰ্থাৎ পুৰণি দিল্লীৰাজ্যৰ ওপৰত বাজত্ব কৰিছিল। কিছুমান বছৰৰ পিছত চিন্ধিয়াই তেওঁৰ নিজৰ কোনো কাৰ্য্যৰ নিমিত্তে আপোন ৰাজধানী গোৱালিয়ৰলৈ যোৱাত, যোহিলা দেশৰ আফগান এজনে তেনু পাই দিল্লী আক্ৰমণ কৰি বজাৰ কাৰেং লুটি বুঢ়া চা আলমৰ চকু দুটা কাঢ়ি পেলালে। চিন্ধিয়াই সেই বাতৰি শুনি বেগাবেগিকৈ কোঁৱ লৈ উভতি আহি যোহিলা আফগানটোক বধ কৰিলে; কিন্তু বুঢ়া বজা চা আলমৰ চকু আক তেওঁ কৰপৰা দিব। ইয়াৰ ২০ বছৰৰ পিছত ১৮০৩ খৃষ্টাব্দত যেতিয়া ইংৰাজ সৈন্যই দিল্লী অধিকাৰ কৰে, তেতিয়া বুঢ়া অন্ধ চা আলমক তেওঁলোকে মহাৰাষ্ট্ৰাবিলাকৰ হাতত

পাইছিল। তেওঁক ইংৰাজে যোকোনাই তাওৰ বৃত্তি এটা দি শেষকাল তোখৰ শান্তিৰে কটাবলৈ দিছিল।

হাইদৰ আলি।

মহীশুৰৰ সৈতে প্ৰথম যুদ্ধ।

১৭৬৭—১৭৬৯।

১। যি সময়ত মহম্মদ আলি কৰ্ণাটৰ নবাব হৈছিল, প্ৰায় সেই সময়তে হাইদৰ আলি নামে মছলমান সেনা এজন লাহে লাহে নাম-জলা হৈ উঠিল। ১৭০২ খৃষ্টাব্দত হাইদৰ আলিৰ জন্ম হয়। তেওঁ লেখা-পঢ়া একো নেজানিছিল; কিন্তু বৰ সাহিয়াল আৰু চতুৰ আছিল; আৰু প্ৰথমতে ডকাইত হৈ জীৱন আৰম্ভ কৰিছিল।

২। অলপ কালৰ ভিতৰতে ল্যুটিদুৰ কিছুমান মানুহৰ চৰ্দাৰ হৈ উঠিল। সেই মানুহবোৰক হাইদৰে বেতন স্বৰূপে কোনো-ধন-বিত্ত নিদি, লুটি-পুটি পোৱা ধন-বস্তুৰ ভাগ দিছিল মাথোন। সিহঁতে পাৰ্শ্বলীয়া মানুহৰ মেৰ-ছাগ, গৰু, ধান-চাউল আৰু বই-বস্তু লুটি-পুটি নিছিল; সেই লুটৰ আধা ভাগ সিহঁতে পাইছিল, আৰু বাকী আধা ভাগ সিহঁতৰ চৰ্দাৰ হাইদৰে লৈছিল।

৩। কিছুকালৰ পিছত হাইদৰ ইমান পৰাক্ৰমী হৈ উঠিল, আৰু তেওঁৰ তলত ইমান মানুহ গোটখাইছিল, যে মহীশুৰৰ হিন্দু ৰজাই তেওঁক বণুৱা বিভাগত সুমাই লৈ তেওঁৰ তলতীয়া বণুৱাবিলাকৰ খাবে ধন দি ৰাখিছিল। হাইদৰ দিনে দিনে ধনী আৰু ক্ষমতাশালী হৈ উঠি শেষত মহীশুৰৰ ৰজাৰ খাই সেনাপতিৰ পদ পালেগৈ। ঠিক সেই সময়তে চেঙেলীয়া ৰজাই তেওঁৰ খুৰাক ৰাজপ্ৰতিনিধিৰে সৈতে দৰ্শন কৰিছিল। হাইদৰে ৰজাৰ কলীয়া হোপাটো যেন দেখুৱাই, ৰাজ-

প্ৰতিনিধিক পৰাস্ত কৰি যেতি সি নিজৰ হাতলৈ সকলোবোৰ ক্ষমতা আনি, ৰজাক বন্দী কৰি থৈ আপুনি ৰাজপাটত উঠি বহা হল।

৪। সেই কালৰ দক্ষিণ-ভাৰতৰ আন কেইটা খাই ৰাজ-শক্তিয়ে, অৰ্থাৎ নিজাম, মহাৰাষ্ট্ৰা আৰু ইংৰাজে যেতিয়া দেখিলে যে হাইদৰে উন্নতি কৰি সকত হৈ অহংকাৰী হৈ উঠিছে, তেওঁলোকে ভাবিলে, যে হাইদৰক আৰু বাঢ়িব নিদিয়াকৈ ইমানতে দমাই ৰাখিবৰ সময় আহিল। তেতিয়ালৈকে হাইদৰে যদিও ইংৰাজক কোনো কোৱা নাছিল, তথাপি ইংৰাজৰ আশ্ৰিত ৰজা কৰ্ণাটৰ নবাবৰ কেইখনমান নগৰ আৰু কেইবাটাও দুৰ্গ কাঢ়ি লৈছিল। হাইদৰে নিজামক আক্ৰমণ কৰিলত, মাদ্ৰাজৰ গৱৰ্ণৰে, হাইদৰৰ বিৰুদ্ধে যুদ্ধত নিজাম আৰু মহাৰাষ্ট্ৰা-বিলাকৰ সৈন্যে লগ লাগিবলৈ মান্তি হৈ নিজামৰ সাহায্যৰ নিমিত্তে ইংৰাজ সৈন্য পঠিয়াই দিলে। ইংৰাজ সৈন্যই নিজামৰ সৈন্যৰ সৈতে লগ লাগি মহীশূৰৰ ফালে যাত্ৰা কৰি বাঙ্গালোৰ অধিকাৰ কৰিলে।

৫। চতুৰ হাইদৰে বাৰিয়াকৈ বুজিছিল যে তেওঁ তিনটা শত্ৰুক একেবেলিয়েই যুঁজি বলে নোৱাৰে। সেইদেখি তেওঁ মহাৰাষ্ট্ৰাবিলাকক সৰহকৈ ভেটী খুৱাই, উভতি যাবলৈ মান্তিলে; আৰু মহাৰাষ্ট্ৰাবিলাকে ভেটী খাবলৈ পাই তাকে কৰিলেও।

৬। তাৰ পিছত হাইদৰে নিজামলৈ চিঠি লেখিলে, যে যদি নিজামে ইংৰাজৰ লগ এৰি তেওঁৰ কলীয়া হয়, তেন্তে নিজামে যাতে গোটেইখন কৰ্ণাট লব পাৰে, তাৰ নিমিত্তে হাইদৰে তেওঁক সাহায্য কৰিব। নিজাম নীচ ভাবে হাইদৰৰ এই প্ৰস্তাৱত সন্মত হল; আৰু পিছ দিনা বাপুৰা ইংৰাজ সেনাপতি কৰ্ণেল স্মীথে নিজামক, যাৰ সাহায্যৰ নিমিত্তে তেওঁ মাদ্ৰাজৰপৰা ইমানখিনি-বাট আহিছিল, শত্ৰুৰ কলীয়া হৈ তেওঁক আক্ৰমণ কৰিবলৈ সাজু হোৱা দেখি অবাক হল।

৭। ইয়াৰ পিছত কৰ্ণেল স্মীথে বাঙ্গালোৰ এৰি উজতি মান্দ্ৰাজলৈ যাত্ৰা কৰিলে। হাইদৰে ৭০,০০০ সৈন্যৰ ফৌজ এটা লৈ স্মীথৰ পিছে পিছে আহিল। ইংৰাজ সৈন্য আহি মহীশূৰ আৰু কৰ্ণাটৰ মাজত থকা চাঙ্গামাৰ ঠেক বাট টোৰ পাওঁত, হাইদৰে সেই ৭০,০০০ সৈন্যৰে সৈতে, তেওঁলোকক আক্ৰমণ কৰিলে। কিন্তু সেই যুদ্ধত হাইদৰ পৰাস্ত হল, আৰু তেওঁৰ অনেক সৈন্য মৰিল। তথাপি হাইদৰে কৰ্ণেল স্মীথৰ পিছ নেৰি আহি আছিল। ত্ৰিণমালিত কৰ্ণেল স্মীথে হাইদৰৰ আকৌ এখন ডাঙৰ ৰণ দিলে। সেই ৰণত হাইদৰ সমূলী ঘাটি পলাই গল।

হাইদৰ আলি।

৮। নিজামে তাৰ পিছত হাইদৰক এৰি নবাবৰিকৈ পলাই আহি হাইদৰাবাদ পাই ইংৰাজৰ সৈতে সন্ধি কৰিবৰ প্ৰস্তাব কৰাত ইংৰাজ মান্তি হল, আৰু তেওঁলোকৰ মাজত শান্তি স্থাপিত হল।

৯। হাইদৰে সৈতে ইংৰাজৰ ৰণ আৰু এবছৰলৈকে চলি আছিল। কিন্তু যদিও দুই পক্ষৰ ভিতৰত যুদ্ধৰ নিমিত্তে মৰা-ধৰণা চাৰিওকালে খুব চলি আছিল, তথাপি হাইদৰে ইংৰাজৰ সন্মুখ হৈ এখনো ৰণ দিয়া নাছিল। শেহত হাইদৰে এটা ডাঙৰ ফৌজ লগত লৈ মান্দ্ৰাজলৈ গৈ ইংৰাজৰ সৈতে সন্ধি কৰিবৰ প্ৰস্তাব কৰি তাৰ গৱৰ্ণৰলৈ কৈ পঠিয়ালে।

১০। দীঘলীয়াকৈ যুদ্ধ কৰি থাকিবৰ নিমিত্তে মান্দ্ৰাজৰ গৱৰ্ণৰৰ হাতত ধন নাছিল। তেওঁ ভালকৈ জানিছিল যে কোম্পানীৰ বেহা-বেপাৰৰ লাভৰ গোটেইবোৰ টকা যুদ্ধত খৰচ কৰি থাকিলে কোম্পানী

অসন্তুষ্ট হব।" বোম্বাইৰ আৰু বঙ্গদেশৰ গৱৰ্ণৰলৈ, কি কৰা উচিত এই বুলি সুধি পঠিয়াবলৈকো তেওঁৰ সময় নাছিল; কাৰণ, হাইদৰে সেই

কৰ্ণাট প্ৰদেশ।

প্ৰস্তাবৰ উত্তৰ তৎক্ষণাত খুজি পঠিয়াইছিল। সেইদেখি গৱৰ্ণৰে একো উপায় নেপাই হাইদৰে সৈতে সন্ধি কৰিবলৈ মান্তি হল। সন্ধিৰ নিয়ম মতে দুই পক্ষই জয় কৰা ঠাইবিলাক ওভোতাই দিবলৈ স্বীকাৰ কৰিলে, আৰু আন শত্ৰুৰ আক্ৰমণৰপৰা ইপক্ষই সিপক্ষক সহায় কৰিবলৈ গাত-লগে।

ক্লাইভৰ পিছত বঙ্গদেশৰ গৱৰ্ণৰ ৱাৰেণ হেষ্টিংচ্।

১৭৭২—১৭৭৪।

১। আমি আগেয়ে কৈ আহিছোঁ যে মুজম-উদ্দৌলাই বঙ্গদেশৰ শাসন কাৰ্য্য ভালকৈ কৰিব নোৱাৰিলে দেখি লৰ্ড ক্লাইবে মির্জাফৰৰ পুতেক এজনক বঙ্গদেশৰ শাসনকৰ্ত্তা পাতিলে। তেওঁৰ তলত দুজন নায়েব দিলে, এজন বঙ্গদেশৰ নিমিত্তে আন জন বেহাৰৰ নিমিত্তে। তেওঁলোকে ৰাজহ তুলি বঙ্গদেশৰ গৱৰ্ণৰৰ হাতত দিছিল, আৰু গৱৰ্ণৰে তেওঁলোকক আৰু তেওঁলোকৰ তলতীয়া কাৰ্য্যকাৰকবোৰক নিৰ্দ্দিষ্ট দৰমহা দিছিল। বঙ্গদেশ আফগান আৰু মহাৰাষ্ট্ৰাবোৰৰ আক্ৰমণৰপৰা ৰাখি থাকিবৰ নিমিত্তে তাত এটা ইংৰাজ ফৌজ ৰাখি থোৱা হৈছিল।

২। ১৭৬৫ খৃষ্টাব্দৰপৰা ১৭৭২ খৃষ্টাব্দলৈকে সাত বছৰ এনেকুৱা দুতৰপীয়া শাসন, অৰ্থাৎ আধা ইংৰাজী আধা দেশী, বঙ্গদেশত চলিছিল; কিন্তু সি সমূলি বিফল হোৱা দেখা গল। দেশী কাৰ্য্যকাৰকবিলাকে তেওঁলোকৰ কাম বৰ বেয়াকৈ কৰিছিল। ইজনে সিজনক ফাকি দি ঠগাই নিজে ধনী হবৰ চেষ্টা কৰিছিল; কাৰণ, নবাবৰ কাৰ্য্যকাৰকবিলাকে বঢ়িয়াকৈ বুজিছিল যে তেওঁলোকৰ চাকৰিৰ কোনো স্থিৰতা নাই, সি যেতিয়াই তেতিয়াই যাব পাৰে। বিচাৰকসকলে সুবিধা পালেই ভেঁটা খাইছিল। গৱৰ্ণমেণ্টৰ কোনো চাকৰিয়াই নিজৰ দৰমহাত সন্তুষ্ট নাথকি প্ৰজাৰপৰা যিমান পাৰে সিমান ধন ডাঁকি-চুঁহি উলিয়াই খাবলৈ চেষ্টা কৰিছিল। নবাবে নিযুক্ত কৰা কাৰ্য্যকাৰক প্ৰায় এটাইবোৰ মছলমান আছিল।

৩। এনেবিলাক খেলিমেলি আৰু উপদ্ৰৱৰ ওপৰতে ১৭৬৯—১৭৭০ খৃষ্টাব্দত বঙ্গদেশত আকাল হৈছিল। বঙ্গদেশৰ তিনি ভাগৰ এভাগ

মানুহ এই আকালত মৰে। মানুহে খেতি-বাতি কৰিব নোৱাৰা বাবে ৰজা ঘৰৰ খাজনা দিব নোৱাৰা হৈছিল।

৪। বঙ্গদেশত সুবন্দবস্ত কৰিবৰ নিমিত্তে এজন চতুৰ লোকৰ আৱশ্যক হৈছিল; আৰু তেনে লোক এজন ইষ্ট ইণ্ডিয়া কোম্পানীৰ কামত আছিল। তেওঁৰ নাম মিষ্টৰ ৱাৰেণ হেষ্টিংচ। ১৭৫০ খৃষ্টাব্দত তেওঁ কোম্পানীৰ কাম লৈ কলিকতালৈ আহে; আৰু লাহে লাহে এখোপ এখোপকৈ ওপৰলৈ উঠি শেহত, কোম্পানীৰ কামত থকা চাকৰিয়াবিলাকৰ ভিতৰত এজন খাই হৈ উঠে। তেওঁ ক্লাইবৰ এজন বিশ্বাসী বিষয়া আছিল, আৰু ভাৰতবৰ্ষ আৰু ভাৰতবাসী মানুহৰ বিষয়ে আন সকলোবোৰ ইংৰাজ বিষয়াতকৈ বেছি জানিছিল।

৫। তেওঁ প্ৰথমতে, লৰ্ড ক্লাইবে কৰি যোৱা দ্বৈতৰূপীয়া শাসন-কাৰ্য্যৰ নিয়ম তুলি দি দেশী নবাব আৰু নায়েব-সুচাই তেওঁলোকৰ ঠাইত বঙ্গ আৰু বেহাৰৰ প্ৰতি বিভাগতে ইংৰাজ জজ আৰু কলেক্টৰ নিযুক্ত কৰিলে। হিন্দু আৰু মহম্মদীয় আইন বুজাই দি বিচাৰ কাৰ্য্যৰ সহায়তা কৰিবৰ নিমিত্তে, সেই ইংৰাজ বিচাৰকসকলক একো একোজন হিন্দু পণ্ডিত আৰু মুছলমান কাজি দিয়া হল। মানুহে আইন বুজি আৰু মানি চলিবৰ নিমিত্তে, সকলোৱে বুজিব পৰাকৈ কিছুমান বিধি-ব্যৱস্থা কৰি প্ৰচাৰ কৰি দিয়া হল। অনেক কৰ-তুলি দিয়া হল; আৰু তাকৰীয়াকৈ যি কেইটা কৰ ৰখা হৈছিল, সেই কেইটা প্ৰজাই নিয়ম মতে দিবলৈ ধৰিলে। আগৰদৰে ৰাজ কৰ তোলোঁতা দেশী কাৰ্য্যকাৰকবোৰে সেই কৰৰ অনেক ধন গৱৰ্ণমেণ্টৰ ঘৰত নোসো-ধোৱাকৈ খাই থব নোৱাৰা হোৱা গতিকে ৰাজভঁৰালত খাজনাৰ ধন আগতকৈ ভালেমান বাঢ়িল।

৬। ঠিক এই সময়তে চা আলমে মহাৰাট্টা ৰজা চিন্ধিয়াৰ কথা শুনি ইংৰাজৰ আশ্রয় এৰি আলাহাবাদৰপৰা দিল্লীলৈ গল। গৱৰ্ণৰ

হেষ্টিংচে সেইদেখি চা আলমৰ ২৫ লাখ টকা বৃত্তি বন্ধ কৰি দিলে ; কাৰণ, তেওঁ ইংৰাজৰ আশ্ৰয় এৰি যোৱাত সেই টকা ওপৰত তেওঁৰ দাবী গল ; আৰু মহাৰাট্টা চিন্ধিয়াৰো তাৰ ওপৰত কোনো স্বত্ব নাছিল। এই দৰে ২৫ লাখ টকা কোম্পানীৰ ভঁৰালতে ৰাহি কৰা হল।

৭। সেই সময়তে দোৱাব অৰ্থাৎ গঙ্গা আৰু যমুনাৰ মাজৰ এলাহাবাদ বিভাগ ৫০ লাখ টকাত অযোধ্যাৰ নবাব চুজাদৌলাক দিয়া হল ; কাৰণ, চা আলমে ইংৰাজৰ আশ্ৰয় এৰি দিল্লীলৈ গৈ মহাৰাট্টাবিলাকৰ লগলগা বাবে সেই ঠাই ডোখৰৰ ওপৰতো স্বত্ব হেৰুৱাইছিল।

৮। ইয়াৰ অলপ পিছতে চুজাদৌলাই ৰোহিলাবোৰৰ বিপক্ষে যুদ্ধ ঘোষণা কৰি, সেই যুদ্ধত তেওঁক সহায় কৰিবলৈ গৱৰ্ণৰ হেষ্টিংচলৈ কিছুমান ইংৰাজ সৈন্য খুজি পঠিয়াইছিল। হেষ্টিংচে চুজাদৌলাৰপৰা ৪০ লাখ টকা লৈ তেওঁক ইংৰাজ সৈন্য দি সহায় কৰাত, তেওঁ ৰোহিলাবোৰক যুদ্ধত হৰুৱাই খেদি দি সিহঁতৰ গোটেইখন প্ৰদেশৰ ভাল বন্দবস্ত কৰিলে। ৰোহিলাবোৰৰ পূৰণি ৰজাৰ নবা একজনক তেওঁ তাৰ নবাব পাতিলে, আৰু সেই নবাবৰ বংশৰ সন্তানবোৰ আজিলৈকে ৰামপুৰৰ নবাব নামে জনাজাত হৈ আহিছে। ৰোহিলাবোৰ আফগান জাতিৰ এটা ফৈদ। সিহঁতে কিছুকালৰ আগেয়ে অযোধ্যাৰ উত্তৰ-পশ্চিম কাষে ৰোহিলখণ্ড নামে এখন সৰু দেশত বসতি কৰিছিল। সিহঁত বৰ নিষ্ঠুৰ অসভ্য আৰু দুৰ্দান্ত মানুহ আছিল ; আৰু হিন্দুবিলাকৰ ওপৰত সিহঁতে বৰ অত্যাচাৰ কৰিছিল। অযোধ্যাৰ নবাবে সিহঁতৰ দৌৰাত্ম্যত বৰ আমনি পাই আছিল। কিন্তু এই যুদ্ধৰ পিছৰপৰা সিহঁত শান্ত হৈ খেতিবাতি কৰি খাই থাকিবলৈ ধৰিলে।

ৱাৰেণ হেষ্টিংচ, প্ৰথম গবৰ্ণৰ জেনেৰেল।

১৭৭৪—১৭৮৫।

১। হেষ্টিংচ বঙ্গদেশৰ গবৰ্ণৰ হোৱাৰ দুবছৰৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কাৰ্য্যত অনেক পৰিবৰ্ত্তন ঘটিল। ইংলণ্ডৰ গবৰ্ণমেণ্টে "ৰেগুলেটিং এক্ট" নামে এটা আইন জাৰি কৰিলে। সেই আইন মতে বঙ্গদেশৰ গবৰ্ণৰক গোটেই বৃটিচ ভাৰতৰ গবৰ্ণৰ জেনেৰেল পতা হল; আৰু সেই গবৰ্ণৰ জেনেৰেলক নিযুক্ত কৰিবৰ ক্ষমতা কোম্পানীৰ হাতৰ-পৰা ইংলণ্ডৰ প্ৰধান মন্ত্ৰীৰ হাতলৈ নিয়া হল। কলিকতাত "চুপ্ৰিম কোৰ্ট" নামে যাই আদালত এখন স্থাপিত হল; আৰু সেই আদালতৰ জজ বা বিচাৰকসকলক বিলাতৰপৰা বৃটিচ গবৰ্ণমেণ্টে নিযুক্ত কৰি পঠিয়াবৰ নিয়ম হল।

২। গবৰ্ণৰ জেনেৰেলক ৰাজ্য শাসন কাৰ্য্যত সহায় কৰিবলৈ বৃটিচ গবৰ্ণমেণ্টে বিলাতৰপৰা চাৰিজন সভ্য নিযুক্ত কৰি এখন মন্ত্ৰী-সভা কৰি দিলে।

ৱাৰেণ হেষ্টিংচ

৩। এই কাললৈকে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সদাগৰ বিলাকে ভাৰতবৰ্ষত যিহকে মন যায় তাকে কৰিছিল; বৃটিচ গবৰ্ণমেণ্টে তেওঁলোকৰ কামত কোনো হস্তক্ষেপ কৰা নাছিল; কাৰণ, তেওঁলোক মাথোন বেহেৰুৱা বুলিহে লেখত আছিল। কিন্তু এতিয়া বেতিয়া তেওঁলোকে ভাৰতত

ৰাজ্যশাসন কাৰ্য্যত হাত দিলে, অনেক ডাঙৰ ডাঙৰ প্ৰদেশৰ গবাকী হল, আৰু দেশী ৰজাবোৰৰ সৈতে যুদ্ধ সন্ধি আদি কৰিবলৈ ধৰিলে, তেওঁলোকৰ কাৰ্য্যৰ ওপৰত ইংলণ্ডৰ গবৰ্ণমেণ্টৰ অন্ততঃ কিছু হাত থকাটো উচিত হৈ পৰিল।

৪। মাদ্ৰাজ আৰু বোম্বাইৰ গবৰ্ণৰ দুজনক গবৰ্ণৰ জেনেৰেল আৰু তেওঁৰ মন্ত্ৰী-সভাৰ তলতীয়া কৰি দিয়া হল, যাতে তেওঁলোকে এওঁবিলাকৰ অনুমতি নোলোৱাকৈ আপোন ইচ্ছামতে যুদ্ধ আৰু সন্ধি কৰিব নোৱাৰে। ইয়াৰ আগেয়ে সেই গবৰ্ণৰ দুজনে মাথোন নিজৰ দেশৰ সুবিধা অসুবিধালৈ চাই নিজ ইচ্ছামতে চলিছিল। কিন্তু এতিয়া, ভাৰতত বাস কৰোঁতা সকলোবিলাক ইংৰাজে তেওঁলোকৰ একেটা শত্ৰু আৰু একেটা মিত্ৰ কৰি চলাটো যুগুত হৈ পৰিল।

৫। ৱাৰেণ হেষ্টিংচে যিমান দিন অকলসৰীয়াকৈ কাম কৰিছিল, সিমান দিন সকলো কাম সুকলমে চলিছিল। কিন্তু নতুন আইন মতে বিলাতৰপৰা নিযুক্ত কৰি পঠোৱা, তেওঁৰ চাৰিজন মন্ত্ৰী-সভ্যৰ ভিতৰত তিনিজনে তেওঁ যি কৰে সেই কামতে বিধি-পথালি কৰিবলৈ ধৰিলে। এই সভ্য কেইজন বিলাতৰপৰা অহা ন মানুহ; তেওঁলোকে ভাৰতৰ বিষয়ে একো নেজানিছিল; কিন্তু হেষ্টিংচে ভাৰতবৰ্ষৰ অৱস্থা ভালকৈ জানিছিল। তেওঁলোকৰ ভিতৰত ফ্ৰান্সিচ নামে এজন আছিল, যি বাকী কেইজনক চলাই লৈ ফুৰিছিল। ফ্ৰান্সিচ হেষ্টিংচৰ বৰ খিয়লীয়া আছিল, আৰু তেওঁ হেষ্টিংচক ধ্বংশ কৰি নিজে গবৰ্ণৰ জেনেৰেল হবলৈ চেষ্টা কৰিছিল।

৬। ফ্ৰান্সিচ ভাৰতলৈ অহাৰ অলপ পিছতে, নন্দকুমাৰ নামে এজন বঙালী বামুণক তেওঁ কে'টাই যি গবৰ্ণৰ জেনেৰেলৰ বিৰুদ্ধে কেইবাটাও মিছা অভিযোগ আনাইছিল। নন্দকুমাৰে হেষ্টিংচক দেখিব নোৱাৰিছিল; কাৰণ, যেতিয়া বঙ্গদেশত দেশী মানুহৰ হাতাই

শাসনকাৰ্য্য চলোৱা হৈছিল, নন্দকুমাৰ সেই সময়ত তাৰ এজন কাৰ্য্যকাৰক আছিল; আৰু হেষ্টিংচে নন্দকুমাৰৰ গাত কোনো এটা বেয়া কাৰ্য্যৰ বাবে দায় দিছিল। নন্দকুমাৰ জাল কৰা জগৰত পৰি ফাঁচী গল। হেষ্টিংচে সৈতে ছ বছৰ কি সাত বছৰ যুজি শেহত ফ্রান্সিচ্ বিলাতলৈ উভতি গল; আৰু তাৰ পিছৰপৰা হেষ্টিংচে তেওঁৰ মন্ত্রীসভাৰপৰা কোনো বাধা নোপোৱাকৈ কাম কৰিবলৈ ধৰিলে।

৭। হেষ্টিংচ গৱৰ্ণৰ জেনেৰেল হৈ থকা কালত দুখন যুদ্ধ লাগিছিল; এখন মহাৰাষ্ট্ৰাবিলাকৰ সৈতে, আনখন হাইদৰ আলিৰে সৈতে।

মহাৰাষ্ট্ৰাবিলাকৰ সৈতে প্ৰথম যুদ্ধ।

১৭৭৮—১৭৮২।

১। ১৭৭২ খৃষ্টাব্দত চতুৰ্থ পেচোৱা মধুৰাওৰ মৃত্যু হল, আৰু সেই বছৰতে হেষ্টিংচে বঙ্গদেশৰ গৱৰ্ণৰৰ পদ পালে। মধুৰাওৰ কোনো লৰা নথকা বাবে তেওঁৰ কোন উত্তৰাধিকাৰী হব, সেই কথা লৈ অনেক বিবাদ হৈছিল। প্ৰথমতে মধুৰাওৰ সৰু ভায়েকক পেচোৱা পতা হল; কিন্তু তেওঁক সোনকালে হত্যা কৰি তেওঁৰ দদায়েক ৰাঘৱ বা ৰঘুনাথ ৰাও পেচোৱা হল। আনবিলাক মহাৰাষ্ট্ৰা বজাই তেওঁ পেচোৱা হোৱাত আপত্তি কৰাত, তেওঁ বোম্বাই গৱৰ্ণমেণ্টক সহায় খুজিলে।

বাঘৰ।

১৭৭৫ খৃষ্টাব্দত বোম্বাইৰ গবৰ্ণমেণ্টে চুৰাটত এখন সন্ধিপত্ৰ কৰি ৰাঘবক ইংৰাজ সৈন্য দি সাহায্য কৰিবলৈ মান্তি হল; আৰু সেই সন্ধিপত্ৰমতে ৰাঘবে ইংৰাজ সৈন্যৰ খৰচ, আৰু ...াম্বাইৰ ওচৰত থকা চালচেত্তি আৰু বেচেইন নামে দুটা মাজুলী ইংৰাজক দিবলৈ স্বীকাৰ কৰিলে। ইংৰাজে আগেয়ে অনেকবাৰ আগৰ পেচোৱাসকলৰপৰা সেই মাজুলী দুটা কিনি লব খুজি নেপাইছিল।

৩। নতুন আইন মতে বোম্বাই গবৰ্ণমেণ্টে ইণ্ডিয়া গবৰ্ণমেণ্টৰ সম্মতি লৈ এই সান্ধিপত্ৰ কৰা উচিত আছিল; কিন্তু বোম্বাই গবৰ্ণমেণ্টে তেনে নকৰিলে। বোম্বাই গবৰ্ণমেণ্টে এই সন্ধিপত্ৰৰ কথা বিলাতৰ কোম্পানীলৈ লেখি ...ঠিয়াইছিল। কিন্তু ইণ্ডিয়া গবৰ্ণমেণ্টে সেই কথা শুনি সন্ধিপত্ৰখন নামঞ্জুৰ কৰি, ১৭৭৬ খৃষ্টাব্দত নানাফৰ্ণেভিচ্ নামে ৰাঘবৰ বিৰুদ্ধ পক্ষৰ বামুণ নায়ক এজনৰ সৈতে পুৰন্ধৰত নতুনকৈ এখন সন্ধিপত্ৰ কৰে। নানাফাৰ্ণেভিচ্‌ও ইংৰাজক চালচেত্তি দিবলৈ গাত লৈছিল। কিন্তু ইয়াৰ ভিতৰতে, বিলাতৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ গৰাকীসকলৰ কাগলৈ চুৰাটৰ সন্ধিপত্ৰৰ কথা গলত তেওঁলোকে চালচেত্তি আৰু বেচেইন হাতলৈ অহাত বং পাই সেই সন্ধিপত্ৰ মঞ্জুৰ কৰি পঠিয়ালে।

নানাফাৰ্ণেভিচ্।

৪। সেই বাবে বোম্বাই গবৰ্ণমেণ্ট আৰু ইণ্ডিয়া গবৰ্ণমেণ্ট দুয়ো, ৰাঘৱে সৈতে কৰা আগৰ সন্ধিপত্ৰ বাহাল ৰাখি সেই মতে চলিব লগীয়াত পৰিল। বোম্বাইৰ ইংৰাজৰ সেনাই ৰাঘবক পুনালৈ লৈ যাবলৈ

বাওঁতেই, চিন্ধিয়াৰ তলত অসংখ্য মহাৰাষ্ট্ৰ অশ্বাৰোহী সেনাই ইংৰাজক কৌজক পৰাস্ত কৰি হোঁহোকাই পঠিয়ালে। পিছালে হেষ্টিংচে কলিকতাৰপৰা কাপ্তান পপ্‌হাম নামে এজন সাহিয়াল ইংৰাজ বনুৱাক এটা কৌজেৰে সৈতে, চিন্ধিয়াৰ প্ৰধান নগৰ গোৱালিয়ৰৰ দুৰ্গ আক্ৰমণ কৰিবলৈ পঠিয়াই দিলে। কাপ্তান পপ্‌হামে সেই ডাঙৰ দুৰ্গটো দখল কৰি পেলালেহি। ইয়াৰ ভিতৰতে মহাৰাষ্ট্ৰবিলাক হাইদৰ আলিৰ সৈতে লগ লাগিল; আৰু হাইদৰে কৰ্ণাট প্ৰবেশ আক্ৰমণ কৰিলে। কিন্তু ১৭৮২ খৃষ্টাব্দত হাইদৰ মৰাৰ বাতৰি নানাফৰ্ণেভিচ আৰু তেওঁৰ তলতীয়া লগৰীয়া মহাৰাষ্ট্ৰ বজাবিলাকে শুনি লৰালৰিকৈ তেওঁলোকে ইংৰাজৰ সৈতে সন্ধি কৰিলে। ১৭৮২ খৃষ্টাব্দত চেলবাইত ইংৰাজ আৰু মহাৰাষ্ট্ৰবিলাকৰ মাজত সন্ধি হল। সেই সন্ধিমতে দুপক্ষই সিপক্ষৰ শক্ৰৰ সহায়তা নকৰিবলৈ প্ৰতিজ্ঞা কৰিলে। ইংৰাজে চাল্‌চেতি আৰু বোম্বাইন নিজ হাতত ৰাখি ৰাঘৱক বৃত্তি এটা দি থৈ দিলে।

মহীশুৰে সৈতে দ্বিতীয় বাৰৰ ৰণ।

১৭৮০—১৭৮৪।

১। দহ বছৰলৈকে হাইদৰ আলি আৰু ইংৰাজৰ ভিতৰত শান্তি স্থাপিত হৈ আছিল। ইয়াৰ ভিতৰতে হাইদৰ লাহে লাহে আগতকৈ আৰু প্ৰবল হৈ উঠিল, আৰু মহীশুৰ, মালাবাৰ আৰু কানাড়াৰ এটাই-বোৰ পলিগৰ আৰু ৰজাক তেওঁ পৰাস্ত কৰি তলতীয়া কৰি পেলালে। তেওঁৰ কৌজ বৰ ডাঙৰ আছিল, আৰু য়ুৰোপীয় বগা মানুহৰ দ্বাৰা শিক্ষিত হৈছিল। এশটা বৰ-হিলৈ আৰু চাৰিশ ফ্ৰেঞ্চ সেনা তেওঁৰ কৌজত আছিল।

২। হাইদৰে জানিছিল যে ইংৰাজ মহাৰাষ্ট্ৰবিলাকৰ সৈতে যুদ্ধ

লাগি আছে; সেইদেখি এই সময়তে তেওঁ অনায়াসে মাদ্ৰাজ জয় কৰিব পাৰিব। ইংৰাজক দক্ষিণ-ভাৰতৰপৰা খেদাই দিয়া কাৰ্য্যত তেওঁক সহায় কৰিবলৈ তেওঁ তলে তলে নিজাম আৰু মহাৰাট্টাবিলাকলৈ চিঠি লেখি পঠিয়াই ১৭৮০ খৃষ্টাব্দত ১০০,০০০ বগুৰা লগত লৈ ধুমুহা-ৰতাহ অহাদি আহি কৰ্ণাটৰ ওপৰত পৰিল। কৃষ্ণা আৰু কাবেৰী নৈৰ মাজৰ গোটেইখন দেশ তেওঁ উৎখাত কৰি পেলালে। গাওঁবিলাক হাইদৰে জুই লগাই দি পুৰিছিল, ধান, চাউল, শস্য, গৰু-গাই ধ্বংস কৰি মানুহ মাৰি খাতাং কৰি লৰা ছোৱালী আৰু তিৰুতাবিলাক বন্দী কৰি লৈ গুচি গৈছিল। হাইদৰৰ সেই নিষ্ঠুৰ আক্ৰমণৰ বাবে দেশত ভয়ানক আকাল হৈছিল, যি আকালৰ সম্পৰ্কে নানা গল্প তাৰ ৫০ বছৰৰ পিছলৈকে মানুহৰ মুখত শুনিবলৈ পোৱা গৈছিল।

৩। মাদ্ৰাজৰ গৱৰ্ণৰ যুদ্ধৰ নিমিত্তে সাজু নাছিল। ইংৰাজৰ সৈন্যবিলাক সৰু সৰু একোটা দল হৈ গোটেইখন দেশতে সিঁচৰতি হৈ আছিল। কৰ্ণেল বেইলিৰ তলত এটা সৰু ফৌজ উত্তৰ-চৰকাৰৰপৰা মাদ্ৰাজৰ সাহায্যৰ নিমিত্তে পঠিওৱা হৈছিল। বাটতে পল্লিলুৰ নামে ঠাইত হঠাৎ হাইদৰে সেই ফৌজটো আক্ৰমণ কৰিলে। কৰ্ণেল বেইলি বুঢ়া আৰু নিশকতীয়া মানুহ আছিল; তেওঁ অলপ সেনা লৈ ইমান-বিলাক শত্ৰুৰে সৈতে যুজাটো অসম্ভৱ ভাবি ভয় খাই, হাইদৰৰ মিছা কথাত ভুলি, মুঠুমি ধৰা দিলে। হাইদৰে তেওঁলোকৰ প্ৰাণ নবধিবলৈ অঙ্গীকাৰ কৰিও শেহত বিশ্বাসঘাতকতা কৰি সৰহভাগ ইংৰাজ সেনাক নিদাৰুণ ভাৱে হত্যা কৰিলে; আৰু কিছুমানক বন্দী কৰি মহীশুৰৰ বন্দীশাললৈ পঠিয়াই দিলে। কৰ্ণেল ব্ৰেইথওৱেটৰ তলতো আৰু এটা সৰু ইংৰাজ ফৌজৰ এনে দশা ঘটিছিল।

৪। কিন্তু বাণ্ডেৱাচৰ যুদ্ধৰ বিখ্যাত সেনাপতি চাৰ আয়াৰ কুটে ন-কৈ সৈন্য লৈ বঙ্গদেশৰপৰা আহি ১৭৮১ খৃষ্টাব্দত হাইদৰক সসৈন্যে

পটনতত পাই পৰাস্ত কৰিলে। তাৰ পিছত পল্লিলুৰত, যত আগেয়ে কৰ্ণেল বেইলিৰ সেনাৰ সেই দুৰ্দশা ঘটিছিল, আকৌ তেওঁ হাইদৰক ঘটুৱালে। তাৰ পিছত চালিংগুৰত, আৰু তাৰ পিছত আৰ্ণিত তেওঁ আকৌ হাইদৰক পৰাস্ত কৰিলে।

৫। ইয়াৰ অলপৰ পিছতে হাইদৰৰ মৃত্যু হলত, ইংৰাজে হাইদৰৰ পুতেক টিপুৰে সৈতে ১৭৮৪ খৃষ্টাব্দত মাঙ্গালোৰত সন্ধি কৰিলে। দুই পক্ষই জয় কৰা দেশ আৰু নগৰবোৰ ওভোতাই দিছিল; আৰু টিপুৱে মহীশুৰৰ ইংৰাজৰ ফালৰ বন্দীবিলাকক মুকলি কৰি দিছিল।

"বোৰ্ড অৱ্ কণ্ট্ৰল" অৰ্থাৎ শাসন সভা।

১৭৮৪।

১। মহীশুৰ আৰু মহাৰাষ্ট্ৰাবিলাকৰ সৈতে যুদ্ধত কোম্পানীৰ অনেক টকা ভগণ হল, আৰু হেষ্টিংচে সেই টকাৰ দিহা বেনেকৈ হওক কৰিব লগীয়াত পৰিছিল। হেষ্টিংচক দিবলৈ, কৰ্ণাটৰ নবাব মহম্মদ আলিৰ হাতত এটকা স্নপও নাছিল; যদিও হাইদৰে সৈতে হোৱা যুদ্ধৰ মূল কাৰণ কৰ্ণাট প্ৰদেশ ৰক্ষা কৰাটো আছিল, যি কৰ্ণাট হাইদৰৰ উপদ্ৰৱত লাং-লাং-ঠাং-ঠাং হৈ আকালত পৰিছিল, আৰু যাৰ বায়তে লুৰ্ব্বুং-সুৰ্ঠুং হৈ কোনো প্ৰকাৰ ৰাজহকে দিব নোৱাৰিছিল।

২। মাদ্ৰাজৰ ফালৰপৰা কোনো টকা ওলাবৰ আগন্তুক নথকা দেখি, হেষ্টিংচে অযোধ্যাৰ নবাব চুজাদৌলাৰ পুতেকক, বাকী পৰি থকা খাৰৰ টকাখিনি দিবলৈ কলে। নবাবে কলে যে, ৰাজভঁৰালত তেওঁৰ বাপেকৰ দিনৰ যি ধন আছিল, এটাইবোৰ তেওঁৰ মাক আৰু বুঢ়ী-মাকে লৈ গল; সেইদেখি তেওঁৰ হাতত একো ধন নাই। সেই কথা শুনি হেষ্টিংচে, সেই টকাবোৰ অযোধ্যাৰ বেগম অৰ্থাৎ নবাবৰ মাক

আৰু বুঢ়ীমাকৰ হাতৰপৰা উলিয়াই কোম্পানীৰ ধাৰ মাৰিবলৈ তেওঁক হুকুম দিলে। নবাবে হেষ্টিংচৰ হুকুম পাই বেগমসকলক আৰু তেওঁ-লোকৰ চাকৰবোৰক সেই টকাৰ নিমিত্তে বৰ নিষ্ঠুৰ ভাবে অত্যাচাৰ কৰিবলৈ ধৰিলে। বাস্তবিক পক্ষত সেইটো হেষ্টিংচৰ দোষ নহয়; কিন্তু তেওঁৰ মন্ত্ৰী-সভাৰ সভ্য পুৰণি শত্ৰু ফ্ৰেন্সিচৰ মতে সেইটো হেষ্টিংচৰহে দোষ।

৩। ইয়াৰ পিছত হেষ্টিংচে কোম্পানীৰ সাহায্যৰ নিমিত্তে বাৰাণসীৰ ৰজা চৈতসিংহক কিছুমান টকা খুজিছিল। চৈতসিংহ ইংৰাজে পতা ৰজা; আৰু সেইবাবে তেওঁ ইংৰাজক কৰও দিছিল। যুদ্ধৰ সময়ত ইংৰাজক ধন দি সহায় কৰাটো চৈতসিংহৰ কৰ্ত্তব্য আছিল; কাৰণ মহাৰাট্টাবিলাক ইংৰাজৰ যেনেকুৱা শত্ৰু, তেওঁৰো তেনেকুৱা শত্ৰু; আৰু ইংৰাজৰ সৈন্যই তেওঁক ৰক্ষা কৰি নথকাহেঁতেন মহাৰাট্টা-বিলাকে তেওঁৰ ৰাজ্য কাঢ়ি ললেহেঁতেন, নাইবা তেওঁৰপৰা চৌথ আদায় কৰিলেহেঁতেন। কিন্তু চৈতসিংহৰ হাতত অনেক ধন থাকিও, ইংৰাজক এটা পয়চাও দিবলৈ তেওঁ মান্তি নহল। সেই দেখি হেষ্টিংচে বলেৰে তেওঁৰপৰা ধন উলিয়াবলৈ বাৰাণসীলৈ গল। চৈতসিংহ আৰু তেওঁৰ প্ৰজাবিলাক বিদ্ৰোহী হৈ উঠিল; আৰু হেষ্টিংচ কথমপিহে নমৰাকৈ সাৰিল। হেষ্টিংচে চৈতসিংহক ৰজা ভাঙ্গি তেওঁৰ ভতিজাকক ৰজা পাতিলে। চৈতসিংহৰ লগত হোৱা এই ঘটনাৰ বাবেও মিষ্টৰ ফ্ৰেন্সিচে হেষ্টিংচৰ গাত দায় দিলে।

৪। ইয়াৰ পিছত ফ্ৰেন্সিচ বিলাতলৈ গৈ, হেষ্টিংচে কৰা কামৰ ওপৰত দোষ দি ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগত অভিযোগ কৰিলে। কোম্পানীৰ ডিৰেক্টৰসকলে ফ্ৰেন্সিচৰ কথাত বিশ্বাস কৰি, গৱৰ্ণৰ-জেনেৰেলক ৰবকৈ জগৰীয়া কৰিলে। তাৰেপৰা হেষ্টিংচে সেইৰেখি কাম এৰি দি বিলাতলৈ গল, আৰু পাৰ্লেমেণ্ট মহাসভাত তেওঁৰ বিচাৰ

হল। সাত বছৰ কাল সেই বিচাৰ চলি শেহত ৱাৰেণ হেষ্টিংচ নির্দোষী প্ৰমাণ হল।

৫। ইয়াৰ ভিতৰতে ইংলণ্ডৰ প্ৰধান মন্ত্ৰী মিষ্টৰ পিটে পাৰ্লেমেণ্টত এটা নূতন আইন কৰিলে, যাৰ নাম "পিতৰ ইণ্ডিয়া বিল।"

৬। এই আইন মতে এখন "বোর্ড অব্ কণ্ট্ৰল" অৰ্থাৎ শাসন্-সভা গঠিত হল। ছজন সভ্যৰে সেই সভাখন কৰা হল, আৰু ভাৰত গবৰ্ণমেণ্টক তাৰ তলতীয়া কৰি দিয়া হল। বিলাতৰ পাৰ্লেমেণ্টৰ অনুমতি নোলোৱাকৈ ভাৰত গবৰ্ণমেণ্টে ভাৰতবৰ্ষৰ কোন দেশী ৰজাৰে সৈতে সন্ধি বা যুদ্ধ কৰিব নোৱাৰা হল। বাস্তৱতে ১৭৮৪ খৃষ্টাব্দৰপৰা "বোর্ড অব্ কণ্ট্ৰলে"হে ভাৰতবৰ্ষ শাসন কৰিছিল, ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নহয়।

লৰ্ড কৰ্ণৱালিচ, দ্বিতীয় গবৰ্ণৰ জেনেৰল।

১৭৮৬—১৭৯৩।

১। দ্বিতীয়জন গবৰ্ণৰ জেনেৰেলৰ নাম লৰ্ড কৰ্ণৱালিচ। তেওঁ বিলাতৰ ডাঙৰীয়া শ্ৰেণীৰ মানুহ, আৰু আগেয়ে ভাৰতলৈ অহা নাছিল। তেওঁ ভাৰতলৈ আহিয়েই অলপ দিনৰ ভিতৰতে মহীশূৰৰ সৈতে যুদ্ধলৈ সাজু হব লগীয়াত পৰিছিল।

২। সেই সময়ত টিপুৰ ৰাজত্বৰ কাল আঠ বছৰ হৈছিল, আৰু মালাবাৰ, কুর্গ, আৰু মহীশূৰৰ চাৰিউফালৰ কিছুমান দেশ তেওঁ জয় কৰিছিল। টিপুৱে গপত ওফন্দি পৰি ভাবিছিল যে, তেওঁৰ সমান ডাঙৰ ৰজা ভাৰতবৰ্ষত আৰু নাই। আউৰংজেবৰ দৰে টিপুৱেও জয় কৰা দেশৰ এটাইবিলাক মানুহকে বলেৰে মছলমান কৰিবলৈ চেষ্টা

কৰিছিল, আৰু যাৰ /লোৱাবিছিল, তাক বধ কৰিছিল। ইংৰাজক তেওঁ দেখিব নোৱাৰিছিল, আৰু খোলাখুলিকৈয়ে কৈছিল, যে তেওঁ এদিন ইংৰাজক ভাৰতবৰ্ষৰপৰা উলিয়াই দিবই।

লৰ্ড কৰ্ণৱালিচ।

৩। ইয়াৰ পিছত টিপুৱে ত্ৰিবাঙ্কুৰ আক্ৰমণ কৰিলে। ত্ৰিবাঙ্কুৰৰ ৰজা ইংৰাজৰ বন্ধু আৰু মিত্ৰ ৰজা আছিল। তেওঁক টিপুৰ হাতৰপৰা ৰক্ষা কৰিবলৈ তেওঁ ইংৰাজৰ ওচৰত প্ৰাৰ্থনা কৰিলে। গৱৰ্ণৰ জেনেৰেলে তেওঁক সহায় কৰিবলৈ মাত্ৰি হৈ নিজাম আৰু মহাৰাষ্ট্ৰাবিলাকলৈ ওখি পঠিয়ালে, তেওঁলোকে টিপুৰ বিৰুদ্ধে তেওঁৰে সৈতে লগ লাগিবনে নেলাগে। নিজাম আৰু মহাৰাষ্ট্ৰাবিলাক বংমনেৰে তেওঁৰে সৈতে লগ লাগিবলৈ সন্মত হল। তাৰ পিছত, ত্ৰিবাঙ্কুৰৰ ৰজাক আমনি নকৰি এৰি যাবলৈ গৱৰ্ণৰ জেনেৰেলে টিপুলৈ কৈ পঠিয়ালে। টিপুৱে গৱৰ্ণৰ জেনেৰেলৰ কথা শুনিবলৈ অমান্তি হলত, তেওঁৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা হল। ইংৰাজ আৰু মহীশুৰৰ মাজত এইবাৰ তৃতীয় যুদ্ধ।

৪। দহ বছৰৰ আগেয়ে হাইদৰে কৰাৰ দৰে টিপুৱে কৰ্ণাট প্ৰদেশ উৎখাত কৰি পেলালে। লৰ্ড কৰ্ণৱালিচ কলিকতাৰপৰা মান্দ্ৰাজলৈ আহি নিজে ইংৰাজ সৈন্যৰ সেনাপতিৰ ভাৰ ললে। মহীশুৰলৈ সসৈন্যে তেওঁ যাত্ৰা কৰি গৈ বাঙ্গালোৰ দখল কৰি পেলালে। নিজাম আৰু মহাৰাষ্ট্ৰাবিলাকে পঠিওৱা সেনাবোৰ কোনো উপকাৰত নাহিল; কাৰণ, সিহঁতে যুদ্ধ নকৰি মাথোন গাওঁ-ভূই লুট-পাট কৰা



লৰ্ড কৰ্ণৱালিচৰ সময়ত ভাৰতত ইংৰাজৰ তলতীয়া দেশ বিলাক।

কামতহে যাইকৈ লাগিছিল; সেই বাবে দুজন যাই বোলা গোটেইটো ইংৰাজ সৈন্যৰ ওপৰতহে পৰিছিল।

৫। লৰ্ড কৰ্ণৱালিচে বাঙ্গালোৰৰ ওচৰৰ কেইবাটাও ডাঙৰ দুৰ্গ দখল কৰি লাহে লাহে শ্ৰীৰঙ্গপট্টম পালেহি। ইংৰাজে টিপুৰ এটাইবিলাক সৈন্যকে ঘটুৱাই সিহঁতক খেদি নি নগৰৰ ভিতৰ সুমাই গড়ৰ ওপৰত বৰ-তোপৰ গুলি বৰষিবলৈ ধৰিলে। টিপুৱে, দুৰ্গটো ইংৰাজৰ হাতত পৰিবলৈ আৰু বেছি সময় নাই দেখি, যেনেকিবা হওক নিয়মত সন্ধি কৰিবলৈ প্ৰস্তাৱ কৰি লৰ্ড কৰ্ণৱালিচলৈ প্ৰাৰ্থনা কৰি পঠিয়ালে।

টিপু।

৬। টিপুৰ প্ৰাৰ্থনা ৰাখি লৰ্ড কৰ্ণৱালিচে টিপুৰ সৈতে ইংৰাজ আৰু ইংৰাজৰ দুই মিত্ৰৰ সন্ধি স্থাপন কৰি সন্ধি-পত্ৰ এখন লেখালে। সেই সন্ধি-পত্ৰ মতে টিপুৱে তেওঁৰ ৰাজ্যৰ আদখিনি এৰি দিবলৈ, আৰু যুদ্ধৰ খৰচৰ বাবে তিনি হাজাৰ লাখ ৰূপ দিবলৈ গাতলৰ লগীয়াত পৰিল। সেই ৰূপৰ আদখিনি তেতিয়াই আৰু বাকী খিনি কিছুকালৰ পিছত দিবলৈ থিৰ হল; আৰু সেইৰূপ গোটেই খিনি আদায় নোহোৱালৈকে টিপুৰ দুজন পুতেকক ইংৰাজৰ ওচৰত জামিন স্বৰূপে ৰাখিবলৈ থিৰাং কৰা হল।

৭। টিপুৰপৰা লোৱা দেশখন সমানে তিনিভাগ কৰি ইংৰাজ, নিজাম আৰু মহাৰাট্টাবিলাকৰ ভিতৰত ভগাই লোৱা হল; যদিও সংচাসংচিকৈ ধৰিবলৈ গলে, নিজাম আৰু মহাৰাট্টাবিলাকে কোনো

ভাগ পোৱা উচিত নাছিল। ইংৰাজৰ ভাগত পশ্চিম পাৰৰ মালাবাৰ প্ৰদেশ আৰু আজিকালি চাওেম আৰু মাদুৰা বোলা, কৰ্ণাটৰ বিভাগ দুখন পৰিছিল।

৮। বঙ্গদেশৰ মাটিৰ খাজনা কেনেকৈ ৰজাঘৰত শোধাব লাগে, লৰ্ড কৰ্ণৱালিচে তাৰ বন্ধৱস্ত কৰিলে। মোগল সম্ৰাটৰ দিনত জমিদাৰবিলাকক খাজনালৈ মাটি দিয়া হৈছিল। জমিদাৰবিলাকে নবাবক এটা নিৰ্দ্দিষ্ট খাজনা দিছিল, আৰু খাজনা তোলাৰ বাবে তেওঁলোকৰ বেতন স্বৰূপে ৰায়তৰপৰা যিমান পাৰে সিমান আদায় কৰিছিল। মাটিৰ গৰাকী মোগল সম্ৰাট আছিল, আৰু জমিদাৰবিলাক সম্ৰাটৰ খাজনা তুলি দিয়া দৰমহা খোৱা চাকৰ মাথোন আছিল। প্ৰজাবোৰৰ ওপৰত তেওঁলোকে বৰ জুলুম কৰিছিল, আৰু সিইঁতক গোলামৰ দৰে ব্যৱহাৰ কৰিছিল। তেওঁলোকে ৰায়তৰপৰা বলেৰে যিমান পাৰিছিল সিমান ৰূপ নিজলৈ ডাঁৰি-চুঁহি লৈছিল; আৰু সততে তেওঁলোকৰ নামে ইংৰাজ গবৰ্ণমেণ্টৰ ওচৰলৈ ৰায়তৰপৰা অভিযোগ আহিছিল।

৯। এইবিলাক বেমেজালি আৰু অত্যাচাৰ দূৰ কৰিবৰ নিমিত্তে লৰ্ড কৰ্ণৱালিচে প্ৰত্যেক জমিদাৰক তেওঁ খাজনা তোলা ঠাইৰ মাটি নিজা কৰি দি গৰাকী পাতি দিলে; আৰু তেওঁ গবৰ্ণমেণ্টক দিব লগীয়া খাজনাৰ চিৰস্থায়ী বন্ধৱস্ত কৰি দিলে। এইদৰে লৰ্ড কৰ্ণৱালিচে বঙ্গদেশত এক শ্ৰেণী সম্ভ্ৰান্ত মানুহ বা জমিদাৰ অৰ্জন কৰিলে, যিসকল ইংলণ্ডৰ সম্ভ্ৰান্ত মানুহ বা জমিদাৰ শ্ৰেণীৰ দৰে মাটি বা জমিদাৰীৰ গৰাকী হল। এই জমিদাৰবিলাকে তেওঁলোকৰ মাটি যে কিনি বা জয় কৰি পাইছিল এনে নহয়; তেওঁলোকে সেইবোৰ ইংৰাজ গবৰ্ণমেণ্টৰপৰা দান স্বৰূপে লভিছিল মাথোন।

১০। প্ৰত্যেক ডিষ্ট্ৰীক্ট অৰ্থাৎ বিভাগতে বিচাৰ কাৰ্য্য কৰিবৰ নিমিত্তে লৰ্ড কৰ্ণৱালিচে একোজন জজ অৰ্থাৎ বিচাৰক, আৰু খাজনা

তুলিবলৈ একোজন কলেক্টৰ নিযুক্ত কৰিছিল। লৰ্ড ক্লাইৱে একেজন মানুহৰে গাতে পোচৰ সোধা আৰু খাজনা তোলা বাৰ দিছিল; কিন্তু পিছত দেখা গল যে একেজন মানুহে সেই দুইটা কাম সুকলমে কৰি উঠিব নোৱাৰে।

স্যাৰ জন ছোৰ, তৃতীয় গৱৰ্ণৰ জেনেৰেল।

১৭৯৩—১৭৯৮।

১। তৃতীয় গৱৰ্ণৰ জেনেৰেল স্যাৰ জন ছোৰ কলিকতাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন "চিভিল চৰ্ভেণ্ট" অৰ্থাৎ মলুকী বিষয়া আছিল। তেওঁ পাঁচ বছৰ গৱৰ্ণৰ জেনেৰেলৰ কাম কৰে। তেওঁৰ দিনত ভাৰতত ইংৰাজ কোনো যুদ্ধত লিপ্ত হোৱা নাছিল; আৰু ভাৰত গৱৰ্ণমেণ্টতো কোনো বিশেষ পৰিবৰ্ত্তন ঘটা নাছিল।

২। ইংলণ্ডৰ গৱৰ্ণমেণ্টে গৱৰ্ণৰ-জেনেৰেললৈ দঢ়াই হুকুম দি পঠিয়াইছিল যে তেওঁ যেন কোনো দেশী ৰজাৰ কাৰ্য্যত হাত নিদিয়ে; কাৰণ, তেওঁলোকৰ এনেটো ইচ্ছা যেন, ভাৰতৰ প্ৰত্যেকটো ডাঙৰ ৰাজশক্তি যেনে আছে তেনেই থাকে, আৰু তাতকৈ কোনো ডাঙৰও হব নেলাগে সৰুও হব নেলাগে; তেনেহলে, তেওঁলোকে ভাবিছিল, যে ভাৰতত শান্তি স্থাপিত হৈ থাকিব।

৩। কিন্তু নিজাম, টিপু আৰু মহাৰাষ্ট্ৰাবিলাকে শান্তি নিবিচাৰিছিল। টিপুৱে তেওঁৰ হেৰোৱা ক্ষমতা আকৌ পাবলৈ চেষ্টা কৰিছিল; মহাৰাষ্ট্ৰাবিলাকে টিপু, নিজাম আৰু আন সকলোৰেপৰা চৌথ আদায় কৰিবলৈ চেষ্টা কৰিছিল, আৰু নিজামে মহাৰাষ্ট্ৰাবিলাকৰ বিৰুদ্ধে ইংৰাজৰপৰা সাহায্য পাবৰ চেষ্টা কৰিছিল।

৪। মহাৰাষ্ট্ৰাবিলাকে দেখিলে যে ইংৰাজবিলাকে নিজামে সহায় নেপায়, তেতিয়া তেওঁলোকে নিজামৰপৰা অনেক বছৰ বাকী পৰি থকা চৌথৰ দাবি কৰিলে। হাতত ধন নথকা বাবে নিজাম চৌথ দিব নোৱাৰা হয়; আৰু সিকালে মহাৰাষ্ট্ৰাবিলাকৰ সৈতে যুঁজিবলৈকো তেওঁৰ শকতি নাছিল। সেই নিমিত্তে নিজামে স্যাৰ জন ছোৰলৈ সহায় খুজি চিঠি লেখি পঠিয়ালে; কিন্তু উত্তৰত স্যাৰ জন ছোৰে লেখিলে যে তেওঁ সহায় কৰিব নোৱাৰে।

৫। ইয়াৰ পিছত পেচোৱাই আনবিলাক মহাৰাষ্ট্ৰা ৰজালৈ কৈ পঠিয়ালে যে তেওঁলোকে তেওঁৰে সৈতে লগ লাগি নিজামক আক্ৰমণ কৰিব লাগে। পেচোৱাৰ কথা মতে মহাৰাষ্ট্ৰা ৰজাবিলাকে গোৱালিয়ৰ, ইন্দোৰ, গুজৰাট আৰু বিৰাৰৰপৰা নিজ নিজ ফৌজে সৈতে আহি তেওঁৰ সৈতে গোটখাই ১৭৯৫ খৃষ্টাব্দত কৰ্দ্দলাৰ যুদ্ধত নিজামক পৰাস্ত কৰিলে। নিজাম মহাৰাষ্ট্ৰাবিলাকক তেওঁৰ আধখিনি ৰাজ্য দিব লগীয়াত পৰিল; আৰু বাকী আধখিনি ৰাজ্যৰ বাবে চিৰকাললৈকে তেওঁ লোকক চৌথ দি থাকিবলৈ তেওঁ গতে ললে।

৬। কিন্তু লুটৰ ভাগ লৈ মহাৰাষ্ট্ৰাবিলাকৰ ভিতৰ. দন্দ লাগিল; আৰু তাৰ পিছৰ হুৰছৰ কি তিনি বছৰলৈকে, পেচোৱা, চিন্ধিয়া, হুলকাৰ, গুইকুৱাঁৰ আৰু ভোঁচলাৰ ভিতৰত ইজনে সিজনে যুদ্ধ কৰি থাকোঁতেই গৈছিল।

মাৰ্কুইচ ৱেলেচ্‌লি, চতুৰ্থ গবৰ্ণৰ জেনেৰেল।

১৭৯৮—১৮০৫।

১। মাৰ্কুইচ ৱেলেচ্‌লিয়ে ভাৰতবৰ্ষত ইংৰাজক সকলোতকৈ ডাঙৰ ৰাজশক্তি কৰি তুলিলে। তেওঁৰে সৈতে তেওঁৰ ভায়েক কৰ্ণেল ৱেলেচ্‌লি ভাৰতলৈ আহিছিল, যি পিছত স্যাৰ আৰ্থৰ ৱেলেচ্‌লি নামে

প্ৰখ্যাত হৈছিল, আৰু তাৰ পিছত ডিউক-অব-ৱেলিংটন আৰু ইলণ্ডৰ প্ৰধান মন্ত্ৰী হৈছিল।

২। কোনো এটা পৰিয়ালৰ ভিতৰত লৰা ছোৱালীবোৰে সেই পৰিয়ালৰ মুখ্য মানুহজনৰ অৰ্থাৎ বাপেকৰ হাক-বচন শুনি চলে। বাপেকে লৰা ছোৱালীবোৰক যি ন্যায় কাম তাকে কৰায়। যদি কোনো লৰা বা ছোৱালীয়ে অন্যায় কাম কৰে, বাপেকে তাক দণ্ড দিয়ে। তেওঁ সিহঁতৰ তদাৰক কৰে, সিহঁতক হানি-বিঘিনিৰপৰা ৰক্ষা কৰে, আৰু সিহঁতে কি কৰা ভাল আৰু কি কৰা বেয়া সেইবোৰ সিহঁতক শিকনি দিয়ে।

৩। সেইদৰেই এখন সুশাসিত ৰাজ্যত প্ৰজাই ৰজাক, পুতেকে বাপেকক মানি চলাদি চলে। ৰজাই তেওঁৰ প্ৰজাক হানি-বিঘিনিৰপৰা ৰাখি থাকে, অন্যায় কৰোঁতাক দণ্ড দিয়ে, দুৰ্ব্বলক প্ৰবলৰপৰা ৰক্ষা কৰে, আৰু সকলো প্ৰজা নিৰাপদে সুখ শান্তিত থাকে।

মাৰ্কুইচ ৱেলেচ্‌লি।

৪। সেইদেখি, ভাৰতৰ নিচিনা এখন ডাঙৰ দেশত যদি এটাইবিলাক ঠাইতে শান্তি স্থাপিত হৈ থাকিব লাগে, আৰু প্ৰজা নিৰাপদে থাকিব লাগে, তেন্তে সকলোৱে মানি চলা এজন প্ৰতাপী ন্যায়বন্ত আৰু ভাল ৰজাৰ আৱশ্যক। সেই ৰজাজন বৰ শক্তিশালী হব লাগে; কাৰণ, তেওঁ আৱশ্যক মতে আন ৰজাসকলকো যেন তেওঁৰ আদেশ মনাই

চলাব পৰা হয়। তেওঁ ৰাজ্যত চোৰ ডাকাইতক দমিব পৰা হব লাগে, যাতে প্ৰজাই নিৰাপদে সুখ-শান্তিত বাস কৰিব পাৰে। তেওঁৰ ধনৰ ভঁৰাল দুখীয়া প্ৰজাক আকালত সহায় কৰিব পৰা হৈ থাকিব লাগে। তেওঁ জ্ঞানী আৰু ন্যায়বন্ত হব লাগে, যাতে তেওঁ সকলো প্ৰজাই মানি চলিবলৈ ভাল আৰু ন্যায় পথৰ আইন কৰিব পৰা হয়।

৫। ৱেলেচ্‌লিৰ সময়লৈকে ইংৰাজে আকবৰৰ নিচিনাকৈ গোটেই ভাৰতবৰ্ষৰ ওপৰত ৰাজত্ব কৰিবলৈ ভৰা নাছিল। তেওঁলোকে ভাৰতত কিছুমান দেশ লৈছিল মাথোন, আৰু প্ৰতি বাৰেই সেই কাৰ্য্যত তেওঁলোকে বাধ্য হৈ নিজৰ ইচ্ছা নথকাতো ৰণ কৰিব লগীয়াত পৰিছিল, আৰু পৰৰ আক্ৰমণৰপৰা আত্মৰক্ষা কৰিব লগীয়া হৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মাথোন তেওঁলোকৰ বেহা-বেপাৰৰ পৰা লাভ বিচাৰিছিল, সৰহকৈ দেশ লৈ মাটি-বাৰীৰ গৰাকী হব খোজা নাছিল। বাৰে বাৰে পৈ-পৈকৈ তেওঁলোকে ক্লাইৱ, হেষ্টিংচ, কৰ্ণৱালিচ আৰু তেওঁলোকৰ আন আন গৱৰ্ণৰবিলাকলৈ টান হুকুম দি পঠিয়াইছিল, যাতে তেওঁলোক কেতিয়াও যেন দেশী ৰজাবিলাকৰ লৈতে যুদ্ধত লিপ্ত নহয় আৰু যাতে দেশী ৰজাবিলাকৰপৰা কোনো দেশ নকৈ তেওঁলোকে নলয়।

৬। কিন্তু লৰ্ড ৱেলেচলিয়ে দেখিলে যে ইংৰাজৰ পক্ষে এনে সময় আহি পৰিল, যে তেওঁলোকে ভাৰতত চাৰিওফালে চলি থকা যুদ্ধ বিগ্ৰহ লুটপাট হত্যা আদি বন্ধ নকৰিলে নচলে; কাৰণ, তেওঁলোকেই তেতিয়া আন সকলো দেশী ৰজাতকৈ বেচি প্ৰবল, জ্ঞানী আৰু সভ্য; গতিকে, ভাৰতবৰ্ষ ধ্বংশ হোৱাৰ বাটলৈ যোৱাৰপৰা ৰক্ষা কৰাটো তেওঁলোকৰ কৰ্ত্তব্য। তেওঁৰ প্ৰথম কাৰ্য্য হৈছিল, ভাৰতৰ আন কেইটা ৰাজশক্তিক তেওঁৰ আদেশ পালন কৰাই চলোৱাটো, আৰু আগলৈ সেই ৰাজশক্তি কেইটাক, তেওঁলোকে যুদ্ধ-বিগ্ৰহ কৰি শান্তি ভঙ্গ নকৰিবলৈ আৰু নিজৰ নিজৰ ৰাজ্য ন্যায় মতে শাসন কৰিবলৈ, প্ৰতিজ্ঞা কৰাই

লোৱাটো; আৰু যদি কোনো ৰাজশক্তিয়ে তেওঁৰ প্ৰস্তাৱ মতে কাম কৰি চলিবলৈ অমান্তি হয়, তেন্তে সেই ৰাজশক্তিক বলেৰে তাত মান্তি হবলৈ বাধ্য কৰোৱাটো। তেওঁ গোটেই ভাৰতবৰ্ষত শান্তি ৰক্ষা কৰিবৰ নিমিত্তে এটা ডাঙৰ ফৌজ যুগুত কৰি সদাই ৰাখিব লগীয়াত পৰিছিল, যাৰ খৰচৰ একোভাগ প্ৰত্যেক দেশে দিব লগীয়া হৈছিল, আৰু যাৰ সহনি, সেইবিলাক দেশৰ শত্ৰুবোৰক ইংৰাজে খেদি দিবলৈ গাত লৈছিল।

৭। সেই কালত এই কেইটা প্ৰধান ৰাজশক্তি আছিল;— পেচোৱা, চিন্ধিয়া, হুলকাৰ, গুইকুৱাঁৰ আৰু ভোঁচলা, এই পাঁচজন ৰজাৰ তলতীয়া মহাৰাষ্ট্ৰাবিলাক; নিজাম; আৰু টিপু চুলতান। শিখবিলাক লাহে লাহে মূৰ ডাঙি উঠিছিল যদিও, তেওঁলোক নিজৰ দেশ পঞ্জাবৰ ৰাজ নহৈছিল। মোগল সম্ৰাট চা আলম কণা, দুখীয়া, আৰু চিন্ধিয়াৰ হাতত বন্দী আৰু অযোধ্যাৰ নবাবৰ হাতত ক্ষমতা নিচেই অলপহে আছিল।

৮। ঠিক এই সময়তে য়ুৰোপত ফ্ৰেঞ্চবিলাকে, তেওঁলোকৰ ৰজাৰ বিৰুদ্ধে উঠি ৰজা আৰু ৰাণীক বধ কৰে। নেপলিয়ান নামে এজন ফ্ৰেঞ্চ বঁটুৱা বিষয়া ফ্ৰান্সৰ শাসনকৰ্ত্তা হৈছিল। নেপলিয়ানৰ ফৌজ বৰ প্ৰবল আছিল, আৰু য়ুৰোপৰ অনেক দেশ তেওঁ জয় কৰিছিল। ইংলণ্ডৰ বিৰুদ্ধেও তেওঁ যুদ্ধ ঘোষণা কৰি কৈছিল যে, তেওঁ ইংলণ্ড আক্ৰমণ কৰি জয় কৰিব।

৯। লৰ্ড ৱেলেচলিয়ে দেখিছিল, যে নিজাম, টিপু, আৰু চিন্ধিয়াৰ ভালকৈ শিক্ষিত প্ৰবল ফৌজ আছে, আৰু ফ্ৰেঞ্চ যুজাৰু মানুহৰ তলত সেই সৈন্যবোৰে যুদ্ধবিদ্যা শিকি পৈনত হৈছে। নেপলিয়ান ইজিপ্ট-লৈকে আহিছিল। টিপুৱে এখন চিঠি লেখি নেপলিয়ানক মাতি পঠিয়াইছিল, যাতে নেপলিয়ান আহি ভাৰতবৰ্ষৰ ইংৰাজবোৰক

খেদাই উলিয়াই দিয়ে। নেপলিয়ানে টিপুক সহায় কৰিবলৈ মাত্তি হৈ চিঠিৰ উত্তৰ দি পঠিয়াইছিল; আৰু এটা সৰু ফ্ৰেন্স ফৌজ আহাজৰ পৰা মেঙ্গেলোৰত নামিছিল। সিকালে ইংৰাজে পণ্ডিচেৰি আক্ৰমণ কৰি পেলাইছিল দেখি সিইঁত পণ্ডিচেৰিলৈ আহিব নোৱাৰা হৈছিল।

১০। পেচোৱা তেতিয়াও নামত মহাৰাষ্ট্ৰাবিলাকৰ নায়ক আছিল। গবৰ্ণৰ জেনেৰেলে টিপু, নিজাম, আৰু পেচোৱালৈ চিঠি লেখি পঠিয়ালে যে তেওঁলোকে যেন তেওঁলোকৰ ফৌজৰপৰা ফ্ৰেন্স বণুৱা মানুহ-বিলাক উলিয়াই দিয়ে, কাৰণ, ফ্ৰেন্সবিলাক ইংৰাজৰ মহা শত্ৰু; আৰু তাৰ সলনি তেওঁলোকৰ ৰাজ্যত শান্তিৰক্ষা আৰু শত্ৰুৰপৰা ৰাজ্য ৰক্ষা কৰি থাকিবৰ নিমিত্তে একোটা ডাঙৰ ইংৰাজ ফৌজ ৰখা হয়; আৰু সেই ফৌজৰ খৰচ যেন তেওঁলোকৰ ভঁৰালৰপৰা দিয়া হয়। এই ফৌজৰ নাম "চবচিডিয়েৰি" বা "হেল্পিং ফৰ্চ" অৰ্থাৎ সহায়ক ফৌজ ৰখা হৈছিল।

১১। তেওঁলোকৰ ভিতৰত নিজাম নিশকতীয়া আছিল; গতিকে, ৱেলেচ্‌লিৰ প্ৰস্তাৱত তেওঁ ততালিকে সন্মত হৈ কলে যে, যদি ইংৰাজে তেওঁক মহাৰাষ্ট্ৰাবিলাকৰ হাতৰপৰা ৰক্ষা কৰিবলৈ গাত লয়, আৰু মহাৰাষ্ট্ৰাবিলাকক তেওঁ চৌথ দিবিয়া কৰিব পাৰে, তেন্তে তেওঁ বৰ বঙেৰে ৱেলেচলিয়ে কোৱা মতে কাৰ্য্য কৰিব। নিজামে তেওঁৰ ফ্ৰেন্স সৈন্যবিলাক ৰাজ্যৰপৰা উলিয়াই দিলে, আৰু এটা ইংৰাজ ফৌজ তেওঁৰ ৰাজ্যলৈ পঠিয়াই দিয়া হল। তেতিয়াৰেপৰা আৰু নিজামৰ শত্ৰু-ভয় গুচিল; আৰু ইংৰাজ বন্ধুৰ আশ্ৰয় আৰু সহায়ত তেওঁ সুখ শান্তিৰে ৰাজত্ব কৰিবলৈ ধৰিলে। যদি টিপু আৰু মহাৰাষ্ট্ৰা-বিলাকেও নিজামৰ দৰে ৱেলেচ্‌লিৰ কথা শুনি চলিলেহেঁতেন, তেন্তে তেওঁলোকে বুধিয়কৰ কাম কৰিলেহেঁতেন; আৰু আজিলৈকে তেওঁ-লোকৰ পো-নাতিয়ে বজা হৈ ৰাজ্য শাসন কৰি থাই-মেলি থাকিব পাৰিলেহেঁতেন।

১২। কিন্তু টিপু সেই প্ৰস্তাৱত ৰাজি নহল। আৰু কি, গবৰ্ণৰ জেনেৰেলৰ চিঠি লৈ যোৱা ইংৰাজ বিষয়াজনৰ লগতে তেওঁ দেখাও নকৰিলে। সেই বাবে মহীশূৰৰ বিৰুদ্ধে চতুৰ্থ বাৰ যুদ্ধ ঘোষণা কৰা হল। পেচোৱাই ইংৰাজক সহায় কৰিবলৈ অঙ্গীকাৰ কৰিলে, যদি ইংৰাজে তেওঁক চিন্ধিয়াৰপৰা ৰক্ষা কৰে; কাৰণ, চিন্ধিয়ালৈ তেওঁৰ বৰ ভয় আছিল! কিন্তু আনবিলাক মহাৰাষ্ট্ৰা ৰজা ইংৰাজৰ কলীয়া নহৈ দূৰে দূৰে থল।

১৩। বোম্বাই আৰু মাদ্ৰাজৰ পৰা দুটা ইংৰাজ ফৌজ মহীশূৰৰ বিপক্ষে যাত্ৰা কৰি গল। মাদ্ৰাজৰ ফৌজৰ সেনাপতি আছিল, জেনেৰেল হেৰিচ, আৰু তেওঁৰ লগত কৰ্ণেল ৱেলেচ্‌লি গৈছিল। টিপু প্ৰথমতে বোম্বাইৰ ফৌজ আক্ৰমণ কৰি ঘাটিল। তাৰ পিছত মাদ্ৰাজৰ ফৌজ আক্ৰমণ কৰিও তেওঁৰ সেয়ে হল। তাৰ পিছত দুইটা ইংৰাজ ফৌজে তেওঁক দুফালৰপৰা চেপি আনিলে; আৰু তেওঁ তেওঁৰ ৰাজধানী শ্ৰীৰঙ্গপট্টমতে ৰুদ্ধ হৈ পৰিল। তাৰ পিছত জেনেৰেল বেয়াৰ্ডে, যাক টিপুৱে আগেয়ে শ্ৰীৰঙ্গপট্টমত অনেক দিন বন্দী কৰি বৰ নিষ্ঠুৰ ভাৱে ব্যৱহাৰ কৰিছিল, আৰু যাক ইয়াৰ আগৰ যুদ্ধৰ অন্তত হে টিপুৱে মুকলি কৰি দিছিল, ইংৰাজ সৈন্যৰে সৈতে শ্ৰীৰঙ্গপট্টমৰ দুৰ্গ আক্ৰমণ কৰি দখল কৰি এঘণ্টাৰ পিছতে নগৰখন লৈ পেলালে। টিপু নগৰৰ দুৱাৰ মুখত যুঁজি থাকোঁতেই গুলি লাগি মৰিল।

১৪। মহীশূৰ জয় কৰা হল; আৰু গবৰ্ণৰ জেনেৰেলে ইচ্ছা কৰাহেঁতেনেই তাক ইংৰাজ ৰাজ্যৰ ভিতৰুৱা কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁ তেনে নকৰি, হাইদৰৰ আগৰ হিন্দু ৰজাৰ পাঁচ বছৰীয়া ল'ৰা এটিক ৰাজসিংহাসনত বহুৱাই ৰজা পাতিলে। সেই ল'ৰাটিৰ নাম কৃষ্ণ ৰজা। যিবিলাক দেশ আগৰ মহীশূৰৰ ৰাজ্যৰ ভিতৰুৱা

নাছিল, অৰ্থাৎ হাইদৰ আৰু টিপুৱে যিবোৰ দেশ ন-কৈ জয় কৰি দখল কৰিছিল, সেইবোৰ মহীশূৰ ৰাজ্যৰপৰা কাঢ়ি, ইংৰাজ, নিজাম আৰু মহাৰাষ্ট্ৰাবিলাকৰ ভিতৰত ভগাই লোৱা হল। কানাড়া আৰু কইম্বাতুৰ ইংৰাজৰ ভাগত পৰিল।

টিপুৰ পুতেকহঁতক ইংৰাজে দয়া কৰি সকলোকে বৃত্তি দি ভেলোৰত থাকিবলৈ দিলে।

মাৰ্কুইচ ৱেলেচ লি। (ক্ৰমশঃ)

১। ইয়াৰ অলপ দিনৰ পিছতে নিজামে গবৰ্ণৰ জেনেৰলৈ প্ৰস্তাৱ কৰি পঠিয়ালে যে তেওঁ সহায়ক সৈন্যৰ খৰচৰ নিমিত্তে যি ধন দি থাকিব লগীয়া হৈছে, তাৰ সলনি ইংৰাজ গবৰ্ণমেণ্টক, সম্প্ৰতি তেওঁ তেওঁৰ ভাগত পোৱা দেশ কেইখন দিব খোজে। গবৰ্ণৰ জেনেৰেলে সেই প্ৰস্তাৱত মান্তি হলত, তুঙ্গভদ্ৰ নৈ আৰু মহীশূৰৰ ৰাজ্যৰ ঠাই ডোখৰ যাক বেলেৰি আৰু কুদাপা বোলে, ১৭৯৯ খৃষ্টাব্দত তেওঁ ইংৰাজক দিলে:

২। কাবেৰী নৈৰ পানীৰে তিওৱা তাঞ্জোৰ প্ৰদেশখন ইমান সাকৰা যে তাক দক্ষিণ-ভাৰতৰ উপবন বোলে। শিৱজীৰ ভায়েক এজনে এই দেশখন জয় কৰে, আৰু ১৫০ বছৰ মহাৰাষ্ট্ৰাবিলাকে তাত ৰাজত্ব কৰে। শেহৰজন মহাৰাষ্ট্ৰা ৰজাই ঘৰ বেয়াকৈ সেই দেশ শাসন কৰিছিল। তেওঁৰ কৰৰ ভাৰত তাৰ প্ৰজাৰ ইমানকৈ থৰ-যুঁৱতি নাইকিয়া হৈছিল যে অনেকে তত্ নেপাই ভাবপৰা ভাগি গুচি গৈছিল। এইজন ৰজা অপুত্ৰক আছিল, আৰু তেওঁ মৰাৰ পিছত তেওঁৰ বংশৰ দুজনে ৰাজপাট পাবলৈ দাবি কৰিছিল। লৰ্ড ৱেলেচ্লিয়ে, তেওঁলোকৰ দন্দ-হাই মৰামৰিৰপৰা ৰক্ষা কৰিবলৈ

আৰু তাঞ্জোৰৰ শাসন কৰিবৰ মনেৰে, দুই জনকে সৰহকৈ একোটা বৃত্তি দি, তাঞ্জোৰ ইংৰাজ ৰাজ্যৰ ভিতৰুৱা কৰিলে।

৩। মহম্মদ আলি, যাক ক্লাইৱে ১৭৫৬ খৃষ্টাব্দত শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিছিল, ১৭৯৫ খ্ৰীষ্টাব্দলৈকে কৰ্ণাটৰ নবাব হৈ আছিল; আৰু এই গোটেই ডোখৰ কাল তেওঁ বৰ বেয়াকৈ ৰাজ্য শাসন কৰিছিল। হাইদৰ আৰু টিপুৰে সৈতে যুদ্ধত মহম্মদ আলিয়ে যে ইংৰাজক একো সহায় কৰা নাছিল অকল সেয়ে নহয়; বৰং তলে তলে তেওঁৰ কাৰ্য্যকাৰকবিলাকে ইংৰাজৰ শত্ৰুকহে সাহায্য কৰিছিল; যদিও ইংৰাজে কৰা সেইবোৰ যুদ্ধৰ যাই উদ্দেশ্য আছিল, তেওঁৰ কৰ্ণাটৰাজ্য নিৰাপদে ৰখাটো। তেওঁ তেওঁৰ সৈন্যবোৰক দৰমহা নিদিছিল দেখি অনেক সৈন্যই টিপুৰ লগলৈ গৈ ইংৰাজৰ বিপক্ষে যুদ্ধ কৰিছিল। প্ৰজাৰপৰা তোলা কৰৰ ৰূপ তেওঁ আমোদ-প্ৰমোদত উৰাই ইমান ধৰুৱা হৈ পৰিছিল, যে সেই ধাৰ নিজে শুজিব নোৱাৰাত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তেওঁৰ হৈ ধাৰ মাৰি দিব লগীয়াত পৰিছিল। তেওঁ ৪৬ বছৰ ৰাজত্ব কৰিছিল। তেওঁৰ মৃত্যুৰ পিচত পুত্ৰেক ওম্‌দাত-উল-ওমৰা ৰাজপাটত উঠিল। ইংৰাজে শ্ৰীৰঙ্গপট্টম দখল কৰাৰ পিছত মহম্মদ আলি আৰু তেওঁৰ পুতেকে ইংৰাজৰ বিপক্ষে টিপুক সহায় কৰিম বুলি মনে মনে লেখা অনেক চিঠি তাত ওলাইছিল। তিনি বছৰ ৰাজত্ব কৰাৰ পিছত ঠিক এই সময়তে ওমদাত-উল-ওমৰা মৰে। তেওঁ বাপেকতকৈও বেয়াকৈ ৰাজ্যশাসন কৰিছিল। ওমদাত-উল-ওমৰা অপুত্ৰক আছিল। লৰ্ড ৱেলেচ্‌লিয়ে ওমদাত মৰাৰ পিছত তেওঁৰ ভতিজাক আৰু আন বঙহ-পৰিয়ালক সৰহকৈ একোটা বৃত্তি দি বৈ কৰ্ণাট ইংৰাজ ৰাজ্যৰ ভিতৰুৱা কৰিলে।

৪। এইদৰে মাদ্ৰাজ প্ৰেচিডেন্সি গঢ়া হল। ১৭৫৮ খ্ৰীষ্টাব্দত প্ৰথমতে ক্লাইৱে ফ্ৰেন্সবিলাকৰপৰা উত্তৰ-চৰকাৰ লৈ তাৰ ৰাজস্ব

কৰে; লৰ্ড কৰ্ণৱালিচে, টিপুৰ সৈতে প্ৰথম যুদ্ধৰ পিছত ১৭৯২ খৃষ্টাব্দত মালাবাৰ চালেম আৰু মাদুৰা তাত লগ লগাই দি তাৰ গা ভাঙৰ কৰে; আৰু লৰ্ড ৱেলেচ্লিয়ে কানাড়া, কইম্বাটুৰ, তাঞ্জোৰ আৰু কৰ্ণাট তাৰে সৈতে গোটাই দি তাক সম্পূৰ্ণ কৰি সামৰণি মাৰে। তেতিয়াৰে পৰা এশ বছৰৰ ওপৰ হল, আজিলৈকে তাত কোনো যুদ্ধ-বিগ্ৰহ নাই, আৰু তাৰ প্ৰজাবিলাকে সুখ-সম্পদত কাল কটাব লাগিছে।

৫। ইয়াৰ পিছত লৰ্ড ৱেলেচ্লিয়ে অযোধ্যাৰ নবাবক, নিজামৰ দৰে সহায়ক সৈন্য ৰাখি তাৰ খৰচ যোগাবলৈ মান্তি হবলৈ কলে। প্ৰথমতে নবাবে সেই কথাত মান্তি হব নুখুজিছিল; কিন্তু যেতিয়া তেওঁ দেখিলে যে ইংৰাজৰ বিপক্ষে যাবলৈ চেষ্টা কৰাটো মিছা, তেতিয়া তেওঁ অগত্যা তাত মান্তি হল। এটা ইংৰাজ ফৌজ অযোধ্যালৈ পঠিয়াই দিয়া হল, আৰু সেই ফৌজৰ খৰচ যোগাবৰ নিমিত্তে নবাবে দো-আব নামে যমুনা আৰু গঙ্গাৰ মাজৰ ঠাই ডোখৰ ইংৰাজক দিলে, যাক আজি কালি "ইউনাইটেড প্ৰভিন্সেচ অব্ আগ্ৰা এণ্ড আউধ" অৰ্থাৎ আগ্ৰা আৰু অযোধ্যাৰ যুক্ত প্ৰদেশ বোলে।

মাৰ্কুইচ ৱেলেচ্লি (ক্ৰমশঃ)।

১। এতিয়া মহাৰাষ্ট্ৰবিলাক হে বাকী ৰলগৈ যি এতিয়ালৈকে ইংৰাজৰ অধীন হোৱা নাই, আৰু যি লৰ্ড ৱেলেচ্লিৰ নতুন প্ৰথামতে চলিবলৈ মান্তি হোৱা নাই।

টিপুৰ সৈতে শেষ যুদ্ধ হোৱাৰ পিছত, লৰ্ড ৱেলেচ্লিয়ে ৰাঘবৰ পুতেক পেচোৱা বাজিৰাওলৈ চিঠি লেখি পঠিয়ালে যে যদি তেওঁ তেওঁৰ ফৌজত থকা ফ্ৰেঞ্চ সেনাবোৰ উলিয়াই দি সিইঁতৰ ঠাইত তেওঁক সহায় কৰিবলৈ এটা ইংৰাজ ফৌজ ৰাখে, আৰু নিজামৰ দৰেই ইংৰাজৰ সৈতে

বৰৰত শৰি চলে তেওঁ গবৰ্ণৰ জেনেৰেলে, মহীশূৰৰপৰা পোৱা দেশৰ তিনি ভাগৰ এভাগ তেওঁক দিব। কিন্তু পেচোৱাই তেওঁৰ বুঢ়া বামুণ মন্ত্ৰী নানা ফৰ্ণৱিচৰ কথা শুনি সেই প্ৰস্তাৱত মান্তি নহল।

২। ইয়াৰ এবছৰৰ পিছত ১৮০০ খৃষ্টাব্দত নানাফৰ্ণৱিচৰ মৃত্যু হলত, ডেকা-নৰা পেচোৱাই হুলকাৰৰ সৈতে যুদ্ধ কৰিবলৈ লাগিল। হুলকাৰে পুনা অধিকাৰ কৰি আন এজনক পেচোৱা পাতিলে।

বাজিৰাও।

৩। বাজিৰাও পলাই গৈ বোম্বাই পাই লৰ্ড ৱেলেচ্লিলৈ চিঠি লেখিলে যে যদি গবৰ্ণৰ জেনেৰেলে তেওঁক পুনাৰ ৰাজপাটত আকৌ বহুৱাব পাৰে তেন্তে তেওঁ গবৰ্ণৰ জেনেৰেলৰ সকলোবোৰ প্ৰস্তাৱত মান্তি হব। ১৮০২ খৃষ্টাব্দত, বোম্বাইৰপৰা ২০ মাইল দূৰৈত থকা বেচেইন দুৰ্গত বাজিৰাৱে এখন সন্ধি-পত্ৰ চহি কৰিলে। সেই সন্ধি-পত্ৰৰ নিয়ম অনুসাৰে তেওঁ মহাৰাষ্ট্ৰা সাম্ৰাজ্যৰ নায়কৰ দাবি এৰিলে, ইংৰাজৰ সম্মতি নোলোৱাকৈ আনবিলাক মহাৰাষ্ট্ৰা ৰজাৰ সৈতে কোনো সম্পৰ্ক নেৰাখিবলৈ অঙ্গীকাৰ কৰিলে, আৰু তেওঁক শত্ৰুৰপৰা সদাই ৰক্ষা কৰি থাকিবলৈ ইংৰাজৰ ফৌজ এটা তেওঁৰ ৰাজ্যৰ ভিতৰত ৰাখিবলৈ মাত দলে। সেই ফৌজৰ খৰচৰ বাবে তেওঁৰ ৰাজ্যৰ কিছুমান বিভাগ তেওঁ ইংৰাজক দিলে, যিবোৰ আজিকালি বোম্বাই প্ৰেচিডেন্সিৰ ভিতৰুৱা হৈ আছে।

৪। সেই সময়তে গুজৰাটৰ মহাৰাষ্ট্ৰা-ৰজা গুইকুৱাৰে পেচোৱাৰ আৰ্হি লৈ ইংৰাজৰ সৈতে সন্ধি-পত্ৰ এখন কৰি, ইংৰাজক ভাৰতৰ

ৰাজাধিৰাজ বুলি স্বীকাৰ কৰিলে; আৰু ইংৰাজ ফৌজ এটা তেওঁৰ ৰাজ্যত ৰাখি তাৰ খৰচ দিবলৈ তেওঁ মান্তি হল।

৫। কিন্তু দৌলতৰাও চিন্ধিয়া আৰু ৰঘুজী ভোঁচলা নামে দুজন মহাৰাষ্ট্ৰা ৰজাই ইংৰাজৰ সৈতে সন্ধি-পত্ৰ চহি বা আন কোনো বন্দৱস্ত কৰিবলৈ অমান্তি হল; আৰু বেচেইনৰ সন্ধি-পত্ৰৰ কথা শুনি তেওঁলোক খঙত জ্বলি উঠিল। তেওঁলোকে হুলকাৰক ইংৰাজৰ বিপক্ষে যুদ্ধত তেওঁলোকৰ লগৰীয়া হবলৈ বৰ পুৰুষাৰ্থ কৰিবলৈ ধৰিলে, আৰু সৈন্য-সামন্ত গোটাই লৈ ৰণলৈ সাজু হল।

৬। লৰ্ড ৱেলেচ্লিয়েও এই বাতৰি শুনি যুজলৈ সাজু হল। উত্তৰ-ভাৰতত জেনেৰেল লেকে ইংৰাজ সৈন্য লৈ চিন্ধিয়াৰ বিৰুদ্ধে যাত্ৰা কৰিলে; আৰু দক্ষিণ-ভাৰতৰপৰা কৰ্ণেল ৱেলেচ্লি আৰু কৰ্ণেল ষ্টিভেনচন ফৌজেৰে সৈতে আহিল। ১৮০৩ খৃষ্টাব্দত নিজামৰ ৰাজ্যৰ উত্তৰত আচাই নামে ঠাইত কৰ্ণেল ৱেলেচ্লিৰ সৈতে চিন্ধিয়া আৰু ৰঘুজি ভোঁচলাৰ সৈন্যৰ এখন ডাঙৰ যুদ্ধ হয়। সেই যুদ্ধত ইংৰাজৰ পাঁচ হাজাৰতকৈও তাকৰ সেনা আছিল; আৰু মহাৰাষ্ট্ৰা-বিলাকৰ ৫০,০০০ সেনা আছিল। তথাপি ৱেলেচ্লিৰ হাতত মহাৰাষ্ট্ৰা-বিলাক পৰাস্ত হল। সেই বছৰতে কৰ্ণেল ৱেলেচ্লিয়ে মহাৰাষ্ট্ৰা-বিলাকক আৰগাম নামে ঠাইত আকৌ এবাৰ হৰুৱালে।

৭। ইয়াৰ ভিতৰতে উত্তৰত জেনেৰেল লেকৰ হাতত লচবাৰি নামে ঠাইত চিন্ধিয়াৰ ফ্ৰেঞ্চ সেনাবিলাক ঘাটি পলায়। তাৰ পিছত লেকে অনেক দিনৰপৰা মহাৰাষ্ট্ৰাবিলাকৰ অধিকাৰত থকা আগ্ৰা আৰু দিল্লী চহৰ দুখন দখল কৰে। দিল্লীত লেকে দুখীয়া কনা মোগল সম্ৰাট চা আলমক বন্দী হৈ থকা পাই মোকোলাই দিলে; আৰু তাৰ পিছত ইংৰাজে তেওঁক এটা ডাঙৰ বৃত্তি দি জীৱনৰ বাকী কেইটা দিনৰ নিমিত্তে তেওঁৰ পুৰণি ৰাজঘৰতে থাকিবলৈ দিলে।

৮। চিন্ধিয়া আৰু বৰুজী ভোঁচলাই ইয়াৰ পিছত ইংৰাজৰ লৈতে বেচেইনৰ সন্ধিৰ নিচিনা সন্ধি কৰিলে। চিন্ধিয়াই যমুনাৰ উত্তৰকালৰ এটাইবোৰ ঠাই ইংৰাজক এৰি দিলে; আৰু ৰাজপুত আৰু নিজামৰ ওপৰত চৌথৰ দাবিও এৰিলে। এই সন্ধিৰ নাম "অৰ্জ্জন গাৱঁৰ সন্ধি"; কাৰণ, অৰ্জ্জন নাৰে গাৱঁত চিন্ধিয়াই সন্ধি-পত্ৰ চহি কৰিছিল। ভোঁচলাই ইংৰাজৰ লৈতে কৰা দেৱগাৱঁৰ সন্ধি মতে ইংৰাজক পূৰত কটক আৰু পশ্চিমত বিৰাৰ দিলে। লৰ্ড ৱেলেচ্লিয়ে বিৰাৰখন নিজামক দান কৰিলে। ১৮০৩ খৃষ্টাব্দত এই বিলাক ঘটনা ঘটে। এটা ইংৰাজ ফৌজ পুনালৈ আৰু এটা নাগপুৰলৈ পঠিওৱা হল। ইয়াৰ পিছত ভোঁচলাক নাগপুৰৰ ৰজা বোলা হৈছিল।

৯। সেই সময়তে ৰাজপুত ৰজাবিলাকেও লৰ্ড ৱেলেচ্লিৰ "সহায়ক প্ৰথা" মতে চলিবলৈ মান্তি হলত তেওঁলোকৰ ইজন সিজনৰ ভিতৰত যুদ্ধৰ অন্ত পৰিল।

১০। এতিয়া ৱেলেচ্লিৰ বিধান মতে নচলা এজন মাথোন ডাঙৰ ৰজা ৰলগৈ, যাৰ নাম যশবন্তৰাও হলকাৰ। হলকাৰে এতিয়াও যাৰে পৰা মন যায় তাৰে পৰা চৌথ আদায় কৰি, আৰু চৌথ দিবলৈ মান্তি নোহোৱাজনক লুট কৰি মাৰি-ধৰি উত্তৰ-ভাৰতত ঘূৰি ফুৰিবলৈ দাবি এৰা নাছিল। ইংৰাজে আনবিলাক মহাৰাষ্ট্ৰ ৰজাৰে লৈতে যুদ্ধত লাগি থাকোঁতেই তেওঁ ৰাজপুতনাৰ দুৰ্ব্বল ৰজাবিলাকৰ ওপৰত অত্যাচাৰ কৰি লুট-পাট কৰি ফুৰিছিল। এই ৰজাবিলাক এতিয়া ইংৰাজৰ আশ্ৰয়ৰ তলতীয়া হোৱা বাবে, লৰ্ড ৱেলেচ্লিয়ে হলকাৰক, সিবিলাকক আৰু উপদ্ৰৱ নকৰি তেওঁৰ নিজৰ ৰাজ্যলৈ উভটি যাবলৈ কলে। হলকাৰে উত্তৰ দিলে যে তেওঁ লৰ্ড ৱেলেচ্লিৰ হুকুম নুশুনে, আৰু বলেৰে সেই ৰজাবিলাকৰপৰা চৌথ আদায় কৰিব। গৱৰ্ণৰ জেনেৰেলে নিজৰ আশ্ৰিতক শত্ৰুৰ হাতৰপৰা

ৰক্ষা কৰা কৰ্ত্তব্য দেখি ১৮০৪ খৃষ্টাব্দত হুলকাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

১১। কিন্তু গবৰ্ণৰ জেনেৰেলে নেজানিছিল যে তলে তলে হুলকাৰ কিমান প্ৰবল হৈ উঠিছিল, আৰু তেওঁৰ কিমান সবহ সৈন্ত আছিল। সেই দেখি লৰ্ড ৱেলেচ্‌লিয়ে বঙ্গদেশৰপৰা চিন্ধিয়াৰ কিছুমান সৈন্তৰে সৈতে এটা সৰু ফৌজ লগত দি কৰ্ণেল-মনচনক হুলকাৰৰ বিৰুদ্ধে পঠিয়াই দিলে। কৰ্ণেল মনচনেও হুলকাৰৰ ক্ষমতা আৰু সৈন্তৰ বিষয়ে একো নেজানিছিল; গতিকে, তেওঁ নিৰ্ভয়ে গৈ হুলকাৰৰ ৰাজ্যত সোমাল। হঠাৎ কৰ্ণেল মনচনে দেখিলে যে হুলকাৰৰ ডাঙৰ ফৌজে তেওঁক বেৰি ধৰিলে। তেওঁ লগত লৈ যোৱা চিন্ধিয়াৰ সৈন্তবিলাক তেওঁক এৰি শত্ৰুৰ লগ লাগিল। কৰ্ণেল মনচনে পিছুঁৱাৰ কাম কৰি সহায় পাবৰ আশাৰে আগ্ৰাৰফালে হহকি আহিল। তেতিয়া জুলাই মাহৰ বান-বৰিষা; ধাৰাষাৰে বৰষুণ পৰি নৈ আৰু জানবোৰত উপচি চল আহিছিল। অতি কষ্টেৰে তেওঁ আগ্ৰা পালেহি। হুলকাৰে দিল্লী আক্ৰমণ কৰি লব নোৱাৰি তাৰ চাৰিউফালে লুট-পাট কৰিবলৈ ধৰিলে। চিন্ধিয়া এটা ডাঙৰ ফৌজেৰে সৈতে আহি হুলকাৰৰ লগ লাগিল।

১২। ইয়াৰ পিছত জেনেৰেল লেক এটা ডাঙৰ ফৌজেৰে সৈতে আগ্ৰাৰ পৰা আগবাঢ়ি গল। ১৮০৪ খৃষ্টাব্দত তেওঁ হুলকাৰৰ সৈন্তৰ সন্মুখ হৈ দীগ বুলি এখন ঠাইত ৰণ কৰি সিহঁতক পৰাস্ত কৰিলে। তাৰ পিছত তেওঁ দীগৰ ডাঙৰ দুৰ্গটো অধিকাৰ কৰি ভৰতপুৰৰ দুৰ্গ অবৰোধ কৰিলে। ভৰতপুৰৰ ৰজা হুলকাৰৰ মিত্ৰ ৰজা আছিল। তেওঁ বৰ সাহেৰে কিছুমান দিনলৈকে ভৰতপুৰৰ দুৰ্গ ৰক্ষা কৰি শেহত যেতিয়া দেখিলে যে সি ইংৰাজৰ হাতত পৰিবই, তেতিয়া ইংৰাজে সৈতে সন্ধি কৰিলে। হুলকাৰ এইদৰে চাৰিউফালে ঘাটি নিজৰ ৰাজ্যলৈ পলাই গুচি গল।

১৩। জেনেৰেল্ লেকে ইয়াৰ পিছত হুলকাৰক ভালকৈ খটুৱাই লৰ্ড ৱেলেচ্‌লিৰ বন্দবস্ত মাখি কৰালেহেঁতেন, কিন্তু ঠিক এনে সময়তে গবৰ্ণৰ জেনেৰেলে কাম এৰি বিলাতলৈ উভতি যাবৰ কাল আহিল; আৰু তেওঁৰ পিছৰজন গবৰ্ণৰ জেনেৰেলে লেকক নিজ ইচ্ছা-মতে কাম কৰিব নিদিয়া হল।

লৰ্ড কৰ্ণৱালিচ, পঞ্চম গবৰ্ণৰ জেনেৰেল।

চাৰ জৰ্জ বাৰ্লো।

লৰ্ড মিণ্টো, ষষ্ঠ গবৰ্ণৰ জেনেৰেল।

১৮০৫—১৮০৭—১৮১৩।

১। ইষ্ট ইণ্ডিয়া কোম্পানীৰ তেতিয়াও ভাৰতবৰ্ষত অকলসৰীয়াকৈ বেহা-বেপাৰ কৰিবৰ অধিকাৰ আছিল। কোম্পানীয়ে দেখিলে যে টিপুৰ আৰু মহাৰাষ্ট্ৰাবিলাকৰ সৈতে যুদ্ধ কৰি তেওঁলোকৰ বেহা-বেপাৰৰ লাভ সোপাই ভগণ হল। তেওঁলোকে বেপাৰৰ লাভৰ বাহিৰে ভাৰত-বৰ্ষত আন একো বিচৰা নাছিল। সেই নিমিত্তে হুলকাৰৰ সৈতে সন্ধি কৰিবলৈ আৰু আনবিলাক দেশী ৰজাৰ কাৰ্য্যত হাত নিদিবলৈ তেওঁ-লোকে নতুন গবৰ্ণৰ জেনেৰেলক দঢ়াই দঢ়াই হুকুম দি পঠিয়াইছিল।

২। লৰ্ড কৰ্ণৱালিচ ইয়াৰ আগেয়েও এবাৰ গবৰ্ণৰ জেনেৰেল হৈ ভাৰতবৰ্ষলৈ আহিছিল। এতিয়া তেওঁৰ বয়স ৭০ বছৰ। এই বয়সত বুঢ়া কৰ্ণৱালিচক ভাৰতৰ তপত আৰু জেকা হাৱা-পানীয়ে জুজাটো টান। এইবাৰ তিনি মাহ যাওঁতে নেযাওঁতেই তেওঁ মৃত্যুৰ মুখত পৰিল।

৩। কৰ্ণৱালিচৰ মৃত্যুৰ পিছত চাৰ জৰ্জ বাৰ্লো [illegible] গবৰ্ণৰ অৰ্থাৎ আচল গবৰ্ণৰ জেনেৰেল নথকাত প্ৰতিনিধি গবৰ্ণৰ

জেনেৰেল হল। তেওঁ বিলাতৰ কোম্পানীৰ হুকুম মতে হুলকাৰৰ সৈতে সন্ধি কৰি শান্তি স্থাপন কৰিলে, যদিও হুলকাৰে তেতিয়া আনবিলাক মহাৰাষ্ট্ৰা ৰজাৰদৰে ইংৰাজৰ সৈতে বন্ধুৰত্ত কৰি চলিবলৈ বংমনেৰে মান্তি হৈছিলহৈতেন। হুলকাৰে আৰু আনবিলাক মহাৰাষ্ট্ৰা ৰজাই অৰ্থাৎ বাজীৰাও পেচোৱা, নাগপুৰৰ ৰজা ৰযুজী, আৰু চিন্ধিয়াই বুজিব নোৱাৰিছিল, কিয় যে নতুন গৱৰ্ণৰ জেনেৰেলে আগৰজন গৱৰ্ণৰ জেনেৰেল লৰ্ড ৱেলেচ্লিৰ বাটে নচলি সুকীয়া বাট ললে। তেওঁ-লোকে ভাবিলে যে হুলকাৰলৈ ভয় কৰিহে গৱৰ্ণৰ জেনেৰেলে তেনেকুৱা কৰিছে। এই ভাবি তেওঁলোকে হয়ুনিয়াহ কাঢ়িবলৈ ধৰিলে যে কিয় তেওঁলোকে ইংৰাজৰ সৈতে সন্ধি কৰিলে। সেইদেখি ইয়াৰ পিছৰ সাত বছৰ তেওঁলোকে তলে তলে সৈন্য গোটাই আকৌ ইংৰাজৰ সৈতে যুজিবলৈ সাজু হৈছিল, আৰু আকৌ সকলোৰেপৰা চৌথ আদায় কৰি হাতৰপৰা যোৱা আগৰ ক্ষমতা পাবলৈ ষড়যন্ত্ৰ কৰিছিল।

৪। চিন্ধিয়া হুলকাৰৰ সৈতে লগ লাগিল, আৰু তেওঁৰে সৈতে ইংৰাজে নতুনকৈ এখন সন্ধি-পত্ৰ কৰি গোৱালিয়ৰৰ দুৰ্গটো আকৌ তেওঁক ওভোতাই দিলে। চম্বল নৈক তেওঁৰ আৰু ইংৰাজৰ ৰাজ্যৰ মাজৰ সীমনা কৰা হল।

৫। ঠিক এই সময়তে, ভেলোৰত ইংৰাজৰ বৃত্তি খাই থকা টিপুৰ পুতেকহঁতে তাৰ দুৰ্গৰ দেশী চিপাহীবিলাকক ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহী হবলৈ উদগাই তুলিলে। অনেক ইংৰাজক চিপাহীবিলাকে বধ কৰিলে; আৰু বাকী অলপমানে তেওঁলোকৰ সহায়ৰ নিমিত্তে আৰ্কটৰপৰা ইংৰাজ সেনা নোযোৱালৈকে ৰব সাহেবে দুৰ্গ ৰক্ষা কৰি আছিল। সেই বিদ্ৰোহ দমন কৰি টিপুৰ পুতেকহঁতক কলিকতাত থাকিবলৈ পঠিওৱা হল।

৬। ইয়াৰ পিছৰজন গৱৰ্ণৰ জেনেৰেল লৰ্ড মিণ্টোই সাত বছৰ কাম কৰিছিল। তেওঁৰো দেশী ৰজাবিলাকৰ কাৰ্য্যত হাত দিয়া নাছিল। অৱশ্যে তেনে কৰাটো অযুগুত হৈছিল; কাৰণ, সিবিলাকে সেইদেখি নিজৰ ভিতৰত যুদ্ধ-বিগ্ৰহ কৰি থাকিবলৈ সুচল্ পাইছিল; আৰু ইফালে ইংৰাজৰ বিপক্ষে উঠিবলৈকো সাজু হৈছিল। কিন্তু মিণ্টোই বিলাতৰ কোম্পানীৰ হুকুম নেমানি কেনেকৈ পাৰে।

৭। ১৬০০ খৃষ্টাব্দত ৰাণী এলিজাবেথে ইউনাইটেড্ ইষ্ট ইণ্ডিয়া কোম্পানীক ভাৰতৰ লৈতে বেহা-বেপাৰ কৰিবলৈ এখন "চাৰ্টৰ" অৰ্থাৎ অনুমতি-পত্ৰ দিছিল। তাৰ পিছত সময়ে সময়ে ন-ন-কৈ একোখন তেনেকুৱা অনুমতি-পত্ৰ দিয়া হৈছিল। ১৮১৩ খৃষ্টাব্দলৈকে অৰ্থাৎ ২১৩ বছৰ কোম্পানীয়ে অকলসৰীয়াকৈ ভাৰতত বেপাৰ কৰি আছিল, আৰু আন কোনো ইংৰাজ বেপাৰীয়ে ভাৰতত কিনা-বেচা কৰিব নোৱাৰিছিল। কিন্তু সেই বছৰত ইংলণ্ডৰ পাৰ্লেমেণ্টে এই অকল-সৰীয়া বেপাৰৰ ক্ষমতা ভাঙ্গি ভাৰতৰ বেপাৰৰ বাট সকলোলৈকে মুকলি কৰি দিলে।

৮। কিন্তু ইয়াৰ পিছত ২০ বছৰলৈকে পাৰ্লেমেণ্টে মুকলি কৰি দিয়া ভাৰতৰ বেপাৰৰ ক্ষমতা কোনো কামত নেলাগিছিল; কাৰণ, এনে এটা পুৰণি আইন আছিল যে কোনো ইংৰাজে কোম্পানীৰ অনুমতি নোলোৱাকৈ কোম্পানীৰ ৰাজ্যত বাস কৰিব নোৱাৰে।

লৰ্ড হেষ্টিংচ, সপ্তম গৱৰ্ণৰ জেনেৰেল।

১৮১৩—১৮২৩।

মহাৰাষ্ট্ৰ শক্তিৰ অন্ত।

১। এইজন নতুন গৱৰ্ণৰ জেনেৰেলৰ নাম লৰ্ড হেষ্টিংচ। এওঁ

১৮১৩ খৃষ্টাব্দত গৱৰ্ণৰ জেনেৰেল হৈ আহি দহ বছৰ ভাৰত শাসন কৰে। এওঁ ইংলণ্ডৰ বৰ সম্ভ্ৰান্ত ঘৰৰ মানুহৰ ঘৰৰ লৰা আছিল, আৰু নিজে সেনাপতি হৈ অনেক যুদ্ধ কৰিছিল। যদিও এওঁৰ নামে সৈতে প্ৰথম গৱৰ্ণৰ জেনেৰেল ৱাৰেণ হেষ্টিংচৰ নাম মিলে, তথাপি এওঁৰে সৈতে তেওঁৰ কোনো লগা-ভগা নাছিল। বৃটিচ ভাৰত গঢ়া কাৰ্য্যত ক্লাইৱ প্ৰথম, লৰ্ড ৱেলেচ্লি দ্বিতীয়, আৰু এওঁক তৃতীয় বুলিব লাগে।

২। লৰ্ড ৱেলেচ্লিৰ আৰ্হিৰে চলাইহেঁতেন, ভাৰতবৰ্ষত আজিকালি যেনে শান্তি আছে, তেওঁৰ পিছত তেতিয়াও তেনে শান্তি স্থাপিত হৈ থাকিলহেঁতেন। কিন্তু শান্তিৰ সলনি গোটেই মহাৰাষ্ট্ৰ দেশত যুদ্ধৰ জুই জ্বলি উঠিবৰ উপক্ৰম হৈছিল। পিছৰ দহ বছৰত মধ্য-ভাৰতত আৰু এটা ন শক্তিৰ সৃজন হৈ উঠিছিল যাৰ নাম পিণ্ডাৰি।

লৰ্ড হেষ্টিংচ।

৩। পিণ্ডাৰিবোৰ একোদল ডকাইত আছিল। সেই দলবোৰৰ সৰহখিনি পাঠান মুছলমান আৰু মহাৰাষ্ট্ৰ হিন্দুৰে গঠিত হৈছিল। যিয়েই কোনো জগৰ কৰি দণ্ড পাবলৈ ভয় কৰিছিল, সিয়েই পলাই গৈ পিণ্ডাৰিৰ দলত সোমাই সিহঁতৰ লেখ বঢ়াইছিল। পিণ্ডাৰি-বোৰৰ কোনো নিৰ্দ্দিষ্ট দেশ বা ঘৰ-বাৰী নাছিল। সিহঁতৰ গুণ, তালৈকে যুদ্ধ-কৰিব পৰাটোত নাছিল, তালৈকে পলাব পৰাটোতহে আছিল। সিহঁতৰ উদ্দেশ্য দেশ জয় কৰি দখল কৰাটো নাছিল, মাথোন লুটি-পুটি মাৰি-ধৰি দেশ থানবান কৰাটোহে আছিল। যি ভাৰ ৰূপ-ধান কত লুকাই

ধৰেহে, সিহঁতক নকৈছিল, তাক সিহঁতে বৰ নিষ্ঠুৰ ভাৱে শাস্তি দিছিল। জুইত লো তপতাই ৰঙা কৰি তাৰে সিহঁতে তাৰ ভৰিৰ তলুৱা দাগি দিছিল, আৰু গাৰ কাপোৰত তেল ঢালি জুই লগাই দিছিল। সিহঁতৰ ভালেমানে আগেয়ে চিন্ধিয়া আৰু পেচোৱাৰ ফৌজৰ ভিতৰত থাকি বছৰে বছৰে যতে ততে লুটি-পুটি ফুৰিছিল। কিন্তু যেতিয়া মহাৰাষ্ট্ৰা ৰজাবিলাক তেনেকৈ ফুৰিব নোৱাৰা হল, সিহঁতে স্বাধীন ভাৱে লুট-পাট কৰি মহাৰাষ্ট্ৰাবিলাকৰ দৰে চোথ আদায় কৰি ফুৰিবলৈ ধৰিলে। সিহঁতৰ অনেক নায়ক আছিল; কিন্তু সেইবোৰৰ ভিতৰত আমিৰ খাঁ আৰু চিতু খাঁই আছিল। সিহঁতক দমন কৰিবলৈ কোনো নথকা বাবে সিহঁতৰ লেখ বাঢ়ি বাঢ়ি লাহে লাহে ৬০,০০০ হৈছিলগৈ।

৪। ভাৱৰ মহাৰাষ্ট্ৰা ৰজাবিলাকে যদিও বাহিৰে ইংৰাজৰ বন্ধু আৰু মিত্ৰ-ৰজা হৈ থকাটো দেখুৱাই আছিল, কিন্তু ভিতৰি তেওঁলোকে আগৰ তেওঁলোকৰ হেৰোৱা ক্ষমতা পাবলৈ আৰু স্বাধীন ভাৱে দেশত লুট-পাট কৰি ফুৰিবলৈ বৰ হেপাহ কৰিছিল; সেই নিমিত্তে তেওঁলোকে পিণ্ডাৰিবোৰক মনে মনে সকলো প্ৰকাৰে সহায় কৰি আছিল। তেওঁলোকৰ মনত এই আশা আছিল, যে তেওঁলোকে এদিন নহয় এদিন ইংৰাজক হৰুৱাই আগৰ স্বাধীনতা লভিব পাৰিব, নাইবা, অন্ততঃ ইংৰাজে পিণ্ডাৰিহঁতৰ লগতে যুদ্ধত লাগি থাকিলে, তেওঁলোকে গা জোকাৰি উঠিলেও আৰু তেওঁলোকৰ লগতে ইংৰাজে সতকাই ৰণ কৰিব নোৱাৰিব।

৫। লৰ্ড হেষ্টিংচে ভাৰতবৰ্ষ পায়েই দেখিলে যে যদি ইংৰাজ গৱৰ্ণমেণ্টে লৰ্ড ৱেলেচলিৰ প্ৰথা আকৌ অৱলম্বন কৰি নচলে, তেন্তে অতি সোনকালে ভাৰত আকৌ আগৰ ভয়ঙ্কৰ অৱস্থাত পৰিবগৈ, যাৰ পৰা সেইজনা বিচক্ষণ গৱৰ্ণৰ জেনেৰেলে ভাৰতক উদ্ধাৰ কৰিছিল। তেওঁ বিলাতলৈ চিঠি লেখিলে যে লৰ্ড ৱেলেচলিৰ প্ৰথাই ভাৰতবৰ্ষ ৰক্ষা কৰিবৰ একেটা মাথোন উপায়; কাৰণ, বৃটিচ ভাৰত উত্তৰকালে

গুৰ্খাবিলাকে আক্ৰমণ কৰিছে; দক্ষিণফালে পিণ্ডাৰিবিলাকে লুট-পাট কৰিছে; আৰু এটাইবিলাক মহাৰাট্টা ৰজাই মধ্যভাৰতত বিদ্ৰোহী হৈ উঠিবৰ উপক্ৰম কৰিছে। মহাৰাট্টাৰ ভয়ত সোতমোত খাই অকল নিজামেইহে ইংৰাজৰ বিশ্বাসী হৈ আছে। হেষ্টিংচৰ ওপৰত বৃটিচ গবৰ্ণমেণ্টৰ সম্পূৰ্ণ বিশ্বাস আছিল গতিকে, তেওঁলোকে বুজিলে যে তেওঁৰ কথা সঁচা। সেইদেখি বৃটিচ গবৰ্ণমেণ্ট হেষ্টিংচলৈ লেখিলে যে তেওঁ লৰ্ড. ৱেলেচ লিৰ প্ৰথা সম্পূৰ্ণৰূপে চলাব পাৰে।

৬। গুৰ্খাবিলাক নেপালৰ ৰজাৰ জাতৰ মানুহ। নেপাল, কাশ্মীৰৰ পূবফালে হিন্দুস্থান আৰু তিব্বতৰ মাজৰ হিমালয় পৰ্ব্বতৰ দাঁতিৰ এখন দেশ। সি দীঘলে ৭০০ মাইল আৰু পথালিয়ে ১০০ মাইল। লৰ্ড হেষ্টিংচ ভাৰতলৈ অহাৰ সময়তে গুৰ্খাবিলাকে বিনা কাৰণতে অযোধ্যাৰ খনচেৰেক গাওঁ আক্ৰমণ কৰি তাৰ গাওঁবুঢ়া কেইজনক বধ কৰে। সেইদেখি গবৰ্ণৰ জেনেৰেলে গুৰ্খাবিলাকৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি চাৰিটা ফৌজ পঠিয়াই দিলে। হিমালয় পৰ্ব্বতৰ ওপৰলৈ গধূৰ বৰ-হিলৈবোৰ তোলোঁতে ইংৰাজৰ বৰ দুখ হৈছিল, আৰু গুৰ্খাবোৰেও বৰ সাহেৰে ৰণ কৰিছিল। ইংৰাজৰ ফালৰ চাৰিটা ফৌজৰ তিনটা হুহকি আহিব লগীয়াত পৰিছিল। কিন্তু জেনেৰেল অক্টৰলনিৰ তলত চতুৰ্থটো ফৌজে গুৰ্খাবিলাকক পদে পদে হকৰাই নি নেপালৰ ৰাজধানী কাটমণ্ডুৰ ওচৰ পোৱালত গুৰ্খা ৰজাই ১৮১৬ খৃষ্টাব্দত ইংৰাজৰ সৈতে চিগোলিৰ্ত সন্ধি কৰিলে সেই সন্ধি মতে গুৰ্খাবিলাকে তেওঁলোকৰ দেশৰ পশ্চিমফাল ডোখৰ অৰ্থাৎ কামায়ুন বিভাগ ইংৰাজক এৰি দিলে। সেই বিভাগতে গবৰ্ণৰ জেনেৰেলৰ আজিকালিৰ ঘাম-কলীয়া ৰাজধানী চিমলা পৰিছে; আৰু মচুৰি আৰু নাইনিতালো তাৰ ভিতৰতে পৰিছে। কাটমুণ্ডত "ৰেচিডেণ্ট" বুলি এজন ইংৰাজ বিষয়া থোৱা হল।

৭। তেতিয়াৰপৰা নেপালৰ ৰজা ইংৰাজৰ মিত্ৰ-ৰজা হৈ আছে, আৰু বিস্তৰ গুৰ্খাক ইংৰাজ ৰণুৱা বিষয়াৰ তলত চিপাহী কৰি সুকীয়াকৈ একোটা পল্টন কৰি ইংৰাজ গৱৰ্ণমেণ্টৰ ফৌজত ৰখা হৈছে। গুৰ্খা-বিলাক আজিকালি ইংৰাজৰ ফৌজৰ ভিতৰত প্ৰথম শাৰীৰ ৰণুৱা বুলি লেখত পৰিছে।



গুৰ্খা ৰণুৱা বিষয়া।

৮। ইংৰাজ গুৰ্খাবিলাকৰ সৈতে যুদ্ধত লাগি থাকোঁতেই, ইফালে পিণ্ডাৰিবোৰৰ সাহ আগতকৈও বাঢ়ি গল; আৰু বাজীৰাও পেচোৱাই সিহঁতক চাৰিউফালে লুট-পাট আৰু ডকাইতি কৰিবলৈ উদগাবলৈ ধৰিলে। ১৮১৬ খৃষ্টাব্দত লৰ্ডহেষ্টিংচে মাদ্ৰাজ বোম্বাই আৰু বঙ্গদেশৰ পৰা ১২০,০০০ সৈন্য গোটাই পিণ্ডাৰিবোৰক এনেকৈ বেৰি চেপি ধৰিলে যে সিহঁতৰ কোনো পলাব নোৱাৰাত পৰিল। সিহঁতে ইংৰাজৰ সৈতে ৰণ নিদিয়া বাবে কোনো যুদ্ধ নহল। ভালেমান পিণ্ডাৰিক ইংৰাজৰ

সেনাই মাৰিলে, কিছুমান পলাই গৈ অস্ত্ৰ-শস্ত্ৰ পেলাই গাঁও-ভুঁইত বসতি কৰি গাৱঁলীয়া মানুহৰ দৰেই শান্ত হল। সিহঁতৰ মাই চৰ্দাৰ চুৰুনৰ ভিতৰৰ চিতুক বাঘে খালে; আৰু আমিৰ খাঁ ইংৰাজৰ শৰণাগত হোৱাত, ইংৰাজে তেওঁক নবাব উপাধি দি ৰাজপুতনাত টঙ্ক নামে এখন সৰু জমিদাৰী দিলে। আনবিলাক সৰু চৰ্দাৰৰ ভিতৰত যিবোৰে ইংৰাজৰ শৰণাগত হৈছিল সেই বোৰক ইংৰাজ গবৰ্ণমেণ্টে একোখন সৰু গাওঁ বা জমিদাৰী দি পাতিলে। এনেকৈ

আমিৰ খাঁ।

পিণ্ডাৰিবোৰক দমন কৰা হল, যে ১৮১৮ খৃষ্টাব্দত ভাৰতবৰ্ষত এটা পিণ্ডাৰিবো চিন-মোকাম নাইকিয়া হৈছিল।

লৰ্ড হেষ্টিংচ। (ক্ৰমশঃ)

১। ইয়াৰ ভিতৰতে পেচোৱা বাজীৰাৱে, ইংৰাজে পিণ্ডাৰিবোৰক দমন কৰিব নোৱাৰিলে ভাবি, সৰহকৈ সৈন্য গোটাই এটা ডাঙৰ ফৌজ কৰি লৈ, ১৮১৭ খৃষ্টাব্দত পুনাৰ ওচৰৰ কিৰ্কি নামে ঠাইত থকা ইংৰাজ সৈন্যক আক্ৰমণ কৰিলে। কিন্তু ইংৰাজৰ হাতত তেওঁ ঘাটিল, আৰু তেওঁৰ অনেক সৈন্য মৰা পৰিল। তাৰ পিছত কিছুমান দিন তেওঁ ঘূৰি-পকি ফুৰি শেহত ইংৰাজৰ হাতত আত্মসমৰ্পণ কৰিলে। লৰ্ড হেষ্টিংচে ভালকৈ বুজিছিল যে পেচোৱাক বিশ্বাস কৰিব নোৱাৰি; কাৰণ, পেচোৱাই বাৰে বাৰে বিশ্বাসঘাতকতা কৰি নিজৰ কথা ৰখা নাছিল।

সেইবাৰে লৰ্ড হেষ্টিংচে পেচোৱাৰ গোটেইখন দেশ কাঢ়ি লৈ তেওঁক এটা ডাঙৰ বৃত্তি দি কানপুৰৰ ওচৰত বিঠুৰ নামে ঠাইত থৈ দিলে।

২। ইয়াৰ কিছুমান দিনৰ আগেয়ে নাগপুৰৰ ৰজা ৰঘুজী ভোঁচলাৰ মৃত্যু হোৱাত তেওঁৰ ভতিজাক আপাচাহাবে নাগপুৰৰ ৰাজপাটত উঠি ইংৰাজৰ সৈতে এখন সন্ধিপত্ৰ কৰে। কিন্তু আপাচাহাবে তলে তলে বাজীৰায়ে সৈতে ইংৰাজৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি থাকি, যেতিয়া বাজীৰাৱে কিৰ্কিত ইংৰাজৰ সৈন্য আক্ৰমণ কৰিলে, তেত্ৰোঁ ১৮১৭ খৃষ্টাব্দত নাগপুৰৰ ওচৰৰ সীতাবল্দি পৰ্ব্বতত থকা ইংৰাজ ৰেচিডেণ্টক আক্ৰমণ কৰিলে। ৰেচিডেণ্ট মিষ্টৰ জেন্‌কিন্সৰ লগত ইংৰাজী সৈন্য নাছিল, মাথোন ১৪০০ চিপাহীৰে সৈতে জনচেৰেক ইংৰাজ বণুৱা বিষয়া আছিল। আপাচাহাবে ভাবিছিল যে, তেওঁ তেওঁৰ ১৮০০ সৈন্যৰে সৈতে ইংৰাজৰ সেই ১৪০০ চিপাহীক অনায়াসে খেদাৰি পেলাব পাৰিব। ৰাতি যুদ্ধ আৰম্ভ হৈ পিছদিনা গোটেইটো দিন চলি শেহত আপাচাহাবৰ সৈন্য সমূলী পৰাস্ত হল; আৰু আপাচাহাব ৰাজপুতনালৈ পলাই গুচি গল। ৰাজপুতনাতে বছৰ চেৰেকৰ পিছত আপাচাহাবৰ মৃত্যু হল। ইয়াৰ পিছত ইংৰাজে ৰঘুজী ৰজাৰ কেচুৱা নাতি এজনক নাগপুৰৰ সিংহাসনত বহুৱাই ৰজা পাতিলে।

৩। যশৱন্তৰাও হলকাৰৰ মৃত্যুৰ পিছত তেওঁৰ বিধৱা ৰাণী তুলসী বায়ে ৰাজ্যশাসন কৰিছিল। তেওঁ যেতিয়া শুনিলে যে বাজীৰাও পেচোৱাই ইংৰাজৰ সৈতে যুদ্ধ কৰিছে, তেত্ৰোঁ সৈন্য লৈ বাজীৰাওক সহায় কৰিবলৈ দক্ষিণলৈ গল। ৰাণীৰ ফৌজ ইংৰাজ সেনাপতি স্যাৰ জন মেল্‌-কমৰ সৈন্যৰ ওচৰ পালত, মেলকমে ৰাণীলৈ সন্ধিৰ প্ৰস্তাৱ কৰি কৈ পঠিয়ালে, যে ইংৰাজৰ বিৰুদ্ধে পেচোৱাক সহায় কৰিবলৈ যোৱাটো তেওঁৰ পক্ষে বুধিয়কৰ কাম হোৱা নাই। তুলসী বায়ে ইংৰাজ সেনাপতিৰ কথা বুজি সন্ধি কৰিবলৈ মান্তি হব খোজা দেখি তেওঁৰ

মহাৰাষ্ট্ৰা সেনাপতিবিলাকে ধ্বংস কৰি তেওঁক বধ কৰিলে। ১৮১৭ খৃষ্টাব্দত মহাৰাষ্ট্ৰাবিলাকে মহীদপুৰত ইংৰাজ সৈন্যক আক্ৰমণ কৰি তাৰ জন মেলকমৰ হাতত সমূলী ঘাটিল। তাৰ পিছত লৰ্ড হেষ্টিংচে যশমন্ত ৰাও হুলকাৰৰ মুলহৰ ৰাও নামে কেচুৱা লৰা এজনক ইন্দোৰৰ ৰজা পাতি তাত তেওঁক ৰক্ষা কৰি থাকিবলৈ এটা ইংৰাজ ফৌজ থৈ দিলে।

৪। পাঁচজন ভাওৰ মহাৰাষ্ট্ৰা ৰজাই, তেওঁলোকৰ দেশত ইংৰাজৰ কালৰপৰা পোৱা সহায়ক সেনাৰ খৰচৰ নিমিত্তে যি কেইখন দেশ ইংৰাজক দিছিল, সেই কেইখন,—১৮০২ খৃষ্টাব্দত বেচেইনৰ সন্ধিপত্ৰ মতে বাজীৰাওৰপৰা পোৱা দেশৰ সৈতে লগ লগাই লৰ্ড হেষ্টিংচে ১৮১৮ খ্ৰীষ্টাব্দত বোম্বাই প্ৰেচিডেন্সি কৰিলে।

৫। ১৮২৩ খ্ৰীষ্টাব্দত লৰ্ড হেষ্টিংচে কাম এৰি বিলাতলৈ গল। দহ বছৰৰ ভিতৰত তেওঁ, লৰ্ড ৱেলেচ্লিয়ে আৰম্ভ কৰা কাম শেষ কৰি, ইংৰাজক ভাৰতবৰ্ষৰ ভিতৰত সকলোতকৈ ডাঙৰ ৰাজশক্তি কৰি তুলিলে।

লৰ্ড আমহাৰ্ষ্ট, অষ্টম গৱৰ্ণৰ জেনেৰেল।

১৮২৩—১৮২৮।

১। ১৮২৪ খ্ৰীষ্টাব্দত ব্ৰহ্মদেশৰ ৰজাই, বঙ্গদেশৰ কাষতে থকা আসাম জয় কৰিলে; আৰু ইংৰাজক আক্ৰমণ কৰি, সাগৰৰ পাৰৰ ওচৰৰ এটা দ্বীপ বখীয়া কিছুমান মানুহক বধ কৰিলে। গৱৰ্ণৰ জেনেৰেলে ব্ৰহ্ম ৰজালৈ চিঠি লেখি সুধি পঠিয়ালে, যে তেওঁ তেনে কৰিবৰ কাৰণ কি? কিন্তু সেই চিঠিৰ উত্তৰ স্বৰূপে ব্ৰহ্মৰাজে বঙ্গদেশৰ উত্তৰ-পূবকালে থকা কাছাৰলৈ এটা ফৌজ পঠিয়াই দিলে মাথোন। ব্ৰহ্মদেশৰ ৰজাৰ সেই ফৌজক ইংৰাজে কাছাৰৰপৰা খেদি দি,

জাহাজেৰে কিছুমান সৈন্য ৰেঙ্গুণ আক্ৰমণ কৰিবলৈ পঠিয়াই দিলে; আৰু সেই সৈন্যই ৰেঙ্গুণ দখল কৰিলে।

২। ব্ৰহ্মদেশৰ ৰজাই ইংৰাজৰ পৰাক্ৰমৰ বিষয়ে একোকে নেজানি, ইংৰাজ সেনাপতি স্তাৰ এ কেম্বেলক খেদাই দিবলৈ তেওঁৰ সেনাপতি বান্দুলাক তাঙৰ ফৌজ এটাৰে সৈতে পঠিয়াই দিলে। বান্দুলাই গৱৰ্ণৰ জেনেৰেলক বন্দী কৰি বান্ধি ব্ৰহ্ম ৰজাৰ ৰাজধানী আভালৈ লৈ যাবলৈ, সোণৰ শিকলি লৈ আহিছিল। কিন্তু ইংৰাজ সেনাপতিয়ে যুদ্ধত তেওঁক হেলা-বঙে হৰুৱাই গোটেই আসাম আৰু আৰাকান অধিকাৰ কৰি



ভৰতপুৰৰ দুৰ্গ।

ঐৰাৱতী নৈয়েদি উজাই গৈ আভাৰ কাষ পালেগৈ। বান্দুলা সেই যুদ্ধতে মৰে। ইংৰাজ সেনাপতি আভাৰ ওচৰ পোৱাগৈ দেখি, ব্ৰহ্মৰাজে কথা বিসঙ্গতি বুজি সৈমান হৈ ১৮২৬ খৃষ্টাব্দত যাণ্ডাবুত সন্ধি কৰিলে।

৩। য়াণ্ডাবুৰ সন্ধিমতে আসাম, আৰাকান, আৰু টেনাচেৰিম ইংৰাজৰ হাতলৈ আহিল।

৪। ভৰতপুৰৰ দুৰ্গটো ভাৰতবৰ্ষৰ ভিতৰত এটা দুৰ্জয় দুৰ্গ আছিল। ইংৰাজে আগেয়ে দুবাৰ এই দুৰ্গটো আক্ৰমণ কৰিও লব পৰা নাছিল দেখি, ভৰতপুৰৰ ৰজাৰ আৰু ভাৰতবৰ্ষৰ আন অনেক ৰজাৰ মনত এনে এটা সংস্কাৰ জন্মিছিল যে সি অজয়। ১৮২৬ খৃষ্টাব্দত ভৰতপুৰৰ ৰজাৰ মৃত্যু হলত, আন এজন ৰজাই, যাৰ ভৰতপুৰ ৰাজ্যৰ ওপৰত কোনো স্বত্ব নাছিল, ভৰতপুৰ অধিকাৰ কৰিলে। লৰ্ড আমহাৰ্ষ্ট, আগৰ ভৰতপুৰৰ ৰজাৰ পুতেকক সিংহাসনত বহুৱাই ৰজা পাতিবলৈ লৰ্ড কম্বৰ্‌মিয়েৰক পঠিয়াই দিলে। কম্বৰ্‌মিয়েৰে কণাই-খাৱেৰে ভৰতপুৰৰ দুৰ্গৰ পকি দেৱালৰ উফাট দি দুৰ্গটো দখল কৰি, আচল উত্তৰাধিকাৰীক সিংহাসনত বহুৱাই ৰজা পাতি গুচি আহিল।

লৰ্ড উইলিয়েম বেণ্টিঙ্ক, নৱম গৱৰ্ণৰ জেনেৰেল।

১৮২৮—১৮৩৫।

১। লৰ্ড উইলিয়েম-বেণ্টিঙ্ক এজন জ্ঞানী, দয়ালু আৰু সজ গৱৰ্ণৰ জেনেৰেল আছিল। তেওঁ তেওঁৰ সাত বছৰীয়া শাসনকালৰ ভিতৰত আগৰ আটাইবিলাক গৱৰ্ণৰ জেনেৰেলতকৈ কিছুমান বিষয়ত ভাৰতৰ মানুহৰ অনেক ভাল কৰিলে। তেওঁ তেনে কৰিব পৰাৰ কাৰণ, তেওঁৰ সময়ত ভাৰতত যুদ্ধ-বিগ্ৰহ নহৈ শান্তি স্থাপিত হৈ আছিল।

২। ভাৰতত বাটকৰা মানুহৰ নিমিত্তে বাটবিলাক নিৰাপদ কৰাটো, বেণ্টিঙ্কে কৰা প্ৰথম কামবিলাকৰ ভিতৰৰ এটা। তেতিয়া যদিও মহাৰাষ্ট্ৰবিলাকে দেশত উপদ্ৰৱ কৰি দুখ বন্ধ হৈছিল, আৰু পিণ্ডাৰি-বোৰক সমূলি দমন কৰা হৈছিল, তথাপি দলে দলে ডকাইত আৰু ঠগ

প্ৰায় গোটেইখনতে আছিল। এঠাইৰপৰা আন এঠাইলৈ যোৱা অনেক

লৰ্ড উইলিয়েম বেণ্টিঙ্ক।

মানুহে উভতি ঘৰ নেপাইছিলহি। ভালেমান মানুহ বিদেশলৈ যাবলৈ ঘৰ এৰি গৈ আৰু নিৰুদ্দেশ হৈছিল; কাৰণ, সিহঁতক ডকাইতে ধৰি বাটতে মাৰি পেলাইছিল।

৩। ডকাইতবিলাকে দেৱকুৰি বা ছকুৰি মানুহৰ একোটা দল বান্ধি, সৰ্ব্বসাধাৰণ বাটকৰা মানুহৰ দৰে কাপি-কাপোৰ পিন্ধি ওলাই গৈছিল, আৰু যতে ধনী মানুহৰ ঘৰ দেখিছিল ততে ৰাতি হাতত অস্ত্ৰ লৈ সোমাই গৃহস্থক নিষ্ঠুৰ ভাৱে মাৰি কাটি ধনবস্তু ডকাদি লৈ গুচি গৈছিল।

ঠগ।

৪। ঠগবিলাক কালিপূজক আছিল। সিঁহত ম্হোটা বাৰটা বা তাতকৈও সৰহ হৈ গোটখাই দল বান্ধি ফুৰিছিল। সিঁহতেও গাৰুলীয়া মানুহৰ নিচিনাকৈ সাজ পিন্ধি বেশ ছন কৰি ফুৰি বাটকৰা মানুহৰ লৈতে মিতিৰালি পাতি তাক ভুলাই লৈ গৈ নিজান বাটত বা হাবিত এখন গামোছাৰে তাৰ ডিঙিত খোবোচা গাঁঠি লগাই টানি উশাহ বন্ধ নোহোৱাকৈ মাৰিছিল। তাৰ পাছত সিঁহতে কপ-বান কানি-কাপোৰ কাটি লৈ শৱটো মাটিত পুতি থৈছিল। ঠগবিলাকে ভাবিছিল যে, সিঁহতৰ কালী গোসানী সেই কাৰ্য্যৰ নিমিত্তে সিঁহতৰ ওপৰত প্ৰসন্ন হৈছিল। সিঁহতে সেই ভয়ঙ্কৰ কাম নকৰা ভোখৰ কালত আন মানুহৰ দৰে খেতি-পথাৰ কৰিছিল, নাইবা দোকান-পোহাৰ দিছিল; আৰু

সতী যোৱা।

কোনেও সিঁহতক চিনিব নোৱাৰিছিল। ঠগবিলাকৰ ভিতৰত, আনে বুজিব নোৱাৰা এটা সাঙ্কেতিক ভাষা আৰু ঠাৰ-চিয়াঁৰ আছিল।

৫। বেণ্টিঙ্কে ঠগ আৰু ডকাইতবোৰক ধৰিবলৈ ইংৰাজ বিষয়া-বিলাকক হুকুম দিলে। সাত আঠ বছৰৰ ভিতৰতে ১৫০০ ঠগ ধৰা পৰিল; আৰু তাৰ বছৰ দিয়েকৰ পিছত এটা ঠগও সাইকিয়া হৈ

বাটকৰা মানুহৰ নিমিত্তে, অনেক শতিকাৰ পিছত এই প্ৰথম, ভাৰতবৰ্ষৰ বাটবোৰ ঠগ আৰু ডকাইতৰ হাতৰপৰা নিৰাপদ হল।

৬। হিন্দুবিলাকৰ ভিতৰত, সতী হোৱা নামে এটা নিষ্ঠুৰ প্ৰথা অনেক কালৰপৰা চলি আহিছিল। বিধৱাই গিৰিয়েকৰ মৰা-শটোৰ সৈতে একেখন চিতাতে পুৰি মৰাটোকে সতী হোৱা বোলে। হাজাৰ হাজাৰ হিন্দু বিধৱা এইদৰে পুৰি মৰিছিল। পুতেকহঁতে মাকক এইদৰে পুৰি মৰাটো এনে ভয়ঙ্কৰ কাম যে তাক বিশ্বাসকে কৰিব নোৱাৰি। কিন্তু ১৮১৭ খৃষ্টাব্দত এক বঙ্গদেশতে এবছৰৰ ভিতৰত ৭০০ বিধৱা এইদৰে সতী গৈছিল। আকবৰে এই নিষ্ঠুৰ প্ৰথা বন্ধ কৰিবলৈ চেষ্টা কৰিও নোৱাৰিলে; কিন্তু বেণ্টিংকে চিৰকাললৈকে তাক বন্ধ কৰি দি সকলো হিন্দুৰ শলাগৰ পাত্ৰ হল।

৭। ১৮৩৩ খৃষ্টাব্দৰ আগেয়ে ভাৰতৰ মানুহে ইষ্ট ইণ্ডিয়া কোম্পানীৰ কোনো ডাঙৰ বা সৰহ দৰমহাৰ চাকৰি পাব নোৱাৰিছিল। কিন্তু এই বছৰতে বেণ্টিংকে এটা আইন কৰি ভাৰতবৰ্ষীয় মানুহৰ নিমিত্তে, কোম্পানীৰ ঘৰৰ তেনেকুৱা চাকৰিলৈ বাট মুকলি কৰি দিলে। সেই আইন মতে, যি কোনো ভাৰতবৰ্ষীয় মানুহেই উপযুক্ত হলে তেনে চাকৰি পাব পৰা হল। প্ৰথমতে তেনে উপযুক্ত দেশী মানুহ যদিও সৰহকৈ পোৱা নগৈছিল, কিন্তু লাহে লাহে বছৰে বছৰে তেনে মানুহৰ লেখ বাঢ়ি আহিবলৈ ধৰিলে; আৰু আজিকালি বিস্তৰ মানুহ গৱৰ্ণমেণ্টৰ তেনে চাকৰিত আছে। বেণ্টিংকেই প্ৰথমতে ভাৰতবৰ্ষীয় মানুহলৈ গৱৰ্ণমেণ্টৰ ঘৰৰ ডাঙৰ ডাঙৰ বিষয়বোৰৰ বাট মুকলি কৰি দিলে; আৰু তেতিয়াৰেপৰা আজিলৈকে সেই বাট বহল হৈ মুকলি হৈ আছে।

ভালেমান দেশী মানুহক ডেপুটি কলেক্টৰ আৰু চৰ জজ পতা হৈছিল।

৮। ইমানবিলাক দেশী মানুহক গৱৰ্ণমেণ্টৰ ঘৰৰ বিষয়ত সুমাই লোৱা হল, আৰু তেওঁলোকে ইংৰাজ বিষয়াৰ সৈতে সততে ইমানকৈ

এনে লগে কাম-কাজ কৰিব লগীয়া হল, যে তেওঁলোকে ইংৰাজী ভাষা কষ্ট পঢ়িব আৰু লেখিবলৈ নিশিকিলে নচলাত পৰিল। আৰু ইংৰাজী ভাষাৰ কিতাপত ইমানবিলাক লাগতিয়াল জ্ঞান, বিজ্ঞান, দৰ্শন, শিল্প সাহিত্যৰ কথা আছে যে, ভাৰতবৰ্ষৰ কোনো ভাষাৰ কিতাপত সেইবোৰ পোৱা নাযায়। ভাৰতৰ মানুহে ইংৰাজী ভাষা নিশিকিলে, কেনেকৈ এই বিদ্যাৰ ভঁৰালৰ পৰা জ্ঞান লভিব? পৃথিবীৰ যি দেশতে যি লাগতিয়াল জ্ঞান বিদ্যাৰ কথা আছে, তাকে ইংৰাজী কিতাপত পোৱা যায়; কাৰণ, ইংৰাজসকলে গোটেই পৃথিবীত ফুৰি সেইবিলাক নিজৰ ভাষালৈ তাঙি ইংৰাজী ভাষাৰ কিতাপৰ ভঁৰাল চহকী কৰিছে। বাস্তৱতে, ইংৰাজী ভাষাৰ পুথিবোৰ গোটেইখন পৃথিবীৰ জ্ঞানৰ ভঁৰাল স্বৰূপ; আৰু ইংৰাজী ভাষা জনাটো সেই ভঁৰালৰ সচাৰ-কাঠীটো হাতত পোৱাৰ নিচিনা।

ভাৰতৰ মানুহক ইংৰাজী শিক্ষা দিবলৈ বেণ্টিঙ্কে ইংৰাজী স্কুল পাতিবলৈ হুকুম দিলে; আৰু তেতিয়াৰেপৰা ভাৰতত হাজাৰ হাজাৰ ইংৰাজী স্কুল হৈ দেশী মানুহক ইংৰাজী শিক্ষা দিব লাগিছে।

৯। ভাৰতবৰ্ষৰ মানুহ নানা জাতিৰ আৰু নানা ফৈদৰ। প্ৰত্যেক জাতিৰ আৰু প্ৰত্যেক ফৈদৰে সুকীয়া ভাষা। মাদ্ৰাজৰ মানুহে পঞ্জাবৰ মানুহৰ মাত নুবুজে, আৰু পঞ্জাবীয়েও মাদ্ৰাজীৰ মাত নুবুজে। কিন্তু ইংৰাজী ভাষা পঞ্জাবৰ আৰু মাদ্ৰাজৰ স্কুলত শিকোৱা যাৱে, এতিয়া এজন পঞ্জাবীয়ে এজন মাদ্ৰাজীৰ সৈতে সুকলমে সেই ভাষাত কথা কৈ মনৰ ভাব লেনা-দেনা কৰিব পৰা হল। এইদৰে পঞ্জাবী মাদ্ৰাজী বঙ্গালী আৰু অসমীয়া আদি জাতিৰ মানুহে একেটা ৰাজভাষাতে কথা কৈ একেজন ৰজাৰ প্ৰজা হৈ এটা ডাঙৰ ভাৰতবৰ্ষীয় জাতি হৈ উঠিছে।

১০। মোগল আৰু আফগান ৰজাবিলাকৰ দিনত ফাৰ্চী ভাষা চৰকাৰী আদালত আৰু কাছাৰীত ব্যৱহাৰ কৰা হৈছিল। ইংৰাজ

ভাৰতৰ ৰজা হোৱা গতিকে, বেণ্টিঙে ফাৰ্চী ভাষাৰ ঠাইত ইংৰাজী ভাষা চলালে।

লৰ্ড উইলিয়ম বেণ্টিঙ্ক ; আৰু স্যাৰ চাৰ্লচ মেটক্বাফ, প্ৰতিনিধি গবৰ্ণৰ জেনেৰেল।

১৮৩৫—১৮৩৬।

১। গবৰ্ণৰ জেনেৰেল ভাৰতবৰ্ষৰ ৰজাবিলাকৰ ওপৰত ৰজা; সেই দেখি যাতে সেই ৰজাবিলাকে ইটোৱে সিটোৱে যুদ্ধ নকৰে, আৰু নিজৰ নিজৰ ৰাজ্যবোৰ সুশাসন কৰি প্ৰজাৰ ওপৰত অত্যাচাৰ নকৰে, সেইটো তেওঁৰ দেখা কৰ্ত্তব্য।

গোৱালিয়ৰৰ ৰজা দৌলৎৰাও চিন্ধিয়া অপুত্ৰক হৈ মৰিল। তেওঁৰ মৃত্যুৰ পিছত ৰাণী আৰু তাওঁৰ বিষয়াবিলাকৰ মাজত দন্দ লাগি যুদ্ধ হল। বেণ্টিঙে ৰাণীৰ হতুৱাই এজন তোলনীয়া-পো লোৱালে; আৰু জনকজী নামে সেই লৰাটি তাওঁৰ হলত তেওঁক ৰজা পাতিলে।

মুলহাৰ ৰাও হুলকাৰও অপুত্ৰক হৈ মৰিলত, তেওঁৰ ৰাণীয়ে সিংহাসন অধিকাৰ কৰিবলৈ চেষ্টা কৰাত, তেওঁৰ আৰু তাওঁৰ বিষয়াবিলাকৰ মাজত কন্দল হৈ যুদ্ধ লাগিল। বেণ্টিঙে মুলহাৰ ৰাও হুলকাৰৰ সমন্ধীয়া এজনক ৰজা পাতি দিলত প্ৰজাবিলাক সন্তুষ্ট হল, আৰু ৰাজ্যত অশান্তি গুচিল।

ৰাজপুতনাৰো অনেক ৰাজ্যত বেণ্টিঙে এইদৰেই কন্দলৰ মীমাংসা কৰিছিল; আৰু প্ৰকৃত ৰাজ বিদ্ৰোহীক টান হাতেৰে দমন কৰি, ৰকৰা বিবাদ-বিসম্বাদৰ ওৰ পেলাই হাজাৰ হাজাৰ মানুহৰ প্ৰাণ ৰক্ষা কৰিছিল।

২। আমি আগেয়ে কৈ আহিছোঁ যে ১৭৯৯ খৃষ্টাব্দত টিপু চুলতানৰ পতনৰ পিছত লৰ্ড ৱেলেচ্‌লিয়ে কৃষ্ণ ৰজা নামে সৰু লৰা এটিক মহীশুৰৰ ৰজা পাতে। কৃষ্ণ ৰজা যোল বছৰীয়া হলত তেওঁক মহীশুৰৰ ৰাজপাট

দিয়া হল। কিন্তু তেওঁ বৰ বেয়া শাসনকৰ্ত্তা হৈ উঠিছিল। নিজৰ ৰং-ধেমালিত তেওঁ ৰাজ ভঁৰালৰ ধন-বিত লোপাকে উৰাইছিল; আৰু যেয়ে সৰহকৈ ধন দিছিল, তাকে ডাঙৰ বিষয়বোৰ নীলাম কৰি বেচাদি বেচিছিল। নিজৰ সৈন্যবোৰক তেওঁ দৰমহা নিদিছিল; আৰু মহীশূৰৰ প্ৰজাক বৰ দুখ দিছিল।

মহীশূৰৰ কৃষ্ণ ৰজা।

শেহত তেওঁৰ অত্যাচাৰ সহিব নোৱাৰি ১৮৩০ খৃষ্টাব্দত মহীশূৰৰ প্ৰজা বেদ্ৰোহী হৈ উঠিল। বেণ্টিঙ্কে ইংৰাজ ফৌজ এটা মহীশূৰলৈ পঠিয়াই দি বিদ্ৰোহ দমন কৰি ৰজাক বৃত্তি এটা দি থলে; আৰু তাৰ

'পিছৰপৰা ৫০ বছৰলৈকে "মহীশুৰ কমিশ্যন" নামে কিছুমান ইংৰাজ বিষয়াই মহীশুৰৰ শাসন কাৰ্য্য চলাই আছিল। ইংৰাজৰ শাসনত দেশ উন্নতি কৰি চহকী হল, আৰু প্ৰজাবিলাক সুখীয়া হল। কৃষ্ণ ৰজাৰ হতুৱাই এজন তোলনীয়া-পো লোওৱা হল; সেই লৰা ডাঙৰ হলত তেওঁক ৰজা পতা হল; আৰু "মহীশুৰ কমিশ্যন"ৰ ওৰ পৰিল।

৩। ১৮১৩ খৃষ্টাব্দলৈকে, ভাৰতত আৰু চীনত বেহা বেপাৰ কৰিবলৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হে মাথোন অকলসৰীয়া অধিকাৰ আছিল। ১৮১৩ খৃষ্টাব্দত লৰ্ড হেষ্টিংচৰ দিনত, ভাৰতত বেহা-বেপাৰ কৰিবলৈ সকলোকে অধিকাৰ দিয়া হল। কিন্তু যদিও নামত সকলোৱে সেই অধিকাৰ পাইছিল, কাৰ্য্যত সি নোপোৱাৰ নিছিনাই হৈ আছিল; কাৰণ, এটা পুৰণি আইন মতে, ইষ্ট ইণ্ডিয়া কোম্পানীৰ অনুমতি নোলোৱাকৈ কোনেও ভাৰতত বাস কৰিব নোৱাৰিছিল। কুৰি বছৰৰ পিছত ১৮৩৩ খৃষ্টাব্দত বিলাতৰ পাৰ্লেমেণ্টে ইষ্ট ইণ্ডিয়া কোম্পানীক নতুন "চনদ" দিওঁতে এই নিয়ম কৰিলে যে কোম্পানীয়ে ভাৰতত অকল ৰাজ্যশাসন কাৰ্য্যহে কৰিব পাৰিব, বেহা-বেপাৰ কৰিব নোৱাৰিব। এই সময়ৰপৰা যেই সেই ইংৰাজ আহি ভাৰতত যতে ততে বাস কৰিব পৰা হল; আৰু অনেক ইংৰাজ বেহা-বেপাৰ কৰিবলৈ আৰু দেশ চাবলৈ ভাৰতলৈ আহিল। ভাৰতৰ বেহা-বেপাৰ খুব বাঢ়ি আহিবলৈ ধৰিলে, প্ৰজা ধনী হৈ উঠিল আৰু চীনদেশৰ লগত বেপাৰৰ দুৱাৰও সকলোলৈকে মুকলি কৰি দিয়া হল।

৪। ১৮০১ খৃষ্টাব্দত ইংৰাজে অযোধ্যাৰ নবাবৰপৰা যি দেশ পাইছিল, আৰু চিন্ধিয়াৰপৰা যি দেশ লোৱা হৈছিল, সেইবোৰ গোটাই "ইউনাইটেড্‌ প্ৰভিন্সেজ অব্‌ আগ্ৰা এণ্ড আউদ" অৰ্থাৎ "আগ্ৰা আৰু অযোধ্যাৰ যুক্তপ্ৰদেশ" নামে এখন সুকীয়া প্ৰেচিডেন্সি কৰি তাৰ ওপৰত এজন লেফ্‌টিনেণ্ট গৱৰ্ণৰ পাতি দিয়া হল।

৫। কুৰ্গ, পশ্চিমঘাট পৰ্ব্বতত, মহীশূৰৰ পশ্চিম কাষে এখন সৰু পৰ্ব্বতীয়া দেশ। হাইদৰ আৰু টিপুৱে কুৰ্গ জয় কৰি দখল কৰিছিল; কিন্তু বাৰে বাৰে কুৰ্গৰ প্ৰজা বিদ্ৰোহী হৈ উঠা বাবে তেওঁবিলাকে তাক ৰাখিব নোৱাৰিছিল। টিপু মৰাৰ পিছত কুৰ্গৰ ৰজাই শান্তিৰে ৰাজত্ব কৰিবলৈ ধৰিলে। সেইজন ৰজাৰ পিছত যি দুজন ৰজা হৈছিল, তেওঁলোকে ভালকৈ ৰাজ্যশাসন কৰা নাছিল। কিন্তু বেণ্টিঙ্কৰ দিনৰ ৰজাজন আগৰ এটাই কেইজন ৰজাতকৈ বেয়া আছিল। তেওঁ শই শই কুৰ্গবাসীৰ প্ৰাণ বধ কৰিছিল, আৰু নিজৰ ভায়েক ভনীয়েকক হত্যা কৰিছিল। তেওঁৰ অত্যাচাৰত প্ৰজা নিৰাপদে থাকিবঁ নোৱাৰি দেশ এৰি ভাগি পলাই গৈছিল। বেণ্টিঙ্কে কেইবাজনো ইংৰাজ বিষয়াক তেওঁৰ ওচৰলৈ পঠিয়াই

কুৰ্গ ৰজা।

দি তেওঁক শুধৰাবলৈ কৈ সাৱধান কৰি দিছিল; কিন্তু তেওঁ সেই কথালৈ কাণ নিদিছিল। সেইদেখি ১৮৩৪ খৃষ্টাব্দত বেণ্টিঙ্কে কুৰ্গলৈ এটা ইংৰাজ ফৌজ পঠিয়াই দিলে। কুৰ্গৰ ৰজাৰ সৈন্যই ইংৰাজৰ ফৌজেৰে সৈতে বৰ বিক্ৰমেৰে যুঁজি শেহত পৰাস্ত হল, আৰু ৰজাজন পলাই হাবিলৈ গুচি গল; কিন্তু সোনকালে তেওঁ ইংৰাজৰ হাতত ধৰা পৰিল। গৱৰ্ণৰ জেনেৰেলে কুৰ্গৰ মানুহক আন এজন ৰজা বাচি লবলৈ কলত, সিহঁতে তেওঁক কলে যে কুৰ্গ যেন ইংৰাজে নিজৰ হাতলৈ নি শাসন কৰে, আন কোনো ৰজাই নহয়। প্ৰজাৰ প্ৰাৰ্থনা ৰাখি গৱৰ্ণৰ জেনেৰেলে কুৰ্গ ইংৰাজৰ অধীনলৈ আনি ইংৰাজৰ ৰাজ্যৰ ভিতৰ্ভুক্ত কৰিলে।

৬। বেণ্টিকৰ পিছত, ১৮৩৫ খৃষ্টাব্দত উত্তৰ-পশ্চিম প্ৰদেশৰ গৱৰ্ণৰ মেটকাফে এবছৰৰ গৱৰ্ণৰ জেনেৰেলৰ প্ৰতিনিধি স্বৰূপে কাম কৰে। তেওঁ ভাৰতবাসীক বাতৰি-কাকতত নিজ ইচ্ছামতে, লোকৰ হানি নোহোৱাকৈ সকলো কথা লেখিবলৈ ক্ষমতা দিলে। ১৮৩৫ খৃষ্টাব্দৰ আগেয়ে ভাৰতত দেশী মানুহে চলোৱা ছখন মাথোন বাতৰি কাকত আছিল; আজি-কালি তাৰ লেখ ছ শতকৈও সৰহ।

ছাৰ চাৰ্লচ মেটকাফ।

লৰ্ড অক্লেণ্ড, দশম গৱৰ্ণৰ জেনেৰেল।

১৮৩৬—১৮৪২।

৩। লৰ্ড অক্লেণ্ডৰ সময়ত চা চুজা আৰু দোষ্ট মহম্মদ নামে দুজন প্ৰধান আফগানে আফগানিস্থানৰ সিংহাসন পাবলৈ দাবি কৰিছিল। চা চুজা আহম্মদ চাৰ বংশৰ আৰু দোষ্ট মহম্মদ আহমদ চাৰ প্ৰধান মন্ত্ৰীৰ বংশৰ মানুহ। শেহত দোষ্ট মহম্মদে চা চুজাক কাবুলৰপৰা খেদাই দি নিজে ৰজা হল। চা চুজা ভাৰতবৰ্ষলৈ পলাই আহি ইংৰাজৰ শৰণাগত হলত, ইংৰাজে তেওঁক এটা বৃত্তি দি নিজৰ ফলীয়া কৰি ৰাখিলে।

২। গৱৰ্ণৰ জেনেৰেলে ভাবিলে যে এজন বন্ধু মানুহ আফগানিস্থানৰ আমিৰ হোৱাটো ভাল; কাৰণ, জেনেহলে যদি কেতিয়াবা কচিয়াই

ভাৰতবৰ্ষ আক্ৰমণ কৰে, সেই আমিৰে ইংৰাজৰ ফলীয়া হৈ ৰুচিয়াৰে সৈতে যুদ্ধ কৰিব। সেই নিমিত্তে তেওঁ চা চুজাক আফগানিস্থানৰ আমিৰ পাতিবলৈ মনস্থ কৰিলে। আৰু এটা কাৰণ আছিল যে, আফগানিস্থানৰ সিংহাসনৰ ওপৰত চা চুজাৰ স্বত্ব নায্য, আৰু তাৰ উপৰি তেওঁ ইংৰাজৰ বন্ধু।

লৰ্ড অক্‌লেণ্ড।

৩। ১৮৩৯ খৃষ্টাব্দত ইংৰাজৰ এটা ফৌজে সিন্ধুনৈ পাৰ হৈ "বোলান পাচেদি" অৰ্থাৎ বোলান নামে গিৰি-সঙ্কটেদি বেলুচিস্থানৰ ভিতৰে গৈ কান্দাহাৰ পালে। ইংৰাজৰ ফৌজে কান্দাহাৰ দখল কৰি, গজনিলৈ গৈ এখন তুমুল যুদ্ধ কৰি গজনিও দখল কৰিলে। দোষ্ট মহম্মদ বোখাৰালৈ পলাই গল, আৰু চা চুজাক ইংৰাজে আফগানিস্থানৰ সিংহাসনত বহুৱাই, তাৰ উইলিয়েম মেক্‌নেটন নামে এজন ইংৰাজ বিষয়াক, চা চুজাক ৰাজ্য শাসন কাৰ্য্যত সহায়তা কৰিবলৈ, তাত থলে।

চা চুজা।

৪। ইয়াৰ পিছ বছৰত দোষ্ট মহম্মদে ইংৰাজৰ হাতত আত্মসমৰ্পণ কৰিলত, ইংৰাজে তেওঁক কলিকতালৈ পাঠিয়াই দি সদয় ব্যৱহাৰ কৰি

ৰাখিলে। কিন্তু তেওঁৰ পুতেক আকবৰ খাঁ এজন দুৰন্ত উগ্ৰ স্বভাৱৰ লোক আছিল; তেওঁ কোনোমতেই ইংৰাজৰ সৈমান নহল। আকবৰ খাঁই সৈতে আৰু অনেক আফগান লগ লাগিল। চা চুজা দুৰ্ব্বল আৰু ভালকৈ ৰাজ্য শাসন কৰিব নোৱাৰা আছিল; তাৰ উপৰি তেওঁৰ নিজৰ ফলীয়া মানুহেই তেওঁক ভাল নেপাইছিল। চা চুজাক ৰাজ সিংহাসনত বহুৱাৰ পিছত, ইংৰাজৰ ফৌজৰ সৰহ ভাগক ভাৰতলৈ ওভোতাই পঠিয়াই, মাথোন কাবুলত থকা ইংৰাজ বিষয়া কেইজনৰ ৰখীয়া কৰি অলপমান সৈন্য তাত ৰখা হৈছিল।

আকবৰ খাঁ।

৫। চা চুজাই দুবছৰ ৰাজত্ব কৰাৰ পিছত ১৮৪২ খৃষ্টাব্দত আফগানবিলাক তেওঁৰ বিপক্ষে বিদ্ৰোহী হৈ উঠিল। আকবৰ খাঁ বিদ্ৰোহীদলৰ নায়ক হল। স্যাৰ উইলিয়েম মেক্‌নেটনে বিদ্ৰোহীবিলাকৰ সৈতে সন্ধি কৰিবলৈ চেষ্টা কৰি নিৰস্ত্ৰ হৈ আকবৰ খাঁৰে সৈতে কথা পাতি থাকোঁতেই আকবৰ খাঁই বিশ্বাসঘাতকতা কৰি হঠাৎ তেওঁক গুলি মাৰি মাৰিলে, আৰু তাৰ পিছত আফগান-বিলাকে তেওঁৰ শ-টো কাটি ডোখৰ ডোখৰ কৰিলে।

৬। ইয়াৰ পিছত আফগানবিলাকে কাবুল আক্ৰমণ কৰিলে। তাত থকা ইংৰাজ ফৌজৰ সেনাপতিয়ে তাকৰীয়া সেনাৰে সিহঁতক বলে নোৱাৰিব যেন ভাবি, অবিবেচকৰ দৰে তেওঁৰ সৈন্যবোৰ লৈ কাবুল এৰি ভাৰতবৰ্ষলৈ উভতি আহিবলৈ মান্তি হৈ বৰ ভুলৰ কাম কৰিলে। ক্লাইব যেনেকৈ আৰ্কটত আছিল, এই ইংৰাজ সেনাপতিয়েও

সেইদৰে ভাৰতবৰ্ষৰ তেওঁৰ উদ্ধাৰৰ অৰ্থে সেনা নোকোকাৰলৈকে কাবুলৰ দুৰ্গতে থকা উচিত আছিল। ইংৰাজৰ সৈন্য ভাৰতলৈ উভতি আহোঁতে বাটত সিহঁতক আফগানবিলাকে আক্ৰমণ নকৰোঁ বুলি অঙ্গীকাৰ কৰিছিল। কিন্তু সিহঁতে সেই অঙ্গীকাৰ ভাঙি মিয়ান পাৰে সিমানদূৰ বিশ্বাসঘাতকতা কৰি, কাবুলৰ ঠেক বাটৰ দুই কাষৰ ওপৰৰ পৰ্ব্বতবপৰা ইংৰাজৰ সেনাৰ ওপৰত গুলি বৰষিবলৈ ধৰিলে। ডাক্তৰ ব্ৰাইডন্ নামে এজন ইংৰাজৰ বাহিৰে, ইংৰাজ ফৌজৰ এটাইবোৰ তাতে মৰিল।

লৰ্ড এলেনবৰো, একাদশ গবৰ্ণৰ জেনেৰেল।

১৮৪২—১৮৪৪।

১। কাবুলৰপৰা ইংৰাজৰ সেনা উভতি গুচি আহোঁতে বাটত হোৱা দুৰ্ঘটনাৰ পিছত লৰ্ড অক্‌লেণ্ড বিলাতলৈ গল, আৰু তেওঁৰ ঠাইত লৰ্ড এলেনবৰো গবৰ্ণৰ জেনেৰেল হৈ আহিল।

২। আফগানিস্থানত ইংৰাজৰ দুটা সৰু ফৌজ আছিল; এটাই জেনেৰেল নটৰ্ তলত কাণ্ডাহাৰৰ দুৰ্গ আৰু আনটোৱে জেনেৰেল চেলৰ তলত জেলালাবাদৰ দুৰ্গ ৰক্ষা কৰি আছিল। কাবুলত থকা ফৌজও যদি তেওঁলোকৰ দৰে দুৰ্গতে থাকিলহেঁতেন, তেনেহলে ওপৰত কৈ অহাৰ নিচিনা আপদৰ মিলিবলৈ নেপালেহেঁতেন। ইয়াৰ পিছত ভাৰতবৰ্ষৰ জেনে-

লৰ্ড এলেনবৰো।

ৰেল পলকক এটা ডাঙৰ কৌজৰে সৈতে পঠিয়াই দিয়া হল। জেনেৰেল পলকে খাইবৰ গিৰি-সঙ্কটেদি জেলালাবাদলৈ গৈ জেনেৰেল চেলক উদ্ধাৰ কৰিলে। আকবৰ খাঁৰে সৈতে এখন ডাঙৰ যুদ্ধ হল; আৰু সেই যুদ্ধত আকবৰ খাঁ ঘাটি সসৈন্যে পলাই গল। তাৰ পিছত জেনেৰেল পলক কাবুললৈ গৈ আকৌ কাবুল অধিকাৰ কৰিলে। তেওঁ তেতিয়া দেখিলে যে ইংৰাজ নথকা ভোখৰ কালত আকবৰ খাঁৰ সেনাই চা চুক্সাক বধ কৰিলে। ইংৰাজৰ কৌজে কাবুলৰ দুৰ্গ ধ্বংস কৰি ভাৰতলৈ উভতি আহিল। দোষ্ট মহম্মদক ইংৰাজে কাবুলৰ আমিৰ পাতি ইংৰাজৰ মিত্ৰ-ৰজা কৰি কলিকতাৰপৰা কাবুললৈ পঠিয়াই দিলে।

৩। সিন্ধু দেশৰ আমিৰবিলাকে যেতিয়া শুনিলে যে কাবুলৰ আফগানবোৰৰ হাতত ইংৰাজ সৈন্য ধ্বংস হল, তেওঁলোকেও আগৰ

আমিৰবিলাক।

সন্ধি ভাঙ্গি ইংৰাজৰ সৈতে যুজলৈ সাজু হল। তেওঁলোকে ইংৰাজ ৰেচিডেণ্ট জেনেৰেল আউট্ৰামক আক্ৰমণ কৰিলে। আউট্ৰাম কোনোমতে কানে-কান-মাৰিয়েহে তাৰপৰা পলাই সাৰি আহিল। চাৰ চাৰ্লচ নেপিয়ৰে ৩০০০ সৈন্য লৈ আমিৰবিলাকৰ বিৰুদ্ধে

যুদ্ধ যাত্ৰা কৰি গল। আমিৰবিলাকৰ ৩০,০০০ বেলুচী সেনা আছিল। ১৮৪৩ খৃষ্টাব্দত মিয়ানি আৰু হায়দৰাবাদত দুখন ডাঙৰ যুদ্ধ হয়। সেই যুদ্ধত ইংৰাজৰ জয় হলত সিন্ধুদেশ গবৰ্ণৰ জেনেৰেলে ইংৰাজৰ ৰাজ্যৰ ভিতৰুৱা কৰি ললে।

৪। গোৱালিয়ৰৰ ৰজা জনকজী চিন্ধিয়া, যাক লৰ্ড বেন্টিঙ্কে ৰজা পাতিছিল, অপুত্ৰক হৈ মৰে। তেওঁ বৰ দুৰ্ব্বল আৰু অকামিলা ৰজা আছিল; আৰু তেওঁৰ তলতীয়া ডাঙৰ বিষয়া আৰু ৰজাবিলাকে তেওঁৰ আজ্ঞা নেমানিছিল। ৰাজ্যত তেওঁলোকে ইমান সৈন্যৰ লেখ বঢ়াইছিল যে ৰাজ্যৰপৰা উৎপন হোৱা ৰাজহৰ তিনি ভাগৰ দুভাগ সেই সৈন্যৰ খৰচ দিওঁতে ভগণ হৈছিল। চিন্ধিয়াৰ ৰাণী ৰাণীৰ বয়স বাৰ বছৰ আছিল। ৰাণীক এজন তোলনীয়া-পো লবলৈ দিয়াৰ অলপ পিছতে ৰাণীয়ে আগৰ জ্ঞানী বুঢ়া মন্ত্ৰীক ৰাজ্যৰপৰা খেদাই দি ইংৰাজৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

৫। ইংৰাজৰ সেনাপতি স্যাৰ হিউ গফে এটা ফৌজ লৈ গোৱালিয়ৰলৈ গৈ ১৮৪৩ খৃষ্টাব্দত মহাৰাজপুৰ আৰু পুনিয়াৰ নামে ঠাইত দুখন ডাঙৰ যুদ্ধ কৰে। সেই যুদ্ধত চিন্ধিয়াৰ সৈন্য পৰাস্ত হল। তাৰ পিছত গবৰ্ণৰ জেনেৰেলে ছজন মহাৰাট্টা ডাঙৰ বিষয়াৰে এখন ৰাজসভা বা দৰবাৰ পাতি দি, তোলনীয়া-পো জয়জী ডাঙৰ নোহোৱালৈকে সেই দৰবাৰৰ দ্বাৰাই ৰাজ্য শাসনৰ বন্দবস্ত কৰি দিলে। তেওঁ চিন্ধিয়াৰ ফৌজ কমাই ৪০,০০০ সৈন্যৰ পৰা ৯০০০ কৰি ৰাজ্যত শান্তি ৰক্ষা কৰি থাকিবৰ নিমিত্তে এটা ইংৰাজ ফৌজ থৈ দিলে।

লর্ড হাডিঞ্জ, দ্বাদশ গৱৰ্ণৰ জেনেৰেল।

১৮৪৪—১৮৪৮।

১। ৰণজিৎ সিংহই, যাক পঞ্জাব-কেশৰী বোলা হৈছিল, পঞ্জাবখন এখন পৰাক্ৰমী ৰাজ্য কৰি তুলিছিল। তেওঁ লেখা-পঢ়া একো নেজানিছিল; আন কি, এডাল মাৰিত আঁচ কাটি নিজৰ হিচাপ ৰাখিছিল। তেওঁ কটীয়া আৰু এচকুৱা আছিল। তেওঁৰ এটা চকু আইওলাই ফুটিছিল, আৰু গোটেইখন মুখত আইওলোৱাৰ সাঁচ আছিল। তেওঁ জ্ঞানী আৰু ইংৰাজৰ পৰম বন্ধু আছিল, আৰু নিজৰ বিষয়া আৰু তল-তীয়া ৰজাবোৰক মুঠিৰ ভিতৰত ৰাখিছিল। প্ৰজাই তেওঁক বৰ ভাল পাইছিল। তেওঁৰ ফৌজ বৰ পৰাক্ৰমী আছিল, আৰু সৈন্যবোৰ ফ্ৰেন্স বগুৱা বিষয়াৰ তলত যুদ্ধবিদ্যা শিকি বৰ পাকৈত হৈ পৰিছিল। ৰণজিৎ সিংহই কাশ্মীৰ জয় কৰি অধিকাৰ কৰিছিল।

লর্ড হার্ডিঞ্জ।

২। ৪০ বছৰ ৰাজত্ব কৰি ১৮৩৯ খৃষ্টাব্দত ৰণজিৎ সিংহ মৰিল। আৰু তেওঁৰ ৰাণীবিলাকৰ ভিতৰৰ পাঁচজনী তেওঁৰ লগত সতী গল। ৰণজিৎ সিংহৰ মৃত্যুৰ পিছত তেওঁৰ বৰ পুতেক ৰজাপতা হল; কিন্তু অলপ দিনৰ পিছতে তেওঁ ৰজা ভাগিল; আৰু তাৰ পিছত দুই তিনি বছৰ ৰাজ্যত ষড়যন্ত্ৰৰ পিছত ষড়যন্ত্ৰ হবলৈ ধৰিলে। ৰাজবংশৰ অনেক কোঁৱৰক হত্যা কৰা হল। সেইত শিখ সৈন্যৰ প্ৰধান সেনাপতি

ভেৰসিংহ সকলোতকৈ বেছি ক্ষমতাশালী হৈ উঠিল। আফগানিস্থানত ইংৰাজৰ দুৰ্ঘটনা ঘটাৰেপৰা শিখবিলাকৰ মনত এনে এটা ভাব খেলালে যে সিহঁতে যুদ্ধত ইংৰাজক বলে পাৰিব। আৰু সেই নিমিত্তে দিল্লী লুটিবলৈ সিহঁতে চেনু বিচাৰিবলৈ ধৰিলে। শিখবিলাকে চট্লেজ নৈ পাৰ হৈ আহি ইংৰাজৰ ৰাজ্যত সোমালত, ইংৰাজৰ সৈতে তিনি সপ্তাহৰ ভিতৰত সিহঁতৰ চাৰিখন যুদ্ধ হয়। শিখবিলাক যুদ্ধবিদ্যাত সুশিক্ষিত আছিল, আৰু মহা পৰাক্ৰমেৰে সিহঁতে যুদ্ধ কৰিছিল।

ৰণজিৎ সিংহ।

সঁচাকৈ কবলৈ গলে ভাৰতত যতবিলাক জাতিৰে সৈতে ইংৰাজে যুদ্ধ কৰিছিল, সেই এটাইবোৰৰ ভিতৰত শিখবিলাক দুৰ্জ্জয় আছিল। কিন্তু প্ৰধান সেনাপতি ছাৰ হিউগফ আৰু গৱৰ্ণৰ জেনেৰেল লৰ্ড হাৰ্ডিঞ্জে ১৮৪৫ খৃষ্টাব্দৰ ডিচেম্বৰ মাহত মুদকি আৰু ফিৰোজচাৰ যুদ্ধত সিহঁতক পৰাস্ত কৰিলে, আৰু ছাৰ হেনৰি স্মিথে আলিৱালত আৰু ছাৰ হিউগফে চোব্ৰাৱনত ১৮৪৬ খৃষ্টাব্দৰ জানুৱাৰি মাহত আকৌ সিহঁতক হটুৱালে।

৩। এইদৰে প্ৰথম শিখ যুদ্ধৰ ওৰ পৰিল। শিখ সৈন্যৰ লেখ কমাই ২০,০০০ কৰা হল, আৰু ইংৰাজে পঞ্জাবৰ চট্লেজ আৰু ৰাভী নৈৰ মাজৰ ঠাইডোখৰ ললে। গোলাব সিংহ নামে ৰাজপুত এজন ৰণজিৎ সিংহৰ তলত কাশ্মীৰৰ শাসনকৰ্ত্তা আছিল। তেওঁক ইংৰাজে কাশ্মীৰৰ ৰজা পাতিলে; আৰু তাৰ বাবে তেওঁ ইংৰাজক শিখ যুদ্ধৰ খৰচ জৰিমনা দিলে। দুলীপ সিংহ নামে ৰণজিৎ সিংহৰ কেচুৱা লৰা

এটিক পঞ্জাবৰ বৰা পাতি, তেওঁ তাওঁৰ নোহোৱালৈকে তেওঁৰ নামত ৰাজপ্ৰতিনিধি পাতি ৰাজকাৰ্য্য চলাবলৈ দিয়া হল।

লৰ্ড ডেলহাউচি, ত্ৰয়োদশ গবৰ্ণৰ জেনেৰেল।

১৮৪৮—১৮৫৬।

১। ১৮৪৮ খৃষ্টাব্দত লৰ্ড ডেলহাউচি ভাৰতৰ গবৰ্ণৰ জেনেৰেল হৈ আহি আঠ বছৰ ৰাজশাসন কৰে। বৃটিচ ভাৰত গঢ়োঁতাসকলৰ ভিতৰত তেওঁ চতুৰ্থ। লৰ্ড ক্লাইব, লৰ্ড ৱেলেচলি, আৰু লৰ্ড হেষ্টিংচৰ দৰে তেওঁ ভাৰতৰ কেইবাখনও দেশী ৰাজ্য বৃটিচ শাসনৰ তললৈ আনিলে। তেওঁ আগতকৈ ভালেমান গুণে দেশত সুখ শান্তি আৰু ঐশ্বৰ্য্য বঢ়ালে।

২। ভাৰতত লৰ্ড ডেলহাউচিৰ শাসনৰ ছমাহ হওঁতে-নহওঁতেই আকৌ দ্বিতীয় বাৰ শিখবিলাকৰ সৈতে ইংৰাজৰ যুদ্ধ আৰম্ভ হল। মুলতানৰ শিখ শাসনকৰ্ত্তা মুলৰাজে দুজন ডেকা ইংৰাজবিষয়াক বধ কৰি, ইংৰাজৰ বিৰুদ্ধে শিখবিলাকক যুদ্ধলৈ আহ্বান কৰিলে। শিখ চৰ্দ্দাৰবিলাকে, পুৰণি নতুন যত যি শিখ সৈন্য আছিল মানে সকলোবোৰ গোটাই লৈ এটা ডাঙৰ ফৌজ কৰি তেওঁলোকৰ সেনাপতি স্বেৰ সিঙৰ তলত, ১৮৪৯ খৃষ্টাব্দত ইংৰাজক আক্ৰমণ কৰিলে। স্যাৰ হিউগফ আগবাঢ়ি গৈ শিখ সেনাৰ সমুখ হল। চিলিনৱালা নামে এখন ঠাইত শিখ আৰু ইংৰাজৰ মাজত এখন তুমুল ৰণ লাগিল। সেই ৰণত যদিও ইংৰাজৰ জয় হল, তথাপি তেওঁলোকৰ বিস্তৰ হানি হৈছিল। কিন্তু ইয়াৰ অলপ পিছতে ইংৰাজে গুজৰাটৰ যুদ্ধত শিখবিলাকক সম্পূৰ্ণ পৰাস্ত কৰিলে।

৪। পঞ্জাবত ঘনে ঘনে হৈ থকা ৰণৰ একেবেলিয়েই অন্ত কৰিবৰ মনেৰে, আৰু ভাৰতবৰ্ষ আফগানবিলাকৰ আক্ৰমণৰ পৰা আশঙ্কৈ নিৰাপদ কৰি ৰাখিবৰ মনেৰে, লৰ্ড ডেলহাউচিয়ে ১৮৪৯ খ্ৰীষ্টাব্দত পঞ্জাব

ইংৰাজৰ হাতলৈ আনি, দুলিপ সিংহক ডাঙৰ বৃত্তি এটা দি বিলাতলৈ পঠিয়াই দি তাত তেওঁক এজন ইংৰাজ ডাঙৰীয়াৰ নিচিনা কৰি ৰাখিলে।

লৰ্ড ডেলহাউচি।

মিষ্টৰ জন লৰেন্সক (যি পিছত গৱৰ্ণৰ জেনেৰেলৰ পদ পাইছিল) চিফ কমিশ্যনৰ উপাধি দি পঞ্জাবৰ শাসনকৰ্ত্তা পাতি দিয়া হল। সাহিয়াল শিখ ৰণুৱাবোৰৰ একোটা পল্টন কৰি ইংৰাজ ৰণুৱা বিষয়াৰ তলতীয়া কৰি দিয়া হল; আৰু আজিকালি ভাৰতবৰ্ষত শিখবিলাক গুৰ্খাবিলাকৰ লৈতে, আন সকলোতকৈ সকলোপিনে চখা সৈন্য বুলি প্ৰখ্যাত। ইয়াৰ পিছত পঞ্জাবৰ মাটি ভালকৈ পিয়ল কৰি তাৰ ওপৰত খাজনা লগোৱা হল, আৰু সেই খাজনাৰ নিৰিখ ৰণজিৎ সিংহৰ দিনতকৈ অনেক কম হল। ৰণজিৎ সিংহৰ দিনত একৰা মাটিত উৎপন্ন হোৱা শস্যৰ বেচৰ আধাখিনি কৰ স্বৰূপে ধাৰ্য্য কৰা হৈছিল; এতিয়া তাৰ চাৰি ভাগৰ এভাগতকৈও কমহে ধাৰ্য্য কৰা হল! দেশৰ মাজেদি আন ঠাইলৈ যোৱা বস্তুৰ ওপৰৰ কৰ গুচাই দিয়া হল; আৰু দলে দলে ডকাইত দমন কৰা হল। অনেক আলিবাট কৰা হল, আৰু পানী চলাই লৈ গৈ খেতি-পথাৰত দিবলৈ খাল খন্দোৱা হল। দেশত ভালেমান পঢ়াশালি আৰু স্কুল পাতি দি বিদ্যা শিকাৰ সুচল কৰি দিয়া হল, আৰু ভাল আৰু সহজ আইন চলোৱা হল। মুঠতে কবলৈ গলে, আগতকৈ শিখবিলাকে সুশাসন আৰু ন্যায়বন্ত হবা পালে।

৫। ব্ৰহ্মদেশৰ ৰজাই বাৰে বাৰে, সেই ১৮২৬ খৃষ্টাব্দত কৰা য়াণ্ডাবুৰ সন্ধিৰ নিয়ম ভঙ্গ কৰিবলৈ ধৰিলে। ব্ৰহ্মবাসীবিলাকে ইংৰাজৰ জাহা-

জৰ কেইখাজনো কাপ্তানক ধৰি বন্দীশালত থৈছিল; আৰু কিয় ডেঙু-লোকে তেনে কৰে, যেতিয়া এই কথা শুধিবলৈ এজন ইংৰাজ বিষয়াক ডেঙুলোকৰ ওচৰলৈ পঠিওৱা গল, ডেঙুলোকে সেই বিষয়াজনক মাৰি পেলাবলৈ চেষ্টা কৰিছিল।

৬। সেইদেখি ১৮৫২ খৃষ্টাব্দত ব্ৰহ্মদেশৰ বিৰুদ্ধে দ্বিতীয় বাৰ যুদ্ধ ঘোষণা কৰা হল; আৰু এটা ইংৰাজ ফৌজ গৈ ৰেঙ্গুণ দখল কৰি পেলালে। নগৰৰ ভিতৰত বৰ পেগদা অৰ্থাৎ বৰ মন্দিৰৰ ওচৰতে অলপ অচৰপ যুদ্ধ হৈছিল মাথোন। তাৰ মানুহে দেখিছিল যে ইংৰাজৰ শাসনত টেনাচেৰিম আৰু আৰাকান এই দুখন দেশ আগতকৈ অনেক গুণে বেছি সুখ সম্পদত আছে। সেইদেখি সিহঁতে ইচ্ছা কৰিছিল যেন সিহঁতৰ দেশো ইংৰাজৰ হাতলৈ যায়। সিহঁতে ইংৰাজক, খোৱা বস্তু আৰু আন যি আৱশ্যক সেইবোৰ দি সহায় কৰিছিল।

৭। ব্ৰহ্ম ৰজাৰ ৰাজধানী ওপৰ-ব্ৰহ্মৰ আভাত আছিল; মূৰ্খ ৰজাই ইংৰাজৰ সৈতে সন্ধি কৰিবলৈ অমান্তি হৈছিল। সেইদেখি ১৮৫৩ খৃষ্টাব্দত লৰ্ড ডেলহাউচিয়ে পেগু প্ৰদেশখন আগৰ আন দুই প্ৰদেশৰ সৈতে লগ লগাই, ৰেঙ্গুনক প্ৰধান নগৰ পাতি "বৃটিচ বৰ্ম্মা" অৰ্থাৎ ইংৰাজৰ ব্ৰহ্মদেশ নাম দিলে। তেতিয়াৰেপৰা ৰেঙ্গুন এটা বন্দৰ হৈ উঠিল; আগতকৈ তাত মানুহৰ লেখ কুৰিগুণে বাঢ়িল; আৰু গোটেইখন দেশ ঐশ্বৰ্য্যশালী হৈ পৰিল। তাত আগৰ দৰে ঘনে ঘনে হৈ থকা ৰণ, মৰামৰি কটাকটিবিলাকৰ অন্ত পৰিল; আৰু সুশাসন, ন্যায় আইন, শান্তি আৰু ঐশ্বৰ্য্যই ঠাই ললে।

৮। ১৮১৮ খৃষ্টাব্দত পেচোৱাৰ পতনৰ পিছত, চেতাৰা নামে এক মহাৰাষ্ট্ৰ প্ৰদেশখন শিৱজীৰ বংশৰ ৰজা এজনক দিয়া হৈছিল। সেই ৰজাজন অপুত্ৰক হৈ মৰাত ১৮৪৮ খৃষ্টাব্দত চেতাৰা বোম্বাই প্ৰেচিডেন্সিৰ ভিতৰ কৰা হল।

৯। ১৮৫৩ খৃষ্টাব্দত নাগপুৰৰ ৰেঘুজন ভোঁচলা ৰজা অপুত্ৰক হৈ মৰিলত, নাগপুৰখন ইংৰাজৰ হাতলৈ আনি "চেণ্ট্ৰেল প্ৰভিন্সেছ" নাম



পেগদা।

দি, এজন চিফ কমিচনৰৰ শাসনৰ তলতীয়া কৰি দিয়া হল। সেই বছৰতে বিৰাৰ প্ৰদেশ, যাক বেলেচ্লিয়ে ১৮০৩ খৃষ্টাব্দত নিজামক দিছিল, নিজামে তেওঁৰ দেশত শান্তি ৰক্ষাৰ নিমিত্তে থকা ইংৰাজ সৈন্যৰ খৰচৰ নিমিত্তে ইংৰাজক ওভোতাই দিলে।

১০। অযোধ্যাৰ নবাবে এনে বেয়াকৈ ৰাজ্যশাসন কৰিছিল যে ৰাজে ৰাজে প্ৰজাই নবাবৰ নামে ইংৰাজৰ ওচৰত গোচৰ কৰিছিলহি। লৰ্ড বেণ্টিঙ্ক আৰু লৰ্ড হাৰ্ডিঞ্জে বাৰে বাৰে নবাবক ভালকৈ ৰাজকাৰ্য্য কৰিবলৈ সাৱধান কৰি দিছিল; কিন্তু নবাবে তালৈ কাণসাৰ নকৰি দিনে দিনে আৰু অধইচহে হৈ যাবলৈ ধৰিলে। শেহত অযোধ্যা ধ্বংশ হবৰ উপক্ৰম হোৱাত, ইংৰাজে ১৮৫৬ খৃষ্টাব্দত নবাবক ১২ লক্ষ টকা বৃত্তি দি থৈ দিলে আৰু অযোধ্যা ইংৰাজৰ ৰাজ্যৰ ভিতৰুৱা কৰি ললে।

১১। লৰ্ড ডেলহাউচিয়ে এইবিলাক ৰাজ্য ইংৰাজৰ হাতলৈ অনাৰ পিছত, বৃটিচ ভাৰত আগেয়ে যিমান আছিল তাতকৈ, তাৰ তিনি ভাগৰ এভাগৰপৰা প্ৰায় দুভাগৰ আধখিনিলৈকে বাঢ়িল। এই সময়লৈকে বঙ্গদেশৰ গৱৰ্ণৰেই গোটেই ভাৰতৰ গৱৰ্ণৰ জেনেৰেল আছিল। কিন্তু ৰাজ্য ইমানকৈ বাঢ়ি উঠাত, এতিয়া একেজনেই গৱৰ্ণৰ আৰু গৱৰ্ণৰ জেনেৰেলৰ দুটা কাম সুকলমে চলাব নোৱাৰা হল। সেইদেখি ১৮৫৩ খৃষ্টাব্দত বঙ্গদেশৰ শাসন কাৰ্য্য সুকীয়াকৈ কৰিবৰ নিমিত্তে এজন লেফ্টেনেণ্ট গৱৰ্ণৰ কৰা হল; আৰু গৱৰ্ণৰ জেনেৰেলৰ গাৰপৰা বোজা কমাই দি গোটেই ভাৰতৰ শাসন কাৰ্য্য কৰিবলৈ তেওঁক সুবিধা দিয়া হল। এই প্ৰসঙ্গতে গৱৰ্ণৰ জেনেৰেলে তেওঁৰ মন্ত্ৰী-সভাৰ সভ্যবিলাকেৰে সৈতে বহংকালি চিমলাত থাকিবলৈ ললে। বছৰৰ ভিতৰত তিনি ভাগৰ দুভাগ [illegible] তেওঁলোকে চিমলাত কটায়।

লৰ্ড ডেলহাউচি। (ক্ৰমশঃ)

বৃটিচ শাসনৰপৰা পোৱা উপকাৰবিলাক।

১। আজি ৫০ বছৰৰ ওপৰ হল, ১৮৫৩ খৃষ্টাব্দত ভাৰতবৰ্ষত প্ৰথম ৰেল খোলা হয়। সেই ৰেলৰ বাট ২০ মাইল দীঘল আছিল। এতিয়া

ভাৰতবৰ্ষত ২৮,০০০ মাইলৰ ওপৰ বাটত ৰেল হৈছে। প্ৰায় প্ৰত্যেক ডাঙৰ চহৰ আৰু বন্দৰ ৰেলেৰে লগ লগোৱা হৈছে; আৰু বছৰি দহ কোটিৰ ওপৰ মানুহ ৰেলত ফুৰে। গোটেই ভাৰতবৰ্ষতে এতিয়া বস্তু অনা-নিয়া কৰিবলৈ উজু হৈছে। কোনো এদেশত আকাল হলে, ৰেলেদি আন দেশৰপৰা ধান-চাউল আদি খোৱা বস্তু ততালিকে তালৈ অনা হয়, আৰু তাৰ দ্বাৰাই অলেখ মানুহৰ প্ৰাণ ৰক্ষা হয়। ৰেল হোৱা বাবে আগতকৈ ফৌজৰ খৰছও অনেক কমিল; কাৰণ, এতিয়া আগৰ দৰে সৰহকৈ সৈন্য ভাৰতৰ প্ৰত্যেক ঠাইতে থব নলগীয়া হল; স্বাস্থ্যকৰ ঠাই-বোৰত সৈন্য ৰাখি দৰকাৰ পৰিলে আন ঠাইলৈ ৰেলেদি সোনকালে সিহঁতক পঠিয়াই দিব পৰা হল।

২। লৰ্ড ডেলহাউচিৰ দিনত ভাৰতত বেহা-বেপাৰৰ শ্ৰী বাঢ়িল। ভাৰতৰ বেহেকবাই আগতকৈ তিনি গুণ সৰহকৈ কপাহ ধান চাউল আদি বস্তু বেচা-কিনা কৰিবলৈ ধৰিলে। খেতিয়কে খেতিৰ উৎপন্ন আগতকৈ সৰহ লাভত বেচি ধনী হল। তাৰ কাৰণ, ৰেলেৰে তেওঁ-লোকে সেইবোৰ বস্তু দেশৰ চাৰিউফালে পঠিয়াবৰ সুচল পালে। ইংৰাজ বেপাৰীয়েও বিলাতৰপৰা অনেক বস্তু আনি ভাৰতৰ চাৰিউফালে গাঁৱে-ভূঁয়ে সস্তাকৈ বেচিব পৰা হল।

৩। আলিবাট, খাল, সাঁকো প্ৰস্তুত কৰিবলৈ আৰু সেইবোৰ বাত্তি-বুত্তি ভালকৈ ৰাখিবলৈ লৰ্ড ডেলহাউচিয়ে "পবলিক ওৱৰ্কচ ডিপাৰ্ট-মেণ্ট" অৰ্থাৎ চৰকাৰী কাৰ্য্য বিভাগ খুলিলে। তেওঁৰ দিনত ২০০০ মাইলৰ ওপৰে দলং বাট আৰু সাঁকো কৰা হৈছিল। পৃথিৱীৰ ভিতৰত আন এটাইবোৰ কটা খালতকৈ দীঘল, গঙ্গাৰ ডাঙৰ খালটো তেওঁৰ দিনতে কটা হৈছিল। দেশৰ অনেক ঠাই, আগেয়ে যত কোনো শস্য নহৈছিল, এতিয়া কটা খালেদি লৈ যোৱা পানীৰ নিমিত্তে সাৰুৱা শস্যশালী হৈ পৰিল। ১৮,০০০ মাইলতকৈও সৰহ ঠাইৰ ওপৰে এই খালবোৰ গৈছে।

৪। লৰ্ড ডেলহাউচিৰ আগেয়ে ভাৰতত চিঠি-পত্ৰৰ চলাচল বৰ কম আছিল; কাৰণ তেতিয়া চিঠিৰ মাচুল সৰহ আছিল; আৰু অহা যোৱা কৰিবলৈ আলিবাট ভাকৰ আছিল, ৰেল সমূলী নাছিল; গতিকে চিঠি ডাকোৱালৰ হতুৱাই পঠিওৱা হৈছিল, আৰু সেই বাবে পলমো হৈছিল। তেতিয়া ডাক-টিকিট নাছিল, আৰু দূৰৈৰ চিঠিৰ মাচুল ওচৰৰ চিঠিৰ মাচুলতকৈ অনেক সৰহ আছিল। লৰ্ড ডেলহাউচিয়ে আধ-অনা ডাক-টিকিট চলালে, আৰু সেই নিমিত্তে এতিয়া এখন চিঠি ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈকে প্ৰায় ২০০০ মাইল বাট দুই পয়চাতে পঠিয়াব পাৰি। যদি গোটেই ভাৰত এজন শক্তিশালী ৰজাৰ তলতীয়া নহল হৈতেন, তেন্তে এনে সুবিধা অসম্ভৱ হলহেঁতেন।

এতিয়া ১৩৫,০০০ মাইল বাটত ডাক চলে; আৰু এবছৰত ৪০০,০০০,০০০ চিঠি ডাকত যায়।

৫। আধ-অনাৰ ডাকতকৈও আচৰিত বিজুলীডাক। অনা চেৰেক মান খৰছতে কিছু মিনিট সময়ৰ ভিতৰত হাজাৰ মাইল দূৰলৈ বাতৰি পঠিয়াব পাৰি। লৰ্ড ডেলহাউচিৰ দিনতে প্ৰথমেই বিজুলী-ডাকৰ তাৰ তৰা হল।

৬। লৰ্ড বেণ্টিঙ্কে, ভাৰতত ইংৰাজী পঢ়াবলৈ প্ৰথমতে ইস্কুল পাতি দিছিল। লৰ্ড ডেলহাউচিয়ে "ডিপাৰ্টমেণ্ট-অৱ-পবলিক-ইনষ্ট্ৰকচন" নামে অৰ্থাৎ চৰকাৰী শিক্ষা বিভাগ এটা কৰি দি ন-কৈ অনেক ইস্কুল খুলিলে, বত দেশী ভাষা শিকোৱা হল, আৰু সৰ্ব্বসাধাৰণ মানুহ শিক্ষিত হল। তেওঁৰ দিনত ভাৰতত ২৫,০০০ স্কুল আছিল; আৰু তাৰ পাছত বাঢ়ি বাঢ়ি এতিয়া এক লাখ পঞ্চাশ হাজাৰতকৈও সৰহ হৈছে, আৰু চল্লিশ লক্ষৰো বেচি ছাত্ৰৰে সেইবোৰত শিক্ষা পাইছে।

৭। ১৮৫৩ খৃষ্টাব্দলৈকে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে "ইণ্ডিয়ান চিভিল চৰ্ভিচ"ৰ বিষয়াবিলাক নিযুক্ত কৰি পঠিয়াইছিল; আৰু কোম্পানীৰ

মিজা বহু মানুহৰ বাহিৰে আনে তাত ঠাই নেপাইছিল। ভাৰতৰ কোনো মানুহ চিভিল চৰ্ভিচত সোমাব নোৱাৰিছিল। এই বছৰতে চিভিল চৰ্ভিচৰ দুৱাৰ, ইংৰাজৰ ৰাজ্যৰ কি য়ুৰোপীয় কি দেশীয় সকলো প্ৰজালৈ মুকলি কৰি দিয়া হ'ল। যি বিলাতত চিভিল চৰ্ভিচৰ মহলাত ভালকৈ উঠে, তেওঁকে, তেওঁৰ জাত বা ধৰম কি তাক নিবিচাৰি, সেই চাকৰিত নিযুক্তা হ'ল। এতিয়া সেইদেখি ভাৰতৰ চিভিল চৰ্ভিচত বামুণ, শূদিৰ, ৰাজপুত, মছলমান, পাৰ্চী আদি সকলো জাতৰে মানুহ পোৱা যায়।

লৰ্ড কেনিং, চতুৰ্দ্দশ গবৰ্ণৰ জেনেৰেল।

১৮৫৬—১৮৫৮।

১। লৰ্ড কেনিং ১৮৫৬ খৃষ্টাব্দত, অৰ্থাৎ লৰ্ড ক্লাইবে পলাশীৰ যুদ্ধ জিকি ভাৰতত ইংৰাজ ৰাজ্যৰ ভেতি বন্ধাৰ ঠিক এশ বছৰৰ পিছত, গবৰ্ণৰ জেনেৰেল হৈ ভাৰতবৰ্ষলৈ আহে। এই সময়ত ভাৰতবৰ্ষত চাৰিউফালে শান্তি স্থাপিত হৈ আছিল, আৰু কোনো বিপদৰ আশঙ্কা নাছিল। এনেতে হঠাৎ বঙ্গদেশত এটা ধুমুহা বতাহ আহিল; যাক চিপাহী-বিদ্ৰোহ বোলে।

২। বঙ্গদেশ ইংৰাজৰ তলত সদাই নিজু দেশ বুলি প্ৰখ্যাত আছিল; সেইদেখি বঙ্গদেশত ইংৰাজ সৈন্য সৰহকৈ নাৰাখি, তাৰপৰা সৰহখিনি সৈন্য উত্তৰ-পশ্চিম প্ৰদেশ আৰু পঞ্জাবলৈ পঠিয়াই দিয়া হৈছিল। বঙ্গদেশত দেশী চিপাহী হে সৰহ আছিল।

৩। আমি আজিকালিৰ দিনৰ মানুহে সহজে ৰেল, বিজুলী-ডাক চিঠিৰ সস্তা মাচুল, স্কুল, আৰু আস্পতালৰ মানে আৰু উপকাৰিতা বুজোঁ; কিন্তু সেই কালত সেইবোৰ প্ৰথমতে ভাৰতত ওলালত, দেশী

মানুহে তাৰ মানে আৰু উপকাৰিতা নুবুজি ভয় খাইছিল, আৰু ভাবিছিল, যে ইংৰাজে সিহঁতৰ অপকাৰ কৰিবৰ মনেৰে হে সেইবোৰ আনি ভাৰতত উলিয়াইছেহি। কোনোৱে কৈছিল, যে দীঘল-ৰেলৰ লোৰে আৰু বিজুলী-ডাকৰ তাৰেৰে ইংৰাজে পৃথিবীখন বান্ধি আনিছে। ঘোৰা নলগোৱাকৈ ৰেলৰ ইঞ্জিনে গাড়ী টানি নৈ যোৱা দেখি কোনোৱে ভাবিছিল যে ভূতে সেই কাম কৰিছে। ভাৰতৰ মানুহে যেতিয়া দেখিলে যে শ শ মাইলৰ দূৰৈলৈ, বিজুলী সম্বাদ চকুৰ পচাৰতে বাতৰি পঠিৱা হৈছে, সিহঁতৰ মনত বৰ ভয় সোমাল। ভালেমান মানুহে ভাবিলে, যে স্কুল আৰু আস্পতাল পাতি ইংৰাজে সিহঁতৰ জাত মাৰিবলৈ ধৰিছে, আৰু সিহঁতে ইংৰাজী পঢ়িলে আৰু হিন্দু হৈ থাকিব নোৱাৰে।

লৰ্ড কেনিং।

৪। এনেবোৰ মিছা কথা দুষ্ট মানুহে বঙ্গ দেশৰ আৰু অযোধ্যাৰ চিপাহীবোৰৰ ভিতৰত ৰটি ফুৰিবলৈ ধৰিলে; যদিও তেনেকৈ ৰটি ফুৰোঁতাবোৰে নিজে সেইবোৰ কথা বিশ্বাস নকৰিছিল। ঠিক এই সময়তে চিপাহীবোৰক এবিধ নতুন হিলৈ দিয়া হৈছিল, যাত ব্যৱহাৰ কৰিবলৈ দিয়া খাৰৰ টোটাবোৰ মম বা চৰ্বি অৰ্থাৎ জন্তুৰ তেলেৰে বিয়লী কৰা আছিল। কোনোবাই চিপাহীবোৰক কৈ দিলে যে সিহঁতৰ জাত মাৰিবৰ ফিকিৰ কৰি সেই টোটাবোৰ তেলেৰে কৰা হৈছে। সেই নিমিত্তে চিপাহীবোৰে সেই টোটাবোৰ ব্যৱহাৰ কৰিবলৈ অমান্তি হল।

সিহঁতে ভাবিলে যে আওৰংজেবে আৰু টিপুৱে যেনেকৈ অনেক হিন্দুক বলেৰে মছলমান কৰিলে, সেইদৰে ইংৰাজেও সিহঁতক খৃষ্টান কৰিবলৈ ধৰিছে।

৫। অযোধ্যা আৰু উত্তৰ-পশ্চিম প্ৰদেশত নবাববিলাকৰ আমোলত অনেক তালুকদাৰ আছিল, যাৰ, দক্ষিণ-ভাৰতৰ পলিগাৰ বা নায়ক-বিলাকৰ দৰে একোটা সৰু দুৰ্গ আছিল; আৰু যি সৰু-সুৰা গাৱঁৰ ওপৰত শাসনকৰ্ত্তা হৈ তাৰপৰা কৰ-কাটল আদায় কৰি খাই আছিল। তেওঁলোকৰপৰা দেশৰ ৰজাই বলেৰে ধন উলিয়ালে, নিজ ইচ্ছামতে তেওঁলোকে কেতিয়াও নিদিছিল; আৰু অনেক সময়ত একেবাৰেই একোকে নিদিছিল। ইংৰাজৰ হাতলৈ দেশ আহিলত তেওঁলোকৰ সেই ক্ষমতা গুচিল দেখি, ইংৰাজৰ ওপৰত তেওঁলোকৰ বৰ আক্ৰোশ হৈছিল। তেওঁলোকে চিপাহীবোৰক বিদ্ৰোহী হবলৈ বৰকৈ উচটাই দিছিল।

৬। ইয়াৰ এবছৰ কি দুবছৰৰ আগতে বুঢ়া পেচোৱা বাজীৰাওৰ মৃত্যু হয়। মহাৰাষ্ট্ৰ যুদ্ধৰ শেষত ১৮১৮ খৃষ্টাব্দত বাজীৰাওক ইংৰাজ গৱৰ্ণমেণ্টে বছৰি ৮ লাখকৈ টকা বৃত্তি দি তেওঁ জীয়াই থকা কাললৈকে কানপুৰৰ পৰা ছ মাইল দূৰৈত বিঠোৰ নামে এডোখৰ ঠাইত থৈ দিছিল। তেওঁৰ সন্তান নথকা বাবে বাজীৰাৱে নানাচাহাব নামে লৰা এজন তোলনীয়া-পো কৰি লয়। তেওঁ পাঁচ ক্ৰোৰ টকা নানাচাহাবলৈ থৈ মৰে। কিন্তু নানাচাহাবে তাতো সন্তুষ্ট নহৈ বাজীৰাওক দিয়া বৃত্তিটো ইংৰাজৰপৰা বিচাৰিছিল। বাজীৰাওক দিয়া বৃত্তিৰ ওপৰত তেওঁৰ কোনো স্বত্ব নাছিল দেখি ইংৰাজ গৱৰ্ণমেণ্টে তেওঁক সেই বৃত্তি দিবলৈ অস্বীকাৰ কৰিলে। সেইদেখি নানাচাহাবে ইংৰাজৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে, আৰু তলে তলে চিঠি লেখি চিপাহীবোৰক বিদ্ৰোহী হবলৈ উদগাবলৈ ধৰিলে।

৭। প্ৰথমতে এটা কি দুটা পল্টনে সিহঁতৰ উপৰুৱা বিষয়াৰ হুকুম

মানিবলৈ অশান্তি হোৱাত, সেই পল্টন ভাঙি চিপাহীবোৰক বৰখাস্ত কৰি খেদি দিয়া হল। সিহঁতে চাৰিউকালে সৈ সিহঁতৰ দশাৰ কথা আনবিলাক চিপাহীক কৈ দিলত, ততালিকে ১৮৫৭ খৃষ্টাব্দত দিল্লীৰ ওচৰৰ মিৰটত, যত অনেক চিপাহী আছিল, বিদ্রোহ জ্বলি উঠিল। চিপাহীবিলাকে সিহঁতৰ উপকৰ্ত্তা ইংৰাজ বিষয়াবিলাকক গুলি কৰি মাৰি, যতে ইংৰাজ পালে ততে, মুনিহ তিৰুতা লৰা ছোৱালী যিয়েই হওক তাকৈ নেচাই তেওঁলোকক বলিয়াৰ দৰে বধ কৰি, তেওঁলোকৰ ঘৰত জুই লগাই দি, বন্দী-কাটকৰ দুৱাৰ মেলি কইদীবোৰক এৰি দি, দিল্লীৰ ফালে যাত্ৰা কৰিলে।

৮। দিল্লীত পুৰণি মোগল চা আলমৰ (যাক ইংৰাজে ইমান মৰম কৰি ৰাখিছিল) বংশধৰবিলাক আছিল। তেওঁলোকৰ ভিতৰত বাহাদুৰ চাই যাই। বাহাদুৰ চা বয়সত বুঢ়া আৰু ইংৰাজৰ বৃত্তি খোৱা আছিল। তেওঁ ভাবিলে, কি জানি তেওঁ আগৰ মোগল সম্রাটবিলাকৰ দৰে আকৌ সম্রাট হব পাৰেই। এনে ভাবি তেওঁ বিদ্রোহীবোৰৰ লগ লাগিল; আৰু নিজক হিন্দুস্থানৰ সম্রাট বুলি ঘোষণা কৰিলে। বিদ্রোহী চিপাহীবোৰৰ হাতৰপৰা সাবিৰৰ মনেৰে তেওঁৰ ঘৰত আশ্ৰয় লোৱা ইংৰাজৰ আঠৈ কুৰি লৰা ছোৱালী আৰু তিৰুতা তেওঁ হুকুম দি মৰালে।

৯। মিৰাটত হোৱাৰ দৰে আন অনেক ঠাইত বিদ্রোহ হৈছিল। ইংৰাজ বন্ধুৱা বিষয়াবোৰে সেই চিপাহীবোৰৰ লগতে আগেয়ে অনেক যুদ্ধত একেলগে শত্ৰুৰ বিপক্ষে যুঁজ কৰিছিল, আৰু সিহঁতক খুব বিশ্বাস কৰিছিল। কিন্তু এতিয়া সিহঁতৰ ভালেমানে বিশ্বাসঘাতকতা কৰি অকল যে তেওঁলোকক বধ কৰিলে এনে নহয়, আন য়ুৰোপীয় মানুহকো যতে যাকে পালে ততে তাক বধ কৰি দিল্লীলৈ যুদ্ধযাত্ৰা কৰি আহিল।

১০। কাণপুৰত নানাচাহাব বিদ্রোহীবিলাকৰ নায়ক হল। তাত ইংৰাজ মুনিহ মানুহ সৰহ নাছিল; ইংৰাজৰ ভালেমান তিৰুতা আৰু

লৰা ছোৱালীক নিৰাপদে ৰাখিবৰ নিমিত্তে তাতে পঠিয়াই দিয়া হৈছিল। চিপাহীবোৰৰ সৈতে মুনিহ ইংৰাজবিলাকে ১৯ দিন যুঁজি আছিল; আৰু নিশ্চয় তেওঁলোকে সিহঁতৰ দল ভেদ কৰি-ওলাই আহিব পাৰিলেহেঁতেন; কিন্তু তেওঁলোকে লৰা ছোৱালী আৰু তিৰোতাবিলাকক এৰি আহিব নোৱাৰা হল। নানাচাহাবে তেওঁলোকক কলে যে, যদি তেওঁলোক সৈমান হয়, তেন্তে তেওঁলোকক লৰা তিৰোতাৰে সৈতে তেওঁ এলাহাবাদ পোৱাই দিব। তেওঁলোকে মূৰ্খামি কৰি নানাচাহাবৰ এই কথা বিশ্বাস কৰি যেতিয়া গৈ গঙ্গাত নাৱৰ ওপৰত উঠিল, তেতিয়াই নানাৰ চিপাহী-বোৰে পাৰৰপৰা তেওঁলোকৰ ওপৰত গুলি বৰষি অনেকানেক বধ কৰি নাওবোৰত জুই লগাই দিলে। ইয়াৰ পিছত চিপাহীবোৰে মুনিহলোকৰ গুলিয়াই মাৰি উপায়হীন লৰা তিৰোতাবোৰক পোনতে কাটকত বন্দী কৰি থৈ, তাৰ পিছত নানাচাহাবৰ হুকুম মতে তেওঁলোকক ডোখৰ ডোখৰকৈ কাটি শবোৰ এটা পাটনাদত পেলাই দিলে। ভাৰত-বৰ্ষত যতবোৰ অতি নিষ্ঠুৰ আৰু জঘন্য কাম হৈছে, তাৰ ভিতৰত এইটোও এটা৷

জেনেৰেল হেভ্‌লক।

১১। বিদ্রোহী চিপাহীবোৰে পাঁচ মাহ দিল্লী দখল কৰি আছিল, কিন্তু ইয়াৰ ভিতৰতে কলিকতা, মাদ্ৰাজ, আৰু পঞ্জাবৰ পৰা ইংৰাজৰ ফৌজ পালেহি। শিখ বিলাকক পঞ্জাব দখল কৰা মাথোন আঠ বছৰ হৈছিল, কিন্তু ইয়াৰ ভিতৰতে সিহঁতে ভালকৈ দেখিবলৈ পাইছিল যে সিহঁত আগৰ নিজৰ ৰজাৰ তলতকৈ ইংৰাজৰ তলত বেছি

সুখে আছে। শিখ আৰু গুৰ্খাবিলাকে বিশ্বাসঘাতকতা নকৰি ইংৰাজৰ হকে খুব সাহেৰে যুদ্ধ কৰিছিল। জেনেৰেল (পিছত স্যাৰ হেনৰি) হেভ্‌লকৰ হাতত নানাচাহাব হাৰি হাবিলৈ পলাই গুচি গল; আৰু তাঁৰ পিছত তেওঁৰ কোনো বাতৰি পোৱা নগল। জেনেৰেল নীল আহি হেভলকৰ লগ লাগি কানপুৰ দখল কৰি লক্ষ্ণৌ উদ্ধাৰ কৰিবলৈ গল। স্যাৰ হেন্‌ৰি লৰেন্স কেইমাহও ৫০,০০০ বিদ্রোহীৰ বিপক্ষে লক্ষ্ণৌ ৰক্ষা কৰি আছিল। জেনেৰেল উইল্‌চনে ছদিন সোৰ্খোৰ যুদ্ধ কৰি দিল্লী দখল কৰিলে। ইয়াৰ ভিতৰতে প্ৰধান সেনাপতি স্যাৰ কলিন কেম্বেল স্যাৰ জেমচ আউট্ৰামে সৈতে অনেক ইংৰাজ সৈন্য লৈ পালেহি।

স্যাৰ জেম্চ্ আউট্ৰাম।

লক্ষ্ণৌ আৰু কানপুৰৰপৰা বিদ্রোহীবোৰক খেদি দি ইংৰাজে আকৌ সেই দুই ঠাই অধিকাৰ কৰিলে। অযোধ্যাৰপৰাও বিদ্রোহীবোৰ খেদা খাই গল। দিল্লীৰ যুদ্ধত জেনেৰেল নিকল্‌চন মৰিল, আৰু তাৰ অলপ পিছতে জেনেৰেল হেভ্‌লকৰ মৃত্যু হল।

১২। মান্দ্ৰাজৰপৰা হুইট্‌লকে এটা ফৌজ লৈ, আৰু বোম্বাইৰপৰা স্যাৰ হিউৰোজে এটা ফৌজ লৈ, লাহে লাহে চিন্ধিয়া আৰু হলকাৰৰ চিপাহীবোৰ খেদুৱাই এটা এটাকৈ দুৰ্গবোৰ অধিকাৰ কৰি উত্তৰ-ভাৰত লৈ আহিবলৈ ধৰিলে। হলকাৰ আৰু চিন্ধিয়াই নিজে বিদ্রোহীআচৰণ কৰা নাছিল, কিন্তু তেওঁলোকে তেওঁলোকৰ চিপাহীবোৰক দমাই ৰাখিব নোৱাৰা বাবে, সিহঁতে বিদ্রোহী চিপাহীবোৰৰ সৈতে লগ লাগি ইংৰাজৰ

বিপক্ষতাচৰণ কৰিছিল। তাঁতিয়া-টুপি নামে এজন মহাৰাষ্ট্ৰী চৰ্দাৰ সিইতৰ নায়ক হৈছিল। কিন্তু সিইঁত যুদ্ধত হাৰিল; আৰু তাঁতিয়া-টুপি ধৰা পৰি ফাঁচী গল।

১৩। দিল্লী ইংৰাজৰ হাতলৈ অহাৰ পিছতে বিদ্ৰোহী চিপাহীবোৰ সিহাসিহি পলাই গল; আৰু ১৮৫৮ খৃষ্টাব্দত গোটেই ভাৰতত আকৌ শান্তি স্থাপিত হল।

ইংলণ্ডৰ ৰাণীৰ তলত ভাৰতবৰ্ষ।

প্ৰথম পাঁচজন ৰাজপ্ৰতিনিধি।

১৮৫৮—১৮৭৭।

১। চিপাহী বিদ্ৰোহৰ পিছত ইংলণ্ডৰ পাৰ্লেমেণ্টে দেখিলে যে ভাৰতবৰ্ষ শাসন কৰিবৰ নিমিত্তে গৱৰ্ণমেণ্ট সলাবৰ সময় আহিল। সেই দেখি ভাৰতবৰ্ষ শাসন কৰিবৰ ভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা ইংলণ্ডৰ ৰাণীৰ হাতলৈ নিয়া হল; আৰু ইংলণ্ডৰ ৰাণীয়েই ভাৰতৰো ৰাণী হল। গৱৰ্ণৰ জেনেৰেলৰ নাম "ভাইচৰই" অৰ্থাৎ ৰাজ প্ৰতিনিধি দিয়া হল।

২। লৰ্ড কেনিঙে প্ৰথম ৰাজ প্ৰতিনিধি হৈ ১৮৬২ খৃষ্টাব্দলৈকে ভাৰত শাসন কৰিলে। লৰ্ড ডেলহাউচিয়ে যিবোৰ কাৰ্য্য আৰম্ভ কৰিছিল, তেওঁ সেইবোৰ বহলাই কৰিলে, আৰু চাৰিউকালে আলিবাট, ৰেল, খাল, বিজুলী-তাৰ বহালে, সৰহকৈ স্কুল আৰু আস্পতাল পাতিলে।

৩। ভাৰতত ৰাণীৰ ঘোষণা-পত্ৰ প্ৰচাৰিত হল, যে গোটেই ভাৰতবৰ্ষতে কি ইংৰাজ, কি দেশী মানুহ, কি হিন্দু, কি মছলমান, সকলোৰে প্ৰতি সমান ভাৱে ব্যৱহাৰ কৰা হব। ভাৰতবৰ্ষৰ মানুহৰ ধৰম আৰু জাতত হস্তক্ষেপ কৰা নহয়। সকলোৱে সমান স্বত্ব হব, আৰু সকলো

একে আইনৰ বিচাৰৰ তলতীয়া হব। ভাৰতবৰ্ষৰ অপুত্ৰক ৰজাবোৰে তোলনীয়া-পো লব পাৰিব।

৪। স্বায়ৰস্ত মহাৰাণীয়ে ভাৰতবৰ্ষৰ প্ৰজাক যেনে ভাল পাইছিল আৰু মৰম কৰিছিল, ভাৰতবৰ্ষৰ প্ৰজাইও তেনেকৈ তেওঁক শ্ৰদ্ধা ভক্তি কৰিবলৈ ধৰিলে। মহাৰাণী ইংলণ্ডৰ ডাঙৰ মানুহ একনৰ প্ৰতি যেনে আছিল, ভাৰতৰ দুখীয়া হজুৱা এটাৰ প্ৰতিও তেনে আছিল। তেওঁ তেওঁৰ প্ৰজাৰ ভাল বেয়াৰ প্ৰতি যেনে দৃষ্টি ৰাখিছিল, আগৰ কোনো ৰজা বা ৰাণীয়ে তেনেকৈ ৰখা নাছিল।

৫। লৰ্ড এলগিন দ্বিতীয়জন ৰাজপ্ৰতিনিধি আছিল। তেওঁ ভাৰত-অহাৰ এবছৰৰ পিছত ১৮৬৩ খৃষ্টাব্দত মৃত্যুৰ মুখত পৰে। সেই বছৰতে ইংৰাজৰ মিত্ৰ-ৰজা আৰু চিপাহী বিদ্ৰোহৰ সময়ত ইংৰাজক সহায় কৰোঁতা আফগানিস্থানৰ আমিৰ দোষ্ট মহম্মদৰ মৃত্যু হয়। স্বেৰ আলি নামে তেওঁৰ পুতেক এজন তেওঁৰ পিছত আমিৰ হল। স্বেৰ আলিয়ে আফগানিস্থানৰ সিংহাসনৰ আচল উত্তৰাধিকাৰী তেওঁৰ ককায়েক আফজল খাঁক বন্দী কৰি থৈ নিজে ৰজা হৈছিল।

লৰ্ড লৰেন্স।

৬। ১৮৬৪ খৃষ্টাব্দত চাৰ জন লৰেন্সক (পিছত লৰ্ড লৰেন্স) ৰাজপ্ৰতিনিধি পতা হল। তেওঁ চিপাহী বিদ্ৰোহৰ সময়ত পঞ্জাবৰ শাসনকৰ্ত্তা হৈ আছিল, আৰু ভাত ৰব তালকৈ শাসনকাৰ্য্য কৰিছিল। তেওঁৰ দিনত ভূটানৰ সৈতে এখন সৰু যুদ্ধ লাগে। সেই যুদ্ধৰ কাৰণ, ভোটৰ ৰজাই ভাৰতৰ কিছুমান

মানুহক ধৰি গোলাম কৰি লৈ গৈছিল। তেওঁৰ এজাই ইংৰাজৰ হাতত হাৰি ধৰি লৈ যোৱা সেই মানুহবোৰ এৰি দিলে। দোষ্ট মহম্মদৰ বৰ পুতেক আফজল খাঁক তেওঁৰ পুতেক আবদুৰ ৰহমানে বন্দীশালৰ পৰা মুকলি কৰি ৰাজ সিংহাসনত বহুৱালে, আৰু শ্বেৰ আলি পলাই গল। কিন্তু কিছু কালৰ পিছত আফজল খাঁ মৰিলত শ্বেৰ আলি উভতি আহি আকৌ সিংহাসন অধিকাৰ কৰি বহা হল।

স্যাৰ জন লৰেন্সৰ দিনত ভাৰতবৰ্ষত দুটা ডাঙৰ আকাল হৈছিল; এটা উড়িষ্যাত আৰু আনটো পশ্চিম-ভাৰতত। গৱৰ্ণমেণ্টে সেই আকালত অনেক ধন খৰচ কৰি অনেক লোকৰ প্ৰাণ ৰক্ষা কৰিছিল।

চতুৰ্থ ৰাজ প্ৰতিনিধিৰ নাম লৰ্ড মেয়। তেওঁ ১৮৬৯ খৃষ্টাব্দত ভাৰতবৰ্ষলৈ আহে। লৰ্ড মেয় ভাৰতত থকা মাথোন তিনি বছৰ হৈছিল, এনেতে তেওঁক আণ্ডামানত কইদী এটাই বধ কৰিলে। তেওঁ "পবলিক ওৱৰ্কচৰ" উন্নতি কৰিবলৈ খুব পুৰুষাৰ্থ কৰিছিল; আৰু "এগ্ৰিকলচৰ ডিপাৰ্টমেণ্ট" অৰ্থাৎ কৃষি বিভাগ খুলিছিল। এই বিভাগৰ বিষয়াবিলাকে আন আন দেশত খেতিৰ উন্নতিৰ নিমিত্তে খেতিয়ক-বিলাকে কি কি কৰিছে, কি খেতি কৰিছে, কি শস্য আৰ্জিছে, কেনে নাঙলেৰে হাল বাইছে, সিহঁতৰ বাৰীত কি ফল মূল উৎপন হৈছে, কি সাৰ সিহঁতে মাটিত দিছে, আৰু কেনেকৈ হাল, বাইছে এইবোৰৰ

লৰ্ড মেয়।

বাতৰি লৈ থাকে। তেওঁলোকে এই বিলাক কাৰ্য্যৰ তু অনায়াসে লব

পাৰে, কাৰণ ইংৰাজ পৃথিৱীৰ সকলো দেশতে ফুৰে, সকলো দেশলৈকে যায়, আৰু কত কি হৈছে তাৰ বাতৰি তেওঁলোকে লয়। কিন্তু হিন্দুৱে সিদিনালৈকে জাত যোৱাৰ ভয়ত ভাৰতবৰ্ষৰপৰা বাহিৰলৈ যাব নোৱাৰিছিল। কৃষি বিভাগৰ বিষয়াবিলাকে দেশী ভাল খেতিয়কবোৰক নিজে কত কি দেখি আহিল, আৰু কত কি শিকি আহিল, সেইবোৰ কৈ দিয়ে আৰু কেনেকৈ ভালকৈ শস্য অৰ্জিব লাগে তাৰ বাট দেখুৱাই দিয়ে।

ৰাণী ভিক্টোৰিয়া।

৮। লৰ্ড নৰ্থব্ৰুক পঞ্চম ৰাজপ্ৰতিনিধি। তেওঁৰ দিনত বঙ্গদেশত এটা বৰ ডাঙৰ আকাল হৈছিল। কিন্তু তেওঁ বৰ বুধি চলাই, খেতি-বাতি নোহোৱা বাবে আকালত পৰা মানুহক কাম, দৰৱহা আৰু আহাৰ দি আকালৰ হাতৰপৰা ৰক্ষা কৰিছিল। ১৮৭৫ খৃষ্টাব্দত ইংলণ্ডৰ ৰাণীৰ বৰকোঁৱৰ প্ৰিন্স-অব-ৱেলচ যি আজিকালি আমাৰ ৰজা সপ্তম এড্‌ৱাৰ্ড ভাৰতবৰ্ষলৈ আ'হছিল। ভাৰতবৰ্ষৰ এটাইবিলাক ৰজাই তেওঁক চাবলৈ আহিছিল, আৰু গোটেই ভাৰত আনন্দ উৎসৱেৰে ভৰি পৰিছিল।

মহাৰাণীৰ তলত ভাৰতবৰ্ষ।

পিছৰ সাতজন ৰাজপ্ৰতিনিধি।

১৮৭৭—১৯০৬।

১। ১৮৭৭ খৃষ্টাব্দত ষষ্ঠজন ৰাজ প্ৰতিনিধি লৰ্ড লিটনে দিল্লীত এটা ডাঙৰ দৰবাৰ কৰি বিলাতৰ ৰাণীয়েই ভাৰতৰ মহাৰাণী অৰ্থাৎ ভাৰতেশ্বৰী হোৱাটো ঘোষণা কৰিলে। ভাৰতত প্ৰথম এই বাৰেই সকলো দেশী ৰজা মহাৰজাই নিজৰ ভিতৰৰ পুৰণি দন্দ-খৰিয়াল যুঁজ-বাগৰ আদি পাহৰি ভাৰতেশ্বৰী মহাৰাণীৰ ৰাজভক্ত প্ৰজা স্বৰূপে সেই দৰবাৰত বহিছিল।

২। ইয়াৰ অলপ পিছতে দক্ষিণ-ভাৰতত এটা ডাঙৰ আকাল হৈছিল। দুবছৰ সময়মতে বৰষুণ নোহোৱাৰ নিমিত্তে এই ভয়ানক আকাল হৈ প্ৰায় ৫০,০০,০০০ মানুহ খাবলৈ নেপাই মৰে। গৱৰ্ণমেণ্টে, আকালত পৰা মানুহৰ যথাসাধ্য সহায় কৰিছিল, আৰু আকাল হোৱা ঠাইলৈ ভালেমান ধান চাউল আদি আন দেশৰ পৰা ৰেলেৰে আৰু জাহাজেৰে আনিছিল। গৱৰ্ণমেণ্ট দহকোটি টকাৰো বেছি ৰূপ সেই আকালত পৰা মানুহক আহাৰ দিওঁতে খৰচ কৰিছিল; আৰু লক্ষ লক্ষ মানুহৰ জীৱন ৰক্ষা কৰিছিল। এই ডাঙৰ আকালৰ পিছত ভাৰতত আৰু অনেক ৰেল ন-কৈ কৰা হল, যাতে আগলৈ কোনো ঠাইত তেনে আকাল হলে বেগাবেগীকৈ চাৰিউফালৰ পৰা তালৈ ধান চাউল আদি লৈ যাব পৰা হয়।

লৰ্ড লিটন।

৩। ঠিক এই সময়তে আফগানিস্থানৰ আমিৰ সেৰ আলিয়ে কাবুলত

তেওঁৰ ৰাজসভাত এজন ৰুচ বিষয়াক আদৰ-সাদৰেৰে ঠাই দিলে, অথচ গৱৰ্ণৰ জেনেৰেলে পঠিওৱা এজন ইংৰাজ বিষয়াক সেইদৰে বন্ধুভাবে ৰাজসভাত ঠাই দিবলৈ তেওঁ অমান্তি হল। তাৰ দ্বাৰাই এইটো বুজা গল যে ৰুচিয়াই যদি ভাৰত আক্ৰমণ কৰে তেন্তে তেওঁ ইংৰাজৰ বিপক্ষে ৰুচিয়াক সাহায্য কৰিব। সেইদেখি গৱৰ্ণৰ জেনেৰেলে আমিৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি আফগানিস্থান আক্ৰমণ কৰিলে। স্বেৰ আলি পলাই গল, আৰু তেওঁৰ পুতেক য়াকুব খাঁক আফগানিস্থানৰ আমিৰ পতা হল। য়াকুবে ইংৰাজৰ সৈতে সন্ধি কৰিলে। কিন্তু যেতিয়া স্যাৰ লুই-কেভেগ্‌নেৰি নামে এজন ইংৰাজ বিষয়াক তেওঁৰে সৈতে দেখা কৰিবলৈ পঠিওৱা হল, তেওঁৰ আফগান সৈন্যবোৰে কেভেগ্‌নেৰিক বধ কৰিলে। ইয়াৰ পিছত য়াকুব খাঁই কাবুলৰ সিংহাসন এৰি দিলে, আৰু তেওঁক ভাৰতবৰ্ষলৈ পঠিয়াই দিয়া হল।

৫। সপ্তমজন ৰাজপ্ৰতিনিধি লৰ্ড ৰিপনে দ্বিতীয় আফগান যুদ্ধ সমাপন কৰিলে। য়াকুবৰ ভায়েক আয়ুব খাঁই সিংহাসন অধিকাৰ কৰিব খোজাত, জেনেৰেল ৰবৰ্টচ (এতিয়া লৰ্ড ৰবৰ্টচ) কাবুলৰপৰা কান্দাহাৰলৈ যুদ্ধযাত্ৰা কৰি গল। আয়ুব খাঁ পলাই গুচি গল, আৰু আফগানিস্থানৰ সিংহাসনৰ আচল উত্তৰাধিকাৰী আফজল খাঁৰ পুতেক আবদুৰ ৰহমানক আমিৰ পাতি ইংৰাজৰ মিত্ৰ ৰজা কৰা হল। আবদুৰ ৰহমানে ভালকৈ ৰাজ্যশাসন কৰিছিল। ১৯০১ খৃষ্টাব্দত আবদুৰ ৰহমানৰ মৃত্যু হলত তেওঁক পুতেক হবিব-উল্লা আফগানিস্থানৰ আমিৰ হল।

লৰ্ড ৰিপন।

৫। ভাৰতবৰ্ষৰ মানুহে লৰ্ড ৰিপনক বৰ ভাল পাইছিল। আৰু তেৰোঁ ভাৰতৰ মানুহৰ প্ৰতি বৰ দয়ালু আছিল। তেওঁ টাউন-এক্ট অৰ্থাৎ মিউনিচিপেল আইন কৰিলে, যি আইন মতে অনেক ডাঙৰ চহৰে নিজৰ শাসন কাৰ্য্যবিলাক কৰিবৰ নিমিত্তে নিজে মানুহ বাচি লব পৰা ক্ষমতা পালে। এইদৰে ডাঙৰ চহৰবোৰে স্বায়ত্ত শাসন কাৰ্য্য কৰে। দেশৰ মানুহে খোলা স্কুলত গৱৰ্ণমেণ্টৰ পৰা আংশিক খৰছৰ টকা দি সহায় কৰা নিয়ম লৰ্ড ৰিপনে চলালে। ইয়াৰ পিছত ভাৰতবৰ্ষৰ অনেক ঠাইত ভালেমান স্কুল খোলা হল। বিদেশৰ পৰা ভাৰতবৰ্ষলৈ অহা বস্তুৰ ওপৰত লগোৱা প্ৰায় এটাই-বোৰ কৰ লৰ্ড ৰিপনে উঠাই দি বস্তু সস্তা কৰি দিয়াত, সুবিধা পাই বেহা-বেপাৰ আগতকৈ অনেক বাঢ়ি উঠিল।

লৰ্ড ডফৰিণ।

৬। অইমজন ৰাজপ্ৰতিনিধিৰ নাম লৰ্ড ডফৰিণ। তেওঁ ভাৰতবৰ্ষলৈ অহাৰ অলপৰ পিছতে, ব্ৰহ্মদেশৰ ৰজা থিবই ইংৰাজৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। থিব বেয়া ৰজা আছিল, আৰু বৰ বেয়াকৈ তেওঁ ৰাজ্যশাসন কৰিছিল। গৱৰ্ণৰ জেনেৰেলে থিবৰ বিৰুদ্ধে ফৌজ পঠিয়ালে আৰু থিব পলাই গুচি গল। ১৮৮৬ খৃষ্টাব্দত ওপৰ ব্ৰহ্মদেশ বৃটিচ বৰ্ম্মাৰে সৈতে লগ লগোৱা হল, আৰু থিবক বৃত্তি এটা দি ভাৰতবৰ্ষত থৈ দিয়া হল। ভালেমান ব্ৰহ্মদেশী ডকাইতক দমন কৰা হল; আৰু ওপৰ ব্ৰহ্মত নামনিৰ ব্ৰহ্মদেশ আৰু ভাৰতৰ দৰে শাসনকাৰ্য্য চলোৱা হল।

৭। বিলাতৰপৰা তিকতা বেজিনী আনি ভাৰতবৰ্ষৰ তিকতাবোৰৰ

নবীয়া চোৱাৰ সুবিধা কৰি দিবৰ নিমিত্তে গবৰ্ণৰ জেনেৰেল লৰ্ড ডফৰিণৰ বৈণীয়েক লেডি ডফৰিণে এটা ধনৰ ভঁৰাল খুলিলে, যাৰ নাম “লেডি ডফৰিণ ফণ্ড।” বিলাতত আৰু ভাৰতত্তো অনেক ধন তুলি সেই ধন-ভঁৰালত গোটাই আস্পতাল আদি কৰি ইংলণ্ডৰ পৰা অনেক তিৰুতা বেজিনী অনা হৈছে।

৮। ইয়াৰ পিছৰ ৰাজপ্ৰতিনিধি লুজনৰ সময়ত ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম ফালৰ কেইবাটাও পৰ্ব্বতীয়া জাতিৰে সৈতে সৰু-সুৰা যুদ্ধ হৈছিল। আগৰ দিনত সেই পৰ্ব্বতীয়া জাতিবোৰে পৰ্ব্বতৰপৰা নামি আহি ভৈয়া-মৰ মানুহক লুটি-পুটি লৈ গৈছিল; আৰু এতিয়াও সিহঁতে তাকে কৰি-বলৈ বিচাৰে। কিন্তু আজিকালি সিহঁতে তেনে কৰিব নোৱাৰাকৈ তাত সৈন্য থৈ দিয়া হৈছে।

লৰ্ড লেন্সডাউন।

৯। শেহৰ তিনিজন ৰাজ প্ৰতিনিধিৰ দিনত ডাঙৰ ডাঙৰ চহৰবিলাকত, প্ৰজাক, মলিন থকা ভাল চেকা পানী খুৱাবৰ নিমিত্তে, আলিবাট সাৰি-পুচি চিকুণাই ৰাখিবলৈ, আৰু নগৰবৰপৰা জাবৰ-জোথৰ আদি গুচাই মানুহৰ গা ভালে ৰাখিবৰ নিমিত্তে, গবৰ্ণমেণ্টে অনেক ৰূপ ভাঙিছে। আগেয়ে আইওলাই হাজাৰ হাজাৰ মানুহ মৰিছিল; এতিয়া চিটা দিওঁতা মানুহ গাৱেঁ গাৱেঁ, পঠিয়াই দি মানুহক চিটা দিয়াই সেই নবীয়াৰ হাতৰপৰা ৰাখিবৰ দিহা কৰা হৈছে। মানু-হৰ অৰ ভাল কৰিবলৈ আৰু অৰ নোহোৱাকৈ ৰাখিবলৈ নিচেই কম

বেচত কুইনাইন দৰব চাৰিটকালে বেচিবৰ দিহা কৰি দিয়া হৈছে, আৰু জলাহ ঠাইবোৰ সিঁচি, বান্ধন কাটি দি তাৰপৰা পানী উলিয়াই দিয়া হৈছে। প্লেগ নামে এটা মহামাৰী ব্যাধি সম্প্ৰতি ভাৰতত ওলাইছেহি। প্লেগত পৰা দুখীয়া নৰীয়া মানুহলৈ আস্পতাল খোলা হৈছে, আৰু নৰীয়া পৰা মানুহৰ পতি কৰিবলৈ বিলাতৰ পৰা ইংৰাজ "নৰ্চ" অৰ্থাৎ ৰুগীয়াৰ সেৱা-শুশ্ৰূষা কৰিব জনা তিৰুতা মানুহ অনা হৈছে; আৰু অনেক ডাক্তৰ পঠিয়াই প্লেগ ৰুগীয়াক দৰৱ-জাতি খুউৱা হয়; আৰু যেনে নিয়মে থাকিলে সেই ৰোগে ধৰিব নোৱাৰে সেইদৰে চলিবলৈ ডাক্তৰবিলাকৰ দ্বাৰাই মানুহক বুজাই দিয়া হয়।

লৰ্ড এল্গিণ।

১০। আমি সকলোৱে আশা কৰোঁ যেন ভৱিষ্যতৰ ভালেমান কাললৈকে ভাৰতত শান্তি স্থাপিত হৈ থাকে; আৰু ইংলণ্ড আৰু ভাৰতৰ ৰজাৰ সাহিয়াল সৈন্যৰ দ্বাৰাই প্ৰজা ৰক্ষিত হৈ কোনো শত্ৰুলৈ ভয় নকৰি আগতকৈ ভালেমান গুণে সুখ ভোগ কৰি থাকিব পাৰে।

১১। আমি ওপৰত দেখুৱাই আহিছোঁ, আগৰ কালত কেনেকৈ ভাৰতবৰ্ষৰ উত্তৰ ফালৰপৰা অহা সাহিয়াল আৰু বলী কৈদবিলাকে, এটাৰ পিছত এটাকৈ ভাৰতলৈ আহি, কিছুকাল ভাৰতৰ ওপত ঠাইত থাকি নিজৰ বল-বীৰ্য্য আৰু সাহ হেকৱাঁয়; আৰু কেনেকৈ সিহঁতৰ পিছত উত্তৰৰ চেঁচা দেশৰপৰা ন-কৈ অহা কৈদৰ মানুহে সিহঁতক খেদাই তলতীয়া কৰে।

১২। কিন্তু আজিকালিৰ ভাৰত ৰখীয়া বলী ইংৰাজ সৈন্যবোৰ ভাৰতত বহুৎ দিন নথাকে। সিহঁত বিলাতৰ চেচা ঠাইত উপজি ডাঙৰ দীঘল হোৱা মানুহ, কিছু দিন ভাৰতত থাকি আকৌ বিলাতলৈ উভতি

ভাৰত সম্ৰাট ৰজা সপ্তম এড্‌ৱাৰ্ড।

গুচি যায় আৰু আকৌ ন কৈ বিলাতৰপৰা অহা সৈন্যই ভাৰতত সিহঁতৰ

ঠাই পুৰায়। এই নিমিত্তে ৩পৰত কৈ অহাৰ দৰে, ইংৰাজ সৈন্যই নিজৰ বল-বীৰ্য্য হেৰুৱাবৰ ভয় নাই।

১৩। এতিয়া ভাৰতবৰ্ষ এজন ডাঙ্গৰ আৰু ক্ষমতাশালী ৰজাৰ তলতীয়া হল। এনেকুৱা আগেয়ে কোনো কালত হোৱা নাছিল। আগৰ কালত ভাৰতবৰ্ষত নানা ধৈদ নানা জাতিৰ মানুহৰ নিজৰ নিজৰ সুকীয়া ৰজা আছিল, আৰু তেওঁলোকৰ ইজনে-সিজনে সততে ৰণ কৰি আছিল। এতিয়া তেওঁলোক এজন ৰজাৰ তলতীয়া হৈ পৰস্পৰ বন্ধুতাৰ ডোলেৰে বান্ধ খালে। এতিয়া সাহিয়াল গুৰ্খা, উগ্ৰমূৰ্ত্তি শিখ, টান মহা-ৰাট্টা, বাহুবলী পাঠান, হিন্দু আৰু মুছলমান সকলোবোৰে ইংৰাজ সৈন্যৰ কাষত ঠিয় দি লগ লাগি, আৱশ্যক হলে, সিইঁতৰ দেশ আৰু ৰজাৰ হকে যুজ কৰিবলৈ সাজু। ভাৰতবৰ্ষৰ বুৰঞ্জীত ভাৰতবৰ্ষ এক হোৱা এয়ে প্ৰথম ঈশ্বৰে কৰক যেন সদাই ভাৰত এইদৰেই থাকে!

১৪। ভিক্টোৰিয়াৰ সিচিনা ভাল ৰাণী কোনো দেশতে হোৱা নাই। ১৯০১ খৃষ্টাব্দৰ জানুৱাৰি মাহৰ ২২ তাৰিখে তেওঁৰ মৃত্যু হল। তেওঁৰ পিছত তেওঁৰ বৰ কোঁৱৰ প্ৰিন্স-অৱ-ৱেলচ "এড্‌ৱাৰ্ড-দি-চেভেন্থ" অৰ্থাৎ সপ্তম এড্‌ৱাৰ্ড নাম লৈ ইংলণ্ডৰ ৰজা আৰু ভাৰতৰ সম্ৰাট হল।

লৰ্ড কৰ্জন।

১৫। লৰ্ড কৰ্জনে ১৮৯৯ খৃষ্টাব্দৰ পৰা ১৯০৫ খৃষ্টাব্দলৈকে সাত বছৰ ৰাজপ্ৰতিনিধি হৈ ভাৰতবৰ্ষ শাসন কৰিছিল। তেওঁ ভাৰত শাসন কাৰ্য্যৰ সকলোপিনে সংস্কাৰ কৰি ভাল কৰিবলৈ লাগি গৈছিল। তেওঁৰ দিনত ৰেল আৰু থাল আগতকৈ অনেক বঢ়োৱা হল; মানুহক আকালৰ

হাতৰ পৰা সকলোবিলাক ভালেমান পুথুৰী আৰু নাদ খন্দা হল। পুলিচ বিভাগৰ সংস্কাৰ কৰি তাৰ কাৰ্য্যকাৰকবোৰৰ দৰমহা বঢ়াই দিয়া হল, ৰণুৱা বিভাগৰ অনেক প্রকাৰে উন্নতি কৰা হল। গল ২০ বছৰৰ পিছত প্রথমতে ৰাজ কৰবিলাক কমোৱা হল; যাইকৈ লোণৰ ওপৰত কৰ



লর্ড কর্জনৰ দিনত বৃটিচ ভাৰত।

অনেক কমাই দিয়া হল। ভাৰতৰ উত্তৰৰ-পশ্চিমৰ দাতি-কাষৰীয়া মুল্লাক কৈদবিলাকৰ আক্রমণৰপৰা ভাৰত ৰক্ষা কৰিবৰ নিমিত্তে

সিইঁতৰ সৈতে মিতিবালি পাতি সিইঁতক সৈন্যদলৰ ভিতৰত সুমাই লৈ নিজৰ দেশ ৰক্ষা কৰিবলৈ দিয়া হল। চিঠি আৰু বিজুলী-ডাকৰ মাচুল কমোৱা হল। লৰ্ড কৰ্জনৰ দিনত বেহা-বেপাৰ আগতকৈ অনেক বাঢ়ি দেশৰ উন্নতি হল। তিব্বতৰ বজাই, ইংৰাজ গৱৰ্ণমেণ্টৰ সৈতে থকা আগৰ সন্ধিৰ নিয়ম ভঙ্গা বাবে, তিব্বতৰ সৈতে এখন সৰু যুদ্ধ ঘটে। সেই যুদ্ধত তিব্বতৰ মানুহক হৰুৱাই আকৌ শান্তি স্থাপন কৰা হল।

১৬। দেশত ভালকৈ শাসনকাৰ্য্য চলিবৰ সুবিধা কৰিবৰ নিমিত্তে লৰ্ড কৰ্জনে দুখন নতুন প্ৰদেশ কৰিলে। সিন্ধুনৈৰ উত্তৰ-পূবৰ ঠাইখন "নৰ্থ-ৱেষ্ট ফ্ৰণ্টিয়ৰ প্ৰভিন্স" অৰ্থাৎ উত্তৰ-পশ্চিম দাঁতি-কাষৰীয়া প্ৰদেশ নাম দি এখন বেলেগ প্ৰদেশ কৰা হল; আৰু গঙ্গাৰ পূবৰ ঠাইখন আসামৰ সৈতে লগ লগাই দি "ইষ্টৰ্ণ-বেঙ্গল এণ্ড আসাম" অৰ্থাৎ পূৰ্ব্ববঙ্গ আৰু আসাম নামে এখন প্ৰদেশ কৰা হল।

লৰ্ড মিণ্টো।

১৭। ১৯০৬ খৃষ্টাব্দত লৰ্ড মিণ্টো নামে এজন নতুন ৰাজ প্ৰতিনিধি আহিল। তেওঁৰ আজুককাক ঠিক এশ বছৰৰ আগেয়ে ষষ্ঠ গৱৰ্ণৰ জেনেৰেল হৈ ভাৰতবৰ্ষ আহিছিল।

আসাম বুৰঞ্জীৰ আধ্যাচেৰেক।

আগৰ কালৰ কামৰূপত হিন্দুৰাজ্য।

১। আজিকালি যিখন দেশক আসাম বোলা যায়, আগৰ কালত তাৰ নাম কামৰূপ আছিল। ব্ৰাহ্মণবিলাকে ৰচনা কৰা পুৰাণ আৰু তন্ত্ৰবোৰৰপৰা পোৱা আভাস আৰু ইঙ্গিত আদিৰপৰা মাথোন সেই কালৰ অলপ-অচৰপ কথা জানিব পৰা যায়। কামৰূপ শব্দটো আগৰ পুৰণিকলীয়া কোনো নামৰ সংস্কৃত গঢ়ীয়া শব্দ, নাইবা সেই নামটোৰ মানেটোকে বুজোৱা সংস্কৃত শব্দ হব পাৰে। কামৰূপ উত্তৰ-ভাৰতৰ পূব কালৰ একেবেলিয়েই এমূৰীয়া দেশ, আৰু আৰ্য্যবিলাক প্ৰথমতে পঞ্জাবলৈ অহা পশ্চিম কলীয়া পৰ্ব্বতৰ মাজৰ ঠেক বাটবোৰৰপৰা ২০০০ মাইল দূৰৈত। আৰ্য্য ফৈদবিলাকে উত্তৰ-পশ্চিম ভাৰতৰ দৰে কামৰূপ কেতিয়াও জয় কৰি তাত বসতি কৰা নাছিল। সম্ভৱতঃ কেইবাশতিকাৰ পিছতহে যজ্ঞ কৰোঁতা ব্ৰাহ্মণ পুৰোহিত ঋষি সকল ব্ৰহ্মপুত্ৰ নৈৰ দুই পাৰে থকা দেশ কামৰূপৰ ঢাতি পাইছিলহি। ভাৰতবৰ্ষৰ উত্তৰ-পূব কালৰ দেশৰপৰা মঙ্গল জাতিৰ ফৈদৰ মানুহবিলাক আহি যে তাত বসতি কৰিছিল, সেইটো কথা, কামৰূপৰ মানুহবোৰৰ মুখৰ গঢ়, ভাষা, আচাৰ-ব্যৱহাৰ আৰু ধৰম আদিৰপৰা ভালকৈ বুজিব পৰা যায়।

২। ব্ৰাহ্মণসকলৰ ভিতৰত প্ৰচলিত আদিকলীয়া পৌৰাণিক উপাখ্যান এই যে, মহাভাৰতত লেখা কুৰুক্ষেত্ৰৰ যুদ্ধৰ আগেয়ে, কৃষ্ণই কুণ্ডিলৰ ৰজা ভীষ্মকৰ জীয়েক ৰুক্মিণীক বাপেকৰ ঘৰৰপৰা হৰণ কৰি

লৈ গৈছিল। সদিয়াৰ পূব ফালে থকা কুণ্ডিল নৈয়ে এতিয়াও কুণ্ডিল ৰাজ্যৰ নাম জীয়াই ৰাখিছে। কৃষ্ণৰ আহি লৈয়েই তেওঁৰ নাতিয়েক অনিৰুদ্ধই, শোণিতপুৰৰপৰা (যাক আজিকালি তেজপুৰ বোলে) বাণ ৰজাৰ জীয়েক ঊষাক হৰণ কৰি লৈ গুচি গৈছিল। এই পৌৰাণিক উপাখ্যানবিলাকৰপৰা দেখিবলৈ পোৱা যায় যে, কেনেকৈ আগৰ কালৰ হিন্দু ৰজাবিলাকে, তেওঁলোক নিজৈ আৰ্য্যই হওক নাইবা আৰ্য্যৰ ভিতৰত সোমাই পিছত হিন্দু নাম পোৱা দ্ৰাবিড়ীয়েই হওক, ভাৰতত জাতিভেদৰ সৃষ্টি হোৱাৰ আগেয়ে নাইবা তাৰ বান্ধ কটকটীয়া হোৱাৰ আগেয়ে, অনাৰ্য্য ৰজাবিলাকৰ লৈতে, যি অনাৰ্য্য কৈদবোৰক বেদত অসুৰ, দস্যু, দৈত্য, দানব আৰু নিষাদ বোলা হৈছিল, বিয়া-বাৰুৰ সম্বন্ধ কৰিছিল।

৩। বাণ ৰজাতকৈও বিখ্যাত আৰু এজন অসুৰ ৰজা আছিল, তেওঁৰ নাম নৰক। পৌৰাণিক উপাখ্যানত তেওঁক পৃথিবীৰ পুতেক বুলি কোৱা হৈছে। নৰক কৃষ্ণৰ মিত্ৰ ৰজা আছিল দেখি, কৃষ্ণই তেওঁক কামৰূপ ৰাজ্য দিছিল। ঘটক নামে কিৰাত কৈদৰ ৰজা এজনক খেদাই নৰকে অনেক বছৰ গুৱাহাটীত ৰাজত্ব কৰিছিল। তেওঁ বিখ্যাত কামাখ্যা মন্দিৰৰ ৰক্ষক আছিল। কিন্তু লাহে লাহে নৰক ইমান অহংকাৰী আৰু দাম্ভিক হৈ উঠিছিল যে কৃষ্ণই পিছত তেওঁক মাৰি তেওঁৰ পুতেক ভগদত্তক সেই ৰাজ্যৰ ৰজা পাতিলে। তেওঁৰ দিনত কামৰূপ চাৰিখন পীঠত বিভক্ত আছিল;—কামপীঠ, স্বৰ্ণপীঠ, ৰত্নপীঠ আৰু সৌমাৰ পীঠ। ভগদত্তই কামৰূপলৈ হিন্দুধৰ্ম্ম আনে। কিন্তু কুৰুক্ষেত্ৰৰ মহাযুদ্ধত তেওঁ কৃষ্ণৰ ফলীয়া নহৈ কৌৰৱৰ ফলীয়া হৈছিল; কাৰণ, দুৰ্য্যোধনে তেওঁৰ জীয়েকক বিয়া কৰাইছিল বুলি পুৰাণত লিখা আছে। কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জ্জুনৰ হাতত তেওঁৰ প্ৰাণ যায়।

৪। এইবিলাক আদিকলীয়া পৌৰাণিক উপাখ্যানৰ পিছত, প্ৰায়

এহেজাৰ বছৰৰ আসামৰ বুৰঞ্জীৰ বিষয়ে একো জানিবৰ উপায় নাই। যোগিনীতন্ত্ৰ মতে, শকাব্দাৰ আৰম্ভৰেপৰা অৰ্থাৎ ৭৮ খৃষ্টাব্দৰপৰা শূদ্ৰবংশী ৰজাই আসামত ৰাজত্ব কৰে। দেৱেশ্বৰ নামে শূদিৰ ৰজা এজনে গুৱাহাটী আৰু তেজপুৰত ৰাজত্ব কৰে। ইয়াৰ অনেক কালৰ পিছত নাগশঙ্কৰ নামে বামুণ ৰজা এজনে ৰাজত্ব কৰা কথা আমি শুনিবলৈ পাওঁ। নাগশঙ্কৰে বিশ্বনাথৰ দৌল সজায়। চন্দ্ৰগুপ্তৰ পুতেক সমুদ্ৰগুপ্তই কামৰূপ ৰাজ্য নিজৰ সাম্ৰাজ্যৰ ভিতৰুৱা কৰি লৈছিল বুলি উল্লেখ আছে।

৫। বঙ্গ দেশত পালবংশী ৰজাবিলাকে নৱম শতিকাৰপৰা দ্বাদশ শতিকালৈকে ৰাজত্ব কৰিছিল; আৰু সেই সময়ত কামৰূপতও পাল-বংশী ৰজাই ৰাজত্ব কৰা কথা শুনিবলৈ পোৱা যায়। সম্ভৱতঃ পালবংশী ৰজাই কামৰূপ জয় কৰিছিল। এখন পুৰণিকলীয়া তামৰ ফলিত লেখা আছে যে, কুমাৰপাল নামে ৰজা এজনে কোনোৰা মানুহ এজনক গুৱাহাটীৰ ওচৰত এডোখৰ মাটি দিছিল।

আসাম ৰজাবিলাকৰ বিবৰণ থকা হাতে লেখা পুথি এখনত, ৰামচন্দ্ৰ ৰজাৰ ৰাজধানী প্ৰতাপপুৰ নামে এখন ডাঙৰ ভাল নগৰৰ কথা উল্লেখ কৰা আছে। প্ৰতাপপুৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে আছিল। অনেক কাল কামৰূপত ৰাজত্ব কৰা এটা ৰাজবংশৰ তেওঁ চতুৰ্ব্বিংশতিজন ৰজা আছিল। সেই বংশৰ ৰজা এজন বিক্ৰমাদিত্যৰ হাতত হাৰে। তেওঁৰ পিছত দক্ষিণৰ ৰজা এজনে ধৰ্ম্মপাল নাম লৈ কামৰূপৰ সিংহাসনত উঠে। তেৱেঁই ৰামচন্দ্ৰৰ পূৰ্ব্বপুৰুষ আছিল; আৰু ১২৩৮ খৃষ্টাব্দৰ পৰা তেওঁৰ ৰাজত্বৰ কাল আৰম্ভ হয়। এটা নিৰ্দ্দিষ্ট তাৰিখ থকা তেৱেঁই হে কামৰূপৰ প্ৰথম ৰজা বুলিব লাগে।

৬। পালবংশী ৰজাবিলাকৰ পতনৰ পিছত খাৱেন নামে আদিমবাসী ফৈদ এটাৰ ৰজা এজন ৰজা হৈছিল। তেওঁ কমতাপুৰত তেওঁৰ ৰাজধা-

পাতিছিল। আজিকালি ৰংপুৰ বিভাগত সেই কমতাপুৰ আছিল। তেওঁ বামুণ এজনক তেওঁৰ প্ৰধান মন্ত্ৰী পাতি নীলধ্বজ নাম দৈছিল; আৰু মিথিলাৰ পৰা অনেক বামুণ অনাই তেওঁৰ দেশত পাতিছিল। বামুণবিলাকে ৰজাৰ প্ৰতি তেওঁলোকৰ কৃতজ্ঞতা দেখুৱাই ৰাজকুলীয়া মানুহক "সচ্ছূদ্ৰ" অৰ্থাৎ ভাল শূদ্ৰৰ বুলি প্ৰচাৰ কৰি দিলে। তেওঁৰ পিছত পুতেক চক্ৰধ্বজ, আৰু চক্ৰধ্বজৰ পিছত নীলাম্বৰ ৰজা হৈছিল। নীলাম্বৰেই সেই বংশৰ শেহ ৰজা। তেওঁ ঘোৰাঘাট বুলি ঠাই এডোখৰত গড় সাজিলে; আৰু তেওঁৰ ৰাজ্যৰ অনেক ঠাইত ভাল ভাল আলি কৰালে। নীলাম্বৰৰ মন্ত্ৰীৰ পুতেকে নীলাম্বৰৰ সৈতে বেয়া ব্যৱহাৰ কৰি অপৰ কৰা বাবে, নীলাম্বৰে সেই মন্ত্ৰীৰ ওপৰত বৰ অত্যাচাৰ কৰিছিল। মন্ত্ৰী পলাই গৈ গৌড়ৰ নবাব হুচেন চাৰ ওচৰ পাই হুচেন চাক কামৰূপ আক্ৰমণ কৰিবলৈ মান্তি কৰালে। অনেক কাল যুদ্ধ কৰি সেহত ১৪৯৮ খৃষ্টাব্দত হুচেন চাই কমতাপুৰ অধিকাৰ কৰিলে। ইয়াৰ পিছত কামৰূপ ৰাজ্য ভাগি একোখন সৰু সৰু ৰাজ্য হল।

কছাৰী আধিপত্যৰ বৃদ্ধি আৰু পতন।

১। নীলাম্বৰৰ পতনৰ পিছত, কামৰূপ ৰাজ্য ভাগি যিকেইখন সৰু ৰাজ্য হৈছিল, তাৰ ভিতৰত কোচ বা কছাৰীবিলাক থকা ঠাইখনেই প্ৰধান। প্ৰথমতে কেইবাটাও কৈদ নিজৰ নিজৰ মুখ্য মানুহৰ অধীনত সুকীয়া হৈ আছিল; কিন্তু পিছত হাজো নামে এজন আনবিলাকতকৈ বলী হৈ উঠি এটাইবিলাকৰ ওপৰত ৰজা হল। তেওঁ গোটেই ৰংপুৰ আৰু কামৰূপৰো সৰহ ভাগ ঠাই নিজৰ তলতীয়া কৰিলে। হাজোৰ হীৰা আৰু জীৰা নামে দুজনী জীয়েক আছিল। হীৰাৰ পুতেক বিশু হাজোৰ পিছত ৰজা হল। বিশুৱে শ্ৰীহট্টৰপৰা অনেক বামুণ

ৰজাই নিজৰ দেশত পাতিছিল; আৰু সেই বামুণবিলাকক কামৰূপী বামুণ বোলা হৈছিল। অনেকে অনুমান কৰে যে এই সময়তে কাম-ৰূপত তন্ত্ৰৰ প্ৰচাৰ হল; আৰু যোগিনীতন্ত্ৰ নামে ঘাই তন্ত্ৰখন ৰচিত হৈছিল। ৰজাই নিজক ৰাজপুত বংশৰপৰা উদ্ভৱ হোৱাটো যেন দেখুৱাবলৈ বিশ্বসিংহ নাম ললে; আৰু নিজক হিন্দু দেৱতা শিৱবংশী বুলি প্ৰচাৰ কৰি দিলে। তেওঁৰ কুগীয়া লোকবিলাকে নিজক ৰাজবংশী বা ৰাজপুৰ্ত বুলি কবলৈ ধৰিলে; আৰু হীৰাৰ পৰা উৎপত্তি হোৱাসকলে দেৱ উপাধি ললে; আৰু ৰাজপাটত উঠি ৰাজত্ব কৰাসকলে নিজৰ নামৰ পিছত নাৰায়ণ উপাধি লগালে।

কামাখ্যাৰ মন্দিৰ।

২। ১৫২৮ খৃষ্টাব্দত বিশ্বসিংহৰ মৃত্যু হলত, তেওঁৰ ১৮ জন কোঁৱৰৰ ভিতৰত নৰনাৰায়ণ নামে বৰজন কোঁৱৰ ৰজা হল। নৰনাৰায়ণে বিদ্যা চৰ্চ্চাত বৰ উৎসাহ দিছিল; ভাগৱত, মহাভাৰত

আদি অনেক পুথি অসমীয়া ভাষালৈ তৰ্জ্জমা কৰাইছিল; মহুলমানবিলাকে ভঙা কামাখ্যাৰ মন্দিৰটো নকৈ সজাইছিল; আৰু গোহাঁই কমলৰ আলি নামে নকৈ এটা বৰ আলি কৰাইছিল। তেওঁ আহোমবিলাকক যুদ্ধত ঘটুৱাই নিজৰ তলতীয়া কৰিছিল বুলি প্ৰচাৰিত আছে। ৫৬ বছৰ ৰাজত্ব কৰাৰ পিছত ১৫৮৪ খৃষ্টাব্দত নৰনাৰায়ণৰ মৃত্যু হয়। তেওঁক প্ৰজাই বৰ ভাল পাইছিল। তেওঁ মৰাৰ আগেয়ে তেওঁৰ ৰাজ্যখন দুভাগ কৰি, কোচ-হাজো নামে পূব ফাল তেওঁৰ ভতিজাক ৰঘুদেৱনাৰায়ণক দিলে; আৰু কোচবিহাৰ নামে পশ্চিম-ফাল নিজৰ পুতেক লক্ষ্মীনাৰায়ণক দিলে। লক্ষ্মীনাৰায়ণৰ বংশৰ ৰজা আজিলৈকে কোচবিহাৰত ৰজা হৈ আহিব লাগিছে।

৩। আকবৰৰ ৰাজত্ব কালত লক্ষ্মীনাৰায়ণে শত্ৰুৰ আক্ৰমণৰপৰা নিজক ৰক্ষা কৰিবলৈ, সেই কালৰ মোগল সাম্ৰাজ্যৰ ভিতৰুৱা বঙ্গ-দেশৰ শাসনকৰ্ত্তা মানসিংহৰ ওচৰত সহায় খোজে। মানসিংহই লক্ষ্মীনাৰায়ণক সহায় কৰিবলৈ মান্তি হৈ কলে যে যদি, তেওঁ নিজক আকবৰ বাদস্বাহৰ তলতীয়া ৰজা বুলি স্বীকাৰ কৰি বাদস্বাহক কৰ দিবলৈ মান্তি হয় তেনেহলে তেওঁ তেওঁক সহায় কৰিব। লক্ষ্মীনাৰায়ণ সেই প্ৰস্তাৱত মান্তি হোৱাত মানসিংহই তেওঁক সহায় কৰি শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰে। কিন্তু আউৰংজেৱ বাদস্বাহৰ দিনত কোচবিহাৰৰ ৰজাই বিদ্ৰোহীভাৱ ধৰাত, বাদস্বাহৰ সেনাপতি মিৰজুমলাই কোচবিহাৰ আক্ৰমণ কৰি দখল কৰি তাক মোগল সাম্ৰাজ্যৰ ভিতৰুৱা কৰিলে।

৪। ৰঘুদেৱৰ পিছত তেওঁৰ পুতেক পৰীক্ষিত ৰজা হল। জেহাঙ্গীৰৰ দিনত বঙ্গদেশৰ শাসনকৰ্ত্তা ইচলাম খাঁই পৰীক্ষিতৰ ৰাজ্য আক্ৰমণ কৰি তেওঁক যুদ্ধত ঘটুৱাই বন্দী কৰি সেই ৰাজ্য লয়। সেই কালৰপৰা কোচ ৰজাসকলৰ স্বাধীনতাৰ অন্ত পৰিল। পশ্চিম ফালৰ

ডোখৰ ৰাজ্য মহুলমান ৰজাৰ হাতলৈ, আৰু পূব ফালৰ ডোখৰ আহোম ৰজাৰ হাতলৈ আহিল।

কাছাৰৰ কছাৰীৰাজ্য।

১। কছাৰীবিলাকৰ আদিকালৰ বুৰঞ্জীৰ বিষয়ে আমি একো জানিব নোৱাৰোঁ। আমি ইয়াকে মাথোন কব পাৰোঁ যে ব্ৰহ্মপুত্ৰৰ উপত্যকাবাসী মানুহৰ ভিতৰত প্ৰথমতে সিহঁতৰে নাম আমি পাওঁ। গুৱালপাৰ আৰু উত্তৰ বঙ্গবাসী মেছৰে সৈতে কছাৰীবিলাক একে জাতিৰে মানুহ। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ কছাৰীবিলাকে নিজক বড়ো বোলে; আৰু যিবিলাক কছাৰী উত্তৰ কাছাৰত আছে, সিহঁতে নিজক দিমিচা বুলি কয়। দিমিচা শব্দ দিমি-ফিচা শব্দৰপৰা ওলোৱাটো সম্ভৱ। দিমিফিচা মানে বৰ নৈৰ পুতেক, অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ সন্তান সন্ততি। কাছাৰীবিলাক কোচ, চুটীয়া, ব্ৰহ্মপুত্ৰ উপত্যকাৰ লালুং আৰু গাৰো, আৰু দক্ষিণ ফালৰ পৰ্ব্বতৰ ত্ৰিপুৰাবিলাকৰ সৈতে নিচেই ওচৰাওচৰি সম্বন্ধ থকা মানুহ। এইটো সম্ভৱ যেন মনে ধৰে, যে এসময়ত উত্তৰ-পূব বঙ্গৰে সৈতে আসামৰ সৰহ ভাগত, এখন ডাঙৰ বড়ো ৰাজ্য আছিল।

২। কছাৰীবিলাকৰ বিষয়ে প্ৰথমতে আমি জানিবলৈ পোৱা প্ৰকৃত বুৰঞ্জী এই;—প্ৰায় ৭০০ বছৰৰ আগেয়ে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে এখন কছাৰী ৰাজ্য আছিল। সেই ৰাজ্যৰ ভিতৰত ধনশিৰী নৈৰ উপত্যকাও পৰিছিল। তাৰ পশ্চিম ফালে কমতাপুৰৰ হিন্দু ৰাজ্য আৰু পূব ফালে আহোমবিলাকৰ ৰাজ্য আছিল। আহোম আৰু কছাৰী ৰাজ্যৰ মাজৰ সীমা দীখৌ নৈ আছিল।

৩। ডিমাপুৰ নামে এখন ডাঙৰ নগৰ কছাৰীবিলাকৰ ৰাজধানী

আছিল। ডিমাপুৰৰ ভগ্নাৱশেষ এতিয়াও হাবি বননিৰ ভিতৰত দেখিবলৈ পোৱা যায়, আৰু তাৰ পৰাই বঢ়িয়াকৈ বুজিব পাৰি যে পকি ঘৰ আদি সজা কামত তেতিয়াৰ কছাৰীয়ে আহোমতকৈ ভালকৈ জানি



ডিমাপুৰৰ ভগ্নাৱশেষ।

ছিল। নগৰৰ তিনিওফালে দুমাইল দাঘল এটা ডাঠ গড়, আৰু চতুৰ্থ ফালে ধনশিৰী নৈ আছিল। নগৰলৈ সোমাবলৈ এখন সুন্দৰ দুৱাৰ আছিল, সেইখন আজিলৈকে নপৰা নভগাকৈ ঠিক হৈ আছে। ওখই ১২ ফুট আৰু বেৰে ৫ ফুট, ধুনীয়া শিলৰ খুটা আছিল। সেই কালত আহোমবিলাকৰ ঘৰবোৰ বাঁহৰ, আৰু তাৰ বেৰবোৰ বোকাৰ আছিল। কছাৰীবিলাকে কয় যে চক্ৰধ্বজ নামে চতুৰ্থজন কছাৰী ৰজাই ডিমাপুৰ নগৰ সজাইছিল।

৪। আহোমবিলাকৰ পৰাক্ৰম লাহে লাহে বাঢ়িবলৈ ধৰিলে। ষোড়শ শতিকাত আহোম আৰু কছাৰীৰ মাজত ঘনে ঘনে ৰণ লাগিছিল। শেহত আহোমবিলাকে কছাৰীবিলাকক ৰণত সমূলি পৰাস্ত

কৰি ধনশিৰীয়েদি গৈ ডিমাপুৰ অধিকাৰ কৰি লুট-পাট কৰিলে, আৰু তাৰ কছাৰী ৰজা দেৎচেঙক অনেক মানুহেৰে সৈতে বধ কৰিলে।

৫। ইয়াৰ পিছত কছাৰীবিলাকে ধনশিৰীৰ উপত্যকা এৰি আৰু দক্ষিণলৈ গৈ, উত্তৰ-কাছাৰত মাইহু নৈৰ পাৰৰ মাইবঙত ৰাজধানী পাতিলে। কিন্তু সিহঁত তাতো সুখে শান্তিৰে থাকিব নোৱাৰিলে। প্ৰায় ১৫৫০ খৃষ্টাব্দত কোচ ৰজা বিখ্যাত নৰনাৰায়ণৰ ভায়েক চিলাৰায়ে সিহঁতক আক্ৰমণ কৰে। এই সময়তে কছাৰী ৰজাক প্ৰথমতে হিড়িম্বৰ ঈশ্বৰ বোলা হৈছিল।

৬। ১৬০৩ খৃষ্টাব্দলৈকে আমি কছাৰীবিলাকৰ বিষয়ে আৰু একো নেজানো। সিহঁত উত্তৰ-কাছাৰৰ পৰ্ব্বতবোৰত, আৰু আজিকালি যাক কাছাৰ বোলা যায়, সেই সমান ঠাইডোখৰত লাহে লাহে বিয়পি পৰি ছিল বুলি অনুমান হয়। সেই দেশখন আগেয়ে ত্ৰিপুৰাৰ ৰজাৰ আছিল বুলি কয়; আৰু প্ৰায় ১৬০০ খৃষ্টাব্দত কছাৰী ৰজা এজনে ত্ৰিপুৰা ৰজাৰ জীয়ৰী এজনী বিয়া কৰাই তাক যৌতুক স্বৰূপে হেনো পালে।

৭। শত্ৰুদমন নামে কছাৰী ৰজা এজনে ১৬০৩ খৃষ্টাব্দত জয়ন্তীয়া ৰজাক কৰতলীয়া কৰি অৰিমৰ্দ্দন উপাধি লয়। জয়ন্তীয়া ৰজাই তেওঁৰ জীয়েকক আহোম ৰজালৈ বিয়া দিব খুজি কৈ পাঠিয়ালে, যে, তেওঁৰ জীয়েকক আহোম ৰজাই কছাৰী ৰাজ্যৰ মাজেদি লৈ যাব লাগিব। দাম্ভিক কছাৰী ৰজাই, তেওঁৰ ৰাজ্যৰ ভিতৰেদি আহোম ৰজা এইদৰে যাব নোৱাৰে বুলি কোৱাত আহোম আৰু কছাৰীৰ মাজত ৰণ লাগিল; আৰু সেই ৰণত আহোমক হৰুৱাই কছাৰী ৰজাই প্ৰতাপনাৰায়ণ উপাধি ললে; আৰু তেওঁৰ ৰাজধানীৰ নাম কীৰ্ত্তিপুৰ ৰাখিলে। এই জন কছাৰী ৰজাৰ পিছত প্ৰায় এশ বছৰলৈকে কছাৰী ৰাজ্য স্বাধীন হৈ আছিল যেন অনুমান হয়, যদিও আহোমবিলাকে কছাৰী ৰাজ্য তেওঁলোকৰ কৰতলীয়া বুলি দাবি কৰি আছিল।

৮। ১৭ শতিকাৰ শেহলৈ আহোমবিলাক মছলমান আৰু আন আন শত্ৰুৰে সৈতে যুদ্ধত ইমানকৈ লাগি থাকিব লগীয়া হৈছিল যে, তেওঁলোকে কছাৰীবিলাকৰ ফালে আৰু চকু দিবলৈ আহৰি নেপাই-ছিল। সেইদেখি কছাৰীবিলাকৰ সাহ লাহে লাহে বাঢ়ি গৈ, প্ৰায় ১৭০৬ খৃষ্টাব্দত সিহঁতৰ ৰজা তাম্ৰধ্বজে খোলাখুলিকৈ তেওঁ স্বাধীন ৰজা বুলি ঘোষণা কৰিলে।

৯। সেই সময়ৰ আহোম ৰজাৰ নাম ৰুদ্ৰসিংহ আছিল। ৰুদ্ৰসিংহই ৭০,০০০ বণুৱা লৈ কাছাৰ আক্ৰমণ কৰিলে। তাম্ৰধ্বজ জয়ন্তীয়া ৰজা ৰামসিংহৰ ওচৰলৈ পলাই গল। আহোম সৈন্যই কাছাৰত দপদপাই ফুৰি, মাইবং পাই তাৰ পকি গড় ভাঙ্গি পেলালে। কিন্তু তাত সিহঁতৰ অনেক মানুহ নৰীয়া পৰি মৰাত, সিহঁত কাছাৰ এৰি উভতি নিজৰ দেশলৈ গুচি-আহিল।

১০। ৰামসিংহই ইয়াৰ ভিতৰতে কছাৰী ৰজাক বন্দী কৰি ৰাখি, কাছাৰ লবলৈ চেষ্টা কৰিবলৈ ধৰিলে। তাম্ৰধ্বজে গতি বিষম দেখি, ক্ষমা মাগি মনে মনে ৰুদ্ৰসিংহলৈ এখন চিঠি লেখি পঠিয়ালে। ৰুদ্ৰ-সিংহই সেই চিঠি পাই জয়ন্তীয়া আক্ৰমণ কৰি ১৭০৮ খৃষ্টাব্দত ৰামসিংহক হৰুৱাই তাম্ৰধ্বজক মোকোলাই আনিলে। তাম্ৰধ্বজে ডাঙৰ সভা এখন কৰি, আহোম ৰজাক কৰ দিবলৈ, আৰু বছৰে বছৰে একোবাৰকৈ আহি তেওঁক দেখা কৰিবলৈ অঙ্গীকাৰ কৰিলে। ইহাৰ পিছত তাম্ৰ-ধ্বজ মাইবঙলৈ উভতি আহিল; আৰু অলপ দিনৰ পিছতে তেওঁৰ মৃত্যু হল।

১১। ইয়াৰ পিছত প্ৰায় এশ বছৰলৈকে কছাৰী ৰজাবিলাকে আহোম ৰজাৰ অধীনতা জোকাৰি দলিয়াই পেলাই স্বাধীন হবলৈ বাৰে বাৰে চেষ্টা কৰিছিল। কিন্তু প্ৰতিবাৰতে তেওঁলোক আহোম ৰজাৰ হাতত-পৰাস্ত হৈছিল। ১৭৯০ খৃষ্টাব্দত কছাৰীবিলাকৰ যুধিষ্ঠিৰ

মান্নহবোৰে দেখাশুনাকৈ হিন্দু ধৰ্ম্ম ললে। বামুণবিলাকে এটা ডাঙৰ যজ্ঞ পাতি, তামৰ একনী ডাঙৰ গাই সাজি, ৰজা কৃষ্ণচন্দ্ৰ আৰু তেওঁৰ ভায়েক গোবিন্দচন্দ্ৰক সেই গাইৰ পেটত সুমালে। তেওঁলোক তাৰ পৰা ওলাই আহিলত, গৰুৰপৰা জন্ম হল বুলি কোৱা হল; আৰু সেই নিমিত্তে তেওঁ লোকে প্ৰকৃত ক্ষত্ৰিয় কুল পালে।

১২। তেতিয়া কছাৰী ৰজাবিলাকৰ সম্পৰ্কে এই আখ্যান প্ৰচলিত হল, যে তেওঁলোক দ্বিতীয় পাণ্ডৱ ভীমৰ বংশৰপৰা হোৱা। ভীম যেতিয়া কাছাৰলৈ আহে, তেতিয়া হিড়িম্ব নামে ৰাক্ষস এটাই তাত ৰাজত্ব কৰিছিল। ভীমে সেই ৰাক্ষস ৰজাক বধ কৰি ৰজাৰ ভনীয়েক হিড়িম্বাক বিয়া কৰালে। হিড়িম্বাৰ গৰ্ভত ঘটোৎকচ নামে ভীমৰ এটা লৰা হল; আৰু কাছাৰৰ ৰজাবিলাক সেই ঘটোৎকচৰ বংশৰে। ঘটোৎকচৰ বৃত্তান্ত মহাভাৰতত এটা পুৰণি উপাখ্যান। কিন্তু বামুণ-বিলাকে এতিয়া প্ৰচাৰ কৰি দিলে যে কাছাৰেই ঘটোৎকচৰ দেশ। প্ৰায় ৩০০ বছৰৰ আগৰ বিৱৰণত বা ফলিত, প্ৰথমতে কছাৰী ৰজা বিলাকক "হিড়ম্বৰ ঈশ্বৰ" বুলি লেখা পোৱা যায়। ইয়াৰ আগেয়ে তেওঁলোকক এনে বোলাৰ কোনো প্ৰমাণ পোৱা নেযায়।

১৩। ইয়াৰ অলপ পিছতে মণিপুৰৰ ৰজাই কাছাৰ আক্ৰমণ কৰে। ১৮১৮ খৃষ্টাব্দত তিনিজন ভায়েকে সৈতে মণিপুৰৰ ৰজা আহি কাছাৰৰ ৰজা গোবিন্দচন্দ্ৰক খেদাই দি গোটেই কাছাৰ অধিকাৰ কৰিলে। গোবিন্দচন্দ্ৰই মান ৰজালৈ সহায় খুজি পঠিয়ালত মান সৈন্য আহি কাছাৰ আক্ৰমণ কৰিলে। কিন্তু বৃটিচ গৱৰ্ণমেণ্টে এই বাতৰি শুনি, মানবিলাকক খেদাই দি, গোবিন্দচন্দ্ৰক আকৌ সিংহাসনত বহুৱালে। গোবিন্দচন্দ্ৰই বছৰী ১০,০০০ টকা কৰ ইংৰাজ গৱৰ্ণমেণ্টক দিবলৈ মান্তি ললে। তেওঁ বৰ বেয়াকৈ ৰাজ্য শাসন কৰিছিল; সেইদেখি যেতিয়া ১৮৩২ খৃষ্টাব্দত তেওঁৰ মৃত্যু হল, কাছাৰৰ প্ৰজাই বৃটিচ

গৱৰ্ণমেণ্টক প্ৰাৰ্থনা কৰিলে যেন গৱৰ্ণমেণ্টে তাহাৰ নিজৰ ভলতীয়া কৰি লয়। সেই বাবে সেই বছৰতে তাহাৰ বৃটিচ ভাৰতৰ ভিতৰুৱা কৰা হল।

আহোমবিলাকৰ আক্ৰমণ আৰু বসতি।

১। আহোমবিলাক চান জাতিৰ মানুহৰ এটা দুৰ্দ্দান্ত আৰু স্বাধীন ফৈদ আছিল, যাৰ পুৰণিকলীয়া পং ৰাজ্য মোগং ৰাজধানীৰে সৈতে ঐৰাৱতী নৈৰ ওপৰ উপত্যকাত আজিও আছে। প্ৰায় ১২২৮ খৃষ্টাব্দত আহোমবিলাকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ ফালৰ সীমাইদি সোমাই লাহে লাহে গোটেইখন দেশ জয় কৰি শেহত সিহঁতৰ নামেৰে তাৰ নাম দিলে; অৰ্থাৎ তাৰ নাম অহম বা অসম হল।

২। পঙৰ সিংহাসন পাবলৈ দাবি কৰোঁতাসকলৰ ভিতৰৰ চুকাফা নামে ৰাজকোঁৱৰ এজনে, বিকলমনোৰথ হৈ তেওঁৰ ফলীয়া মানুহবোৰেৰে সৈতে কিছুমান বছৰ ঐৰাৱতী নৈ আৰু পাত্‌কাই পৰ্ব্বতৰ মাজৰ দেশ ডোখৰত অনাই-বনাই ঘুৰি শেহত পাত্‌কাই পৰ্ব্বতশাৰী পাৰ হৈ ব্ৰহ্মপুত্ৰৰ উপত্যকা সোমালেহি। সেই কালত নানা জাতিৰ পৰ্ব্বতীয়া মানুহ এই দেশত বসতি কৰি আছিল। আহোমবিলাকে এটা-এটাকৈ সেই

আহম বতামানুহ।

এটাইবিলাক জাতিক হৰুৱাই নিজৰ ভলতীয়া কৰিলে। কিন্তু ক্ষুদ্ৰ

ছুটীয়াবিলাকৰ এখন বৰ পৰাক্ৰমী ৰাজ্য আছিল। ছুটীয়াবিলাকে সদি-য়াৰ পূৱণি পালবংশী ৰজাৰ ৰাজ্যখন পিলি নিজৰ ৰাজ্যৰ ভিতৰত সুমাই-ছিল। সিহঁতে হিন্দুধৰ্ম্ম লৈ হিন্দু হৈছিল; আৰু সিহঁতৰ ৰজাই শেহৰ জন পাল ৰজাৰ জীয়েকক বিয়া কৰাইছিল। ভালেমান বছৰলৈকে একালে আহোম, আৰু আনকালে ছুটীয়াবিলাকে ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজত্ব কৰি আছিল। আজিকালি যাক শিৱসাগৰ আৰু লক্ষীমপুৰ বিভাগ বোলে সেই ডোখৰ আহোমৰ আছিল; আৰু বাকী ডোখৰ ছুটীয়াবিলাকৰ আছিল। আহোম আৰু ছুটীয়াবিলাকৰ মাজত অনেক কাললৈকে যুদ্ধ চলি আছিল; আৰু কোনেও কাকো বলে নোৱাৰিছিল। কিন্তু শেহত আহোমৰ হাতত ছুটীয়া পৰাস্ত হল; আৰু আহোমে ছুটীয়া ৰজাক বধ কৰি তেওঁৰ ৰাজধানী দখল কৰি গোটেইখন ব্ৰহ্মপুত্ৰ উপত্য-কাৰ ৰজা হল।

৩। ইয়াৰ ভিতৰতে সিকালে আহোমবিলাকে কছাৰীবিলাকক পিছ হোহোকাই খেদি লৈ গৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে সিহঁতৰ ৰাজ্য বঢ়াই আনিবলৈ ধৰিলে। এই ডোখৰ কালত কেইৰাজনো আহোম ৰজাই ৰাজত্ব কৰিছিল, যিবিলাকৰ নাম আৰু ৰাজত্ব কালৰ শক আসাম বুৰঞ্জীবিলাকত পোৱা যায়। তেওঁলোকৰ ভিতৰত চুচেংফা নামে এজনে ১৬১১ খৃষ্টাব্দৰপৰা ১৬৫৫ খৃষ্টাব্দলৈকে, অৰ্থাৎ আকবৰ বাদস্বাই দিল্লীত ৰাজত্ব কৰা কালত ৰাজত্ব কৰিছিল। তেওঁ অনেক হিন্দু দৌল দেৱালয় সজাইছিল; সেইবোৰৰ ভিতৰত মহেশ্বৰৰ মন্দিৰেই যাই। অনেক বামুণক তেওঁ বৃত্তি-বিধান দি পাতিছিল; আৰু হিন্দুধৰ্ম্ম তেওঁৰ দিনতে ৰজাৰ ধৰ্ম্ম হয়। তেওঁ নিজে শৈব আছিল দেখি সেই পন্থীয়া হিন্দুক বেছি অনুগ্ৰহ দেখুৱাইছিল।

৪। তেওঁৰ পুতেকে ১৬৫৫ খৃষ্টাব্দত হিন্দু নাম জয়ধ্বজ সিংহ লৈছিল; আৰু তেতিয়াৰপৰা এটাইবিলাক আহোম ৰজাই দুটা নাম, অৰ্থাৎ

এটা আহোম,নাম আৰু এটা হিন্দু নাম লবলৈ ধৰিলে। তেওঁৰ দিনত (খৃষ্টাব্দ ১৬৬০—১৬৬২) মিৰজুমলাই আসাম আক্ৰমণ কৰে; মিৰজুমলাই যদিও আহোম ৰজাৰ ৰাজধানী অধিকাৰ কৰিছিল, তথাপি তেওঁ শেহত তেওঁৰ এটাই কেইটা বৰ হিলৈ এৰি গুচি যাব লগীয়াত পৰিছিল; আৰু তাৰ ফল স্বৰূপে ভাটীৰ অসমত আহোমৰ ৰাজত্বৰ প্ৰকোপ বাঢ়িছিল; আৰু গুৱাহাটীলৈকে আহোমৰ ৰাজ্যৰ সীমা বহল হৈ পৰিছিল। গুৱহাটীত ১৮ শতিকাৰ শেহলৈকে আহোম ৰাজপ্ৰতিনিধিয়ে শাসন কাৰ্য্য কৰিছিল; আৰু শেহত সিয়েই আহোম ৰাজ্যৰ ৰাজধানী হৈছিল।

১৬৯৫ খৃষ্টাব্দত, আহোম ৰজাৰ ভিতৰত সকলোতকৈ ডাঙৰ ৰজা ৰুদ্ৰসিংহ ৰাজপাটত উঠে। তেওঁ গোটেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ ওপৰত ৰাজত্ব কৰিছিল। তেওঁৰ পিছত গৌৰীনাথ সিংহ ৰজা হয়; আৰু তাৰ পিছত চন্দ্ৰকান্ত সিংহ ৰজা হৈছিল। চন্দ্ৰকান্ত সিংহৰ দিনত মানবিলাকে আসাম জয় কৰি ১৮১৯ খৃষ্টাব্দত আহোম ৰাজত্বৰ ওৰ পেলালে।

মিৰজুমলাৰ আসাম আক্ৰমণ।

১। কেইবাবাৰো মুছলমান ৰজাবিলাকে আসাম আক্ৰমণ কৰিছিল। কিন্তু মুছলমানবিলাক যুদ্ধবিদ্যাত আৰু অস্ত্ৰ-শস্ত্ৰত অসমীয়াতকৈ বেছি নিপুণ থকা বাবে যদিও প্ৰতিবাৰেই কৃতকাৰ্য্য হৈছিল, তথাপি তেওঁলোকে অসমদেশৰ আওভাও নজনা গতিকে, তাত চলাচল কৰিবলৈ ভাল বাট নথকাৰ নিমিত্তে, আৰু নদ-নদীয়া জলো়া আসামৰ জল-বায়ুৰ নিমিত্তে অলপ দিনৰ পিছতে আসাম এৰি গুচি যাব লগীয়াত পৰিছিল।

২। শেহৰটো আক্ৰমণ ১৬৬০—১৬৬২ খৃষ্টাব্দত আওৰংজেবৰ,

মিৰজুমলা নামে এজন ডাঙৰ সেনাপতিয়ে কৰে; আৰু সেই

মিৰজুমলা।

চৌৰেই ডাঙৰ। সেই কালত ওপৰ আসামৰ নাম কামৰূপ আছিল। কোচহাজো আৰু কোচবিহাৰ নামে দুখন দেশে আসামক বঙ্গলা দেশৰ পৰা বেলেগাই থৈছিল। প্ৰথমখন দেশ আজিকালিৰ ভাটীৰ গুৱাল-পাৰ ধুবুৰি আৰু ৰঙামাটি বোলা ঠাই কেইখন গোটখাই হৈছিল; ত্ৰিহুট আৰু ব্ৰহ্মপুত্ৰৰ মাজত, পশ্চিম আৰু পূবফালে কোচবিহাৰ, আৰু তাৰ উত্তৰফালে তিব্বত। আকবৰৰ দিনত কোচবিহাৰৰ ৰজা লক্ষীনাৰায়ণে নিয়ম মতে মোগল সম্ৰাটক কৰ দিছিল। মোগল সম্ৰাটৰ বঙ্গদেশৰ প্ৰতিনিধিৰ শাসনৰ তলতীয়া হৈ কোচবিহাৰৰ ৰজাই ৰাজত্ব কৰিছিল।

৩। জাহাঙ্গীৰৰ দিনত বঙ্গদেশৰ শাসনকৰ্ত্তা ইচলাম খাঁই মোকৰম খাঁ নামে সেনাপতি এজনক কোচহাজো আক্ৰমণ কৰিবলৈ পাচি দিছিল। মোকৰম খাঁই তাৰ ৰজা পৰীক্ষিতক ৰণত হৰুৱাই সেই দেশ মোগল সাম্ৰাজ্যৰ ভিতৰুৱা কৰে। পৰীক্ষিৎ সেই যুজত বন্দী হয়; কিন্তু তেওঁৰ ভায়েক বলদেৱ পলাই গৈ কামৰূপৰ ৰজা স্বৰ্গদেৱৰ শৰণ পশি, কোচ-হাজোত মছলমানক আক্ৰমণ কৰিবলৈ তেওঁক খাটি-লুটি মান্তি কৰায়। স্বৰ্গদেৱে মছলমানক কেইবাৰাবো যুজত পৰাস্ত কৰে। কিন্তু শেহত মোগল সৈন্যই জয় লাভ কৰি অসমীয়াবিলাকক কোচহাজোৰ পৰা

উলিয়াই দি, কামৰূপ আক্ৰমণ কৰি তাৰ এডোখৰ জয় কৰে; আৰু কোচহাজো আৰু গুৱাহাটীত শাসনকৰ্ত্ত বা ফৌজাদাৰ থয়। ১৬৩৭ খৃষ্টাব্দত এইবোৰ ঘটনা ঘটিছিল।

চা জাহান বাদস্বাহৰ ৰাজত্বৰ শেহত, বাদস্বাহৰ কোঁৱৰ চুজা বঙ্গ-দেশৰ প্ৰতিনিধি শাসনকৰ্ত্তা আছিল। ১৬৫৮ খৃষ্টাব্দত, সম্ৰাট নৰীয়া পৰিলত দিল্লীৰ সিংহাসন পাবলৈ কোঁৱৰসকলৰ ভিতৰত খোৱা-কামোৰা লাগে। চুজাই বঙ্গদেশত থকা সেনাবিলাক গোটাই লৈ এটা ডাঙৰ ফৌজ কৰি, ভায়েকহঁতৰ সৈতে যুদ্ধ কৰিবলৈ সাজু হৈছিল; আৰু তাৰ লগতে কোচহাজো আৰু কামৰূপত থকা সৈন্যবোৰও লৈ গৈছিল।

৪। ইয়াৰ অলপ পিছতে মোগল সম্ৰাটৰ কৰতলীয়া কোচবিহাৰৰ ৰজা ভীমনাৰায়ণে যেতিয়া দেখিলে যে কোচহাজোত আৰু মোগল সৈন্য নাই, তেতিয়া তেওঁ এফালৰপৰা কোচহাজো আক্ৰমণ কৰিলে; আৰু কামৰূপৰ আহোম ৰজা জয়ধ্বজ সিংহই পূৰফালৰপৰা সৈন্য, আৰু ব্ৰহ্মপুত্ৰ নৈয়েদি ৰণুৱা নাও লৈ কোচহাজোলৈ যুদ্ধযাত্ৰা কৰি আহি, মছলমান আৰু কোচবিহাৰৰ ৰজা দুইকো আক্ৰমণ কৰিলে।

কোচহাজোৰ মছলমান শাসনকৰ্ত্তা মিৰলটুফুল্লাই অসমীয়াক ৰণে নোৱাৰোঁ যেন দেখি ঢাকালৈ পলাই গুচি গল; আৰু কোচবিহাৰৰ ৰজাইও গতি তেনেকুৱাকে দেখি নিজৰ দেশলৈ উভতি গুচি গল। এইদৰে গোটেইখন নামনি আসাম অহোম ৰজাৰ হাতলৈ আহিল; আৰু তিনি বছৰ সেইদৰেই নিৰ্ব্বিবাদে আহোম ৰজা তাৰ গৰাকী হৈ আছিল।

৫। আউৰংজেব দিল্লীৰ সিংহাসনত গজ্‌গজীয়া দি বহাৰ পিছত, মিৰজুমলা বঙ্গদেশৰ শাসনকৰ্ত্তা হৈ আছিল। কামৰূপৰ ৰজা জয়ধ্বজ সিংহই আৰু কোচবিহাৰৰ ৰজা ভীমনাৰায়ণে মিৰজুমলাৰ ওচৰলৈ তেওঁ-

লোকৰ কটকী পঠিয়াইছিল। জয়ধ্বজ সিংহই মিৰজুমলালৈ কৈ পঠিয়াইছিল যে, তেওঁ কোচহাজোখৰ কোচবিহাৰৰ ৰজাৰ হাতত নপৰাকৈ, মোগল সম্রাটলৈহে মাথোন দখল কৰি ৰাখি থৈ দিছে; আৰু সম্রাটে তেওঁৰ যিজন বিষয়াকে তালৈ পঠিয়াব, তেওঁকে সেই দেশখন জয়ধ্বজ সিংহই দিব।

৬। ইয়াৰ পিছত ১৬৬১ খৃষ্টাব্দত মিৰজুমলা সসৈন্যে কোচবিহাৰলৈ যুদ্ধযাত্রা কৰি আহিল। কোচবিহাৰলৈ অহা এটা বাট ডাঠ বাহনিৰ মাজেদি আছিল। সেই বাটটো ৰক্ষা কৰিবলৈ কোচবিহাৰৰ ৰজাৰ, তাত কোনো সেনা নাছিল। নবাব এই বাটেদি বৰ দুখেৰে দেৰমাহে আহি ৰাজধানীত সোমালহি। ভীমনাৰায়ণ ৰজাই নিজৰ ৰাজধানী আৰু বৰহিলৈবিলাক এৰি ভোটানলৈ পলাই গুচি গল। মিৰজুমলাই কোচবিহাৰ দখল কৰি তাৰ নাম আলমগিৰনগৰ ৰাখিলে।

৭। কোচবিহাৰত যোল দিন থাকি মিৰজুমলাই আসাম আক্রমণ কৰিবলৈ যাত্রা কৰিলে। বাটত প্রত্যেক ঠাইতে তেওঁ ডাঠ হাবিৰ ভিতৰেদি আহিব লগীয়াত পৰিছিল; আৰু ভালেমান নলা, খাল আৰু নৈ পাৰ হব লগীয়া হৈছিল। দেশখন থাগৰি আৰু ওখ বৰটানিৰে ছাতি থোৱা তেওঁ পাইছিল। তেওঁ দিনটোত পাঁচ কি ছয় মাইলতকৈ সৰহ বাট আহিব নোৱাৰিছিল। শেহত তেওঁ গুৱালপাৰ পালেহি। তাত থকা অসমীয়া ফৌজে তেওঁ অহা বাতৰি শুনি যুদ্ধ নকৰি তাৰ পৰা পলাই গুচি গল। মোগল সৈন্যই নৈৰ পাৰে পাৰে গৈ এপখৰ মূৰত গুৱাহাটী পালে। সিহঁতে থোৱা বস্তু আৰু আন সমলবোৰ নৈয়েদি নাৱত তুলি লৈ গৈছিল। তাৰ পিছত মোগল সৈন্য আসাম ৰজাৰ ৰাজধানী, ব্রহ্মপুত্রৰ সিপাৰে থকা গৰগাওঁ মুৰা হৈ যাবলৈ ধৰিলে। সিহঁতে দুদিনে নৈ পাৰ হল। যাওঁতে বাটত সিহঁতে চিমলাগৰ আৰু চামধৰা নামে দুটা দুৰ্গ দখল কৰি গৈছিল। ইয়াৰ অলপ পিছতে আসাম

ৰজাৰ ৮০০ বগুৰা নাও ভটিয়াই আহি মিৰজুমলাৰ নাওবোৰ আক্ৰমণ কৰিলে। ওৰেৰাতি পানীৰ ওপৰত মোগল আৰু অসমীয়াৰ যুদ্ধ হৈছিল। কিন্তু যেতিয়া বাহুবলি অহা মোগল সেনা সেইখিনি পালেহি তেতিয়া অসমীয়াবিলাক পলাই গল; আৰু মোগল সৈন্যই অসমীয়াৰ ৪০০ নাও একোটাকৈ হিলৈৰে সৈতে বন্দী কৰিলে। মাৰ্চ মাহৰ ৯ তাৰিখে মোগল সৈন্য গৈ লাখোগৰ পালত, আসাম ৰজাৰ গুৰু ব্ৰাহ্মণ এজনে ৰজাৰপৰা ১০০ সোণৰ মোহৰ আৰু এখন সৈমান হোৱা চিঠি লৈ মিৰজুমলাৰ গুৰি ওলালহি। কিন্তু মিৰজুমলাই উত্তৰ দিলে যে তেওঁ আসাম ৰজাৰ ৰাজধানী গড়গাওঁ পাইহে তাৰ সমিধান দিব। দীহিং মুখৰ গড়গাওঁ নগৰৰ কাষৰ নৈৰ পানী তৰাং দেখি মিৰজুমলাই লাখোগড়তে ৩২৩ খন বগুৰানাও এৰি বাটেদি গৈ, মাৰ্চ মাহৰ ১৭ তাৰিখে গড়গাওঁ পালে। কিন্তু তেওঁ নগৰ পায়েই দেখিলে যে ৰজাই ভঁৰালৰ সৰহখিনি ধন-সোণ উলিয়াই লৈ তেওঁ পোৱাৰ আগেয়েই পলাই গল। সি যি হওক, পিছদিনা তেওঁ, পলৰীয়া ৰজাই পেলাই থৈ যোৱা ভালেমান হিলৈ পুখুৰীবিলাকৰপৰা উলিয়ালে; আৰু তিনি লাখ সোণৰ আৰু ৰূপৰ টকা আৰু ৮২টা হাতী পালে। মিৰজুমলাই যুদ্ধ যাত্ৰা কৰি আহিবৰ দিনৰেপৰা মুঠতে ৬৭৫টা হিলৈ, আৰু সলাকানিৰে জুই লগাই মৰা পুৰণিকলীয়া, প্ৰায় ১০০০ হিলৈ, সৰহকৈ হিলৈৰ খাৰ, আৰু প্ৰায় ১০০০ বগুৰা নাও পাইছিল। গড়গাৱঁত তেওঁ অনেক চাউলও পাইছিল।

৮। গড়গাৱঁত নবাবে এদল সৈন্য থৈ মথুৰাপুৰৰ ফালে গল। মথুৰাপুৰ গড়গাৱৰ পৰা দহ মাইল দূৰৈত। আসামৰ ৰজা কামৰূপৰ পূব ফালে নামৰূপ নামে এখন অনেক দূৰ পৰ্ব্বতীয়া ঠাইলৈ পলাই গল বুলি নবাবে বাতৰি পালে। নামৰূপৰ জল-বায়ু এনে বেয়া যে তাক নৰকৰ নিচিনা বুলি লোকে কৈছিল; আৰু আসাম ৰজাই অসমীয়া

মানুহকহে তালৈ পঠিয়াইছিল। তেতিয়া বাৰিষা আৰম্ভ হৈছিল দেখি নবাবে মথুৰাপুৰতে বাৰিষা কালটো কটাবলৈ থিৰ কৰিলে।

৯। বুৰঞ্জী লেখোঁতা চাহাব-উদ্দিনে কয় যে, আগৰ দিনৰ কোনো ভাৰতীয় ৰজাই আসাম জয় কৰা নাছিল। যি কোনেই আসাম আক্ৰমণ কৰিবলৈ তাত সোমাইছিল সেয়েই মৰি-হাজি নষ্ট হৈছিল; আৰু তাৰপৰা কোনো ওলাই উভতি যাব নোৱাৰিছিল। কোনো বিদেশী ফৌজে আসাম আক্ৰমণ কৰিবলৈ গলেই, অসমীয়া মানুহ এনেকুৱা পৰ্ব্বতলৈ পলাই গৈছিল, যলৈ সিহঁত যাব নোৱাৰিছিল; আৰু বাৰিষা-কালি সিহঁত আসামৰ ভৈয়ামত থাকি জৰ নৰীয়াত, আৰু খোৱা বস্তুৰ অভাৱত পৰি মৰি ঢুকাইছিল। তাৰ উপৰিও অসমীয়াই ৰাতি পৰ্ব্বতৰ পৰা নামি আহি লানিকৈ সিহঁতক আক্ৰমণ কৰি কৰি মাৰি খাস্তাং কৰিছিল।

১০। চাহাব-উদ্দিনে আগৰকলীয়া আসাম আক্ৰমণ কৰোঁতা-বিলাকৰ বিষয়ে এইদৰে লিখিছিল, সেই কথা এতিয়া মিৰজুমলাৰ ফৌজৰ গাতে ফলিয়ালে। বৰষুণ হবলৈ আৰম্ভ হলতে মছলমান সৈন্য-বিলাক দেশৰ ইফালে সিফালে আৰু চলাচল কৰি ফুৰিব নোৱাৰা হল; আৰু সিহঁতক অসমীয়াবিলাকে ক্ৰমাগতে, ঘাইকৈ ৰাতি আক্ৰমণ কৰিবলৈ ধৰিলে। তাৰ উপৰি অসমীয়াবিলাকে মছলমান সেনাৰ খোৱা বস্তু অনাৰ বাটবিলাক মাৰিলে। লাহে লাহে সিহঁতক অসমীয়াবিলাকে চেপি আনি আনি গৰগাওঁ আৰু মথুৰাপুৰৰপৰা কৈলেকো ওলাব নোৱাৰা কৰি বাকী ঠাইবোৰ আকৌ দখল কৰি পেলালে। সিহঁতৰ কোনোৱে সাহ কৰি ইফাল সিফাললৈ ওলালেই, লুকাই থকা অসমীয়া হিলৈদাৰীয়ে হিলৈৰে তাক গুলিয়াই মাৰিছিল। চাহাব-উদ্দিনে লেখি থৈ গৈছে, যে "কোনো মোগল সৈন্যৰ এনে বিলাই-বিপত্তি আগেয়ে কোনো কালে হোৱা নাছিল। ১২,০০০ মানুহক হয়াহলৈ একে ঠাইতে

শত্ৰুৱে বন্ধ কৰি ৰাখিছে, অথচ যি শত্ৰুক তেওঁলোকে ঘিণ আৰু তুচ্ছজ্ঞান কৰে!" নামৰূপৰ পৰ্ব্বতত লুকাই থকা আসাম ৰজাই তাৰ পৰা নামি আহি ফৌজ লৈ নিজে মছলমান সৈন্যক আক্ৰমণ কৰিবলৈ ধৰিলে। মছলমানবিলাকে খাবলৈ কোনো বস্তু নোপোৱা হল; আৰু সিহঁতৰ লগত খোৱা-বস্তুৰ নাটনিও পৰিল। এসেৰ মাখনৰ বেচ ১৪ টকা, আৰু এসেৰ লোণৰ বেচ ৩০ টকা দি সিহঁতে খাব লগীয়াত পৰি- ছিল। মিৰজুমলাই আৰু মথুৰাপুৰত টিকিব নোৱাৰা হল যেন দেখি, আপই ৰাহৰ মাজভোখৰত গৰগাওঁলৈ উভতি আহিবলৈ থিৰ কৰিলে। তেওঁ মথুৰাপুৰত, তেওঁৰ চাৰি ভাগৰ এভাগ সমল, ভালেমান হিলৈ, অনেক নৰীয়া পৰা আৰু ঘাইল হোৱা বগুৰা এৰি থৈ আহিব লগীয়াত পৰিল; আৰু তেওঁৰ অনেক গৰু মহ ছাগলি আদি মৰিল। দোৰ্খোৰ বাৰিষা। বৰ দুখেৰে তেওঁ কোনোমতে গৰগাওঁ পালেহি। গৰগাওঁতো কিছুমান পৰলীয়া চাউলৰ বাহিৰে তেওঁলোকে খাবলৈ আন একো বস্তু নেপাইছিল। তেওঁৰ ভালেমান মানুহ জ্বৰ আৰু গ্ৰহণীত মৰিল।

১১। ইয়াৰ পিছত, চেপ্টেম্বৰ মাহৰ মাজভোখৰত বৰষুণৰ অন্ত পৰিলত, নৈয়েদি নবাবৰ সৈন্যলৈ খোৱা-বস্তু পালেহি; আৰু অসম ৰজাই আকৌ আগৰদৰে তেওঁৰ ফৌজ লৈ পৰ্ব্বতলৈ পলাই গুচি গল। নবাবে অসম ৰজাক ধৰিবলৈ পিছে পিছে সেনা পঠিয়ালে; কিন্তু সিহঁতে একো কৰিব নোৱাৰি উভতি আহিল। ইকালে নবাবৰ বৰ নৰীয়া হল। তেওঁৰ ঘাই বিষয়াবিলাকে তেওঁক কলে যে, তেওঁলোক আৰু এখোজও কতেকো আগ নেবাঢ়ে; আৰু যদি আকৌ এটা বাৰিষা তেওঁলোকে আসামত সেইদৰে থাকি কটাব লগীয়াত পৰে হেন্তে তেওঁলোকে নবাবক এৰি গুচি যাব। দুজন মছলমান ডাঙৰীয়াক মোগল সম্ৰাটে কোচহাজো আৰু কামৰূপৰ ফৌজদাৰ পাতিছিল; কিন্তু তেওঁলোক দুয়ো সেই বিষয় লবলৈ অমান্তি হল। এনে সময়তে অসম ৰজাই

মিৰজুমলাইে সন্ধিৰ প্ৰস্তাৱ কৰি পঠিয়ালে; আৰু মিৰজুমলা আনন্দ মনেৰে তাত মান্তি হল। সন্ধিৰ নিয়ম এনে আছিল;—অসম ৰজাই তেওঁৰ জীয়েক এজনী দিল্লীৰ সম্ৰাটৰ সৈতে বিয়া দিবলৈ পঠিয়াব; আৰু তেওঁ সম্ৰাটক ২০,০০০ তোলা সোণ, ১২০,০০০ টকা ৰূপ, আৰু ৩২ টা হাতী তেতিয়াই দিব; ৩ লাখ টকা আৰু ৯০ টা হাতী এবছৰত দিব; বছৰি ২০ টাকৈ হাতী সম্ৰাটলৈ পঠিয়াই থাকিব; আৰু সেই সন্ধিৰ এইবিলাক নিয়ম পালন কৰিবৰ নিমিত্তে, তেওঁৰ চাৰি ফুকনৰ অৰ্থাৎ চাৰিজন সেনাপতিৰ চাৰিজন পুতেকক সম্ৰাটৰ ওচৰত জামিন ৰাখিব।

ইয়াৰ উপৰিও অসম ৰজাই চাৰিখন বিভাগ;—দৰং, নাকিৰণী অৰ্থাৎ গাৰো পৰ্ব্বত, নগা পৰ্ব্বত, বেলতলা, আৰু ডুমৰিয়া, সম্ৰাটক দিব লগীয়াত পৰিছিল।

১২। ১৬৬৩ খৃষ্টাব্দৰ আমুৰাৰিত নবাবৰ সৈন্যই উভতি যাবলৈ হুকুম পালে। সেই হুকুম পাই সিহঁতৰ মনত বৰ বং লাগিল। কিন্তু বৰ দুখেৰেহে সিহঁত উভতি যাব পাৰিছিল। বুৰঞ্জী লেখোঁতা চাহাব-উদ্দিনে কয় যে, শেহলৈ সিহঁতে অকল পানী খাই, আৰু সিহঁতৰ গৰু ঘোঁৰা আদিয়ে অকল ঘাঁহ খাই জীয়াই থাকিব লগীয়াত পৰিছিল। নবাবৰ নৰীয়া লাহে লাহে টান হৈ গল, আৰু গুৱাহাটী এৰি যোৱাৰ পিছতে তেওঁৰ মৃত্যু হল।

১৩। কিন্তু আসাম বুৰঞ্জীত মিৰজুমলাৰ এই আক্ৰমণৰ বিষয়ে বৰ্ণনা একেবাৰেই বেলেগ। আসাম বুৰঞ্জীমতে মোগল সৈন্য অসমীয়াৰ হাতত সমূলী মাৰিছিল। আৰু অসম ৰজাই গোটেই কামৰূপত হেদক্লেদ লোহোৰাকৈ ৰাজত্ব কৰি আছিল। ১৬৬৭ খৃষ্টাব্দত জয়ধ্বজ সিংহৰ মৃত্যু হল। সি বিহুৱক, মিৰজুমলা উভিতি যোৱাৰ চাৰি বছৰৰ পিছলৈকে গুৱাহাটী মোগল সাম্ৰাজ্যৰ ভিতৰৰ হাতি-কাৰৰীয়া দেশ হৈ আছিল; আৰু ১৬৬৭ খৃষ্টাব্দত হে অসমীয়াই তাক আকৌ জয় কৰি ললে।

ৰাজপুত ৰজা জয়সিংহৰ (যি আউৰংজেবক দিল্লীৰ সিংহাসন পোৱা কাৰ্য্যত সহায় কৰিছিল) পুত্ৰেক ৰাম সিংহই ইয়াৰ দহ বছৰৰ পিছত আকৌ গুৱাহাটী জয় কৰি মোগল সাম্ৰাজ্যৰ ভিতৰুৱা কৰিছিল। কিন্তু তাৰ পিছত আকৌ মোগলবিলাকে তাৰপৰা খেদা খালে; আৰু তেতিয়াৰেপৰা গুৱাহাটী আহোমবিলাকৰ প্ৰধান নগৰ হল।

চা জেলালৰ দ্বাৰাই চিলঠত মছলমানধৰ্ম্ম প্ৰচাৰ।

১। চা জেলাল চতুৰ্দ্দশ শতিকাৰ মানুহ। তেওঁৰ বাপেকৰ নাম ইব্ৰাহিম। তেওঁ আৰবৰ ইয়েমেন নামে ঠাইৰ মানুহ আছিল; আৰু কোৰেচ কৈদৰ চেখ বংশত তেওঁৰ জনম। সৰুতে তেওঁ মাউৰা হোৱা বাবে, তেওঁৰ মদায়েক আহমদ কবিৰে তেওঁক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। আহমদ কবিৰ “দৰবেশ” ফকীৰ আৰু মক্কাবাসী আছিল। এনে প্ৰবাদ আছে, যে সৰু কালতে চা জেলালে নিজৰ চকুৰ বলেৰে এদিন এটা বাঘৰ হাতৰপৰা হৰিণা-পহু এটা ৰক্ষা কৰিছিল, অৰ্থাৎ বাঘৰ কালে তেওঁ চকু-পোনাই চালতে তেওঁৰ চকুৰ জেউতি দেখি বাঘে ভয় খাই পহুটো এৰি গুচি গল। ঈশ্বৰে দিয়া এনে শক্তি ভক্তিভাকৰ গাত দেখি মদায়েক বুঢ়া ফকীৰে তেওঁক হিন্দুস্থানলৈ ইছলামধৰ্ম্ম প্ৰচাৰ কৰিবলৈ কলে। মদায়েক তেওঁক এমুঠি মাটি দি কলে যে “তুমি যতে এই মাটি মুঠিৰ নিচিনা একে বৰণৰ, একে গোন্ধৰ আৰু একে সোৱাদৰ মাটি পাবা, ততে তুমি বসতি কৰিবা।”

২। চা জেলাল আহি হিন্দুস্থান পোৱা কালত, চিলঠত গৌৰ-গোবিন্দ নামে এজন হিন্দু ৰজা আছিল। গৌৰগোবিন্দ এজন ডাঙৰ খেতৰসাইজ কৰিব জনা লোক আছিল; আৰু তেওঁ ভূত প্ৰেত পিশাচ সাধন কৰি ঘিণ-লগা কামবিলাক কৰা বাবে, বঙ্গদেশৰ

পুৰণি গৌৰ ৰাজ্যৰপৰা খেদা খাই ওলাই আহিব লগীয়াত পৰিছিল। সেই কালত চিলঠৰ নাম শ্ৰীহাট অৰ্থাৎ সুন্দৰ হাট আছিল; আৰু তাত অসভ্য জাতিৰ মানুহৰ বসতি আছিল, যদিও মাজে মাজে দুৰৰ চাৰি ঘৰ মহলমান মানুহও যে তাত নাছিল এনে নহয়। গোবিন্দে তাৰ ৰজা হৈয়েই মহলমান প্ৰজাবোৰৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰিলে আৰু তেওঁৰ অত্যাচাৰ সহিব নোৱাৰি অনেক মহলমানে দেশ এৰি আন দেশলৈ পলাই গুচি গৈছিল। যিবোৰ মহলমান ভাগি নগৈ তাত আছিল, সেইবোৰৰ ভিতৰৰ এজনৰ নাম চেখ বুৰহান্দি আছিল।

৩। চেখ বুৰহান্দিৰ লৰা হোৱা নাছিল দেখি, এদিন তেওঁ আল্লালৈ এজনী গাই আগ কাৰ প্ৰতিজ্ঞা কৰিলে যে যদি তেওঁৰ লৰা এটা হয়, তেন্তে তেওঁ এজনী গাই কাটি আল্লাৰ আগত বলি দিব। কিছুমান দিনৰ পিছত বুৰহান্দিৰ লৰা এটা উপজিল; আৰু তেওঁ আগ কৰি থোৱামতে এজনী গাই কাটি বলি দিলে। গোবিন্দ ৰজাই সেই কথা শুনি খঙত জলি উঠি চেখক ধৰাই আনি তেওঁৰ ন-কৈ হোৱা লৰাটো আৰু সোঁ হাতখন কটাই দণ্ড কৰিলে।

৪। বুৰহান্দি দিল্লীলৈ পলাই গৈ পাঠান সম্ৰাট আলাউদ্দিনৰ আগত এই কথাৰ গোচৰ দিলে। আলাউদ্দিনে গোবিন্দ ৰজাক দণ্ড দিবৰ মনেৰে তেওঁৰ ভতিজাক চেকন্দৰ চাক ফৌজেৰে সৈতে চিলঠলৈ পঠিয়াই দিলে। চেকওৰ আহি ঢাকা পাই ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে উজাই আহিবলৈ ধৰিলে। গৌৰগোবিন্দে লগত ভূত-প্ৰেত লৈ (সম্ভৱতঃ অসভ্য বনৰীয়া জাতিৰ মানুহ) চেকন্দৰৰ সমুখ হবলৈ যাত্ৰা কৰিলে। তেওঁৰ লগত অনেক অগ্নিবান অৰ্থাৎ হাবৈ আছিল; আৰু সেইবোৰ পাঠান সৈন্যৰ মাজলৈ মাৰি তেওঁ সিহঁতৰ যোৰাবোৰক ভয় খুৱাই দিছিল। তাৰ পিছত যি যুদ্ধ হল, সেই যুদ্ধত হিন্দুবিলাকৰ জয় হল; আৰু পাঠান সৈন্য হাৰি পলাই গল।

৫। বুৰহান্দিও পাঠানবিলাকৰ লগতে পলাই গল, আৰু দিল্লীৰ সম্রাটৰপৰা একো উপকাৰ নোহোৱা দেখি তেওঁ চা জেলালৰ শৰণাগত হল। চা জেলাল সেই সময়ত দিল্লীত আছিল, আৰু বৰ ডাঙৰ সাধু ফকীৰ বুলি সকলোৱে তেওঁক মান সৎকাৰ কৰিছিল। সম্রাটৰ পীৰ বা গুৰু চা জেলালে বুৰহান্দিক দোজোৰ কিচ্কিচ্-কৰে কলা পাৰ দিলে। এনে কথা চলিত আছে যে তেওঁ সেই পাৰ দোজোৰ চিলঠলৈ লৈ আহিল; আৰু আজিকালিও তেওঁৰ দৰগাত যিবোৰ পাৰ দেখিবলৈ পোৱা যায়, সেইবোৰ সেই কলা পাৰ দোজোৰবেপৰা হোৱা।

৬। আলাউদ্দিনে চৈয়দ নাচিৰ নামে আৰু এজন সেনাপতিৰ তলত আৰু এটা ফৌজ চিলঠ আক্ৰমণ কৰিবলৈ পঠিয়ালে। সেই ফৌজৰ লগত চা জেলাল আছিল। যেতিয়া সম্রাটৰ সৈন্য ব্ৰহ্মপুত্ৰ পালেহি, চা জেলালে তেওঁ নেমাজ পঢ়া কঠখনৰ ওপৰত উঠি ব্ৰহ্মপুত্ৰ পাৰ হল। তেওঁ তেওঁৰ শিষ্যবিলাকৰ সৈতে নির্ভয়ে আগবাঢ়ি আহিবলৈ ধৰিলে; আৰু ৰজাৰ কামৰপৰা তেওঁলোকৰ ওপৰলৈ মৰা অগ্নিবাণবোৰ উভতি ৰজাৰ ফৌজৰ ওপৰতে পৰি সিহঁতক ছেদিলি-ভেদেলি কৰি পেলালে। ৰজাৰ পাত্ৰ মন্ত্ৰীসকলে সেই মহলমান ফকীৰৰ শক্তিৰ বিষয়ে আগেয়ে শুনিছিল; সেইদেখি তেওঁলোকে ৰজাক সৈমান হবলৈ পৰামৰ্শ দিলে। ৰজাই তথাই তেওঁলোকৰ পৰামৰ্শ মতে কাৰ্য্য কৰিলে। এটা মচ্জিদ সজাবৰ নিমিত্তে শিল অনাবলৈ সেই ফকীৰে ৰজাক হুকুম দিয়াত ৰজাই ইমানবিলাক শিল অনাইছিল যে তাৰে অনেক মজিদ দেশৰ নানা ঠাইত সজা হল।

৭। চা জেলালে তেওঁৰ নেমাজৰ কঠখনৰ ওপৰত উঠি চুৰমা নৈ পাৰ হৈ সি পাৰে দেখিলে যে তাৰ মাটি, তেওঁ মক্কাৰপৰা অনা মাটিৰ নিচিনা বৰণৰ, গোন্ধৰ আৰু সোৱাদৰ। সেইদেখি তেওঁ কলে যে তেওঁ তাতে থিতাপি হৈ তেওঁৰ "আচতানা" অৰ্থাৎ থকা ঠাই

কৰিব। তেওঁ চেকওৰ চাক সেই দেশৰ ৰজা পাতিলে। তেওঁৰ লগত অহা ৩৬০ জন "দৰবেশ" ফকীৰক গোটেই দেশত মছলমান ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ তেওঁ পাচি দিলে। তেওঁলোকৰ সেই কাৰ্য্য ইমান সফল হৈছিল, যে প্ৰায় গোটেই চিলেটৰ মানুহ মছলমান হল।

৮। চা জেলালৰ বিষয়ে বিবোৰ বৃত্তান্ত দেশত চলিত আছিল, সেই-বোৰ গোটাই, এসময়ত চিলেটত মুনচুপ কাম কৰা নাচিৰুদ্দিন হাইদৰ

চা জেলালৰ কবৰ।

নামে এজনে কাৰ্চী ভাষাত এখন কাব্য পুথি লেখে। কাব্যখনৰ নাম "চুহাইল-ই-য়েমেন" অৰ্থাৎ য়েমেনৰ তৰা। সেই পুথিত আছে যে চা জেলাল চিলেটত ৩২ বছৰ আছিল; আৰু ৬২ বছৰ বয়সত তেওঁৰ মৃত্যু হল।

৯। আবু আবদুল্লা নামে মছলমান দেশভ্ৰমণ কৰোঁতা এজন, (.যাৰ;নাম "ইবু বাতুতা" বুলি বেছিকৈ প্ৰখ্যাত; আৰু ১৩০৪ খৃষ্টাব্দত

আফ্রিকাৰ তাঞ্জীয়েৰত যাৰ জন্ম হৈছিল) গোটেই এচিয়াত ফুৰি মহম্মদ টোগলকৰ দিনত ভাৰতবৰ্ষলৈ আহিছিল। মহম্মদ টোগলকে তেওঁক দিল্লীৰ কাজি পাতিছিল। তেওঁ যাইতে, চা জেলালক চাবৰ নিমিত্তে চিলঠলৈ আহিছিল। তেওঁৰ বুৰঞ্জীত চিলঠক কামৰূপ বুলি লেখিছে; আৰু সেই বিখ্যাত ফকীৰক টাব্রিজৰ চা জেলালুদ্দিন বুলি উল্লেখ কৰিছে। তেওঁ লেখিছে যে চা জেলালে অনেক অলৌকিক কাৰ্য্য কৰা তেওঁ দেখিছিল; আৰু সেইবোৰৰ কিছুমানৰ বিষয়ে তেওঁ তেওঁৰ সেই কিতাপত লেখি থৈ গৈছে। তেওঁ কয় যে চা জেলাল তেওঁ দেখা সময়ত ১০০ বছৰ বয়সীয়া বুঢ়া আছিল। তেওঁ দীঘল আৰু ক্ষীণোৱা আছিল, আৰু তেওঁৰ মুখত দাড়ি ইমান তাকৰীয়া যে দাড়ি নাছিল বুলিলেই হয়। এটা গুহাৰ ভিতৰত চা জেলাল বাস কৰিছিল; আৰু লাগিলে ১০ দিন একো নোখোৱাকৈ তেওঁ উপবাসে থাকিছিল, আৰু তাৰ পিছত মাথোন অলপ গৰুৰ গাখীৰ খাইছিল। তেওঁ প্ৰায় গোটেই ৰাতি ঈশ্বৰৰ উপাসনাত কটাইছিল। তেওঁ কামৰূপলৈ যোৱাৰ উদ্দেশ্য আছিল, তাৰ মানুহক মহম্মদান ধৰ্ম্ম দিয়া; আৰু সেই কাৰ্য্যত তেওঁ সিদ্ধিলাভ কৰিছিলও। কি হিন্দু কি মহম্মদান সকলো মানুহ ভালেমান বুৰবৰা তেওঁৰ ওচৰলৈ আহিছিল, আৰু খাব লৰলৈ তেওঁক বস্তু দিছিল। মানুহবোৰে পোৱা সেই বস্তুবোৰ চা জেলালে দুখীয়া মানুহক আৰু ফকীৰক বিলাই দিছিল। তেওঁ তেওঁৰ মৃত্যুৰ দিন-ক্ষণ আগেয়েই কৈছিল, আৰু ঠিক সেই দিন সেই ক্ষণতে তেওঁ উপাসনা কৰি থাকোঁতেই প্ৰাণ ত্যাগ কৰিছিল।

মানৰ আক্রমণ আৰু ইংৰাজৰ অধিকাৰ স্থাপন।

১। মিৰজুমলাৰ আক্রমণ বিফল হোৱাৰ পিছত, আসামত আহোমৰ

প্ৰতিদ্বন্দী আৰু কোনো নাইকিয়া হল। তাৰ আগেয়ে কছাৰীবিলাকক আহোমে বশত হকবাই থৈছিল, আৰু কোচ ৰাজ্যৰ পতনৰ পিছত, দৰং আৰু বিজনীৰ ৰজা আহোম ৰজাৰ কৰতলীয়া হৈ পৰিছিল।



গুৱাহাটীৰ ওচৰৰ মাজুলী।

১৬৯৫ খৃষ্টাব্দত ৰুদ্ৰসিংহ (চুকংফা) সিংহাসনত উঠে। গোটেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ ওপৰত ৰুদ্ৰসিংহৰ শাসন চলিছিল, আৰু এটাই-বিলাক পৰ্ব্বতীয়া জাতি তেওঁৰ তলতীয়া হৈছিল। তেওঁ ৰংপুৰত নগৰ পাতি তাত গড় সজাইছিল আৰু তিব্বতৰ লৈতে সৰহকৈ বেহা-বেপাৰ চলাব সুচল কৰিছিল। গুৱাহাটীৰ সমুখে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত তেওঁৰ মৃত্যু হল; আৰু সেই ঠাইতে তেওঁৰ পুতেকে পিছত ৰুদ্ৰেশ্বৰ নামে শিৱদোল এটা সজালে।

২। ১৭৮০ খৃষ্টাব্দত গৌৰীনাথ সিংহ সিংহাসনত উঠে। তেওঁৰ দিনত মোৱামৰীয়া বিদ্ৰোহ হয়। মোৱামৰীয়াবিলাক এটা ধৰ্ম্ম

সম্প্ৰদায়ৰ মানুহ; আৰু সিইতৰ থকা ঠাই ডিব্ৰুগড়। মোৱামৰীয়া-বিলাকৰ হাতত আহোম ৰজাৰ ফৌজ অনেক বাৰ হাৰে। মণিপুৰৰ ৰজাই গৌৰীনাথ সিংহ স্বৰ্গদেৱক সহায় কৰিবলৈ আহি, মোৱামৰীয়া-বিলাকৰ হাতত পৰাস্ত হয়; আৰু দৰঙৰ ৰজা কৃষ্ণনাৰায়ণেও তেওঁক আক্ৰমণ কৰে। সেই দেখি তেওঁ বৃটিচ গৱৰ্ণমেণ্টলৈ সহায় খুজি পঠিয়ালে। ১৭৯২ খৃষ্টাব্দত কাপ্তেন ৱালেচে কলিকতাৰপৰা এটা ইংৰাজ ফৌজেৰে সৈতে আহি কৃষ্ণনাৰায়ণক যুদ্ধত হৰুৱায়, আৰু মোৱা-মৰীয়া বিদ্ৰোহ দমন কৰি গোটেই উপত্যকাত শান্তি স্থাপন কৰে। ১৭৯৪ খৃষ্টাব্দত কাপ্তান ৱালেচ উভতি গল আৰু তাৰ মাহচেৰেকৰ পিছতে গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ মৃত্যু হল। গৌৰীনাথ সিংহৰ মৃত্যুৰ পিছত, পুতেক কমলেশ্বৰ সিংহ ৰজা হল; আৰু তেওঁৰ পিছত তেওঁৰ ভায়েক চন্দ্ৰকান্ত সিংহ ৰাজ-পাটত উঠিল। এইজনা ৰজাই তেওঁৰ মন্ত্ৰী বুঢ়া-গোহাঁইৰে সৈতে বিবাদ কৰি বুঢ়া-গোহাঁইক বলে নোৱাৰি, ব্ৰহ্মদেশৰ ৰজালৈ সহায় খুজি পঠিয়ালে। গতিকে, ব্ৰহ্মদেশৰপৰা এটা ডাঙৰ মান ফৌজ আহি আসাম আক্ৰমণ কৰি চন্দ্ৰকান্তক আকৌ ক্ষমতাশালী কৰে। কিন্তু মান সেনা উভতি যোৱাৰ পিছতে বুঢ়া-গোহাঁয়ে চন্দ্ৰকান্তক ৰজা ভাজি ১৮১৬ খৃষ্টাব্দত পুৰন্দৰ সিংহক ৰজা পাতিলে। চন্দ্ৰকান্তই আকৌ মান ৰজালৈ সহায় খুজি পঠিয়ালত ১৮১৮ খৃষ্টাব্দত আকৌ মান সেনা আহি তেওঁক ৰজা পাতিলে। তাৰ পিছত পুৰন্দৰ সিংহই ইংৰাজ গৱৰ্ণমেণ্টলৈ সহায় খুজি পঠিয়ালত, ইংৰাজ গৱৰ্ণমেণ্টে তেওঁক সহায় কৰিবলৈ মান্তি নহল। ইয়াৰ পিছত চন্দ্ৰকান্তৰ সৈতে মান সেনাৰ বিবাদ হলত, মানে তেওঁক ১৮২২ খৃষ্টাব্দত আসামৰ পৰা খেদি দি দেশ দখল কৰি পেলালে।

৩। চন্দ্ৰকান্ত ইংৰাজ ৰাজ্যৰ ভিতৰলৈ পলাই গুচি গল; আৰু মানৰ উপদ্ৰৱত, হাজাৰ হাজাৰ অসমীয়া মানুহও তেওঁৰ পিছতে আসাম

এৰি ভাগি ইংৰাজৰ ৰাজ্যত সোমালহি। মান সেনাপতিয়ে ইংৰাজ গৱৰ্ণমেণ্টলৈ এই বুলি ভাবি চিঠি এখন লেখিলে, যে যদি ইংৰাজে চন্দ্ৰকান্তক ধৰি তেওঁৰ ওচৰলৈ পঠিয়াই নিদিয়ে, তেন্তে তেওঁ ইংৰাজৰ ৰাজ্য আক্ৰমণ কৰি বলেৰে চন্দ্ৰকান্তক লৈ আহিব। ঠিক সেই সময়তে মানে আগবাঢ়ি আহি ইংৰাজৰ আশ্ৰিত দেশ কাছাৰ আক্ৰমণ কৰিলে। গৱৰ্ণৰ জেনেৰেলে মানক আৰপৰা ওলাই যাবলৈ কোৱাত, মানে নুশুনিলত, তেওঁ ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। ইংৰাজৰ যুদ্ধৰ জাহাজ গৈ গোটেই উপত্যকা জয় কৰিলত, ১৮২৬ খৃষ্টাব্দত ইংৰাজ গৱৰ্ণমেণ্ট আৰু ব্ৰহ্মদেশৰ ৰজাৰ ভিতৰত যাণ্ডাবুত সন্ধি হয়। সেই সন্ধি মতে ব্ৰহ্মদেশৰ ৰজাৰপৰা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে আসাম পালে।

৪। আসামৰ এডোখৰ, অৰ্থাৎ কামৰূপ, নগাওঁ আৰু দৰং বিভাগ ইংৰাজৰ নিজৰ শাসনৰ ভিতৰলৈ অনা হল। মোৱামৰীয়া দেশ ডিব্ৰুগড় বিভাগ কেইবাবছৰলৈকে মোৱামৰীয়াবিলাকৰ নায়ক বৰসেনাপতিৰ হাতত ৰখা হৈছিল; কিন্তু ১৮৩৯ খৃষ্টাব্দত বৰসেনাপতি মৰিল; আৰু ১৮৪২ খৃষ্টাব্দত তাকো ইংৰাজে নিজৰ হাতলৈ আনিলে। শিৱ-সাগৰ আৰু লক্ষীমপুৰ বিভাগ প্ৰথমতে ৰজা পুৰন্দৰ সিংহৰ হাতত ৰখা হৈছিল। তাৰ বাবে পুৰন্দৰ ৰজাই ৫০,০০০ ৰূপ ইংৰাজ গৱৰ্ণমেণ্টক বছৰি দিবলৈ মান্তি হৈছিল। ১৮৩৯ চনলৈকে এই বন্দবস্ত মতে পুৰন্দৰ ৰজাই ইংৰাজ গৱৰ্ণমেণ্টক টকা দি আহিছিল; কিন্তু পিছত তেওঁ আৰু তেনে বন্দবস্তত ৰাজ্যশাসন কৰিব নোৱাৰোঁ বুলি কলত, ইংৰাজ গৱৰ্ণমেণ্টে সেই বিভাগ দুখনো নিজৰ হাতলৈ আনিলে। সেই সময়তে খামতী ৰজাৰ অধীনত থকা সদিয়া বিভাগকো ইংৰাজৰ ৰাজ্যৰ ভিতৰুৱা কৰাত খামতীবিলাক বিদ্ৰোহী উঠিল। এইদৰে ১৮৪২ খৃষ্টাব্দৰপৰা গোটেইখন আসাম ইংৰাজ গৱৰ্ণমেণ্টৰ শাসনৰ তলতীয়া হল।

৫। গোৱালপাৰাকে আদি কৰি বাকীবোৰৰ দেশ বঙ্গদেশৰ দৰেই মোগল সাম্রাজ্যৰ ভিতৰত আছিল। ১৭৬৫ খৃষ্টাব্দত সম্রাট শা আলমে সেইবোৰৰ ইষ্ট ইণ্ডিয়া কোম্পানীক দিলে।



শিৱসাগৰৰ শিৱমন্দিৰ।

হিমালয়ৰ কাষত থকা পূব-দুৱাৰ, ১৮৬৬ খৃষ্টাব্দত হোৱা ভুটান যুদ্ধৰ পিছত ইংৰাজ ৰাজ্যৰ ভিতৰলৈ আহিল।

অন্ত।